কালজয়ী সাহিত্য

ছদ্মবেশিনী

(মূল ঃ হেনৰি উদৰ 'ইষ্ট লিন')

অনুবাদ ঃ

শান্তিৰাম দাস

শৰাইঘাট প্ৰকাশন

গুৱাহাটী ৭৮১০২১

Chhadmaveshini : Assamese translation of Henry Wood's 'East Lynne' by Shanti Ram Das and published by the Saraighat Prakasan, Guwahati 781021, in February 2009

Price Rs. 75.00

প্ৰথম প্ৰকাশ : ?

দ্বিতীয় প্ৰকাশ : ১৯৫৬

(পুলিনদাস কাকতী, ফুলকুটীৰ, ৰিহাবাৰী, গুৱাহাটী)

তৃতীয় প্ৰকাশ : ফেব্ৰুৱাৰি ২০০৯ (শৰাইঘাট প্ৰকাশন)

সম্পাদক : ড. দীনেশ চন্দ্ৰ গোস্বামী

বেটুপাত

ৰূপকৃষ্ণ পাটৰ

ভিতৰৰ ছবি

কমল কলিতা

দাম : ৭৫.০০ টকা

প্ৰকাশক

শৰাইঘাট প্ৰকাশন

গুৱাহাটী ৭৮১০২১

পৰিবেশক

আৰ. জি. পাব্লিকেশ্বনছ

মাৰ্কেট কম্প্লেক্স, যশোৱন্ত ৰোড

পাণবজাৰ, গুৱাহাটী ৭৮১০০১

মুদ্ৰক

শৰাইঘাট ফটো টাইপছ প্ৰাইভেট লিমিটেড

উদ্যোগ পাম, বামুণীমৈদাম

গুৱাহাটী ৭৮১০২১

সম্পাদকৰ এষাৰ

পৃথিৱীৰ বিখ্যাত বিখ্যাত সাহিত্যকৰ্মৰ সোৱাদ আমাৰ পঢ়ুৱৈসকলকো দিয়াৰ উদ্দেশ্যে অনূদিত সাহিত্যৰ এই ছিৰিজটো প্ৰকাশ কৰিবলৈ লোৱা হৈছে। আমাৰ পাঠকসকলে দেখিব যে ইয়াৰ চৰিত্ৰবোৰ বেলেগ; কাহিনী, সমাজ আৰু পৰিৱেশো বৰ বেলেগ; কিন্তু তাৰ মাজতে তেখেতসকলৰ মনৰ লগত মিলি যোৱা, চিনাকি চিনাকি লগা বহু কথা, বহু ঘটনা তেখেতসকলে বিচাৰি পাব। সেইবাবে এই চৰিত্ৰবোৰৰ সুখত তেখেতসকল সুখী হ'ব, দুখত দুখী হ'ব।

বয়স্ক শিশু আৰু কিশোৰসকলৰ কথা মনত ৰাখি এইলানি পুথি যুগুতোৱা হৈছে যদিও, ডাঙৰসকলেও এই পুথিবোৰ পঢ়ি আমোদ পাব বুলি আমি আশা কৰোঁ। এই পুথিসমূহৰ কিছুমান অন্য ৰূপত অসমীয়াত আগতেও প্ৰকাশিত হৈছে। আমি ইয়াত পুথিবোৰৰ ভাঙনি সামান্য সংক্ষেপিত ৰূপতহে আগ বঢ়াইছোঁ, অৱশ্যে সংক্ষিপ্ত কৰোঁতে যাতে ৰস পোৱাত বাধা নপৰে, তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে।

অসমৰ বিশিষ্ট সাহিত্যিকসকলে এইলানি পুথি অনুবাদ কৰিছে। অসমৰ এগৰাকী আগশাৰীৰ প্ৰকাশক শ্ৰীযোগেশ শৰ্মাদেৱে এই ছিৰিজ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ জগতখনলৈ উল্লেখনীয় অৰিহণা আগ বঢ়ালে। আমি আশা ৰাখিছোঁ যে আমাৰ ভাষাৰ সকলো শ্ৰেণীৰ পঢ়ুৱৈয়ে এইলানি পুথি আদৰি ল'ব। ইতি—

যোৰহাট **দীনেশ চন্দ্ৰ গোস্বামী**

১০ ডিচেম্বৰ ২০০৮

এতিয়াৰপৰা আধা শতিকাৰো আগৰ এই অনূদিত পুথিৰ তেতিয়াৰ দিনৰ অনুবাদৰ বৈশিষ্ট্য ৰক্ষা কৰিবলৈ সম্পাদনা কৰোঁতে বিশেষ সালসলনি কৰা হোৱা নাই আৰু অনুবাদৰ শৈলীতো হাত দিয়া হোৱা নাই।

নিবেদন

(প্ৰথম প্ৰকাশত)

হেনৰি উডৰ বিখ্যাত উপন্যাস ইষ্ট লিন (East Lynne) শিক্ষিত সমাজত জনাজাত। কেনে সুন্দৰ আঁচনি, কেনে বিতোপন ঠাঁচৰ লিখনি! আমাৰ ভাষাত তেনে উচ্চ ধৰণৰ পুথি বিৰল। তেনেখন পুথিৰ অসমীয়া ভাঙনি 'ছদ্মবেশিনী' নাম দি পঢ়ুৱৈ সমাজৰ হাতলৈ আগ বঢ়ালোঁ।

ভাঙনিত মূলৰ সৌন্দৰ্য্য অটুট নাথাকে—ই জনাশুনা কথা—কাৰো অবিদিত নহয়। বাহুল্যৰ ভয়ত অনুবাদকে বহু কথা এৰাধৰা কৰিছে। গুণগ্ৰাহী পাঠক-পাঠিকাসকলে সকলো কথা বিচাৰ কৰিব।

মোৰ এই মৰ-সাহসৰ কাম প্ৰকাশ কৰোঁতে যিসকল বন্ধু-বান্ধৱে উছাহ-উদ্‌গনি দিছে তেওঁলোকলৈ আৰু ছপা কামৰ তত্ত্বাবধান লওঁতা আৰু সহায় কৰোঁতা মোৰ পুৰণি ছাত্ৰসকললৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

ছপা কৰোঁতে আৰু আৰ্হি কাকত চাওঁতে ভুল-ভ্ৰান্তি থাকিব পাৰে। সদাশয় পাঠক-পাঠিকাসকলে এইবাৰলৈ সকলো দোষ ক্ষমা কৰি ভৱিষ্যৎ উন্নতিকল্পে সহানুভূতি দেখুৱালে পৰম সন্তোষ পাম।

বিনীত

শান্তিৰাম দাস

উৎসৰ্গা

স্বাধীন ভাৰতৰ—স্বাধীন অসমী আইৰ
স্বাধীনতা কামিনী—বাই-ভনী
আয়তীসকলৰ
হাতলৈ—

—শান্তিৰাম দাস

মিছেছ হেনৰি উড
(Mrs Henry Wood, 1814-1887)

ইংলণ্ডৰ উৰচেষ্টাৰ শ্বায়াৰত ১৮১৪ চনৰ ১৭ জানুৱাৰি তাৰিখে জন্ম গ্ৰহণ কৰা এইগৰাকী ইংৰাজ ঔপন্যাসিক ১৮৬১ চনত 'ইষ্ট লিন' (East Lynne) নামৰ এখন উপন্যাস প্ৰকাশ কৰি পৃথিৱীবিখ্যাত হৈ পৰে। পাছত এই সদ্‌গুণৰ পতনৰ বিষয়ে অতিনাটকীয় (melodramatic) আৰু নীতিশিক্ষাদায়ী উপন্যাসখন পৃথিৱীৰ বিভিন্ন ভাষালৈ অনূদিত হয়। অতি সফলতাৰে ইয়াক নাটকৰ ৰূপো দিয়া হয় আৰু নানাজনে ইয়াক জনপ্ৰিয় গল্প-উপন্যাসত অনুকৰণো কৰে।

ইয়াৰ পাছতো উডে বহুতো সফল উপন্যাস লেখে। ইয়াৰে 'চেনিংছ' (Channings, 1862) আদি উপন্যাসত তেওঁ কাহিনী বৰ্ণনাৰ চমৎকাৰিত্ব প্ৰদৰ্শন কৰি অতি সাৱলীলতাৰে মধ্যবিত্তৰ চৰিত্ৰ আৰু সম্পৰ্ক বৰ্ণনা কৰিবলৈ সক্ষম হয়। ১৮৬৭ চনত তেওঁ 'আৰ্গছি' (Argosy) নামৰ এখন বিখ্যাত আলোচনীৰ স্বত্বাধিকাৰী আৰু সম্পাদক হয়। ১৮৮৭ চনৰ ১০ ফেব্ৰুৱাৰিৰ দিনা লণ্ডনত তেওঁৰ মৃত্যু হয়।

অনুবাদক শ্ৰীশান্তিৰাম দাস (জন্ম—১৮৯৫, মৃত্যু---২৮ জুলাই ১৯৫৮) মূলতঃ এগৰাকী শিক্ষক আৰু পাঠ্যপুথি প্ৰণেতা আছিল যদিও অসমীয়া সাহিত্যলৈ, বিশেষকৈ অসমীয়া অনুবাদ সাহিত্যলৈ, তেওঁ মূল্যবান অৱদান আগ বঢ়াই থৈ গৈছে। দাসৰদ্বাৰা কিশোৰ-কিশোৰীহঁতৰ উপযোগীকৈ প্ৰস্তুত কৰা 'বীৰকুমাৰ' নামৰ পুথিখনে সেই সময়ত পঢ়ুৱৈসকলৰ অন্তৰত দ ছাপ বহুৱাইছিল। তেওঁৰ ১৯২১ চনত প্ৰকাশিত অনূদিত পুথি 'বৈৰাগী' আৰু ১৯২৯ চনত প্ৰথম প্ৰকাশিত অনূদিত পুথি 'মিলন মন্দিৰো' বেছ জনপ্ৰিয় হৈ পৰিছিল।

পলাশবাৰীৰ পাল্লী গাঁৱত জন্ম গ্ৰহণ কৰা দাসে পলাশবাৰী মধ্য ইংৰাজী স্কুলৰপৰা এম.ই. আৰু গুৱাহাটীৰ কলেজিয়েট হাইস্কুলৰপৰা প্ৰৱেশিকা পাছ কৰে। তাৰ পাছত তেওঁ কটন কলেজৰপৰা বিজ্ঞানৰ স্নাতক ডিগ্ৰি লাভ কৰে। কলেজিয়েট হাইস্কুলতে শিক্ষকতা আৰম্ভ কৰি সুদীৰ্ঘ কালৰ শিক্ষকতা সেৱাৰ অন্তত তাৰপৰাই তেওঁ সহকাৰী প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ 'উজু গণিত', 'ন পাটীগণিত', 'জ্যামিতি প্ৰৱেশ', 'জানিবলগীয়া কথা', 'ত্ৰিকোণমিতি প্ৰৱেশ', 'বিজ্ঞানৰ কথা' আদি অনেক পাঠ্যপুথি ৰচনা কৰি সেই সময়ৰ শিক্ষা-সেৱাত অৰিহণা যোগাইছিল। 'কালজয়ী সাহিত্য' ছিৰিজত তেওঁৰদ্বাৰা অনূদিত এই পুথিৰ বাহিৰেও 'মিলন মন্দিৰ' নামৰ পুথিখনো পুনৰ প্ৰকাশিত হৈছে।

১

সুন্দৰ অট্টালিকা। সমুখত দুয়োকাষে জক্‌মক্‌কৈ ফুলি থকা নানান শুৱনি ফুলৰ ফুলনি। তাৰ সোঁমাজতে দুটা কৃত্রিম উঁহে বহু ওপৰলৈ চাৰিওফালে পানী ছটিয়াই আছে। পদূলিমুখত দুই ফালে দুজন দুৱৰী থিয় হৈ আছে। অট্টালিকাৰ সোঁমাজতে মনোহৰ নানান ধুনীয়া বস্তুৰে সজোৱা এটা সুন্দৰ আহল-বহল কোঠালী; তাৰ সোঁমাজতে এখন ঘূৰণীয়া মেজ। লৰ্ড মাউণ্ট চেভাৰ্ণ উইলিয়াম ভেনে সমুখৰ মেজৰ ওপৰত কিছুমান কাকত-পত্র থৈ এখন হেলনীয়া চকীত শুই কিবাকিবি ভাবি আছে। তেখেত উঠিবই নোৱাৰে—গোটেই শৰীৰ—বিশেষকৈ ভৰি দুখন বাত বিষে জুৰুলা কৰিছে, লৰচৰ কৰে কেনেকৈ?

উইলিয়াম ভেন—এজন জনাজাত উচ্চ ৰাজবংশৰ লৰ্ড পৰিয়ালৰ সন্তান। তেখেত নাছিল এজন ৰাজনীতিজ্ঞ, নাছিল ৰাজ বিষয়া, নাছিল পাৰ্লেমেণ্টৰ মেম্বৰ। তেখেত আছিল এজন ধৈৰ্য্যহীন, খুব কৃপণ স্বভাৱী, জুৱা-পাশা খেলত নিপুণ সদানন্দ পুৰুষ। বৰ দুখীয়া হ'লেও সদ্‌বংশজাত ভদ্রলোকৰ সন্তান, লৰ্ড বংশৰ ওৱাৰিছ। তেখেতৰ বয়স যেতিয়া ২৫ বছৰ, অক্সফোৰ্ড কলেজত পঢ়ে, তেখেতে বছৰি ষাঠি হেজাৰ পাউণ্ড (প্রায় ৯ লাখ টকা*) আয় হোৱা জমিদাৰী এখন আইনমতে উত্তৰাধিকাৰী সূত্রে পালে।

পোন প্রথমতে তেখেতে ভাবিছিল যে তেখেতে ইমান অতুল সম্পত্তি কি কৰিব? কেনেকৈ খৰচ হ'ব? তেখেতৰ মগজু ঘূৰি গ'ল। সময়ত সংগী মিলিল, খৰচৰ বাট মুকলি হ'ল। তেখেতক সকলোৱে ভাল পালে, মৰম কৰিলে, ভাল বুলি ওপৰলৈ তুলি দিলে। তেখেত সকলোৰে ননীৰ পুতুলা, আলাসৰ লাৰু যেন হৈ উঠিল। খৰচৰ বাট ওলাল—খৰচ হ'বলৈ ধৰিলে। আমোদ-প্রমোদ স্ফূর্তি চলিবলৈ ধৰিলে।

কিছুদিন চলিল। সংসাৰৰ গতি পৰিবৰ্তনশীল—চিৰদিন সমানে নাযায়। হ'ল নাটনিৰ আৰম্ভ। আমোদ-প্রমোদ সুন্দৰকৈ চলিয়ে থাকিল। অভাৱত স্বভাৱ নষ্ট হ'ল—ধাৰৰ পৰিমাণ বাঢ়িল। অৱশেষত তেখেতৰ অৱস্থা, বিশেষকৈ আৰ্থিক

* বৰ্তমান (২০০৮ চন) প্রায় ৫১ লাখ টকা।

অৱস্থা, কেনে হৈ উঠিলগৈ, তাক জনসাধাৰণে ভালকৈ জানিলে, তাতোকৈ ভালকৈ জানিলে তেখেতৰ ভিতৰুৱা বন্ধুসকলে আৰু তাতোকৈ ভালকৈ জানিলে তেখেতৰ সম্পত্তিৰ গৰাকী মহাজনসকলে। তেখেতৰ কেনে অৱস্থা!

লৰ্ড উইলিয়াম ভেনে শুই ভাবি-চিন্তি আছিল। কপালৰ আগৰ থূপ খোৱা সিৰকেইডালৰপৰা অনুমান হয় যেন তেখেতে তেখেতৰ অতীত জীৱনৰ কথা ভাবিছিল। তেখেত নষ্ট হৈছিল তেখেতৰ আলাসৰ লাৰু জমিদাৰণীগৰাকীৰপৰা। তেখেতসকলৰ সতি-সন্তানৰ ভিতৰত ৰূপহী ছোৱালী এজনী মাথোন—ইছাবেল, আৰু নাই। এইবোৰ কিবাকিবি ভাবি থাকোঁতেই দুৱৰী এজনে মূৰ দোঁৱাই ক'লেহি,—দেউতা, বহা টোপঘৰত ভদ্ৰলোক এজন বৈ আছেহি। লৰ্ড উইলিয়ামে দুৱৰীয়ে অনা কাকতখন নোচোৱাকৈয়ে সুধিলে—কোন তেওঁ?

দুৱৰী—ৱেষ্ট লিনৰ মিষ্টাৰ কাৰ্লাইল।

লৰ্ড উইলিয়ামে নিজে নিজে কৈ উঠিল,—ৱেষ্ট লিনৰ মি৹ কাৰ্লাইল? তেওঁ উকীল মানুহ, তেওঁ ইয়ালৈ আহিছে? কোনো মহাজনে... দুৱৰীক ক'লে,—বাৰু, তেওঁক ইয়ালৈ মাতি আনগৈ।

মি৹ কাৰ্লাইল ভিতৰলৈ সোমাই আহিল। পৰস্পৰ নমস্কাৰ দিয়াৰ পাছত চকী এখনত বহিল। কথা আৰম্ভ হ'ল।

মি৹ কাৰ্লাইল এজন দেখনিয়াৰ ডেকা উকীল। সুন্দৰ চেহেৰা, নাকে-মুখে, হাতে-ভৰিয়ে, মুখৰ উচ্চ আকৃতিয়ে এজন শিক্ষিত ভদ্ৰলোক। অক্সফোৰ্ডৰ ডিগ্ৰীধাৰী মেধাৱী ছাত্ৰ। তেওঁক সকলোৱে ভাল পাইছিল। তেওঁৰ অমায়িকতাত সকলো মোহ গৈছিল। তেওঁৰ স্বভাৱ-চৰিত্ৰ সকলোৰে আদৰ্শৰ স্থল আছিল।

মি৹ কাৰ্লাইলক হাত জোকাৰি হাঁহি মাৰি মি৹ উইলিয়ামে ক'লে,—তোমাক দেখি বৰ সন্তোষ পালোঁ, মি৹ কাৰ্লাইল। কি সকামত বা তুমি আহিলা?

মি৹ কাৰ্লাইলে লাহে-ধীৰে ক'লে,—ডাঙৰীয়া, শুনিলোঁ যে আপোনাৰ ইষ্ট লিন জমিদাৰীখন বিক্ৰী হ'ব। কথাটো সঁচানে?

লৰ্ড উইলিয়ামে তললৈ মূৰ কৰি ক'লে,—কিয় সুধিলা এই কথা? তুমি কোনো মহাজনৰ হকে কিবা ভিতৰুৱা খা-খবৰ ল'বৰ ছলেৰে আহিছা নেকি? ভাঙি কোৱা।

—ডাঙৰীয়া, মোৰ সেইফেৰা বুদ্ধি আছে। মই শুনিছোঁ যে আপোনাৰ ইষ্ট লিন কোনোৱে নজনাকৈ গুপ্তভাৱে বিক্ৰী হ'ব। আপোনাৰ এজেন্ট এজনে মোক আধা-আধি কথা বিশ্বাসতে কৈছে। যদি কথা সঁচা হয়, তেন্তে ময়ে তাৰ গ্ৰাহক আছোঁ।

—কাৰ নিমিত্তে?

—মোৰ নিজৰ নিমিত্তে।

লৰ্ড উইলিয়ামে হাঁহি মাৰি ক'লে,—হয়নে? তেনেহ'লে বেছ-বেছ।

কথা-বাৰ্তা চলিল, বন্দবস্ত-দৰদাম ঠিক হ'ল। কথা থাকিল—ইষ্ট লিন বিক্ৰী হ'লেও উইলিয়াম নিজ ইচ্ছানুযায়ী কিছুকাল তাত থাকিব।

সকলো কথা-বতৰা ঠিক হোৱাৰ পাছত নানা ৰকম আলাপ চলিল। কথাই কথাই ৰাতি হ'ল। লৰ্ড উইলিয়ামে মিঃ কাৰ্লাইলক তাতেই খাই-বৈ যাবলৈ অনুৰোধ জনালে। দোধোৰ-মোৰৰ পাছত মিঃ কাৰ্লাইল মান্তি হ'ল।

*

খোৱা ঘৰত এখন দুৱাৰেদি লৰ্ড উইলিয়াম আৰু মিঃ কাৰ্লাইল সোমালগৈ, তাৰ বিপৰীত ফালৰ দুৱাৰ এখনেদি আৰু এজন সোমালহি। মিঃ কাৰ্লাইলে দেখিয়েই আচৰিত মানিলে,—মানুহ নে দেৱী! এজনী সুন্দৰী ১৬/১৭ বছৰীয়া ৰূপহী ছোৱালী ওচৰ চাপিলহি! বৰ দেখনিয়াৰ ছোৱালী বাস্তৱিকতে। মিঃ কাৰ্লাইলে সপোন দেখা যেন পালে। তেওঁ মনুষ্য পুৰীতে স্বৰ্গপুৰী পালে। লৰ্ড উইলিয়ামে তেওঁৰ চিনাকি দি ক'লে—মোৰ একমাত্ৰ চেনেহৰ পুতুলা লেডী ইছাবেল, মিঃ কাৰ্লাইল।

মিঃ কাৰ্লাইলে সেই পিনে তধা লাগি লেডী ইছাবেলৰ ৰেহ-ৰূপ চাই থাকিল।

খোৱা-লোৱা শেষ হ'ল। বাপেকে জীয়েকক সুধিলে—আইটি, কাপোৰ-কানি পিন্ধি ওলাইছানে?

—ওলাইছোঁ, পিতা! পদূলিত গাড়ী বৈ আছেহি। বাটতে ভেন আইদেৱো বৈ আছে। এতিয়া যাওঁহে তেন্তে। বাপেকে হাতখনত থাপ মাৰি ধৰি বুকুৰ ওচৰলৈ টানি নি 'মোৰ সোণ' বুলি কৈ গোলাপী গাল দুখন হাতেৰে পিহি দি লেডী ইছাবেলক বিদায় দি মিঃ কাৰ্লাইলৰ ফালে চাই ক'লে,—মিঃ কাৰ্লাইল, অনুগ্ৰহকৈ চাকৰ এজন মাতি দিবানে? দেখিছা নহয় উঠিবই নোৱাৰোঁ, ডাঙৰীয়া, ক্ষমা কৰিবা, সোণটিক গাড়ীত তুলি দি আহিব লাগে।

কথা শুনি মিঃ কাৰ্লাইলে কওঁ নকওঁকৈ ক'লে,—যদি আপুনি অনুমতি দিয়ে আৰু যদি—বুলি লেডী ইছাবেলৰ ফালে কেৰাহিকৈ চাই ক'লে,—লেডী ইছাবেলে অপমান বুলি নাভাবে, তেন্তে ময়ে...

মিঃ উইলিয়ামে তেওঁক ধন্যবাদ দিলে, ইছাবেলেও মিচিকিয়া হাঁহি এটি মাৰি আগলি কৃতজ্ঞতা জনালে। মিঃ কাৰ্লাইলে লেডী ইছাবেলক কাষে কাষে লৈ গৈ হাতত ধৰি গাড়ীত তুলি দিলেগৈ। দুয়োৰে অন্তৰেদি অজানিতভাৱে বিজুলী প্ৰবাহ এসোঁতা

তেওঁৰ চিনাকি দি ক'লে—মোৰ একমাত্ৰ চেনেহৰ পুতুলা লেডী ইছাবেল, মিঃ কার্লাইল।

বৈ গ'ল! মুহূৰ্ত্ততে কোনে কাক জানিলে, চিনিলে! লেডী ইছাবেলৰ গাড়ী ঘূৰঘূৰকৈ বাগৰি গন্তব্য ঠাইলৈ গুচি গ'ল। কাৰ্লাইলে সেইপিনে ক্ষন্তেক চাই থাকি ভগা অন্তৰেৰে তলমূৰকৈ লৰ্ড উইলিয়ামৰ শোৱনি ঘৰলৈ খোজ ল'লে।

দুয়োৰে আকৌ কথা-বতৰা হ'ল। লেডী ইছাবেলৰ প্ৰশংসা গল্পৰ মাজেদি ইষ্ট লিন বিক্ৰী হৈ গ'ল। কথা থাকিল যে বিক্ৰী সংবাদ কাৰ্লাইলে খুব গুপ্তভাৱে ৰাখিব আৰু মিঃ উইলিয়াম জীয়াই থকা কালখিনি নিজ ইচ্ছামতে সেই ঘৰ-বাৰীতে থাকিব পাৰিব। যিদিনাই তেওঁ ইচ্ছামতে ওলাই যাব, সেই দিনৰপৰাহে সেই মাটি-বাৰী, ঘৰ-দুৱাৰ, সাজ-সঁজুলি সমস্ত মিঃ কাৰ্লাইলৰ অধীনলৈ আহিব। দুয়ো পক্ষৰ লেখা-পঢ়া হ'ল। অৱশেষত কাৰ্লাইলে মিঃ উইলিয়ামক ধন্যবাদ দি মূৰ দোঁৱাই নিজৰ ঘৰ ৱেষ্ট লিনলৈ খোজ ল'লে। বাটে বাটে তলমূৰকৈ ভাবি গ'ল লেডী ইছাবেলৰ কথা—কি সুন্দৰী, দেখনিয়াৰ মনোমোহা গাভৰু ছোৱালীজনী! নাজানো বিধাতাৰ কি ইচ্ছা!

লেডী ইছাবেলে, মিছেছ ভেনৰ লগত মিছেছ লেভীছনৰ ঘৰ পালেগৈ। মিছেছ লেভীছন, এগৰাকী ৮০ বছৰীয়া ভদ্ৰমহিলা। তেওঁ বৰ কঢ়া ধৰণৰ তিৰোতা, মিছেছ ভেন আৰু লেডী ইছাবেল বৰ পলমকৈ অহা দেখি তেওঁ বেজাৰ প্ৰকাশ কৰিলে আৰু কিবাকিবি বকি দুয়োকে চাহ খোৱা মেজৰ ওচৰলৈ লৈ গ'ল। সকলোটিয়ে চাহ খাবলৈ লাগিল।

সেই মেজতে মিছেছ লেভীছনৰ নাতি ল'ৰা—ফ্ৰান্সিছেও চাহ-জলপান খাই আছিল। তেওঁ নাতিয়েকৰ চিনাকি দি ক'লে,—মোৰ নাতি ল'ৰা ফ্ৰান্সিছ কেপ্টেন লেভীছন, লেডী ইছাবেল।

ফ্ৰান্সিছ এজন আটক ধুনীয়া ওখ, চফল ডেকা। মিছেছ লেভীছনৰ নাতি, কাজেই ঐশ্বৰ্য্যশালী ধনকুবেৰ বুঢ়া মিঃ লেভীছনৰ যোল অনাই ভৱিষ্যৎ উত্তৰাধিকাৰী।

মিছেছ লেভীছনে ফ্ৰান্সিছৰ ফালে চাই ক'লে—লেডী ইছাবেল, লেভীছন। কেপ্টেন লেভীছনে প্ৰশংসা বিৰিঙি ওলোৱা চকুৰ চাৱনিৰে লেডী ইছাবেলৰ ওপৰত দৃষ্টি পেলালে। সংসাৰ ক্ষেত্ৰত তেনেই কেঁচা—আজলী ছোৱালী সেইপিনে ৰঙা পৰি উঠিল। তেওঁৰ ভৰি পিছলিল,—অবাক। কাৰণ তেওঁ সেই একেদিনাই একে সময়তে প্ৰায় এঘণ্টাৰ ভিতৰতে দুজন ডেকাৰ কৃপাদৃষ্টিত পৰিল। দুয়োজনেই তেওঁৰ ভৱিষ্যৎ জীৱনৰ ওপৰত এটা চিৰকলীয়া সাঁচ ঢালিলে।

লেডী ইছাবেলৰ ডিঙিত বহুমূলীয়া সোণৰ হাৰ এধাৰি আছিল, তাৰ মাজতে

হীৰা খটোৱা এটা ক্ৰুছ (+) আছিল। মিছেছ লেভীছনে সেইটোলৈ আঙুলিয়াই কৈ উঠিল—সেইটো বৰ ধুনীয়া ক্ৰুছ, আইদেউ।

ইছাবেলে মিচিকিয়া হাঁহি এটি মাৰি উত্তৰ দিলে—এৰা, দেখিবলৈ ভালনে? আই ঢুকাবৰ সময়ত এইটো মোক উপহাৰ দি গৈছে। ৰ'ব, এইটো খুলি দিওঁ। মই ইয়াক সদায় নিপিন্ধো, এফালে ওলাই গ'লেহে পিন্ধো।

কোবাৰ লগে লগে ইছাবেলে সেই বহুমূলীয়া, মৃতা জননীৰ স্মৃতি-উপহাৰ হীৰাখটোৱা ক্ৰুছটো খহাই মিছেছ লেভীছনৰ হাতত দিলে। তেওঁ হাতত লৈ ক্ৰুছটো শত শতবাৰ প্ৰশংসা কৰি ইফাল-সিফাল লুটিয়াই চাই,—লোৱা আইটি, লোৱা বুলি ইছাবেলৰ ফালে আগ বঢ়াই দিলে। ওচৰতে থকা কে. লেভীছনে মিছেছ লেভীছনৰ হাতৰপৰা ক্ৰুছটো আনি লেডী ইছাবেলৰ ফালে আগ বঢ়াই দিলে। দিওঁতে হাত থাকিল ক্ৰুছটোত, কিন্তু চকু থাকিল ইছাবেলৰ গোলাপী মুখখনিত। ক্ৰুছটো ধৰিবৰ নিমিত্তে ইছাবেলে হাত মেলিলে। কে লেভীছন দেখিবলৈ কুৰূপ আছিল বুলিয়েই হওক, বা লেডী ইছাবেলৰ হাতত মুখ-মোচা, হাত-মোজা আদি থকাৰ বাবেই হওক ক্ৰুছটো মাটিত সৰি পৰিল। ডেকা লেভীছনে থৎমৎ খাই লৰালৰিকৈ ধৰিম বুলি উঠিব খোজোঁতেই ভৰিখন ক্ৰুছটোৰ ওপৰতে পৰিল। ক্ৰুছটো দুখণ্ড হ'ল। মিছেছ লেভীছনে ঘটনা দেখি জাঁপ মাৰি উঠিল। ক'লে, বেছ হৈছে, বেছ হৈছে, কাৰ দোষ?

লেডী ইছাবেল নিমাত। অন্তৰ ভাবেৰে পৰিপূৰ্ণ। ততালিকে ভগা ক্ৰুছটো তুলি ল'লে। চকু ভৰা লোতকৰ সোঁতে ক্ৰুছটো ধুৱাই পেলালে। কিছু সময় তলমূৰকৈ কান্দি চকুলো মচি পেলাই কে লেভীছনক ক'লে, কোনো বেজাৰ নকৰিবা, দোষ তোমাৰ যিমান, মোৰো সিমান।

*

খোৱা-লোৱা শেষ হ'ল। হাঁহি-খিকিন্দালিৰে কথা-বতৰাও শেষ হ'ল। কে লেভীছন, লেডী ইছাবেল আৰু মিছেছ ভেন নাটঘৰলৈ নাচ চাবলৈ গ'ল। ডেকা প্ৰেমিক লেভীছনে লম্পট স্বভাৱ, একেঘাটে পানী খোৱা কেইবাজনো বন্ধু-বান্ধৱৰপৰা ঠাট্টা বিদ্ৰূপৰ বাণ অকাতৰে সহিব লগাত পৰিল।

ৱেষ্ট লিন এখন সৰু চহৰ। ই ইষ্ট লিনৰপৰা পছিমে এমাইলমান আঁতৰত। ইষ্ট লিনৰপৰা যাবলৈ সেন্দুৰীয়া সুন্দৰ পকা আলি, কিন্তু একেবাৰেই নিৰল জনশূন্য ঠাই। দুয়োকাষে শাৰী শাৰী ওখ গছ-গছনিয়ে তাৰ প্ৰাকৃতিক শোভা দুগুণে বঢ়াইছে। আলিৰ মূৰতে এটি সুন্দৰ অট্টালিকা। তাৰ সমুখতে এখনি ফুলনি। নগুলা মুখৰপৰা প্ৰায় দুশ গজমান আঁতৰত গছ-গছনিৰে ভৰা এখন ফলফুলৰ বাগিচা—দুখীয়া হেয়াৰ পৰিয়ালৰ এয়ে যথা সম্পত্তি—কুঞ্জবন।

এদিন গধূলি। জাৰকালি যাওঁ যাওঁ হৈছে। জাষ্টিছ হেয়াৰ জনচেৰেক বন্ধু-বান্ধৱৰ সৈতে ৰংঘৰলৈ গৈছে। মিছেছ হেয়াৰ চিৰৰুগীয়া। তেওঁ এখন নোমৰ কাপোৰ গাত দি জুইৰ ওচৰত কিবাকিবি ভাবি দুখ মনেৰে বহি আছে। খিৰিকীৰ মুখতে ১৬/১৭ বছৰীয়া দেখনিয়াৰ ছোৱালী এজনীয়ে হাতত কিতাপ এখন লৈ মাজে মাজে তাৰ পাতদিয়েক লুটিয়াইছে, আকৌ কেতিয়াবা খিৰিকীৰে বাহিৰলৈ চাই পঠিয়াই উদাসভাৱে কিবা ভাবিছে। কোনে ক'ব—কি ভাবিছে? তাৰ মাজতে একোবাৰ নিজে নিজে কৈ উঠে—তেওঁ কেতিয়াকৈ ঘৰলৈ উভতিব? আঃ, তেওঁক দেখা নোপোৱাত মনটো কেনেবা উৰুঙা উৰুঙা যেন লাগিছে। মইতো আচৰিত! তেওঁক তালৈ কিহে টানি নিলে? তেওঁক তাত কিহে পালে? কিয় ইমানদিন পলম কৰিছে? কৰ্ণেলিয়া বাইদেৱে দেখোন দুই-এদিনতে ফিৰি আহিব বুলি কৈছিল। কিন্তু ক'তা? আজি দেখোন ৫/৬ দিন হ'লহি, তথাপি মানুহজনৰ দেখাদেখি নাই! আৰু বা কি কথা, কি বাৰ্তা! দীঘলকৈ হুমুনিয়াহ এটা পেলাই মিছ বাৰবাৰা হেয়াৰে আকৌ এবাৰ বাহিৰলৈ চাই পঠিয়ালে।

ফৰিংফুটা সুন্দৰ জোনাক নিশা! জোনবাই মূৰৰ ওপৰত চাৰিদিশ ঢলঢলীয়া হৈ পৰিছে। মিছ বাৰবাৰাই ঘৰত থিৰেৰে থাকিব নোৱাৰিলে। গাত নোমৰ কাপোৰ এখন দি এখোজ-দুখোজকৈ ফুলনি এৰি নগুলা পাৰ হ'ল, ফুলৰ বাগিচাৰ মাজৰ কুঞ্জবন পালেগৈ। এনেতে ওচৰত মানুহৰ ভৰিৰ শব্দ শুনিলে, তেওঁ পিছ-হোঁহকা মাৰি কুঞ্জবনৰ ভিতৰ সোমাল। ক্ৰমে মানুহৰ সঁহাৰি ওচৰ চাপিলহি। বাৰবাৰা আকৌ ওলাই আহিল। তেওঁৰ অন্তৰত খাওঁতে-শওঁতে, উঠোঁতে-বহোঁতে একমাত্ৰ চিন্তা মিঃ কাৰ্লাইল। মানুহজন তেওঁৰ ওচৰ নৌপাওঁতেই তৎক্ষণাৎ কৈ উঠিল, কোন, কাৰ্লাইলদা?

বাস্তৱিকতে মিঃ কাৰ্লাইল তেওঁৰ সমুখত উপস্থিত। তেওঁ আচৰিত হৈ সুধিলে,—কোন, বাৰবাৰা? এই ৰাতি তুমি অকলে ইয়াত কি কৰিছা? চোৰক পৰ দিছা নেকি? ছিঃ, তোমাৰ ভয় লগা নাইনে? বুলি কৈ হাতত ধৰি সুধিলে,—পাছে গা কেনে?

মিছ বাৰবাৰাৰ অন্তৰত থৌকি-বাথৌকি লাগিল। অভিমানৰ তেজাল মূৰ্তি ধৰি, হাতেৰে দুৱাৰখন মেলি দি তেওঁ কৈ উঠিল—থৈ দিয়া তোমাৰ লেৰেলা সাদৰৰ মোনাখন। তুমি কেতিয়া আহিলা?

—এইমাত্ৰ আহিলোঁ আঠ বজাৰ গাড়ীত। বাহিৰে বাহিৰে পাঁচ মিনিটৰ বাবে অফিছলৈ গৈছিলোঁ, কিবা বৰ জৰুৰী কাম এটা আছিল। এতিয়া বিশেষ কাৰণে এজন ভদ্ৰলোকক লগ পাম বুলিহে এইফালে আহিছোঁ, ঘৰলৈ যোৱাই নাই।

—বাৰু হৈছে, এতিয়া ভিতৰলৈ যাওঁ ব'লা।

—নহয়, এতিয়া নাযাওঁ, উভতি আহোঁতে সোমাই মাত লগাই যাম।

—নালাগে, এতিয়াই ব'লা, পিতাও ঘৰত নাই, তেওঁ বন্ধু-বান্ধৱৰ সৈতে নাট ঘৰলৈ গৈছে, আহোঁতে বাৰমান বাজিব।

কাৰ্লাইল থমকি ৰ'ল, মূৰ তললৈ হালিল। কিছু সময় ভাবি নিজে নিজে কৈ উঠিল—তেনেহ'লে তেওঁক লগ পোৱা মিছা হ'ল, অকলে লগ নাপালে কোনো কাজো নহয়—একেবাৰে গোপনীয় কথা। বাৰু ব'লা তেনেহ'লে—বুলি কৈ বাৰবাৰাৰ হাতখন দুৱাৰৰপৰা এৰাই দি নিজে দুৱাৰ বন্ধ কৰিলে আৰু বাৰবাৰাৰ হাতখন তেওঁৰ বাহুৰ তলত সুমুৱাই লৈ কথাৰ ছলত লাহে লাহে মিছেছ হেয়াৰৰ শোৱনি ঘৰ লক্ষ্য কৰি খোজ ল'লে। দুয়োৰে এনে দেখা-শুনা আৰু ব্যৱহাৰ প্ৰণালীত কিবা দোষৰ ভাপ-গোন্ধ থাকক বা নাথাকক মিছ বাৰবাৰাৰ মনোৰাজ্যত যে কাৰ্লাইলৰ মনোমোহা মূৰ্তিৰ সাঁচ পৰিছিল ই নিশ্চয়।

কাৰ্লাইলৰ হাতত পৰিপাটিকৈ মেৰোৱা কাকতৰ টোপোলা এটি দেখি চঞ্চলমতি বাৰবাৰাই সুধিলে,—এয়া কি, কাৰ্লাইলদা?

মিঃ কাৰ্লাইল—মই লণ্ডনলৈ গৈছিলোঁ, সেয়া তোমাৰ মাৰাৰ নিমিত্তে এখন নোমৰ কাপোৰ।

মিচিকিয়া হাঁহি এটি মাৰি বাৰবাৰাৰ ফালে চাই তেওঁ ক'লে,—ৰ'বা, তোমালৈও কিবা এটা আনিছোঁ, নহয়নে?

—চাওঁ, কি আনিছা?

—খন্তেক ৰ'বা, ইমান ধৈৰ্য্যহীন হৈছা কেলেই?

তেওঁ জেপকেইখন ঘাটিবলৈ ধৰিলে। সকলোকেইখন জেপ বিচাৰি ভালেখিনি পৰৰ মূৰত মাজতে টল্‌বল্‌কৈ জ্বলি থকা ডুগডুগীৰে সৈতে এধাৰি চিক্‌মিকীয়া সোণৰ হাৰ উলিয়াই আনিলে। তাকে দেখি বাৰবাৰাৰ বুকুখনে ধপধপ কৰিবলৈ ধৰিলে। তেওঁ কাৰ্লাইলক কৃতজ্ঞতাৰ ধন্যবাদ এষাৰো দিবলৈ সময় নাপালে, সোণৰ হাৰে তেওঁৰ ডিঙি আৰু বুকু শোভা কৰিলেগৈ।

মিছ বাৰবাৰা আৰু মিঃ কাৰ্লাইল দুয়ো মিছেছ হেয়াৰৰ আগত উপস্থিত হ'লগৈ। কাৰ্লাইলে হেয়াৰক নমস্কাৰ জনালে। দুয়ো দুখন চকীত দুফালে বহিলগৈ। বাৰবাৰাৰ হাঁহিভৰা মুখ, চকুকেইটাও আনন্দেৰে উপচি পৰা। মিচিকিয়া হাঁহিভৰা ওঁঠকেইটাৰ তলতে সোণৰ সুৰগা যেন মিলা হাৰগছ দেখি মিছেছ হেয়াৰে আনন্দতে ফুলি উঠি সুধিলে—ক'ত পালা, মইনাটি? আই ঐ মোৰ লাহৰী মইনাটি! কথা শুনি বাৰবাৰাই বিৰিঙি ওলোৱা হাঁহিটি টিপ মাৰোঁতেই কাৰ্লাইলে উত্তৰ দিলে—ক্ষমা কৰিব, সেইটো ময়ে এতিয়াই বাৰবাৰাক প্ৰীতি-উপহাৰ দিছোঁ।

মিছেছ হেয়াৰে আচৰিত হৈ দুখ মনেৰে ক'লে,—বৰ ভুল কৰিলা, কাৰ্লাইল, বৰ ভুল কৰিলা। তোমাৰ বাইদেৱেৰা মিছ কৰ্ণিয়ে (কৰ্ণেলিয়া) তোমাক বৰ খং কৰিব। এইবাবে তুমি তেওঁৰ নানা কটু কথা শুনিব লাগিব। তেওঁ এইবোৰ বাহিৰা খৰচ মুঠেই ভাল নাপায়।

মিঃ কাৰ্লাইল—একো ভয় নাই, মেডাম। মই নিজে আৰ্জিছোঁ, নিজে খৰচ কৰিছোঁ, একো নাভাবিব আপুনি। এই যে আপোনাৰ নিমিত্তে গলত লোৱা এখন নোমৰ গৰম কাপোৰো আনিছোঁ—লওক।

কাৰ্লাইলে নোমৰ কাপোৰখন মিছেছ হেয়াৰৰ ফালে আগ বঢ়াই দিলে আৰু কাপোৰখনৰ ইপিঠি-সিপিঠি লুটিয়াই দেখুৱাই কৈ গ'ল—বৰ ভাল কাপোৰ, মেডাম, বেছ পাগ আছে, বহুতদিন টিকিবও, ৰংটোও বেছ সুন্দৰ।

মিছেছ হেয়াৰে কাপোৰখন গ্ৰহণ কৰিবলৈ হাত দুখন বঢ়াই নিদিলেও তেওঁৰ চকু থাকিল কাপোৰত, কাণ থাকিল কাৰ্লাইলৰ প্ৰশংসা-বাক্যত, অন্তৰ উপচি পৰিল আনন্দত। হাত দুখনে কেতিয়া কাপোৰখন তুলি ল'লে ক'ব নোৱাৰিলে। বেছ, বৰ ধুনীয়া কাপোৰ বুলি কৈয়ে আথ্‌বিথ্‌কৈ কাপোৰখন গলত মেৰাই ল'লে আৰু সুধিলে—বেছ বেছ মিঃ কাৰ্লাইল, ইয়াৰ মূল্য কিমান?

—বৰ বেছি নহয়, ১৫ পাউণ্ডমান হ'ব।

—এৰা হ'বতো, যেনে কাম তেনে দাম।

—সেইবোৰ কথা এৰি পেলাওক। পাছে আপোনাৰ অসুখ-বিসুখবোৰ এতিয়া কেনে পাইছে?

মিছেছ হেয়াৰে এটা এঙামুৰি কাঢ়ি ক'লে,—নাই বোপাই, নাই, ভাল পোৱা নাই। কোনোবাদিনা মই আৰু ভাল হ'মনে? তাতে আকৌ জ্বলা জুইত ঘিউ ঢালি দি মোৰ বাছা ক'লৈ গ'ল! একো সন্ধানেই নাই...। মিছেছ হেয়াৰে চকুলো টুকিলে। মিং কাৰ্লাইলৰ অন্তৰত দুখ লাগিল। ক'লে—সেইবোৰ কিয় ভাবি থাকে মিছামিছিকৈ? এৰি পেলাওক সেইবোৰ কথা, যি হ'বৰ হ'বই, ভাবিবৰ একো নাই।

কথা বেয়াৰ ফালে অহা গম পাই আৰু ইপিনে ৰাতিও ভালেখিনি হ'ল দেখি বুধিয়ক কাৰ্লাইলে মিছেছ হেয়াৰক বিদায় অভিবাদন জনালে আৰু মিং কাৰ্লাইলৰ যৌৱনভৰা সৌন্দৰ্য্যত মুগ্ধ হৈ নিমিষ নমৰাকৈ চাই থকা বাৰবাৰাক ক'লে—তেন্তে এতিয়া আহোঁ।

তেওঁ ওলাই গ'ল, বাৰবাৰাও পিছে পিছে গ'ল।

দুয়ো হাতঁত ধৰাধৰিকৈ এখোজ-দুখোজকৈ পদূলিমুখ পালেগৈ। কাৰ্লাইলে বাৰবাৰাৰ হাত এৰি দি যাবলৈ ওলাল। বাৰবাৰাই হাতত খাপ মাৰি ধৰি ক'লে—কাৰ্লাইলদা!

বাৰবাৰাই সোণৰ হাৰ আৰু হীৰাখণ্ডত হাত দি ক'লে,—মই ইয়াৰ বাবে তোমাক ধন্যবাদ এবাৰকে দিয়া নাই। অকৃতজ্ঞ ভাবি বেজাৰ নাপাবা দেই।

—দূৰ পাগলী, এয়ে তাৰ প্ৰতিদান পালোঁ—বুলি কৈয়ে কাৰ্লাইলে বাৰবাৰাক বাহুৰ মাজলৈ টানি আনি মুখখন নমাই নি গোলাপী গাল দুখনত একোটি চুমা দিলে।

বাৰবাৰাৰ গোটেই গা শিয়ৰি উঠিল, সকলোকেইডাল সিৰ জিমজিমাই উঠিল, ধমনিবোৰে নাচিবলৈ ধৰিলে, বুকুখন ধপধপকৈ উঠিল, তেওঁ যেন অন্য এক অময়াপুৰী পালেগৈ। আজিৰ এই আলফুলকৈ দিয়া আকলুৱা চুমা দুটিয়ে বাৰবাৰাৰ সকলো হৰণ কৰিলে। বাৰবাৰা আমন-জিমনকৈ ঘৰলৈ ফিৰিল আৰু কিবা একৰকম উদাস ভাবেৰে কাকো মাত-বোল নিদি শোৱাপাটীত পৰি থাকিলগৈ।

শোৱাপাটীত পৰি বাৰবাৰাই এক সপোনপুৰী পালেগৈ। তেওঁ দেখিলে—তেওঁ ৰেষ্ট লিনৰ সৰ্বজনপ্ৰিয়, বিশেষকৈ গাভৰু-প্ৰিয় মিং কাৰ্লাইলৰ পত্নী, নোপোৱাজনৰ হৃদয়-ৰাণী। ৰেষ্ট লিন কিয়, চাৰিওফালৰ ওচৰ-চুবুৰীত এনে কোনো মাক নাই যে তেওঁক ভাল নাপায়, তেনে পুত্ৰ জন্ম দিয়া সাৰ্থক জনম বুলি নাভাবে! এনে কোনো গাভৰু ছোৱালী নাই যে তেওঁক হৃদয় ভৰি ভাল নাপায়, তেনে স্বামীৰত্ন লাভ কৰিবলৈ হাবিলাস নকৰে! বাৰবাৰাই পাটীখনত পৰি ছটফটাই থাকি মাজে মাজে হীৰাখণ্ডত চুমা খায় আৰু কয়—মই আজিলৈ সপোনতো ভবা নাছিলোঁ। আহা! মিং কাৰ্লাইল!

বাৰবাৰাই কিছুপৰ নিৰ্বাক-নিস্পন্দ হৈ বাহিৰৰ জোনৰ ফালে চাই কিবাকিবি ভাবি থাকিল।

বাৰবাৰাৰ সকলো ভাবনা বন্ধ হ'ল, মাত-বোল নোহোৱা হ'ল, দূৰণিত তেওঁলোকৰ কুঞ্জবনত এটা মনুষ্য মূৰ্তিত দৃষ্টি পৰিল, হাত-বাও দি কিবা ইংগিত দিয়া। বাৰবাৰাৰ গা শিয়ৰি উঠিল—ভয় আৰু খীণ আশাত।

বাৰবাৰা শোৱাপাটীৰপৰা উঠিল—চকু সেই মনুষ্য মূৰ্তিত। মনুষ্য মূৰ্তি ক্ৰমে ওচৰ চাপিলহি। বহুত বেলি কিবা ভাবি ভয় আৰু আশাত ভাহি ছালকাপোৰ এখন টানি আনি গাত ল'লে আৰু লাহে লাহে বাহিৰলৈ ওলাই গ'ল, মাকক কৈ গ'ল,—আই, মই পিতা আহিছেনে নাই এবাৰ বাটৰপৰা চাই আহোঁগৈ। মাকে কোনো উত্তৰ নিদিলে। বাৰবাৰা ওলাই গৈ পদুলিমুখত থিয় দি থাকিলগৈ।

৩

ৱেষ্ট লিনৰ ঠিক মাজভাগতে দুখন ঘৰ, চাৰিওফালে মুকলি ঠাই। ঘৰ দুখনৰ ডাঙৰখন এটা সুন্দৰ পকাঘৰ—সেয়ে মিঃ কাৰ্লাইলৰ (আইনতঃ বাইদেৱেক কৰ্ণেলিয়াৰহে) থকা ঘৰ আৰু আনখন তাৰ সমুখতে অলপ আঁতৰত—এটা সৰু ধুনীয়া ঘৰ। সেয়ে কাৰ্লাইলৰ অফিছ ঘৰ।

বুঢ়া কাৰ্লাইল চাহাব আৰু লেভীছন চাহাব বৰ নামজ্বলা জনপ্ৰিয় উকীল আছিল। তেওঁলোক দুজনৰ আৰ্থিক অৱস্থাও টনকিয়াল আছিল—কাৰণ আয় আছিল যথেষ্ট। তেওঁলোক দুয়োজন বৰ বন্ধু আছিল। কাৰ্লাইল চাহাবে লেভীছন চাহাবৰ ভনীয়েকক বিয়া কৰাইছিল। সেই মিছেছ কাৰ্লাইলে এজনী মাথোঁ ছোৱালী (মিছ কৰ্ণেলিয়া—ওৰফে কৰ্ণি) ৰাখি অকালতে ঢুকাল। তেওঁ ঢুকোৱাৰ পাছত কাৰ্লাইল চাহাবে দ্বিতীয়বাৰ পত্নী গ্ৰহণ কৰে। এইজনা মিছেছ কাৰ্লাইলে এজন মাথোঁ ল'ৰা (আৰ্কিবল্ড কাৰ্লাইল ওৰফে মিঃ কাৰ্লাইল) জন্ম দিয়ে সূতিকাগৃহতে স্বৰ্গী হয়।

মিছ কর্ণিয়ে আৰ্কিবল্ডকে তুলি-তালি ডাঙৰ-দীঘল কৰে। তেওঁ কাৰ্লাইলক মাকৰ চকুৰে খুৱাইছিল, ধুৱাইছিল, মৰম-চেনেহ কৰিছিল কিন্তু বাঘিনী চকুৰে চাই শাসন কৰিছিল। কাৰ্লাইলেও মিছ কৰ্ণিক মানি চলিছিল। তেওঁ চিৰকুমাৰী অৰ্থাৎ চিৰকাল অবিবাহিতা হৈয়ে থাকিল। তেওঁ ভাল পোৱা বস্তুৰ ভিতৰত প্ৰথম কাৰ্লাইল আৰু দ্বিতীয় ধন-সম্পত্তি। তেওঁ সংসাৰত আৰু কোনো বস্তু ভাল পাইছিল নে নাই সন্দেহ, কাৰণ তেওঁ এপইচা খৰচ হ'লেই মৰিব খোজে। কোনোৰূপে অবাবত অৰ্থ হানি হ'লে মিং কাৰ্লাইলকো তেওঁ বেয়া পাইছিল আৰু মাজে-সময়ে বকিছিল।

মিং কাৰ্লাইল অফিছ ঘৰত মেজৰ ওচৰত বহি আছে—সন্মুখত কাকত-কলম। তেওঁৰ বিশ্বাসী বুঢ়া মহৰি ডিল কাষতে থিয় হৈ মেজৰ ওপৰত কাৰ্লাইলৰ অনুপস্থিতিত কি কি কৰা হ'ল, কি কি আৰু লাগিব, বুজাই দিবলৈ ধৰিছে। এনেতে আন এজন মহৰিয়ে বাতৰি দিলেহি,—দেউতা, কৰ্ণেল বিডেল প্ৰমুখ্যে জাষ্টিছসকল আহিছে।

—অলপ বহিবলৈ কোৱাগৈ—বুলি কৈ কাৰ্লাইলে মহৰিজনক বিদায় দি ডিলক ক'লে,—বাৰু সেইবোৰ ঠিক কৰাগৈ। কিন্তু ডিল, এটা কথা—দুই-এদিনতে ইষ্ট লিন সম্বন্ধীয় কাকতবোৰ পাবহি; সেইবোৰ তুমি পুংখানুপুংখৰূপে পঢ়ি চাবা—একেবাৰে ইহুদী চকুৰে চাবা। কথা শুনি ডিল মহৰিয়ে মূৰ দোঁৱালে। মিং কাৰ্লাইলে কৈ গ'ল,—ইষ্ট লিন বিক্ৰী হ'বই—হস্তান্তৰ হ'বই—তাৰ অন্যথা হ'ব নোৱাৰে। মাউণ্ট চেভাৰ্ণ—লৰ্ড উইলিয়ামৰ নিচিনা ঋণগ্ৰস্ত জমিদাৰ এজনৰ সম্পত্তি কিনোতে খুব সাৱধানে চলা আৱশ্যক। তুমি কি কোৱা, ডিল?

—হয় দেউতা, নিশ্চয়, নিশ্চয়।

—কিন্তু এই বিক্ৰী আৰু হস্তান্তৰ সম্বন্ধে যেন শব্দ এটিও বাহিৰত প্ৰচাৰ নহয়। ইষ্ট লিন খুব গুপ্তভাৱে বিক্ৰী হ'ব।

—বেছ, কোনো কথা নাই। কিন্তু গ্ৰাহক কোন? দেউতা, ইষ্ট লিন বাস্তৱিকে এখন সুন্দৰ জমিদাৰী।

মিং কাৰ্লাইলে হাঁহি এটি মাৰি ক'লে,—বাৰু, আন কোনোৱে জনাৰ আগতে তুমিয়ে জানিবা প্ৰথম—কোন গ্ৰাহক। যোৱা, এতিয়া জাষ্টিছসকলক ভিতৰলৈ পঠাই দিয়াগৈ।

ডিলে কৰ্তাৰ আদেশ মতে কাম কৰি নিজৰ খোটালিত সোমাই মেজৰ ওপৰত কিবাকিবি লিখি বহি আছে, এনেতে মিছ বাৰবাৰা ডিলৰ মেজৰ ওচৰত থিয় হ'লহি। সুধিলে—মিং কাৰ্লাইলক দেখা কৰিব পাৰোঁনে?

ডিল—নমস্কাৰ মিছ হেয়াৰ। তেওঁক দেখা কৰিব পাৰিবা, অলপ অপেক্ষা কৰা। তেওঁ এইমাত্র জাষ্টিছসকলৰ লগত মেলত বহিছে।

জাষ্টিছসকলৰ নাম শুনি মিছ বাৰবাৰাৰ তালুত জিভা লাগিল, কাৰণ তেওঁলোকৰ ভিতৰত মি০ হেয়াৰো এজন। বাৰবাৰা পিতাকৰ অবিদিতে তালৈ আহিছিল, তেওঁ এই কথা জানিলে সৰ্বনাশ। বাৰবাৰা ভয়ত অস্থিৰ। কিছু সময়ৰ মূৰত মি০ হেয়াৰ প্ৰমুখ্যে জাষ্টিছসকল বাহিৰ ওলাই গ'ল, বাৰবাৰাৰ জিভাত পানী আহিল। ডিলে বাৰবাৰাক বাট দেখুৱাই নি কাৰ্লাইলৰ আগত থৈ আহিলগৈ।

বাৰবাৰাক অসময়ত অফিছ ঘৰত উপস্থিত হোৱা দেখি কাৰ্লাইলে আচৰিত মানিলে। বাৰবাৰায়ো ক'লে,—কাৰ্লাইলদা, ক্ষমা কৰিবা অসময়ত দেখি। মই ইয়ালৈ নিজ স্বাৰ্থৰ কাৰণে অহা নাই। মোক আয়ে পঠাইছে, তোমাৰ লগত বৰ বিশ্বাসী কথা এটা আছে। কাৰ্লাইলে মুখেৰে নামাতি ওচৰতে থকা চকীখনত বাৰবাৰাক বহিবলৈ দেখাই নিজে আন এখন চকীত বহিল।

কাৰ্লাইলৰ গহীন-গম্ভীৰ মূৰ্তি। বাৰবাৰাই দেখিলে—তেওঁৰ সেই কুঞ্জবনত হাতত ধৰাধৰি, গলাগলি, আকলুৱা চুমা, সাবটা-সাবটি প্ৰীতি-সম্ভাষণ, হাঁহি-ভৰা মুখ, চকুত চাৱনি উপচি পৰা মূৰ্তি নহয়। প্ৰশান্ত, গহীন, গম্ভীৰ, ধীৰ-স্থিৰ কঠোৰ ব্যৱহাৰজীৱী মূৰ্তি। গতি বিষম দেখি বাৰবাৰাই নিজে নিজে ফুচফুচাই কৈ গ'ল,—তোমাৰ আগত ক'বলৈ এটা বৰ সাংঘাতিক কথা আছে। পাছে বাহিৰৰপৰা কোনোবাই শুনে জানোচা—বুলি কৈ ভয়তে চঁক খাই উঠাদি উঠিল। তাকে দেখি কাৰ্লাইলৰ মাত ফুটিল—

—কোনো ভয় নাই।

বাৰবাৰা চকীৰপৰা উঠি হাত দুখন মেজৰ ওপৰত থৈ কাৰ্লাইলৰ প্ৰায় গাত লগালগিকৈ থিয় হ'লগৈ। কাৰ্লাইলো উঠিল। বাৰবাৰাই ফুচফুচাই আৰম্ভ কৰিলে,—ৰিচাৰ্ড ককাইদেউ ইয়ালৈ আহিছে।

কাৰ্লাইলে আচৰিত হৈ ক'লে,—ৰিচাৰ্ড, বেষ্ট লিনত?

—এৰা, বেষ্ট লিনত। তেওঁ কালি ৰাতি আমাৰ কুঞ্জবনলৈ আহি মোক দেখা কৰিছিল। তেওঁ সদায় লণ্ডনতে আছে, আন ক'লৈকো যোৱা নাই। তেওঁ ভেশছন কৰি আধা উপবাসে—ক'বলৈ লাজ লাগে—এখন ঘোঁৰাশালত—আহা! তেওঁ হেনো নিৰ্দোষ।

বাৰবাৰাই সুধিলে,—কোনো মানুহ ইয়ালৈ নাহিবনে?

—কোনো ভয় নাই। মোৰ বিনা অনুমতিতে কেও ইয়ালৈ আহিব নোৱাৰে। বাৰু, ৰিচাৰ্ডৰ বিষয় কি ক'লা?

—তেওঁ কয় যে হত্যাকাণ্ড ঘটা ঠিক সেই মুহূৰ্ততে তেওঁ হেনো ঘৰৰ ভিতৰত নাছিল। আচলতে এই ঘটনাটো যিজনে ঘটাইছে সেইজন বোলে কোনোবা ‘থৰ্ণ' আছিল।

—কোন থৰ্ণ? ক'ৰ মানুহ? ক'ত থাকে?

—মই নাজানো। তেওঁ কয় যে থৰ্ণ,—এফিৰ পৰম বন্ধু। কাৰ্লাইলদা, বিশ্বাস কৰিবা, তেওঁ শপথ খাই দঢ়াই দঢ়াই কৈছে যে তেওঁ একেবাৰেই নিৰ্দোষ। তুমি অনুগ্ৰহকৈ তেওঁক এবাৰ লগ ধৰিবানে? মই তোমাৰ হাতত ধৰি কাবৌ কৰিছোঁ, এবাৰ লগ ধৰি আহি মোৰ কাতৰ অনুৰোধ ৰক্ষা কৰা। তেওঁ আজি ৰাতি ৮ বজাত কুঞ্জবনলৈ আহিব। তেওঁ যদি তোমাক আচল কথাটো ভাঙি-পাতি ক'ব পাৰে, তেন্তে তুমি হয়তো আচল ঘটনাৰ গুংসূত্ৰ কিবা এটা উলিয়াব পাৰিবা। কিজানি তেওঁ উদ্ধাৰ পাবগৈ পাৰে। দেহি ঐ, সাতবছৰ সশ্ৰম কাৰাদণ্ড—নহয় দ্বীপান্তৰ। সেয়েহে এই নিৰুদ্দেশ। তুমি কৰিবানে? চেষ্টা কৰিলে নিশ্চয় পাৰিবা। তুমি বৰ বুধিয়ক, তুমি নিশ্চয় পাৰিবা।

কাৰ্লাইলে হাঁহি মাৰি ক'লে,—ক'ব নোৱাৰোঁ, বাৰবাৰা, বাৰু ৰিচাৰ্ডে কি ভেশ ধৰিছে?

—এজন হুবহু গাড়োৱান, দীঘল ডাড়ি লগোৱা। তেওঁ ইয়াৰপৰা তিনি মাইল আঁতৰত এখন নিৰ্জন ঠাইত লুকাই আছে। ৰাতি ৮ বজাত আমাৰ কুঞ্জবনত দেখা দিবহি। পাছে পাৰিবাতো?

—বাৰু, ভাবি চাওঁ, খবৰ পঠিয়াবা।

—নহয়, খবৰ পঠিয়াব নোৱাৰোঁ, ময়ো আৰু ইয়ালৈ নাহোঁ। কাৰণ কোনোবাই দেখা পালে সন্দেহ উপস্থিত হ'ব পাৰে। তুমি আবেলি ৪মান বজাত আমাৰ নওলাইদি ফুৰিবলৈ যাবা, মই তুমি যোৱা দেখিলে পদূলিতে ৰৈ থাকিম। পাৰিবানে?

—বাৰু, সেয়ে হ'ব, যোৱাগৈ এতিয়া।

—তেন্তে আহোঁ এতিয়া—বুলি কৈ বাৰবাৰা বিদায় হ'ল। কাৰ্লাইলে বাৰবাৰাক দুৱাৰমুখত আগ বঢ়াই থ'লেগৈ। দুৱাৰ বন্ধ কৰিছে, এনেতে শেন চৰায়ে কপৌ ধৰাৰ দৰে মিছ কৰ্ণিয়ে বাৰবাৰাক থাপ মাৰি ধৰি গৰ্জি উঠিলহি—কি? কাৰ্লাইলৰ লগত অতবেলি কেলেই?

বাৰবাৰাই ভগা মাতেৰে কঁপি কঁপি উত্তৰ দিলে,—মোক আয়ে পঠাইছিল, বাইদেউ।

—আয়েৰাই পঠাইছিল? মিছা কথা।

বাৰবাৰাই ভয়তে ক'লে,—আয়ে কাৰ্লাইল দাদাক কিবা কথা এটা সুধিবলৈ পঠাইছিল।

কৰ্ণিৰ তথাপি বিশ্বাস নহ'ল। সুধিলে,—কি কাম?

কিবা অলপ পইচাৰ বাবে, বাইদেউ।

মিছ কৰ্ণিয়ে কথা শুনি অলপ ভাবিলে আৰু বাৰবাৰাৰ লগে লগে বাহিৰলৈ ওলাই গ'ল। কথাই কথাই চতুৰী কৰ্ণিয়ে আজলী বাৰবাৰাৰপৰা আচল কথা উলিয়াই ল'লে।

কাৰ্লাইলে ঘৰ সোমাই মেজৰ ওচৰলৈ গৈ এজন কেৰাণীক মাতি আনি ক'লে,—এতিয়াই ৰংঘৰলৈ গৈ মিঃ হেয়াৰ প্ৰমুখ্যে জাষ্টিছসকলক এইপিনে আহিবলৈ কৈ আহাঁগৈ।

*

জাষ্টিছসকল আহিল। মিছ কৰ্ণিয়ে তেওঁলোকক ৰাতি ৮ বজাত চাহ খাবলৈ নিমন্ত্ৰণ কৰিলে। মিঃ হেয়াৰক লক্ষ্য কৰি ক'লে,—আপুনি যেনে হওক আহিব, নাহিলে বৰ দুখ পাম।

জাষ্টিছসকলে নিমন্ত্ৰণ গ্ৰহণ কৰি ৰং মনেৰে ঘৰাঘৰি গ'ল। মিছ কৰ্ণি কাৰ্লাইলৰ ওচৰত থিয় দিলেহি। কাৰ্লাইলে গম্ভীৰভাৱে সুধিলে,—কি লাগে, বাইদেউ?

—কি লাগে? এই হেয়াৰ পৰিয়ালৰ লগত এইখন তুমি কি পাতিছা? তাই কয় যে মাকৰ কিবা জৰুৰী কাম—কি কাম?

—অ, সেই হতভাগা ৰিচাৰ্ড গাধটোৰ কথা। সেই বিষয়ে কিবা এটা কথা সুধি পঠাইছিল।

কিছুপৰ নিমাত থাকি কৰ্ণিয়ে আকৌ সুধিলে,—নহয়, বাৰবাৰা আৰু তোমাৰ মাজত কি গোপনীয় বিশ্বাসী কথা আছে ভাঙি কোৱা।

—বাৰু বাইদেউ, তুমি যদি ভাল পোৱা তেন্তে কওঁ শুনা। কিন্তু কোনো সুখৰ কথা নহয়, বৰ সাংঘাতিক দুখ লগা কথা। ৰিচাৰ্ড হেয়াৰ ইয়ালৈ আহিছে, তাক ৰূপ কেইটকামান লাগে।

মিছ কৰ্ণি আচৰিত হৈ ক'লে,—ৰিচাৰ্ড হেয়াৰ? সি পাগল নেকি?

—এৰা, ৰিচাৰ্ড হেয়াৰ। সি ইয়াৰপৰা তিনি মাইলমান আঁতৰত লুকাই আছেহি। আজি ৰাতি ৮ বজাত সিহঁতৰ কুঞ্জবনলৈ—টকা নিবলৈ আহিব।

মই জাষ্টিছসকলক চাহ খাবলৈ মাতিছোঁ, তেওঁলোকৰ লগত মিঃ হেয়াৰো নিশ্চয় আহিব। কাৰণ মিঃ হেয়াৰক আঁতৰত ৰাখিব নোৱাৰিলে হাতে হাতে বিপদ।

কথা শুনি মিছ্ কর্ণিয়ে হুমুনিয়াহ্ এটা ছাৰিলে।

মিঃ কাৰ্লাইলে কেৰাণী এজনক মাতি আনি হাতত এখন চিঠি দি ক'লে,—আজি ৰাতি ৮-১৫ মিনিটত এই চিঠিখন মোক দিবাহি।

সকলো ঘৰাঘৰি গ'ল।

৪

সন্ধিয়া ৮ বজাত জাষ্টিছসকল কাৰ্লাইলৰ অৰ্থাৎ মিছ কৰ্ণিৰ ঘৰত উপস্থিত হ'লহি। আটায়ে মেজৰ চাৰিওফালে বহিলহি। কথা-বাৰ্তা আৰম্ভ হ'ল,—কথা চলিল, এনেতে চাকৰ এজনে কাৰ্লাইলক খবৰ ক'লেহি,—দেউতা, ডিল কেৰাণীয়ে আপোনাক দেখা কৰিবলৈ বাহিৰত বৈ আছেহি। কথা শুনি কাৰ্লাইল খন্তেক ওলাই গ'ল আৰু মুহূৰ্ততে হাতত এখন খোলা চিঠি লৈ জাষ্টিছসকলৰ মেজৰ ওচৰ চাপিলহি। জাষ্টিছসকলৰ ফালে চাই দুখ মনেৰে ক'লে,—মই আপোনালোকক আধাঘণ্টামানৰ নিমিত্তে এৰি থৈ বেজাৰ দিব খুজিলোঁ। হঠাৎ এটা বৰ জৰুৰী কাম ওলাল। মই নগ'লেই নহয়। মই যিমান সোনকালে পাৰোঁ, তিমান সোনকালে উভতিম। তাৰ বাবে কোনো বেজাৰ নাপায় যেন।

কথা শুনি মিছ কৰ্ণিয়ে চকু থিয় কৰি প্ৰশ্ন কৰিলে,—কোনে মাতিছে? ততালিকে কাৰ্লাইলে মিছ কৰ্ণিক চকুৰে ইঙ্গিত দিলে—সাৱধান, কোনো প্ৰশ্ন নকৰিবা, মনত কৰি চোৱা, বাইদেউ।

কাৰ্লাইল নীৰৱে বাহিৰ ওলাই গ'ল। তেওঁ বেগাবেগিকৈ গৈ হেয়াৰ পৰিয়ালৰ কুঞ্জবনৰ দুৱাৰ মেলিলেগৈ। কিছু সময় থিয় হৈ কাণ পাতি থাকি কোনো সঁহাৰি নাপাই, বাৰবাৰাইতৰ ঘৰৰ ফালে খোজ ল'লে। বাৰবাৰাই খিৰিকীৰ বাহিৰৰ ফালে চাই আছিল, কাৰ্লাইলক দেখা পাই তেওঁ তৎক্ষণাৎ নামি আহিল আৰু কাৰ্লাইলৰ ওচৰলৈ গৈ কাণে কাণে ক'লে,—আই একেবাৰে অধৈৰ্য্য হৈ পৰিছে!

—ৰিচাৰ্ড আহিছেনে?

—নিশ্চয় আহিছে, কিন্তু কোনো চিন-মোকাম দেখা নাই।

—বাৰবাৰা! বুলি কৈ কাৰ্লাইল একেচাবেই মিছেছ হেয়াৰৰ ওচৰ পালেগৈ আৰু টকাৰ টোপোলা এটা তেওঁৰ হাতত দি ক'লে,—এয়া ৰিচাৰ্ডৰ বাবে, সমুদায় নোট, কাৰণ টকাতকৈ ইয়াক লৈ ফুৰিবলৈ নিৰাপদ।

কৃতজ্ঞতাৰ চকুলো মুচি মিছেছ হেয়াৰে সুধিলে—বাৰু, ময়ো তাক এবাৰ চাবলৈ যাব পাৰোনে?

—নোৱাৰে। পাকঘৰৰ ফালে চাকৰহঁতে কিবা গম পাবনে?

বাৰবাৰাই ক'লে,—নাই, কোনো ভয় নাই। আজি মাইৰ জন্মদিন, সেই দেখি সিহঁতক আজি যথেষ্ট পৰিমাণে মদ, মাংস দিয়া হৈছে। সিহঁতে খাই-বৈ আমোদ আহ্লাদ কৰিছে, ইফালে কাণসাৰ নাই।

মিঃ কাৰ্লাইল—বাৰবাৰা, তেনেহ'লে নিৰাপদ।

সিফালে জাষ্টিছ, হেয়াৰো কৰ্ণিৰ ঘৰত আমোদ-আহ্লাদত বহিছে, তেন্তে ভয় কিহৰ? কাৰ্লাইলে মিছেছ হেয়াৰক ক'লে,—বাৰু, ৰিচাৰ্ডক ইয়ালৈ অনা হ'ব, আপুনি যাবগৈ নালাগে—শুই থাকক।

এনেতে বাৰবাৰাই কাৰ্লাইলৰ গাত হাত দি ক'লে—সৌ যে ৰিচাৰ্ড ককাইদেউ।

কাৰ্লাইলে চকু ফিৰায়েই মিছেছ হেয়াৰক কৈ গ'ল—মই ৰিচাৰ্ডক লগ পাওঁ যদি সোনকালে আহিব নিদিওঁ। কাৰণ মই আগে মোৰ কথা-বাৰ্তাখিনি আদায় কৰি লৈ ঘৰলৈ যামগৈ আৰু তাত মিঃ হেয়াৰক ৰাখি থ'মগৈ। তেতিয়া আপোনালোকে ৰিচাৰ্ডক দেখা কৰি সোনকালে বিদায় দিব, বেছি পলম নকৰিব। মই আহিলোঁ।

কাৰ্লাইল গুচি গ'ল, কুঞ্জবনত সোমালগৈ। এজোপা গছৰ গুৰিত ৰিচাৰ্ড আউজি থিয় দি আছে। তেওঁ এজন চফল ডেকা কিন্তু ভেশছনৰ মুখাখন পিন্ধি কিবাটো হৈছেগৈ।

কাৰ্লাইল আৰু ৰিচাৰ্ডৰ দেখাদেখি হ'ল, চিনা-চিনি হ'ল। কথা-বতৰা আৰম্ভ হ'ল। ৰিচাৰ্ডে সুধিলে,—আই ইয়ালৈ আহিব পাৰিবনে?

—নোৱাৰে, তুমিয়ে তালৈ যাবাগৈ। পিতাৰা ঘৰত নাই, চাকৰহঁতো পাকঘৰত ধলং-পটং দি পৰি আছে—কোনো ভয় নাই।

—তেনেহ'লে ভিতৰলৈ যাওঁ ব'লা। কিন্তু মই খুব সোনকালে আঁতৰিব লাগিব। টকা পামনে?

—বাৰু পাবা, অস্থিৰ নহ'বা। কিন্তু ৰিচাৰ্ড, তোমাৰ ভনীয়েৰাই কৈছে যে তুমি মোক সেই দুৰ্ঘটনাটো ভাঙি ক'বা। কাজেই ঘৰ নৌপাওঁতেই বাটতে কথাটো কি আগে তাকেহে ভাঙি-পাতি কোৱা।

মই কাকো বিশ্বাস নকৰোঁ, মিঃ কাৰ্লাইল—বুলি কৈ ৰিচাৰ্ডে এটা হুমুনিয়াহ ছাৰিলে।

—বাৰু, মোক এবাৰ বিশ্বাস কৰা কিন্তু খুব সহজভাৱে অলপীয়া কথাৰে আচল কথাটো ভাঙি কোৱা।

—বাৰু তেন্তে কওঁ শুনা—মোক সকলোৱে ভাবে আৰু কোৱাও শুনো যে মই এফিৰ ঘৰলৈ যাওঁ। বোধহয় কেতিয়াবা এদিন দুদিন গৈছিলোঁ, কিন্তু আৰু নাযাওঁ। সিদিনাখন গধূলি—এফিৰ বাপেক হেলিজন চাহাবে বাটতে লগ পাই মোৰ বন্দুকটো এদিনৰ বাবে খুজিছিল, কাৰণ তেওঁৰটো হেনো কিবা অলপ বেয়া হৈছিল—ভাল কৰিবলৈ মিস্ত্ৰীৰ ঘৰত দিছিল। ময়ো সিদিনা ৰাতি এফিক..., আন এজন দেখা পাম বুলি..., বাৰু নালাগে।

ৰিচাৰ্ডে কথা বন্ধ কৰা দেখি কাৰ্লাইলে ক'লে—ৰিচাৰ্ড, এটা পুৰণি কথা আছে, অৱশ্যে খুব মূল্যৱান উপদেশ যে, তোমাৰ উকীল আৰু ডাক্তৰক আচল কথাটি গুপুত হ'লেও ভাঙি ক'বা, তেহে কাৰ্য্য সিদ্ধি। যদি মই তোমাৰ নিমিত্তে কিবা চেষ্টা কৰিব লাগে তেন্তে ঠিক আচল কথা কি ক'বলৈ লাজ লগা হ'লেও ভাঙি কোৱা, নহ'লে নুশুনো। ই ধৰ্ম বিশ্বাস বুলি মনত ৰাখিবা।

ৰিচাৰ্ডে আৰম্ভ কৰিলে—যদি ক'বই লাগে, কওঁ শুনা। মই এফিক ভাল পাইছিলোঁ আৰু তাইক বিয়া...।

—তোমাৰ বিবাহিতা স্ত্ৰী?

—এৰা, কিন্তু পিতাৰ বাধা।

—বাৰু কোৱা। তাই তোমাক ভাল পাইছিলনে?

—ঠিক ক'ব নোৱাৰোঁ, নাজানো। কেতিয়াবা ভাল পাইছিল আৰু কেতিয়াবা তাৰ বিপৰীত ভাব দেখুৱাইছিল। কাৰণ কেতিয়াবা গধূলি মই উভতি যাব লগাত পৰিছিলোঁ, তাই মোক ঘৰতে সোমাবলৈ নিদিছিল। আন এজন আহিছিল। সি যিদিনাই আহিছিল সিদিনাই মই ফিৰি গৈছিলোঁ। আমি দুয়ো কেতিয়াও একেলগে দেখাদেখি হোৱা নাই। কাজেই সি কোন মই চিনি-জানি নাপাওঁ।

—কোন সি? নাম কোৱা।

ৰিচাৰ্ডে মূৰটো তললৈ কৰি লাহেকৈ ক'লে,—সেই পাপীষ্ঠ থৰ্ণ। কাৰ্লাইলৰ

মনত পৰিল যে বাৰবাৰায়ো সেই নামটোকে কৈছিল। তেওঁ সুধিলে,—কোন থৰ্ণ? মইতো তাৰ নাম শুনা নাই।

—আপুনি কিয়, ৰেষ্ট লিনৰ বোধহয় কেৱে তাক নাজানে। সি খুব গোপনভাবে ইয়াত আছিলহি। সি ইয়াৰপৰা কেইমাইলমান আঁতৰত বাহ লৈছিল আৰু সন্ধিয়া মনে মনে আহিছিল।

—এফিৰ লগত হাঁহি চুপটি মাৰিবলৈ ইমান দূৰৰপৰা?

—এৰা। তাৰ মনত দূৰ একো বস্তু নহয়। সি সদায় সন্ধিয়া সময়ত ঘোঁৰা এটাত উঠি আহে আৰু ঘৰৰ ওচৰৰ হাবিয়নিত গছ এজোপাত ঘোঁৰাটো বান্ধি থৈ এফিৰ লগত ২/৩ ঘণ্টা থাকি গুচি যায়গৈ।

—বাৰু এতিয়া আচল কথালৈ আহা।

—হেলিজন চাহাবৰ বন্দুকটো কিবা অলপ বেয়া হৈ পৰি আছিল। তেওঁ মোৰ বন্দুকটো খুজি পঠালে। সিদিনাই গধূলি চেগ বুজি ময়ো আহিম বুলি এফিক জনাই গ'লোঁ। যথা সময়ত বন্দুকটো হাতত লৈ হেলিজন চাহাবক দিবলৈ গ'লোঁ। বাটতে দেখোঁ এফি ওলাই আহি বাট ভেটিলেহি—তাই হেনো মোক লগ ধৰিব নোৱাৰে। দুই-চাৰি আষাৰ কথা-বাৰ্তা হ'ল। লক্‌চলি চাহাবে মোক বন্দুকটো হাতত লৈ থকা দেখা পালে, তেওঁ কোনোবা ফালে গুচি গ'লগৈ। এফিক মই বৰ ভাল পাইছিলোঁ। তাইৰ হাতত মই বন্দুকটো দি ক'লোঁ—পিতাৰাই এইটো খুজিছে, তেওঁক দিবা কিন্তু। বন্দুকত গুলী ভৰোৱা আছে—চাবা সাৱধান। এফি বন্দুক লৈ ঘৰত সোমাল। মই ওচৰতে খাপ ল'লোঁ, কাৰণ সন্দেহ হ'ল যে নিশ্চয় পাপীষ্ঠ থৰ্ণ আহিছে, নহ'লে এফিয়ে আজি কি কাৰণে মোক আহিবলৈ কৈ বিমুখ কৰিলে? মই তাতেই খাপ ল'লোঁ। লক্‌চলি কোনোবা ফালৰপৰা আহি মোক তাতো তেনেকৈ থকা দেখিলে। মোক কিবা সুধিলে, মই একো উত্তৰ নিদি ওভতামুখে দূৰৰ ফালে গ'লোঁগৈ, এই হ'ল দ্বিতীয় সাক্ষী। বন্দুক হাতত লৈ ঘৰৰপৰা ওলাই আহোঁতে পিতাই ক'লৈ যোৱা, বুলি সোধাত, 'ক'লৈকো নাযাওঁ' বুলি মিছা মাতি আহিছিলোঁ, সেই হ'ল প্ৰথম সাক্ষী। কুৰি মিনিটমান পাছতে এফিহঁতৰ ঘৰৰ ফালে গুলী মৰাৰ শব্দ শুনিলোঁ। ভাবিলোঁ—কোনোবাই চৰাই আদি গুলীয়ালে। বিডেল চাহাবক শব্দৰ ফালে বেগাবেগিকৈ যোৱা দেখিলোঁ। সেই গুলীতে হেলিজনৰ প্ৰাণবায়ু উৰি গৈছে।

ৰিচাৰ্ড থামিল। অলপপৰ ভাবিয়েই আকৌ ক'লে,—কেইমিনিটমান পাছতে দেখোঁ যে কোনোবা এজন হেঁফাই-ফেঁফাই সেই ফালৰপৰা লৰি আহিল—এয়ে থৰ্ণ। সি লৰি গৈ জাঁপ মাৰি ঘোঁৰাটোত উঠিয়েই বায়ুবেগে পলাল। মই আচৰিত হ'লোঁ—

কিহৰ শব্দ? মই এফিৰ ঘৰলৈ লৰ দিলোঁ, একে চাবেই হেলিজনৰ মৃতদেহৰ বুকৰ ওপৰত উঠিলোঁগৈ। ঘটনা দেখি চকু স্থিৰ হ'ল—হেলিজন পাকঘৰৰ মজিয়াত মৰি পৰি আছে। চাৰিওফালে তেজৰ নদী। মোৰ বন্দুকটো কাষতে পৰি আছে, ভিতৰত গুলী নাই। ঘটনা দেখি মোৰ চুৰ্তি হেৰাল, অন্তৰত ভয় সোমাল। বন্দুকটো থাপ মাৰি লৈয়ে দুৱাৰমুখত থিয় হ'লোঁ। আগত লক্‌চলিক দেখি বন্দুকটো ঘৰৰ ভিতৰলৈ দলি মাৰি দি লৰ মাৰিলোঁ।

—এইটো খুব সাংঘাতিক ভুল কৰিছা, ৰিচাৰ্ড।

—নিজৰ মুৰ্খালি গুণেতো এই শাস্তি। বাৰু আৰু শুনা। অলপ দূৰ নৌযাওঁতেই বিডেলক লগ পালোঁ। তেওঁক সুধিলোঁ সেই পাপীষ্ঠ থৰ্ণক দেখিলানে?

—কোন থৰ্ণ?

—সেই পাপীষ্ঠ থৰ্ণ, এফিৰ ঘৰলৈযে আহে।

—নাই দেখা। মই কোনো থৰ্ণকে নাজানো।

—বাৰু, কিবা গুলী মাৰা শব্দ শুনিছিলানে?

—এৰা শুনিছিলোঁ। এফিইঁতৰ ঘৰৰ ফালৰপৰা তোমাক অহা দেখিছিলোঁ নহয়? মই তাতেই ইফাল-সিফালকৈ হাবিয়নিত ফুৰি আছিলোঁ।

—বাৰু, তুমি থৰ্ণক সঁচাকৈ লগ পোৱা নাই তেনেহ'লে?

—নাই, মই কাকো লগ পোৱা নাই।

কথা শুনি মই গুচি গ'লোঁ।

কথাৰ মূৰতে কাৰ্লাইলে কৈ উঠিল,—আকৌ তুমিও সেই একে নিশাই নিৰুদ্দেশ। ইও সংঘাতিক ভুল।

—এৰা, মই এটা গাধ। মই ভাবিছিলোঁ যে মই ইয়াতেই চাপ-চুপ থাকি যাওঁ আৰু ঘটনা কেনেকুৱাত ৰয়গৈ চাই লওঁ। কিন্তু তুমি সমস্ত নাজানা। হত্যাকাণ্ডৰ ৩/৪ ঘণ্টামান পাছতে মই এফিৰ ওচৰ পালোঁগৈ। আহা! মোৰ জন্ম-জন্মান্তৰতো ই কথা মোৰ মনত থাকিব। মই তাইক মাত লগোৱাৰ আগতেই তাই মোৰ ওপৰতে জাঁপ মাৰি পৰিলহি আৰু বাপেকৰ হত্যাকাৰী বুলি মোক গালি বৰষিবলৈ ধৰিলে। কোলাহল হ'ল, চাৰিওফালৰপৰা মানুহ ভৰি পৰিলহি, মই আঁতৰ হ'লোঁ। মোৰ তত হেৰাল... 'তাই নিজেই যেতিয়া মোক হত্যাকাৰী দোষী সাব্যস্ত কৰিবলৈ সাজু হৈছে সেই স্থলত সংসাৰেও মোক যে দোষী সাব্যস্ত কৰিব ই নিশ্চয়।' কাজেই সেই নিশাই মই ঘৰ এৰিলোঁ আৰু দুই-এদিন চাই-চিতি নিজৰ পথ মুকলি কৰি নিৰুদ্দেশ হ'লোঁ। ইয়াৰ সুবিচাৰ নহ'ল, মিঃ কাৰ্লাইল। মোৰ এই দুখ সহন নাযায়, কাৰ্লাইল! বিচাৰ আৰম্ভ

হ'ল, জাষ্টিছসকল বহিল, বিচাৰ হ'ল, আইনতঃ মই দোষী সাব্যস্ত হ'লোঁ। কাৰণ এফিয়ে সাক্ষী দিলে যে সিদিনাখন ৰাতি তাইৰ ওচৰলৈ আন কোনো অহা নাছিল। তাইৰ ঘৰত তাই অকলে আছিল আৰু তাই হেনো গুলীৰ শব্দ শুনি ৫ মিনিটমান পাছত আহিয়েই মৰা বাপেকৰ ওচৰতে লক্‌চলিক দেখা পাইছিল।

কাৰ্লাইলে মনে মনে থাকি ৰিচাৰ্ডৰ হত্যা-গল্পৰ আচল কথাকেইটা টোকা বহীত টুকি ল'লে। আৰু সুধিলে—তেনেহ'লে তোমালোক চাৰিজন সেই অঞ্চলত আছিলাইক আৰু তোমালোকৰ নিশ্চয় কোনোবা এজনে সেই বন্দুক মাৰিছিলা। তুমি কোৱা যে তুমি দূৰৈত আছিলা আৰু বিডেলো বোলে তুমি দেখা...।

—উঁহুঁ নহয়, বিডেল হ'ব নোৱাৰে। ই অসম্ভৱ। কাৰণ গুলী মৰা মুহূৰ্তত বিডেল মই চকুৰে দেখাত আছিল। থৰ্ণে এই কাম কৰিছে, মি০ কাৰ্লাইল, ইয়াত কোনো সন্দেহ নাই, ই খাঁটি কথা। মি০ কাৰ্লাইল, বোধহয় মোৰ কথা তোমাৰ বিশ্বাস নহ'ল?

—তোমাৰ হত্যাকাহিনীৰ কথা শুনি আচৰিত হৈছোঁ। বিশ্বাস-অবিশ্বাসৰ কথা পাছতহে ভাবিম। আচৰিত কথা এই যে তুমি থৰ্ণক আগভেটি ধৰি হত্যাকাৰী বুলি প্ৰমাণ নকৰিলা কিয়?

—এৰা সেয়ে দোষ। মই মুৰ্খ, কাপুৰুষ। ই মোৰ জন্মগত দোষ, ই মোৰ লগত যাব। মই থৰ্ণক দোষী বুলি যদি কওঁ, কোনে সাক্ষী ক'ব? এনেকৈ কাষত পৰি থকা বন্দুকটিও মোৰে নিজৰ। আহা। কপাল, মি০ কাৰ্লাইল, কপাল! কিন্তু মি০ কাৰ্লাইল, শেষ বিচাৰৰ দিনা মই, থৰ্ণ, এফি আৰু হেলিজন—আমি চাৰিও দেখাদেখি হ'ম, লগ লাগিম, ভগৱানৰ ওচৰত কোন দোষী, কোন নিৰ্দোষ নিশ্চয় প্ৰমাণ হ'ব। মই তোমাক আচল কথাটি ক'লোঁ।

কাৰ্লাইলে ৰিচাৰ্ডৰ কথা শুনি তবধ মানি কিছু সময় নীৰৱে থাকি সুধিলে—বাৰু সেই থৰ্ণ ক'ত থাকে, সি কেনে প্ৰকৃতিৰ বিৱৰি কোৱা।

ৰিচাৰ্ডে ক'লে—মানুহজন ওখ, পাতল কিন্তু নাকে-মুখে সুন্দৰ চেহেৰা লাহ-বিলাহৰ জ্বলন্ত মূৰ্তি। হাতৰ আঙুলি হীৰাখটোৱা আঙঠিৰে জক্‌মকীয়া, কামিজৰ বুতামবোৰো হীৰা-মুকুতাৰে তৈয়াৰী যেন, সি একেবাৰে আটকধুনীয়া চফল ডেকা।

—বাৰু, এতিয়া ঘৰলৈ যাওঁ ব'লা।

কাৰ্লাইলে ৰিচাৰ্ডক বাৰবাৰা আৰু মিছেছ হেয়াৰৰ ওচৰলৈ লৈ গ'ল আৰু তেওঁলোকক ৰিচাৰ্ডক গতাই দি সোনকালে বিদায় দিবলৈ কৈ লৰালৰিকৈ তেওঁ ঘৰমুৱা হ'ল।

ঘৰত গৈ নিমন্ত্ৰিত জাষ্টিছসকলক খুৱাই মেলি কথা-বাৰ্তা কৈ আদৰ-সম্ভাষণ

কৰি বিদায় দিলে। নিজৰ শোৱা খোটালিত সোমাই তেওঁ তেওঁৰ বিশ্বাসী মহৰি ডিলক মাতি আনি সুধিলে,—ডিল, তুমি থৰ্ণক চিনি পোৱানে? এই মানুহজনৰ বিষয়ে তুমি ওচৰৰ গাঁও-ভূঁইকেইখনত বিচাৰ ল'বা আৰু কিবা শুংসূত্ৰ পালেই লগতে মোক জনাবা। বাৰু, তুমি এতিয়া যোৱাগৈ।

ডিলে মুখ মেলিবৰে সময় নাপালে। তেওঁ,—ভাল দেউতা, বুলি কৈ বিদায় ল'লে আৰু বাটে বাটে ভাবি গ'ল—এওঁক আজি আকৌ কিহে পালে? এই থৰ্ণ নে টৰ্ণৰ নাম ক'ত কেনেকৈ পালে?

তাৰ পাছতে তেওঁৰ ঘৰত থকা জেছি নামৰ বান্দীজনীক কাৰ্লাইলে মাতি আনিলে। জেছি হেলিজন চাহাবৰ দ্বিতীয়া স্ত্ৰীৰ ছোৱালী, কাজেই এফি আৰু জেছি দুয়ো বাই-ভনী। তাই কাৰ্লাইলৰ ওচৰত থিয় হ'লহি। তেওঁ আৰম্ভ কৰিলে,—জেছি, ভনীয়েৰৰ কিবা খবৰ পাইছনে?

—নাই, দেউতা। মোকনো তাই কিবা খবৰ ক'বনে?

—কেলেই?

—যিজনীয়ে নিজ পিতৃহন্তা ৰিচাৰ্ড লম্পটৰ লগত পলাই যাব পাৰে, সেইজনীয়ে মোক কিবা কথা ভাঙি ক'ব বুলি ভাবেনে?

—বাৰু নালাগে। এফিৰ ঘৰলৈ অহা-যোৱা কৰা সেই সুন্দৰ আটকধুনীয়া ডেকাজন কোন, জাননে?

প্ৰশ্ন শুনি জেছি বিবৰ্ণ হ'ল। মনৰ ভাব দমাই ৰাখি তাই ক'লে,—সেইজনৰ কথাও শুনিছে, দেউতা?

—সি সেই ওচৰৰ গাঁওবোৰৰপৰা নাহেনে?

—হয় দেউতা, মোৰো বিশ্বাস তেনেকুৱাই। এফিয়ে তাৰ নামকে নুলিয়ায়, সকলো কথা লুকাই ৰাখে। এনেকি কেতিয়াবা মই তাৰ নাম উলিয়ালেই তাই জাঁপ মাৰি উঠে।

—বাৰু, ডেকাজনে কি কাম কৰে?

—দেউতা, মই ঠিক নাজানো। কিন্তু কেতিয়াবা এফিয়ে গৌৰৱ কৰি কয় যে ডেকাজন হেনো এজন সৈন্যই নে সৈন্যাধ্যক্ষই। তাই সিদিনাখন ডেকাজনক কেপ্টেন থৰ্ণ বুলি মতাও শুনিছিলোঁ আৰু তাৰ ৭/৮ দিন মানৰ পাছতে সেই হত্যাকাণ্ড ঘটিল।

—জেছি, তই নাভাবনে যে এফি ৰিচাৰ্ডৰ লগত যোৱা নাই, এই থৰ্ণৰ লগতহে পলাই গৈছে?

—নহয় দেউতা। তাই ৰিচার্ডৰ বাহিৰে আন কাৰো লগত যোৱা নাই, ই মোৰ সম্পূৰ্ণ বিশ্বাস, মোৰ কিয়, ৰেষ্ট লিনৰ আটাইৰে সেই বিশ্বাস।

কাৰ্লাইলে তাইৰ এই বিশ্বাস ভাঙিব নুখুজিলে। তাইক বিদায় দি শোৱাপাটীত পৰি নিজৰ ওকালতি বুদ্ধি খটাই ঘটনাটো ওলট-পালটকৈ ভাবি থাকিলগৈ।

৫

লৰ্ড উইলিয়ামৰ তেখেতৰ সোণৰ পুৰী ইষ্ট লিন হস্তান্তৰ হ'বৰ দিন ধৰি গা ভাল নহয়। তেখেতৰ চিৰলগৰীয়া সৰ্বনাশী বাত বিষে এইবাৰ ভালকৈয়ে লগ ধৰিলেহি। অলপ দিনৰ ভিতৰতে বাত বিষে তেখেতৰ সৰ্বশৰীৰ ছাটি পেলালেহি—অলৰ-অচৰ কৰি পেলালে। ওচৰ-চুবুৰীয়া, বন্ধু-বান্ধৱ, মিটিৰ-কুটুম আটায়ে অন্তিম কাল চাপি অহা দেখি তেখেতক একো একোবাৰ দেখা দিলেহি। উইলিয়ামৰ বন্ধু-বান্ধৱৰ ভিতৰত মিঃ কাৰ্লাইলকে প্ৰথম লেখত ল'বলগীয়া। কাৰণ তেখেতৰ নৰিয়াৰ ভিতৰত তেৱেঁই এজন প্ৰধান আলপৈচান ধৰোঁতা, সহায় কৰোঁতা আৰু পৰামৰ্শ দিওঁতা। ডাক্তৰ মাতিব লগা হ'লে, ঔষধপাতি কিবা আনিব লগা হ'লেও কাৰ্লাইলৰ আৱশ্যক। তেখেতৰ চিকিৎসাৰ খৰচ-পাতিও কাৰ্লাইলে হাতৰপৰাহে কৰিব লগা হৈছিল। কাৰ্লাইল কাজেই উইলিয়ামৰ ঘৰত দিনটোৰ ভিতৰত এবাৰ নহয় এবাৰ উপস্থিত থাকে। উইলিয়ামেও কাৰ্লাইলক অন্তৰেৰে বৰ ভাল পোৱা হৈ উঠিল, এনেকি তেওঁক দিনটোৰ ভিতৰত দেখা নাপালে বাউল হৈ উঠা হ'ল। কাৰ্লাইলে তেখেতক দেখা দিলেই তেখেতে সকলো অসুখৰ কথা পাহৰে, সকলো জ্বালা-যন্ত্ৰণাই যেন খন্তেকৰ নিমিত্তে শাম কাটে।

গধূলি ইছাবেলে মূৰৰ শিতানত বহি গা-মূৰ পিটিকি দিওঁতে বাপেকে কৈ উঠিল,—আইটি, মই সৰ্বসাধাৰণৰ লগত সমান নহওঁ। মিঃ কাৰ্লাইল যে মোৰ ইয়ালৈ

আহ-যাহ কৰে আৰু এই মৰণকালত সেৱা-শুশ্ৰূষা কৰেহি, ই তেওঁৰ মহান উদাৰতা আৰু দয়াধৰ্মৰ গুণ।

—এৰা পিতা, তেওঁ বৰ উদাৰ আৰু দয়ালু পুৰুষ। তেওঁক মই বৰ ভাল পাওঁ, পিতা।

—মই যে তেওঁতকৈ আন কাৰোবাক বেছি ভাল পাওঁ, নাজানো ইছাবেল।

বাপেক-জীয়েকৰ কথাৰ মাজতে কাৰ্লাইল উপস্থিত হ'লহি। মৃত্যুশয্যাত পৰি থকা উইলিয়ামৰ মুখত হাঁহি ওলাল, ইছাবেলৰ মুখো প্ৰফুল্লিত হৈ উঠিল। কথাই কথাই বাপেকে ক'লে,—আইটি, এফাকি গান গোৱা।

—বাৰু পিতা, আপুনি ইচ্ছা কৰিছে যেতিয়া গাওঁ। কিন্তু বীণখন অলপ বেয়া হৈছে, ভালকৈ যে বীণখন বাজি উঠিব আশা কম।

কাৰ্লাইলৰ ফালে চাই ক'লে,—মিঃ কাৰ্লাইল, আপোনালোকৰ বেষ্ট লিনৰ ফালে বীণ ভাল কৰা কোনো মিস্ত্ৰী নাইনে?

—কেলেই নহ'ব, নিশ্চয় আছে। বাৰু, কাইলৈ মই কেন চাহাবক নিজে লগতে লৈ আহিম।

—শত শত ধন্যবাদ, মিঃ কাৰ্লাইল। আমি ইয়াত বেছিদিন থাকিব পৰা হ'লে এই পুৰণি বীণখন সলাই, নতুন ভাল বীণ এখন আনিবগৈ পিতাক ক'লোঁহেঁতেন।

পাছদিনাখন ৰাতিপুৱা কেন চাহাব আহিল আৰু ইছাবেলৰ বীণখনি ভাল (মেৰামত) কৰি দিলে। কেনৰ সামান্য সাজ-পাৰ দেখি আৰু লগে লগে তেওঁৰ দুখ-দৈন্যৰ কাহিনী শুনি ইছাবেলৰ অন্তৰ পমি গ'ল। যাবৰ সময়ত কেন চাহাবক আশাতীত মজুৰি দি বিদায় দিলে আৰু কৈ পঠালে,—আপুনি সোনকালে এদিন গান গোৱাৰ বন্দবস্ত কৰকগৈ, আমি আটায়ে টিকেট কিনি গান শুনিবলৈ যাম।

দুখীয়া-নিচলা কেনৰ অন্তৰ আনন্দে নধৰা হ'ল। ঘৰলৈ গৈয়ে গানৰ যো-জা কৰিবলৈ লাগিল। ইপিনে ইছাবেলে নিজৰ লগৰীয়াসকলৰ মাজত প্ৰচাৰ কৰিলে যে কেন চাহাবে অমুক দিনাখন অমুক সময়ত বৰ ভাল গান শুনাব, আৰু লগে লগে তেওঁ বহুত টিকেটো বিক্ৰী কৰিলে। ইছাবেলে কাৰ্লাইলক বৰ অনুনয়-বিনয়কৈ ধৰাত তেৰোঁ কেন চাহাবৰ গান শুনিবলৈ যাবলৈ মান্তি হ'ল, বহুত টিকেট বিক্ৰী কৰি দি অভাৱপীড়িত কেনক যথেষ্ট সহায় কৰিলে। ইছাবেলে নিজে গৈ কেনৰ ঘৰৰপৰা টিকেট কিনি আনিলেগৈ। সেয়েহে বেষ্ট লিনৰ জনসাধাৰণৰ মাজত বৰ আনন্দৰ ভাব দেখা গ'ল। বেষ্ট লিনৰ ওপৰেদি আনন্দৰ ঢৌ বাগৰি গ'ল।

এদিনাখন ফুৰি ফুৰোঁতে কাৰ্লাইলে কৰ্ণেল বিডেলৰ ভায়েক অটৰে বিডেলক লগ

পালে। বিডেলক দেখিয়েই তেওঁৰ মগজুত ওকালতি বুদ্ধি সোমালহি। হতভগীয়া হেলিজনৰ হত্যাকাণ্ড সম্বন্ধে কিবা শুংসূত্ৰ পাম বুলি বিডেলৰ লগত তেওঁ কথা পাতিলে। তেওঁ সুধিলে—

—কিহে ইমান দিন ক'ত লুকাই আছিলা?

—মিঃ কাৰ্লাইল, মই ইমানদিনে ফ্ৰান্স, জাৰ্মানী—আদি নানা ঠাই ঘূৰি ফুৰিলোঁ। জানেইতো ঘৰত থাকিও ভাল নালাগে।

—এৰা ভালেই কৰিছা। সম্প্ৰতি ভালতো?

—এৰা ভালেই।

কাৰ্লাইলে অলপ গম্ভীৰ হৈ সুধিলে,—হেৰা, এই হেলিজনৰ হত্যাকাণ্ডৰ কথা মনত পৰেনে?

—হয় মনত আছে, কেলেই?

—এৰা মই শুনিবলৈ পাইছোঁ যে সেইদিনা হত্যাকাণ্ড হোৱাৰ কেইমিনিটমান পাছতে তুমি আৰু ৰিচাৰ্ড হেয়াৰ দুয়ো সিহঁতৰ ঘৰৰ ওচৰতে কথা পাতিছিলা। হয়নে?

—আপোনাক কোনে ক'লে?

—সেই বিষয়ে প্ৰশ্ন সোধাৰ কোনো আৱশ্যক নাই।

—অৱশ্যে কথা সঁচা, কিন্তু মই বিশেষ একো কোৱা নাই।

—বাৰু বিডেল, সেয়ে হৈছে, তুমি এতিয়া সঁচা কথা কোৱা। তুমি আচলতে সেই থৰ্ণক এফিহঁতৰ ঘৰৰপৰা লৰি পলোৱা দেখিছিলানে নাই?

বিডেলে মূৰ জোকাৰি উত্তৰ দিলে—নাই। মই ৰিচাৰ্ডৰ বাহিৰে আন কাকো দেখা নাই। মই নেদেখাকৈ হয়তো এজন কিয় ১৪/১৫ জন থৰ্ণো লৰি পলাব পাৰে।

—সেই বন্দুকৰ গুলীৰ শব্দ শুনিছিলানে?

—শুনিছিলোঁ, কিন্তু সিমানদূৰ মন কৰা নাছিলোঁ। আবেলি বহুত চিকাৰীয়ে সেই হাবিখনত চিকাৰ বিচাৰি ফুৰিছিল। মই ইফাল-সিফাল কৰি থাকোঁতে বন্দুকৰ শব্দ শুনিছিলোঁ আৰু অলপ পাছতে ৰিচাৰ্ডক দেখা পালোঁ। সি হেঁফাই-ফেঁফাই লৰি আহি মোক সুধিলেহি—থৰ্ণক এইপিনে লৰি যোৱা দেখিলোঁ নে নাই? মই কথা শুনি অবাক।

—তুমি তেনেহ'লে থৰ্ণক দেখা পোৱা নাছিলা।

—হয়, নাই পোৱা। মই ৰিচাৰ্ড আৰু লক্চলি নামে চিকাৰী এজনৰ বাহিৰে আন কাকো দেখা নাই, মিঃ কাৰ্লাইল। পৰকালত ৰিচাৰ্ড হেয়াৰৰ অন্যায় কৰিবলৈ মোৰ অলপো ইচ্ছা নাই। আহা, সেই দুৰ্ভগীয়া ডেকাজন! মোক সেই বিষয়ে কোনো ভাৰ নিদিব।

—বাৰু ভয় নাই! কিন্তু এই বিষয়ে মোক সহায় কৰিব লাগিব। ময়ো ৰিচার্ডৰ অন্যায় নকৰোঁ, পাৰিলে উপকাৰ কৰিম বুলিয়েই তাৰ আপদীয়া কথাটো হাতত লৈছোঁ। মোৰ সন্দেহ হৈছে আৰু সন্দেহ কৰিবৰ বহুত কাৰণো পাইছোঁ যে সেই হত্যাকাণ্ড ৰিচার্ডৰদ্বাৰা হোৱা নাই। প্ৰকৃততে আন এজনৰদ্বাৰাহে। এতিয়া সেইজন কোন বিচাৰি উলিওৱাই মোৰ প্ৰধান উদ্দেশ্য। তুমি এই বিষয়ে কোনো খবৰ মোক দিব নোৱাৰানে?

—নোৱাৰোঁ মি০ কার্লাইল, ক্ষমা কৰিব।

—বাৰু, এতিয়া যোৱাগৈ।

—ভাল, নমস্কাৰহে।

কার্লাইল বেগাবেগিকৈ ঘৰলৈ গৈ দেখে যে মিছ কর্ণি জাষ্টিছ হেয়াৰ আৰু তেখেতৰ জীয়েক মিছ বাৰবাৰা আটায়ে সাজি-পাৰি কেন চাহাবৰ সঙ্গীত শুনিবলৈ যাবলৈ তেওঁকে বাট চাই আছে। কার্লাইলে পলমকৈ ঘৰলৈ যোৱা দেখি কর্ণিৰপৰা দুই-চাৰি আষাৰ মিঠা-কাঢ়া মাতো শুনিলে। তেওঁ ততালিকে সাজ-পাৰ পিন্ধি আধাঘণ্টামানৰ ভিতৰতে খোৱা-লোৱাও শেষ কৰিলে আৰু হাঁহি মাৰি সঙ্গীত শুনিবলৈ যাবলৈ তেওঁলোকৰ আগত উপস্থিত হ'লহি। আটায়ে কেন চাহাবৰ সঙ্গীত মণ্ডপৰ ফালে খোজ ল'লে। বাৰবাৰাই কার্লাইলৰ কাষে কাষে যাবলৈ ধৰিলে।

—ইপিনে লেডী ইছাবেল।

লর্ড উইলিয়াম চাহাবৰ আকৌ অসুখ। সর্বশৰীৰ বাত বিষে ছাটি পেলাইছে, ইবেলি তেখেতৰ অসুখ কেনেবা একধৰণৰ সাংঘাতিক। গধূলি চেনেহৰ জীয়েক ইছাবেলক ওচৰলৈ মাতি নি ক'লে—আইটি, মই আৰু বেছি দিন ইয়াত নাথাকোঁ, মনটো বৰ বেয়া লাগিছে। আন এঠাইলৈ যাবলৈ ইচ্ছা হৈছে, পাৰিলে কালি-পৰহিতে যাওঁ। সেইবাবে তুমি আজি কেন চাহাবৰ সঙ্গীত শুনিবলৈ যাব নালাগে।

কথা শুনি লেডী ইছাবেলৰ মুখ ৰঙা পৰি উঠিল, ক'লে—কেলেই যাব নালাগে, পিতা?

—তোমাক তালৈ কোনে লৈ যাব, মই উঠিবই নোৱাৰোঁ যে?

ইছাবেলে কান্দো কান্দোকৈ কৈ গ'ল—নহয় পিতা, মই তালৈ যাম, যেনে হওক যামগৈ। কেন চাহাবৰ সঙ্গীত শুনিবলৈ মোৰ বৰ হেঁপাহ জন্মিছে, বাধা নিদিব, পিতা। মই কেইবাগৰাকীও লগৰীয়া পাইছোঁ, তেওঁলোকৰ লগত যামগৈ, হুকা-বাধা নকৰিব, পিতা।

—বাৰু যেনে ইচ্ছা কৰাগৈ। তুমি যাবলৈ উত্ৰাৱল বুলি মই জানো।

পিতাকক কানি-কাপোৰ যি যি লাগে সকলোকে যতনাই দি সঙ্গীত শুনিবলৈ

যাবলৈ বুলি চাই-চিতি ভাল ভাল কাপোৰ, অলঙ্কাৰ-পাতি পিন্ধিলৈগে। যাবলৈ ওলাই মৃত্যুশয্যাত পৰি থকা বাপেকৰপৰা বিদায় ল'লৈগে—তেনেহ'লে পিতা মই যাওঁগে। জমিদাৰে জীয়েকৰ মাত শুনি মুখৰপৰা কাপোৰখন গুচাই ডাঙৰ ডাঙৰ চকু দুটাৰে জীয়েকক ভৰিৰপৰা মূৰলৈ নিৰীক্ষণ কৰি চালে। তেখেতৰ মন নালাগিল, নাক কোঁচ খাই গ'ল, চকু মুদি কৈ গ'ল,—মৰমৰ আইটি, তুমি এইবোৰ কি সাজ পিন্ধিছা? এটা সামান্য সঙ্গীত ভাওনা চাবলৈ যাওঁতে ইমান লাহ-বিলাহনে? ছিঃ, ছিঃ, বস্তুৰ মৰ্য্যাদা নুবুজা। মানুহে এইবোৰ দেখি কি নক'ব?

ইছাবেলে গদগদকৈ কৈ উঠিল,—কওক পিতা, কওক। মই কেতিয়া কি পিন্ধিব উৰিব লাগে জানো, কিন্তু আজি মই ইচ্ছা কৰিয়েই এইবোৰ পিন্ধিছোঁ।

—তোমাক সকলোৰে ছিঃ ছিঃ কৰি নেওচা দিব।

—দিয়ক। মই সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰোঁ।

বাপেকৰ খং উঠি ক'লে,—গৰ্বিতা ছোৱালী, তোক এই অহঙ্কাৰেই খালে। তই তোৰ মিছা গৰ্বক সন্তোষ দিবলৈয়ে এইবোৰ কৰিছ। কিন্তু ইছা—ইয়াৰ পৰিণাম ভয়ঙ্কৰ—উহুঁ!

পিতাকৰ কথা শুনি ইছাবেলে কিছুপৰ তভক মানি থাকি সুধিলে—তেনেহ'লে পিতা মই ঘৰতে থাকিম? যাবলৈ নালাগে?

পিতাকে খং মুখেৰে উত্তৰ দিলে—নালাগে, গৰ্বিতা নিলাজী ছোৱালী। যাগৈ—মোৰ লগত বেছি কথা নক'বি, মোৰ অসুখ বেছি হয়।

—পিতা, যদি মই ঘৰত থাকিব লাগে তেন্তে নাযাওঁ। কি কাম কৰিব লাগে কওক।

—নালাগে তই নহ'লেই ভাল। যাগৈ—কিন্তু মিঃ কাৰ্লাইলক লগ পালে কালি ৰাতিপুৱাই এবাৰ যেনে-তেনে আহি যাবগৈ ক'বি।

লেডী ইছাবেলে মাৰ্ভেল নামৰ বান্দীজনীক লগত লৈ কেন চাহাবৰ সঙ্গীত মণ্ডপলৈ যাত্ৰা কৰিলে।

কেন চাহাবৰ সঙ্গীত-ভাওনা শুনিবলৈ আজি বেষ্ট লিন আৰু ইষ্ট লিনৰ ল'ৰাছোৱালী, বুঢ়া-বুঢ়ী আটায়ে ব্যগ্ৰ। কাৰণ আজি এই ভাওনাত স্বয়ং লৰ্ড মাউণ্ট চেভাৰ্ণ জমিদাৰ উইলিয়াম চাহাব আৰু তেখেতৰ অদ্বিতীয়া ৰূপ-যৌৱনসম্পন্না গাভৰু জীয়েক লেডী ইছাবেল উপস্থিত থাকিব। ডাঙৰ-সৰু, ধনী-মানী, সুখী-দুখী আটায়ে ভাওনা ঘৰ ভৰি পৰিলহি।

সুন্দৰ জোনাক নিশা। নিচেই ওচৰতে দেখি আৰু বিশেষকৈ বাঘিনী বায়েক মিছ

কৰি লগত থকা বাবে কাৰ্লাইলে বেছি আড়ম্বৰ নকৰি বাৰবাৰাইতৰ লগত খোজ কাঢ়িয়ে যাবলৈ ধৰিলে। বাৰবাৰাই সুধিলে,—কাৰ্লাইলদা, আজিকালি দেখোঁ তোমাক দেখিবলৈয়ে নাই, কেলেই?

—এৰা, ইষ্ট লিনত জমিদাৰ উইলিয়ামৰ ঘৰতে বৰ ব্যস্ত আছোঁ। তেওঁলোকে ৩/৪ দিনৰ ভিতৰতে তাৰপৰা আন ঠাইলৈ যাবগৈ, তেতিয়াহে মই যথেষ্ট সময় পাম আৰু তেতিয়া তোমালোকৰ ঘৰৰ ফালেও যাম।

—তোমাৰ কালি ৰাতিয়েই আমাৰ ফালে যোৱাৰ কথা নাছিলনে?

—নহয়, মই ইষ্ট লিনত ভোজ খাবলৈ যোৱাৰ কথাহে কৈছিলোঁ।

—বহুত মানুহে কোৱা-মেলা কৰে—তুমি হেনো ইষ্ট লিনতেই বসতি কৰিবা। তোমাক তালৈ কিহে টানি নিলে? আচৰিত! বাৰবাৰাই সুৰ কোমল কৰি ক'লে,— তেওঁলোকে কয় যে লেডী ইছাবেল জমিদাৰৰ ছোৱালী নহৈ আন এজনী হোৱা হ'লে, তোমাৰ তালৈ যোৱাৰ কাৰণ সেইজনীহে।

কাৰ্লাইলে চকু ঘোপাকৈ বাৰবাৰালৈ চাই ক'লে,—উঃ, বহু ধন্যবাদ, সিহঁতে মোৰ বিষয়ে ইমানবোৰ খবৰ ৰাখিছে। লেডী ইছাবেলেই বা আৰু কত ৰাখিছে! কিন্তু মই আচৰিত হৈছোঁ, তুমি এইবোৰ মিছা অপবাদ ক'ত শুনিলা, বাৰবাৰা?

বাৰবাৰাৰ চকু ফুলি উঠিল। ক'লে,—লোকে কৈছে, মই একো নাজানো। বাৰু, লেডী ইছাবেলে হেনো খুব সুন্দৰ গান গাব পাৰে হয়নে? তেওঁৰ সঙ্গীত হেনো স্বৰগৰ অপ্সৰা সঙ্গীত যেন?

—মনে মনে থাকা, বাইদেৱে এইবোৰ কথা শুনিলে তোমাক গালি পাৰিব।

—বাৰু, এইবোৰ এৰি পেলোৱা। ৰিচাৰ্ডৰ কিবা খবৰ পাইছানে?

—একো পোৱা নাই, তুমি কি কৰিলা?

—মই সদায় সেই উদ্দেশ্যে ঘূৰি ফুৰিছোঁ, কিন্তু ক'তো একো শুংসূত্ৰকে পোৱা নাই।

এনেতে লেডী ইছাবেলৰ গাড়ী তেওঁলোকৰ কাষেদি গৈ ভাওনা ঘৰৰ সমুখতে লাগিলগৈ। ইছাবেল অকলে বহি আছে,—কাৰোবাক বাট চাই।

বাৰবাৰাই ইছাবেলক দেখা পাই কাৰ্লাইলক গাতে ঠেলা এটা মাৰি দি কৈ উঠিল—সৌ যে লেডী ইছাবেল—অকলে বহি আছে।

কাৰ্লাইল আচৰিত হ'ল। তেওঁ ভাবিলে,—তেওঁ কেলেই এনেকৈ অকলশৰে বহি আছে? কাক বাট চাইছে? লৰ্ড চেভাৰ্ণ ক'তা? তেওঁৰ মনত সন্দেহ উপস্থিত হ'ল— জানোচা তেখেতৰ অসুখ বেছি হ'ল।

তেওঁ বাৰবাৰাক—খন্তেক ৰ'বা, মই আহোঁগৈ—বুলি কৈ উত্তৰলৈ বাট নাচাই লেডী ইছাবেলৰ ওচৰ চাপিলগৈ।

সুধিলে,—তুমি কালৈ বাট চাইছা? অকলে কেলেই? পিতাৰা ক'তা?

—অ আপুনি? তেখেতৰ অসুখ হৈছে, আপুনি শুনা নাইনে?

—আকৌ অসুখ?

—এৰা আকৌ অসুখ। বাস্তৱিক বৰ অসুখ। ডাক্তৰ বেন ৰাতিপুৱা বহুবেলি আছিলহি। আপোনাক এবাৰ কালি ৰাতিপুৱাই পিতাই মাতিছে।

—বাৰু, তুমি নগৰীয়াসকলৰ সৈতে আহা, বুলি কৈ কাৰ্লাইলে বাৰবাৰাক লগ ধৰিলেগৈ। বাৰবাৰাক য'তেই এৰি গৈছিল তাতেই পালেগৈ। আটায়ে সঙ্গীত মণ্ডপৰ ভিতৰত বহিলগৈ। সঙ্গীত মণ্ডপ দৰ্শকেৰে ভৰপূৰ হৈ উঠিল, ইছাবেলৰ মনত অপাৰ আনন্দ। সঙ্গীত আৰম্ভ হ'ল। দীন-দুখী আটায়ে কেন চাহাবৰ সঙ্গীত কলা-বিদ্যাত নিপুণতা প্ৰশংসা কৰি ধইন ধইন মানিলে আৰু মুগ্ধ হৈ সঙ্গীত শুনি থাকিল।

সঙ্গীত ভাওনাৰ আধা-আধি শেষ হৈছে, এনেতে মানুহৰ মাজত এজন বুঢ়া চৌকিদাৰক খুব ব্যস্তভাৱে ইফাল-সিফালকৈ কাৰোবাক বিচাৰি ফুৰা দেখা গ'ল। অলপ পাছতে বুঢ়াজনে মিঃ কাৰ্লাইলৰ ওচৰ চাপি মূৰ দোঁৱাই সুধিলে,—ডেকাদেউ, আমাৰ ইছাবেল আইদেউ কোনখিনিত বহিছে ক'ব পাৰেনে?

—কেলেই?

—বৰদেউতাৰ সাংঘাতিক অৱস্থা, তেখেত আৰু নাবাচে। মই আইদেউক নিবলৈ গাড়ী এখন লৈ আহিছোঁ। অনুগ্ৰহকৈ তেওঁ ক'ত আছে মোক দেখুৱাই দিয়ক। বৰদেউতাৰ বৰ টান, ডেকাদেউ।

কাৰ্লাইলৰ গা শিয়ৰি উঠিল, মনত বৰ দুখ লাগিল। ক'লে,—বাৰু, তই ইয়াতে থাক, মই এতিয়াই ইছাবেল আইদেউক আনি দিওঁ।

কাৰ্লাইলে মানুহৰ ভীৰৰ মাজেদি বাট ঠেলি লেডী ইছাবেলৰ আগত থিয় হ'লগৈ। ইছাবেলে হাঁহি মাৰি কৈ উঠিল,—মিঃ কাৰ্লাইল, সঙ্গীত কেনে লাগিছে? মোৰ হ'লে বৰ ভাল লাগিছে।

কাৰ্লাইলে গম্ভীৰভাৱে ক'লে,—সঙ্গীত খুব সুন্দৰ হৈছে সঁচা, ইছাবেল, কিন্তু পিতাৰাই তোমাক মাতি পঠিয়াইছে। তেখেতে তোমাক নিবৰ বাবে এখন গাড়ীও পঠাই দিছে। সৌ যে বুঢ়া চৌকিদাৰজন ৰৈ আছে।

ইছাবেল উচাপ খাই উঠিল, ক'লে—পিতাৰ অসুখ বেছি হৈছে?

—অৱশ্যে সিমান বেছি হোৱা নাই, তথাপি তেখেতে তোমাক যেনে হওক ততালিকে যাবলৈ কৈছে। মোৰ লগে লগে আহা।

—ধন্যবাদ মি৹ কার্লাইল, কিন্তু মই সঙ্গীত শেষ হ'লেহে যাম।

—নহয়, তুমি এতিয়াই যাবগৈ লাগে। তেখেতৰ অৱস্থা সঙ্কটাপন্ন।

—বাৰু, তেনেহ'লে এই গীতটো শেষ হ'লেই যাওঁ।

—মোৰ বোধেৰে তুমি খন্তেকো পলম নকৰা। তুমি এই সঙ্গীত আকৌ শুনিবলৈ পাবা, কিন্তু পিতাৰাক...

ইছাবেল মুহূর্তকতে উঠিল আৰু কার্লাইলৰ বাহুৰ মাজত হাতখন সুমুৱাই দি খটখটিৰে নামি আহিল। সকলোৰে চকু কার্লাইল আৰু ইছাবেল ডেকা-ডেকেৰীহালৰ ওপৰত। বিশেষকৈ বাৰবাৰাৰ চকুযুৰি কার্লাইল উঠি যোৱাৰপৰা তেওঁলোকৰ ওপৰত। বাৰবাৰাই অন্যমনস্কভাৱে নিজে নিজে কৈ উঠিল,—কার্লাইলে তেওঁক ক'লৈ লৈ যায়?

ইছাবেল কার্লাইলৰ সৈতে গাড়ীখনৰ ওচৰত থিয় হ'লগৈ। মানুহজনক সুধিলে,—পিতাৰ অসুখ আগতকৈও বেছি হৈছে? মানুহজনে মূৰ দোঁৱাই উত্তৰ দিলে,—হয় আইদেউ। ডা৹ ৱেন আৰু আন এজন ডাক্তৰ দেউতাৰ ওচৰত বহি আছে, কোনোবা এজনক আকৌ দুজন ডাক্তৰ আনিবলৈ পঠাইছে। তেওঁলোকে কয় যে দেউতা ৰাতিপুৱালৈ বচাও টান।

কথা শুনি ইছাবেলে চিঞৰ মাৰি উঠি কার্লাইলৰ হাত দুখনত খামোচ মাৰি ধৰিলে।—আহা মি৹ কার্লাইল, মোক কেলেই আগতে নক'লে, বুলি কৈয়ে তেওঁ কঁপিবলৈ ধৰিলে।

—ইছা, এতিয়াও যে তোমাক কৈছোঁ তাকো অন্তৰভৰা দুখেৰেহে, কিন্তু শোক নকৰিবা, ধৈর্য্য ধৰা। তেখেতৰ সদায়তো অসুখ হয়েই, আজিও তেনে হৈছে চাগৈ। বৰ সাংঘাতিক নহ'লেই ৰক্ষা। উঠা, গাড়ীৰ ভিতৰত বহাগৈ।

—আপুনিও মোৰ লগতে বলক।

কার্লাইলে এবাৰ সঙ্গীত মণ্ডপলৈ চাই ক'লে,—বাৰু ব'লা। তোমাক অকলে পঠিয়ামনে? ময়ো যাওঁ ব'লা।

লেডী ইছাবেল গাড়ীৰ ভিতৰত বহিলগৈ আৰু গাড়ীৰ এফালে কার্লাইলৰ বাবে ঠাই এৰিলে। তাকে দেখি কার্লাইলে কৈ উঠিল—নালাগে, তুমি ভালকৈ বহা। মই বাহিৰতে বহিম।

—বৰ চেঁচা লাগিব যে?

—বাৰু হওক, কোনো ভয় নাই।

গাড়োৱানৰ লগত কাৰ্লাইল বহিলগৈ। বুঢ়া চৌকিদাৰজন গাড়ীৰ পিছফালে উঠিলগৈ। গাড়োৱানে ঘোঁৰা কোবাই খেদিলে, গাড়ী হৰহৰকৈ যাবলৈ লাগিল।

গাড়ী ইষ্ট লিন ৰাজভৱন ফটকত লাগিলগৈ। মিছেছ মেছন নামৰ বুঢ়ী মহিলা এগৰাকীয়ে লেডী ইছাবেলক ভিতৰত পিতাকৰ মৃত্যুশয্যাৰ ওচৰলৈ লৈ গ'ল। কাৰ্লাইলে বাহিৰত বান্দীজনীক ইঙ্গিত দি এফলীয়াকৈ মাতি নি সুধিলে—কি, কোনো আশা আছে?

—অলপো আশা নাই, দেউতা। তেখেত কোনোমতেই নাবাচে। সিফালে শেষেই হ'ল চাগৈ।

লৰ্ড মাউণ্ট চেভাৰ্ণ—উইলিয়ামৰ অন্তিম অৱস্থা—বস্তি নুমাওঁ নুমাওঁ। কাকো চিনিবই নোৱৰা হৈছে। হাত-ভৰি চেঁচা পৰি তত নোহোৱা হৈ আছিছে। মৃত্যুৰ সকলো চিন দেখা দিছেহি। ইছাবেলে পিতাকৰ মুখৰ ফালে চায়েই চঁক খাই উঠিল। ডাক্তৰক আথে-বেথে সুধিলে,—পিতা এতিয়াই ভাল হ'বনে?

ডাক্তৰে কাহ এটা মাৰি ক'লে,—আশা কৰা উচিত, আইদেউ।

কাৰ্লাইলো ভিতৰলৈ সোমাই গ'ল। লৰ্ড উইলিয়ামৰ শেষ অৱস্থা দেখি তেৱোঁ শিয়ৰি উঠিল। ডাঃ ৱেনক হাতৰ টিপতে বাহিৰলৈ মাতিলে। তাকে দেখি ইছাবেলে কৈ উঠিল,—মিঃ কাৰ্লাইল, আপুনি বাহিৰলৈ নাযাব, ইয়াতেই থাকক; পিতাই আপোনাক সাৰ পাই মাতিব পাৰে। তেখেতে আপোনাক খুব ভাল পায়।

—কেতিয়াও নাযাওঁ, আইদেউ, মই ইয়াতেই আছোঁ।

আকৌ দুজন ডাক্তৰ ভিতৰলৈ সোমাই আহিল। তেওঁলোকেও ৰোগীৰ নাড়ী পৰীক্ষা কৰিলে, বুকু আদি পৰীক্ষা কৰিলে, ৰোগীৰ অৱস্থা আশাশূন্য পালে। দুয়ো ডাক্তৰে মুখৰ ভিতৰতে কিবা ক'লে আৰু আটাইকেইজনে কিছু পৰ টলকা মাৰি চাই থকা দেখি, ইছাবেলে ব্যস্তভাৱে সুধিলে,—আপোনালোকে কিবা কৰিব পাৰিবনে, তেখেতে আৰোগ্য লাভ কৰিবনে? লেডী ইছাবেল একেবাৰেই বাউল হৈ উঠিল। তেওঁ চিঞৰ-বাখৰ কৰা দেখি আৰু ইপিনে ৰোগীৰো অৱস্থা প্ৰায় শেষ দেখি তেওঁলোকে ইছাবেলক তাৰপৰা আঁতৰাই নিবলৈ ক'লে। কোনোৱে ইছাবেলক পিতাকৰ মৃত্যুশয্যাৰ ওচৰৰপৰা আঁতৰাই নিব নোৱাৰিলে। শেষত গতি বিষম দেখি মিঃ কাৰ্লাইলে নিজে গৈ তেওঁক বুজাই-বঢ়াই কথাবোৰ ক'লে।

—তেন্তে মই ইয়াৰপৰা আঁতৰি যোৱা নিতান্ত আৱশ্যক—অন্ততঃ পিতাৰ পক্ষে?

—এৰা আইদেউ, নিতান্ত আৱশ্যক।

ইছাবেলে দুনাই নামাতি আন এটা কোঠালীত সোমালগৈ আৰু এখন চোফাৰ ওপৰত মূৰে-কপালে হাত দি বহি পৰিলগৈ। কাৰ্লাইল ইছাবেলৰ লগে লগে আহিল, কাৰণ ইছাবেল এতিয়া ধৈৰ্য্যহীন আৰু শোকাতুৰ হৈ উঠিল। পিতাকৰ অবিহনে যে তেওঁৰ কি অৱস্থা হ'ব, বোধহয় সেইবোৰ ভাবিয়ে সংসাৰত অপৰিপক্ক আজলী ইছাবেল একেবাৰে বাউল হৈ উঠিল। তেওঁ কাৰ্লাইলক মাতিলে—মিঃ কাৰ্লাইল?

—মইনা, মই ইয়াতেই আছোঁ। কি লাগে তোমাক?

—মোক পিতাৰ ওচৰৰপৰা আঁতৰাই আনিলে, কিন্তু প্ৰতি মুহূৰ্ত্তেতে আপুনি মোক তেওঁৰ অৱস্থাৰ খবৰ কৈ থাকিব লাগিব।

—বাৰু, কোনো ভয় নাই, মইনা। তুমি নিশ্চিন্ত থাকা।

ইছাবেলৰ কঁপনি জ্বৰ উঠিল। বান্দীজনীয়ে সঙ্গীত ভাওনালৈ পিন্ধি-উৰি যোৱা কাপোৰ-কানি, অলঙ্কাৰ-পাতি সকলোকে খহাই নি সাধাৰণ সাজ-পাৰ পিন্ধাই দিলে। কাৰ্লাইলে ৫/১০ মিনিট অন্তৰে ৰোগীৰ খবৰ আচল কথা লুকাই ৰাখি ক'বলৈ ধৰিলে। মাউণ্ট চেভাৰ্ণ লৰ্ড উইলিয়াম ভেন—সংসাৰৰ সকলো মায়া-মোহ, শোক-তাপ, জ্বালা-যন্ত্ৰণা এৰি থৈ মহাপ্ৰয়াণ কৰিলে। শান্তি! শান্তি!! শান্তি!!! প্ৰভুৱে তেখেতৰ আত্মাৰ সদ্‌গতি কৰক!

ডাক্তৰকেইজন গুচি গ'লগৈ। কেবল মৰণ-পাটীৰ ওচৰত থাকিল ডাঃ বেন আৰু লিগিৰী এজনী।

শেহনিশা ইছাবেল একেবাৰে অধৈৰ্য্য হৈ উঠিল, চিঞৰ-বাখৰ লগালে, কোনোমতে ধৰিও ৰাখিব নোৱৰা হ'ল। কেৱল পিতাৰ তালৈ যাওঁ, পিতাৰ তালৈ যাওঁ বুলি কান্দে আৰু দুৱাৰ মেলি বাহিৰলৈ আহিব খোজে। কাৰ্লাইলে দুৱাৰ বন্ধ কৰি পিঠিৰে হেঁচা মাৰি ধৰি থাকিল। তেওঁ খঙতে ক'বলৈ ধৰিলে—কাৰ্লাইল, তোমাৰ পিতাৰা ঢুকাওঁতে তোমাকো এনেকৈ বন্ধ কৰি থৈছিলনে? মোক কেলেই যাবলৈ নিদিয়া?

—মৰমৰ মইনা, পুৰুষৰ অন্তৰ আৰু তিৰোতাৰ অন্তৰ একে নহয়।

—মই মোৰ দায়িত্ব জানো, কাৰ্লাইল। মই তোমাৰ সজগুণৰ বাবে চিৰকৃতজ্ঞ, কিন্তু সেইবুলি তুমি মোক কোনো কামতে বাধা দিবলৈ নোৱাৰা। মোক পিতাৰ ওচৰলৈ যাব নিদিয়াকৈ ৰাখিবৰ তোমাৰ কোনো অধিকাৰ নাই। মই এবাৰ তালৈ যাওঁগৈ। এৰি দিয়া।

—ক্ষমা কৰিবা, মইনা। মই তোমাক কোনোমতে তালৈ যাব দিব নোৱাৰোঁ।

ইছাবেলে আয়ে-বিয়েকৈ কান্দিবলৈ ধৰিলে—তেওঁ মোৰ চেনেহৰ পিতা। তেওঁৰ বাহিৰে মোৰ সংসাৰত কেও নাই।

—জানো মইনা, জানো। তুমি যে আজি পিতৃ শোকত অস্থিৰ হৈছা তাকো ভালকৈ জানো। কিন্তু কি কৰিম, শান্ত হোৱা।

—তেনেহ'লে কোৱা, মোক এনেকৈ কিয় ৰাখিছা। মই তেওঁক আমনি কৰিমগৈ বুলি ভাবিছা নেকি?

—তেওঁৰ অবস্থা বৰ বেয়া। এই অৱস্থাত তেওঁ তোমাক দেখা কৰিব বা তোমাৰ লগত কথা পাতিব নোৱাৰে। তুমি যদি কাৰো হকা-বাধা নামানি যোৱা তেন্তে তাৰ বাবে তুমি গোটেই জীৱন ব্যাপি অনুতাপ কৰিব লাগিব।

—তেনেহ'লে তেওঁ মৃত্যুৰ দুৱাৰডলিত?

মিঃ কাৰ্লাইল বিমোৰত পৰিল। এতিয়াও কথা লুকাই ৰখা উচিতনে? যি হ'বৰ হৈ গ'ল। তাক লুকাই ৰখাত লাভ নাই। কাৰ্লাইলে নমতা দেখি আকৌ ক'লে—মই তোমাক বিশ্বাস কৰিছোঁ, শপথ দিছোঁ, মোক মিছা নক'বা।

—বোধকৰোঁ তেওঁ আৰু ইহসংসাৰত নাই—মোৰ বিশ্বাস এয়ে।

ইছাবেল জাঁপ মাৰি উঠিল। ভয়তে কাৰ্লাইলৰ হাতখনত খামোচ মাৰি ধৰি কৈ গ'ল—অ', মোক তুমি অতপৰ ফাকি দিছিলা?

—ফাকি দিয়া নাই, মইনা। তেওঁৰ এতিয়াও মৃত্যু হোৱা নাই, মুহূৰ্তকতে হ'ব পাৰে। ইছাবেলে গাৰুৰ ওপৰত মুখখন থৈ উচুপি উচুপি কান্দিবলৈ ধৰিলে—তেওঁ মোৰপৰা চিৰকাললৈ আঁতৰি গ'ল। আৰু উভতি নাহে! পিতা! পিতা!! কাৰ্লাইল, মোক এৰি দিয়া, পিতাক শেষবাৰ চাই লওঁ।

—বাৰু মই চাই আহোঁগৈ, তুমি ইয়াতেই বহি থাকা, তুমি নাহিবা, মই ততালিকে আহিম।

মিঃ কাৰ্লাইল মৃত্যুশয্যাৰ ওচৰ পালেগৈ, দেখে সকলো শেষ। লৰ্ড উইলিয়ামৰ প্ৰাণপক্ষী কেতিয়াবাই উৰি গৈ অনন্ত আকাশত লীন হৈছেগৈ। কাৰ্লাইল উভতি আহি লেডী ইছাবেলক কাষতে বহুৱাই লৈ হাত দুখন পিহি পিহি সান্ত্বনা দিবলৈ ধৰিলে—শোক নকৰিবা, আইদেউ।

—তেন্তে পিতা নাই?

—নাই আইদেউ, নাই; তেখেতে অথনিয়ে ইহলীলা সামৰিলে।

—পিতা, পিতা, পিতা! লেডী ইছাবেলে সেইপিনে ঢলি পৰিল।

শুকুৰবাৰে ৰাতিপুৱা লৰ্ড উইলিয়াম ভেনৰ মৃত্যুৰ খবৰ চাৰিওপিনে বিয়পি পৰিল। শোকসন্তপ্ত পৰিয়াললৈ অৰ্থাৎ লেডী ইছাবেললৈ বহু ঠাইৰপৰা সমবেদনাসূচক বহু চিঠি-পত্ৰ আহিল—সীমা সংখ্যা নাই। আৰু তাৰ লগে লগে মহাজনবোৰ, দোকানদাৰীবোৰ, বেঙ্কৰ পৰিচালকবোৰ, শনিবাৰে ৰাতিপুৱা স্বৰ্গীয় উইলিয়ামৰ ৰাজভৱন ভৰি পৰিলহি। তাৰ ভিতৰত কিছুমান সভ্য আৰু জ্ঞানী, কেতবোৰ একেলগে টকা লাগে টকা লাগেকৈ ধৈৰ্য্যহীন, কেতবোৰ বা মৰাশটোকে গ্ৰেপ্তাৰ কৰিবলৈ প্ৰস্তুত।

পাওনাদাৰসকলৰ মাজৰপৰা দুজন দেখিবলৈ কুঁধচ মানুহ একেবাৰে বাৰান্দাত উঠিলগৈ। তাকে দেখি লিগিৰীজনীয়ে সুধিলে—কি লাগে? সিহঁতে উত্তৰ দিলে,—কফিন আহি পাইছেনে?

—নাই, এতিয়াও পোৱাহি নাই।

—অ, তেনেহ'লে বাটতে আছে, এই পাবহি এখোন। ইয়াৰ ভিতৰতে আমি মৰা-শৰ ওচৰলৈ গৈ লাগতিয়াল বস্তুবোৰ যোগাৰ কৰোঁগৈ ব'লা। সিহঁত ওপৰত থকা ৰজাৰ শোৱনি ঘৰৰ মৃত্যুশয্যাৰ ওচৰলৈ যাবলৈ ওলাল।

তাকে দেখি লিগিৰীজনীয়ে চৌকিদাৰজনক মাতি আনি সিহঁতৰ লগ লগাই দিলে। হোজা চৌকিদাৰজনে সিহঁতক লৈ গৈ একেবাৰে ৰজাৰ শোৱনি ঘৰৰ দুৱাৰডলিত থৈ আহিলগৈ। সিহঁতে চৌকিদাৰজনক ধন্যবাদ দি ক'লে—এয়ে হ'ব ডাঙৰীয়া, তুমি এতিয়া যোৱাগৈ, তোমাক আৰু বেছি আমনি নকৰোঁ। চৌকিদাৰজন গুচি গ'লগৈ। সিহঁতে কোঠালীটোৰ দুৱাৰ-খিৰিকী আটাইকে বন্ধ কৰি দুয়ো মৃত্যুশয্যাৰ দুয়োকাষে বহিলগৈ আৰু মৰা শটোৰ ওপৰত এখন গ্ৰেপ্তাৰী পৰোৱানা থৈ তাতেই পৰ দি বহি থাকিল, তাৰ অৰ্থ—সিহঁতৰ পাওনা টকা আদায় নহয় মানে সিহঁতে মৰা শটো কাকো চুবলৈ নিদিয়ে।

কি বঢ়িয়া কাম।

এইবোৰ দেখি শুনি ইছাবেলৰ মূৰত যেন স্বৰগ ভাগি পৰিল। ভয়তে তেওঁ বিচুৰ্তি খালে। মৰা শ গ্ৰেপ্তাৰ! তেওঁ জনমতো এনে কথা শুনা নাই, কেনেকৈ বিশ্বাস হয়? মৰা শ গ্ৰেপ্তাৰ! ই কি হ'ব পাৰে? তাৰে কি কৰিব? নাজানো, একো নাজানো—লেডী ইছাবেল উশাহহীন আৰু আউলী-বাউলী হৈ ওলাই গ'ল। বাহিৰলৈ গৈ দেখে যে চ'ৰাঘৰত পাওনাদাৰসকলৰ মহা হুলস্থূল—ইছাবেলৰ মূৰ ঘূৰি গ'ল।

ইছাবেল সেইফালে আগ বাঢ়ি যোৱা যেন দেখি বুঢ়াজনে বাধা দি ক'লে,—নাযাব আইদেউ নাযাব, সেই দুৰ্দান্ত পিশাচবোৰৰ মাজলৈ নাযাব। আপুনি তালৈ গৈ একো কৰিব নোৱাৰে। মই মিঃ কাৰ্লাইলক আনিবলৈ মানুহ পঠাইছোঁ, তেখেত এতিয়াই পাবহি।

ইছাবেল পিতৃ শোকত অস্থিৰ, তাতে আকৌ এইবোৰ ঘটনা। তেওঁ সুধিলে,—তেনেহ'লে পিতাই ইহঁতৰ সকলোকে টকা দিব লাগে?

—হয় আইদেউ, সকলোকে দিব লাগে। কাৰোবাক দহ হাজাৰ, কাৰোবাক কুৰি হাজাৰ, কাৰোবাক বা ৪/৫ হাজাৰ, কাৰোবাক বা হাজাৰ হাজাৰ আৰু দুই-চাৰিশৰ কথাই নাই। তেখেত ধাৰতে একেবাৰে পোত গৈছিল।

কথা শুনি ইছাবেল শিলৰ মূৰ্তি যেন হৈ তাতেই থিয় দি থাকিল। এনেতে মিঃ কাৰ্লাইল ঘটনাস্থলত উপস্থিত হ'লহি আৰু চকু ৰঙাকৈ চাৰিওফালে চাই ক'লে,—তোমালোকক ইয়াত কি লাগে?

—আপুনি যদি ৰজাৰ কোনো বন্ধু-বান্ধৱ হয় তেন্তে আপুনি আমাক কি লাগে নিশ্চয় জানে। আমাৰ ঋণ পৰিশোধ কৰিব লাগে।

—কিন্তু, ই ধাৰ সাধিবলৈ অহা ঠাই নহয়। ইয়ালৈ আহিলে তোমালোকে একো নোপোৱা। বাৰবাৰ্টন কোম্পানীলৈ যোৱাগৈ।

—আমি তালৈ গৈছিলোঁ, ডাঙৰীয়া। তেওঁলোকে উত্তৰ দিছে যে তাত ৰজাৰ কণাকড়ি এটাও জমা নাই, একো নাপাওঁ।

—সেয়ে তেনেহ'লে। তোমালোকে ইয়াত একো নোপোৱা। তোমালোকক অনুৰোধ কৰিছোঁ—ইয়াৰপৰা গুচি যোৱা।

—আমাৰ ঋণ পৰিশোধ নকৰে মানে আমি কোনোমতে ইয়াৰপৰা নাযাওঁ।

কাৰ্লাইলে গহীনভাৱে ক'বলৈ ধৰিলে,—তেন্তে তোমালোকক সাৱধান কৰি দিওঁ যে তোমালোকৰ বিপদ ঘটিব। তোমালোক এজন অপৰিচিত মানুহৰ ঘৰত সোমাইছাহি। এই ঘৰ লৰ্ড উইলিয়াম ভেনৰ নহয়। তেখেতে বহুত দিন আগতে এই ঘৰ-বাৰী সকলোকে বিক্ৰী কৰিছে।

কথা শুনি সিহঁতৰ কিছুমানে হাঁহিলে আৰু ক'লে,—আমি বঢ়িয়াকৈ জানো। এইবোৰ মিছা ফাকি মাথোন।

কাৰ্লাইলে ধীৰ-সুস্থিৰভাৱে সিহঁতক বুজাই কৈ গ'ল—শুনা তেনেহ'লে। এই মহলটো, ঘৰ-দুৱাৰ আৰু ঘৰৰ ভিতৰত থকা সকলো বস্তু-বাহানিৰে সৈতে মাহ চেৰেক আগতে আইনমতে বিক্ৰীসূত্ৰে লৰ্ড উইলিয়ামৰ হস্তান্তৰ হৈছে। তেওঁ

এইকেইদিন ইয়াত অতিথি স্বৰূপেহে আছিল। কথা সঁচা নে মিছা, তেখেতৰ আমমোক্তাৰক সোধাগৈ।

কথা শুনি বপুৰাইঁতৰ মুখ শুকাল। সুধিলে—এই ঘৰ-দুৱাৰ কোনে কিনিলে?

—বেষ্ট লিনৰ মিঃ আৰ্কিবল্ড কাৰ্লাইল চাহাবে। তেওঁ এজন খ্যাতনামা উকীল, বোধহয় তোমালোকৰ বহুতে তেওঁক জানা।

—হয় শুনিছোঁ, তেখেত পিতাকৰ নিচিনা এজন চোকা উকীল হেনো।

—তেৱেঁই মই। আৰু যিহেতু তোমালোকেই কৈছা যে মই এজন চোকা উকীল, তেনেস্থলত মই কোনো কাম কেঁচাকৈ ৰখা নাই, সকলো কাম একেবাৰে পকাকৈ কৰিছোঁ। এতিয়া ইষ্ট লিনৰ ঘৰ-দুৱাৰ য'ত যি আছে সকলো মোৰ, মৃত স্বৰ্গীয় লৰ্ড উইলিয়ামৰ ইয়াত একপদো বস্তু-বেহানি নাই।

কথা শুনি বেচেৰাইঁত মৃতপ্ৰায় হ'ল—পাওনাৰ সকলো আশা-ভৰসা মাটি হ'ল। —হতাশ মনেৰে সকলো ঘৰাঘৰি গুচি গ'লগৈ।

মিঃ কাৰ্লাইলে চ'ৰাঘৰৰ দুৱাৰ বন্ধ কৰি দি ইছাবেলক ভিতৰলৈ লৈ গ'ল। ইছাবেলে উচুপি উচুপি কান্দিবলৈ ধৰিলে। তাকে দেখি কাৰ্লাইলে ক'লে,—আইদেউ, মই মৰ্মান্তিক আঘাত পাইছোঁ, এই কথা আগতে জনা হ'লে তোমাক ওলাই যাবলৈ নিদিলোঁহেঁতেন। সি যি কি নহওক, এতিয়া শোক-তাপ পাহৰি ধীৰ-সুস্থিৰভাৱে বহি থাকাগৈ। তুমি এতিয়া অকলে ওপৰলৈ যাব পাৰিবা নহয়নে?

—এৰা পাৰিম। মোৰ কোনো অসুখ হোৱা নাই, কেৱল মনতহে বৰ ভয় লাগিছে—বিশেষকৈ পিতাৰ বিছনাৰ ওচৰত বহি থকা মানুহ দুজনলৈ! সিহঁত বিছনাৰ দুয়োকাষে বহি আছে আৰু কৈছে যে সিহঁতে পিতাক লৈ যাব।

কাৰ্লাইল অবাক। এবাৰ ইছাবেলৰ ফালে আৰু এবাৰ চৌকিদাৰজনৰ ফালে চাই ক'লে,—লেডী ইছাবেল, মই এতিয়াই সিহঁতক উলিয়াই খেদি দিম। তুমি তোমাৰ শোৱনি ঘৰত থাকাগৈ, অলপ পাছতে মই তোমাক লগ ধৰিমগৈ।

কাৰ্লাইল বাহিৰলৈ ওলাই গৈ চৌকিদাৰজনৰপৰা সমস্ত কথা আদ্যোপান্ত জানিলে। ততালিকে ওপৰলৈ গৈ মানুহ দুজনক আঁতৰাবলৈ বহু যত্ন কৰিলে, কিন্তু নোৱাৰিলে, সকলো চেষ্টা বিফল হ'ল। বাকীবোৰ পাওনাদাৰক তেওঁ কল-কৌশলেৰে প্ৰবোধ দি আঁতৰ কৰিলে, কিন্তু সেই পিশাচ দুজনক কোনোমতে নোৱাৰিলে। তেওঁৰ ওকালতি বুদ্ধি ভোটা পৰিল। তেওঁ বুজিলে যে সিহঁতৰ সমুদায় পাওনা আদায় নহয় মানে, অৰ্থাৎ নতুন ৰজা মিঃ ভেন চাহাব আহি সিহঁতৰ দেনা-পাওনা পৰিশোধ নকৰে

মানে সিহঁতে কোনোমতে মৰা-শ এৰি নিদিয়ে। লেডী ইছাবেলে যাতে এই কথাৰ গম নাপায় তাৰ বাবে চৌকিদাৰজনক সাৱধান কৰি দি কাৰ্লাইল ঘৰলৈ গ'লগৈ।

পাছদিনা ৰাতিপুৱা কাৰ্লাইল আহি দেখে যে ইছাবেল বিছনাৰ ওপৰত মূৰে-কপালে হাত দি অকলশৰে উদাসভাৱে বহি আছে। ওচৰৰ মেজ এখনৰ ওপৰত চাহ-ৰুটি খোৱা বস্তু সজাই থোৱা আছে, তাত হাত দিয়া নাই। সেইবোৰ দেখি কাৰ্লাইলে কিবাকিবি ক'লে। ইছাবেলে দীঘলকৈ হুমুনিয়াহ এটা ছাৰি ক'লে,—মই গুৰে নিশা শোৱা নাই, চকুও মুদা নাই, বহি আছোঁ, এতিয়া মোৰ জ্বৰ লাগিছে, ভয়ো লাগিছে, মিঃ কাৰ্লাইল।

—কিহৰ বাবে ভয় লাগিছে?

—সেই পিশাচ দুজনলৈ। আৰু আচৰিত কথা এই যে এই পৰ্য্যন্ত মিঃ ভেন আহি পোৱাহি নাই।

—কোনো চিঠি-পত্ৰও অহা নাইনে?

—সেইখন আহিছে। মিছেছ ভেনে লিখিছে যে তেখেত চিকাৰলৈ গৈছে, ৰবিবাৰ মানেহে ঘৰ পাবহি। পিতাৰ মৃত্যুৰ খবৰ শুনি হেনো মিছেছ ভেনে মৰ্মান্তিক বেজাৰ পাইছে। মিঃ ভেন আহি পালেই পঠাই দিব।

কাৰ্লাইলে চিঠিখন ওলট-পালটকৈ পঢ়ি চাই কৈ গ'ল,—মিছেছ ভেনৰ তোমাৰ প্ৰতি মৰম-চেনেহ থকা হ'লে তোমাৰ এই অকলশৰীয়া, শোকগ্ৰস্তা শোচনীয় অৱস্থাৰ কথা জানি-শুনি নিশ্চয় তেওঁ নিজে আহিলহেঁতেন।

ইছাবেলে হাত দুখনৰ ওপৰত মূৰটো পেলাই থৈ তবধ মানিলে। তেওঁৰ চকুৰ আগত সংসাৰৰ ঘটনাবোৰ এটি এটিকৈ লানি লাগি নাচি-বাগি দেখা দিলেহি। আজি ৩/৪ দিনে মৃত পিতাকৰ অন্ত্যেষ্টিক্ৰিয়া সমাধা কৰিব পৰা নাই। আগেয়ে মাউণ্ট চেভাৰ্ণৰ লৰ্ডসকলৰ সমাধি মাউণ্ট চেভাৰ্ণৰ ওপৰত দিয়া হৈছিল, তাৰ বাবে ভালেখিনি টকা-পইচাৰ আৱশ্যক, কিন্তু তেওঁ টকা-পইচা পায় ক'ত? নতুন ৰজাই (লৰ্ডে) সেই খৰচ মনজুৰ কৰিবনে? এই ৩/৪ দিনৰ ভিতৰতে সংসাৰৰ লেঠাত লেডী ইছাবেল বুঢ়ীজনী হৈ পৰিল। এজন লৰ্ডৰ জীয়েক—ৰাজকুঁৱৰী ধনে-মানে কেনে হ'ব লাগে। কেনে হ'লহি! তেওঁ আলিবাটৰ ভিকহু মগনিয়াৰৰ ছোৱালী এজনীতকৈ বেছি দীনা-হীনা দেউলীয়া! আজি তেওঁৰ মূৰটো সুমুৱাবলৈ পঁজা এটি নাই! নিজৰ খুলিবৰ ফুটা কড়ি পইচা এটাও হাতত নাই। সংসাৰৰ কি কুটিলা গতি! তেওঁ ক'লৈ যাব? কাৰ লগত থাকিব? পিতৃ-মাতৃহীনা, অনাথিনী, অভাগিনীক কোনে আশ্ৰয় দিব? যি

ঘৰত আজি যহি আছে, সিও পৰৰ ঘৰ, মিঃ কাৰ্লাইল, এই ঘৰ তুমি কিনিবৰ কিমান দিন হ'ল?

—যোৱা জুন মাহতে খৰিদ কৰা হৈছে। এই বিষয়ে লৰ্ড মাউণ্ট চেভাৰ্ণে তোমাক একো কোৱা নাছিলনে?

—নাই, একো কোৱা নাই। কোঠালীটোৰ চাৰিওফালে চকু ফুৰাই চাই আকৌ ক'লে,—এইবোৰ সা-সঁজুলিও তেনেহ'লে সকলো তোমাৰ?

—এৰা সকলো মোৰ। ইছাবেলৰ মনত বৰ আঘাত লাগিল, ক'লে,—মই পিন্ধি থকা কাপোৰ-কানিবোৰ?

কাৰ্লাইলে হাঁহি এটি মাৰি উত্তৰ দিলে,—সেইবোৰ কাৰো নহয়।

ইছাবেলে উচুপি উচুপি কান্দিলে। মাজে মাজে কৈ গ'ল—মিঃ কাৰ্লাইল, তুমি পৰম দয়ালু পুৰুষ, তুমি মহান, তুমি উদাৰ। তুমি আমাক ইমানদিন ইয়াত থাকিবলৈ দিছিলা। তোমাৰ এই ঋণ কেনেকৈ শুজিম?

কাৰ্লাইলে ক'লে,—সেইবোৰ কথা নাভাবিবা তুমি।

—মিঃ কাৰ্লাইল, পিতাৰ অৱস্থা তেনেহ'লে একেবাৰেই বেয়া আছিল?

—বৰ ভালো নাছিল। তোমাক একো দি যোৱা নাইনে?

—নাই, মোক একো দিয়া নাই। এই ঘৰটো তোমাৰ, মাউণ্ট চেভাৰ্ণত থকা ৰাজভৱন মিঃ ভেন আৰু মিছেছ ভেনৰ। মোৰ কপালত একো নাই, ফুটা কড়ি এটা নাই, থাকিবলৈ পঁজা এটিও নাই।

—কেলেই ঘৰ-দুৱাৰ লাগিছে? মিঃ ভেনে তোমাক তোমালোকৰ পুৰণি ঘৰলৈ আদৰি নিব। ঘৰ তেওঁলোকৰ হ'লেও তাত তোমাৰ সম্পূৰ্ণ স্বত্ব আছে, সেই ঘৰেই তোমাৰো ঘৰ।

কথা শুনি ইছাবেল জাঁপ মাৰি উঠিল, ক'লে,—তেওঁলোকৰ ঘৰতে মোৰো ঘৰ! নহয়, নহয়, ই হ'বই নোৱাৰে। অহি-নকুল একেলগে বাস কৰিব নোৱাৰে। মই মিছেছ ভেনৰ লগত এৰাতিও থাকিব নোৱাৰোঁ।

মিঃ কাৰ্লাইল লিগিৰী এজনীক ইছাবেলৰ ওচৰত ৰাখি বাহিৰলৈ ওলাই গ'লগৈ।

মিঃ ভেন ওৰফে মাউণ্ট চেভাৰ্ণৰ উত্তৰাধিকাৰী লৰ্ড ভেন ৰবিবাৰৰ ৰাতিপুৱা ইষ্ট লিনত উপস্থিত হ'লহি। লগে লগে বেষ্ট লিনৰ মিঃ কাৰ্লাইল আৰু লণ্ডন নগৰীৰপৰা মিঃ বাৰবাৰ্টন স্বৰ্গীয় লৰ্ড উইলিয়ামৰ আমমোক্তাৰ, ইষ্ট লিন পালেহি, তিনিওজন লগ লাগিলহি, কাম আৰম্ভ হ'ল।

নতুন ৰজা লৰ্ড ভেনে জানিছিল যে স্বৰ্গীয় লৰ্ড উইলিয়াম ভেন এজন ঋণগ্ৰস্ত লোক আছিল, কিন্তু ইমান যে সৰ্বনশীয়াকৈ ঋণত পোত গৈছিল, সেই কথাৰ বেছি ভু নাপাইছিল, কাৰণ তেখেতসকলৰ মাজত বেছি সদ্ভাৱ নাছিল। যেতিয়া অত্যধিক অপব্যয় খৰচ, সৰ্বস্ব ধ্বংস আৰু লেডী ইছাবেলৰ বাবে বৰ্তমান বা ভবিষ্যৎ কোনো ধন-সম্পত্তিৰ দিহা নথকা আদি কথাবোৰ জানিব পাৰিলে, লৰ্ড ভেন একেবাৰে স্তম্ভিত হ'ল। তেওঁ ঘৃণাপূৰ্ণ কথাৰে কৈ উঠিল,—পৃথিৱীৰ সকলো মূৰ্খৰ ভিতৰত লৰ্ড উইলিয়ামেই মহামূৰ্খ আছিল। উকীল দুজনেও সেই কথাতে হয়ভৰ দি ক'লে,—অৱশ্যে, অন্ততঃ নিজৰ ছোৱালী ইছাবেল সম্বন্ধে। মিঃ ভেনে আকৌ ক'লে,—ধোঁৱাখুলীয়াই নহয়, তেওঁ নিয়মমতে পগলা আছিল। হাতত এটি পাই-পইচা নিদিয়াকৈ ডেকা-গাভৰু জীয়েকজনীক কাৰ হাতত সপি দি গ'ল? ছিঃ ছিঃ! তেওঁ ৰাজকুঁৱৰী, তেওঁৰ হাতত আজি ফুটা কড়ি এটিও নাই! ৰাজকুঁৱৰী লেডী ইছাবেল ইমানেই দীনা-হীনা অনাথিনী! মই জীৱনত এনেকুৱা কথা ক'তো দেখাও নাই, শুনাও নাই।

তিনিওৰে মাজত নানা ৰকম কথা-বতৰা হ'ল। লৰ্ড ভেনে এটি এটিকৈ সকলো বস্তু যোগাৰ কৰিলে। তেওঁ খং আৰু ঘৃণাতে ক'লা পৰি উঠিল। সি যি কি নহওক, মুঠতে দিহা হ'ল—লেডী ইছাবেল, লৰ্ড ভেন আৰু লেডী ভেনৰ লগত কেছল মাৰ্লিঙত তেওঁলোকৰ ঘৰত থাকিবগৈ। পাওনাদাৰসকলৰ পাওনাবোৰ লৰ্ড ভেনে ৰাজভঁৰালৰপৰা পৰিশোধ কৰিব, তাৰো দিহা হ'ল। শেষত মৃতকৰ সৎকাৰৰ কথা উলিয়াওঁতেই কাৰ্লাইলে কৈ উঠিল—

—কালি পাওনাদাৰসকলক কোনো ৰকমে বঢ়াই-বুজাই বিদায় কৰি দিছিলোঁ কিন্তু সেই ওপৰত যে মৃতকৰ দুয়োকাষে দুজন পাওনাদাৰ বহি আছে সিহঁতক একোপধ্যে বিদায় দিব নোৱাৰিলোঁ।

কথা শুনি লৰ্ড ভেনে কাৰ্লাইলৰ ফালে হাঁ-কৰি চাই থাকি ক'লে,—মই একো বুজা নাই।

—কেলেই শুনা নাই যে সিহঁতে মৰা শৰটো গ্ৰেপ্তাৰ কৰিছে? কালি

ৰাতিপুৱাৰপৰা দুজন মানুহ মৃতকৰ বিছনাৰ কাষত পৰ দি বহি আছে, সিহঁতক টকা লাগে।

কথা শুনি লৰ্ড ভেন একেবাৰেই স্তব্ধ হ'ল। তেখেতে আচৰিত হৈ সুধিলে,— মিঃ কাৰ্লাইল, ঋণৰ বাবেই মৃত ৰজাৰ এনেকুৱা অবস্থা। মানুহৰ মৰা শব গ্ৰেপ্তাৰ। ই সপোন নে দিঠক?

—সিহঁতে দেখাত তাকেই কৰিছে, মহাৰাজ।

—এনেকুৱা কলঙ্কপূৰ্ণ অপকৰ্মও আইন সঙ্গতনে? মৃত মানুহক গ্ৰেপ্তাৰ, মই এনে কথা শুনাই নাই। মই একেবাৰে আচৰিত হৈছোঁ। লেডী ইছাবেলেও সেই বিষয়ে কিবাকিবি কৈছিল, কিন্তু তেওঁ শোকৰ আৱেগতে কিবা অমূলক কথা কোৱা বুলি ভাবি মই সিমান মন কৰা নাছিলোঁ। তেনেহ'লে এতিয়া সম্প্ৰতি কি কৰা যায়? তেওঁৰ সৎকাৰ কৰা নহ'ব নেকি?

—তেনেকুৱাই দেখা গৈছে। চৌকিদাৰজনে কৈছে যে সিহঁতৰ ঋণ পৰিশোধ নহ'লে সিহঁতে এনেকি কফিনকে বন্ধ কৰিব নিদিয়ে। কিন্তু ততালিকে কফিন বন্ধ কৰিবই লাগিব, নহ'লেই নহয়।

লৰ্ড ভেনে হুমুনিয়াহ ছাৰি ক'লে,—অতি আচৰিত কথা!

মিঃ বাৰবাৰ্টনে কাৰ্লাইলক সুধিলে,—এইটো কোনে কৰিছে, জানেনে?

—এনেষ্টি নামৰ পাওনাদাৰ এজনে। শুনিছোঁ যে তাৰ পাওনাৰ পৰিমাণ প্ৰায় তিনি হাজাৰ পাউণ্ড (৪৫০০০ টকা)*।

—এৰা হ'ব পাৰে। সেইটো ৰজাৰ সুকীয়া ধাৰ, কাজেই তাক পৰিশোধ কৰিবই লাগিব, উপায় নাই। বেছ বুধি কৰিছেতো!

লৰ্ড ভেনে কৈ উঠিল,—এনে লজ্জাহীন নীচ স্বভাৱৰ মানুহ! বাৰু সেইটো সামান্য কথা, সম্প্ৰতি কি কৰা আৱশ্যক?

তিনিওজনে আলোচনা কৰি মৃতজনৰ অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰাৰ আয়োজন-কৰিবলৈ ধৰিলে।

লেডী ইছাবেল নিজৰ শোৱনি ঘৰত বিছনাৰ ওপৰত গাৰু এটাত মূৰটো পেলাই পিতৃশোকত কাতৰ হৈ অকলশৰে বহি থাকিল। লৰ্ড ভেনে প্ৰবোধ বাক্যেৰে মৰম-চেনেহ কৰি সান্ত্বনা দি ক'লে,—আইটি, একো শোক নকৰিবা, কোনো চিন্তা নকৰিবা, আজিৰপৰা তুমি আমাৰ লগত কেছল মাৰ্লিঙত থাকিবাগৈ। তাত কোনো কষ্ট নোপোৱা। এতিয়া ধৈৰ্য্য ধৰি থাকা। ইছাবেলে অতপৰৰ মূৰত লাহেকৈ মূৰটো

* ২০০৮ চনত প্ৰায় আঢ়ৈ লাখ টকা।

তুলি লৰ্ড ভেনক মূৰ দোঁৱাই ক'লে,—অশেষ ধন্যবাদ। তাৰ পাছতে তেওঁ হুকহুককৈ কান্দিবলৈ লাগিল। নিজে নিজে কৈ গ'ল—মিছেহু ভেনৰ লগত একেঘৰতে একেলগে বাস বসতি? নহয়, ই হ'ব নোৱাৰে। তাত থকাতকৈ মোৰ মৃত্যু শ্ৰেয়ঃ। মই জীৱিকা নিৰ্বাহৰ নিমিত্তে নিজ হাতে সামান্য কাম কৰিম, লাগে মই একো নাপালে শুকান ৰুটি আৰু পানী খাই জীয়াই থাকিম, তথাপি মই ভেনৰ লগত বসতি কৰিব নোৱাৰোঁ, মোৰ সহ্য নহয়। হে প্ৰভু দয়াময়! মোক পিতাৰ লগতে মাৰি নিয়া।

ছোৱালীৰ ছোৱালী কথা। এই খন্তেকীয়া মনোবল কিমানপৰ থাকিব? মুখেৰে কোৱা একেবাৰে সহজ কিন্তু কাৰ্য্যক্ষেত্ৰত নামিলেহে তাৰ চিন। মুখেৰে যি কোৱা হয় সি কাৰ্য্যত সতকাই হৈ নুঠে, কেতিয়াবা কেতিয়াবা এনেকি অসম্ভৱ হৈ উঠে। মুখেৰে সকলোৱে ক'ব পাৰে—এনে কৰিম, তেনে কৰিম, কিন্তু হাতেৰে তাৰ এশভাগৰ এভাগো কৰি তুলিব নোৱাৰে। পোহৰ আৰু আন্ধাৰৰ যেনে সম্বন্ধ, কাল্পনিক আৰু বাস্তৱ জীৱনৰ কথাৰো তেনে সম্বন্ধ। লেডী ইছাবেলে যিমানেই কওক, যিমানেই পাওক কোনো কথা নৰজে। তেওঁৰ উপায়ান্তৰ নাই। যাৰ আজি মূৰটো সুমুৱাই থাকিবলৈ পঁজা এটি নাই, খাব, ল'ব, খৰচ কৰিবলৈ হাতত ফুটা কড়ি পাই-পইচা এটিও নাই, তেনেজনৰ কিবা অভিমান, অহঙ্কাৰ খাটেনে? ইছাবেল, লেডী ভেনৰ সংসাৰত থাকিব লাগিব, তেওঁৰ গালি-শপনি সহিবই লাগিব। নহ'লে বাটে-ঘাটে ফুৰি ফুৰিব লাগিব। এয়ে সংসাৰ!

লৰ্ড ভেনৰ নিৰ্দ্দেশ মতে মিঃ ৰাৰবাৰ্টনে পাওনাদাৰসকলৰ সকলো ঋণ পৰিশোধ কৰি মৃতকৰ কফিন বন্ধ কৰিলে। ওচৰ-চুবুৰীয়া ভদ্ৰলোক আৰু আন আন মানুহ লগ লাগি সকলোৱে মহাসমাৰোহেৰে লৰ্ড উইলিয়ামৰ অন্ত্যেষ্টিক্ৰিয়া ৰেষ্ট লিনৰ চেণ্ট জুচ গীৰ্জাৰ ওচৰত সমাপন কৰিলেগৈ। সকলো ঘৰাঘৰি গ'ল।

পাছদিনাখন লৰ্ড ভেন লণ্ডনলৈ যাবৰ নিমিত্তে উদ্যোগ কৰিলে। তাৰ পাছতে লেডী ইছাবেল কেছল মাৰ্লিঙলৈ যাব। সকলো দিহা হ'ল। ষ্টেছনলৈ যাবৰ নিমিত্তে গাড়ী উপস্থিত হ'লহি। এনেতে ৰেষ্ট লিনৰপৰা মিঃ কাৰ্লাইল ওলালহি। তেওঁক দেখি লৰ্ড ভেনে কৈ উঠিল,—আপুনি নাহিব বুলিহে ভাবিছিলোঁ, মিঃ কাৰ্লাইল। ভালেই হৈছে, বেছি সময় নাই, পাঁচ মিনিটমানহে আছে। স্মৃতি-স্তম্ভটোৰ কথা ভালকৈ বুজিছে নহয়নে?

—হয় বুজিছোঁ, কোনো ভয় নাই। লেডী ইছাবেল কেনে আছে?

—একেবাৰেই মৃতপ্ৰায়, বৰ শোকাতুৰা হৈ উঠিছে। মোৰ লগত জা-জলপানকে নাখালে। বান্দীজনীয়ে কৈছে যে তেওঁ বাউল হৈ উঠিছে। বাস্তৱিকে

উইলিয়াম বৰ বেয়া মানুহ আছিল। বাৰু যাওক সেইবোৰ কথা। বান্দীজনীক তেওঁ মাত দি ক'লে,—মই যাবলৈ ওলাইছোঁ বুলি লেডী ইছাবেলক কোৱাগৈ। কাৰ্লাইলৰ ফালে চাই ক'লে,—মিঃ কাৰ্লাইল, অশেষ ধন্যবাদ। এই কামবোৰ আপুনি নোহোৱা হ'লে মই অকলে সুকলমে কৰিব নোৱাৰিলোঁহেঁতেন। অশেষ ধন্যবাদ জনাইছোঁ, পাছে মনত ৰাখিব যেন সোনকালে এবাৰ মোক কেছল মাৰ্লিঙত দেখা দিয়ে।

—ভাল, যদি সেইফালে যোৱা হয়, তেতিয়াহে। লেডী ইছাবেল সোমাই আহিল। লৰ্ড ভেনে ক'লে,—আইটি, সময় নাই, মই এতিয়া যাওঁহে। তুমিও পলম নকৰিবা, সোনকালে যোৱাগৈ। পাছে কিবা ক'বলৈ আছে যদি কোৱা।

লেডী ইছাবেলে কিবা কওঁ বুলি মুখ মেলোঁতেই কাৰ্লাইলক দেখা পালে, কোৱা নহ'ল। তাকে দেখি লৰ্ড ভেনে ক'লে,—কোনো ভয় নকৰিবা। তাত কোনো কষ্ট নোপোৱা। মই লণ্ডনৰপৰা ২/৩ দিনৰ ভিতৰতে ফিৰিম।

লেডী ইছাবেল কিবা কওঁ নকওঁকৈ থিয় হৈ থাকিল।

—কি লাগে কোৱা।

ইছাবেলে তলমূৰকৈ শুনা-নুশুনাকৈ ক'লে,—হাতত...

—বাৰু এতিয়া হাত খালী, ধৰা এই তিনি পাউণ্ড (৪৫ টকা) সেয়ে হ'ব। বাকী খৰচ সমুদায় চাকৰজনৰ হাতত দিছোঁ, এয়া তোমাৰ হাত খৰচহে। আৰু তাত যেতিয়া যি আৱশ্যক হয় লেডী ভেনৰপৰা খুজি কৈ নিবা। এতিয়া তেনেহ'লে মই আহোঁ—বিদায়।

—মিঃ কাৰ্লাইল, নমস্কাৰ বিদায়হে।

—নমস্কাৰ বিদায়।

কাৰ্লাইলে লৰ্ড ভেনক বিদায় দি ইছাবেলক লগ ধৰিলেহি। ইছাবেলে ক'লে,—মিঃ কাৰ্লাইল, অলপ অনুগ্ৰহকৈ কষ্ট স্বীকাৰ কৰিবানে?

—বাৰু, কি কৰিব লাগে কোৱা।

—এয়া ১।।০ পাউণ্ড কেন চাহাবক দিবা, বেচেৰা দুখীয়া মানুহ, আৰু এই আধা পাউণ্ড বান্দীজনীক দিবা।

—আৰু কি কৰিব লাগে?

—একো নালাগে—বুলি ইছাবেলে ক'ব খোজোঁতেই গাড়ীৰ শব্দ শুনিলে। দুয়ো খিৰিকীৰ মুখলৈ গৈ দেখে যে লেডী ইছাবেলক নিবৰ নিমিত্তে তেওঁৰ পিতাকৰ সুন্দৰ চকুত লগা গাড়ীখন ফটকত লাগিলহি। ইছাবেলে ক'লে,—সকলো সাজু হৈছে, মিঃ কাৰ্লাইল। তোমাক মই এটা কাম দি যাওঁ, মোৰ অতি হাবিয়াসৰ বস্তু—এই সোণ-

ৰূপৰ মাছ দুটা তোমাক মই দিলোঁ, সিহঁতক মাজে-সময়ে চাবা। কথা শেষ কৰাত ইছাবেলে চকুলোৰে গাল দুখন ভিজাই পেলালে। কাৰ্লাইলে ক'লে—তালৈ লগতে লৈ নোযোৱা কেলেই?

—লেডী ভেনৰ ঘৰলৈ। কেতিয়াও নিনো। বৰং তোমাক দি যাম, তথাপি সেই আদৰৰ বস্তু লেডী ভেনক নিদিওঁ।

লেডী ইছাবেলৰ অৱস্থা দেখি কাৰ্লাইলে ক'লে,—অলপ বহা।

—নহয়, সময় নাই নবহোঁ।

কাৰ্লাইলে হাতত ধৰি ইছাবেলক গাড়ীত তুলি দিলেগৈ। ঘৰৰ পুৰণি চাকৰ-বাকৰ, বান্দী-বেটী আটায়ে চকুলো টুকি টুকি লেডী ইছাবেলক বিদায় দিলে।

ইছাবেলে গাড়ীত বহি কান্দো-কান্দোকৈ কাৰ্লাইলৰ হাত দুখনত ধৰি ক'লে,—মিঃ কাৰ্লাইল, তুমি এজন মহানুভৱ, তুমি পৰম উদাৰ দয়ালু পুৰুষ। তুমি মোক অশেষ সহায় কৰিছা, তোমাৰ ওচৰত মই চিৰ-ঋণী, চিৰ-কৃতজ্ঞ। কি বুলি তোমাক বিদায় দিওঁ। কোনো কোপ নকৰিবা, দেৱ।

—একো কৰা নাই, ইছাবেল। অৱশ্যে বহুত কাম কৰিব পাৰিলোঁহেঁতেন। বাৰু, আমি আকৌ দেখাদেখি নহ'মনে?

—নিশ্চয় হ'ম। তুমি কেছল মাৰ্লিংলৈ যাম বুলি লৰ্ড ভেনৰ আগত অঙ্গীকাৰ কৰিছা নহয়নে?

কাৰ্লাইলে হুমুনিয়াহ পেলাই ক'লে,—অৱশ্যে সঁচা, একপ্ৰকাৰে আমি লগালগি হ'ম। কিন্তু আমাৰ জীৱনৰ বাট বহুত আঁতৰা-আঁতৰি। বাৰু প্ৰভুৱে তোমাক কুশলে ৰাখক। মৰমৰ মইনা ইছাবেল, বিদায়।

—নমস্কাৰ বিদায়।

ইছাবেল অবিহনে সোণপুৰী ইষ্ট লিন মলিন পৰিল।

গাড়ী দ্ৰুতবেগে লৰি গ'ল—অদৃশ্য হ'ল। কাৰ্লাইলে তলমূৰকৈ কিবাকিবি ভাবি ঘৰমুৱা হ'ল।

ইছাবেলে গাড়ীত বহি কানি-কাপোৰ সামৰি ল'লে, হঠাৎ চকুত পৰিল কাপোৰৰ মাজতে এখন এশ পাউণ্ডীয়া নোট। ইছাবেল অবাক! ইছাবেলৰ খং উঠিল, মুখ ৰঙা পৰিল, নোটখন তুলি ল'লে, ফালি পেলাবলৈ উপক্ৰম কৰিলে, কিন্তু পাছ মুহূৰ্ততে নিজৰ দীনা-হীনা অৱস্থাৰ কথা ভাবি নোটখন সামৰি থ'লে।

কাৰ্লাইলে হাতত ধৰি ইছাবেলক গাড়ীত তুলি দিলেগৈ।

৮

মাউণ্ট চেভার্ণৰ নতুন ৰজা লৰ্ড ভেন লণ্ডন পালেগৈ। তেওঁলোক লণ্ডনলৈ গ'লে যি হোটেলত থাকে, তাত গৈ দেখে যে লেডী ভেন কুমাৰ উইলিয়ামৰ সৈতে তাত বহি আছে। ঘৈণীয়েকক দেখি তেওঁ সুধিলে,—এম্মা (মৰমৰ মতা নাম), কেলেই নগৰলৈ আহিলা? লেডী ইছাবেল আজি কেছল মার্লিঙলৈ গৈছে নহয়নে? কথা শুনি লেডী ভেনে মূৰ দাঙি সুধিলে,—কোন গৈছে তালৈ? লৰ্ড ভেনে লেডী ভেনৰ প্ৰশ্নৰ উত্তৰ নিদি কৈ গ'ল—এইবোৰ বৰ অপমানজনক কাম। লৰ্ড উইলিয়ামে এজন সামান্য ভিকহুৰ দৰে ইহলীলা সামৰিলে। তেওঁ এনেকি নিজৰ জীয়েক লেডী ইছাবেলৰ বাবে পইচা এটি থৈ যাবলৈ নোৱাৰিলে। ছিঃ! ছিঃ! তাইৰ হাতত নিজৰ হাত খৰচৰ নিমিত্তে ফুটা কড়ি এটিও নাই। আজি আহোঁতে মইহে এক কি দুই পাউণ্ড দি আহিছোঁ। আহা। বেচেৰীৰ অৱস্থা!

লেডী ভেনৰ চকু মেল খালে। গিৰীয়েকৰ চকুৰ ওপৰতে চকু ৰাখি কৈ উঠিল—ইছাবেল ক'ত থাকিব? কি কৰিব?

—তাই আমাৰ লগতে থাকিব। তাই—

লৰ্ড ভেনক কথা শেষ কৰিবলৈ নিদি লেডী ভেনে জেদ ধৰি ক'লে,—নহয়, তাই আমাৰ লগত কেতিয়াও থাকিব নোৱাৰে।

—তাই থাকিবই লাগিব, এম্মা। তাইৰ থাকিবলৈ ক'তো ঠাই নাই। সেইবোৰৰ দিহা কৰিছোঁ আৰু সেই অনুসাৰে আজি তাই তালৈ গৈছেগৈ।

লেডী ভেন শেঁতা পৰিল। বহাৰপৰা উঠি গিৰীয়েকৰ মুখলৈ চাই গৰজি উঠিল,—শুনা ৰেমণ্ড (মতা নাম), মোৰ লগত একে ঘৰতে ইছাবেলক মই কেতিয়াও কোনো ৰকমে থাকিবলৈ নিদিওঁ। মই তাইক সমূলি ভাল নাপাওঁ। তুমি কি কাৰণে এইটো কৰিলা?

—মোক কোনোৱে এই পৰামর্শ দিয়া নাই, তায়ো একো কোৱা নাছিল। বহু ভাবি-চিন্তি মই নিজেই কৰিছোঁ। নহ'লে তাই ক'ত থাকিব?

—য'তে থাকে ত'তে থাকক, সেইবোৰ কেলেই? কিন্তু মোৰ লগত হ'লে তাই থাকিব নোৱাৰে।

লেডী ভেনৰ মনোভাব বুজি লৰ্ড ভেনে লাহে লাহে ক'লে,—এম্মা চোৱাচোন, বেচেৰীৰ সংসাৰত আপোন কেও নাই, কাৰো ওপৰত কোনো অধিকাৰ নাই। মই উইলিয়ামৰ উত্তৰাধিকাৰী হ'লোঁ যেতিয়া ভদ্ৰতাৰ খাতিৰতে হওক বা দয়া গুণতেই

হওক, তাইক থাকিবলৈ আশ্ৰয়ফেৰা দিব লাগে, নহ'লে সংসাৰে মোক হাঁহিব, এইটোও তুমি বুজা নাইনে?

—নাই, সেইবোৰ মই একো বুজি নাপাওঁ। তাই মোৰ লগত থাকিব নোৱাৰে।

—তাই তোমাক বেছিদিন কষ্ট নিদিয়ে। এনেহেন ৰূপৱতী ছোৱালীজনী—তাই অতি সোনকালে কাৰোবাৰ লগত বিয়াত সোমাব। তাইক দেখিলেই, তাইৰ ধন-সম্পত্তি, ঐশ্বৰ্য্য-বিভূতিলৈ নাচাই কোনোবাই নিশ্চয় বিয়া কৰাব। সেইবাবে চিন্তা নকৰিবা।

বিয়াৰ কথা শুনি লেডী ভেনে হাঁহি মুখেৰে ক'লে,—বেছ, তেনেহ'লে সেয়ে হ'ব। যিজন প্ৰথমতে তাইৰ ওচৰলৈ আহিব, সেইজনৰ লগতে তাই বিয়াত সোমাব লাগিব।

কেইদিনমান পাছতে দুয়ো পৰিয়াল কেছল মাৰ্লিণ্ডত উপস্থিত হ'লগৈ। লৰ্ড ভেনে লেডী ইছাবেলক আদৰ-সম্ভাষণ জনালে। লেডী ভেনেও তেনে কৰিলে, কিন্তু দেখা দেখিত বা ভদ্ৰতাৰ খাতিৰতহে। তথাপি তেওঁৰ কথা-বাৰ্তা, ব্যৱহাৰ-প্ৰণালী দেখি লেডী ইছাবেলৰ অন্তৰ ভাগিল। আৰম্ভণিতে এনে যেতিয়া, শেষত বা আকৌ কি মূৰ্ত্তি ধৰেগৈ। ইছাবেলে অইন ঠাইত আশ্ৰয়ৰ কথা ভাবিবলৈ লাগিল।

লেডী ভেন লাহ-বিলাহৰ ৰাণী, তাতে আকৌ আত্মপ্ৰশংসা-প্ৰিয়। যি তেওঁক ভাল বুলি নবখানিব, সি দূৰতে বিদূৰ, তেওঁৰ ওচৰত তাৰ ঠাই নাই। প্ৰশংসাকাৰীবিলাকক তেওঁ অন্তৰেৰে ভাল পায় আৰু সিহঁতৰ লগত দিনে-ৰাতি হাঁহি-খিকিন্দালি, আমোদ-আহ্লাদত দিন কটায়। বিশেষকৈ ডেকাসকলক তেওঁ যিমান আদৰ-যত্ন কৰে, বোধকৰোঁ নিজৰ গিৰীয়েক লৰ্ড ভেনকো সিমানখিনি আদৰ-যত্ন নকৰে বা ভাল নাপায়। তেওঁ একেবাৰে স্বাৰ্থপৰ আৰু হিংসুক প্ৰকৃতিৰ মহিলা। তেওঁ কেতিয়াও তেওঁতকৈ দেখিবলৈ শুৱনি তিৰোতাক তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ নকৰিছিল আৰু কোনোবা কেতিয়াবা কোনোসূত্ৰে তেওঁৰ ঘৰলৈ আহিলেও তেওঁৰ চকু পুৰিছিল। কাজেই যেতিয়া দেখিলে—ইছাবেলৰ নিচিনা ৰূপৱতী গাভৰু এজনী তেওঁৰ ঘৰত চিৰকাল বসতি কৰিবহি, তেতিয়া লেডী ভেনৰ অন্তৰৰ অগনি জ্বলি উঠিল। ইছাবেলৰ যৌবনভৰা সৌন্দৰ্য্য লেডী ভেনৰ পৰম শত্ৰু—চকুৰ শূল হৈ উঠিল। বৰদিনৰ সময়ত যেতিয়া ডেকাদলৰ চকু লেডী ভেনৰ ওপৰত নপৰি সৌন্দৰ্য্য-কুঁৱৰী লেডী ইছাবেলৰ ওপৰত পৰিলগৈ, তেতিয়া লেডী ভেনৰ অগনি দুগুণে চৰি উঠিল। সেই জুই নুমায় কেনেকৈ?

ফেব্ৰুৱাৰী মাহ। লৰ্ড ভেনৰ দ্বিতীয় পুতেক জন ঢুকাল, পুত্ৰ শোকত তেওঁ

অস্থিৰ হৈ উঠিল। পুত্ৰ শোক পাতলাবৰ কাৰণে তেখেতে কিছুকাল ফ্ৰান্সৰ পেৰিচ নগৰত প্ৰবাস খাটিলগৈ।

এপ্ৰিলৰ আৰম্ভণিতে ইষ্টাৰৰ সময়ত লেডী ভেনৰ এজন দূৰ সম্পৰ্কীয় আত্মীয় মিছেছ লেভীছন, নাতি ল'ৰা ফ্ৰান্সিছ লেভীছনৰ সৈতে কেছল মাৰ্লিণ্ডত কিছুকাল প্ৰবাস খাটিবলৈ আহিল। লেডী ভেনে তেওঁলোকক, বিশেষকৈ আটক-ধুনীয়া ডেকা ফ্ৰান্সিছক আদৰ-সম্ভাষণ জনালে। দিন যাবলৈ ধৰিলে, লগে লগে লেডী ভেনৰ অন্তৰৰ অগনিত ঘিউ খৰিৰ যোগান পৰিবলৈ লাগিল। যোৱা বৰদিনত ফ্ৰান্সিছে লেডী ভেনক বেছি প্ৰশংসা নকৰি লেডী ইছাবেলকহে বেছি প্ৰশংসা কৰিছিল। এতিয়া ইষ্টাৰৰ সময়ত ফ্ৰান্সিছে ইছাবেলক হাততে পাই লেডী ভেনৰ ফালে অন্তৰেৰে পিছ দিলে। কাৰণ তেওঁ লেডী ইছাবেলক মন-প্ৰাণ সপি দিছিল। লেডী ভেনে আটকধুনীয়া চফল ডেকা লেভীছনক খুব ভাল পাইছিল, লেভীছনো তেওঁত মজিছিল। ইছাবেল ক'ৰপৰা আহি লেডী ভেনৰ পথত কণ্টক হ'লহি? লেডী ভেনে কোন প্ৰাণে এনেবোৰ ব্যৱহাৰ, কথা-বতৰা সয়?

শুক্ৰবাৰে (গুড্ ফ্ৰাইডে) আবেলি লেডী ইছাবেলৰ লগত উইলিয়াম—লৰ্ড ভেনৰ প্ৰথম পুত্ৰ বাহিৰলৈ ওলাই গ'ল। অলপ পাছতে লেভীছনে কোনোবা ফালৰপৰা তেওঁলোকক লগ ধৰিলেগৈ। তিনিও ফুৰি ফুৰি কোনোমতে সন্ধিয়া হোৱাৰ কেইমিনিটমান আগতে ঘৰ সোমালহি। ইছাবেলে নিজৰ শোৱনি ঘৰত সোমাই কানি-কাপোৰ সলাইছে, মাৰ্ভেল নামৰ বান্দীজনীয়ে চুলিটাৰ ভালকৈ বান্ধি দিবলৈ ধৰিছে, এনেতে লেডী ভেন দুৱাৰ মেলি চকু ৰঙা কৰি ঘৰ সোমালহি আৰু ইছাবেলৰ ওচৰ চাপি খঙেৰে হাত জোকাৰি জোকাৰি সুধিলেহি—অতপৰ ক'লৈ গৈছিলা? ইছাবেলে সহজভাৱেই উত্তৰ দিলে,—মই মুকলি পথাৰত ঘূৰি ফুৰিছিলোঁ।

চকু ঘোপাকৈ লেডী ভেনে ক'লে—তোমাৰ অলপো লাজ মান নাইনে? তুমি এইবোৰ কি কৰিবলৈ ধৰিছা?

লেডী ভেনৰ মূৰ্তি দেখি ইছাবেলৰ চূৰ্তি হেৰাল, তেওঁৰ বুকু কঁপিল, লাহেকৈ ক'লে,—কি কৰিলোঁ? মই একো বুজি পোৱা নাই।

লেডী ভেনে আগৰেপৰা চেলু বিচাৰি ফুৰিছিল, আজি এইফেৰা দোষকে পাই, শুনিলে কাণত হাত দিবলগীয়া অসহনীয় মাতেৰে ইছাবেলক গালি-শপনি দিলে আৰু ক'লে,—তুমি মোৰ ঘৰত আশ্ৰয় পাইছা, এয়ে যথেষ্ট নহ'ল? আকৌ এই ঘৰতে অপবাদো আনিলা? ফ্ৰান্সিছ লেভীছনৰ লগত এই তিনি ঘণ্টা সময় ক'ত লুকাই আছিলা? সি আহিবৰ দিন ধৰি দেখিছোঁ, তুমি কাম-কাজ একোতে হাত নিদিয়া, কেৱল

তাৰ লগত দিনে-ৰাতি হাঁহি-খিকিন্দালি পাতি, মুখ চুপতি মাৰি পীৰিতি কৰা... আৰু কত কি বকিলে সি বৰ্ণনাতীত।

লেডী ইছাবেলে ইমানতো সহি থাকিব পাৰেনে? এনেকুৱা অপমান আৰু বিশেষকৈ নিজৰ হাত-লিগিৰীজনীৰ আগতে। আজি ডাল-দৰিদ্ৰ হ'লেও তেওঁ এজনী ৰাজকুঁৱৰীতো। লেডী ভেনতকৈ শতগুণে উচ্চবংশত জন্ম, ভালকৈ লালিতা-পালিতা শিক্ষিতা তেওঁ। এজনৰ হিংসাতে এনেকৈ নাভূত-নাশ্ৰুত অপমান? ইছাবেলে কেনেকৈ সহ্য কৰে? বান্দীজনীৰ হাতৰপৰা চুলিটাৰ একৰাই ইছাবেল থিয় হ'ল আৰু নম্ৰভাৱে কৈ গ'ল—মই কাৰো লগত পীৰিতি কৰা নাই। অভ্যাসো নাই। সেই স্বভাৱ বিবাহিতাবোৰৰহে। মোৰ মনেৰে পৰপুৰুষৰ লগত পীৰিতি কৰা—বিবাহিতা, অবিবাহিতা দুয়োপক্ষৰে বেয়া। বিবাহিতাৰ পক্ষে আৰু বেছি বেয়া। মই আহিবৰ দিন ধৰি চকুৰ আগতে দেখিয়েই আছোঁ—এই ঘৰৰ এজনীৰ গাত সেইফেৰা স্বভাৱ আছে। সেইজনী তুমি, মই নহওঁ, লেডী মাউণ্ট চেভাৰ্ণ!

লেডী ভেনৰ মুৰৰ ঘিউ উতলিল, তেওঁ খঙতে শেঁতা পৰিল, নিজক পাহৰিলে। সোঁহাতখন দাঙি ইছাবেলৰ বাঁও গালত শোধালে এচৰ। ইছাবেল ভয়তে থৎমৎ খাই থিয় হৈ থাকিল আৰু কিবা কোৱা বা কৰাৰ পূৰ্বেই বাঁওহাতখনেৰে সোঁগালখনত আকৌ এচৰ। ইছাবেলে আয়ৈ-বিয়ৈকৈ চিঞৰি উঠিল, চকীখনত বহি পৰিল। বান্দীজনীয়ে গলত সাবট মাৰি ধৰি মুৰ পিহিবলৈ লাগিল।

সেই ঘৰতে উইলিয়ামো আছিল, সিও কান্দি উঠিল। তাকে দেখি লেডী ভেনে দুই ভুকু ল'ৰাজনকো শোধাই 'বান্দৰ' বুলি আঁজোৰ মাৰি টানি লৈ বাহিৰলৈ ওলাই গ'ল।

লেডী ইছাবেলৰ খং, অপমান আৰু ঘৃণাৰে অন্তৰ ভাগিল—ওৰে নিশা কান্দি কান্দি চকু উখহাই ঢাৰিপাটীত পৰি ছটফটাই থাকিল। তেওঁৰ কেছল মাৰ্লিং প্ৰবাস অসহনীয় হৈ উঠিল। এনেকৈ দিনে-ৰাতি গালি-শপনি আৰু কিল-ভুকুৰ মাজত হাই-কাজিয়া কৰি কোন থাকিব পাৰে? নোৱাৰিলেই বা উপায় কি? তেওঁ যায় ক'লৈ? ওৰে নিশা 'পিতা ক'লৈ গ'লা, মোকো লগতে লৈ যোৱা। মোক কাৰ হাতত সপি দিলা, পিতা? আৰু নোৱাৰোঁ মই, মোকো লগতে নিয়া। হে প্ৰভু দয়াময়, দয়া কৰি মোক এতিয়াই মাৰি নিয়া'—ইত্যাদি বুলি হুকহুককৈ কান্দি কান্দি বহি থাকিল। তেওঁৰ মনত নানা ৰকমৰ চিন্তাৰ ঢৌ নাচিবলৈ ধৰিলেহি। নিজে নিজে ক'লে,—'ফ্ৰান্সলৈ গৈ লৰ্ড ভেনৰ আগত সমস্ত বিৱৰি কওঁগে, নহ'লে মেছন নামৰ আমাৰ পুৰণি বান্দীজনীৰ ঘৰ বিচাৰি উলিয়াই তাইৰ লগতে থাকোঁগে। তাইৰ লগত থাকি

দুবেলা দুমুঠি ভাতো মোকোলাব নোৱাৰিমনে?' ইছাবেলে আকাশ-পাতাল ভাবি গুৰে নিশা বহি থাকিল।

পাছদিনাখন ৰাতিপুৱা উঠা-পলুটোৰ দৰে শেঁতা পৰি ইছাবেলে দুখ মনেৰে বহি আছে, এনেতে উইলিয়াম (কেঁচুৱা) মনে মনে আহি ক'লে—ইছাবেল, মাম্মা ওলাই গৈছে, আহা। উইলিয়াম ইছাবেলৰ নেৰানেপেৰা সঙ্গী। সি ইছাবেলক খুব ভাল পায়। কাপোৰ-কানি সামৰি লৈ উইলিয়ামৰ লগত বাহিৰলৈ ওলাই আহিব খোজোঁতেই এজন চাকৰে এখন চিঠি ইছাবেলৰ হাতত দি ক'লেহি—আইদেউ, এজন ভদ্ৰলোক আপোনাৰ লগত দেখা কৰিবলৈ আহিছে। ইছাবেলে কাৰ্ডখন চাই এটা হুমুনিয়াহ ছাৰি ক'লে,—তেওঁক ভিতৰলৈ আহিব কোৱাগৈ।

মানুহৰ জীৱন প্ৰৱাহৰ চলাচল গতি ধৰা বৰ কঠিন কাম। কেতিয়া ক'ত কাৰ কি হয় কোনোৱে ক'ব নোৱাৰে। সামান্য দৈনিক ঘটনাৰপৰা কেনেকৈ জীৱন-জোৰা ডাঙৰ ঘটনা ঘটি উঠে আৰু তাৰ ওপৰতে মানুহৰ ভৱিষ্যৎ সুখ-দুখ, বিপদ-আপদ সকলো নিৰ্ভৰ কৰে, নিৰ্ণয় কৰা বৰ টান। মি০ কাৰ্লাইলে সপোনতো ভবা নাছিল যে তেওঁ ইমান সোনকালে লণ্ডন বা কেছল মাৰ্লিং পাবগৈ। এজন মোক্কেল মৃত্যুশয্যাত পৰি হঠাৎ টেলিগ্ৰাফ কৰি তেওঁক কেছল মাৰ্লিঙলৈ লৈ গ'ল। কাৰ্লাইলৰ পক্ষে ই সামান্য ঘটনা হ'লেও, ই তেওঁৰ জীৱন জুৰি তাৰ ফলাফল ভোগ কৰাব।

কাৰ্লাইল তেওঁৰ যৌৱনভৰা চেহেৰা আৰু দেখিবলৈ শুৱনি নাকে-মুখে সৈতে লৰ্ড ভেনৰ চ'ৰাঘৰত সোমালগৈ। ইছাবেলে দেখিয়েই মিচিকিয়া হাঁহি মাৰি হাত আগ বঢ়াই দি আদৰি-সাদৰি কাৰ্লাইলক বহিবলৈ দি ক'লে,—তুমি আহিবা বুলি সপোনতো ভবা নাছিলোঁ, মি০ কাৰ্লাইল। মোৰ বাস্তৱিকে তোমাক দেখি বৰ আনন্দ লাগিছে। কাৰ্লাইলেও হাঁহি এটি মাৰি কৈ গ'ল,—এৰা, কামৰ পাকে পাকে এইখিনি পালোঁহি, এইখিনিলৈ আহিলোঁ যেতিয়া, তোমালোকক মাত এষাৰ লগাই যাওঁ বুলিহে আহিলোঁ। পাছে লৰ্ড ভেনো হেনো ঘৰত নাই, হয়নে?

—এৰা, এখেত ফ্ৰান্সলৈ গৈছে। মই কৈছিলোঁ নহয়—আমি আকৌ লগালগি হ'ম বুলি। মনত আছেনে, মি০ কাৰ্লাইল? তুমি—

ইছাবেল হঠাৎ থামি গ'ল। কাৰণ 'মনত আছেনে' এই কথাষাৰে তেওঁক ইষ্ট লিন এৰি কেছল মাৰ্লিঙলৈ যাত্ৰা কৰা সময়ত কাৰ্লাইলে অতৰ্কিতভাৱে দিয়া এশ পাউণ্ডীয়া নোটখনৰপৰা সোঁৱৰাই দিলে। তেওঁ পাঙি থৈছিল যে কাৰ্লাইলক লগ পালেই নোটখন ওভতাই দিব, কিন্তু লেডী ভেনৰপৰা নিজৰ হাত খৰচৰ বাবে পইচা এটিও নোপোৱাত নোটখন ভঙাই কিছু খৰচ কৰিলে। এনে অৱস্থাত নোটখন ওভতাই

দিয়ে কেনেকৈ? মনত বৰ আঘাত লাগিল, লগে লগে আগদিনাখনৰ সমস্ত ঘটনা মনত পৰিল। তলমূৰকৈ হতাশ মনে বহি থাকিল। তাকে দেখি কাৰ্লাইলে সুধিলে—তোমাৰ কি হ'ল, আমন-জিমনকৈ থাকিলা যে? দীঘলকৈ হুমুনিয়াহ এটা ছাৰি ইছাবেলে উত্তৰ দিলে,—ইয়াত থাকি মোৰ অলপো ভাল লগা নাই। ইষ্ট লিন শতগুণে ভাল আছিল— বুলি কোৱাৰ লগে লগে তেওঁৰ চকু চলচলীয়া হ'ল।

কাৰ্লাইলে ক'লে—কেলেই? মোৰ বিশ্বাস আছিল যে ই তোমাৰ সুখৰ ঘৰ হ'ব।

কথা শুনি ইছাবেলে কাৰ্লাইলৰ ফালে যি উদাস দৃষ্টিৰে চালে বোধহয় তাক কাৰ্লাইলে তেওঁৰ জীৱনত পাহৰিব নোৱাৰিব। ই হা-হুমুনিয়াহ ভৰা নিৰাশাৰ চাৱনি। লগে লগে কৈ গ'ল—নহয়, ই সুখৰ ঘৰ নহয়, মহা দুখৰহে ঘৰ। মই ইয়াত থাকিব নোৱাৰোঁ। যোৱা ৰাতি মই অলপো শোৱা নাই। ক'লৈ যাওঁ, ক'ত কেনেকৈ থাকোঁ, এইবোৰ ভাবিয়ে অস্থিৰ হৈছোঁ। মোৰ এই বিশ্বব্ৰহ্মাণ্ডত আপোন বুলিবৰ কেও নাই, মিঃ কাৰ্লাইল। ইছাবেলে চকুলো টুকিলে।

উইলিয়াম ভেনে অতপৰ ইছাবেলৰ আঁচলত ধৰি তেওঁলোকৰ মুখন পিনে চাই আছিল। ইছাবেলক চকুলো টোকা দেখি সি টপৰকৈ কৈ উঠিল,—ইছাবেল হেনো ইয়াত নাথাকে, গুচি যাব, ডাঙৰীয়া। কিয় যাবগৈ মই ক'মনে? যোৱাকালি মাম্মাই তাইক খুব মাৰিছে—উঁ খুব মাৰিছে—এনেকৈ দুয়োগালত দুই চৰ—তাই খুব কান্দিছে নহয়...। ইছাবেলে তাক টান মাৰি ওচৰলৈ আনি মুখত হাত দি দাবি মাৰি দি ক'লে,—মনে মনে থাক বান্দৰ।

কাৰ্লাইলৰ মুখ ক'লা পৰিল। তেওঁৰ লেডী ভেনৰ প্ৰতি খুব ঘৃণা জন্মিল আৰু লগে লগে ইছাবেলৰ প্ৰতি পুতৌ উপজিল। ইছাবেলৰ ফালে চাই সুধিলে,—কথা সঁচানে? বাস্তৱিকে তোমাৰ তেনেহ'লে বৰ কষ্ট হৈছে!

কাৰ্লাইলৰ নিচিনা দয়ালু পুৰুষ এজনৰ ওচৰত মন জুৰাবলৈ পাই ইছাবেলে ক'লে,—মোৰ ভাগ্যত যি আছে সেয়ে হ'ব, মিঃ কাৰ্লাইল। অন্ততঃ লৰ্ড ভেন নহালৈকে ইয়াত আছোঁ।

—তাৰ পাছত?

—তাৰ পাছত কি কৰিম, নাজানো—বুলি কৈয়ে তেওঁ চকুলো মচিবলৈ ধৰিলে। আকৌ ক'লে—তেওঁৰ অন্য ঘৰ-দুৱাৰো নাই। মই লেডী ভেনৰ লগত এক মুহূৰ্তও থাকিব নোৱাৰোঁ, তেওঁ মোৰ অন্তৰ ভাঙিলে, ভৱিষ্যতে আৰু সৰ্বনাশ কৰিব। এনে হ'ব বুলি মই আশা কৰা নাছিলোঁ।

—নিশ্চয়, নিশ্চয়। এনেকৈ তুমি ইয়াত থাকিব নোৱাৰা। বাৰু মই কিবা কৰিব পাৰোঁনে?

—নোৱাৰা, কোনোৱে নোৱাৰে।

—মোৰ ইচ্ছা, মই কিবা এটা উপায় কৰোঁ। কাৰণ তুমি কৈছিলা যে ইষ্ট লিন ভাল নহয়, কিন্তু এতিয়া দেখিছোঁ তাৰপৰা আহিয়েই তোমাৰ এই দুৰৱস্থা, শাৰীৰিক-মানসিক অধঃপতন।

মানুহে বৰ্তমান যি অৱস্থাত থাকে তাৰ ভাল-বেয়া কোনো দ্বিতীয় অৱস্থাত নপৰে মানে, অৰ্থাৎ দুয়োটা অৱস্থা ৰিজাই চাবলৈ নোৱাৰে মানে, বিচাৰ কৰিব নোৱাৰে। কেৱল মাৰ্লিণ্ডত লেডী ভেনৰ দিনে-ৰাতি অত্যাচাৰ-উৎপীড়নত ইছাবেলৰ প্ৰত্যেক মুহূৰ্ত্ততে ইষ্ট লিনৰ কথা মনত পৰিল।

কাৰ্লাইলৰ কথা শুনি ইছাবেলৰ চকু চলচলীয়া হ'ল, গোলাপী ৰঙচুৱা গাল দুখনিৰ ওপৰেদি দুধাৰি সোণালী চকুলো বাগৰি গ'ল। ক'লে—সেইটো মোৰ ভুল, মিঃ কাৰ্লাইল। ইষ্ট লিন বাস্তৱিকে বাস কৰিবলগীয়া অমিয়াপুৰী। ইষ্ট লিনৰ কথা মনত পৰিলে মোৰ হিয়া দেই পুৰি মাৰে, মিঃ কাৰ্লাইল। মই ইষ্ট লিনৰ নিচিনা ঠাই আৰু দ্বিতীয়বাৰ জীৱনত পাবৰ আশা নাই। মোৰ এই কেইমাহতে সপোন দেখা যেন লাগিছে। আহা! পিতা জীয়াই থকা হ'লে আমি কেনে সুখেৰে ইষ্ট লিন অমিয়াপুৰীত থাকিলোঁহেঁতেন! বিধাতাই অকালতে সকলো সুখৰপৰা বঞ্চিত কৰিলে।

কাৰ্লাইলৰ অন্তৰত তোলপাৰ লাগিল। তেওঁ নিজৰ কথা পাহৰিলে, মুখ ৰঙা পৰি উঠিল। ইছাবেলৰ হাত দুখন নিজৰ হাতৰ মুঠিত ৰাখি অজ্ঞানতে হাত পিহি পিহি ক'লে,—কিন্তু এটা উপায় আছে, ইছাবেল। ইষ্ট লিনলৈ তুমি আকৌ যাব পাৰা। একমাত্ৰ উপায়—মান্তি হ'বানে?

ইছাবেলে ভেবা লাগি কাৰ্লাইলৰ ফালে চাই থাকিল। কাৰ্লাইলে আকৌ আৰম্ভ কৰিলে,—যদি বেয়া নোপোৱা তেন্তে কওঁ শুনা আৰু যদি বেয়াও পোৱা তেন্তে ক্ষমা কৰিবা। ইষ্ট লিনলৈ পুনৰাই যোৱাৰ উপায়—তুমি তাৰ গৃহিণীৰূপে যাবানে?

ইছাবেলে মুখ মেলি চাই থাকিল। তেওঁ একো বুজি নাপালে। কাৰ্লাইলৰ কথা ভাব-গতি বা অৰ্থ নুবুজিলে। নিজে নিজে মনতে কৈ উঠিল,—তাৰ গৃহিণীৰূপে?

মিচিকিয়া হাঁহি মাৰি কেৰাহিকৈ চাই কাৰ্লাইলে ক'লে—আৰু মোৰ বিবাহিতা—স্ত্ৰীৰূপে।

ইছাবেল উচাপ খাই উঠিল—ভৰিৰপৰা মূৰলৈ গোটেই গা শিয়ৰি উঠিল। তথাপি তেওঁ কাৰ্লাইলৰ কাষতে থিয় হৈ থাকি নিজৰ হাত এখন তেওঁৰ হাতৰ

মাজত ৰাখি তলমুৰ হ'ল আৰু অন্তৰেৰে কাৰ্লাইলক বখানি কৈ গ'ল—কাৰ্লাইল তেওঁৰ একমাত্ৰ আলাই-আথানি, আপদ-বিপদ, সুখ-দুখৰ সাৰথি, অন্তৰৰ বন্ধু, আশ্ৰয়দাতা, মৰম-চেনেহত আপোন ভাই যেন। এনেস্থলত বিবাহিতা পত্নী।

এনেকুৱা কোনো কথা তেওঁৰ অন্তৰত আগেয়ে খন্তেকৰ বাবেও উদয় হোৱা নাছিল। প্ৰথমতে তেওঁ সেই কথা উৰাই দিবলৈ খুজিছিল আৰু কাৰ্লাইলৰ হাতৰ মুঠিৰপৰা হাতখন মুক্ত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু কাৰ্লাইলে সেইফেৰা হ'বলৈ নিদিলে, বৰং সিখন হাত বন্দীহে কৰিলে।

ইছাবেল কাৰ্লাইলৰ লাজ, ভয় আঁতৰিল। যৌবন-সুলভ কথাৰ অৱতাৰণা হ'ল। কাৰ্লাইল ২৭/২৮ বছৰীয়া সুশ্ৰী ডেকা, ইছাবেল ১৬/১৭ বছৰীয়া দহজনৰ চকুত লগা দেখনিয়াৰ গাভৰু ছোৱালী। দুয়োৰে কেনে যোৰ মিলে!

কাৰ্লাইলে অতপৰ তেওঁৰ সন্মতিলৈ অপেক্ষা কৰি সতৃষ্ণ দৃষ্টিৰে চাই থাকিল। ইছাবেলৰ অন্তৰত আন এজনৰ মূৰ্তি থাপিত নোহোৱা হ'লে,—বাৰু তোমাৰ পত্নীৰূপে—বুলি অতি আনন্দেৰে মনৰ উলাহতে তেতিয়াই কাৰ্লাইলৰ কথাত সন্মতি দিলেহেঁতেন। ইছাবেলৰ অন্তৰ পুৰিবলৈ ধৰিলে। হৰিষত বিষাদ।

লেডী ভেন চ'ৰাঘৰত সোমালহি। ইছাবেল কাৰ্লাইলৰ কথা মাজতে বন্ধ হ'ল। ইছাবেলৰ হাত দুখন কাৰ্লাইলৰ হাতৰ মুঠিত বন্দী অৱস্থাতে থাকিল। কাৰ্লাইলে তেওঁক চুমা খাম বুলি মুখখন নমাইছিল—সিও তেনেভাৱে থাকিল। ইছাবেলৰ মুখ ৰঙা পৰি উঠিল, দুয়ো ধৰা পৰিল।

লেডী ভেনে চকুৰ পচাৰতে সকলো বুজিলে। চকু ঘোপাকৈ তেওঁলোকৰ ফালে চাই থাকিল। ইছাবেলে তৎক্ষণাৎ ক'লে—লেডী মাউন্ট চেভাৰ্ণ—মিঃ কাৰ্লাইল। কাৰ্লাইলে মূৰ দোঁৱাই আগ বাঢ়ি গৈ ক'লে,—শুনি দুখ পালোঁ যে লৰ্ড মাউন্ট চেভাৰ্ণ ঘৰত নাই, মেডাম। তেখেতে মোক জানে, মোৰ নাম আৰ্কিবল্ড কাৰ্লাইল।

লেডী ভেনে মিচিকিয়া হাঁহি এটি মাৰি ক'লে—এৰা তোমাৰ নাম শুনিছোঁ, কিন্তু মই নাজানিছিলোঁ যে তোমালোকৰ মাজত ইমান মিলা-প্ৰীতি ঘনিষ্ঠতা। মই দেখিছোঁ যে তুমি...। কাৰ্লাইলে বাধা দি ক'লে,—মেডাম, আগেয়ে আমাৰ ভিতৰত চিনা-পৰিচয় মাথোন আছিল। এতিয়া ঘনিষ্ঠতা সম্বন্ধ পাতিম বুলি ইছাবেলক কৈছোঁহে আৰু যদি তেওঁৰ অমত নহয় তেন্তে মই তেওঁৰ পাণি গ্ৰহণ কৰিবলৈও খুজিছিলোঁ।

কথা শুনি লেডী ভেনে শান্তি বোধ কৰিলে, তেওঁৰ মনত অপাৰ আনন্দ লাগিল। ইমানদিনে তেওঁ যি বিচাৰিছিল, হাততে তাকেই পালে। তেওঁৰ চকুৰ কুটা পৰম শত্ৰু ইছাবেলক আঁতৰাবৰ বঢ়িয়া সোণালী সুযোগ—আৰু কি লাগে? তেওঁ ক'লে—শুনি

বৰ সন্তোষ পালোঁ, মিঃ কার্লাইল। খুব ভাল কথা—শুভস্য শীঘ্ৰম্। শুভ কাজ সোনকালে হওক। আশাকৰোঁ, ইছাবেলেও তোমাৰ নিচিনা উপযুক্ত স্বামী লাভ কৰি বৰ সুখী হ'ব। ভগৱানে তোমালোক নব দম্পতীক দীৰ্ঘায়ু কৰি কুশলে ৰাখক। পাছে ইছাবেলে কিবা মতামত দিছেনে? আশাকৰোঁ তেওঁ মান্তি হ'ব।

দুয়ো ইছাবেলৰ ফালে চাই থাকিল। ইছাবেল কার্লাইলৰ ওচৰ চাপি ক'লে,— মোক কেইঘণ্টামান সময় দিয়া, মই বিবেচনা কৰি উত্তৰ জনাম।

—বাৰু, মই আবেলিকৈ এপাক মাৰিম।

সকলোটি ওলাই গ'ল।

ইছাবেল নিজৰ শোৱনি ঘৰত সোমাই ঢাৰিপাটীৰ ওপৰত বহি নিজ মনতে তৰ্ক-বিতৰ্ক কৰিবলৈ লাগিল। তেওঁ এজনী গাভৰু ছোৱালী, লাহ-বিলাহত ওপঙি ফুৰা চঞ্চল বিজুলী চমক। ছোৱালী হিচাপে তেওঁ সংসাৰৰ আও-ভাও কি বুজে? দকৈ কি কথা গমি পিটিকি চাবলৈ পাৰে? বিনন্দীয়া সংসাৰৰ ওপৰে ওপৰে যি দেখে তাকেহে জানে। প্ৰথমতে তেওঁৰ মনত উদয় হ'ল—মিঃ কার্লাইল এজন সামান্য মফঃস্বলৰ উকীল—উকীলৰ ল'ৰা, আনফালে তেওঁ হ'ল, লাহ-বিলাহৰ কোলাত ডাঙৰ-দীঘল হোৱা উচ্চ বংশত জন্মা এজনী লৰ্ডৰ (ৰজাৰ) জীয়াৰী। কাজেই কার্লাইল, কি বংশ গৌৰৱ, কি মান সম্ভ্ৰম, কি সামাজিক প্ৰতিপত্তি কোনোগুণে তেওঁৰ সমান হ'ব নোৱাৰে। তেওঁৰ নাক কোঁচ খালে। দ্বিতীয়তে ইষ্ট লিন,—সৌন্দৰ্য্য খ্যাতি আদিত তেওঁ বৰ্তমান যি ঘৰত আছে তাতকৈ কোনো গুণে বেয়া নহয়। তৃতীয়তে তেওঁ পাহৰিলে যে ইষ্ট লিনত কার্লাইলৰ পত্নী হিচাপে সমাজতো তেওঁৰ মান-সম্ভ্ৰম লৰ্ড মাউণ্ট চেভাৰ্ণৰ জীয়েক হিচাপে যেনে হ'ব লাগে তেনে নহ'ব। চতুৰ্থতে, তেওঁ পাহৰিলে যে তেওঁ সংসাৰৰ লাহ-বিলাহৰপৰা বঞ্চিত হৈ মুক্ত বায়ু-সেৱী পখিলা— চকু দিলে চকু বৈ থকা ডেউকা ভাগি ফাটেকৰ ফাটেকিয়ালৰ দৰে নিৰ্জন ঠাইত আবদ্ধ হৈ থাকিব। তেওঁ অৱশ্যে কার্লাইলক বৰ ভাল পাইছিল, তেওঁৰ লগত থাকি কথা-বাৰ্তা ক'বলৈও বৰ ভাল পাইছিল। সেই অমঙ্গলীয়া মনোৰাজ্যত ঘূৰি ফুৰা কল্পনাটোৱেই যতমানে অপায় অমঙ্গলৰ গুৰি। আকৌ লেডী ভেনৰ নিষ্ঠুৰ অত্যাচাৰ উৎপীড়নত থকাতকৈ ইষ্ট লিন তেওঁৰ মনত সৰগৰ নন্দন কানন, পাৰিলে তেতিয়াই যেন কার্লাইলৰ লগতে ইষ্ট লিনলৈ উৰি যাব। কিন্তু আকৌ একমূৰ্তি! তেওঁ যে কার্লাইলক ভাল নাপাইছিল এনে নহয়, বোধহয় তেওঁ ফ্ৰান্সিছ লেভীছনক অন্তৰত ঠাই দিছিল, মন-প্ৰাণ সপি দিবলৈ সদায় সাজু আছিল। তেওঁৰ একান্ত আগ্ৰহ ফ্ৰান্সিছে যেন

অতি সোনকালে তেওঁক বিবাহিতা পত্নীৰূপে গ্ৰহণ কৰে, নহ'লে তেওঁ তাক চকুৰে একেবাৰে নেদেখাই ভাল আছিল। তেওঁ দোমোজাত পৰি কক্‌বকাই থাকিল।

মিছেছ লেভীছন আৰু লেডী ভেন তেওঁৰ ঘৰত সোমালহি; তেওঁৰ কল্পনা-জল্পনা সকলো বন্ধ হ'ল। তেওঁলোক দুয়োজনে মিঃ কাৰ্লাইলক স্বামীৰূপে গ্ৰহণ কৰিবলৈ ইছাবেলক নানা সদুপদেশ দিলে। ইছাবেলে নমতা-নোবোলাকৈ ইফাল-সিফালকৈ খোজ কাঢ়ি তেওঁলোকৰ কথা শুনি থাকিল। তেওঁ কোনোৰকমে অন্তৰ ৰাজ্যৰপৰা ফ্ৰান্সিছ লেভীছনক আঁতৰাব নোৱাৰিলে। দূৰৈত খিৰিকীয়েদি কাৰ্লাইলক অহা যেন দেখি চ'ৰাঘৰলৈ নামি গ'ল আৰু তেওঁক সম্প্ৰতি পঠাই দি পাছত তেওঁৰ প্ৰশ্নোত্তৰ পঠাই দিম বুলি ভাবি গ'ল। চ'ৰাঘৰতে ফ্ৰান্সিছ লেভীছন বহি আছিল। তাক দেখিয়েই তেওঁৰ বুকুখন ধপছ্ ধপছ্‌কৈ উঠিল। ই কি?

ইছাবেলক দেখি লেভীছনে ওচৰলৈ আহিল, ক'লে,—বেয়া নাপাবা, ইছা। মোৰ অহাত পলম হ'ল, মিঃ কাৰ্লাইলক লগ নোপোৱাতহে বৰ দুখ পালোঁ। তেওঁ এজন খাঁটি ভদ্ৰলোক, ইছা, বেছ খুব ভাল হৈছে—সোণত সুৰগা পৰিছে। মই শুনি বৰ সন্তোষ পাইছোঁ। ময়ো তোমাক শুভইচ্ছা জনাইছোঁ। ইছাবেলে লেভীছনৰ মুখৰ ফালে চাই থকা দেখি সি ক'লে,—আচৰিত নহ'বা। মই সকলো কথা শুনিছোঁ। ইষ্ট লিন বৰ মনোৰম ঠাই। তোমাৰ সুখ হওক—এয়ে মোৰ শুভ ইচ্ছা। লেভীছনে দীঘল হুমুনিয়াহ এটা পেলালে।

ইছাবেলে বিদ্ৰূপৰ সুৰেৰে কৈ উঠিল,—ধন্যবাদ, ধন্যবাদ, কিন্তু অসময়তে তুমি সন্তোষ প্ৰকাশ কৰিলা, কেপ্টেন লেভীছন।

—বাৰু, তেনেহ'লে উপযুক্ত মানুহজন অহালৈকে মোৰ শুভইচ্ছা ৰাখি থ'বা। লেভীছন যাবলৈ ওলাই থিয় হ'ল আৰু ইছাবেলৰ মুখৰ ফালে চাই কৈ গ'ল—মই ইয়াত থকা অযুগুত। ইছা, মই ইমানদিনে মিছা সপোন ৰাজ্যত বুৰ গৈ আছিলোঁ। অৱশ্যে আনবোৰ যেনেকৈ থাকে তেনেকৈহে, বৰ বেছিকৈ নহয়, কাৰণ মই নিজে এজন জীৱনৰ স্থিৰতা নোহোৱা উৰুলি-পুঙা, পদূলি-শুঙা, বাটে-ঘাটে ঘূৰি-ফুৰা ফকীৰ মানুহ। কেপ্টেন লেভীছনে কথাকেইষাৰ একে উশাহতে কৈ ভোঁ-ভোঁ কৰে ওলাই গ'ল। ইছাবেলে এতিয়াহে বুজিলে যে লেভীছন এজন মিথ্যাবাদী আৰু নিৰ্দয় কঠুৱা মনৰ মানুহ।

এনেতে কাৰ্লাইল দুৱাৰ বন্ধ কৰি ভিতৰলৈ সোমাই আহিল। ইছাবেলক যেনে আছিল তেনে অৱস্থাতে দেখিলে। ইছাবেলৰ ওচৰ চাপিল, তেওঁ মুখেৰে একাষাৰ

নামাতিলে। তেওঁৰ মুখ ৰঙা পৰিল, ওঁঠ কঁপিবলৈ ধৰিলে। কাৰ্লাইলে খন্তেক নীৰৱে থাকি সুধিলে,—পাছে, কি ঠিক কৰিলা, ইছা?

—বাৰু। কিন্তু ইছাবেলৰ ইমানতে মাত বাজিল। মনৰ ভাব দমাই ৰাখি আকৌ চেষ্টা কৰিলে,—কিন্তু মই ক'বলৈ খুজিছিলোঁ—। কাৰ্লাইলে ইছাবেলক টান মানি বুকুৰ ওচৰলৈ আন চকী এখনত বহি ক'লে,—ইছাবেল, তুমি মোৰ জীৱন ধন্য কৰিলা। ইছাবেল নিজৰ ভাবনাতে আছিল, কোনো ফালে কাণ নাই। তেওঁ ক'লে,—মই তোমাক জনোৱা উচিত নহয়, এতিয়াই কওঁ যদিও মই তোমাৰ প্ৰশ্নোত্তৰ 'বাৰু' বুলি সম্মতি জনাইছোঁ, তথাপি এতিয়াও মই—। মই তোমাক অৱশ্যে বৰ ভাল পাওঁ, ভক্তিও কৰোঁ, কিন্তু মই এতিয়াও তোমাক মোৰ অন্তৰৰ অন্তৰ-ৰাজ্যত থাপিব পৰা নাই।

—তুমি যদি ইয়াৰ আগেয়ে কিবা কৰিছিলা, তেন্তে আচৰিত! কিন্তু এতিয়া মোক ভাল পাবলৈ শিকা।

—নিশ্চয়, ময়ো তাকেহে কামনা কৰোঁ।

কাৰ্লাইলে ইছাবেলক কোলাত বহুৱাই লৈ চুমা এটি খাই ক'লে,—মৰমৰ মইনা, এয়ে মোৰ সকলো, এয়ে মোৰ সৰ্বস্ব, মই ইয়াকেই বিচাৰিছিলোঁ।

কাৰ্লাইল পাছদিনাখন তাতেই থাকিল। অতি সোনকালে বিয়াৰ বন্দবস্ত কৰি লৰ্ড ভেনলৈ চিঠি লিখিলে। তাৰ পাছদিনাখন কাৰ্লাইল উলহ-মালহকৈ বেষ্ট লিনত উপস্থিত হ'লহি।

৯

কাৰ্লাইল বেষ্ট লিনলৈ ফিৰি আহি ঘৰ পালেহি। তেওঁৰ মনৰ উৎফুল্লতা, আনন্দভৰা চকুৰ চাৱনি, দেহৰ কান্তি এখোপ চৰিল। তেওঁৰ খোৱা-লোৱা, পিন্ধা-উৰা, বন্ধু-বান্ধৱৰ লগত মিলি-জুলি ফুৰা-চকা সকলোতে পৰিৱৰ্তন ঘটিল। তেওঁ যেন কিবা এটা

ভাণ্ডৰ দোষ কৰি আহিছে আৰু পদে পদেই যেন ধৰা পৰে, এইভাবে তেওঁক চঞ্চল কৰি তুলিলে। বাঘিনী বায়েক মিছ কৰ্ণিৰ হাতত ধৰা নপৰিবলৈ বুলি তেওঁ সদায় সাৱধানে থাকিল। এসপ্তাহমান তেনেকৈ যোৱাৰ পাছত এদিন তেওঁ আকৌ লণ্ডনলৈ যাবলৈ ওলাল। সিদিনা চাহ খাওঁতে কিবা কামত জেপৰপৰা টোকা বহীখন উলিয়াওঁতে হঠাৎ এখন চিঠি (ইছাবেলে লিখা) সৰি পৰিল। মিছ কৰ্ণিয়ে চিঠিখন বুটলি লৈ খুলিলে আৰু লগে লগে কৈ উঠিল,—ক'ৰপৰা আহিছে এই চিঠি, আৰ্কি? কোনোবা তিৰোতা মানুহৰ হাতৰ আখৰ যেন পাওঁ দেখোন? কাৰ্লাইলে ততাতৈয়াকৈ কৰ্ণিয়ে যাতে চিঠিখন পঢ়িব নোৱাৰে তেনেভাৱে হাতখনেৰে চিঠিখন ঢাকি ধৰি ক'লে,—ক্ষমা কৰিবা, বাইদেউ, এইখন মোৰ নিজৰ ভিতৰুৱা কথাৰ চিঠি। কৰ্ণিয়ে খং কৰি ক'লে,— ভিতৰুৱা চিঠি, মূৰ্খ! মই চোৱাত কি বাধা আছে?

—অনুগ্ৰহকৈ চিঠিখন দিয়া, বাইদেউ।

কৰ্ণিয়ে চিঠিখন দিলে। মুখখন আগ বঢ়াই দি চকুযোৰ ঘোপাকৈ সুধিলে,— তোমাৰ কি হৈছে, আৰ্কি? চিঠিখন সুমুৱাই থৈ কাষতে বহি থকা বাৰবাৰাৰ ফালে চাই ক'লে,—লোকৰ চিঠি আন মানুহে পঢ়া ভাল নে, বাৰবাৰা? আৰু ফেলফেলকৈ হাঁহিলে। বাৰবাৰাই ক'বলৈ একো বিচাৰি নাপাই সুধিলে,—এইবেলিও মাউণ্ট চেভাৰ্ণৰ ঘৰ পাবাগৈ নেকি?

—এৰা, সুবিধা আৰু সময় পালে এপাক মাৰি আহিম।

—তেওঁলোকে লেডী ইছাবেলৰ বিয়াৰ বিষয় কিবা কোৱা-মেলা কৰেনে? তুমি সেই বিষয়ে একো শুনা নাইনে?

কাৰ্লাইলে অলপ খংভাৱে ক'লে,—ইস্, মোৰ আৰু কাম নাই। মই য'তে যি শুনো তাকেই মনত ৰাখিব লাগে? ধৰা, তোমাৰ চাহত চেনি কম হৈছে। কাৰ্লাইলে দুই-তিনি চামুচ চেনি বাৰবাৰাৰ চাহৰ বাটিত পেলাই দি হাঁহিবলৈ ধৰিলে।

বাৰবাৰাৰ চাহ খোৱা হোৱা মাত্ৰকে যাবলৈ থিয় হৈ ক'লে,—যাওঁগৈ, আয়ে বকিব। আন্ধাৰো হৈ আহিল। অকলে অকলে ইমান পলমকৈ থকা বাবে তেওঁ গালি-শপনি পাৰিব। তাকে শুনি মিছ কৰ্ণিয়ে ক'লে,—তেনেহ'লে আৰ্কিবন্ডে আগ বঢ়াই থৈ আহক।

আনদিনা হ'লে কাৰ্লাইল এই কামত আগৰণুৱা, কিন্তু আজি অলপ পিছ হোঁহকা মাৰি ক'লে,—উঁহু, মোৰ সময় নাই, অফিছত বহুতো কাম আছে। আকৌ পাছ মুহূৰ্ততে কৈ উঠিল,—বাৰু, ততাতৈয়া কৰা তেনেহ'লে, কাপোৰ-কানি লোৱা—ব'লা।

কার্লাইল আৰু বাৰবাৰা ওলাই গ'ল। বাৰবাৰাই ইছাবেলক পাহৰিব পৰা নাই। ইছাবেল ইষ্ট লিনত থাকোঁতে কার্লাইল তালৈ ঘনাই অহা-যোৱা কৰা দেখি বাৰবাৰাৰ মনত কিবা এটা সতিনী ভাব তেতিয়াই জাগি উঠিছিল আৰু বোধহয় সেইগুণেই আজিলৈ ইছাবেলৰ কথা মনত কৰি থাকে। সেইদেখি বাৰবাৰাই আকৌ সুধিলে,— কার্লাইলদা, মই তোমাক সুধিছিলোঁ যে ইছাবেলৰ ক'ৰবাত বিয়াৰ ঠিক হৈছে নে নাই। কার্লাইলেও সেই সুৰতে উত্তৰ দিলে,—ময়ো তোমাক উত্তৰ দিছিলোঁ যে মোৰ মগজে সিমানবোৰ কথা মনত ৰাখিব নোৱাৰে। শুনিলেও মনত নাই।

বাৰবাৰাই জেদ কৰি সুধিলে,—নহয়, তুমি শুনিছিলা নে নাই?

—অঃ, তুমিও বৰ বেয়া ছোৱালী দেখিছোঁ। মোৰ বিশ্বাস—ইছাবেলৰ বিয়া সোনকালে হ'ব।

বাৰবাৰাই দীঘলকৈ হুমুনিয়াহ এটা ছাৰি সুধিলে,—ক'ত? আৰু কাৰ লগত? কার্লাইলে হাঁহি হাঁহি ক'লে,—অ, সেইবোৰ এতিয়া ক'ব নোৱাৰোঁ। বাৰু এইবাৰ কেছল মার্লিঙৰপৰা আহিলে সঠিক খবৰ ক'ম, টোকা বহীত লিখি একেবাৰে বুকুৰ মাজতে লৈ আহিম।

—বোধহয় লর্ড ভেনৰ লগত নহয়নে?

—ভাল কৈছা, তাৰ বয়স ৬ বছৰ মাথোন। বৰ সুন্দৰ নোদোকা ল'ৰা, বাৰবাৰা; দেখিলেই মৰম লাগে। মোৰো তেনেকুৱা ল'ৰা এজন...

বাৰবাৰাই মুখখন পাক মাৰি ক'লে,—তুমি বিয়া নকৰোৱাকৈয়ে বুঢ়া হ'বা।

—এৰা, ক'ব নোৱাৰি, ত্ৰিছ বছৰ নৌ হওঁতেই কিজানি বিয়া নকৰোৱাকৈয়ে বুঢ়া হৈ পৰোঁ—হ'বৰো যোল অনা সম্ভৱ আছে।

—তেনেহ'লে তুমি তোমাৰ বিয়া ক'ৰবাত ঠিক কৰিছা?

—কৰা যে নাই এনেও নহয়। অৱশ্যে সকলো সময়ত জানিবা।

বাৰাবাৰাৰ বুকুখন ধপছ্ ধপছ্কৈ উঠিল, সমস্ত শৰীৰ কঁপিবলৈ ধৰিলে। গাৰ কাপোৰখন ভালকৈ লোৱাৰ ছল কৰি কার্লাইলৰ হাতৰ মাজৰপৰা হাতখন উলিয়াই আনিলে। বেচেৰী বাৰবাৰা!

দুয়ো বাৰাবাৰাহঁতৰ ফটকত উপস্থিত হ'লহি। কার্লাইলে দুৱাৰখন মেলি দি ক'লে,—তেনেহ'লে যোৱাগৈ এতিয়া।

—তুমি নাহা নে? আহা এবাৰ আইক মাত দি যোৱাহি।

—নাই, সময় নাই। তুমিয়ে তেওঁক মই অহা বুলি ক'বা। কার্লাইলে দুৱাৰখন

বন্ধ কৰিলে, কিন্তু বাৰবাৰা তাতেই হেলান দি থিয় হৈ থাকি সুধিলে,—তুমি তাত বহুদিন থাকিবা, নহয়নে?

—ঠিক নাই, কেলেই?

—মই...। মাত বাজিল। মনৰ সকলো ভাব দমাই ৰাখি শেষত ক'লে,—মই তোমাক বহুদিনৰপৰা কথা এটা কওঁ কওঁকৈ কোৱা নাই। যদি বেয়া নোবোলা তেন্তে ক'ম।

—কি কথা কোৱা।

—এবছৰ কি দুবছৰ আগেয়ে তুমি মোক সোণৰ হাৰগছ আৰু ডুগডুগিখন যে দিছিলা মনত পৰেনে?

—উঁ, খুব পৰে।

—মই তাত মৰমৰ ককাই ৰিছাৰ্ডৰ অকণমান, বুঢ়ীমাইৰ অকণমান আৰু আইৰ অকণমান চুলি ভৰাই থৈছোঁ—তেওঁলোকৰ স্মৃতি চিনস্বৰূপে। তাত আৰু ঠাই আছে, এয়া চোৱা।

—বাৰু আছে বুজিলোঁ, এতিয়া কি কৰিব লাগে?

—মই তোমাৰো মৰমৰ চিনস্বৰূপে অকণমান চুলি ইয়াতে ভৰাই থ'ব খোজোঁ—দিবানে?

—মোৰ চুলি, নে মোৰ মূৰটো? কি কৰিবা?

—তুমি মোক মৰম কৰিছিলা তাৰ চিনস্বৰূপে এই হাৰগছ আৰু ডুগডুগিখন দিছিলা। ময়ো তোমাক যে ভাল পাওঁ, তাৰ চিনস্বৰূপে ৰাখিবলৈ।

—অ', তেনেহ'লে, কালি মই চুলি কাটিছিলোঁ, আগতে নক'লা কেলেই? বাৰু মোৰ সময় নাই, আহিলোঁ এতিয়া।

নিৰ্দয়, নিষ্ঠুৰ, কঠুৱা মনৰ মানুহ! কাৰ্লাইল ততাতৈয়াকৈ গুচি গ'লগৈ। বাৰবাৰাই হাত দুখনেৰে মুখখন ঢাকি মনৰ আৱেগতে কান্দিলে, আহা, মই কি কৰিলোঁ, তেওঁ ইমানেই উদাসীন স্বভাৱৰ নে? তেওঁৰ কি অলপো অন্তৰ নাই? বাৰু সময় আহিব।

বাৰবাৰাই তেনেকৈয়ে কান্দি থাকিল...

পাঁচ কি ছয়দিন পাছত কাৰ্লাইলৰ মহৰি ডিলে চিঠি এখন কৰ্ণিৰ ফালে আগ বঢ়াই দি ক'লে,—আইদেউ, এইখন আপোনাৰ চিঠি, মিঃ কাৰ্লাইলে লিখিছে চাগৈ।

আৰ্কিবল্ডে লিখিছে? কি লিখিছে? ঘৰলৈ অহাৰ কথা লিখিছে নে অইন কিবা? লগে লগে কৰ্ণিয়ে চিঠিখন ফালি পঢ়ি গ'ল—

কেছল মার্লিং
১লা মেই

চেনেহী বাইদেউ,

আজি ৰাতিপুৱা লেডী ইছাবেলৰ লগত মোৰ বিয়া হৈ গ'ল। লৰা-ঢপৰাকৈ তোমাক কথাটোহে জনালোঁ। কালি বা পৰহিৰ ডাকত তোমালৈ সবিশেষ লিখিম।

তোমাৰ মৰমৰ ভাইটি
আৰ্কিবল্ড কাৰ্লাইল

চিঠি পঢ়ি উঠি কৰ্ণিয়ে হুমুনিয়াহ ছাৰিলে আৰু একেবাৰে বিমৰিষ হৈ ক'লে,— নহয়, মিছা কথা, হ'বই নোৱাৰে। বিয়া নহয়, তোৰ মূৰ। মহামূৰ্খ দুষ্ট ল'ৰা। তই মোৰ আগত নোকোৱাকৈ বুদ্ধি কৰি বিয়া কৰাবলৈহে গৈছিলি? আৰু ছোৱালী পালিগৈ সেই লাহ-বিলাহৰ ৰাণী, সংসাৰৰ অপদাৰ্থ জীৱ, ৰাজকুঁৱৰী লেডী ইছাবেলকহে। ছিঃ ছিঃ, সংসাৰৰ অনভিজ্ঞ মূৰ্খ অবোধ ল'ৰা।

ডিলে অতপৰ টলকা মাৰি শিলৰ মূৰ্তিৰ দৰে থিয় হৈ থাকি লাহেকৈ ক'লে,— ময়ো এই বিষয়ে এখন চিঠি পাইছোঁ, আইদেউ—কথা মিছা নহয়, নিশ্চয় সঁচা। এই খবৰৰ কাগজতো উঠিছে, এই চোৱা। ডিলে এখন খবৰৰ কাগজ কৰ্ণিৰ হাতত দিলে। তাত লিখা আছিল—

১লা মে কেছল মাৰ্লিঙত ৰাজপুৰোহিত বিদ্যমানে ইষ্ট লিনৰ মিঃ আৰ্কিবল্ড কাৰ্লাইলৰ লগত মাউণ্ট চেভাৰ্ণৰ ৰজা স্বৰ্গীয় লৰ্ড উইলিয়ামৰ একমাত্ৰ জীয়েক লেডী ইছাবেল মেৰী ভেনৰ বিয়া হৈ গ'ল।

কৰ্ণেলিয়াই কাগজখন পঢ়ি টুকুৰা-টুকুৰকৈ ফালি পেলালে। আৰু ডিলৰ ফালে চাই কৈ গ'ল,—নহয়, মই তাক কেতিয়াও ক্ষমা নকৰোঁ, তাইকো ক্ষমা নকৰোঁ। মূৰ্খ বান্দৰ, সেই লাহ-বিলাহী ইছাবেলকহে পালেগৈ? আহক, বুঢ়ী বায়েকে এপালি দিহে এৰিম।

ডিলে মাত দিলে,—তেওঁ মূৰ্খ নহয়, আইদেউ।

—তাতোকৈ বেছি। সি পগলা। নষ্ট বুদ্ধিয়ে খালে। আহক—সি ক'ত থাকে দেখিম, তাক ইয়াত মোৰ ঘৰত ভৰি দিবলৈকে নিদিওঁ।

—বোধকৰোঁ তেওঁলোক ইষ্ট লিনত থাকিবহি।

—ইষ্ট লিনত? তাতো ভৰি দিবলৈকে নিদিয়ে বুঢ়ী বায়েকে। এইবুলি কৰ্ণি গৰজি উঠিল আৰু বুঢ়া ডিলক সুধিলে—তই তেনেহ'লে এইবোৰ কথা আগেয়ে জান?

—অলপো নাজানো, আইদেউ। ময়ো কথা শুনি বৰ আচৰিত হৈছোঁ আৰু দুখ পাইছোঁ।

—নহয়, তই সকলো কথা জান, নহ'লে সিহঁতে ক'ত থাকিবহি তই কেনেকৈ জানিলি, বান্দৰ? কথাৰ লগে লগে কৰ্ণিয়ে বুঢ়া ডিলক টান মাৰি ওচৰলৈ আনি দুয়ো হাতেৰে তাক খামোচ মাৰি ধৰি গাৰ বলেৰে জোকাৰিবলৈ ধৰিলে। বুঢ়া ডিলে—মই একো নাজানো, আইদেউ, মই শপথ খাব পাৰোঁ, আইদেউ, মোক দোষ নিদিবা, এৰি দিয়া—বুলি চিঞৰিবলৈ ধৰিলে। তেওঁ বুঢ়া ডিল বেচেৰাক পাৰেমানে জোকাৰি—যা বান্দৰ বুলি ঠেলা মাৰি বিদায় দিলে। বেচেৰা বুঢ়া মানুহ—কঁপি কঁপি ওলাই গ'ল।

এঘণ্টামান পাছতে কৰ্ণেলিয়া মিছ বাৰবাৰাৰ ঘৰত উপস্থিত হ'লগৈ। তেওঁ জানে যে বাৰবাৰাই কাৰ্লাইলক অন্তৰেৰে বৰ ভাল পায় আৰু কাৰ্লাইলক স্বামীৰূপে পাবলৈও আশা পুহি আছে। কৰ্ণেলিয়াৰো তাত সম্পূৰ্ণ মত আছে। এই নিদাৰুণ খবৰ বাৰবাৰাক কওঁ বুলিয়েই কৰ্ণিৰ হেয়াৰ পৰিয়ালৰ ঘৰলৈ আগমন। বাৰবাৰাই কৰ্ণিক দেখিয়েই আচৰিত হৈ সুধিলে—অসময়ত কিয় আহিলা, বাইদেউ? কাৰোবাৰ কিবা অসুখ হৈছে, নাইবা কিবা অঘটন ঘটিল?

—মোৰ কোনো অসুখ হোৱা নাই সঁচা কিন্তু মনত বৰ সাংঘাতিক আঘাত পালোঁ, বাৰবাৰা, কথা শুনি বিচুৰ্তি খালোঁ। তুমি এতিয়াও শুনা নাইনে?

—কি কথা, বাইদেউ? একো শুনা নাই।

—বোধহয় তোমাৰ লেডী ইছাবেলৰ কথা মনত আছে?

—এৰা আছে, তেওঁৰ কি হ'ল?

—কি হ'ল! কাৰ্লাইলে তাইক বিয়া কৰালে।

বাৰবাৰা বিবৰ্ণ হ'ল। বজ্ৰ পৰা মানুহৰ নিচিনা কিছু সময় নিশ্চল, নিমাত থাকি কৈ উঠিল—নিশ্চয় মিছা কথা।

—নহয়, একেবাৰে খাঁটি সঁচা। সিহঁতৰ কালি বিয়া হৈ গৈছে কেছল মাৰ্লিঙত। এই কথাৰ আগেয়ে ভু পোৱা হ'লে নিশ্চয় তালৈ গৈ এই বিয়া ভাঙিলোঁহেঁতেন। ময়ো তোমাৰ নিচিনা প্ৰথমতে বিশ্বাস কৰা নাছিলোঁ। কিন্তু চিঠি-পত্ৰ পোৱা গৈছে, খবৰৰ কাগজতো প্ৰকাশ হৈছে। এতিয়া একো উপায় নাই, বাৰবাৰা।

বাৰবাৰাই কথা শুনি থিৰেৰে থাকিব নোৱাৰি,—মাই কিবা খুজিছিল, চাকৰ এটাক মাতি আহোঁ—বুলি কৈ তেওঁ আন কোঠালী এটাত সোমালগৈ।

শোবনি ঘৰত সোমাই বাৰবাৰা মজিয়াতে অচেতন হৈ বাগৰি পৰিল। তেওঁৰ মনৰ সন্দেহ গুচিল। তেওঁ এতিয়া পৰিষ্কাৰকৈ বুজিলে যে তেওঁ ইমানদিন মিছাকৈহে

কাৰ্লাইলৰ প্ৰতি আশা-মৰিচীকা পুহিছিল, কিন্তু কাৰ্লাইলে হ'লে অলপো সেইফালে ভ্ৰূক্ষেপ কৰা নাছিল। যোৱা ৰাতি বাৰবাৰা সুখৰ সপোনত উটি-ভাহি ফুৰি ওৰে নিশা উজাগৰে কটাইছিল আৰু সেই নিশাই তেওঁৰ মনে-পতা প্ৰেম পূজাৰীৰ বিয়া। নিৰাশাৰ হুমুনিয়াহ কাঢ়ি হাত দুখন ওপৰলৈ তুলি তেওঁ চকু মুদি লৈ ভাবিলে যে তেওঁৰ সুখৰ সপোন ভাগিল। ঘৰৰ ভিতৰত হা-হুমুনিয়াহৰ কঁপনি শুনি এজনী লিগিৰী আহি দেখে যে বাৰবাৰা মজিয়াতে অচেতন হৈ দীঘল দি পৰি আছে। তাই ভাবিলে—কিবা মনৰ বেজাৰতে পৰি আছে; শৰীৰৰ অসুখ হোৱা নাই। তাই মিছাতে আমনি নকৰি দুৱাৰখন লাহেকৈ জপাই ওলাই গ'ল।

মানুহৰ ভৰিৰ শব্দ শুনি বাৰবাৰাই সাৰ পালে—জ্ঞান হ'ল। তেওঁ উঠি বহিল; পানী এগিলাছ খাই থিয় হৈ কানি-কাপোৰ চম্ভালি ল'লে। কিন্তু পাছ মুহূৰ্ততে আকৌ আৰম্ভ কৰিলে,—সিজনীৰ লগত বিয়া! আৰু ইজনী! মই হতভাগিনী! পোৰা কপাল! বিধাতা মোক মাৰি নিয়া!

এইবাৰ বাৰবাৰাই নিজৰ ঢাৰি-পাটীৰ আশ্ৰয় ল'লেগৈ। ইপিনে খবৰৰ কাগজত মিঃ কাৰ্লাইলৰ লগত লেডী ইছাবেলৰ বিয়াৰ কথা পঢ়ি লৰ্ড ভেন আচৰিত হৈ খঙতে জ্বলি-পকি উঠিল। তেওঁ সেইদিনাই লণ্ডনলৈ আহিল। জানিলে যে কাৰ্লাইল আৰু ইছাবেল লণ্ডনতে কেইদিনমান আছেহি। বিচাৰি বিচাৰি তেওঁ লেডী ইছাবেলক এখন হোটেলত পালেগৈ—তেওঁ বহি আছিল, কাৰ্লাইল কোনোবা ফালে ওলাই গৈছিল। লৰ্ড ভেনে ইছাবেলক দেখি একেবাৰেই তেওঁৰ ওচৰলৈ গৈ সুধিলে,—এইবোৰ কি কথা, ইছাবেল? তোমাৰ হেনো বিয়া হৈ গ'ল? ইছাবেলে লৰ্ড ভেনক মূৰ দোঁৱাই অভিবাদন কৰি ক'লে,—হয়, কেইদিনমান আগতে বিয়া হৈ গ'ল। লৰ্ড ভেনে ঘৃণাৰ সুৰেৰে ক'লে,—সেই উকীলৰ ল'ৰা কাৰ্লাইল উকীলৰ লগত? ভাল নকৰিলা, ইছা, ভাল নকৰিলা। বাৰু, এইবোৰনো কেনেকৈ হ'লগৈ?

ইছাবেলে ভাবি-চিন্তি সৰলভাৱে কৈ গ'ল—তেওঁ বিয়াৰ প্ৰস্তাৱ কৰিছিল, ময়ো সম্মতি দিলোঁ। তেওঁ ইষ্টাৰৰ সময়ত ইয়ালৈ আহিছিল আৰু বিয়াৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। কথা শুনি মই প্ৰথমতে অবাক হৈছিলোঁ।

লৰ্ড ভেনে ইছাবেলৰ ফালে খুব মনোযোগেৰে চাই সুধিলে,—তেনেহ'লে ইমানদিনে মোক এই কথা কিয় জনোৱা নাছিলা?

—আপুনি যে এই কথাৰ সম্ভেদ নাপায় মই ক'ব নোৱাৰোঁ। আপুনি ইয়াত সম্মত থকা বুলিয়ে মোৰ বিশ্বাস। কাৰণ লেডী ভেন আৰু মিঃ কাৰ্লাইলে আপোনালৈ চিঠি লিখিছিল।

লৰ্ড ভেনে পুৰণি কথাবোৰ ঘাটিবলৈ ধৰিলে আৰু নিজে নিজে ক'লে,—মই অনুমান কৰোঁ কার্লাইলক যে তোমাৰ পিতাৰাই সদায় ইষ্ট লিনলৈ মাতি নিছিল সেয়ে ইয়াৰ মূল কাৰণ। তুমি তেতিয়াই কার্লাইলৰ প্রেম-জালত পৰিছিলা।

ইছাবেলে টপৰাই কৈ উঠিল—নহয়, বাস্তৱিকে সেইটো নহয়। মই মিঃ কার্লাইলৰ প্রেম-ফান্দত পৰিম এই কথা ভবাই নাছিলোঁ।

—তেনেহ'লে তুমি কার্লাইলক ভাল নোপোৱা?

—ভাল পাওঁ, কিন্তু তেনে আসক্ত হোৱা নাই। তেওঁক মোৰ বৰ ভাল লাগে বাস্তৱিকে—তেওঁৰে সৈতে কথা পাতি, থাকি-মেলি বৰ ভাল লাগে। বিশেষকৈ তেওঁ মোৰ প্রতি বৰ দয়ালু—তেওঁ মোক বিপদত প্রভূত উপকাৰ কৰিছে। তেওঁক স্বামীৰূপে পাবলৈ মোৰ প্রাণৰ টান নাছিল।

লৰ্ড ভেনে ভাবি ভাবি ঠিক কৰিছিল যে ইছাবেল কার্লাইলৰ প্রেমত পৰিছিল আৰু সেইবাবেই ইমান লৰাঢপৰাকৈ বিয়াত সোমাইছিল। কিন্তু ইছাবেলৰ কথাই তাক নক'লে। তেওঁ আকৌ সুধিলে,—বাৰু, যদি তুমি কার্লাইলক ভাল নোপোৱা, কেৱল ভালহে লাগে, তেন্তে তুমি আন কাৰোবাক ভাল পোৱা?

কথা শুনি ইছাবেলে ৰঙা পৰি উঠি ক'লে,—সময়ত মই মোৰ স্বামী দেৱতাক ভাল পাম।

—দুর্ভগীয়া ছোৱালী! কেইমিনিটমান নিমাত থাকি তেওঁ আকৌ সুধিলে,—মই যোৱাৰ পাছত কেছল মার্লিঙলৈ কোন কোন আহিছিল?

—মিছেছ লেভীছন।

—নহয়, কোন কোন ডেকা মানুহ তাত গোট খাইছিলহি?

—ফ্রান্সিছ লেভীছন মাত্র আহিছিল আৰু কেও নাই।

—ফ্রান্সিছ লেভীছন! আহা! কি কৰিলা ইছাবেল! কি কুক্ষণত তুমি তাৰ প্রেম-কটাক্ষত পৰিছিলা?

ইছাবেল নির্বাক নিস্পন্দ হৈ তললৈ মূৰ কৰিলে। লৰ্ড ভেনে ডাঙৰ চকু দুটা তেওঁৰ ওপৰত ৰাখি গম্ভীৰভাৱে কৈ গ'ল—ইছাবেল, কেপ্টেন লেভীছন ভাল মানুহ নহয়, সি এজন দুশ্চৰিত্র লম্পট ডেকা। যদি তুমি তাক তোমাৰ অন্তৰৰ চুকত ঠাই দিছা, তেন্তে অতি শীঘ্রে তাক মনৰপৰা খেদি পেলোৱা; তাৰপৰা সদায় আঁতৰত থাকিবা, তাৰ লগত কথা-বার্তা, ফুৰা-চকা এৰি দিবা। তাৰ লগত কোনো ৰকমৰ ঘনিষ্ঠ সম্বন্ধ নাৰাখিবা—সাৱধান।

ইছাবেলে উত্তৰ নৌ দিওঁতেই কার্লাইল ভিতৰলৈ সোমাই আহিল আৰু লৰ্ড

ভেনক অভিবাদন জনাই হাতখন আগ বঢ়াই দিলে। লৰ্ড ভেনে দেখিও নেদেখিলে। তেওঁ ইছাবেলক ক'লে,—ইছাবেল, তোমাক আঁতৰাবলৈ বেয়া লাগে কিন্তু ইয়াৰ বাহিৰে বেলেগ ঘৰো নাই। মই কাৰ্লাইলৰ লগত কথাচেৰেক কওঁ, তুমি অলপ বাহিৰলৈ যোৱাগৈ।

ইছাবেল ওলাই গ'ল। লৰ্ড ভেনে চকু ৰঙা কৰি বজ্ৰগম্ভীৰ স্বৰে আৰম্ভ কৰিলে,—এই বিয়া কেনেকৈ ঘটিল, ডাঙৰীয়া? ইমানেই লাজ নোহোৱা যে মোৰ অনুপস্থিতিৰ চেগ বুজি তুমি মোৰ ঘৰত অনধিকাৰ প্ৰৱেশ কৰি লেডী ইছাবেলৰ মন ঘূৰাই শেহত বিয়া কৰালা?

কাৰ্লাইল নিস্তব্ধ হ'ল। খন্তেকতে তেওঁৰো কাণ-মূৰ ৰঙা পৰি উঠিল আৰু নিজক ভালকৈ চম্ভালি লৈ ক'বলৈ ধৰিলে—লৰ্ড, মই আপোনাৰ কথা একো বুজি পোৱা নাই।

—বাৰু, বুজাই কওঁ শুনা। অভিভাৱকৰ অনুপস্থিতিৰ সুযোগ লৈ এজনী গাভৰু ছোৱালীক ফান্দত পেলাই বিয়া কৰোৱা অশোভন কথা নহয়নে?

—মই লেডী ইছাবেলৰ প্ৰতি কোনো অশোভন কাম কৰা নাই, বৰং ইছাবেলৰ মান-গৌৰৱহে ৰক্ষা কৰিছোঁ। আপুনি কিবা শুনি ভুল বুজিছে।

—মই একো শুনাই নাই। মই একো সম্ভেদ নাপাওঁ—খবৰৰ কাগজত পঢ়িহে এই কথা জানিলোঁ।

—কেলেই? যেতিয়া মই বিয়াৰ প্ৰস্তাব উত্থাপন কৰোঁ?

—এমাহমান আগেয়ে?

—এৰা এমাহমান আগেয়ে। তেতিয়াই মই আপোনালৈ সবিশেষ জনাই এখন চিঠি লিখিছিলোঁ। মই আপোনাৰ ঠিকনা নাজানো দেখি লেডী ভেনৰ হাতত চিঠিখন দিছিলোঁ। তেওঁ চিঠিখন পঠাম বুলি অঙ্গীকাৰ কৰিছিল। কিন্তু মই একো উত্তৰ নাপাই সোধাত তেওঁ কৈছিল যে আপুনি আমাৰ বিয়াত সম্মত আছে।

—এয়ে নে ঘটনা?

কাৰ্লাইলে নম্ৰভাৱে কৈ গ'ল,—লৰ্ড, আপোনাৰ মনত মই দোষী হ'ব পাৰোঁ, কিন্তু মই হ'লে তেনেই নিৰ্দোষ—সঁচা কৈছোঁ। আপুনি যে এই বিয়াৰ কথা ঘুণাক্ষৰেও নাজানে, এনে ধাৰণা মোৰ মনত এই মুহূৰ্ত পৰ্য্যন্ত উদয় হোৱা নাছিল।

—এয়ে? তেনেহ'লে ক্ষমা কৰিবা, মি০ কাৰ্লাইল। মুঠতে এই বিয়াখন কেনেকৈ হ'ল? এনে তত্তাতৈয়াকৈ বিয়াখন পতাৰ উদ্দেশ্য কি ভাণ্ডি-পাতি মোক কোৱা। ইছাবেলে কৈছে যে তুমি ইষ্টাৰৰ সময়ত বিয়াৰ প্ৰস্তাব কৰিছিলাহি, তাৰ তিনি সপ্তাহ পাছতে—ইয়াৰ কাৰণ কি?

—সম্ভৱ হোৱা হ'লে যিদিনাই বিয়াৰ প্ৰস্তাৱ কৰিছিলোঁ সেইদিনাই বিয়া কৰাই ইছাবেলক লৈ গ'লোঁহেঁতেন—কেৱল মাৰ্লিঙৰপৰা। মই সদায় তেওঁৰ সুখ-স্বচ্ছন্দতাৰ ফালে চকু ৰাখিয়েই চলিছোঁ।

—তাৰ উদ্দেশ্য? আশাকৰোঁ বিৱৰি ক'বা।

—লৰ্ড, কথা শুনি ভাল নালাগিব—জানোচা বেজাৰ পায়?

—বাৰু কোৱা, এবাৰ বিচাৰ কৰি চাওঁ।

—শুনক তেনেহ'লে—বুলি কাৰ্লাইলে ধৈৰ্য্য ধৰি আৰম্ভ কৰিলে—কোনো বিশেষ কামত ইষ্টাৰৰ সময়ত (শুক্ৰবাৰ) মই কেৱল মাৰ্লিঙলৈ গৈছিলোঁ। পাছদিনাখন আপোনাৰ আৰু ইছাবেলৰ কথা মনত পৰাত মই আপোনালোকৰ ঘৰলৈ গৈছিলোঁ। দেখিলোঁ গৈ যে ইছাবেল আপোনাৰ ঘৰত সুখেৰে থাকক ছাৰি কুব্যৱহাৰ আৰু অত্যাচাৰ উৎপীড়নত জৰ্জৰিত হৈ পৰিছিল।

—কি ডাঙৰীয়া, কুব্যৱহাৰ আৰু উৎপীড়ন!

—সেয়ে নহয় লৰ্ড, এনেকি মাৰ-পিটৰো বাকী থকা নাছিল।

লৰ্ড ভেন নিৰ্বাক-নিস্পন্দ শিলৰ মূৰ্তিৰ দৰে থিয় দি কাৰ্লাইলৰ ফালে চাই থাকিল। কাৰ্লাইলে নিজৰ ক'বলগীয়া কৈ গ'ল,—মই এই কথা আপোনাৰ নয়নৰ পুতুলা সৰু ল'ৰাটিৰপৰা জানিলোঁ। ইছাবেলে প্ৰথমতে একো কোৱা নাছিল। ল'ৰাটোৰ আধা ভগা কথা ভালকৈ বুজিব নোৱাৰি বাৰে বাৰে সোধাত ইছাবেলে আঁসে মাতিব নোৱাৰিলে। তেওঁৰ অন্তৰ একেবাৰেই ভাগি গৈছিল, তেওঁৰ অৱস্থা দেখি সহ্য নহ'ল। মোৰ মনত ঘৃণাৰ উদ্ৰেক হ'ল। তেওঁক তেতিয়াই সেই অত্যাচাৰ-উৎপীড়নৰ হাতৰপৰা ৰক্ষা কৰিবলৈ দৃঢ় সঙ্কল্প হ'লোঁ। কিন্তু পৰৰ গাভৰু ছোৱালী, বিশেষকৈ অভিভাৱক অনুপস্থিত, লোকে কি নুবুলিব? ইয়াৰ আগেয়ে ইছাবেলক মই স্ত্ৰীৰূপে পাবলৈ কেতিয়াও কামনা কৰা নাছিলোঁ। আপদ-বিপদত যি পাৰোঁ সহায়হে কৰিছিলোঁ। কিন্তু এতিয়া বৰ্তমান মুহূৰ্তত ভাবি-চিন্তি থিৰ কৰিলোঁ বিবাহিতা স্ত্ৰীৰূপে ইছাবেলক ৰক্ষা নকৰিলে আৰু আন উপায় নাই।

লৰ্ড ভেনে লাহে লাহে সকলো কথা বুজিলে—মনৰ ভাবো পাতল হ'ল। তেনেহ'লে মিঃ কাৰ্লাইল, তুমি মোৰ ঘৰলৈ যাওঁতে বিয়া-বাৰুৰ কথা একো ভবা নাছিলা?

—নিশ্চয় নাই। মোৰ তেনে কোনো অভিপ্ৰায় নাছিল। ইছাবেলৰ দুৰৱস্থা দেখিহে হঠাৎ তেনেকুৱা কথা উত্থাপন কৰা হ'ল, অৱস্থা দেখি ব্যৱস্থা কৰা গ'ল।

লৰ্ড ভেনে হাত মোহাৰি কোঠালীটোৰ ইফালে-সিফালে অহা-যোৱা কৰি হঠাৎ সুধিলে—তুমি তাইক ভাল পোৱানে?

কাৰ্লাইলে অলপ ভাবিলে—মুখখন ৰঙা পৰিল। শেহত ক'লে—লৰ্ড মাউণ্ট চেভাৰ্ণ, মানুহে মানুহৰ আগত সেইবোৰ কেতিয়াবা স্বীকাৰ কৰেনে? সুধিছে যেতিয়া কওঁ—মই ইছাবেলক সঁচাকৈয়ে অন্তৰেৰে সৰলভাৱে ভাল পাওঁ। মই তেওঁক ইষ্ট লিনত থাকোঁতেই ভাল পাইছিলোঁ আৰু সেই ভালপোৱাৰ কথা জীৱনৰ শেষ পৰ্য্যন্ত কাৰো আগত বিদিত নকৰিলোঁহেঁতেন, কিন্তু কেছল মাৰ্লিঙত তেওঁৰ অৱস্থা দেখিহে ব্যৱস্থা কৰা গ'ল। বাৰু যাওক সেইবোৰ কথা, এতিয়া লেডী ইছাবেলৰ প্ৰতি মোৰ কিবা অশোভন ব্যৱহাৰ কৰা হ'লনে? ইছাবেলৰ কিবা অন্যায় কৰা হ'লনে?

লৰ্ড ভেনে নিজৰ হাতখন আগ বঢ়াই দি ক'লে,—মিঃ কাৰ্লাইল, তোমাক ভুল বুজি মই দোষ কৰিলোঁ, ক্ষমা কৰিবা। তুমি ইছাবেলৰ প্ৰতি অসীম দয়া আৰু গৌৰৱৰ কাম কৰিছা—লগে লগে মোৰো মান ৰাখিছা। তোমাৰ ব্যৱহাৰত মই বৰ সন্তোষ পালোঁ, আশা কৰোঁ মোৰ সকলো দোষ ক্ষমা কৰিবা। তোমালোকক ভগৱানে সুখে-সন্তোষেৰে ৰাখক—এয়ে মোৰ শুভ ইচ্ছা। এতিয়া বিদায়, মিঃ কাৰ্লাইল।

লৰ্ড ভেনে যাবলৈ ওলাই ইছাবেলক ওচৰলৈ মাতি ক'লে,—ইছাবেল, মই আজি ৰাতিপুৱাই লৰাঢপৰাকৈ নাজানি-নুশুনি তোমাৰ গিৰীয়েৰাক গালি-শপনি পাৰিম বুলি ভাবি আহিছিলোঁ। কিন্তু এতিয়া সকলো কথা বুজিলোঁ—মই দোষী। মই তেওঁক মান-সন্মান শ্ৰদ্ধা জনাই উভতিলোঁ। তেওঁ এজন পৰম উদাৰ দয়ালু পুৰুষ, মহানুভৱ। আশীৰ্বাদ কৰোঁ তুমি পতিব্ৰতা, কৰ্ত্তব্যপৰায়ণা আৰু বিশ্বাসী হৈ তেওঁৰ অঙ্ক শোভা কৰি থাকিবা, নিজৰ গৌৰৱ অটুট ৰাখিবা।

ইছাবেলে মূৰ দোঁৱাই ক'লে,—নিশ্চয়, দেউতা, নিশ্চয়।

কাৰ্লাইল আৰু ইছাবেলৰ সুখৰ পথত প্ৰতিবন্ধক হ'বৰ নিমিত্তেই ৱেষ্ট লিনৰ ঘৰ-দুৱাৰ ভেৰোণীয়াকৈ দি মিছ কাৰ্ণিয়ে ইষ্ট লিনত কাৰ্লাইলে নতুনকৈ কিনি লোৱা হাবিলাসৰ ঘৰত বাহ ল'লেগৈ। কৃপণ স্বভাৱা কৰ্ণিয়ে আগৰ পুৰণি চাকৰ এটা, লিগিৰী এজনী আৰু কাৰ্লাইলে ইষ্ট লিনৰ নিমিত্তে ৰাখি থৈ যোৱা নতুন চাকৰ এটা ৰাখি বাকীবোৰক বিদায় দিলে।

বিয়াৰ এমাহমান পাছত এদিন শুক্ৰবাৰে মিং কাৰ্লাইল আৰু তেওঁৰ পত্নী মিছেছ ইছাবেল কাৰ্লাইল ইষ্ট লিনৰ ঘৰ পালেহি। কৰ্ণিয়ে আগতে খবৰ পাইছিল আৰু তেওঁলোক নৱদম্পতীৰ আগমন দেখি চ'ৰাঘৰলৈ ওলাই গৈ দুয়োকে আদৰি সম্ভাষি আগ বঢ়াই আনিলে—মুখত হাঁহি কিন্তু অন্তৰত গৰল লৈ। ইছাবেলৰ লাহ-বিলাহ দেখি তেওঁৰ চকুৰে জুই ওলাল। কাৰ্লাইলে ইছাবেলৰ হাতত ধৰি ঘৰত সোমালগৈ। তেওঁ বায়েকক দেখি ক'লে,—তুমিও ইয়ালৈ আহিছা, বাইদেউ! কেনে আছা? ইছাবেল, এৱেঁই মোৰ বাইদেউ মিছ কৰ্ণি।

ইছাবেলে হাতখন আগ বঢ়াই দিলে, কৰ্ণিয়ে ইছাবেলৰ লনি হাতৰ কোমল আঙুলিকেইটাত টিপা মাৰি দি বিদ্ৰূপৰ সুৰেৰে ক'লে,—মেডাম, আশা কৰোঁ ভালে ভালে আহিছা, বাটত কোনো অসুবিধা-কষ্ট পোৱা নাইতো? কাৰ্লাইল কিবা কামত ঘৰৰপৰা ওলাই গ'ল। কৰ্ণিয়ে ইছাবেলক চ'ৰাঘৰলৈ লৈ গ'ল আৰু আগৰ নিচিনা বিদ্ৰূপৰ সুৰেৰে ক'লে,—মেডাম, ওপৰত শোৱনি ঘৰলৈ গৈ কাপোৰ-কানি সলাই আহাগৈ, খাবৰ সময় হয় এথোন। ইছাবেলে কৰ্ণিক ধন্যবাদ জনাই ক'লে,—বাৰু, মই শোৱনি ঘৰলৈ যাওঁগৈ, কিন্তু মই একো নাখাওঁ; ভোক নাই, মই খাই বৈ আহিছোঁ।

—কেলেই? তেনেহ'লে কি খাবা?

—যদি অনুগ্ৰহকৈ দিয়া তেন্তে চাহ অলপ দিবা—বৰ পিয়াহ লাগিছে। কৰ্ণেলিয়া উচাপ খাই উঠিল, ক'লে,—চাহ! এই অসময়ত চাহ? এই ৰাতি ১১ বজাত চাহ খালে তোমাৰ অলপো টোপনি নাহিব, মেডাম। বোধকৰোঁ তপতোৱা পানীও নাই।

—বাৰু, তেনেহ'লে নালাগে, আৱশ্যক নাই। মিছাতে তোমালোকক কষ্ট নিদিওঁ।

কৰ্ণেলিয়া ওলাই গ'ল। বাটতে মাৰ্ভেল নামৰ লিগিৰীজনীক লগ পাই কিছু পৰ দুয়ো মুখ-চুপতি কৰিলে। ইপিনে মিছেছ ইছাবেল কাৰ্লাইল ওৰফে ইছাবেলে চ'ৰা ঘৰতে চকী এখনত বহি উচুপি উচুপি কান্দি থাকিল। তেওঁৰ কেইমাহমান আগতে এৰি থৈ যোৱা ইষ্ট লিনলৈ আহি নিজৰ ঘৰ যেন নালাগিল—মন কেনেবা যেন লাগিল।

এনেতে কার্লাইল ভিতৰলৈ আহি ইছাবেলক বিমৰিষ হৈ চকুলো টুকি থকা দেখি সুধিলে,—কি হৈছে, মইনা?

—মোৰ বৰ ভাগৰ লাগিছে। ইয়ালৈ আহি পিতাৰ কথা মনত পৰিছে। মোক শোৱনি ঘৰ দেখাই দিয়া, মই শোওঁগে।

কর্লাইলে ইছাবেলক বাহুৰ মাজত লৈ গৈ শোৱনি ঘৰত সোমাল। দেখে যে ঘৰবোৰ বৰ অপৰিষ্কাৰ, যেনি তেনি কাকতৰ টোপোলা, গোবৰ-জাবৰ পৰি আছে—চাকৰহঁতৰ ওপৰত তেওঁৰ খং উঠিল। ইছাবেলে হুমুনিয়াহ ছাৰি—বৰ ভাগৰ লাগিছে আর্কিবল্ড—বুলি কৈয়ে কার্লাইলৰ গাতে ঢলি পৰিল। তেওঁ পাটীত বহি আলফুলকৈ ইছাবেলৰ মূৰটো কোলাত সুমুৱাই লৈ গা-মূৰ পিহি সান্ত্বনা দি থাকিল।

কিছু বেলিৰ মূৰত কার্লাইলে সুধিলে,—কি খাবা, ইছা মইনা? অলপ চাহ খাবা নে? ইছাবেলে কর্ণেলিয়াৰ কথা মনত পেলাই ধন্যবাদ দি ক'লে,—নহয়, একো নালাগে।

—কিন্তু তুমি অলপ নহয় অলপ কিবা পানীয় খাদ্য খোৱা উচিত, কাৰণ তুমি কৈছিলা তোমাৰ হেনো পিয়াহ লাগিছিল।

—বাৰু, পানী অলপ হ'লেই হ'ব। পানীয়ে ভাল,—মার্ভেলে দিবহি। কার্লাইলে বায়েকক বিচাৰি ওলাই গ'ল। মার্ভেলে তাইৰ মিষ্ট্রেছ ইছাবেলৰ ওচৰলৈ আহি তেওঁৰ কাপোৰ-কানি সলাই দিলে আৰু লগে লগে তাল-আফাল লগালে। কাৰণ তাইৰ মিষ্ট্রেছৰ ওচৰত থাকিবলৈ ওপৰ তালাৰ বাবে কোনো সুকীয়া লগুৱা-লিগিৰী, দুৱৰী-প্রহৰী নাই। তাই এনে বন্দবস্ত কোনো ডাঙৰ মানুহৰ ঘৰতে দেখা নাই। তাতে আকৌ কর্ণেলিয়াৰ লগতো অলপ আগেয়ে তাইৰ এজাউৰি বাক-বিতণ্ডা হৈ গ'ল। ইছাবেলৰ সকলো বস্তু-বেহানি ভালকৈ গত লগাই এটাই তাই ৰাতিৰ নিমিত্তে বিদায় মাগি ক'লে,—আৰু কিবা লাগিবনে, মেডাম?

—নালাগে, তই যাগৈ। মার্ভেল গুচি গ'লগৈ। ইছাবেলে কিতাপ এখন হাতত লৈ বিষাদ মনেৰে বহি থাকিল।

কার্লাইলে বাঘিনী বায়েকক বিচাৰি উলিয়ালেগৈ। সুধিলে,—কর্ণি বাইদেউ, এইবোৰ কি? মোৰ চাকৰবোৰ ক'লৈ গ'ল, এটাও দেখোন নাই? তোমাৰহে দেখোন দুটামান আছে, ইয়াৰ কাৰণ কি?

কর্ণেলিয়াই সেই তেজাল খঙাল মূর্তিৰেই উত্তৰ দিলে—গুচি গৈছে।

—গুচি গৈছে? কি কাৰণে? সিহঁত বেছ উপযুক্ত চাকৰ আছিল।

—উপযুক্তৰো বেছি আছিল। কেৱল বহি বহি খাব, কাম-কাজ একো নকৰিব,—ধোদবোৰ।

—বাৰু, সিহঁতে কি বেয়া কাম কৰিছিল, সিহঁতৰ অপৰাধ?

কৰ্ণেলিয়াই সুৰ বদলাই সুধিলে,—আৰ্কিবল্ড, তোক কিহে পালে যে এনেকুৱা মূৰ্খালি কৰিবলৈ গৈছিলি? যদি বিয়াই কৰ, তেন্তে তোৰ সমান অৱস্থাৰ নিজ সমাজৰ ছোৱালীৰ আকাল পৰিছিলনে? কাৰ্লাইলে বাধা দি ক'লে,—ৰ'বা, সেইবোৰ পাছে-পৰেও ক'বা, সেই বিষয় সবিশেষ তোমালৈ লিখিছিলোঁ। এতিয়া চাকৰৰ বিষয় কোৱা। মোৰ চাকৰবোৰ ক'লৈ গ'ল? কি কৰিলা?

—মই সিহঁতক খেদি পেলাইছোঁ। ইমানবোৰ চাকৰনো কেলেই? তিনিটা চাকৰ আছে, মই আছোঁ আৰু মেডামেও এজনী সুন্দৰী লিগিৰী আনিছে; এই হ'ল পাঁচজন আৰু কেলেই লাগিছে মিছামিছি খৰচ বঢ়াব? ময়ো ইয়াতেই থাকিম।

কাৰ্লাইলৰ সকলো আশা-ভৰসা মাটি হ'ল। এই বাঘিনী কৃপণস্বভাৱা কৰ্ণেলিয়াৰপৰা যিমানে আঁতৰিব খোজে, সিমানে তেওঁ ওচৰহে চাপে। তিৰি-মুনিহ হাল সুখ-সন্তোষেৰে ইষ্ট লিনত থাকিব পাৰিম বুলি আশা কৰিছিল। কিন্তু বাঘিনীৰ হাতৰপৰা উদ্ধাৰ পোৱা টান হ'ল। যাকে আঁতৰাব খোজে সেয়ে পিছ নেৰা হ'ল। তেওঁ আচৰিত হৈ সুধিলে,—কেলেই, তোমাৰ ৱেষ্ট লিনৰ ঘৰ-দুৱাৰ?

—ভেৰোণীয়াকৈ দিলোঁ। মই তাত অকলে নাথাকোঁ। আৰ্কিবল্ড, মোক তুমি ইয়াৰপৰা খেদি পথৰ ভিখাৰী কৰিব নোৱাৰা। দুঠাইত দুখন ঘৰ চলোৱাত বহুত খৰচ হ'ব। তোমাৰ স্ত্ৰী ইয়াৰ গৃহিণী হ'ব, মোৰ কোনো হাত নাই; মই বান্দী বেটীৰ দৰে কাম কৰিম; অৱশ্যে তোমাৰ যাতে অপব্যয় খৰচ নহয় তাৰ বাবে চকু ৰাখিম, চেষ্টা কৰিম; আৰু বিশেষকৈ তোমাৰ আলাসৰ লাৰু লাহ-বিলাহৰ ৰাণী ইছাবেল একেবাৰে কম বয়সীয়া ছোৱালী,—তেনেই কেঁচা, আজলী। তাই সংসাৰৰ আও-ভাও কি বুজিব? এতেকে মই ইয়াত থাকিম আৰু তাইক সকলো শিকাই বুজাই দিম।

কৰ্ণেলিয়াৰ গৃহস্থী চলোৱা উপদেশপূৰ্ণ কথাবোৰ শুনি কাৰ্লাইলৰ মনত অলপ ভাল লাগিল হয়, কিন্তু ইছাবেলৰ লাহ-বিলাহত, সুখ-স্বচ্ছন্দতাত পদে পদে বাধা পৰিল, চিৰকাল পৰিবও সন্দেহ নাই—এই বাঘিনী জীয়াই থাকে মানে। চাকৰৰ কথা মনত কৰি কাৰ্লাইলে আকৌ ক'লে—

—কিন্তু বাইদেউ, মোৰ চাকৰৰ আৱশ্যক; মোৰ ইচ্ছা মতে চাকৰ ৰাখিম। মই মোৰ লাহৰী ইছাবেলক কোনো অসুবিধা কষ্ট ভোগ কৰিবলৈ দিব নোৱাৰোঁ; তেওঁ যাতে আপোন মনেৰে সুখে থাকে তাৰ বাবে অহোপুৰুষাৰ্থ কৰিম।

কৰ্ণেলিয়াই চকু পকাই ক'লে,—এই তিৰিয়ে তোক খালে, আৰ্কিবল্ড।

কাৰ্লাইলে এগিলাছ মদ হাতত লৈ ইছাবেলৰ শোৱনি ঘৰত সোমালগৈ। কৰ্ণেলিয়াই নিজে নিজে কৈ উঠিল,—নষ্ট হ'ল এই মূৰ্খটো। তাক লাহ-বিলাহৰ ৰাণী ইছাবেলে খাব—সৰ্বস্বান্ত কৰিব।

কৰ্ণেলিয়াৰপৰা ইছাবেলে কোনো ভাল ব্যৱহাৰ নোপোৱা হ'ল। প্ৰত্যেক কামতে প্ৰত্যেক বিষয়তে কৰ্ণেলিয়াৰ আৰু নৱ-দম্পতীৰ খুঁটি-নাটি লাগিবলৈ আৰম্ভ হ'ল। ইছাবেলৰ ভাল নালাগিল; তেওঁৰ মন ক্ৰমে আন্ধাৰে ঢাকি আনিবলৈ ধৰিলে। কাৰ্লাইল ঘৰত নাথাকিলে তেওঁ যেন খন্তেকো ঘৰখনত নাথাকিব—যিখন ঘৰ তেওঁ এৰি যাবলৈ সত নুফুৰিছিল, চকুলো টুকি টুকি ২।৪ মাহ আগতে হতাশাৰ মাজত এৰি গৈছিল, যিখন ঘৰক তেওঁ নন্দন পাৰিজাতেৰে শোভিত ইন্দ্ৰৰ অমৰাৱতী তুল্য জ্ঞান কৰিছিল—তাতে আকৌ আহি কাৰ্লাইল হেন মহানুভৱ পুৰুষ এজনৰ লগত স্ত্ৰীৰূপে থাকিবলৈ পাই—সেই সোণৰ পুৰী ঘৰখন তেওঁৰ মনত কিবা কিবা যেন লাগিল। তেওঁৰ হাবিলাসৰ ইষ্ট লিন উদং উদং যেন লাগিল।

চাহ খোৱাৰ পাছত কাৰ্লাইল ওলাই গ'ল।

ইছাবেলে কিছু সময় ফুলনিত ইফাল-সিফাল কৰি মনত লগা বাছকবনীয়া ফুল কেইটামান গোটাই হাতত লৈ শোৱনি ঘৰ সোমালহি। অকলে অকলে কিমান সময় থাকিব? দেখিলে যে মাৰ্ভেল নামৰ বান্দীজনীয়ে কান্দি কান্দি তাইৰ কানি-কাপোৰ সোপাকে টালি-টোপোলা বান্ধিছে। ইছাবেলক দেখিয়েই আৰম্ভ কৰিলে,—এনেকুৱা ঘৰ ক'তো দেখা নাই, মেডাম। মই আৰু ইয়াত খন্তেকো নাথাকোঁ। মোক পাওনাখিনি হিচাপ কৰি দিয়ক—মই এই যাওঁগে। এই বুঢ়ী ডাইনী (কৰ্ণেলিয়াক লক্ষ্য কৰি) জনীৰ লগত এখন্তেকো থাকিব নোৱাৰোঁ।

ইছাবেল অবাক। কি কৰিব? কাৰ্লাইলো ঘৰত নাই—মাত এষাৰ মাতিলে বাঘিনী ওপৰতে পৰিবহি। তেওঁ মহা বিমোৰত পৰিল। ইফালে মাৰ্ভেলে কানি-কাপোৰৰ টোপোলা হাতত লৈ সাজু হৈ ওলালেই। উপায়ান্তৰ নেদেখি ইছাবেলে নিজৰ ভাগ্যকে ধিক্কাৰ দি মাৰ্ভেলক তাইৰ পাওনাখিনি দিলে। তাই ইছাবেলক মূৰ দোঁৱাই অভিবাদন জনাই ওলাই গ'ল। ইছাবেলে চকী এখনত বহি আকাশ-পাতাল ভাবি থাকিল—হাতৰ ফুল হাততে থাকিল।

অলপ বেলিৰ পাছতে জেছি নামৰ বান্দী এজনীয়ে ইছাবেলক অভিবাদন জনাই ক'লেহি,—মেডাম, কৰ্ণি আইদেৱে মোক ইয়ালৈ পঠালে—আপোনাৰ লগত থাকিবলৈ। ইয়াত কি কি কাম কৰিব লাগে বুজাই দিয়ক। মেডাম, ক্ষমা কৰিব,—মই হ'লে একো

নাজানো,—আপুনি দেখাই বুজাই দিব। মই আপোনাক সন্তোষ দিবলৈ যথাসাধ্য চেষ্টা কৰিম।

ইছাবেলে হুমুনিয়াহ কাঢ়ি ক'লে,—কৰ্ণেলিয়াৰ বৰ অনুগ্ৰহ, বাৰু সেইবোৰ কৰ—বুলি কিবাকিবি চকুৰ আগতে থকা কামবোৰ দেখুৱাই দিলে। জেছি উলহ-মালহকৈ কামত লাগিল।

অলপ পাছতে কাৰ্লাইল অফিছৰপৰা আহিল। মাৰ্ভেলৰ যোৱা কথা শুনি স্তম্ভিত হৈ ক'লে,—বাৰু, সোনকালে তাৰ দিহা কৰা যাব।

গিৰীয়েক-ঘৈণীয়েক দুয়ো কিবাকিবি কথা পাতি আছিল। কৰ্ণেলিয়াই চোঁচা মাৰি আহি দুয়োকে বহি থকা দেখি চকু পকাই কৈ উঠিল,—খাবলৈ হৈছে, কাৰ্লাইল। মেডাম, খোৱা বস্তু চেঁচা হৈ গ'ল। তুমি সদায় আৰ্কিৰ লগত গল্প কৰি থাকিলেই হয়নে? উঠি আহা।

কৰ্ণেলিয়াৰ কথা শুনি ইছাবেলৰ ভোক-পিয়াহ আঁতৰিল। তেওঁ যাওঁ-নাযাওঁকৈ গিৰীয়েকৰ সৈতে গৈ ভালে বেয়াই অলপ-অচৰপ খালেগৈ।

পাছদিনা দেওবাৰ। ৰাতিপুৱা জা-জলপান খাই-বৈ উঠি নব-দম্পতী গীৰ্জা-ঘৰলৈ যাব, লগে লগে ইষ্ট লিনৰ চাৰিওফালে এপাক মাৰিবৰো মন। গাড়োৱানক গাড়ী সাজুকৈ আনিবলৈ হুকুম দিলে। খন্তেক পাছতে গাড়ী সাজু হৈ ফটকত হাজিৰ হ'লহি। কৰ্ণেলিয়াই ভিতৰত ক'ৰবাত কাম কৰি আছিল। গাড়ীৰ শব্দ শুনি কাৰ্লাইলৰ ওচৰলৈ লৰি আহি খঙতে জ্বলি-পকি উঠি ক'লে,—এইবোৰ কি, আৰ্কি? আজি দেওবাৰ,—তোমালোক গাড়ীত উঠি ফুৰিবলৈ যাব নোৱাৰা। পবিত্ৰ গীৰ্জাৰ অপমান কৰা হ'ব—ছিঃ ছিঃ।

দুয়ো থৎমৎ খাই মুখ সেমেনা-সেমেনিকৈ হাত সাবটি খিৰিকীৰ মুখত থিয় দিলেগৈ। অলপ আঁতৰত কৰ্ণেলিয়াই চকী এখনত বহি হাতত বাইবেলখন মেলি ল'লে।

গীৰ্জালৈ যাবৰ সময় হ'ল, কৰ্ণেলিয়াই মূৰৰ ওপৰত পুৰণি-কলীয়া ডাঙৰ ছাতি এটা ধৰি সেই প্ৰখৰ ৰ'দৰ মাজেদি হোঁ হোঁ কৰে গীৰ্জালৈ খোজ ল'লে। অলপ বেলিৰ মূৰতে কাৰ্লাইল আৰু ইছাবেল গাড়ীৰে গীৰ্জালৈ ৰাওনা হ'ল। বাটতে মিছ কৰ্ণিয়ে তেওঁলোকক দূৰৈতে গাড়ীৰ ভিতৰত দেখিলে, কিন্তু কাষেদি গাড়ী যাওঁতে কেৰাহিকৈয়ে নাচালে।

গীৰ্জা-ঘৰ মানুহেৰে ভৰিল। কৰ্ণেলিয়াই তেওঁৰ নিজৰ ঠাইত বহিলগৈ। কাৰ্লাইল আৰু ইছাবেল দুয়ো ৺লৰ্ড উইলিয়ামৰ আসন পুৰালেগৈ। প্ৰাৰ্থনা আৰম্ভ হ'ল। অলপ আঁতৰতে দেখে যে জাষ্টিছ আৰু মিছেছ হেয়াৰ বাৰবাৰ সৈতে বহি আছে।

বাৰবাৰাৰ মুখ শেঁতা, চকু ঢুলঢুলীয়া, তেওঁৰ আকলুৱা চকু সৌন্দৰ্য্য-কুঁৱৰী ইছাবেলৰ ওপৰত। যাৰ বাহুৰ মাজত ঠাই পাম বুলি এদিন বাৰবাৰা পগলা হৈছিল, সেই হেন পুৰুষ কাৰ্লাইলৰ বাহুৰ মাজত ইছাবেল হাঁহি মুখে বহি থকা দেখি বাৰবাৰাৰ চকুৰে জুই ওলাবলৈ ধৰিলে।

প্ৰাৰ্থনা শেষ হ'ল। গীৰ্জাৰ কামৰ অন্ত পৰিল। সকলো ঘৰাঘৰি গ'ল। কাৰ্লাইল আৰু ইছাবেল দুয়ো মাউণ্ট চেভাৰ্ণৰ কবৰৰ ওচৰলৈ গৈ দুটোপাল চকুলো টুকিলে। এনেতে পিটাৰ গাড়ী লৈ আহিল। তেওঁলোক গাড়ীত উঠিলগৈ। বাটৰ কাষতে কেইগৰাকীমান মহিলাই কথা পাতি আছিল। মিছ বাৰবাৰাও তাৰে এজনী। কাৰ্লাইলে ইছাবেলক হাতত ধৰি গাড়ীত তুলি দিলে—বাৰবাৰাৰ চকু থিয় হ'ল। যাওঁতে কাৰ্লাইলে বাৰবাৰাক দেখি গাড়ীৰ ভিতৰৰপৰাই নমস্কাৰ জনালে। বাৰবাৰা সেই পিনে শেঁতা পৰি গ'ল। ইছাবেলে কাৰ্লাইলক সুধিলে,—সেইজনী কোন ছোৱালী, আৰ্কি? অ, বৰ মৰম লগা ছোৱালী বাস্তৱিকে—তাইৰ নাম কি?

—মিছ বাৰবাৰা হেয়াৰ।

১১

লৰ্ড পৰিয়ালৰ কোনো ল'ৰা বা ছোৱালীৰ বিয়া-বাৰু হৈ গ'লে দৰা-কইনা যেতিয়া ঘৰ চাপেহি তেতিয়া দেশৰ গণ্য-মান্য ভদ্ৰলোকৰ পৰিয়ালবোৰ দৰা-কইনাক চাবলৈ—শুভ ইচ্ছা জনাবলৈ আহে। ই চিৰন্তন দস্তুৰ। কাৰ্লাইলেও লৰ্ড পৰিয়ালৰ ছোৱালী লেডী ইছাবেলক বিয়া কৰোৱা বাবে এইখিনি সন্মান পালে, নাইবা নাপালেহেঁতেন। তেওঁৰ ঘৰ—ইষ্ট লিনলৈ জাকে জাকে জুম বান্ধি ভদ্ৰলোকৰ পৰিয়ালবোৰ নৱ-দম্পতীক দেখা কৰিবলৈ আহিল,—শুভ ইচ্ছা জনালে আৰু আদৰ-সম্ভাষণত তৃপ্তি লভি উভতিল।

সিদিনাও ইছাবেলে অভ্যাসগতসকলক আদৰ-সম্ভাষণ জনাবলৈ নিজৰ বুলনি

ঘৰত জেছিৰ সহায়ত সাজি-কাচি বহি আছিল। ইছাবেলে জেছিৰ কাম-কাজত সন্তুষ্ট হৈ সুধিলে,—জেছি, মোৰ লগত থাকিবিনে?

প্ৰস্তাব শুনি জেছিয়ে হাঁহি মুখে উত্তৰ দিলে,—আপোনাৰ অনুগ্ৰহ, মেডাম। মইতো ভালেই পাওঁ। আপোনাক সন্তোষ দিবৰ নিমিত্তে প্ৰাণপণে চেষ্টাও কৰিম। ইছাবেলেও হাঁহি এটি মাৰি সুধিলে,—মিছ কৰ্ণিয়ে থাকিবলৈ দিবনে মোৰ ইয়াত?

—নিশ্চয় দিব, মেডাম। এদিন তেওঁক এই কথা উনুকিয়াইছিলোঁ।

—বাৰু, তই মোৰ লগত থাকিবি, কিন্তু বেছ পৰিষ্কাৰ পৰিচ্ছন্নকৈ থাকিব লাগিব, বুজিছতো?

—ভাল মেডাম, সেই বিষয়ে মই চকু ৰাখিম।

এনেতে চুছান নামৰ লিগিৰীজনীয়ে দুৱাৰ মেলি সুধিলে,—ইয়াত মেডাম আছে নে, জেছি?

—এৰা আছে, কেলেই?

—তেখেতক দেখা কৰিবলৈ এটা ভদ্ৰ পৰিয়াল আহিছে।

জেছিয়ে ফুচ্‌ফুচাই চুছানক সুধিলে,—কোন পৰিয়াল অ'?

চুছানেও জেছিৰ সুৰতে সুৰ মিলাই উত্তৰ দিলে—হেয়াৰ পৰিয়াল—মিছ বাৰবাৰা হেয়াৰ। জেছি, এটা কথা—তেওঁ মেডামক দেখা কৰিবলৈ অহা ছল মাথোন, আচল কথা অইন। কিন্তু জেছি দেখিবি যাতে এই বাৰবাৰাজনীয়ে আমাৰ মেডামৰ অন্তৰত গৰল ঢালি নিদিয়ে।

চুছান ওলাই গ'ল। জেছিয়ে ইছাবেলক হেয়াৰ পৰিয়ালৰ আগমনৰ জান দিলেগৈ। মিছেছ ইছাবেল কাৰ্লাইল ওলাই আহি হেয়াৰ পৰিয়ালক আদৰ-সম্ভাষণ জনালে। হেয়াৰ দম্পতীয়ে ইছাবেলক শুভাশিস জনালে। তাৰ পাছত ভালেখিনি নানা তৰহৰ কথা-বতৰা হ'ল। এনেতে মিছ কৰ্ণেলিয়া সোমাই আহি তেওঁলোকক খোৱাৰ সময়লৈ থাকিবলৈ অনুৰোধ জনালে, কিন্তু ঘৰত কাম থকা বাবে জাষ্টিছ হেয়াৰে—তেনেহ'লে বাৰবাৰাই থাকক—বুলি কৈ ঘৈণীয়েকে সৈতে বিদায় লৈ ঘৰলৈ উভতিল।

বাৰবাৰাৰ মুখৰ বৰণ পৰিবৰ্তন হ'ল। মিছ কৰ্ণিৰ নিমন্ত্ৰণ ৰক্ষা কৰোঁ নকৰোঁকৈ ভাবি থাকোঁতেই কৰ্ণিয়ে তাইক হাতত ধৰি ভিতৰলৈ টানি নিলেহি। খোৱাৰ সময় ওচৰ চাপি অহা দেখি ইছাবেলেও সাজপাৰ সলাবলৈ বুলি নিজ ঘৰত সোমালগৈ। জেছি তাতে বহি আছিল। ইছাবেল চকী এখনত বহিলত জেছিয়ে আৰম্ভ কৰিলে,—মেডাম, মই মিছ কৰ্ণিক সুধিছিলোঁ, মোক থাকিবলৈ কৈছে—আপোনাৰ লগত। কিন্তু আপুনি পাছত নানা কথা শুনিলে হয়তো বেজাৰ পাব পাৰে সেই দেখি তেওঁ মোক

মোৰ সৰুকালৰ আত্ম-কাহিনীটো বিৱৰি ক'বলৈ কৈছে; শুনি ভাল পালে ৰাখিব পাৰে নাইবা মোক বিদায় দিব।

—কি আত্ম-কাহিনী, জেছি?

—মেডাম, মই সংক্ষেপে কওঁ শুনক—মোৰ পিতা আছিল আপোনাৰ শহুৰেক ৺মি০ কাৰ্লাইলৰ মহৰি। মোৰ ৮ বছৰ বয়সত মাই মৃত্যুৰ মুখত পৰিল। পিতাই আকৌ বিয়া কৰালে। এবছৰমান পাছতে মাহী মাইৰ এজনী ছোৱালী জন্ম হ'ল,—নাম থ'লে এফি। এবছৰমান পাছতে মাহীমায়ো ঢুকাল; তেতিয়া এফিক মাহীয়েক এজনীয়ে তুলিতালি ডাঙৰ-দীঘল কৰিলে। মই পিতাৰ লগতে আমাৰ নিজৰ ঘৰ পঁজা এডুখৰিত থাকোঁ। মই ডাঙৰ হৈ ভদ্ৰলোকৰ ঘৰে ঘৰে কাম-কাজ কৰি, আলপৈচান ধৰি যথেষ্ট উপাৰ্জন কৰোঁ; তাৰেই পিতা আৰু মই সুখেৰে খাই-বৈ আছিলোঁ। এফিও ডাঙৰ-দীঘল হৈ আহিল। তাই দেখিবলৈ বৰ ধুনীয়া আছিল। সেই গুণেই বোধহয় তাইৰ স্বভাব-চৰিত্ৰই আমাক ভয় খুৱাই দিলে। তাই বৰ লাহ-বিলাহী আৰু পাতল স্বভাৱৰ ৰাংঢালি ছোৱালী আছিল। তাই দিনে-ৰাতি উপন্যাস-উপাখ্যান পঢ়াত লাগিল—পিতাই একেবাৰেই অপছন্দ কৰিছিল যদিও। কাৰণ দুখীয়া মানুহ—ইখন সিখন কাম-কাজ কৰি খাব লাগে। কিন্তু তাইৰ মনৰ ভাব ওলোটা ধৰণৰ। বোধহয় তাই পঢ়ি-শুনি ধুন-পেঁচ মাৰি ভদ্ৰলোকৰ ছোৱালীজনী হয় চাগৈ। তাৰ পাছত দ্বিতীয়তে তাই ডেকা ৰিচাৰ্ড হেয়াৰৰ লগত চিনা-পৰিচয় হ'ল।

ইছাবেলে আচৰিত হৈ তাইৰ ফালে চালে। ওচৰৰ ঘৰত বাৰবাৰা থকা জানি জেছিয়ে লাহে লাহে ক'লে,—ৰিচাৰ্ড আছিল জাষ্টিছ হেয়াৰৰ একমাত্ৰ পুত্ৰ আৰু মিছ বাৰবাৰাৰ একমাত্ৰ ককায়েক। আহা! এফি বৰ দুষ্ট আছিল। তাই দিনে-ৰাতি ৰিচাৰ্ড হেয়াৰক নেৰা হ'ল—ৰিচাৰ্ডো তাইৰ লগত বলিয়া হ'ল। তাই সিমানতো সন্তুষ্ট নহৈ আন ডেকাকো আদৰিবলৈ ধৰিলে। মই থাকোঁ ৰাতিপুৱাৰপৰা ৰাতি ৯।১০ বজালৈ পৰৰ ঘৰত, পিতাও দিনৰ দিনটো অফিছলৈ আৰু গধূলি চিকাৰ আদি কৰিবলৈ ওলাই যায়। এই সুযোগতে তাই ডেকাদলক আদৰ-সম্ভাষণ কৰে।

ইছাবেলে নাক কোঁচাই হাঁহি মাৰি সুধিলে,—তাই বহুতক আদৰে?

—বহুতক মেডাম। কিন্তু তাৰ ভিতৰত প্ৰধান হৈছে ৰিচাৰ্ড হেয়াৰ। অৱশ্যে আৰু এজন বহু দূৰৰপৰা গধূলি ঘোঁৰাত উঠি আহিছিল; সেইজনৰ লগত বোধহয় সিমান ভাল ভাব নাছিল। কিন্তু ৰিচাৰ্ড হেয়াৰৰ লগত হ'লে তাই বলিয়া। এনেকৈ কিছু দিন যোৱাৰ পাছত শেষত এদিন সি পিতাক হত্যা কৰিলে।

—কোনে? বুলি ইছাবেল উচাপ খাই উঠিল।

—ৰিচাৰ্ড হেয়াৰে মেডাম। বিচাৰ্ড হেয়াৰক তালে অহা বন্ধ কৰি দিবলৈ পিতাই এফিক কেবা দিনো কৈছিল, কিন্তু তাই নামানিলে। পিতাই ক্ৰমে নানা অপযশ শুনিবলৈ ধৰিলে। এদিন ৰাতি মোৰ আগতে এফিক গালি শপনি পাৰি ৰিচাৰ্ড অহা বন্ধ কৰিবলৈ ক'লে। পাছদিনা ৰাতি ৰিচাৰ্ড হেয়াৰে পিতাক গুলী কৰি হত্যা কৰিলে।

—আহা! কি সাংঘাতিক কাণ্ড!

—এইটো ইচ্ছাপূৰ্বক কৰিছিল, নে অসাৱধানতাৰ গুণতে বন্দুক ছুটিছিল মই ক'ব নোৱাৰোঁ। কিন্তু মানুহে কয় যে সেইটো ইচ্ছাপূৰ্বক কৰা হত্যাকাণ্ড। সেই ঘটনাৰ দৃশ্য জীৱনত নাপাহৰোঁ, মেডাম—এতিয়াও মনত পৰিলে গা শিয়ৰি উঠে। মই আহি দেখোঁ যে পিতা মজিয়াত মৰি পৰি আছে, গোটেই মজিয়াখন তেজেৰে টৌ খাই গৈছে। ঘৰটো মানুহেৰে ভৰি পৰিল। এফিয়ে কোনো সন্ধান দিব নোৱাৰিলে। তাই ঘৰৰ পিছফালে ওলাই গৈছিল,—পাছ মুহূৰ্ত্ততে দেখেহি পিতা মৃত আৰু মিঃ লক্‌চলিয়ে তেওঁৰ মৰা শৰটো জুমি জুমি চোৱা। সি এফিক ক'লে যে সি বন্দুকৰ শব্দ শুনি ভিতৰলৈ লৰি আহিছিল আৰু লৰি আহোঁতে ৰিচাৰ্ডক বন্দুকটো দলি মাৰি পেলাই থৈ লৰ মাৰি যোৱা দেখিছিল।

—আহা জেছি, মই আৰু শুনিবৰ ইচ্ছা নকৰোঁ। পাছে ৰিচাৰ্ডৰ কি হ'ল?

—ৰিচাৰ্ড সেই দিনাই ক'ৰবালৈ পলাল; এতিয়া সি নিৰুদ্দেশ। তাৰ বিষয় কোনোৱে একো নাজানে। হেয়াৰ পৰিয়ালৰ এই অপযশ অসহনীয়, মেডাম।

—এই ঘটনা ঘটিবৰ কিমান দিন হ'ল?

—আজি চাৰি বছৰ পূৰ হ'ল। মেডাম, এয়ে মোৰ আত্ম-কাহিনী। এতিয়া আপুনি যি ভাল বিবেচনা কৰে কৰক। বহুতে হয়তো ক'ব পাৰে—যাৰ ভনীয়েক এনেকুৱা অসচ্চৰিত্ৰৰ, তেনেকুৱাজনীক কেলেই আশ্ৰয় দিছে?

ইছাবেলে ভাবি-চিন্তি দেখিলে—তাৰপৰা তেওঁৰ কোনো অনিষ্ট নহয়, তাই আলপৈচান ধৰা লিগিৰীহে। তেনে ভাবেই জেছিকো ক'লে। অলপপৰ ভাবি জেছিক সুধিলে,—জেছি, তেতিয়া চুছানে কি ক'লে—মিছ হেয়াৰে মোক গৰল ঢালি দিয়াৰ কথা?

জেছিয়ে থৎমৎ খালে যদিও হাঁহি মাৰি ক'লে,—সামান্য মিছামিছি কথা, মেডাম! মানুহে কয় যে মিছ বাৰবাৰাৰ লগত মিঃ কাৰ্লাইলৰ খুব সম্ভাৱ আৰু বহুতে ভাবে যে দুয়ো বেছ মিলিবও, যোৰ হ'ব। কিন্তু মই হ'লে ভাবোঁ—বাৰবাৰাই হাজাৰ চেষ্টা কৰিলেও, মিঃ কাৰ্লাইলক সুখ-সন্তোষ দিব নোৱাৰিব।

ইছাবেলৰ মুখ ৰঙা পৰিল—কিবা এটা হিংসা ভাব অন্তৰত বিজুলী খেলোৱাদি

বৈ গ'ল। কোনো তিৰোতাই গিৰীয়েকৰ লগত আন এজনীৰ সংশ্ৰৱ ভাল নাপায়। ই স্বাভাৱিক। এনে স্থলত তেওঁলোকৰ মনত অলপ নহয় অলপ সন্দেহ উপস্থিত হয়। ইছাবেলৰো সেয়ে হ'ল।

ইছাবেল ৰাজকুমাৰী তুল্য জাকজমককৈ সাজি-কাচি ওলাই আহিল,—বাস্তৱিকে সৌন্দৰ্য্য-কুঁৱৰী। মিছ বাৰবাৰা দেখনিয়াৰ হ'লেও সাধাৰণ সাজ-পাৰ পিন্ধা, লাহ-বিলাহৰ আও-ভাও নুবুজা আজলী ছোৱালী। দুয়ো চিনা-পৰিচয় হ'ল। মিঃ কাৰ্লাইল ঘৰত নাই দেখি দুয়ো খিৰিকী মুখত থিয় দি বাহিৰলৈ চাই থাকিল। এনেতে কাৰ্লাইলক ঘৰলৈ অহা দূৰৈতে দেখা পালে। বাৰবাৰাৰ মুখ ৰঙচুৱাৰপৰা ৰঙা পৰি উঠিল। ইছাবেলে ভালকৈ লক্ষ্য কৰিলে। কাৰ্লাইলে ওচৰ চাপি সুধিলে,—কেনে আছা, বাৰবাৰা? দৰা-কইনা চাবলৈ আহিছিলা নেকি? বুলি হাঁহিলে আৰু ইছাবেলক লক্ষ্য কৰি ক'লে,—কি কৰিছা, মইনা? কিন্তু আজি কাৰ্লাইলে ইছাবেলক চুমা নিদিলে—বাৰবাৰা থকা বাবে। ইছাবেলে তাকো নজৰ কৰিলে,—অন্তৰত কিবা বাজি উঠিল।

খোৱা-বোৱা শেষ হ'ল। বাৰবাৰা আৰু কৰ্ণেলিয়া দুয়ো ফুচফুচীয়া মেলত বহিল। কৰ্ণেলিয়াই কাৰ্লাইল আৰু ইছাবেলৰ কত ভিতৰুৱা কথা ক'লে, কত দোষ-গুণ উলিয়ালে—বাৰবাৰাই শুনি শুনি হা-হুতাহৰ হুমুনিয়াহ পেলালে।

ওচৰৰ কোঠালী এটাত ইছাবেলে পিয়ানো বজাই সঙ্গীত গাইছিল। কাৰ্লাইলে পিছ ফালে গাতে হেলান দি উবুৰ হৈ শুনি আছিল। ইছাবেলে এটি দুটিকৈ ২।৩ টা সঙ্গীত গালে। বাস্তৱিকে বৰ সুন্দৰ মধুৰ সঙ্গীত। শেহত হাঁহি এটি মাৰি কাৰ্লাইলক ক'লে,—পাছে, মইতো অনেক সঙ্গীত গালোঁ, এতিয়া তাৰ পুৰস্কাৰ?

কাৰ্লাইলে ইছাবেলক বুকুৰ মাজলৈ টানি আনি চুমাৰ উপৰি চুমা খালে। ইছাবেলৰ বুকু জুৰ পৰিল।

বাৰাবাৰাই খিৰিকীৰে সঙ্গীত শুনি আছিল। কাৰ্লাইল দম্পতীৰ মাজত শেষ দৃশ্য দেখি হা-হুতাহৰ হুমুনিয়াহ কাঢ়িলে। কিছু বেলিৰ পাছত বাৰবাৰাই ঘড়ীৰ ফালে চাই থিয় হৈ ক'লে,—বাইদেউ, ১০ বাজিল, বহু ৰাতি হ'ল। এতিয়া যাওঁগৈ, পিতা আৰু মাই গালি-শপনি পাৰিব। অনুগ্ৰহকৈ পিটাৰক লগত দিয়া, সি মোক আগ বঢ়াই থৈ আহিব। কাৰ্লাইল ওচৰতে আছিল। তেওঁ হাঁহি মাৰি কেৰাহিকৈ চাই ক'লে,—বাৰু, ময়ে যাওঁ ব'লা—বুলি কৈ কাৰ্লাইলে হাতত টুপিটো আৰু লাঠীডাল ল'লে। বাৰবাৰাৰ বুকু কঁপিবলৈ ধৰিলে—কঁপি কঁপি ইছাবেল আৰু কৰ্ণেলিয়াৰপৰা বিদায় লৈ ওলাই গ'ল। যেতিয়া কাৰ্লাইলে বাৰবাৰাৰ হাতখন নিজৰ বুকুলৈ টানি আনি যাব ধৰিলে,

কার্লাইলে ইছাবেলক বুকুৰ মাজলৈ টানি আনি চুমাৰ উপৰি চুমা খালে।

বাৰবাৰাৰ বুকুখন আৰু বেছিকৈ কঁপি উঠিল। সেই আগৰ দৰেই হাতত ধৰাধৰি—একেভাৱে, একে চলন-ফুৰণ—কেৱল কাৰ্লাইল আন এজনীৰ স্বামী—এয়ে প্ৰভেদ।

দুয়ো যাবলৈ ধৰিলে। বাৰবাৰাৰ অন্তৰত কত ভাবৰ উদয় হ'ল—কোনে জানে? তেওঁ মনক দমাব নোৱাৰিলে, নিজক পাহৰিলে। কাৰ্লাইলৰ প্ৰতি অন্তৰ ভৰা ভালপোৱা, ইছাবেলৰ প্ৰতি সতিনী হিংসা তেওঁৰ অন্তৰ দেই-পুৰি মাৰিব ধৰিলে। তেওঁৰ মনত ভাব হ'ল যেন কাৰ্লাইল আৰু ইছাবেলহে সংসাৰত সুখ-সম্ভোগৰ কোলাত বুৰ মাৰি আছে—তেওঁ নিজে সংসাৰৰ বাহিৰত এচুকত অকলে পৰি আছে—হা-হুমুনিয়াহৰ মাজত; কেৱে তেওঁৰ খবৰ নলয়। ভাবি ভাবি বাৰবাৰা বাউলী হৈ উঠিল। চকুৰে তেওঁ অন্ধকাৰ দেখিবলৈ ধৰিলে, শেষত কাৰ্লাইলৰ গাতে ঢলি পৰিল।

কাৰ্লাইলে আচৰিত হৈ সুধিলে,—কি হ'ল, বাৰবাৰা? কি হ'ল? তেওঁ আথেবেথে লাহেকৈ বাৰবাৰাক বনৰ ওপৰতে শুৱাই থৈ ওচৰৰ পুখুৰী এটাৰপৰা টুপিটোৰে পানী আনি বাৰবাৰাৰ মুখত দি বিচিবলৈ ধৰিলে—গা-মুখ পিটিকি দিলে। অলপ বেলিৰ মূৰত চেতন পাই তেওঁ উঠি বহিল। কাৰ্লাইলে লাহে লাহে বাৰবাৰাক হাতত ধৰি ঘৰত আগ বঢ়াই থ'লে। ৰাতিও ভালেখিনি হ'ল।

ইপিনে ঘৰত ইছাবেলৰ কথা মনত পৰাত কাৰ্লাইলে ঘৰলৈ বেগ দিলে। ঘৰৰ সমুখৰ ফুলনিৰ মাজৰপৰা কোনোবাই মাত দিলে—

—আৰ্কি?

—মৰমৰ মইনা ইছা! তুমি ইয়াত কেলেই?

—তোমাক বাট চাই চাই ওলাই আহিছোঁ। বহুতো পলম হ'ল দেখোঁ?

—এৰা, আমি অলপ দূৰ যাওঁতেই তেওঁলোকৰ ঘৰৰ চাকৰ এজনক লগ পাইছিলোঁ, তথাপি মই একেবাৰে ঘৰলৈ গৈছিলোঁ—ফুৰাও হ'ল।

—হেয়াৰ পৰিয়ালৰ লগত দেখিছোঁ তোমাৰ বৰ ঘনিষ্ঠতা।

—নিশ্চয়। কৰ্ণেলিয়া বাইদেউৰ লগত তেওঁলোকৰ সম্বন্ধ লাগে।

—বাৰবাৰা ছোৱালীজনী বৰ ভাল।

—এৰা, খুব ভাল।

—ইমান ঘনিষ্ঠ সম্বন্ধ যেতিয়া, নিশ্চয় তুমি তেওঁক ভাল পোৱা নহয়নে?

কাৰ্লাইলৰ হাঁহি উঠিল।

উত্তৰ নাপাই ইছাবেলে আকৌ সুধিলে,—নাছিলানে?

—মই কি কৰিছিলোঁ, ইছা?

—তুমি কেতিয়াও বাৰবাৰা হেয়াৰক ভাল পোৱা নাছিলানে?

—তেওঁক ভাল পাইছিলোঁ, এতিয়াও পাওঁ, কিন্তু পীৰিতি কৰাৰ কথা। তোমাৰ মুৰত কিহে বাহ ল'লে, ইছা? মই এজনী—কেৱল এজনী মাত্র ছোৱালীৰ বাহিৰে কাকো অন্তৰেৰে ভাল পোৱা নাছিলোঁ। যিজনীক অন্তৰেৰে ভাল পাইছিলোঁ, যিজনীক পাবলৈ হেঁপাহ কৰিছিলোঁ, সেইজনীক আজি মই বিবাহিতা স্ত্রীৰূপে আনিছোঁ—বুজিলা, ইছা? এইবুলি কৈ কাৰ্লাইলে ইছাবেলৰ কোমল গালতে টিপা এটা মাৰি দি হাঁহি থাকিল।

১২

ইছাবেলৰ ইষ্ট লিনলৈ আহিবৰ এবছৰ পাৰ হ'ল। তেওঁ সুখ-সম্ভোগত থাকিব পাৰিলেহেঁতেন; কিন্তু সকলো সুখৰ পথত কণ্টক হ'লহি মিছ কৰ্ণেলিয়া। কৰ্ণেলিয়াৰ মানত ইষ্ট লিনত ইছাবেলৰ উপস্থিতিয়েই অশান্তিৰ মূল কাৰণ হ'ল। ইছাবেল নামতহে ঘৰৰ গৃহিণী, কিন্তু কামত হ'লে কৰ্ণেলিয়াহে আচল গৃহিণী। ইছাবেলে প্রত্যেক কথাতে, সামান্য হ'লেও, কৰ্ণেলিয়া বাঘিনীৰ বাধা পাবলৈ ধৰিলে। কাৰ্লাইলে সেইবোৰৰ ভু-ভা একো নাপায়। ইছাবেলৰ কৰ্ণেলিয়াৰ লগত বাস কৰা অসহনীয় হৈ উঠিল। লাহে লাহে দুয়োৰে মাজত হাই-কাজিয়া হ'বৰো উপক্রম হ'ল। দৈব-দুৰ্বিপাকত পৰি এজন উকীলৰ গৃহিণী হ'লেও, হাজাৰ হওক ইছাবেল এজনী লৰ্ডৰ জীয়াৰী—মানে গৌৰৱে তেওঁৰ আসন কৰ্ণেলিয়াতকৈ বহু ওপৰত। অশোভন কথা বাহিৰত প্রচাৰ হ'বৰ ভয়ত তেওঁ অন্যায়-অনাচাৰ, অত্যাচাৰ-উৎপীড়ন সকলো নীৰবে সহি থাকিল। কাৰ্লাইল ঘৰত নাথাকিলে নিজৰ বুলনি ঘৰত কাকত-পত্র কিবা এখন হাতত লৈ তেওঁ সদায় চকুলো টুকি বহি থাকে। মনত অলপো সুখ-শান্তি নোহোৱাত পৰিল। কাৰ্লাইলৰ অনুপস্থিতিত তেওঁ যেন এক মুহূৰ্তও ঘৰত নাথাকিব! মন ভালেইহে শৰীৰো ভাল।

দিনে-ৰাতি মানসিক কষ্টৰপৰা তেওঁৰ শৰীৰো ভাল নথকাত পৰিল—অসুখ-বিসুখে দেখা দিলেহি।

সুখে-দুখে দিন যাবলৈ ধৰিলে। এদিন ৰাতিপুৱা ইছাবেলৰ প্ৰসৱ বেদনা উপস্থিত হ'লহি। আগৰপৰা শৰীৰ ভাল নথকাত তেওঁ বৰ দুৰ্বল হৈ পৰিল—প্ৰসৱ বেদনাত অস্থিৰ হৈ আঁয়ে-বিয়ে লগালে। কাৰ্লাইল জনা-বুজা শিক্ষিত লোক হ'লেও সংসাৰ অনভিজ্ঞ—খোৱা-লোৱা ফূৰ্তি কৰা ধৰণৰ মানুহ—তাতে যুৱা বয়স। তেওঁ বায়েকৰ ওচৰলৈ গৈ ডাক্তৰ আদি অনাৰ পৰামৰ্শ সোধাত বাঘিনী বায়েক, খৰচৰ কথা মনত পৰি জাঁপ মাৰি উঠিল। ইপিনে ইছাবেলৰ হৃদয়-বিদাৰক আৰ্তনাদ আৰু কাহিল অৱস্থাত তেওঁৰ মন অস্থিৰ হৈ পৰিল। কি কৰে এতিয়া? বাঘিনী বায়েকৰ কথাত কাণ নিদি ডাক্তৰ মাতি আনিলেগৈ—কৰ্ণেলিয়াই তাল-আফাল লগালে। কাৰ্লাইল ৰোগীৰ ঔষধ-পাতি অনা আৰু পথ্যাদি সংগ্ৰহ কৰাত লাগিল, মাৰ্ভেল নামৰ বান্দীজনী সূতিকা গৃহৰ দুৱাৰডলিত বহি ৰোগিণীক পৰ দি থাকিল। কৰ্ণেলিয়াই মাজে মাজে সূতিকা গৃহত ভুমুকি মাৰে আৰু সোধেহি, "মাৰ্ভেল, কিবা বিপদৰ আশঙ্কা আছে নেকি?"

এজন এজনকৈ সূতিকা গৃহলৈ তিনিজন ডাক্তৰ আহিল। বহুত বেলিৰ মূৰত ইছাবেলৰ প্ৰসৱ হ'ল—এজনী ছোৱালী। ইছাবেল মৃত্যুৰ মুখৰপৰা উভতি আহিল। বেচাৰা কাৰ্লাইলৰ উশাহ আহিল। তেওঁ ভগৱানক কৰপুটে প্ৰাৰ্থনা জনালে। ইছাবেলৰ গা বৰ দুৰ্বল হৈ পৰিছিল—চিকিৎসা চলিল। ইপিনে দিনে-ৰাতি টকা-পইচাৰ হিলৌ-হিচৌ খৰচ দেখি কৰ্ণেলিয়া দেই-পুৰি মৰিব ধৰিলে।

কেঁচুৱাজনী ৰাখিবলৈ এজনী ধাই লগা হ'ল। কিছুদিন পাছত হেয়াৰ পৰিয়ালৰ ঘৰত থকা বান্দী—উইলছন উপস্থিত হ'লহি। তাই তাৰপৰা অহাৰ কাৰণ সোধাত ক'লে,—মিছ বাৰবাৰাৰ লগত হাই-কাজিয়া কৰি থাকিব নোৱাৰোঁ। বাৰবাৰাই মোক ওলাই আহিবলৈ কৈছে, মেডাম, সেই দেখি আহিছোঁ। আপুনি যদি দয়া কৰি আশ্ৰয় দিয়ে তেন্তে থাকিব পাৰোঁ।

ইছাবেলে সুধিলে,—কাম-কাজ ভালকৈ কৰিব পাৰিবিনে? হেয়াৰ পৰিয়ালত কি কি কাম কৰিছিলি?

—তেওঁলোকৰ তাত বেটী বান্দীৰ কাম কৰিছিলোঁ আৰু মিছেছ হেয়াৰৰ লগতে আলপৈচান ধৰা হৈ আছিলোঁ।

—কেঁচুৱা ৰাখিব পাৰিবিনে?

—সম্প্ৰতি ভালকৈ নোৱাৰিলেও কেইদিনমান পাছত নিশ্চয় পাৰিম।

সংসাৰৰ ছল-চাতুৰিৰ ভু-ভা নোপোৱা অনভিজ্ঞ ইছাবেলে কাঠ নিচিনিলে—

অচিন কাঠৰ খোৱা লগালে। তেওঁ তাইক ক'লে,—বাৰু, তেনেহ'লে থাক। কিন্তু জেছি মোৰ লগত থাকিব—তাই খুব বিশ্বাসী। মই তাইক বৰ ভাল পাওঁ। তই তাইৰ কথামতে চলিব লাগিব।

—ভাল, মেডাম, আপোনাৰ দয়া। মুৰ দৌবাই উইলছন ওলাই গ'ল। পাছদিনাখন ৰাতিপুৱা ইছাবেল হেলনীয়া চকী এখনত কাণসাৰে শুই আছে। ওচৰৰ কোঠালীটোত জেছি আৰু উইলছন বহি আছে—জেছিয়ে কিবা চিলাইৰ কাম কৰিছে, উইলছনে কেঁচুৱাটিক কোলাত সুমুৱাই বহি আছে। দুয়ো কোঠালীৰ মাজৰ দুৱাৰখন আধা-মেল খোৱা। দুয়ো কথা পাতিছিল—তাৰ মাজতে ইছাবেলৰ নাম উল্লেখ কৰা শুনি ইছাবেলে সেই ফালে কাণ দিলে। দুয়ো বান্দীৰ মাজত কথা চলিল। উইলছনে ক'লে—মানুহজনী একেবাৰে শুকাই-খীণাই গৈছে।

—মেডাম ইছাবেল। নেদেখিছনে কেনেজনী আছিল কেনে হ'লহি। তেওঁ যেন মৃত্যুৰ মুখৰপৰাহে ফিৰি আহিল।

—আঃ, এতিয়া ভালকে দেখিছ। এসপ্তাহমান আগতে একেবাৰে শোচনীয় অৱস্থা আছিল। টকা-পইচাৰ শ্ৰাদ্ধ আৰু মিঃ কাৰ্লাইলৰ অক্লান্ত সেৱা-শুশ্ৰূষাৰ গুণে এইখিনি পাইছেহি।

—হে প্ৰভু! আহা! কিবা দুৰ্ঘটনা হোৱা হ'লে কাৰ'বাৰ অন্তৰ জুৰ পৰিলহেঁতেন।

—ধেত্ পোৰাকপালী।

—নহয়, জেছি! ইছাবেলৰ এইবোৰ হোৱা দেখি তাই প্ৰত্যেক মুহূৰ্ত্ততে ইছাবেলৰ মৃত্যু খবৰ আশা কৰিছিল। তাই আগেয়ে যেনেকৈ কাৰ্লাইলক ভাল পাইছিল, এতিয়াও পায়।

—ধেত্, এইবোৰ মিছা কথা। মিঃ কাৰ্লাইল তেনে মানুহ নহয়, তেওঁ সেইবোৰলৈ চকু-কাণ নিদিয়ে।

—এঃ নহয় জেছি, তই তেন্তে একো নাজান। মই নিজে দেখিছোঁ, তেওঁ তাইক চুমা পৰ্য্যন্ত দিছে।

—যা, যা, তাৰপৰা কি হ'ব?

—এঃ নহয়। তাই যে দিনে-ৰাতি গলত সেই সোণৰ হাৰগছ আৰু হীৰা খটোৱা চাকিটো পিন্ধি থাকে, সেইটো কোনে দিছে জান? মিঃ কাৰ্লাইলে।

—কোনে পিন্ধে? যা, সেইবোৰ শুনিবলৈ মই ইচ্ছা নকৰোঁ।

—থ, কোনে? তাকো ইমান দিনে নাজান? কেলেই, সেই মিছ বাৰবাৰাই। তাই হাৰগছ দিনে-ৰাতি ডিঙিৰপৰা নথয়ে।

—যা, যা, মনে মনে থাক—ই অশোভন কথা।

—নহয়, শুনচোন আৰু। মিং কাৰ্লাইল যিদিনা বেষ্ট লিনৰপৰা লেডী ইছাবেলক বিয়া কৰিবলৈ যায় সেই দিনা ৰাতি বাৰবাৰা কৰ্ণেলিয়াৰ ওচৰলৈ আহিছিল। যাওঁতে ৰাতি হোৱাত কাৰ্লাইলে তাইক আগ বঢ়াই থ'বলৈ গৈছিল। বৰ সুন্দৰ ফৰিংফুটা জোনাক ৰাতি। যেতিয়া তেওঁলোক আমাৰ ফটকৰ দুৱাৰ পালেহি—তাতেই এক গোপনীয় দৃশ্য অভিনীত হৈ গ'ল।

জেছিয়ে ঠাট্টা কৰি সুধিলে—তয়ো তাত যোগ দিছিলি হ'বলা?

—নহয়, জেছি। মই এজনলৈ বাট চাই আছিলোঁ। দেখোঁ যে মিং কাৰ্লাইল আৰু মিছ বাৰবাৰা দুয়ো কথা-বতৰা হৈছিল। ডিঙিৰপৰা তাই কিবা এগছ হাৰ আৰু চাকি এটাও দেখুৱালে। শেহত চুমাচুমি খোৱা আদিও হ'ল। যদি কোনোজনীয়ে মিছেছ কাৰ্লাইল হ'বলৈ আকাংক্ষা কৰিছিল তেন্তে সেই নিশা মিছ বাৰবাৰাই মিছেছ কাৰ্লাইলৰ ঠাই পূৰাইছিল।

—দূৰ, বেটী। তই এতিয়াই কৈছ—যে মিং কাৰ্লাইল সিদিনা কেছল মাৰ্লিঙলৈ বিয়া কৰিবলৈ গৈছিল।

—মোৰ ভুল হ'ব পাৰে, জেছি, কিন্তু ঘটনা সত্য—মই নিজ চকুৰে দেখিছোঁ। তাই আনন্দতে বলিয়া। তই নাজান তেওঁলোকৰ মাজত বহুত অঘটন ঘটিছে, এতিয়া মেডাম অহাৰ বাবেহে মিং কাৰ্লাইলে তেওঁৰ বংশ-সম্ভ্ৰমলৈ ভয় কৰি সেইবোৰ এৰি দিছে। কাৰ্লাইলৰ নিচিনা ডেকা প্ৰেমিকক পালে কোনজনীয়ে...?

—ধেত্, মিং কাৰ্লাইল তেনে ধৰণৰ মানুহ নহয়।

—আৰু কওঁ শুন তেনেহ'লে। বিয়া হৈ যোৱাৰ পাছত বিয়াৰ খবৰ দিবৰ নিমিত্তে মিছ কৰ্ণেলিয়া আমাৰ ঘৰলৈ গৈছিল। মই মিছেছ হেয়াৰৰ শোৱনি ঘৰত আছিলোঁ—খিৰিকীখন মেলা আছিল। যেতিয়া কৰ্ণিয়ে বাৰবাৰাৰ আগত লেডী ইছাবেলৰ লগত কাৰ্লাইলৰ বিয়া হৈ যোৱা বুলি ক'লে তাই পানী আনিবৰ ছল কৰি তাৰপৰা সাউতকৰে ওলাই তাইৰ শোৱনি ঘৰ পালেগৈ আৰু মজিয়াতে অচেতন হৈ দীঘল দি পৰি থাকিল। অলপ পাছতে শুনো—তাই হা-হুতাহৰ হুমুনিয়াহ কাঢ়িবলৈ ধৰিছে। মই গৈ দেখোঁ যে তাইৰ সেই অৱস্থা। মই তাইক নামাতি হাতত সাৰে ভৰিত সাৰে ওলাই আহিলোঁ!

—তাইনো ইমান মূৰ্খনে? যিজনে তাইক ফিৰিও নাচায়, সেইজনৰ বাবে তাই ইমান বলিয়া! ছি!

—ভাল কৈছ। তেওঁ জানো তাইক ফিৰি নাচায়? থৈ দে, সিদিনাখন তাই মাক-বাপেকৰ লগত দৰা-কইনা চাবলৈ আহিছিল মনত আছেনে?

—আছে।

—মাক-বাপেক গুচি গ'লগে, কিন্তু তাই হ'লে ৰাতি ১০ বজালৈ ইয়াতেই থাকিল। কেলেই? ৰাতি হোৱা দেখি তাইক নিবৰ নিমিত্তে জাষ্টিছ হেয়াৰে মোক পঠাই দিলে। অলপ দূৰ আহোঁতেই কি দেখিলোঁ জান?

—বোধহয় সাপ বা বেং।

—ধেত্। বাৰবাৰা আৰু কাৰ্লাইল। তেওঁলোকে তাত কি যে কৰিছিল, তেওঁলোকেহে জানে। তাই বেৰা এখনত হেলান দি আছিল আৰু নিৰাশাৰ হা-হুমুনিয়াহ কাঢ়িছিল। দেখিলোঁ কাৰ্লাইলে মূৰটো নমাই তাইৰ মুখৰ ওচৰলৈ নিয়া আৰু তায়ো হাত দুখনেৰে তেওঁক সাবট মাৰি ধৰা।

জেছিয়ে ঘৃণাপূৰ্ণ সুৰেৰে কৈ উঠিল—তেনেহ'লে তাই মহামূৰ্খ। তাই এতিয়াও মিঃ কাৰ্লাইলৰ লগত তেনে ব্যৱহাৰ কৰে! ছিঃ ছিঃ!

—তাই সদায় তেনে কৰিব, জেছি। তাই সদায় কাৰ্লাইললৈ বাট চাই খাপ লৈ থাকে। কাৰণ কি? তাইৰ অশান্তি ভৰা হৃদয় আৰু মেডাম ইছাবেলৰ প্ৰতি সতিনী হিংসা নহয়নে বাৰু? আহা জেছি! যদি মিঃ কাৰ্লাইলে কোনোৰূপে বেজাৰ পাই লেডী ইছাবেলক এৰে?

—মনে মনে থাক, উইলছন! বুলি জেছি গৰজি উঠিল।

—নহয়, জেছি! এই কেঁচুৱা পোনাটিৰ কি বিলাই হ'ব? সতিনীৰ ল'ৰা-ছোৱালীক সতিনীয়ে ভাল পাবনে?

জেছিয়ে ধমক্ দি ক'লে,—মুখ চম্ভালি কথা ক'বি, উইলছন। যদি এনেভাৱে চল, তেন্তে তোৰ আজিয়ে বিদায়।

উইলছনে উপায় নাপাই গদ্‌গদ্‌কৈ কিবাকিবি বকি মনে মনে থাকিল। ইছাবেলে নৰিয়া পাটীত পৰি এইবোৰ কথা শব্দই শব্দই শুনিলে। অৱশ্যে চাকৰ বান্দীৰ কথাত কাণ দিয়া অনুচিত। কিন্তু আধা মৰা, আধা জীয়া নৰিয়া অৱস্থাত পৰি থকা ইছাবেলৰ এইবোৰ কথা অসহনীয় হৈ উঠিল। তেওঁৰ ধাৰণা হ'ল—কাৰ্লাইলে তেওঁক ভাল নাপায়। তেওঁক যে বিয়া কৰাইছে সি কেৱল বংশগৌৰৱ আদি উচ্চাভিলাষৰ আশাত, আন কাৰণে নহয়। তেওঁ মনপ্ৰাণ বাৰবাৰা হেয়াৰক অৰ্পণ কৰিছে। ইছাবেলৰ অন্তৰত সতিনী হিংসাৰ দাবানল জ্বলি উঠিল। জ্বৰ আছিল—লগে লগে প্ৰলাপ বকিবলৈ আৰম্ভ কৰিলে।

খোৱাৰ সময়ত কাৰ্লাইলে আহি দেখে যে ইছাবেলে অস্থিৰভাৱে শেঁতা পৰি প্ৰলাপ বকিছে। তেওঁ মাত লগালে,—ইছাবেল, তোমাৰ অসুখ বেছি হ'ল? ইছাবেল

শোৱাৰপৰা আধা উঠি উত্তেজনাত হাত দুখনেৰে তেওঁক সাবট মাৰি ধৰিলে,—ওঁ, আৰ্কিবল্ড! তাইক বিয়া নকৰিবা; মই মোৰ সমাধিতো শান্তি নাপাম। কাৰ্লাইলে ভাবিলে দুৰ্বলতাৰ বাবে ভুল বকিছে। তেওঁ লাহে লাহে সান্ত্বনা দিবৰ চেষ্টা কৰিলে। কিন্তু কান্দি কান্দি ইছাবেলে বেছিকৈহে বকিবলৈ ধৰিলে,—তাই মোৰ ছোৱালীজনীক অত্যাচাৰ কৰি মাৰি পেলাব। তাই মোৰ মৰম চেনেহ যেৰা কাঢ়ি নিব, আৰ্কিবল্ড, মোৰ শপথ লাগিব—তুমি তাইক বিয়া নকৰিবা।

—সপোন দেখিছা, ইছাবেল? টোপনিত পৰিছিলা, তুমি সজাগ থাকা নাই। মনে মনে থাকা। কল্যাণি! এই মোৰ কোলাতে শুই থাকা।

—তাইক তোমাৰ স্ত্ৰী বুলি ভাবিলেই মোৰ অন্তৰ বিদীৰ্ণ হয়, আৰ্কিবল্ড। শপথ খাই কোৱা যে তাইক বিয়া নকৰিবা। শপথ খোৱা, আৰ্কি!

—সময়ত সকলো শপথ খাম, কিন্তু তুমি কি কৈছা—মই একো বুজা নাই। মই আন এজনী বিয়া কৰোৱা অসম্ভৱ কথা, ইছাবেল। তুমিয়েইতো মোৰ তিৰোতা।

—কিন্তু যদি মই মৰোঁ? তুমি জানা মই মৰিব পাৰোঁ, বহুতে ভাবে মই মৰিব পাৰোঁ, মোৰ অৱস্থা বৰ বেয়া, আৰ্কি।

মনে মনে থাকা। কাৰ কি কথা এইবোৰ? কাক লক্ষ্য কৰি কৈছা? মই একো ধৰিব পৰা নাই।

—আৰ্কি, মোক বিয়া কৰোৱাৰ আগেয়ে তুমি কাকো ভাল পোৱা নাছিলানে? বোধহয় তুমি তাইক তেতিয়া ভাল পাইছিলা; এতিয়াও সম্পূৰ্ণ ভাল পোৱা।

—কাৰ কথা কৈছা, ইছাবেল?

—মিছ বাৰবাৰা হেয়াৰ।

কথা শুনি কাৰ্লাইলৰ সিৰকেইডাল থুপ খালে। তেওঁৰ বৰ খং উঠিল। তেওঁ গম্ভীৰ মূৰ্তি ধৰি গহীনভাৱে সুধিলে—ইছা, মোৰ আৰু বাৰবাৰাৰ মাজত এইবোৰ ভুল ধাৰণা কেনেকৈ তোমাৰ মূৰত সোমালহি? মই বাৰবাৰাত কেতিয়াও আসক্ত হোৱা নাছিলোঁ—মোৰ মগজুত এই কথা বিয়াৰ আগে বা পাছে কদাচিতো উদয় হোৱা নাছিল। তুমি এইবোৰ কেনেকৈ জানিলা? মোক ক'ব লাগিব।

—কিন্তু তাই তোমাক ভাল পাইছিল।

কাৰ্লাইলে সকলো কথা ঘাটি-ঘুটি বিবেচনা কৰি ক'লে,—পাব পাৰে। যদি তেওঁ মোক ভাল পাইছিল, তেন্তে মই নাজানো। তেওঁৰ সেইটো ভুল ধাৰণা।

ইছাবেলে হুমুনিয়াহ কাঢ়িলে। অলপ শান্তিবোধ কৰিলে—মনৰ খু-দুৱনি আঁতৰিল। শৰীৰ মন অলপ শান্ত হ'ল। তেওঁক খন্তেক আগেয়ে জেছি আৰু উইলছনে

কোৱাকুই কৰা কথাবোৰো ক'ব খুজিছিল কিন্তু অশোভন কথা দেখি মনতে দমাই ৰাখি মনে মনে থাকিল। কার্লাইলে অলপ পৰ টলকা মাৰি থাকি সুধিলে,—ইছা, তোমাক এইবোৰ কথা কোনে ক'লে?

—কোনেও কোৱা নাই। কাৰোবাৰ সাহস আছেনে?

—তেনেহ'লে তুমি সপোন দেখিছিলা? সাৰ পাই উঠিও সেইবোৰ পাহৰিবলৈ নোৱাৰিলা?

—এৰা, সপোন দেখিছিলোঁ—আচৰিত কথা—বিশেষকৈ যেতিয়া জ্বৰ উঠে আৰু দুর্বল হওঁ।

কার্লাইল সৰলচিতীয়া মানুহ। সেইটোকে সম্ভব বিবেচনা কৰি ইছাবেলক আৰু দুনাই প্রশ্ন নকৰিলে।

সতিনী হিংসা অগনি প্রলয়কাৰী। ই সহজে কিয়, কেতিয়াও ওলাই নাযায়। ইছাবেলে সুখ-সম্ভোগত দিন নিয়াব ধৰিলে হয় কিন্তু তেওঁৰ মনৰপৰা দিনে-ৰাতি মিছ বাৰবাৰা হেয়াৰক আঁতৰাব নোৱাৰিলে। সতিনীদাহ—তুঁহ-জুই ভিতৰে ভিতৰে জ্বলি থাকিল।

১৩

মুকলি বতৰ। মিছেছ হেয়াৰে বাত বিষৰপৰা অশেষ ভুগি ভুগি গা টঙাই উঠিল। বাৰবাৰাই বজাৰলৈ যোৱাৰ ছল কৰি ফুৰিবলৈ যাবৰ নিমিত্তে মাকক ফুচুলালে। মাকৰ গা-মন ভালে আছিল গুণে মান্তি হ'ল। দুয়ো ফুৰিবলৈ যাবৰ ইচ্ছা কৰি জাষ্টিছ হেয়াৰক গাড়ীখন দিবলৈ বৰকৈ কাবৌ-কাকুতি কৰিলেগৈ। জাষ্টিছেও বহুত আগ পিছ গুণি গাড়োৱানক লগত দি মাক-জীয়েকক বজাৰলৈ পঠালে ফুৰিবলৈ বুলি। কিন্তু লগতে সাৱধানবাণী থাকিল,—চাবা, যাতে বাৰবাৰাই বেছি খৰচ নকৰে। তোমালোক সোনকালে উভতিবা, বেছি পলম নকৰিবা।

দুয়ো ৰংমনেৰে ফুৰি ফুৰি এখন দোকানত সোমালগৈ—ৰেষ্ট লিনত মি° কাৰ্লাইলৰ অফিছৰ ওচৰতে। ৰেছমী কাপোৰ চাই মিলাব খোজোঁতেই দেখে যে তেওঁলোকে নিয়া নমুনাটো হাতত নাই। বাৰবাৰাই বেগটো গাড়ীত থকা ভাবি গাড়ীলৈ উভতি আহিল। গাড়োৱানে সৈতে দুয়ো গাড়ীত পিটিপিটিকৈ বিচাৰিলে, নাপালে। উভতিবৰ মন কৰি ৰাজবাটৰ ফালে চাওঁতেই বাৰবাৰাৰ চকুত পৰিল—এজন আটকধুনীয়া চফল ডেকা—সেই ৰ'দৰ তলে তলে সেই ফালে আগ বাঢ়ি আহিছে। ডেকাজনৰ সাজ-পাৰ, চলন-ফুৰণ, বাস্তৱিকে মন কৰিবলগীয়া। ঘড়ীৰ চেইন, চাবি আদি ৱেষ্টকোটৰ জেপৰপৰা ওলাই চিক্মিক্কৈ জিলিকি আছে। কামিজৰ বুতামবোৰ সোণখটোৱা। হাতমোজা নিপিন্ধা বগা হাতখন গোঁফ পাক দিবলৈ উলিয়াওঁতে দেখা গ'ল---কি সুন্দৰ চকুত চমক লগোৱা হীৰা খটোৱা আঙঠি জিলিকি আছে। বাৰবাৰাৰ হঠাৎ মনত পৰিল ককায়েক ৰিচাৰ্ডে কৈ যোৱা মানুহজনৰ বিৱৰণটো। বাৰবাৰাই ডেকাজনলৈ বাট চাই থাকিল—গাড়ীত কিবা বিচৰাৰ ছল কৰি। ডেকাজনৰ বয়স ২৭/২৮ বছৰ—ওখ; পাতল, ক'লা-চকু, ক'লা-চুলি, মুখ আনন্দৰ জেউতি ভৰা, বেছ আটকধুনীয়া চফল ডেকা। সি আপোন মনেৰে ৰাজ-আলিয়েদি গৈ আছে। তাক দেখি আলিৰ সিপাৰৰপৰা অটৰে বিডেলে মাত লগালে,—থৰ্ণ নেকি হে? শুনা, শুনা।

ডেকাজনে বোধহয় নুশুনিলে—তেওঁ গৈ থাকিল। বিডেলে ইবাৰ ডাঙৰকৈ মাতিলে,—কেপ্টেন থৰ্ণ! থৰ্ণে ফিৰি চাই দেখে— বন্ধুবৰ বিডেল। দুয়ো হাঁহি হাঁহি লগ লাগিলহি। বাৰবাৰাই সপোন দেখাৰ দৰে সিহঁতৰ ফালে ৰ-লাগি চাই থাকিল।

—বেগটো ধৰা, আইদেউ, সেই কাপোৰৰ মাজতে আছিল, বুলি বেঞ্জামিন গাড়োৱানে বাৰবাৰাৰ ফালে বেগটো আগ বঢ়াই দিলে। বাৰবাৰাৰ কোনো ফালে চকু কাণ নাছিল; বাহ্যিক সংসাৰৰ কথা পাহৰিছিল। তাইৰ অন্তৰ ৰাজ্যত অন্য ভাৱনাৰ তোলপাৰ লাগিছিল। সেই ডেকাজনেই যে ককায়েকে কোৱা মতে হেলিজন চাহাবৰ আচল হত্যাকাৰী থৰ্ণ, তাত সন্দেহ নাই। ৰিচাৰ্ড হেয়াৰে যি যি বিৱৰণ দিছিল সেই ডেকাজনৰ লগত খাপে খাপে মিলি গৈছে—নামো সেই কেপ্টেন থৰ্ণ। বাৰবাৰাৰ অন্তৰ কঁপি উঠিল—মুখ শেঁতা পৰিল। বাৰবাৰাই অলপ দূৰৈত ডাক্তৰ ৱেনক দেখা পাই তেওঁৰ ওচৰ চাপিলগৈ। মনৰ উত্তেজনাতে ভদ্ৰতাৰ খাতিৰত নমস্কাৰ পৰ্য্যন্ত নিদিয়াকৈ আৰম্ভ কৰিলে,—মি° ৱেন, বিডেলৰ লগত কথা পাতি থকা সেই ডেকাজনৰ ফালে লক্ষ্য কৰিছেনে? সৌ ডেকাজন।

—ডাক্তৰ ৱেনে চকুত বিত-চকুযোৰ লগাই ক'লে,—সেইজন? অ, তাৰ নাম কেপ্টেন থৰ্ণ। হাৰবাৰ্টক দেখা কৰিবলৈ আহিছে চাগৈ।

—বাৰু, সি ক'ত থাকে? ক'ৰপৰা আহিছে?

—সেইবোৰ মই একো নাজানো। আজি ৰাতিপুৱাহে মই তাক দেখিছোঁ। মই সোধাত সি কৈছে, হাৰবাৰ্ট বোলে তাৰ বন্ধু। বাৰবাৰাৰ চঞ্চল মূৰ্তি দেখি সুধিলে,—তোমাৰ কি হৈছে, বাৰাবাৰা?

বাৰবাৰাই প্ৰশ্নোত্তৰ নিদিয়াকৈ ৰেনক নমস্কাৰ জনাই মাকৰ ওচৰলৈ দোকানলৈ খোজ ল'লে, কিন্তু চকু থাকিল বাটে বাটে গৈ থকা কেপ্টেন থৰ্ণৰ ওপৰত—মন থাকিল হেলিজনৰ হত্যাজনিত ঘটনা উদ্ঘাটনত।

বাৰবাৰাক শেঁতা পৰি পলমকৈ যোৱা দেখি মাকে সুধিলে,—কিয় পলম কৰিলা, আইটি? তোমাৰ কিবা অসুখ হ'ল নেকি?

—একো হোৱা নাই, মাম্মা। সোনকালে বজাৰৰ কাম শেষ কৰোঁগৈ ব'লা।

তেওঁলোকে লৰালৰিকৈ বজাৰৰ কাম শেষ কৰিলে। কি কিনিলে, কি ল'লে বাৰবাৰাই নজৰ নকৰিলে। তাইৰ মন অন্য ঘটনাত মগ্ন।

বাৰবাৰা আৰু মিছেছ হেয়াৰ ঘৰ পালেগৈ। বাৰবাৰা নিজৰ শোৱনি ঘৰত সোমাই ভাবনা সাগৰত বুৰ মাৰিলে—এতিয়া উপায়? মইতো নিজে একো কৰিব নোৱাৰোঁ; কাৰ্লাইলক কেনেকৈ লগ ধৰি এই ঘটনাৰ কথা জনাওঁ?

তাইনো কি ছল কৰি কাৰ্লাইলৰ ঘৰলৈ যাব তাৰে চেলু বিচাৰিব ধৰিলে। শেহত কিবা ৰেছমী কাপোৰৰ নমুনা দেখুওৱা ভাওজুৰি মাক-বাপেকৰ অনুমতি ল'লে, আৰু দুপৰীয়া খাই বৈ উঠি তাই ইষ্ট লিনত কাৰ্লাইলৰ ঘৰত উপস্থিত হ'লগৈ।

তেওঁ প্ৰথমতে মিছ কৰ্ণিৰ বিচাৰ ল'লে—জানিব পাৰিলে যে তেওঁ ঘৰত নাই। শেহত উপায়ান্তৰ নেদেখি বাধ্য হৈ আচল উদ্দেশ্য মিঃ কাৰ্লাইলক লাগে বুলি চাকৰইতক ক'লে। কাৰ্লাইল ইছাবেলৰ শোৱনি ঘৰৰ ভিতৰত আছিল। খবৰ জনোৱাত তেওঁ ওলাই আহিল। বাৰবাৰাই এবছৰ আগেয়ে যে কাৰ্লাইলক দেখা কৰিছিল সেই দিন ধৰি আৰু দেখা-সাক্ষাৎ হোৱা নাছিল। ভয়, লাজ, সন্দেহ সকলোকে হেঁচা মাৰি কাতিকৈ থৈ সংযতভাৱে ক'লে,—মিঃ কাৰ্লাইল, তোমাক অলপ বেজাৰ দিবলৈ আহিলোঁ, ক্ষমা কৰিবা।

—বহা বাৰবাৰা, বহা।

—মই মিছ কৰ্ণিক বিচাৰি আহিছোঁ—যদিও আচলতে তোমাকহে লাগে। ৰিচাৰ্ডে কৈ যোৱা হেলিজনৰ হত্যাকাণ্ডৰ আচল দোষী কেপ্টেন থৰ্ণৰ কথা তোমাৰ বোধহয় মনত আছে।

—এৰা মনত আছে। পাছে?

—মোৰ যদি ভুল হোৱা নাই, তেন্তে সি বেষ্ট লিনত আছেহি।

কার্লাইলে আগ্রহেৰে কৈ উঠিল,—সি। সেই একে থৰ্ণ?

—তাত বাহিঁৰে অন্য কোনো নহয়। বাৰবাৰাই কেতিয়া, ক'ত থৰ্ণক দেখিলে, সমস্ত বিৱৰি ক'লে। বিডেলৰ লগত কথা পতাৰ কথাও ক'লে, ডা০ ৰেনে দেখা আৰু চিনি পোৱা কথা, তাকো ক'লে। কথা শুনি কার্লাইলে ক'লে,—আচৰিত যেন লাগে, বাৰবাৰা। মইতো বেষ্ট লিনত কোনো নতুন অচিনাকি মানুহ দেখা পোৱা নাই।

—মি০ কার্লাইল, সেইজন নিশ্চয় থৰ্ণ হয়—কোনো ভুল নাই।

কার্লাইলে এখন হাত কপালত দি সুধিলে,—তেনেহ'লে এতিয়া কি কৰিব লাগে? কি কৰা উচিত ঠিক কৰা বৰ টান, বাৰবাৰা। অৱশ্যে মানুহজনৰ বিৱৰণ তুমি যি দিলা, ৰিচাৰ্ডে দিয়া বিৱৰণে সৈতে তেনেই মিলে। মানুহজন ভদ্রলোক যেন দেখিনে?

—নিশ্চয়, নিশ্চয়, খুব ভদ্রলোক—বেছ আটকধুনীয়া চফল ডেকা।

কার্লাইলৰ মনত পৰিল—ৰিচাৰ্ডে কৈছিল যে সি একেবাৰেই ধুনপেঁচৰ প্রতিমূর্তি—বেছ ফাট্‌ফিট ধুনীয়া ডেকা।—বাৰু বাৰবাৰা, কি কৰিব পৰা যায় চাম। কিবা কথা উলিয়াব পাৰিলে তোমাক জানিবলৈ দিম।

বাৰবাৰা যাবলৈ থিয় হ'ল। কার্লাইল লাহে লাহে কথাবার্তা কৈ বাৰবাৰাৰ লগত ওলাই গ'ল; ফটক পাৰ হৈ আলিৰ চোক পালেগৈ। ইপিনে সতিনী দাহত দেই পুৰি মৰা ইছাবেলে খিৰিকীৰে সেই দৃশ্য ৰ-লাগি চাই থাকিল।

কার্লাইলে বাৰবাৰাক বিদায় দি উভতি খোজ লওঁতেই দুৰৈত দুজন ডেকাক সেইফালে অহা দেখিলে। তাৰে এজন হাৰবার্ট আৰু আনজনক তেওঁ চিনি নাপালেও অন্তৰে কৈ উঠিল—কেপ্টেন থৰ্ণ। তেওঁ সিহঁতৰ আগমন বাট চাই থাকিল। হাৰবার্টে কার্লাইলক দেখিয়েই ক'লে,—গুডমর্ণিং, মি০ কার্লাইল। এওঁ কেপ্টেন থৰ্ণ, মি০ কার্লাইল। চিনা-জনা আছেনে?

কার্লাইলে দুয়োকো ঘৰলৈ মাতি আনিলে আৰু জা-জলপানৰ দিহা কৰিলে। টম্ হাৰবার্টে হেলনীয়া চকী এখনত ধপংকৈ বহি চিগাৰেট এটা জ্বলাই ক'লে,—আহা থৰ্ণ, বহা।

কেপ্টেন থৰ্ণে কার্লাইলক এবাৰ চাই ল'লে। টমে আৰম্ভ কৰিলে,—মি০ কার্লাইল, মিছেছ কার্লাইলৰ গা ভালে আছেনে?

—এতিয়াও গা সম্পূর্ণ ভাল হোৱা নাই, বৰ দুৰ্বল।

—আহা, ভগবানে সোনকালে আৰোগ্য কৰক। মি° কাৰ্লাইল, তেওঁৰ আগত মই অহা বুলি ক'ব আৰু ক'ব যে মই তেওঁৰ নবিয়াৰ নিমিত্তে বৰ দুঃখিত।

কাৰ্লাইলে তেওঁক ধন্যবাদ দি থৰ্ণৰ ফালে চাই সুধিলে,—আপুনি এইবোৰ ঠাই চিনি পাইছেনে?

কেপ্টেন থৰ্ণে হাঁহি মাৰি উত্তৰ দিলে,—মই কালি গধূলি মাত্র ৰেষ্ট লিনলৈ আহিছোঁ।

—আপুনি তেনেহ'লে ইয়ালৈ আগেয়ে অহা নাছিল?

—নাই, ডাঙৰীয়া, নাই।

টম্ হাৰবাৰ্টে মাজতে ক'বলৈ ধৰিলে,—এওঁ আৰু আমাৰ জেক্ দুয়ো একে সৈন্যদলত কাম কৰে। জেক্ ঘৰতে আছেহি। এওঁক মাছ চিকাৰলৈ মাতি আনিছিল। এতিয়া সি কোনো বিশেষ কাৰণে আয়ৰ্লেণ্ডৰ সৈন্যাধক্ষ্যৰ ওচৰলৈ গুচি গ'ল গৈ। কাজেই এবোঁ কাইলৈ মানে যাবগৈ।

মাছ চিকাৰৰ কথা ওলাল। বাদ প্রতিবাদৰ মাজত কেপ্টেন থৰ্ণে এলোপগু নামে এটা পুখুৰী আৰু তাৰ বিখ্যাত ঈল মাছৰ কথা ক'লে। কাৰ্লাইলে তাৰ ফালে কেৰাহিকৈ চাই সুধিলে,—কোনটো পুখুৰীৰ কথা ক'লে? আমাৰ ইয়াত ওচৰা-ওচৰিকৈ একে নামৰে দুটা পুখুৰী আছে।

—ইয়াৰপৰা তিনি মাইল আঁতৰত থকা পুখুৰীটোৰ কথাহে কৈছোঁ। বোধহয় সেইটো অৰ্পি চাহাবৰ।

কথা শুনি কাৰ্লাইলে হাঁহি মাৰি ক'লে,—বোধহয় আপুনি কিছুদিন ইয়াত আছিলহি, কেপ্টেন থৰ্ণ। নহ'লে এইবোৰ ঠাই কেনেকৈ জানিব? অৰ্পি চাহাব ঢুকাইছে আৰু সেই পুখুৰীটো আজি ২।৩ বছৰ হ'ল পুতি পেলাইছে।

কথাৰ গতি কোনোবা ফালে যোৱা যেন দেখি কেপ্টেন থৰ্ণ সাৱধান হ'ল। ক'লে,—মই এজন বন্ধুৰ মুখৰপৰাহে এইবোৰ শুনিছোঁ, ডাঙৰীয়া।

তাৰ পাছত কথাই কথাই বুধিয়ক কাৰ্লাইলে চোৱেনচানৰ কথা উলিয়ালে—কাৰণ ৰিচাৰ্ডে কৈছিল যে কেপ্টেন থৰ্ণ গধূলি পৰত চোৱেনচানৰ ফালৰপৰা সদায় ঘোঁৰাত উঠি আহিছিল। কেপ্টেন থৰ্ণক সোধাত তেওঁ ক'লে,—অলপ জানো। মই তাত কিছুদিন আছিলোঁহি।

মি° কাৰ্লাইলৰ প্ৰায় বিশ্বাস হ'ল—ৰিচাৰ্ডে আৰু বাৰবাৰাই কোৱা কথা মিছা নহয়। সিহঁতে কোৱা বিবৰণ এই মানুহজনৰ গাত সোণত সুৱগা মিলাৰ দৰে মিলি গৈছে। কাৰণ তেতিয়াও সি হাতত দুটা আঙঠি পিন্ধিছিল—এটাত চিলমোহৰ মৰা

আৰু আনটো হীৰা খটোৱা খুব সুন্দৰ চিকমিক্‌কৈ জ্বলি থকা। হাত দুখনো লনি,—কমালৰ এসেন্সৰ গোন্ধত গোটেই কোঠালী আমোলমোলা। ডেকাজন বেছ আটকধুনীয়া। মিঃ কাৰ্লাইল খন্তেকৰ বাবে ওলাই গ'ল আৰু জেছিক মাতি আনি ক'লে,—জেছি, তই এতিয়াই কিবা পানীয়েই হক বা আন কিবা এবিধ হাতত লৈ আমি থকা ডেকাজনক ভালদৰে চাইচিতি আহিবি। বোধহয় তই তাক আগেয়ে দেখিছ।

কাৰ্লাইল আগৰ ঠাইত বহিলহি। জেছিয়ে কৰ্তাৰ নিৰ্দেশ মতে হাতত এগিলাছ পানী লৈ চ'ৰাঘৰত সোমাল আৰু পানীগিলাছ মেজৰ ওপৰতে থৈ আন আন বস্তুবোৰ ভাগ লগাই থৈ গ'ল—ডেকাজনক চাইচিতি। বন্ধুসকল বিদায় হ'ল। কাৰ্লাইলে জেছিক মাতি আনি সুধিলে,—তাক চিনি পাবনে?

—নাপাওঁ দেউতা। একেবাৰেই অপৰিচিত যেন লাগিল।

—তাহানিৰ পুৰণি কথা—তইঁতৰ ঘৰৰ কথা মনত কৰচোন। আগেয়ে তাক দেখা নাছিলিনে? জেছিয়ে থৎমৎ খাই চিনি নাপাওঁ বুলি ক'লে।

—এই ডেকাজনেই সদায় গধূলি পৰত চোৱেনচানৰপৰা ঘোঁৰাত উঠি এফিৰ ঘৰলৈ নাহিছিলনে? নামটো হ'লে একে। মই অনুমান কৰোঁ—মানুহজনো একে হ'ব লাগে।

—ক'ব নোৱাৰোঁ, দেউতা। মই এদিন মাথোঁ তাক দেখিছিলোঁ। এই ডেকাজনৰ মুখৰ চেহেৰা আৰু তাহানি দেখা থৰ্ণৰ চেহেৰা একে নহয় যেন লাগিল। দুয়োজনেই একে মানুহ বুলি মোৰতো অনুমান নহ'ল।

জেছিৰপৰা একো শুং-সূত্ৰ উলিয়াব নোৱাৰি কাৰ্লাইলে পাছদিনাখন বিডেলক লগ ধৰিলেগৈ। সুধিলে,—টম্ হাৰবাৰ্টৰ লগত থকা কেপ্টেন থৰ্ণৰ লগত তোমাৰ চিনা পৰিচয় আছেনে?

—এৰা অলপ আছে। কেলেই, কি লাগে?

—বিডেল, এফি হেলিজনৰ ঘৰত আমোদ-প্ৰমোদ কৰিবলৈ যোৱা ডেকাজন এৱেঁই নহয়নে? যদি ক'ব পাৰা কোৱা, বিডেল!

বিডেল কিছুপৰ নিমাত থাকিল—যেন কথা শুনি আচৰিত হ'ল। শেহত কৈ উঠিল,—একেবাৰে মিছা কথা। কেলেই, এওঁ থৰ্ণৰ বাহিৰে কোন থৰ্ণ, মিঃ কাৰ্লাইল?

—তুমি দেখোঁ থান-থিত নোহোৱা কৰি পেলালা। যি থৰ্ণ হেলিজনৰ হত্যাকাণ্ডত লিপ্ত আছিল বা লিপ্ত থকা বুলি সন্দেহ হয়, সেই থৰ্ণৰ কথা সুধিছোঁ। এৱেঁই সেই কেপ্টেন থৰ্ণ নহয়নে?

—তুমিতো এটা গাধ, মিঃ কাৰ্লাইল। তোমাক মই ইমান গাধ বুলি জনা

নাছিলোঁ। মই আগেয়ে কৈছোঁ যে থৰ্ণ বোলা কোনো মানুহ এফিৰ প্ৰেমত পৰা নাই। মোৰ কথা কিয় বিশ্বাস নকৰিলা? আজিলৈ মই কোনো থৰ্ণকে লগ পোৱা নাছিলোঁ—কালিহে হাৰবাৰ্টৰ ঘৰত থৰ্ণক দেখিলোঁ। যদি শপথ খাব লাগে, শপথ খায়ে ক'ব পাৰোঁ। এইখিনি কৈয়ে বিডেলে কাৰ্লাইলক এৰি গুচি গ'ল। কাৰ্লাইলৰ মগজুত থৰ্ণ সম্বন্ধীয় কথাবোৰে তোল-পাৰ লগালে। থৰ্ণৰ নাম শুনিয়েই বিডেলৰ খং উঠিছিল আৰু মুখ বিবৰ্ণ হৈছিল। এতিয়াও নাম শুনা মাত্ৰকে খং উঠে আৰু মুখ বিবৰ্ণ হয়। ইয়াৰ কাৰণ কি? কাৰ্লাইলে নিশ্চয়কৈ বুজিলে যে বিডেলে এই ঘটনাৰ কথা কিছু নহয় কিছু জানে কিন্তু জানিলে কি হ'ব—অনুমানৰ ওপৰত নিৰ্ভৰ কৰি এনেকুৱা সাংঘাতিক কামত হাত দিবলৈ নোৱাৰিলে।

কাৰ্লাইল অফিছলৈ যাওঁতে বাটতে হাৰবাৰ্টক লগ পালে। তেওঁক সুধিলে,—কিহে, কেপ্টেন থৰ্ণ ইয়াত আৰু কিমান দিন থাকিব?

—এঃ, তেওঁ গ'ল নহয়নে? মই এইমাত্ৰ তেওঁক গাড়ীত তুলি দি আহিলোঁ। জেক নথকাত গুচি গ'লগৈ। জেক্ ঘৰলৈ আহিলে আকৌ আহিব।

কাৰ্লাইল ঘৰলৈ যাওঁতে বাটতে মিছ বাৰবাৰাক লগ ধৰিলে। তাই অধৈৰ্য্য হৈ সুধিলে,—কিবা পালানে?

—সুবিধাজনক কোনো খবৰ উলিয়াব পৰা নাই। মানুহজন গ'ল।

—গ'ল? ইমান সোনকালে? বোধহয় সি কিবা গম পালে। এতিয়া একো উপায় নাইনে?

—সম্প্ৰতি একো উপায় নাই। ধৈৰ্য্য ধৰি থাকা। সময় আহিলে কি কৰিব পৰা যায় চাম।

—আহা। বেচেৰা ৰিচাৰ্ড। কিমান দিন ছদ্মবেশে বনবাস খাটিবা।

১৪

দিনৰ পাছত দিন পাৰ হ'ল। মাহৰ পাছত মাহ পাৰ হ'ল। বছৰৰ পাছত বছৰ পাৰ হ'ল। সংসাৰৰ নানা পৰিৱৰ্তন ঘটিল।

এতিয়া লেডী ইছাবেল কাৰ্লাইল তিনিজন ল'ৰাছোৱালীৰ মাক। মিছ ইছাবেল কাৰ্লাইল পাঁচ বছৰীয়া, দ্বিতীয়জন মাষ্টাৰ উইলিয়াম আৰু সৰুটি মাষ্টাৰ আৰ্কি এবছৰীয়া। তৃতীয়বাৰ প্ৰসৱৰ লগে লগে ইছাবেলৰ বৰ অসুখ হৈছিল। এতিয়া আৰোগ্য হ'লেও সেই অসুখে তেওঁৰ স্বাস্থ্য একেবাৰে শোচনীয় কৰিছিল। বৰ দুৰ্বল। ডাং বেন আৰু ডাং মাৰ্টিনে পৰামৰ্শ দিলে—কিছুদিনৰ নিমিত্তে ইছাবেলক সাগৰৰ পাৰৰ কোনো স্বাস্থ্যকৰ ঠাইত জলবায়ু পৰিৱৰ্তন কৰাৰ উদ্দেশ্যে ৰাখিব লাগে। সৰলচিতীয়া কাৰ্লাইল—তেওঁলোকৰ কথাত মান্তি হ'ল। জলবায়ু পৰিৱৰ্তনৰ উদ্দেশ্যে ফ্ৰান্সৰ উপকূলত বলোনা নামৰ ঠাইলৈ যোৱা ঠিক হ'ল। দিন-বাৰ ধাৰ্য্য কৰা হ'ল।

ইছাবেলৰ বাস্তৱিকে বৰ বেয়া অৱস্থা—দুৰ্বল, উঠি-মিলি ফুৰিবই নোৱাৰে। সদায় দিন-ৰাতি বহি আৰু শুই কটায়। কেতিয়াবা বাহিৰলৈ ওলাই গৈ ল'ৰা-ছোৱালীহঁতৰ খেলা চাই থাকেগৈ আৰু বতৰ ভালে থাকিলে গধূলি এবাৰ গাড়ীত উঠি অলপ সময় ফুৰি আহে—সেয়ে সকলো। এনেকুৱা শাৰীৰিক অৱস্থাত পুৰণি মানসিক চিন্তাবোৰ আহিল—গিৰীয়েক আৰু মিছ বাৰবাৰাৰ কথা। পুৰণি সতিনী হিংসাৰ তুঁহজুই জ্বলি উঠিল। মনত নানান ৰকমৰ অশোভন প্ৰশ্ন উঠিল—আৰ্কিবল্ডে তেওঁক অন্তৰেৰে ভাল নাপায়। তেওঁক বিয়া কৰাইছে বংশ গৌৰৱ আৰু মান সম্ভ্ৰমৰ বাবে—কিন্তু ইপিনে মন-প্ৰাণ সপিছে বাৰবাৰাক। কাৰণ পোন প্ৰথমতে তেওঁৰ প্ৰতি কাৰ্লাইলৰ যেনেকুৱা উগ্ৰ আকৰ্ষণ, মৰম চেনেহ আছিল—এতিয়া সেইবোৰ নাই। এতিয়া কাৰ্লাইলৰ ধীৰ-স্থিৰ-প্ৰশান্ত গম্ভীৰ মূৰ্তি।

ধৰ্মতঃ প্ৰত্যেক বিবাহিতা তিৰোতাৰ গিৰীয়েকৰ কথা, সময় আৰু সংসাৰৰ সোঁতত এনেকুৱা ধীৰ-স্থিৰ-প্ৰশান্ত নহয়নে? কাৰ্লাইলৰ যে তেওঁৰ প্ৰতি আকৰ্ষণ বা মৰম চেনেহ নাই—এনে নহয়। সি যেনে আছিল তেনেই আছে—একেবাৰেই অটুট আছে। অৱশ্যে আগৰ যৌৱন কালৰ সেই উগ্ৰ মূৰ্তি নাই সঁচা; এতিয়া সেইবোৰ স্বভাৱতে গাঢ় প্ৰগাঢ়হে হৈছে। সংসাৰ এনেকুৱাই। সৰুকালিতে ল'ৰাছোৱালীবোৰ খেলাৰ পুতুলা লৈ পাগল, কিন্তু ডাঙৰ হৈ উঠিলে কি কৰে? কাৰ্লাইলে কোনো কথাতে ইছাবেলক ফাকি দিয়া নাই, তেওঁৰ স্বভাৱেই তেনে নহয়—তেওঁ একেবাৰে সৰল

প্ৰকৃতিৰ ভদ্ৰলোক। সময় আৰু সংসাৰৰ ঠেলা-হেঁচাত তেওঁ স্বাভাৱিকতে তেনে হৈছে। যৌবনৰ অস্থিৰ চঞ্চল মূৰ্তি পাৰ হ'ল। এতিয়া ধীৰ, স্থিৰ, প্ৰশান্ত মূৰ্তি।

ইছাবেলে সংসাৰৰ ঠেলা নুবুজিলে। 'চিৰদিন কাৰো সমানে নাযায়' নীতি বচন নুবুজিলে। তেওঁক সংসাৰৰ উপযুক্তা গৃহিণী নাম দিব পাৰিনে? তেওঁ কাৰ্লাইলক ভুল বুজিলে। তেওঁ বুজিলে—মিছ বাৰবাৰাই কাৰ্লাইলৰ অন্তৰ অধিকাৰ কৰিলে, সেয়েহে কাৰ্লাইলৰ এই মূৰ্তি। তেওঁৰ সতিনী হিংসা অগনি জ্বলিবলৈ লাগিল—খুঁটি-নাটি সকলো মনত পৰিল। তেওঁৰ মন হৰিষত বিমৰিষ, আনন্দত নিৰানন্দ। ইছাবেলে কাৰ্লাইলক প্ৰকৃততে ভাল নাপাইছিল। কাৰ্লাইলৰ ব্যৱহাৰ প্ৰণালী, মৰম চেনেহ, সুখ-সম্ভোগতহে তেওঁ কাৰ্লাইলক ভাল পাবলৈ প্ৰাণপণে চেষ্টা কৰিছিল। প্ৰকৃত প্ৰেম বা ভাল পোৱা কোনোবা দিনা চেষ্টা কৰিলে আহেনে? ই আহিলে অনিচ্ছা সত্ত্বেও আপোনা আপুনি আহে—চেষ্টাত নাহে। যেতিয়া তেওঁ আন মানুহৰ লগত কাৰ্লাইলক ৰিজায়, তেতিয়া তেওঁ কাৰ্লাইলৰ মৰম চেনেহ, দয়া, ধৰ্ম, উদাৰতা, মহানুভৱতা গুণত মুগ্ধ হৈ তেনেহেন পুৰুষজনৰ স্ত্ৰী হোৱা গৌৰৱ বুলি ভাবে। কাৰ্লাইলৰ দৰে সুপুৰুষ এজন পালে ৰজাৰ ৰাজকুমাৰীও গৌৰৱ বুলি ভাবে।

তেওঁক কাৰ্লাইলৰ অন্তৰত "সৰ্বস্বত্ব সংৰক্ষিত" ক্ষমতা লাগে; ইছাবেলে তাৰ অন্যথা সহিব নোৱাৰিলে।

জলবায়ু পৰিৱৰ্তনৰ বাবে বলোনালৈ যোৱাৰ দিন-বাৰ ঠিক হ'ল। লাগতিয়াল কাপোৰ-কানি, বস্ত্ৰ-বেহানি, চাকৰ-বান্দী সকলো যোগাৰ কৰা হ'ল। কৰ্ণেলিয়াৰ পেটত ভাত-পানী নোহোৱা হ'ল—ইমান খৰচ! কিন্তু ডাক্তৰৰ পৰামৰ্শ—তাত বাদ প্ৰতিবাদ নাখাটিল। শেহত চেলু উলিয়ালে—ল'ৰাছোৱালীহঁতক ইছাবেলে লগত লৈ যাব নোৱাৰে—এৰি যাব লাগে। ইছাবেলে ল'ৰাছোৱালী লগতে লৈ যায়—কৰ্ণিয়ে নিবলৈ নিদিয়ে। কাৰ্লাইল আহিল—ঘৈণীয়েকৰ কথা সমৰ্থন কৰিলে। কৰ্ণেলিয়াৰ গৰজনি পাই বিমোৰত পৰিল। ডাক্তৰৰ গাত বিচাৰৰ ভাৰ পৰিল। চতুৰী কৰ্ণেলিয়াই ডাক্তৰ দুজনক হাত কৰিলে। শেহত ল'ৰাছোৱালীহঁতক ঘৰত এৰি থৈ ইছাবেল অকলে প্ৰবাসলৈ যাব লগাত পৰিল।

ইছাবেলে জেছিক মাতি আনিলে। ল'ৰাছোৱালীহঁতক চুমা খাই ইছাবেলে সিহঁতক জেছিৰ হাতত কান্দি কান্দি গতাই দিলে আৰু ক'লে,—জেছি, তোক মই ঘৰত ল'ৰাছোৱালীহঁতৰ লগত এৰিলোঁ। মোৰ ভগ্ন স্বাস্থ্য পুনৰ পাবৰ আশা কৰি মই প্ৰবাসলৈ ওলালোঁ—তাত মৰিবও পাৰোঁ। যদি মই উভতি নাহোঁ, তেন্তে তই মোৰ পোনাকেইটাৰ লগত থাকি সিহঁতৰ যতন ল'বিনে? শপথ খাই ক, জেছি।

—ঈশ্বৰে আপোনাক আৰোগ্য কৰিব; ভালে ভালে ফিৰি আহিব; বেয়া কথাবোৰ ভাবি নাথাকিব, মেডাম।

—ময়ো এহাওধীয়াকৈ ঈশ্বৰৰ ওচৰত তাকে খাটিছোঁ। তথাপি জেছি, কোনে জানে কাৰ কেতিয়া কি হয়? জেছি, শপথ খাই ক, মোৰ পনাইঁতৰ লগত থাকি যতন ল'বিনে?

—শপথ খাই কৈছোঁ, মেডাম, সিহঁতৰ যতন নিশ্চয় ল'ম, জীৱন থাকে মানে ল'ম।

সিহঁতক মৰম চেনেহ কৰিবি, জেছি, আৰু মাজে-সময়ে ক'বি সিহঁতৰ দুৰ্কপলীয়া মাকৰ কথা।

নিশ্চয় ক'ম, মেডাম, নিশ্চয় ক'ম। আপুনি কোনো চিন্তা নকৰিব।

এদিন কাৰ্লাইল, পিটাৰ (চাকৰ) আৰু উইলছনৰ (লিগিৰী) লগত মিছেছ ইছাবেল কাৰ্লাইল গন্তব্য ঠাই বলোনাত উপস্থিত হ'লগৈ। কাৰ্লাইলে চাই-চিতি তেওঁৰ থকা-মিলাৰ সুবিধা এটা ভাল ওখ খাপৰ হোটেলত কৰি দিলে। কাৰ্লাইল তাত তিনি দিন মাত্ৰ আছিল—থাকি শৰীৰ মন বৰ ভাল লাগিল। তাকে দেখি তেওঁলোক গিৰীয়েক-ঘৈণীয়েকহালৰ মহা আনন্দ—বলোনাৰ জলবায়ুৱে ইছাবেলক সুজিব বুলি—ইছাবেলে ক'লে,—মই ইয়াত কাৰো লগত চিনা পৰিচয় বা ঘনিষ্ঠতা নকৰোঁ, আৰ্কিবল্ড—নহয়নে?

এৰা, নভবা নিচিন্তাকৈ কৰা বেয়া। ইয়াত হয়তো তুমি চিনি জানি পোৱা বহুতো মানুহ আছে। ইয়াত নানা ৰকমৰ মানুহ বাস কৰে—তাৰ ভিতৰত কিছুমান অৱশ্যে ভাল, সৎস্বভাৱৰ। কিন্তু কিছুমান একেবাৰেই লম্পট, কুচৰিত্ৰৰ আটকধুনীয়া উৰি ফুৰা ডেকা। শেহৰ বিধৰ মানুহেই বেছিভাগ এইবোৰ ঠাইত ঘূৰি ফুৰে।

কাৰ্লাইল থিয় হ'ল আৰু তেওঁৰ হাতখন ঘৈণীয়েকৰ হাতৰ মাজত দি দুয়ো বাটলৈ ওলাই আহিল। হোটেলত থকা ভদ্ৰ-অভদ্ৰ বহুতৰ চকু—কাৰ্লাইলৰ সুঠাম, সৰ্বাঙ্গ-সুন্দৰ চেহেৰা আৰু ইছাবেলৰ যৌৱন উলাহত ভাহি থকা সুন্দৰ মুখখনৰ ওপৰত নপৰাকৈ নাথাকিল। কাৰ্লাইলে ততাতৈয়াকৈ খোৱা-মেলা কৰি পিটাৰৰ হাতত বস্তু-বেহানিবোৰ গতাই দি ইছাবেলৰপৰা বিদায় ল'লেহি—

—আহোঁ, মইনা। বুলি ইছাবেলক ওচৰলৈ টানি আনি চুমা দুটি খাই ক'লে,—সাৱধানে থাকিবা।

ইছাবেলে চলচলীয়া চকুৰে কাৰ্লাইলৰ পিনে চাই ক'লে,—মোৰ মৰম চেনেহ বাছাইতক দিবা, আৰ্কি। আৰু—

—আৰু কি ইছা? সময় নাই—কোৱা—কোৱা।

—মই ইয়াত থকা সুবিধা পাই তুমি বাৰবাৰাৰ—

কাৰ্লাইলে ধেমালি বুলি ভাবি হাঁহি মাৰি বিদায় হ'ল।

দিন যাবলৈ ধৰিলে। ওৰে দিন ভিতৰত বহি থাকি ইছাবেলৰ ভাল নালাগে দেখি পুৱা-গধূলি পিটাৰক লগত লৈ হোটেলৰপৰা অলপ দূৰৈত বাগিচা এখনত ফুৰি ফুৰেগৈ। কেতিয়াবা কেতিয়াবা ঘণ্টাচেৰেক কিতাপ কাগজ হাতত লৈ তাত অকলে অকলে বহি পঢ়ি থাকে—সময় মতে পিটাৰে আকৌ লৈ আহেগৈ।

এদিন ৰাতিপুৱা জা-জলপান খাই ফুৰিবলৈ গৈ সেই ফুলনিৰ বেঞ্চ এখনত ইছাবেল অকলে বহি আছিল। সেই দিনে কত মানুহ অহা-যোৱা কৰিছিল সীমা সংখ্যা নাই। চাই থাকোঁতে থাকোঁতে এজন আটকধুনীয়া ডেকা সেইখিনি পালেহি। সি তেওঁৰ ফালে কেৰাহিকৈ চালে আৰু মনে মনে বখানিলে,—

—কি সুন্দৰী গাভৰু ছোৱালী—অকলে অকলে বহি আছে। তাৰ তৎক্ষণাৎ মনত পৰিল তাহানিৰ পুৰণি কথা—পুৰণি বন্ধু। সি টুপিটো মূৰৰপৰা নমালে অৰ্থাৎ তেওঁক উদ্দেশ্য কৰি নমস্কাৰ জনালে আৰু হাতখন আগ বঢ়াই যৌৱনসুলভ মিচিকিয়া হাঁহি মাৰি ক'লে,—মোৰ বোধহয় ভুল হোৱা নাই, লেডী ইছাবেলনে?

—এৰা, মিঃ লেভীছন। বুলি কৈ ইছাবেলেও হাতখন আগ বঢ়াই দিলে আৰু নভবা-নিচিন্তাকৈ কিবাকিবি কৈ পেলালে।

—ক্ষমা কৰিবা, এতিয়া তুমি লেডী ইছাবেল কাৰ্লাইলহে। সময়ৰ লগে লগে সকলো কথা অতীতৰ কোলাত মাৰ গ'ল, ইছাবেল। তোমাক দেখি বৰ সুখী হ'লোঁ। তুমি কি কাৰণে ইয়ালৈ আহিছা?

মোৰ বৰ অসুখ হৈছিল। সাগৰৰ পাৰত জলবায়ু পৰিবৰ্তন কৰিবলৈ আহিছোঁ। মিঃ কাৰ্লাইলে মোক ইয়াতে ৰাখি কালি ৰাতিপুৱা গ'লগৈ।

—বাস্তৱিকে বৰ দুৰ্বল আৰু ক্ষীণ যেন দেখিছোঁ। কিবা সহায় লাগিলে মোক ক'বা—ময়ো ইয়াতেই থাকোঁ।

ইছাবেলে মনে মনে বৰ বেজাৰ আৰু আমনিবোধ কৰিলে। কাৰণ তেওঁ জানে যে লেভীছনক দেখা পালে তেওঁৰ মনত তাহানিৰ ছোৱালীকালৰ কথাবোৰ মনত পৰিব—নানা উত্তেজনাৰ আবিৰ্ভাৱ হয়। সেই মুহূৰ্ত পৰ্য্যন্ত লেভীছনৰ প্ৰতি তেওঁৰ কোনো ভাব উদয় হোৱা নাছিল।—বাৰু, এতিয়া আহোঁ—গুড্‌মৰ্ণিং কেপ্টেন লেভীছন, বুলি যাবলৈ ওলাল।

ইছাবেলে থিয় হৈ থৰক্-বৰক্কৈ খোজ কঢ়া দেখি, তুমি খোজ কাঢ়ি যাবলৈ

নোবাৰিবা, বাৰু মই হাতত ধৰি থৈ আহোঁগে বুলি লেভীছনে নিঃসঙ্কোচে ইছাবেলৰ হাতখন তাৰ হাতৰ মুঠিত ল'লে। ইছাবেলৰ গা শিয়ৰি উঠিল। তাহানি যিদৰে মিছেছ লেভীছনৰ ঘৰত হাতত ধৰাধৰিকৈ ফুৰিছিল আজিও ঠিক তেনেকৈ দুয়ো হাতত ধৰাধৰিকৈ ইছাবেলৰ থকা ঘৰ পালেগৈ। ইছাবেলে লেভীছনক অশেষ ধন্যবাদ জনাই ভিতৰ সোমাল। লেভীছনে এখন চকীত বহি ইছাবেলৰ মন ভাল লগাবৰ বাবে কথাবাৰ্তা আৰম্ভ কৰিলে। আধা ঘণ্টামানৰ পাছত লেভীছন যাবলৈ ওলাই থিয় হ'ল আৰু সুধিলে,—আবেলি কি কৰি সময় কটোৱা?

—শুই থাকি। গোটেই দিন বহি থাকিব পৰা হোৱা নাই।

—নালাগে, শুই নাথাকিবা। যিখিনি পাৰোঁ মই তোমাক সহায় কৰিম—ফুৰিবলৈ ওলাই যাবা। বাস্তবিকে তোমাক ইয়াত দেখি মই বৰ আনন্দ পাইছোঁ। মই থাকোঁতে তুমি চাকৰ এজনৰ লগত ফুৰিবলৈ যাবানে? বাৰু সদায় পুৱা-গধূলি মই তোমাক ফুৰিবলৈ লৈ যামহি—তুমি সাজু হৈ থাকিবা। মিঃ কাৰ্লাইলে তাৰ বাবে মোক অশেষ ধন্যবাদ দিব।

এই কথাত ইছাবেলে কিবা আপত্তি কৰিব পাৰিলেনে? একো নোৱাৰিলে। সিও সৰল অন্তঃকৰণেৰে কথাবোৰ কৈছিল—আনে যেনেকৈ কয় সচৰাচৰ তেনেকৈ। ইছাবেলে নিজকে নিজে ধিক্কাৰ দিলে। যদি তেওঁ আগৰ পুৰণি কথাবোৰ তেনেই পাহৰিছিল, তেন্তে এতিয়া সিহঁতৰ লগত কি কাৰণে তয়াময়া যুঁজ কৰিব লাগে? লেভীছনক লগ পালে, খা-খবৰ জানিলে, তাতেই কথা শেষ কৰিব লাগে; কিন্তু তাতেই শেষ নকৰি হাত ধৰা-ধৰি কৰি বা পুৰণি কথা মনত কৰি কি কাৰণে নিজে নিজক ধিক্কাৰ দিবলৈ লাগে? কাৰ্লাইলে তেওঁক এনেকুৱা নিঃসহায় বিপন্ন অৱস্থাত এৰি আহিছিলনে? বাটৰ কচু-ঠাৰি ছিগি গাত ঘঁহিবলৈ কাৰ্লাইলে তেওঁক পৰামৰ্শ দিছিলনে? আজি কেপ্টেন লেভীছনক লগ পাই হাত ধৰা-ধৰিকৈ ফুৰিলে, কাইলৈ আকৌ কোনোবা কৰ্ণেল ব্যাভিচাৰী আহক—তাৰ লগতো হাত ধৰা-ধৰিকৈ ফুৰিব, এনেকি সুবিধা বুজি চুমা পৰ্য্যন্ত খোৱা-খুই কৰিব? ইকি?

*

ইছাবেলৰ ভৰি পিছলিল—কুপথত খোজ দিলে।

দিন যোৱাৰ লগে লগে ইছাবেলৰ স্বাস্থ্য আচৰিত ৰকমে ভাল হ'বলৈ ধৰিলে। সাগৰৰ পাৰৰ বায়ু-পানীয়ে সুজিলে—তেওঁক খুব গুণ দিলে—তাতোকৈ বেছি গুণ দিলে মনৰ প্ৰফুল্লতাই। তেওঁ নিচেই কম সময়ৰ ভিতৰতে প্ৰায় আগৰ দৰে হৈ উঠিল। তেওঁ সদায় পুৱা-গধূলি সাগৰৰ পাৰলৈ গৈ ৰংমনেৰে ফুৰি চাকি আহেগৈ। গিৰীয়েকৰ

নির্দেশ মতে তাত কাৰো লগত বন্ধুত্ব নাপাতিলে হয় কিন্তু একমাত্র হাত-ধৰা ভিতৰুৱা বন্ধু থাকিল সেই লম্পট কেপ্টেন লেভীছন। সি সদায় তেওঁক সাগৰৰ পাৰত লগ ধৰেগৈ আৰু প্রায়ে তেওঁক হাতত ধৰি বাহাত আগ বঢ়াই থয়গৈ। ইছাবেলে যদি সেইটো ভাল নাপাইছিল, তেন্তে দুনাই তেনে নকৰিবলৈ লেভীছনক বাধা নিদিছিল কেলেই? বাধা দিবলৈ বেয়া পাইছিল? এদিন গধূলি কিবা কথা মনত পৰাত ঠাট্টা কৰাৰ ছলেৰে ক'লে,—এতিয়া গা ভাল পাইছোঁ; হাতত ধৰিব নালাগে, অকলে যাব পাৰিম। কথা শুনি আচৰিত হৈ লেভীছনে তেওঁৰ হাতখন তাৰ হাতৰ মাজত সুমুৱাই ল'লে আৰু যাবলৈ ধৰিলে। হাত ধৰা-ধৰিকৈ দুয়ো বাহা পালেগৈ। ইছাবেলৰ উপায়ান্তৰ নাছিলনে? লেভীছনে সদায় অন্ততঃ গধূলি বেলিকা এইদৰে হাতত ধৰি ইছাবেলক দুৱাৰমুখত থৈ আহেগৈ। ইছাবেলে লেভীছনক কেতিয়াও গধূলি ভিতৰলৈ যাব নকয়, যদিও ৰাতিপুৱা সি বিনা অনুমতিতে ঘৰৰ ভিতৰলৈ সোমাই যায়।

লেভীছনক এৰাবৰ উপায় নাই—সি ইছাবেলৰ গাত জোক লগা দি লাগিল—অৱশ্যে সাগৰৰ পাৰতহে। উপায় আছিল যদি ইছাবেল বাহিৰলৈ নগৈ সদায় ভিতৰতে সোমাই থাকিলহেঁতেন। কিন্তু তেওঁ তালৈ গৈছিল ভগ্ন স্বাস্থ্য পুনৰ পাবলৈ—সাগৰৰ পাৰৰ বতাহ খাই; ঘৰৰ ভিতৰত সোমাই থাকিলে তেওঁৰ স্বাস্থ্য লাভ কেনেকৈ হয়? যিমান সোনকালে তেওঁৰ বলোনা প্রবাসৰ অন্ত পৰে সিমানেই তেওঁৰ পক্ষে মঙ্গল। তেওঁ ইষ্ট লিনত গিৰীয়েক আৰু ল'ৰাছোৱালীহঁতক পাবলৈ সদায় ব্যগ্র।

কুৰি দিন প্রবাসৰ মূৰত ইছাবেলৰ স্বাস্থ্যৰ উন্নতি আচৰিত ৰকমে হ'ল—সপোনৰো অতীত। তেওঁ আগৰ যৌৱন ফিৰাই পালে। যৌৱন কান্তি নিপোটল অঙ্গ-প্রত্যঙ্গত ফুটি উঠিল—লগে লগে যৌৱন-সুলভ কামনাৰাশিও পুনৰ জাগি উঠিল। তেওঁ ভাবিলে—এয়েই সংসাৰ সুখ-সম্ভোগৰ সময়—তেওঁ আৰু বেছি উত্তেজিত হ'ল। তেওঁৰ আত্ম-সংযম বা আত্ম-পৰীক্ষাত ভৰি পিছলিল চাগৈ। তেওঁ কুপথত খোজ দিলে।

কাৰ্লাইল ইছাবেলৰ খবৰ ল'বলৈ আহিল। ইছাবেল আৰু লেভীছনে তেওঁক আদৰি-সাদৰি আগ বঢ়াই আনিলে। তেওঁ ইছাবেলৰ স্বাস্থ্যৰ পূৰ্ণ কান্তি দেখি আচৰিত হৈ ক'লে,—তুমিতো খুব ভাল হৈছা, ইছাবেল।

কিন্তু লেভীছনৰ ওপৰত চকু পৰাত তেওঁৰ কপালৰ সিৰকেইডাল কোঁচ খালে। ইছাবেলে কথা বুজি টপৰকৈ ক'লে,—কেপ্টেন লেভীছন, আৰ্কিবল্ড।

—এৰা, মুখখন চিনা চিনা যেন লাগে।

লেভীছন আগ বাঢ়ি গৈ নমস্কাৰ জনাই ক'লে,—মাজে মাজে এইদৰে ময়ে তেওঁক ফুৰা-মেলাত সহায় কৰোঁ, ডাঙৰীয়া।

—অশেষ ধন্যবাদ। বোধকৰোঁ ইছাবেলেও তোমাৰ শলাগ লৈছে।

লেভীছনে চেলু পালে, ইছাবেলৰ বৰ্তমান স্বাস্থ্যৰ অৱস্থা বখানিলে।

পাছদিনাখন কাৰ্লাইলে লেভীছনক নিমন্ত্ৰণ কৰিলে—খাবলৈ। খোৱা-লোৱাৰ পাছত দুয়োৰে মাজত নানা কথা হ'ল। লেভীছনৰ এটা মোকৰ্দমা। কাৰ্লাইলে যি পাৰোঁ কৰিম বুলি অঙ্গীকাৰ কৰিলে। তেওঁলোক দুজনে কথা পাতি থাকোঁতে ইছাবেলে খিৰিকীখন মেলি বাহিৰৰ ফালে চাই আছিল; চকুৰে, মনেৰে ভাবিছিল লেভীছনৰ প্ৰতি তেওঁৰ আকৰ্ষণৰ কথা। এই আকৰ্ষণে তেওঁৰ অন্তৰত মনে মনে বৰ বেয়াকৈ আঁচ বহুৱালে। তেওঁ সেই আঁচ যিমানেই উঠাবলৈ চেষ্টা কৰিলে, সিমানেই সি চকচকীয়া হৈ উঠিল। হাজাৰ চেষ্টা কৰিও মনক দমাব নোৱাৰিলে। তেওঁৰ অন্তৰত এটা ভয় উপজিল। আন ভয় নহয়। ভয় হল যে তেওঁ এইদৰে অকলশৰীয়া অৱস্থাত লেভীছনৰ লগত ঘনিষ্ঠতা ৰাখিলে ই অন্তৰত পুহি থোৱা কামনাৰাশি বঢ়াব আৰু তেওঁৰ ভৱিষ্যৎ জীৱন অশান্তিৰে ভৰা আৰু লোকৰ আগত মুখ উলিয়াব নোৱাৰা কৰি তুলিব। আৰু ই যে গিৰীয়েকৰ কি সাংঘাতিক অন্যায় কৰিব তেওঁ পাহৰিলে।

কাৰ্লাইলে লেভীছনক বিদায় দি অহাত ইছাবেলে সুধিলে,—আৰ্কি, মোৰ এটা নিবেদন আছে, মঞ্জুৰ কৰিম বুলি অঙ্গীকাৰ কৰা।

—বাৰু কি নিবেদন কোৱা?

—নহয়, সেইটো অঙ্গীকাৰ কৰা নহ'লে...।

—বাৰু মঞ্জুৰ কৰিম, যদি মঞ্জুৰ কৰিব পৰা ক্ষমতাৰ ভিতৰত থাকে।

—মই ইয়াত থাকিবলগীয়া বাকীকেইদিন তুমিও মোৰ লগত থাকিব লাগে। কাৰ্লাইলে আচৰিত হৈ ঘৈণীয়েকৰ ফালে চাই ক'লে—অ, নোৱাৰো, মইনা। মই এতিয়া কামত বৰ ব্যস্ত—কোনোমতে তোমাৰ লগত থাকিব নোৱাৰোঁ।

—নহয় আৰ্কি, তুমি থাকিবই লাগিব।

—নহয়—সম্প্ৰতি মই কোনোমতে থাকিব নোৱাৰোঁ। লাগিলে পাছত অনেক দিন থাকিব পাৰিম।

—তেনেহ'লে তুমি কাইলৈয়ে যাবাগৈ?

—নিশ্চয়, আৱশ্যকে আইন নামানে।

—তেনেহ'লে মোকো লৈ যোৱা।

কার্লাইলে হাঁহি মাৰি ক'লে,—নালাগে, মইনা। তুমি ইয়াত থকা বাবে স্বাস্থ্যৰ খুব উন্নতি হৈছে, বাকী দিনকেটাও অন্ততঃ থাকা।

ইছাবেলে খণ্ডতে ৰঙা পৰি ক'লে,—তুমি লগত নহ'লে মই ইয়াত থাকিব নোৱাৰোঁ।

—কি কাৰণে? কোৱা।

কি কাৰণে? তেওঁক ক'ব লাগে। ভাবি-চিন্তি ইছাবেলে কৈ থ'লে,—তুমি নহ'লে মোৰ বৰ বেয়া লাগে। ইয়াৰ কোনো মূল্য নাই। কার্লাইলে সেই কথা নামানিলে। লগত থকা বা লৈ যোৱা এটাও নহ'ল—বৰং যাবৰ সময়ত কার্লাইলে কেপ্টেন লেভীছনৰ হাতত ইছাবেলক গতাই দি গ'ল। বাঘৰ মুখত গৰু সপি দিলে। তেওঁ যেনে সৰল প্ৰকৃতিৰ, আনকো ভাবিলে তেনে, ঘৈণীয়েককো ভাবিলে ঠিক তেনে।

দিন যাবলৈ ধৰিলে। সংসাৰৰ পৰিবৰ্তনৰ লগে লগে ইছাবেলৰো নানা পৰিবৰ্তন ঘটিল। ইছাবেলৰ স্বাস্থ্য নতুন হ'ল—অন্তৰৰ ভাব নতুন, চাৰিওফালৰ প্ৰাকৃতিক সৌন্দৰ্য্যসমূহ নতুন, মনৰ উলাহতে তেওঁ সকলোকে নতুন যেন পালে।

লেভীছনক এৰাবলৈ চেষ্টা কৰি তেওঁ ফুৰিবলৈ যোৱা ঠাই সলালে। কিন্তু উঁহু, নোৱাৰিলে। সময় সলালে, বাট সলালে, তাতো নোৱাৰিলে—তেওঁ য'লৈকে যায়, লেভীছনো তাতেই উপস্থিত। সি ইছাবেলৰ আলেখলেখ লক্ষ্য কৰি গাৰ ছাঁৰ দৰে ফুৰিবলৈ ধৰিলে। তথাপি ইছাবেলে তেতিয়াও পাপীষ্ঠক নক'লে,—তুমি মোক লগ নধৰিবা। তেওঁ ভাবিলে,—ই খন্তেকীয়া। দুদিনতে তাক হয়তো চিৰকালৰ বাবে এৰি যাব। কিন্তু তাৰ ভিতৰতে তেওঁ অনুমান কৰিলে যে এনে নেৰানেপেৰাকৈ লাগি থকা দেখা সাক্ষাৎ বেয়াৰ ফালে ঢাল ল'লে। কাৰণ লেভীছন তেওঁৰ ওচৰ পালেহিয়েই তেওঁৰ গাল-মুখ ৰঙা পৰি উঠে, অন্তৰত বিজুলী খেলে। তেওঁ এই বিজুলী খেল দমাবলৈ চেষ্টা কৰিলে—কিন্তু মিছাতে। এতিয়া চেষ্টাৰ—তেনেই অতীত।

জুলাই মাহৰ এদিন গধূলি। সাগৰৰ পাৰৰ জিৰ্ জিৰ্ জুৰ বতাহ। চাৰিওফালৰ সকলো নিমাত। লেডী ইছাবেল কার্লাইল তেওঁৰ বন্ধু লেভীছনৰ লগত নীৰৱে বহি আছিল। তেওঁৰ বিদ্ৰোহী অন্তৰ আপোন সুখত সকলো পাহৰি নাচি উঠিল। কিন্তু সম্মুখত—অন্তৰৰ প্ৰবল প্ৰতাপী বিবেক, ন্যায়-অন্যায়ৰ বিচাৰক জ্ঞান, চাৰিওফালৰ জড় প্ৰকৃতিৰ অনুভূতি, মুঠতে তেওঁ পৰস্ত্ৰী হেন পবিত্ৰ জ্ঞান—এইবোৰৰ বাধা। নহ'লে তেওঁ চিৰকালৰ নিমিত্তে কেতিয়াও উঠিবলৈ ইচ্ছা নকৰাকৈ বা নীৰৱতা ভঙ্গ নকৰাকৈ লেভীছনৰ কাষতে বহি থাকিলহেঁতেন।

লেভীছনেই প্ৰথমে আৰম্ভিলে,—তাহানি—ৰিচ্‌মণ্ডৰ পাৰত এনেকুৱা সুন্দৰ আনন্দজনক নিশা যাপনৰ কথা মনত পৰেনে, ইছাবেল?

—এৰা মনত আছে। আহা! কেনে সুখৰ দিন গৈছে। তুমি সিদিনা অসাৱধানে গাড়ী চলাইছিলা।

—কেলেই? মই মিছ কেলোনাৰাক গাড়ীত তুমি ল'ব খুজিছিলোঁ—তেওঁ নিদিলে।

—এৰা, কেলোনাৰা দেখনিয়াৰ গাভৰু ছোৱালী। তুমি তাইক ভাল পোৱা দেখি তেওঁ তোমাক বেয়া পাইছিল।

—নহয় ইছাবেল, কেলোনাৰা নহয়, অন্য এজনীৰ নাম কোৱা বুলি তেওঁ ইছাবেলৰ ফালে চাই থাকিল।

ইছাবেলৰ মুখ ৰঙা পৰিল। মুখখন তাৰপৰা ঘূৰালে। সি নিজে নিজে কৈ গ'ল—অতীতৰ কথা পাহৰণিৰ সোঁতত উটি গ'ল, ইছাবেল। তাক আৰু মনলৈ আনিব নোৱাৰি। আমি দুয়ো তাত তাছ খেলিছিলোঁ—মনত আছেনে? আঃ যদি কোনোবা দুই প্ৰাণীয়ে ইটো সিটোক ভাল পাইছিল তেন্তে আমি দুয়ো নহয়নে?

মোৰ ঋণ, স্বভাৱৰ অস্থিৰতা, তিৰোতা পুহিব নোৱাৰা অৱস্থা—এইবোৰে মোক তলত পেলাই থৈছিল। নহ'লে মই মাউণ্ট চেভাৰ্ণৰ জীয়েকক পাবলৈ আশা কৰিব নোৱাৰিছিলোঁনে! মই মোৰ অন্তৰৰ সকলো হাবিলাস মনতে বান্ধি থৈছিলোঁ আৰু মোৰ হাতৰপৰা তোমাক—

—মই এনে কথা শুনিব নোখোজোঁ, লেভীছন—বুলি ইছাবেল চিঞৰ মাৰি খঙতে থিয় হ'ল।

সি তেওঁৰ হাতত খাপ মাৰি ধৰি আকৌ বহুৱালে;—ৰ'বা, আৰু এক মুহূৰ্ত। মই তোমাক কি কাৰণে হেৰুৱালোঁ? নিজৰ মূৰ্খালিৰ দোষত। মই তোমাক অন্তৰেৰে কিমান ভাল পাইছিলোঁ! ইছাবেল, মই এতিয়াও তোমাক অন্তৰেৰে অতি ভাল পাওঁ।

—সাৱধানে কথা ক'বা, লেভীছন।

—মই যি ক'লোঁ তাৰপৰা কাৰো একো অন্যায় নহয়। তুমি মোক পাহৰিব নোৱাৰা নিশ্চয়।ময়ো তোমাক পাহৰিব নোৱাৰোঁ। আমি দুয়ো নিজ নিজ পথ বাছি লৈছোঁ। সেইমতে চলিব লাগিব। আমাৰ ভিতৰত ব্যৱধান অগম্য, কিন্তু দোষ হ'লে মোৰ। মই তেতিয়াই তোমাক সমুদায় কথা অন্তৰ খুলি ক'ব লাগিছিল আৰু তোমাক এনেকৈ কাৰ্লাইলৰ হাতত দলিয়াই পেলাব নালাগিছিল।

ইছাবেলে খঙেৰে কৈ উঠিল,—মোক পেলাই দিলা—কাৰ্লাইলৰ হাতত? মিঃ

কার্লাইল মোৰ স্বামী দেৱতা, পৰমেশ্বৰ। মই নিজ ইচ্ছাৰে তেওঁক স্বামী বৰণ কৰিছোঁ, তাৰ বাবে মোৰ অলপো অনুতাপ নাই। তেওঁৰ প্ৰতি মোৰ প্ৰগাঢ় আসক্তি দিনে দিনে বাঢ়িব ধৰিছে। তেওঁৰ কান্তিময়, সৰ্বাঙ্গসুন্দৰ সুঠাম শৰীৰলৈ চালে, তেওঁৰ কাষত তুমি কোন কুটা! কেপ্টেন লেভীছন, তুমি নিজক নিজে পাহৰিছা!

লেভীছনে দাঁত কামুৰি কৈ উঠিল,—নাই, মই তোমাক পাহৰা নাই।

—মোৰ লগত; এনেকৈ কথা ক'বলৈ তোমাৰ একো স্বত্ব নাই। তোমাৰ বাহিৰে আৰু কোনে মোক এইদৰে অপমান কৰিবলৈ সাহ কৰে? মিং কাৰ্লাইল উপস্থিত থাকিলে এনেবোৰ কৰিবলৈ পাৰিলাহেঁতেননে? যোৱা, তোমাৰ লগত বিদায়।

ইছাবেলে খঙৰ কোবতে বাহিৰৰ ফালে বেগ দিলে। লেভীছনেও পিছে পিছে গৈ ইছাবেলৰ হাতখন জোৰেৰে থাপ মাৰি ধৰি নিজৰ হাতৰ মাজত সুমুৱাই ল'লে আৰু ক'লে,—ইছাবেল, অনুগ্ৰহকৈ সকলো ক্ষমা কৰা আৰু পাহৰা। আগৰ নিচিনা উপকাৰী ভাই বন্ধু বুলি ভাবা। মই মোৰ দোষ স্বীকাৰ কৰিছোঁ। সেই দোষ আৰু নকৰোঁ, তোমাক আৰু অপমান নকৰোঁ। ক্ষমা কৰা ইছাবেল। মোক তোমাৰ হাতখন দিয়া—মই তোমাক আগ বঢ়াই থৈ আহোঁগৈ; তুমি অকলে ইমান দূৰ খোজ কাঢ়ি যাব নোৱাৰা।

—নহয়, মই নিদিওঁ বুলি কৈছোঁ। ইছাবেল গুচি গ'ল।

ঘৰ সোমায়েই ইছাবেলে কাৰ্লাইললৈ এখন জৰুৰী চিঠি লিখি পিটাৰক মাতি আনি ডাকঘৰলৈ দি পঠালে।

কাৰ্লাইলে চিঠি পায়েই ততাতৈয়াকৈ বলোনালৈ আহিল। ইছাবেলক সুধিলে—কিয় লৰালৰিকৈ মাতিছা, মইনা? তোমাৰ আচল অভিপ্ৰায় ভাঙি কোৱা।

ইছাবেলৰ অন্তৰেদি বিজুলী প্ৰবাহ এছাটি বৈ গ'ল—আচল কথা ভাঙি কওঁ কিন্তু ফ্ৰান্সিছ লেভীছনক ভাল পাওঁ বুলি নকওঁ। লেভীছনেও যে মোক ভাল পায় বুলি কৈছে তাকো নকওঁ; ইছাবেলে এইবোৰ কৈ তেওঁৰ আদৰৰ প্ৰিয় স্বামী কাৰ্লাইলৰ মনত অনাহকত অশান্তিৰ ছাঁ পেলাব নুখুজিলে। তেওঁ ক'ব খুজিছিল যে তেওঁ এদিন ফ্ৰান্সিছ লেভীছনক ভাল পাইছিল সেইবাবে লেভীছনৰ ঘনিষ্ঠ সম্বন্ধ ইচ্ছা নকৰিছিল।

ইছাবেল কিয় মনে মনে থাকিল? আচল কথা আগতে ভাঙি কোৱা হ'লে কাৰ্লাইলে কেতিয়াও লেভীছনৰ হাতত পৰিব নিদিলেহেঁতেন আৰু তাকে কৰিলে তেওঁ কাৰ্লাইলৰপৰা আগতকৈও বেছি মৰম চেনেহ, বেছি আদৰ-সাদৰ পালেহেঁতেন।

তেওঁ কিয় নক'লে—? কাৰণ ভাবি থাকোঁতেই কাৰ্লাইলে জেপৰপৰা এখন চিঠি উলিয়াই ইছাবেলৰ হাতত দিলে—মিছ কৰ্ণেলিয়াই লিখা চিঠি। মানুহজনী যেনে কঠুৱা, নিৰ্দয়, নিৰস—চিঠিৰ কথাও তেনে কৰ্কশীয়া, ৰসহীন, ভাবহীন—ল'ৰাছোৱালীহঁত

ভালে আছে। সংসাৰ সুচাৰুৰূপে চলিছে। মিছ বাৰবাৰা কেইদিনমান ইষ্ট লিনত থাকিবলৈ আহিছে। তোমাৰ ভাল চাওঁ।

—মিছ বাৰবাৰা ইষ্ট লিনত থাকিবলৈ আহিছে? বুলি শেষৰখিনি পঢ়িয়েই ইছাবেল জ্বলি-পকি উঠিল। লেভীছনৰ চিন্তা গ'ল—সতিনী দাহ জ্বলি উঠিল। গিৰীয়েকক টানকৈ ধৰিলে। শেষত কান্দিলে—ঘৰলৈ নিব লাগে। তাকে দেখি কাৰ্লাইলে ক'লে,—ইছাবেল, তুমি যদি ইমানেই ব্যগ্ৰ তেন্তে মোৰ লগতে যাবা। কথা শুনি ইছাবেলৰ হিয়া সাতখন হ'ল; মন নাচি উঠিল—আনন্দত অধীৰ হ'ল। গিৰীয়েকক চপাচপ চুমা খালে। কাৰ্লাইলেও সকলো পাহৰি ইছাবেলক বুকুৰ মাজলৈ টানি আনি তাৰ প্ৰতিদান দিলে।

'আৰু এদিন মাথোঁ বাকী। তাৰ পাছতে মই সেই মানুহজনক এৰি যাম'—এই ভাব ইছাবেলৰ মনত কিয় জাগি উঠিল? তেওঁ জানিছিল যে লেভীছনক এৰি যোৱা মানে অন্তৰ ৰাজ্যৰ পিছফালে সূৰ্য্য অস্ত আৰু আগত সন্ধিয়াৰ বৰণ। সি যি কি নহ'ক শেহত ঈশ্বৰক ধন্যবাদ দিলে।

লেভীছনে মোকৰ্দমাৰ খবৰ ল'বলৈ আহি কাৰ্লাইলক দেখা কৰি সুধিলে,—কিবা কৰিলেনে?

—এতিয়াও একো কৰিব পৰা নাই, সময় পোৱা নাই।

পাছদিনাখন ৰাতিপুৱা কাৰ্লাইল ইছাবেলক লগত লৈ ঘৰলৈ গ'ল। লেভীছনে তেওঁলোকক জাহাজত তুলি আগ বঢ়াই দিলেগৈ। সাগৰৰ পাৰত থিয় হৈ লেভীছনে জাহাজ এৰি দিয়া চাই থাকিল—চকু থাকিল ইছাবেলৰ গোলাপী গাল দুখন আৰু চকুযোৰত। লেভীছন চকুৰ আঁতৰ হ'ল—ইপিনে ইছাবেলৰ কঁপনি উঠিল—আপদ গ'ল। আৰু কাৰ্লাইলক সাবট মাৰি ধৰিলে। কাৰ্লাইলে সুধিলে,—কিয় কঁপিছা, ইছাবেল?

—মোৰ মনত বৰ আনন্দ লাগিছে, খুব ভাল লাগিছে।

—কিয় কঁপিছিলা তেনেহ'লে?

—তুমি মোক তাত অকলে এৰি থৈ আহা হ'লে মই নিজে নিজে কি কৰিলোঁহেঁতেন তাকে ভাবি, আৰ্কিবল্ড। মোক কেতিয়াও আৰু তোমাৰপৰা আঁতৰ হ'বলৈ নিদিবা। তুমি মোক সদায় তোমাৰ কাষতে ৰাখিবা।

মিচিকিয়া হাঁহি মাৰি বুকুৰ মাজলৈ টানি আনি কাৰ্লাইলে ইছাবেলক চুমা দি ক'লে,—সদায় এনেকৈ ৰাখিম, মইনা।

১৫

লেডী ইছাবেল কাৰ্লাইলে ভগ্নস্বাস্থ্য আৰু যৌৱন লাভ কৰি ঘৰলৈ উভতিল—নিজৰ ল'ৰাছোৱালীৰ ওচৰলৈ, গিৰীয়েকৰ বাহুৰ মাজলৈ। সুখ-সম্ভোগত মন-প্ৰাণ ঢালি সুখৰ সপোনত দিন নিয়াবলৈ ধৰিলে। কিন্তু যিমানে দিন গ'ল, সিমানে তেওঁৰ মনত কিবা এটা কু-ভাব জাগি উঠিল—তেওঁ যিসকলক ভাল পাইছিল—আটায়ে মৰি ঢুকাল, তেওঁহে অকলে জীয়াই থাকিল। বৰ দুখ লগা, পৰিতাপৰ কথা।

এই কু-ভাবে ইছাবেলৰ মনত দকৈ শিপালে—প্ৰবল মূৰ্ত্তি ধৰি। তেওঁ যিমানে লেভীছনৰ কথা নাভাবিবলৈ বা পাহৰিবলৈ চেষ্টা কৰিলে সিমানে তাৰ কথা জল্‌জল্ পট্‌পট্‌কৈ সজাগ হৈ উঠিল; তাক কোনো ৰকমে মনৰপৰা আঁতৰাব নোৱাৰিলে। একোবাৰ ভাবিলে—এবাৰ মাথোঁ এদিনৰ বাবে, এঘণ্টাৰ বাবে, এক মিনিটৰ বাবে লেভীছনক দেখা পালে তেওঁৰ হিয়া শাঁত পৰিব—চিৰকাললৈ আৰু নাভাবে। ইছাবেলৰ মন-ৰাজ্যৰ দুৱাৰডলিত লেভীছনৰ ছাঁ ঘূৰিবলৈ ধৰিলে—দিনত চকুৰ আগত, ৰাতি সপোনত। এয়ে হ'ল ইছাবেলৰ প্ৰথম সৰ্বনাশী দুৰাৰোগ্য ব্যাধি।

এদিন ৰাতিপুৱা কাৰ্লাইল কেপ্টেন লেভীছনৰ বুঢ়া বাপেক মিঃ লেভীছনৰ ওচৰলৈ গ'ল—কেপ্টেন লেভীছনৰ বিষয়-সম্পত্তিৰ অংশৰ বিষয়ে কথা-বতৰা হ'বলৈ। বুঢ়াৰ লগত কথা-বতৰা হ'ল—মোকৰ্দ্দমা সমিল-মিল হোৱাত বুঢ়া মান্তি হ'ল; কথা থাকিল কেপ্টেন লেভীছনে নিজে আহি আৱশ্যকীয় কাগজ-পত্ৰত দস্তখত কৰিব লাগে; কাৰণ বুঢ়া ঢাৰি-পাটীৰপৰা উঠিবই নোৱাৰে। লেভীছন আহিলে কাৰ্লাইলৰ ঘৰতে অতিথি ৰ'বহি এইবুলি ঠিক কৰি তাক দিন-বাৰ দি মাতি পঠোৱা হ'ল। কাৰ্লাইলে বিদায় ল'লে। ঘৰৰপৰা ওলাই আহোঁতে বুঢ়াৰ নতুন গৃহিণী মিছেছ লেভীছনে লগ পাই সুধিলে,—কি কাৰণে আহিছিলা, মিঃ কাৰ্লাইল?

—কেপ্টেন লেভীছনৰ বিষয়-সম্পত্তিৰ অংশৰ বিষয়ে কথা হ'বলৈ?

—কি হ'ল?

—মিটমাট কৰা হ'ব—তাক মাতি পঠোৱা হ'ল।

মিছেছ লেভীছনে হুমুনিয়াহ কাঢ়ি সুধিলে,—বাৰু, সি আহিলে ক'ত থাকিব? মোৰ ইয়াত হ'লে সি থাকিব নোৱাৰে।

ইষ্ট লিনত মোৰ ঘৰতে থাকিবহি; সি ইছাবেলৰ মিতিৰ হয়।

মিছেছ লেভীছন চঁক খাই উঠিল। ক'লে,—তেন্তে সাৱধান হ'বা, মিঃ কাৰ্লাইল। চাবা যাতে সি তোমাৰ আতিথ্য অকৃতজ্ঞতাৰে পৰিশোধ কৰিবলৈ সুবিধা নাপায়। তাৰ সেইটো জন্মগত স্বভাৱ।

কথা শুনি কাৰ্লাইলে হাঁহিলে। ক'লে,—সিনো কি কৰিব? দুদিন থাকি গুচি যাব।

মিছেছ লেভীছনেও হাঁহিলে আৰু ক'লে,—তোমাৰ ঘৰত বোধহয় খেলাৰ বস্তু একো নাই—থাকিলে সি এখেল মাৰিহে যাব, মনত ৰাখিবা। অলপ শুংসূত্র পালেই সি বিন্ধা নিদিয়াকৈ ফিৰি যোৱা বিধৰ পুৰুষ নহয়।

কাৰ্লাইল ঘৰলৈ আহিল। এদিন ৰাতি ইছাবেলক আদৰ কৰি সুধিলে,—ইছাবেল ঘৰলৈ অতিথি অহা ভাল, নহয়নে?

—বেয়া নহয়। কেলেই?

—কাইলৈ তোমাৰ বন্ধু কেপ্টেন লেভীছন আহিব।

—কোন? ইছাবেল জাঁপ মাৰি উঠিল।

—কেপ্টেন লেভীছন, ইছাবেল। বুঢ়া বাপেকৰ লগত সম্পত্তিৰ ভাগ লৈ কিবা কাজিয়া লাগিছে। তাকে মিটমাট কৰিবলৈ আহিব। আমাৰ ঘৰত ২/৪ দিন থাকি যাব।

কথা শুনি ইছাবেলৰ মূৰত বজ্র পৰিল—জ্ঞান লোপ পালে। প্রথমতে ভাব হ'ল—বসুমতী, ফাট দিয়া ৰসাতললৈ যাওঁ। দ্বিতীয়তে ভাবিলে,—লেভীছনক তেওঁৰ ওচৰলৈ কিয় মাতি আনিলে? সাপক গাখীৰ খুৱাবলৈ? ছিঃ।

কাৰ্লাইলে লেভীছনৰ দুৰৱস্থাৰ বিষয়ে ভাঙি-পাতি ক'লে। শেহত ইছাবেলে ক'লে,—আৰ্কিবল্ড, লেভীছনক ইয়াত থাকিবলৈ দিবৰ ইচ্ছা নাই।

—নালাগে, মইনা, সি দুদিন থাকিয়ে গুচি যাব।

—হ'ব পাৰে; কিন্তু সি আমাৰ ঘৰলৈ কিয় আহে?

—ময়ে মাতিছোঁ। তোমাৰ অমত বুলি জনাহেঁতেন নামাতিলোঁহেঁতেন; তুমি কেলেই বেয়া পোৱা?

—মোৰ লেভীছনক ভাল নালাগে অৰ্থাৎ সি ইয়াত থকাটো অবাঞ্ছনীয়।

—এতিয়া আৰু উপায় নাই, ইছা। সি কাইলৈ এইখিন পাবহি—সি এতিয়া বাটত।

—কাইলৈ! সি কাইলৈ আহিব? ইছাবেল উদাস হৈ উঠিল।

—সি কি দোষ কৰিছে, ইছাবেল, যে তাক তুমি বেয়া পোৱা? বলোনাত থাকোঁতে মোক একো কোৱা নাই কিয়?

—সি মোৰ একো কৰা নাই—বুলি ইছাবেল মনে মনে থাকিল, কাৰণ তাই জানে যে মিছামিছিকৈ তৰ্ক কৰিলেও কাৰ্লাইলৰ লগত নাখাটে।

কিছু সময় কিবাকিবি ভাবি থাকি গিৰীয়েকৰ কাষলৈ আহি গালখন তেওঁৰ

কান্ধতে থৈ সেই ভাজে থাকল। কাৰ্লাইলে ভাবিলে, ভাগৰ লাগিছে থাকক। ইছাবেলে অন্তৰৰ তয়া-ময়া যুঁজত তৎ নাপাই সেই পিনে ঢলি পৰিল।

পাছদিনা কেপ্টেন লেভীছন আহিল। কাৰ্লাইলে তাক আদৰি আগ বঢ়াই আনিলেগৈ; কিন্তু ইছাবেলে তাত যোগ নিদিলে বান্দীজনীৰ অসুখ হোৱা বুলি কৈ।

ইপিনে বেষ্ট লিনত জাষ্টিছ হেয়াৰৰ ঘৰত হেয়াৰ দম্পতী আৰু বাৰবাৰাৰ ফুচফুচ মেল আৰম্ভ হ'ল। ৰাতি হেয়াৰ দম্পতীয়ে এটা বৰ বেয়া সপোন দেখিছিল। সেই দেখি ৰাতিপুৱা আমন-জিমনকৈ বহি থাকোঁতে জীয়েক ওচৰলৈ অহাত ফুচফুচাই ক'লে,—আইটি, যোৱা ৰাতি মই এটা বৰ বেয়া সপোন দেখিছোঁ।

বাৰবাৰাই আচৰিত হৈ সুধিলে,—কি সপোন, আই?

—বৰ বেয়া সপোন, বাৰবাৰা, সেই পুৰণি কথাৰ সপোন। আহা! বাছা, বৰ বেয়া সপোন। মই দেখিলোঁ, যেন হেলিজনৰ আচল হত্যাকাৰী জন বেষ্ট লিনলৈ আহিছে আৰু আমাৰ লগত কথা ক'বৰ—

এনেতে জাষ্টিছ হেয়াৰ ভিতৰলৈ সোমাই আহিল, কথা বন্ধ হ'ল। তিনিওজনে ৰাতিপুৱাৰ জা-জলপান চাহ-ৰুটি আদি খালে। জাষ্টিছ হেয়াৰ ফুৰিবলৈ ওলাই গ'ল। মিছ বাৰবাৰাই আৰম্ভ কৰিলে,—তাৰ পাছত কি হ'ল, আই? তুমি ৰিচাৰ্ড দাদাৰ সপোন দেখিছিলা, নহয়নে?

ঠিক ৰিচাৰ্ডক দেখা নাই, বাছা। কিন্তু সি ইয়ালৈ আহিব নোৱাৰি যেন অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিছে। বছৰচেৰেক আগেয়ে সি গোপনীয়ভাৱে দেখা কৰি আমাৰ আগত কৈছিল যে সি আচল হত্যাকাৰী নহয়—আন এজনহে।

—এৰা আই, মোৰো মনত আছে।

—বাৰবাৰা, মোৰ বিশ্বাস সি ঠিক কৈছিল ঃ মই তাক সম্পূৰ্ণ বিশ্বাস কৰিছোঁ।

—মই তাক বাৰে বাৰে সুধিছিলোঁ অটৱে বিডেল হত্যাকাৰী হয়নে নহয়? কাৰণ বিডেলৰ ওপৰত সন্দেহ উপজিছিল। সি কৈছিল যে অটৱে বিডেল নহয়, আন এজন অচিনা মানুহহে। বাৰবাৰা, মই সপোনত দেখিলোঁ যে এজন অচিনাকি মানুহ ইয়ালৈ আহি আমাৰ লগত কথা পাতিছিল। আমি তাকেই আচল হত্যাকাৰী বুলি ভাবিছিলোঁ, কিন্তু সি স্বীকাৰ নকৰিলে। সি সকলো দোষ বেচেৰা ৰিচাৰ্ডৰ ওপৰত দিব খুজিছিল। মই তাক সঁচাকৈয়ে দেখা যেন পালোঁ, বাৰবাৰা। মই তাক দেখিয়েই ভয় খালোঁ আৰু পাছ মুহূৰ্ত্ততে সাৰ পালোঁ।

—সেই অচিনাকি মানুহজন কেনে আছিল, আই?

—ভালকৈ মনত নাই, আইটি, সপোনৰ লগতে সকলো পাহৰিলোঁ; মানুহজনে ভদ্ৰলোকৰ সাজ-পাৰ পিন্ধা যেন পালোঁ। দেখিবলৈও ওখ।

—বাৰবাৰা, সপোনৰ কথাবোৰ এনে পৰিষ্কাৰকৈ দেখিলোঁ ঠিক দিঠক যেনহে লাগিল। সাৰ পাই উঠিও পাহৰিব পৰা নাই। ৰেষ্ট লিনলৈ আহি যেন সেই হত্যাকাৰীজন ঘূৰি ফুৰিব ধৰিছে; আহা! বাৰবাৰা, কাহানি এই অশান্তিৰ ওৰ পৰিব। বছৰৰ পাছত বছৰ অতীত হ'ল, বেচেৰা ৰিচাৰ্ড বনবাসত। বাছা, ৰিচাৰ্ডৰ খবৰ পাবলৈ আৰু তাক এবাৰ চাবলৈ মন পাগল হৈছে—সাত বছৰ হ'লহি, তথাপি তাৰ কোনো সন্ধান নাই!

জাষ্টিছ হেয়াৰ ভিতৰ সোমালহি। তেওঁ ক'লেহি যে ইষ্ট লিনত কাৰ্লাইলৰ ঘৰত জেছিৰ ভৰি এখন ভাগি হাহাকাৰ। জেছিক আটায়ে ভাল পায়, খবৰ শুনি মিছেছ হেয়াৰে বৰ দুখ কৰিলে আৰু পাৰিলে যদি গা ভাল থাকে, তেন্তে গধূলিকৈ এবাৰ খবৰ ল'বলৈও বুলি জাষ্টিছ হেয়াৰৰ অনুমতি ল'লে।

ইষ্ট লিনলৈ ফুৰিবলৈ যোৱাৰ কথা শুনি বাৰবাৰাৰ হিয়া সাতখন যেন লাগিল—পুৰণি কথা জাগি উঠিল। যাৰ মুখখন দেখিবৰ বাবে, যাৰ হাতখন ধৰিবৰ বাবে ইমান ব্যাকুল, তেওঁৰ ওচৰলৈ যাবগৈ। তাই মনৰ উলাহতে নাচি নাচি ধুনীয়া সাজ-পাৰ পিন্ধি সময়ৰ আগেয়ে সাজু হৈ থাকিল।

আবেলি মাক জীয়েক দুয়ো ইষ্ট লিনলৈ যাত্ৰা কৰিলে। মিছেছৰ গা ভাল নাছিল গুণে বৰ কষ্টেৰে খোজ কাঢ়ি গধূলি কাৰ্লাইলৰ ঘৰত উপস্থিত হ'লগৈ। মিছেছ হেয়াৰক যোৱা দেখি কাৰ্লাইলে আদৰি সাদৰি আগ বঢ়াই নিলেহি। ভিতৰলৈ গৈ বহিলত মিছেছ হেয়াৰক কাৰ্লাইল, ইছাবেল, কৰ্ণেলিয়া—আটায়ে বেঢ়ি ধৰিলে আৰু হাঁহি-মিলি বৰ আনন্দেৰে কথা-বতৰা পাতিলে। ইছাবেলে মিছেছ হেয়াৰৰ লগত কথা পাতি বৰ ভাল পাইছিল; তেওঁলোক দুয়ো নানা ৰকম কথাত মগ্ন হ'ল।

কেপ্টেন লেভীছন ওচৰত মেজ এখনৰ কাষত বহি আছিল। সি তেওঁলোকক, বিশেষকৈ বাৰবাৰাক দেখি নিজে নিজে কৈ উঠিল, —এওঁলোক কোন? যেয়ে হওক— বৰ সুন্দৰী ছোৱালীজনী। সি ক্ৰমে তেওঁলোকৰ ওচৰ চাপিল। ইছাবেলে তেওঁলোকৰ চিনা-পৰিচয় কৰি দি ক'লে—মিছেছ হেয়াৰ আৰু মিছ বাৰবাৰা, কেপ্টেন লেভীছন। সি তেওঁলোকক অভিবাদন জনালে আৰু দুই-চাৰি আযাৰ কথাও সাল-সলনি কৰিলে। অলপ পাছতে লেভীছন তাৰপৰা অন্তৰ্দ্ধান হ'ল।

হেয়াৰ দম্পতীয়ে শুনা নুশুনাকৈ কাৰ্লাইলে বাৰবাৰাৰ ফালে চাই ক'লে,—

মাথাৰ বৰ অসুখ হৈছিল চাগে, বাৰবাৰা। আগেয়ে তেওঁক ভাল দেখিছিলোঁ—কিন্তু আজি দেখোঁ অৱস্থা একেবাৰে বেয়া।

—আজি ইমান দূৰ খোজ কাঢ়ি অহা বাবে কিছু বেছি হৈছে। কিন্তু কি কাৰণে আইৰ আকৌ অসুখ হৈছে জানানে?

—নাজানো, কিহৰপৰা? তেওঁলোক দুয়ো লাহে লাহে ঘৰৰপৰা এখোজ দুখোজকৈ ওলাই আহিল। বাৰবাৰাই ক'লে,—তেওঁ যোৱা ৰাতি এটা বৰ বেয়া সপোন দেখিছিল। সেই সপোন দেখিবৰপৰা তেওঁৰ গা বৰ বেয়া হৈ উঠিছে।

—কি সপোন দেখিছিল?

—বৰ বেয়া সপোন, মি০ কাৰ্লাইল। তেওঁ দেখিছিল যে হেলিজনৰ আচল হত্যাকাৰীজন বেষ্ট লিনলৈ—আমাৰ ঘৰলৈ আহিছিল আৰু আমি তিনিও সেই হত্যাকাণ্ডৰ বিষয়ে নানা কথা পাতিছিলোঁ। তেওঁ আসে মাতিলে আৰু ৰিচাৰ্ডৰ ওপৰত সমুদায় দোষ জাপি দিলে। তাৰ পাছতে তেওঁ বিডেলক ইঙ্গিত দি ওলাই গ'ল। বৰ আচৰিত সপোন, কাৰ্লাইল! বাৰবাৰা আৰু কাৰ্লাইলৰ মাজত, হেয়াৰ দম্পতীৰ সপোন, কেপ্টেন থৰ্ণৰ বেষ্ট লিনত উপস্থিতি আৰু হেলিজনৰ হত্যাকাণ্ডৰ বিষয়ে নানা ৰকম আলোচনা হ'ল। কথা কৈ কৈ তেওঁলোক ঘৰৰপৰা ভালেখিনি আঁতৰ হ'ল। এনেতে বাৰবাৰাই উচাপ খাই উঠি কাৰ্লাইলৰ কান্ধত হাতখন দি ক'লে,—সেইজন কোন বহি আছিল? তেওঁ আমাৰ কথা শুনিলে নেকি?

—নাই শুনা, আৰু শুনিলেই বা কি হ'ব? লেভীছনৰ এই ঘটনাত কোনো স্বাৰ্থ নাই। তেওঁ ইয়াত একেবাৰেই অচিনাকি মানুহ।

দুয়ো কথা-বতৰা কৈ কৈ উভতি ঘৰ পালেহি। ইছাবেলৰ পক্ষে তেওঁলোকৰ ওপৰত চকু কাণ দিয়া উচিত নহ'লেও—চকু-কাণ দিলে, তেওঁলোকৰ ব্যৱহাৰ প্ৰণালী, কথা-বতৰালৈ নজৰ কৰিলে। সতিনী দাহ তেওঁৰ অন্তৰত জাগিবলৈ ধৰিলে।

বাৰবাৰা ওচৰলৈ আহিলত মাকে ক'লে,—বাৰবাৰা, এতিয়া ঘৰলৈ যাওঁ ব'লা, ৰাতি হ'ব, কিন্তু মইতো খোজ কাঢ়িব নোৱাৰোঁ—যাওঁ কেনেকৈ? আহোঁতে বেঞ্জামিনক কৈ অহা হ'লে গাড়ীখন লৈ আহিলহেঁতেন। কথা শুনি কাৰ্লাইলে কৈ উঠিল,—বাৰু, মই এজন চাকৰ পঠাই দি খবৰ দিম। আপুনি এতিয়া ভিতৰলৈ বলক, ইয়াত গা চেঁচা পৰিব। কাৰ্লাইল, ইছাবেল, কৰ্ণেলিয়া তিনিও ধৰাধৰিকৈ মিছেছ হেয়াৰক ভিতৰলৈ নিলে আৰু এখন পালেঙত শুৱাই থ'লে। এনেতে টম হাৰবাৰ্টক বাটেদি বেষ্ট লিনৰ ফালে যোৱা দেখি মাকে ক'লে,—বাৰবাৰা, যোৱা, লৰি যোৱাগৈ, সৌ হাৰবাৰ্ট আমাৰ

সেই ফালে গ'ল। তেওঁক ক'ৰা যেন তেওঁ আমাৰ ঘৰত সোমাই বেঞ্জামিনক গাড়ীখন লৈ আহিবলৈ কয়।

কাৰ্লাইলে কথা ক'বৰে সময় নাপালে। বাৰবাৰা লৰি গৈ হাৰবাৰ্টৰ ওচৰ পালেগৈ; সুধিলে,—আপুনি আমাৰ নঙলাৰ মুখেদি নাযাবনে?

—এৰা যাম, কেলেই?

—আই আৰু মই ইয়ালৈ আহিছিলোঁ। আইৰ গা ভাল নহয়; তেওঁ এতিয়া ঘৰলৈ খোজ কাঢ়ি যাব নোৱাৰে। যদি অনুগ্ৰহকৈ বেঞ্জামিনক গাড়ীখন লৈ আহিবলৈ কয় তেন্তে আয়ে বৰ সন্তোষ পাব।

—বাৰু, কোনো কথা নাই; মই কৈ যামগৈ, কিন্তু কিমান সময়ত?

—ঠিক দহ বজাত।

—বাৰু, গুড ইভিনিং।

—গুড ইভিনিং, মিছ বাৰবাৰা—বুলি বিদেলেও পিছফালৰপৰা বাৰবাৰাক নমস্কাৰ জনালে। তাই ফিৰি চাই দেখে আকৌ দুজন ভদ্ৰলোক হাতত ধৰাধৰিকৈ তেওঁৰ ওচৰ চাপিলহি। এজন জেক্ হাৰবাৰ্ট; জেকে হাতখন আগ বঢ়াই দি কৈ উঠিল—বহুত দিন আগতে যে বাৰবাৰাৰ মৰম লগা মুখখন দেখিছিলোঁ পাহৰিব পৰা নাই। তেতিয়া মৰম লগা সৰু ছোৱালীজনী আছিল, এতিয়া একেবাৰে পাট গাভৰুজনী হ'লহি।

কথা শুনি বাৰবাৰাই হাঁহিলে, কিন্তু জেকৰ ওচৰতে থিয় দি থকা ভদ্ৰলোকজনলৈ চকু পৰাত তাইৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। সেই মুখখন কাৰ? তেওঁ এবাৰ মাথোঁ সেই মুখখন দেখিছিল আৰু ই তাইৰ অন্তৰত যি ক'লা দাগ আঁকি থৈ গৈছিল, তাক পাহৰিব কেনেকৈ? মানুহজনৰ ফালে ভেবা লাগি চাই থকা দেখি জেকে ক'লে,—কেপ্টেন থৰ্ণ, মিছ বাৰবাৰা।

বাৰবাৰাৰ সপোন ভাগিল, চেতন হ'ল। তেতিয়া এজন অচিনাকি ডেকাৰ ফালে চাই থকা গাভৰু ছোৱালীৰ পক্ষে অশোভন ভাবি ক'লে—মই—মই কেপ্টেন থৰ্ণৰ ফালে চাইছিলোঁ, জেক্, কাৰণ মই তেওঁক চিনি পাওঁ যেন লাগে।

থৰ্ণৰ মাত ফুটিল, ক'লে—মই বেষ্ট লিনত ৪/৫ বছৰ আগেয়ে এবাৰ আছিলোঁহি।

—এৰা, তেনে যেন লাগেতো, ইয়াত কিমান দিন থাকিব?

—দুসপ্তাহ মানৰ ছুটী পাইছোঁ, সেইকেইদিন থাকিবৰ ইচ্ছা।

—বাৰু, বিদায়হে এতিয়া। বাৰবাৰা ঘৰমুৱা হ'ল। মুৰত চিন্তাৰ উপৰি চিন্তা।

লৰালৰিকৈ মাক, কর্ণেলিয়া, কার্লাইল, আৰু ল'ৰাছোৱালীহঁত য'ত আছিল তালৈ গ'ল,—ইছাবেলক তাত দেখা নাপালে। ওচৰলৈ গৈ কার্লাইলক মনে মনে হাততে টিপ মাৰি দি বাহিৰৰ ফালে উলিয়াই আনিলে। ক'লে,—আর্কিবল্ড, মই তোমাৰ লগত অকলে কিবা কথা এটা ক'ব খোজোঁ। বাহিৰলৈ যাবানে?

কার্লাইলে মূৰ দুপিয়াই সম্মতি জনালে। দুয়ো বাহিৰলৈ ওলাই গ'ল। ইছাবেল কিবা কামৰ নিমিত্তে সেই কোঠালৈ আহি গিৰীয়েকৰ লগত বাৰবাৰাৰ আচাৰ-ব্যৱহাৰ দেখি জ্বলি উঠিল। তেওঁ দেখিলে যে তেওঁলোক ক্রমে নির্জন ঠাইৰ ফালে খোজ লৈছে। মিছ বাৰবাৰা ওচৰলৈ গৈ কার্লাইলৰ গাতে হাতখন থৈ কাণে কাণে ক'লে,— আর্কিবল্ড, কেপ্টেন থর্ণ ইয়ালৈ আহিছে।

—ধেৎ পাগলী। বুলি কৈ কার্লাইলে বাৰবাৰাৰ মুখৰ ফালে চাই থাকিল।

—হয় আর্কিবল্ড, সঁচাকৈয়ে আহিছে—মই এইমাত্র তাক দেখিলোঁ। মই বাটৰ মুখলৈ যাওঁতে অটৱে বিডেল, জেক্ হাৰবার্ট আৰু তাক দেখিলোঁ। এতিয়া কি কৰা, আর্কিবল্ড?

—কি কৰিম? একো কৰিব নোৱাৰোঁ। ঠিৰাংকৈ নাজানিলে মানুহজনৰ ওচৰলৈ গৈ হঠাৎ তাক হত্যাকাৰী বুলি ধৰিব পাৰিনে? বিশেষতঃ ৰিচার্ডে কোৱা মানুহজনেই যে এইজন তাকো পৰিষ্কাৰকৈ নাজানো। আমি সাৱধানেৰে সেইবোৰ কথা ঠিক কৰিহে আচল কামত হাত দিব পাৰিম। সম্প্রতি ধৈর্য্য ধৰি থাকাগৈ।

দুয়ো ঘৰমুৱা হ'ল। তাৰ আগেয়ে লেডীছন ঘৰ পালেগৈ, সি দেখিলে যে ইছাবেলে সতিনী দাহৰ জুই পুৱাই আকাশ-পাতাল ভাবি আছে। সুবিধা পাই সি সুধিলে—সেইজনীয়ে মিছ বাৰবাৰা নহয়নে? তেওঁলোক দুয়ো দেখোঁ একেবাৰে হৰিহৰ আত্মা! মই এইমাত্র তেওঁলোকক সেই চুকৰপৰা ওলাই অহা দেখিলোঁ।

—মোক কিবা কৈছে নেকি, ডাঙৰীয়া? ধ্যানমগ্না ইছাবেলে সুধিলে।

—তোমাক আমনি কৰা নাই। মই মিঃ কার্লাইল আৰু মিছ বাৰবাৰাৰ অলেখ-লেখৰ কথাহে কৈছোঁ।

আৰু কি লাগে? জ্বলি থকা জুইত ঘিউৰ ছিটনি পৰিল।

আনুষঙ্গিক ঘটনাসমূহে সংসাৰৰ কোনোবা দুর্ভগীয়াৰ ওপৰত যদি বিপদ চপাইছিল, সর্বনাশৰ মূল কাৰণ হৈ উঠিছিল—তেন্তে আমাৰ লেডী ইছাবেল কার্লাইলৰ ওপৰত।

নাম-কটা ছিপাহী লেডীছন ইষ্ট লিনলৈ আহিবৰপৰা ইছাবেলৰ অন্তৰত

গিৰীয়েক আৰু বাৰবাৰা সম্বন্ধীয় কুচিন্তাবোৰ অৰ্থাৎ সতিনী দাহ আকৌ জ্বলি উঠিল—নতুন খৰি-খেৰ—লগে লগে নতুন ঘিউৰ ছিটনি। জুই দপ্‌দপাই জ্বলি উঠিল।

বাৰবাৰাৰ দিন-ৰাতি চিন্তা—কেনেকৈ একমাত্র মৰমৰ ককায়েক বেচেৰা ৰিচাৰ্ডক হেলিজন হত্যাজনিত অপবাদ, অপযশ, অপৰাধৰপৰা নিৰ্দোষ প্ৰমাণ কৰি ভেশছন কৰি থকা বনবাসৰপৰা উদ্ধাৰ কৰিব পাৰি। ৰিচাৰ্ডে মাজে-সময়ে অতি গোপনীয়ভাৱে তেওঁলোকক দেখা দি কৈছিলহি, মই দোষী নহওঁ, আচল দোষী কেপ্টেন থৰ্ণ। এতিয়া সেই কেপ্টেন থৰ্ণ স্বয়ং ইষ্ট লিনত ঘূৰি ফুৰিছেহি—চিকাৰ বিচাৰি। ধৰা যায় কেনেকৈ? দিন ৰাতি চকুত টোপনি, পেটত ভোক নোহোৱা হ'ল। ছোৱালী মানুহ, তাতে আকৌ গাভৰু, কোনো পুলিছ কৰ্মচাৰী বা উকীল আদিও নহয়—কি বুদ্ধিৰে এই আচল হত্যাকাৰীক জালত পেলোৱা যায়? ইপিনে বাপেক জাষ্টিছ হেয়াৰৰ হেমটাঙোনৰ ভয়; এই কথাৰ সম্ভেদ জাষ্টিছ হেয়াৰে ঘুণাক্ষৰে জানিলেও সৰ্বনাশ। কাৰ্লাইলৰ লগত হেয়াৰ পৰিয়ালৰ ঘনিষ্ঠতা। উপায়ান্তৰ নেদেখি মিছেছ হেয়াৰ আৰু বাৰবাৰাই শেহত কাৰ্লাইলক কাবৌ মিনতি কৰি এই ঘটনাৰ ৰহস্য উদ্‌ঘাটন কৰিবৰ ভাৰ দিলে। তেৱোঁ যিমান দূৰ পাৰোঁ কৰিম বুলি অঙ্গীকাৰ কৰিলে আৰু সেই চেষ্টাতে ব্যস্ত থাকিল। সেয়েহে আজি মিছ বাৰবাৰা আৰু কাৰ্লাইলৰ ঘনাই ঘনাই দেখা সাক্ষাৎ আৰু গোপনে কথা-বতৰা হয়।

বাৰবাৰাই যেতিয়াই সেই ঘটনা সম্বন্ধীয় কিবা অলপ শুনে, জানে বা দেখে, তেতিয়াই কোনো উপায়ে কাৰ্লাইলক লগতে জনায়হি। জেক্ হাৰবাৰ্ট আৰু কেপ্টেন থৰ্ণ—দুয়ো বন্ধু; ইপিনে মিছ বাৰবাৰা আৰু হাৰবাৰ্টৰ ভনীয়েক মিছ হাৰবাৰ্ট দুয়ো মহা মিত্র। সেই সূত্ৰে বাৰবাৰা তালৈ আহ-যাহ কৰে আৰু তাতেই কেপ্টেন থৰ্ণৰ ৱেষ্ট লিনলৈ অহা কথা, চোৱেনচানত থকা কথা, কিবা বিপদ আশঙ্কাৰ কথা আদি কিছু কিছু শুনে। সেইবোৰ ক'বলৈ বাৰবাৰাই কাৰ্লাইলক লগ ধৰেগৈ। অফিছত নহয়—কাৰণ তেতিয়া থৰ্ণে দেখা পাব আৰু সন্দেহ কৰিব, কিয়নো দোষী মানুহৰ সকলো পিনে চকু, সকলোতে সন্দেহ আৰু ভয়। সেইদেখি বাৰবাৰাই কাৰ্লাইক, হয় ঘৰত—নাইবা বাটত খাপ লৈ থাকি—অফিছৰপৰা যাওঁতে লগ ধৰে। বাটত লগালগি হ'লে সেই খবৰ তেতিয়াই লেভীছনে তিলকে তাল কৰি ইছাবেলৰ আগত কয়হি, ইছাবেলৰ তুষ্টি সাধন কৰে; সিপিনে ঘৰত কথা-বাৰ্তা হ'লেও নিজেই দেখে শুনে। ইছাবেলৰ সতিনী দাহ অগনিক আৰু কি উপকৰণ লাগে? প্ৰথম ৰোগ লেভীছনৰ প্ৰতি গুপ্ত প্ৰণয়ৰ চিৰ আকাঙ্ক্ষা, দ্বিতীয় ৰোগ মিছ বাৰবাৰাৰ প্ৰতি সতিনী দাহ দাবানল। এই দুই মহাব্যাধিয়ে ইছাবেলক ভালকৈয়ে আক্ৰমিলে।

কার্লাইলৰ লগত বাৰবাৰাই দেখা সাক্ষাৎ কৰা, নিৰলত কথা-বাৰ্তা হোৱা, ইছাবেলে নিজে যি দেখে, তেওঁৰ মনত খং আৰু সতিনী দাহ্ জগাবলৈ লগে লগে অন্তৰৰ শান্তি ভঙ্গ কৰিবলৈ সেয়ে যথেষ্ট হ'লহেঁতেন। তাতে আকৌ অভ্যাগত অতিথি চিৰ আৰাধনাৰ মূৰ্তি লেভীছনে জ্বলি থকা জুইত ঘিউৰ ছিটনি দিয়ে। বিষধৰ সৰ্পক দিন-ৰাতি গাখীৰ খুৱাই থাকিলে তাৰ সেই মহাবিষ লুপ্ত হয়নে? লেভীছনৰ দিন-ৰাতি কাম হ'ল কার্লাইলৰ আলেখ-লেখ চাই ফুৰা, বিশেষকৈ বাৰবাৰাৰ লগত দেখা সাক্ষাৎ আৰু কথা-বাৰ্তা কোৱা সম্বন্ধে। ইছাবেলৰ অগোচৰে হোৱা সেই দেখাদেখি লেভীছনে নানা ৰকম ৰহণ সানি তিলকে তাল কৰি ইছাবেলৰ মন যোগায়হি; জ্বলি থকা অগনি ঘিউৰ ছিটনি পাই দপ্দপ্কৈ জ্বলি উঠে।

বাৰবাৰাই ইছাবেলৰ এই সতিনী দাহৰ কথা ঘূণাক্ষৰেও নাজানে। তাই কার্লাইলক ভাল পাইছিল—অন্তৰেৰে ভাল পাইছিল আৰু সেইবাবে আগেয়ে তেওঁৰ লগত প্ৰণয়-সম্ভাষণ আদান-প্ৰদান কৰাও সম্ভৱ হ'ব পাৰে। কিন্তু বাৰবাৰাৰ এতিয়া সেই মূৰ্তি নাই, তাই তেনেই পৰিবৰ্তন হৈছে, তাইৰ অন্তৰত এতিয়া প্ৰণয়ৰ কথা নাই—কার্লাইলৰ লগত যে যেতিয়াই তেতিয়াই দেখা সাক্ষাৎ কৰে তাত প্ৰণয় বোলা কথাৰ গোন্ধ-ভাপ নাই। এতিয়া তাইৰ নিজ স্বাৰ্থ লেশমাত্ৰও নাই; ককায়েক ৰিচাৰ্ডৰ স্বাৰ্থ—ৰিচাৰ্ড নিৰ্দোষ প্ৰমাণ আৰু তাৰ উদ্ধাৰ। ৰিচাৰ্ডৰ স্বাৰ্থ লৈয়ে বাৰবাৰা দিন-ৰাতি পগলা। কাৰো কথা দৃষ্টিলৈ ভ্ৰূক্ষেপ নকৰি বাৰবাৰাই নিজৰ কৰ্তব্যত ঘূৰি ফুৰে।

এদিন ৰাতিপুৱা কার্লাইল অফিছত বহি থাকোঁতে ডিল মহৰিয়ে খবৰ দিলেহি,—এজন ভদ্ৰলোক আহিছে, দেউতা।

—কামত হাতৰ আজৰি নাই দেখা নাইনে?

—সেই কথা মই কৈছোঁ, তথাপি তেওঁ আপোনাক দেখা কৰিহে যাব হেনো। কার্লাইলে লৰালৰিকৈ নিজৰ আৱশ্যকীয় কামখিনি কৰি আঁটাই কাগজ-পত্ৰ সামৰি থ'লে আৰু ডিলক ইঙ্গিত দিলে। কেপ্টেন লেভীছন ভিতৰলৈ আহি তেওঁক নমস্কাৰ জনাই তাৰ উদ্দেশ্য ভাঙি ক'লে—এখন বিলৰ টকা আদায় সম্পৰ্কে অলপ আঁসোৱাহ ওলাইছে। সেই বিষয়ে তেওঁ কার্লাইল উকীলৰ পৰামৰ্শ ল'বলৈ আহিছিল। কথা শুনি কার্লাইল ভাবনাত পৰিল—লেভীছনৰ নিচিনা আটকধুনীয়া ডেকা বন্ধু এজনৰ উকীল নহ'লেও বিপদত সহায় কৰা উচিত, কিন্তু সিয়েই যদি তেওঁলোকে সন্দেহ কৰা হেলিজনৰ যে আচল হত্যাকাৰী, সেই নৰপিশাচ কেপ্টেন থৰ্ণ হয়, তেন্তে তাৰ নিচিনা ডেকাজনৰ নিমিত্তে কার্লাইলৰ দুৱাৰ বন্ধ—তাত তাৰ ঠাই নাই। লেভীছনে কার্লাইলৰ

সন্দেহপূৰ্ণ মুখৰ চেহেৰা দেখি ক'লে,—এই বিষয়ে যি কৰিব লাগে অনুগ্ৰহকৈ এটা পৰামৰ্শ দিব নোৱাৰেনে?

—নিশ্চয় পাৰিলোঁহেঁতেন। কিন্তু ক্ষমা কৰিব কেপ্টেন লেভীছন,—মোৰ ওচৰলৈ কোনো মানুহ মোক্কেল হ'বলৈ আহিলে—প্ৰথমতে মই জানি লওঁ—মোক্কেলজন কোন, আৰু কেনে ধৰণৰ মানুহ।

—মই সেই বিষয়ে কষ্ট স্বীকাৰৰ বাবে উপযুক্ত ধন দিম। কাৰ্লাইলে ওঁঠ কামুৰি হাঁহি মাৰি ক'লে,—মই সেই বিষয় কোৱা নাই। স্বৰ্গগত পিতাৰ উপদেশ—মোক্কেলজন কোন নজনাকৈ কাৰো মোকৰ্দমা গ্ৰহণ নকৰিবা। কাজেই মই যে তোমাৰ ওচৰত কিবা সন্দেহ কৰিছোঁ তেনে নাভাবিবা; মই কেৱল মোৰ কাম কৰিছোঁ।

—মোৰ পৰিয়ালৰ ডাঙৰ ডাঙৰ মানুহৰ লগত সম্বন্ধ আছে।

—ক্ষমা কৰিবা; পৰিয়ালৰ কথা ইয়াত নাই। যদি এজন দৈনিক বনুৱা বা বাটৰ ভিকহু আহে, তেন্তে তাৰ কথাও সাদৰে গ্ৰহণ কৰিব লাগে—যদি মানুহজন সৰলচিতীয়া আৰু সাধু পুৰুষ হয়। মই এইবোৰ কোৱা বাবে বেজাৰ নাপাবা—নাভাবিবা যে মই তোমাৰ ওপৰত কিবা সন্দেহ কৰি কথা কৈছোঁ। মই দঢ়াই দঢ়াই এইটো কওঁ যে তোমাক আৰু তোমাৰ স্বভাৱ-চৰিত্ৰ মোৰ জনা শুনা নাই। জানিলে কোনো কথা নাছিল।

কাৰ্লাইলে এনে ভদ্ৰভাৱে কথাবোৰ ক'লে যে এজন উকীলৰপৰা তেনে তিৰস্কাৰপূৰ্ণ কথা শুনিও থৰ্ণে অপমান যেন নাভাবিলে। তেতিয়া সি নিজৰ চাকৰীয়া জীৱনৰ আৰু মিঃ হাৰবাৰ্ট পৰিয়ালৰ লগত তাৰ সম্বন্ধ আদিৰ কথা ক'লে। কাৰ্লাইলেও দেখাত কিছু শান্ত হৈ সম্প্ৰতি কি কৰিব লাগে ক'লে; কিন্তু সদায় তাৰ ওকালতি কৰিম বুলি প্ৰতিশ্ৰুতি নিদিলে। এইবোৰ কথা শেষ হোৱাৰ লগে লগে কাৰ্লাইলে হঠাৎ থৰ্ণক সুধিলে,—তুমি প্ৰায় দহ-বাৰ বছৰমানৰ আগেয়ে ৱেষ্ট লিনত কেইদিনমান থকা নাছিলাহিনে? তুমি দেখোঁ মোৰ ঘৰত সিদিনা এদিনো ৱেষ্ট লিনলৈ অহাই নাই বুলি কৈছিলা? কিন্তু পাছত তোমাৰ কথাতেই দেখোঁ ওলাই পৰিল যে তুমি তাত কেইদিনমান বৈছিলাহি?

থৰ্ণে কাৰ্লাইলৰ ওচৰ চাপি লাহে লাহে ক'বলৈ ধৰিলে,—এৰা আছিলোঁহি। অৱশ্যে আপোনাৰ আগত কোৱাত কোনো হানি নাই; কিন্তু এই কথা বিদিত হ'লে ভাল নাপাওঁ। মই ঠিক ৱেষ্ট লিনত নাছিলোঁ; তাৰ ওচৰ-চুবুৰীতহে আছিলোঁ। তেতিয়া কিবা মুকলিমূৰীয়া ডেকাটো আছিলোঁ, এঠাইলৈ অহা-যোৱাও কৰিছিলোঁ। তেতিয়া মই বেছি প্ৰকাশ্যভাৱে ঘূৰি নুফুৰিছিলোঁ।

কাৰ্লাইলৰ গা শিয়ৰি উঠিল বিচাৰ্ডৰ বাবে। "এঠাইলৈ অহা-যোৱা" কথাবাৰেই তেওঁৰ মনৰ সন্দেহ দূৰ কৰিলে। টপৰাই মাত লগালে,—এৰা, সেই ছোৱালীজনীৰ নাম আছিল এফি হেলিজন—নহয়নে?

থৰ্ণৰ চকু মেল খাই ৰ'ল। কাৰ্লাইলৰ ফালে চাই সুধিলে,—এফি কোন?

—এফি হেলিজন।

—এফি হেলিজন! নহয়, আপোনাৰ ভুল হৈছে। মই এই নাম জীৱনতে শুনা নাই।

কাৰ্লাইলে মাত নমাই কৈ গ'ল—সেই সময়ত ইয়াত এটা বৰ শোক লগা দুৰ্ঘটনা হৈছিল। তুমি শুনা নাছিলানে? এফি হেলিজনৰ বাপেক...

থৰ্ণে বাধা দি ক'লে,—অ, ৰ'ব ৰ'ব। মই এই নাম নুশুনাৰ গল্প এটা কওঁ। এফি হেলিজন? কেলেই—টম্ হাৰবাৰ্টে কোৱা সেইজনী ছোৱালী—যিজনী বাপেকৰ হত্যাকাণ্ডৰ পাছত নিৰুদ্দেশ হৈছে? হেলিজনৰ নিজৰ ঘৰত—এফিৰ চকুৰ আগতে সেই হত্যাকাণ্ড!

কাৰ্লাইলে নিজক চম্ভালি ল'লে আৰু লাহে লাহে শেহত ক'লে—হেলিজন পিতাৰ এজন মহৰি আছিল।

—আৰু যিজনে সেই হত্যাকাণ্ড কৰিছে—তেৱেঁই ৰিচাৰ্ড হেয়াৰ—জাষ্টিছ হেয়াৰৰ একমাত্ৰ ল'ৰা আৰু সেই মিছ বাৰবাৰাৰ ককায়েক। আপোনাৰ কথা শুনি সিহঁতে কোৱা কথাবোৰ মোৰ এতিয়াহে মনত পৰিছে। মই মিছ বাৰবাৰাক সিদিনা আপোনাৰ পদূলি মুখতে দেখিছোঁ। বেছ ধুনীয়া ছোৱালী। টমে মোক হত্যাকাণ্ডটোৰ কথা ক'লে। বাস্তবিকে হেয়াৰ পৰিয়ালৰ পক্ষে ই এটা বৰ অপমানজনক শোক লগা কথা। সেই নিমিত্তে বোধহয় বাৰবাৰা হেয়াৰ আজিও অবিবাহিতা।

—নহয়, সেইটো কাৰণ নহয়।

—তেন্তে কি কাৰণ?

—মই বাৰবাৰাক ভালকৈ জানো; তাইক নিন্দা নকৰিবা।

—নকৰোঁ—কেলেই নিন্দা কৰিম। এনেহেন ৰূপৱতী ছোৱালীজনী। তেতিয়াৰপৰা এফিৰ কথা শুনা নাই, আপুনি শুনিছেনে?

—নাই শুনা। তুমি তাইক ভালকৈ জানিছিলা নহয়নে?

—মই জানো বুলি কেলেই ভাবে? মই এফিৰ নাম সিহঁতৰ মুখৰপৰা শুনিছোঁ আৰু জানিছোঁ।

কাৰ্লাইলৰ মূৰত ওকালতি বুদ্ধি জাগিলহি। তেওঁ আৰম্ভ কৰিলে,—এফিৰ মৰম

চেনেহ, তাইৰ মন ভুলোৱা হাঁহি, চকুৰ চাৱনিত কোন মুগ্ধ হোৱা নাই? আটাইতকৈ তাই ভাল পাইছিল থৰ্ণ নামৰ আটকধুনীয়া ডেকা এজন। তুমিয়ে সেই থৰ্ণ নোহোৱা জানো?

থৰ্ণে অন্তৰেৰে গৌৰৱ অনুভৱ কৰি গোঁফত পাক দিলে।—আপুনি যদি মোক বিশ্বাস কৰে কওঁ—এফিয়ে যে মোক ভাল পাইছিল মই স্বীকাৰ কৰিব নোৱাৰোঁ।

—তেন্তে তুমি কোৱা সেই ৰূপৱতী ছোৱালীজনী এফি নহয়। তায়েহে তোমাক আঁতৰালে। কাৰ্লাইলে কথাষাৰ কৈ চকুযোৰ থৰ্ণৰ ওপৰত ৰাখিলে—কথা শুনি থৰ্ণৰ মুখৰ আকৃতিৰ কেনেকুৱা পৰিৱৰ্তন হয় লক্ষ্য কৰিবলৈ।

—মই ভাবোঁ—নহয়। মোৰজনী এজনী বিবাহিতা ছোৱালী, কিছুদিন বেছ স্ফূৰ্তিৰে কটালোঁ—পাছত গিৰীয়েক ঘৈণীয়েক দুয়ো শেহত মিল হোৱাত মোৰ মুধা মৰিল। এতিয়া সেইবোৰ কথা ভাবিলে বাস্তবিকে বৰ লাজ লাগে।

কেপ্টেন থৰ্ণে কথাষাৰ কৈয়ে বিদায় লৈ গুচি গ'ল।

থৰ্ণ আঁতৰ হওঁতেই ডিল ভিতৰ সোমালহি আৰু দুৱাৰ বন্ধ কৰি কাৰ্লাইলৰ ওচৰলৈ গৈ সুধিলে,—দেউতা, এই ভদ্ৰলোকজনেই কেপ্টেন থৰ্ণ নহয়নে? সেই চোৰেনচান নামৰ ঠাইৰপৰা নিতৌ গধূলি ৪/৫ মাইল ঘোঁৰাত উঠি এফি হেলিজনৰ ঘৰলৈ অহা থৰ্ণ চাহাব? মোৰতো ঠিক তেনেকুৱা অনুমান হয়।

—মোৰো তেনেকুৱাই ধাৰণা হৈছে। এইজনেই যে সেই থৰ্ণ এই কথা যেয়ে খাটাং প্ৰমাণ কৰি দিব পাৰে, তাক মই এতিয়াই পাঁচ হাজাৰ টকা পুৰস্কাৰ দিলোঁহেঁতেন।

—মই তাক কেইবাদিনো হাৰবাৰ্টৰ লগত ফুৰা দেখিছোঁ আৰু দেখিবৰেপৰা মোৰ সন্দেহ হৈছে। ভাগ্যক্ৰমে তাৰ বন্ধু এজন লগ পাই সোধাত সি ক'লে যে সেই মানুহজনেই কেপ্টেন ফ্ৰেডাৰিক থৰ্ণ। কিন্তু চোৰেনচানত থকা কালত তাক ফ্ৰেডাৰিক নামেহে জানিছিলোঁ। তেতিয়া মই সি তাত কি কৰিছিল বুলি সোধাত সি ক'লে যে মৰণৰ বাট বিচাৰি ফুৰিছিল,—সাধাৰণতঃ লম্পট স্বভাৱৰ ডেকাবোৰ যেনেকৈ ফুৰে। আকৌ ঘোঁৰাত উঠাৰ কথা সোধাতো ক'লে যে তাৰ নিচিনা ঘোঁৰাত উঠোঁতা পাকৈত ডেকা নাই। এইবোৰৰপৰা কি অনুমান হয়, দেউতা? আপুনি কি ভাবে?

—কি ভাবোঁ? ময়ো তাকেই ভাবোঁ। মোৰ সম্পূৰ্ণ বিশ্বাস হৈয়ে এই থৰ্ণেই সেই থৰ্ণ।

কাৰ্লাইল হেলনীয়া চকীখনত চকু মুদি বহি থাকিল।

কেপ্টেন লেভীছনৰ কাৰ্লাইলৰ ওচৰলৈ অহা সকাম হৈ গ'ল। বুঢ়া বাপেকে নানা ওজৰ-আপত্তি উলিয়াই তাক সম্পত্তিৰ ভাগ একো নিদিলে। তাৰ এতিয়া ইষ্ট লিনত দেখা-দেখিকৈ কোনো কাম নাছিল যদিও ইছাবেলৰ প্ৰতি মোহ এৰিব নোৱাৰিলে। নানা চেলু উলিয়াই কাৰ্লাইলৰ ঘৰতে আৰু কিছুদিন অতিথি হৈ থাকিল। কেতেকী ফুলত ভীমৰাজ সাপে বাহ ল'লে।

ইছাবেলৰ নৰিয়া টান হ'ল—লেভীছন ব্যাধি আৰু বাৰবাৰা ব্যাধি বৰ সাংঘাতিক হৈ উঠিল। লেভীছনক সদায় একে ঘৰতে দেখি-শুনি তাৰ প্ৰতি তেওঁৰ অবৈধ আসক্তিৰ ঢল উঠিল। ইপিনে কাৰ্লাইল আৰু বাৰবাৰাৰ গোপনীয় কথা-বাৰ্তা ঘনাই হ'ব লগাত পৰিল। কাজেই সতিনী দাহ প্ৰবল মূৰ্তি ধৰি জ্বলি উঠিল। লেভীছনে সেই অগনিত খৰি-খেৰৰ যোগান ধৰি থাকিল।

বাৰবাৰাই ৰিচাৰ্ডৰপৰা এখন চিঠি পালে যে তেওঁ অলপতে তেওঁলোকক দেখা দিবহি। মাক জীয়েক দুয়ো পৰামৰ্শ কৰি, কাৰ্লাইলৰ ওচৰলৈ ঢাপলি মেলিলে। দুৱাৰ মুখত চাকৰ এজনক লগ পাই সুধিলে,—কাৰ্লাইল ঘৰত আছেনে?

—এতিয়াও ঘৰ পোৱাহি নাই—আইদেউসকলে বাট চাই আছে, খাবৰ হৈছে দেখি। ভিতৰলৈ যোৱাগৈ। বাৰবাৰা ওলাই গ'ল।

ইছাবেলে খিৰিকীমুখত থিয় দি গিৰীয়েকলৈ বাট চাই আছিল। বাৰবাৰাক অহা আৰু যোৱাও দেখিলে। চাকৰজন ভিতৰলৈ অহাত সুধিলে,—সেইজনী বাৰবাৰা নহয়নে?

—হয়, আইদেউ। তেওঁ দেউতাক বিচাৰি আহিছিল। মই আপুনি ঘৰত থকা বুলি ক'লোঁ। তেওঁ দেখোঁ ভিতৰলৈ নাহিল, ওলাই গ'ল।

ইছাবেলে মুখেৰে একো নামাতি লেভীছনৰ ফালে চালে—তেওঁ আছিল কাষতে বহি। তেওঁ চকুৰ ইঙ্গিতেৰে উত্তৰ দিলে—নিজে সকলো কথা চাই লোৱা।

ইছাবেলে মনৰ খণ্ডতে হাত দুখন মোহাৰি মোহাৰি আকৌ খিৰিকীমুখত খাপ ল'লেগৈ। দেখিলে বাৰবাৰাই আলিৰ কাষত ইফাল-সিফাল কৰি ফুৰি ফুৰিছে। এনেতে কাৰ্লাইল সেইখিনি পালেহি; দুয়ো হাত জোকৰা-জোকৰি কৰিলে। ইছাবেলৰ সকলো চকুত পৰিল। বাৰবাৰাই উশাহ নোলোৱাকৈ কৈ গ'ল,—আহা! তোমাক লগ পাই ধন্য

হ'লোঁ। মই তোমাৰ অফিছলৈ গৈছিলোঁ; তাত নেদেখি এতিয়া ঘৰলৈও গৈছিলোঁ। এটা বৰ ডাঙৰ খবৰ আছে।

কাৰ্লাইলেও আগ্ৰেহেৰে সুধিলে,—কি খবৰ, বাৰবাৰা, থৰ্ণৰ বিষয়ে?

—নহয়, ৰিচাৰ্ডৰ বিষয়ে। এই চিঠি চোৱা। বুলি বাৰবাৰাই চিঠিখন কাৰ্লাইলৰ হাতত দিলে। তেওঁ চিঠি পঢ়াত লাগিল, তাই তেওঁৰ ফালে ৰ লাগি চাই থাকিল। দুৰৈত খিৰিকীমুখৰপৰাই তেওঁলোকৰ ওপৰত ইছাবেল আৰু লেভীছনে চকুপাতি আছিল, তেওঁলোকে তাৰ গমকে নাপালে। শেহত তেওঁলোক কৰ্ণেলিয়াৰ চকুতো পৰিল।

চিঠি পঢ়ি কাৰ্লাইলে বাৰবাৰাক দিলে। তাই ক'লে,—আৰ্কিবল্ড, ভগবানে যি কৰে ভালেই কৰে। আমি যে থৰ্ণৰ বিষয়ে সন্দেহ কৰিছোঁ, সেই সন্দেহ এতিয়া দূৰ হ'ব। ৰিচাৰ্ড আৰু থৰ্ণৰ যাতে দেখাদেখি হ'ব পাৰে, তাৰে তুমি এটা ফন্দী উলিয়াবা। ৰিচাৰ্ড আহি ভালে ভালে উভতি নাযায় মানে মোৰ মনত অলপো সুখ-শান্তি নাই, আৰ্কিবল্ড। আহা! বেচেৰা ৰিচাৰ্ড! তুমি কোন দিনা নিৰ্দোষ প্ৰমাণিত হ'বা।

—ৰিচাৰ্ড দোষী নহ'লেও দোষীৰ দৰে কাম কৰিছে। দোষীজনো এনেকৈ নচলে, বাৰবাৰা।

—তেনেহ'লে তুমি তাক দোষী বুলি বিশ্বাস কৰা?

—নকৰোঁ, বাৰবাৰা। থৰ্ণ যে নিশ্চয় দোষী—এই বিষয়ে মোৰ নিচেই কম সন্দেহ আছে। আহা! কথাটো যদি প্ৰমাণ কৰিব পৰা যায়!

—এতিয়া ৰিচাৰ্ড আৰু থৰ্ণক কেনেকৈ লগ লগোৱা যায় তেনেহ'লে?

—মই নভবা নিচিন্তাকৈ একো ক'ব নোৱাৰোঁ। ৰিচাৰ্ড আহি পালেই মোক জনাবাহি। এতিয়া যোৱাঁগৈ।

দুয়ো দুফালে গুচি গ'ল।

কাৰ্লাইলে বুলনি ঘৰত সোমাই কাপোৰ-কানি সলাওঁতে কি কাৰণে ইমান পলম হ'ল ইছাবেলক ভাঙি-পাতি ক'লে। কথা শুনি ইছাবেলে ওঁঠ কামুৰি মনে মনে থাকিল।

খাবলৈ বহোঁতে কৰ্ণেলিয়াই গহীনভাৱে সুধিলে,—আৰ্কিবল্ড, বাৰবাৰাই তোমাক কিয় বিচাৰিছিল?

—কিবা অলপ কাম আছিল।

—সেইখন চিঠিৰ নিচিনা— দুয়ো কি পঢ়িছিলা?

কাৰ্লাইলে হাঁহি মাৰি কথা ওফৰাবৰ মনেৰে ক'লে,—সেইবোৰ গাভৰুদলৰ প্ৰণয় সম্বন্ধীয় কথা, আনৰ আগত ক'ব নাপায়।

—ধেমালি এৰা, আৰ্কিবল্ড, সঁচা কোৱা।

কাৰ্লাইলে বায়েকৰ চকুৰ ফালে এনে ভয় লগাকৈ চালে যে কৰ্ণেলিয়াৰ সকলো কথা মনত পৰিল, সকলো বুজিলে। চিঞৰ মাৰি ক'লে,—আৰ্কিবল্ড! আৰ্কিবল্ড! সেই অতীত কাহিনী কোনো কালে প্ৰমাণিত নহ'ব!

কৰ্ণেলিয়াই অতীত কাহিনীৰ অৰ্থ কৰিছিল—হেলিজনক হত্যাকাণ্ডজনিত বেচেৰা ৰিচাৰ্ডৰ অপৰাধ আৰু বনবাস। সেয়ে যথাৰ্থ কথা, কিন্তু ইছাবেলে অৰ্থ কৰিলে অতীত কাহিনী মানে বাৰবাৰাৰ লগত কাৰ্লাইলৰ গুপুত প্ৰণয় কাহিনী।

সেইদিনা গধূলিয়েই ইছাবেলে গিৰীয়েকক অকলে পাই আৰম্ভ কৰিলে,—সেই বাৰবাৰাজনীক কি লাগে যে তাই সদায় দিনে ৰাতি তোমাক বিচাৰি আহে?

—ই গোপনীয় কথা, ইছাবেল। তাই মাকৰপৰা অনুমতি লৈ আহে।

—সেইটো মই জানিলে কি অপৰাধ?

কাৰ্লাইলে চিন্তা কৰিবলৈ লাগিল। থৰ্ণৰ ওপৰত এনেকুৱা কথাটো আন নালাগে নিজৰ তিৰোতাকো ভাঙি ক'ব নোৱাৰি। ক'লে বৰ অন্যায় কৰা হয়, তেওঁৰ সকলো চেষ্টা বিফলে যাব। আকৌ ৰিচাৰ্ড যে তালৈকে আহিব তাকো ক'ব নোৱাৰি—সেই কথা কাৰো আগত বিদিত কৰিব নোৱাৰি। অৱশ্যে কৰ্ণেলিয়াই আচল কথা উলিয়াই নিলেও কোনো ভয় নাই—কৰ্ণি সেইবোৰত খুব ঠিক—পোনপটীয়া স্বভাৱৰ। কাৰ্লাইল বিমোৰত পৰিল; ক'লেও বিপদ, নক'লেও বিপদ। ভালেখিনি সময় ভাবি-চিন্তি তেওঁ ক'লে,—ইয়াক শুনি সন্তোষ নাপাবা, ইছাবেল। তুমি জানিছা যে হেয়াৰ পৰিয়ালৰ এটা বৰ ডাঙৰ দুখ লগা দুৰ্ঘটনা আছে। এইবোৰ সেই বিষয়ৰ কথা।

মি০ কাৰ্লাইলে ঠিককে ক'লে। ইছাবেলে কাৰ্লাইলৰ কথা এক বিন্দু পৰিমাণো বিশ্বাস নকৰিলে। তেওঁৰ বিশ্বাস হ'ল যে ঘৈণীয়েকৰ অন্তৰত আঘাত লাগিব বুলি গিৰীয়েকে বাৰবাৰাৰ লগত হোৱা প্ৰণয়ৰ কথা-বতৰা ভাঙি নকয়। এই অন্ধবিশ্বাসেই ইছাবেলৰ সৰ্বনাশৰ মূল কাৰণ হ'ল। কাৰ্লাইলে এনেবোৰ কথা সপোনতো ভবা নাছিল। পোনপটীয়া মানুহৰ পোনপটীয়া কথা। ঘৈণীয়েকৰ অন্তৰত যে এনেকুৱা কিবা এটা গৰল সোমাইছিল, তেওঁ লেশমাত্ৰও নাজানিলে।

পাছদিনাখন ৰাতিপুৱা ইছাবেলে কিবাকিবি ভাবি উদাস মনেৰে বহি আছিল। তেওঁৰ গা বেয়া, মন আৰু বেয়া। লেভীছন কাৰ্লাইলৰ লগত বৰ সুন্দৰ বন্ধুভাৱে কথা-বতৰা পাতি ওলাই গ'ল। কিছুদূৰ গৈ কাৰ্লাইলক বিদায় দি লেভীছনে ফালৰি কাটি অন্য বাটেদি গৈ ইছাবেলৰ ওচৰ পালেহি। বাৰবাৰাই কাৰ্লাইলক লগ পাবলৈ বাট চাই আছিল—তেওঁলোকৰ মাজত বৰ ডাঙৰ কাম। এই খবৰ লেভীছনে ইছাবেলক

জনালেহি। এনেতে এখন নিমন্ত্ৰণ পত্ৰ আহিল। কাৰ্লাইল, ইছাবেল আৰু কৰ্ণেলিয়াক এজন বন্ধুৱে সন্ধিয়া নিমন্ত্ৰণ কৰিছে—খাবলৈ। ইছাবেলে চিঠিখন পঢ়ি কৰ্ণেলিয়াৰ ফালে আগ বঢ়াই দিলে। কৰ্ণেলিয়াই চিঠিখন পঢ়ি সুধিলে,—তুমি যাবানে?

—এৰা, মিঃ কাৰ্লাইলৰ সৈতে যাম।

—কেপ্টেন লেভীছনক অকলে এৰি থৈ যাবা? তাৰ কি বন্দবস্ত কৰিবা?

—সি ইয়াত থাকিব আৰু নিজে খাব। তুমি যাবা বুলি লিখিমনে?

—নালাগে, মই নাযাওঁ।

—তেনেহ'লে লেভীছনে তোমাৰ লগতে খোৱা-লোৱা কৰিব।

—নহয়, মই তাৰ লগত নাথাকোঁ, মই তাক ভাল নাপাওঁ।

তাৰ পাছতে দুয়োৰে মাজত কিবা সাজ-পাৰ লৈ কাজিয়া লাগিল। শেহত দুয়োৰে হতা-হতি হ'বৰ উপক্ৰম হোৱাত উইলছন আৰু জেছিহঁতে কোনো ৰকমে বঢ়াই-বুজাই থমাই ৰাখিলে। সেইদিনাহে লেভীছনৰ ওপৰত জেছিৰ চকু পৰিল—বৰ সুন্দৰ দেখনিয়াৰ আটকধুনীয়া ডেকাটি বাস্তৱিকে।

*

সুখে-দুখে কেইদিনমান গ'ল। সিদিনা সোমবাৰ গধূলি। বৰ সুন্দৰ ফৰিংফুটা জোনাক নিশা। ৰিচাৰ্ড হেয়াৰ ছদ্মবেশে কুঞ্জবনলৈ আহি বাৰবাৰালৈ ইঙ্গিত দিলে। বাৰবাৰাই চাই আছিল, ইঙ্গিত বুজিলে, গা কঁপি উঠিল। জাষ্টিছ হেয়াৰ গম্ভীৰভাৱে বাৰান্দাত বতাহ খাই বহি আছিল; কোনোবা এফালে যে ওলাই যাব তাৰো আশা নাছিল। তাই ৰিচাৰ্ডক লগ ধৰেগৈ কেনেকৈ? কিন্তু নধৰিলেও যে নহয়—তেওঁ জীৱন উছৰ্গা কৰিও ৰিচাৰ্ডক লগ ধৰিব লাগে।

কল-কৌশলেৰে বাৰবাৰা ওলাই গ'ল—ৰিচাৰ্ডক লগ ধৰিলেগৈ।

—আহা, ৰিচাৰ্ড! মই তোমাৰ লগত কথা কৈ থাকিব নোৱাৰোঁ। পিতা ঘৰত আছে, সৰ্বনাশ!

—আইৰ লগত দেখা কৰিব পাৰিমনে?

—নোৱাৰা, ৰিচাৰ্ড, নোৱাৰা। তুমি কাইলৈ বাট চাব লাগিব।

—অসম্ভৱ। ইয়াত থকা নিৰাপদ নহয়।

—নহ'লেও তুমি থাকিব লাগিব। সকলো বিপদৰ মূল থৰ্ণ ইয়ালৈ...।

ৰিচাৰ্ডে জাঁপ মাৰি উঠি ক'লে, —থৰ্ণ?

—এৰা, এজন থৰ্ণ বেষ্ট লিনত আছেহি। কাৰ্লাইল আৰু মই এইজন থৰ্ণকে তুমি কোৱা থৰ্ণজন বুলি সন্দেহ কৰিছোঁ। তুমি তাক চিনাই দিব লাগিব।

ৰিচাৰ্ডে উত্তেজিত হৈ ক'লে,—দেখুৱাই দিয়া, দেখুৱাই দিয়া, বাৰবাৰা, মোক তাক দেখুৱাই দিয়া।

—তুমি তাক দেখিলে চিনিব পাৰিবানে?

—বাঃ, তাক মই চিনিব নোৱাৰিম! পিতাক বা তোমাক মই চিনি নাপামনে? তাৰ ছবি মোৰ অন্তৰত তোমালোকৰ ছবিতকৈও বেছি দকৈ অঙ্কিত হৈ আছে। কেতিয়া আৰু কেনেকৈ তাক দেখা পাম, বাৰবাৰা?

—সেইটো কাৰ্লাইলৰ লগত পৰামৰ্শ হৈ তোমাক ক'মহি। তুমি কাইলৈও এই সময়ত ইয়ালৈ আহিবা। এনেতে খিৰিকীৰপৰা জাষ্টিছ হেয়াৰৰ মাত শুনা গ'ল। দুয়ো দুফালে আঁতৰা-আঁতৰি হ'ল।

পাছদিনা ৰাতিপুৱাই মিছ বাৰবাৰা কাৰ্লাইলৰ অফিছত উপস্থিত। মহৰি ডিলৰপৰা জানিব পাৰিলে যে কাৰ্লাইল বাহিৰলৈ গৈছে, কেতিয়া ফিৰিব তাৰ স্থিৰতা নাই। কাৰ্লাইলৰ অফিছৰ দুৱাৰমুখত বাৰবাৰাৰ উপস্থিতি লেডীছনৰ চকুত নপৰাকৈ নাথাকিল! কাজেই ইছাবেলৰ কাণতো পৰিল।

চাৰিমান বজাত বাৰবাৰাই, কাৰ্লাইলক লগ ধৰি ৰিচাৰ্ড অহা বাতৰি জনালেগৈ।

কাৰ্লাইলে সকলো কাম পেলাই থৈ ৰিচাৰ্ডৰ আগলৈ থৰ্ণক কেনেকৈ অনা যায় তাৰ এটা ফন্দী পাতিলে। সেই গধূলিয়েই তেওঁলোক বন্ধুৰ ঘৰলৈ নিমন্ত্ৰণ খাবলৈ যাব তেওঁ তাকো এৰি দিলে। তেওঁ ততালিকে থৰ্ণলৈ চিঠি লিখিলে সন্ধিয়া ৮ বজাত অফিছত তেওঁক যেনে-তেনে দেখা কৰিব লাগে। ইপিনে তাৰ আগেয়ে ৰিচাৰ্ডক অফিছলৈ আনিবলৈ বাৰবাৰাক সাহস দি বিদায় দিলে।

কামৰ ভিৰত আজৰি নাই, পাঁচমান বজাত কোনোমতে কাৰ্লাইল ঘৰলৈ গ'ল। বন্ধুৰ ঘৰত নিমন্ত্ৰণ খাবলৈ যাবৰ নিমিত্তে সাজি-কাচি সাজু হৈ ইছাবেলে কাৰ্লাইললৈ বাট চাই গাড়ীত পদুলিমুখত সাজু হৈ থিয় দি আছিলহি। কাৰ্লাইল ঘৰ সোমোৱা মাত্ৰকে ইছাবেলে সুধিলে,—ছয় বজাত যে নিমন্ত্ৰণ খাবলৈ যাব লাগে পাহৰিলানে?

—নাই পাহৰা, ইছাবেল। কিন্তু কামৰ ভিৰ ইমানেই বেছি হৈছে যে মই কোনোমতে তালৈ যাব নোৱাৰোঁ; তুমি মোৰ কথা তেওঁলোকক ক'বা যাতে বেজাৰ নাপায়। মই এতিয়াও ঘৰলৈ নাহিলোঁহেঁতেন, এই কথাযাৰ তোমাক জনাবলৈহে আহিছোঁ।

কোনো মাতবোল নাই। নানা কুচিন্তা ইছাবেলৰ অন্তৰেদি বৈ গ'ল। তেওঁ সুধিলে,—কি কাৰণে নাযাবা?

—কিছুমান এনে কাম হাতত পৰিছেহি যে সেইবোৰ আজি যেনেকৈ হওক কৰিবই লাগিব। মই খাই-বৈ উঠিয়েই অফিছলৈ যাওঁগে। তুমি যাবাগৈ।

ইছাবেলৰ অনুপস্থিতিত বাৰবাৰ লগত ঘণ্টাচেৰেক হাঁহি-খিকিন্দালি ৰংধেমালি কৰাই কাৰ্লাইলৰ উদ্দেশ্য নেকি? এই ভাবে ইছাবেলৰ অন্তৰত দকৈ শিপা মেলিলে। তেওঁ সেইভাৱেই বহি থাকিল—মুখৰ চেহেৰা উত্তেজনাপূৰ্ণ হৈ উঠিল। কাৰ্লাইলে দেখা পাই ক'লে,—তুমি খং কৰা অনুচিত, ইছাবেল। মই নিশ্চয়কৈ কওঁ মোৰ দোষ নহয়। বৰ গোপনীয় জৰুৰী কথা—ডিলকো বিশ্বাস কৰিব নোৱাৰোঁ। এনেকুৱা কাম হাতত পৰিবহি বুলি ভবা নাছিলোঁ। মই তাৰ বাবে বাস্তৱিকে বৰ দুঃখিত।

আকৌ নীৰৱ। ইছাবেলে হঠাৎ সুধিলে,—পাছত আমাক লগ ধৰিবাগৈনে?

—মোৰ বিশ্বাস—নোৱাৰিম।

ইছাবেল ওলাই গ'ল। কাৰ্লাইলে পিছে পিছে গৈ তেওঁক গাড়ীত তুলি দিলেগৈ। যেতিয়া বিদায় দিলে, ইছাবেলে মুখৰে নামাতিলে—জ্যোতিহীন চকু দুটাৰে সন্মুখৰ ফালে চাই থাকিল। গাড়ী গ'ল।

ঠিক আঠ বজাৰ অলপ আগেয়ে ৰিচাৰ্ড তাৰ সেই ছদ্মবেশেৰে কাৰ্লাইলৰ অফিছৰ দুৱাৰমুখত উপস্থিত হৈ দুৱাৰত টুকুৰিয়ালে। ভিতৰৰপৰা তৎক্ষণাৎ দুৱাৰ মেল খালে। কাৰ্লাইল অকলে তাত বহি আছিল। ৰিচাৰ্ডক দেখিয়ে হাতখনত থাপ মাৰি ধৰি ক'লে,—ভিতৰলৈ আহা, ৰিচাৰ্ড। তুমি আহোঁতে বাটত চিনা-জনা বহুতক লগ পালা নেকি?

—মই কাৰো ফালে চোৱাই নাছিলোঁ; কাৰণ মানুহৰ ফালে চালে সিহঁতেও মোৰ ফালে চাব। সেই দেখি চকুযোৰ আগত ৰাখি আহি আছোঁ।

—পাছে তোমাৰ অৱস্থা কেনে?

—বৰ শোচনীয়; কষ্টেৰে ভেশছন কৰি আছোঁ। বৰ্তমান যেনেকৈ চাকৰ-নাকৰৰ দৰে জীৱন কটাইছোঁ—তাৰ বাহিৰে কি হ'ব পাৰে?

—বাৰু, তোমাৰ সেই কুৰ্ছচ টুপিটো মূৰৰপৰা গুচোৱা, ৰিচাৰ্ড; ইয়াত কোনো প্ৰাণীৰ সমাগম নাই।

ৰিচাৰ্ডে লাহে লাহে টুপিটো খহালে। সুন্দৰ মুখ! ডেকা ল'ৰাৰ যৌৱনভৰা মুখৰ

চেহেৰা। তেওঁ উচাপ খাই দুৱাৰৰ ফালে হুঁহকি গৈ কৈ উঠিল,—যদি কোনোবাই দেখে, ডাঙৰীয়া?

—সেই বিষয়ে কোনো ভয় নাই, মই তোমাক অভয় দিছোঁ। তুমি দিয়া বিৱৰণৰপৰা যিজন থৰ্ণে হেলিজনক হত্যা কৰিছিল সেইজনেই আমি ইয়াত দেখাজন হয় যেন লাগে। তাক তুমি আৰু এফিৰ বাহিৰে আন কোনেও চিনি নাপায়। মই তোমাক ডিলৰ কোঠালীৰ খিৰিকীমুখত থ'ম। থৰ্ণক অফিছত মোৰ লগত ৰাখিম। তুমি তাৰপৰা এই থৰ্ণ, তোমাৰ সেই থৰ্ণ হয়নে নহয় মিলাই দেখিবা। তুমি বোধহয় তাক দেখিলেই চিনি পাবা?

—নিশ্চয় পাম। পঞ্চাশ বছৰ অতীত হ'লেও পাম। তাৰ নিচিনা শত্ৰু এটাক জীৱনত পাহৰিমনে?

—বাৰু, কি কাৰণে ইয়ালৈ আহিছা? টকা?

ৰিচাৰ্ডে লাজতে কওঁ নকওঁকৈ ক'লে,—হয়, ডাঙৰীয়া।

—কিমান?

—এশমান হ'লেই ভাল হয়।

—বাৰু, মই আজিয়েই দিম। এনেতে বাহিৰত ঘণ্টা পৰিল।—আহা তুমি মোৰ লগতে বুলি কৈ কাৰ্লাইলে ৰিচাৰ্ডক ডিলৰ কোঠালীলৈ নি খিৰিকীখন মেলি দি তাত তলা-চাবি লগালে।

তাৰপৰা আহি বাহিৰৰ দুৱাৰ মেলি দিলে। কেপ্টেন থৰ্ণ ভিতৰ সোমালহি। কাৰ্লাইল থিয় হৈ আছিল, সিও থিয় হৈ থাকিল। কথা আৰম্ভ হ'ল। কিছু সময় থিয় হৈ থকাৰ পাছত তাক বহিবলৈ ক'লে—ৰিচাৰ্ডৰ ঠিক চকুৰ আগতে।

থৰ্ণে ক'লে,—ক্ষমা কৰিব, মোৰ আহোঁতে অলপ পলম হ'ল। আপুনি সদায় এই সময়ত অফিছলৈ আহেনে?

—নাহোঁ, অৱশ্যে কাম থাকিলে আহিবই লাগিব। আজি তোমাৰ লণ্ডনৰ পাওনাদাৰৰপৰা নটিছ পাইছোঁ যে তেওঁলোকে আৰু বাট নাচায়।

—কিন্তু সুবিচাৰৰ কাম নহ'ল, মিঃ কাৰ্লাইল!

—আইন আৰু সুবিচাৰ কেতিয়াবা কেতিয়াবা একেমুখে নাযায়।

থৰ্ণ বিবুদ্ধিত পৰিল।—তেন্তে সিহঁতে মোক ইয়াতেই গ্ৰেপ্তাৰ কৰিব?

—নিশ্চয় কৰিলেহেঁতেন কিন্তু মই বাধা দি চিঠি লিখিছোঁ। তাৰ উত্তৰ কালি পাবা।

—তেনেহ'লে এতিয়া উপায়?

—সিহঁতক ধৰাগৈ। কিন্তু মই হ'লে তোমাৰ মোকৰ্দমা ল'ব নোৱাৰিম।

—মই আশা আৰু বিশ্বাস কৰোঁ—আপুনি পৰামৰ্শ দিব।

—মই দিব নোৱাৰোঁ। বাৰু, কালিলৈ তুমি উত্তৰ পাবা—বুলি কৈয়ে কাৰ্লাইল উঠিল, থৰ্ণো উঠিল। থৰ্ণক দুৱাৰ মেলি দিলে সি ওলাই গ'ল। তাৰ পাছতে কাৰ্লাইলে ৰিচাৰ্ডক তলা-চাবি মোকলাই আনিলে আৰু সুধিলে,—পাছে ৰিচাৰ্ড, একেজন মানুহ হয়নে?

—নহয় ডাঙৰীয়া, নহয়—তাৰ দৰে কোনোটোতে নহয়। তাৰ লগত ইয়াৰ কোনো সাদৃশ্য নাই। হেলিজন হত্যাকাৰীজনৰ গালত এটা দাগ আছিল, ইয়াৰ নাই।

কাৰ্লাইলে আচৰিত মানিলে আৰু ক'লে,—তেনেহ'লে এতিয়া যাবৰ হৈছে ব'লা। তুমি মাৰাকো দেখা কৰিবা। এয়া ধৰা, তোমাৰ টকা।

—পৰম বাধিত হ'লোঁ মিঃ কাৰ্লাইল—বুলি কৃতজ্ঞতা ভৰা চকুৰে একেথৰে কাৰ্লাইলৰ মুখলৈ চাই থাকিল।

দুয়ো ওলাই ৱেষ্ট লিনৰ বাৰবাৰাহঁতৰ ঘৰলৈ বেগ দিলে। তেওঁলোকক দেখিয়েই বাৰবাৰা ওলাই আহি কাৰ্লাইলৰ হাতত ধৰিলে। ৰিচাৰ্ড ভিতৰলৈ গ'লগৈ। বাৰবাৰাই কাৰ্লাইলক সুধিলে,—একে মানুহ হয়নে? সেই—থৰ্ণ?

—নহয়, বাৰবাৰা। ৰিচাৰ্ডে কয় যে ইয়াৰ লগত কোনো সাদৃশ্যই নাই। বাৰবাৰাই দীঘলকৈ হুমুনিয়াহ পেলাই ক'লে—তেনেহ'লে সকলো আশা-ভৰসা মিছা হ'ল! কথা তেনেই অন্ধকাৰত থাকিল।

—অৱশ্যে থৰ্ণৰ বিষয়ে থাকিল। ব'লা ভিতৰলৈ যাওঁ।

তেওঁলোক দুয়ো ভিতৰলৈ গৈ দেখে যে ৰিচাৰ্ডৰ মাক আৰু ৰিচাৰ্ড দুয়ো গলত ধৰাধৰিকৈ কান্দিবলৈ ধৰিছে। কাৰ্লাইলক দেখা পাই মিছেছ হেয়াৰে কৈ উঠিল—তোমাৰ দয়াৰ গুণত, কাৰ্লাইল! তোমাৰ ওচৰত আমি চিৰকৃতজ্ঞ থাকিম। কিন্তু মিঃ হেয়াৰ ভাল মানুহ নহয়, তেওঁক আমি যম যেন ভয় কৰোঁ। এতেকে আমি দুয়ো কথা হওঁমানে তুমি আৰু বাৰবাৰা দুয়ো সেই ফুলনিত সোমাই ফুৰি ফুৰি মিঃ হেয়াৰৰ আগমন প্ৰতীক্ষা কৰি থাকাগৈ। তেওঁক দূৰৈত দেখিলেই বাৰবাৰা লৰি আহি আমাক জান দিবহি! তেতিয়া ৰিচাৰ্ড নিৰাপদে ওলাই যাব পাৰিব। কৰিবানে?

—নিশ্চয় কৰিম—আপুনি কোনো ভয় নকৰিব; মই তাক একেবাৰে নিৰাপদে ৱেষ্ট লিনৰ বাহিৰত থৈহে ঘৰলৈ ফিৰিম। অন্ততঃ দহ বজালৈ মই ইয়াত আছোঁ।

যেনে পৰামৰ্শ তেনে কাম। কাৰ্লাইল আৰু বাৰবাৰা ফুলনিৰ মাজত সোমাই ফুৰি ফুৰিবলৈ ধৰিলেগৈ। অলপ বেলিৰ মূৰত কাৰ্লাইলে বাৰবাৰাৰ ফালে হাতখন

গাড়ী আহি হেয়াৰৰ পদুলিমুখ পাওঁতে তেওঁ নিজ চকুৰে দেখিলে—সুন্দৰ ফৰিংফুটা জোনাকত, ফুলৰ গোন্ধেৰে আমোদিত ফুলনিৰ মাজত তেওঁৰ গিৰীয়েক কাৰ্লাইল আৰু বাৰবাৰাই হাত ধৰাধৰিকৈ বতাহ খাইছে।

আগ বঢ়াই দিলে—তায়ো হাতত ধৰিলে। দুয়ো হাতত ধৰাধৰিকৈ কথা পাতি ফুৰি থাকিল।

ইছাবেলৰ মনত পৰিল—তেওঁৰ গিৰীয়েক আৰু বাৰবাৰাৰ কথা। ঠিক ৯।।০ বজাত ইছাবেলে মূৰ বিষোৱাৰ চেলু উলিয়াই বন্ধুৰ ঘৰৰপৰা বিদায় লৈ ঘৰমুৱা হ'ল। অলপ দূৰ নৌ আহোঁতেই এজন ভদ্ৰলোকে তেওঁলোকৰ গাড়ীৰ গড়োৱানক গাড়ী থমাবলৈ হাত বা দিলে আৰু লগে লগে গাড়ীৰ ওচৰ চাপিলহি। ইছাবেলে প্ৰথমতে মানুহজনক চিনি পোৱা নাছিল, কাৰণ সি এটা কিবা কুদ্ধচ ৰকমৰ টুপি পিন্ধিছিল। ভদ্ৰলোকজন ফ্ৰান্সিছ কেপ্টেন লেভীছন। ইছাবেলে খিৰিকী দুৱাৰ নমাই দিলে।

লেভীছনে আৰম্ভ কৰিলে,—মই তোমালোকৰ গাড়ী বুলিয়েই জানিছিলোঁ। পাছে ইমান সোনকালে ফিৰিলা কেলেই?

—এনেয়ে আহিলোঁ।

—ময়ো ফুৰিবলৈ আহিছিলোঁ; ভাগৰ লাগিছে; মোকো বহিবলৈ দিবানে? ইছাবেলে বিনা আপত্তিতে দুৱাৰ মেলি দিলে। লেভীছন গাড়ীত উঠি ইছাবেলৰ কাষত বহি পৰিল।

ইছাবেলে সুধিলে,—মিং কাৰ্লাইল ঘৰত আছেনে?

—নাই। অলপ ভাবি-গুণি ক'লে,—তেওঁ এতিয়া বাৰবাৰাৰ লগত প্ৰণয় সম্ভাষণত ব্যস্ত চাগৈ।

ইছাবেলৰ গা শিয়ৰি উঠিল। প্ৰথমতে মনক দমাই ৰাখিলে, কিন্তু নোৱাৰিলে। শেহত সুধিলে,—কিহত ব্যস্ত?

—মই এতিয়াই হেয়াৰ পৰিয়ালৰ পদূলি মুখেদি আহোঁতে দেখা পালোঁ দুজন মানুহ—এজন ভদ্ৰলোক আৰু আনজনী গাভৰু ছোৱালী যেন বোধ হ'ল। ফুলনিখনত হাত ধৰাধৰিকৈ জোনাকত ইজনে সিজনক সাদৰ-সম্ভাষণ জনাইছে। তেওঁলোক তোমাৰ গিৰীয়েৰা কাৰ্লাইল আৰু বাৰবাৰা নিশ্চয়, আন কোন হ'ব?

ইছাবেলৰ অন্তৰ সেইপিনে দেই পুৰি গ'ল। ইমান দিনে সন্দেহৰ ওপৰত ভাহি ফুৰা সতিনী দাহৰ খাটাং প্ৰমাণ হ'ল। আগেয়ে তেওঁ কাৰ্লাইলক ঘৃণা কৰিছিল খণ্ডতে কিন্তু, এতিয়া? মিছলীয়া সঁজাত নোহোৱা কাপুৰুষ! বাৰবাৰাৰ লগত পিৰিতি কৰিবৰ উদ্দেশ্যেই মোক ফাকি দিছিল!

ইছাবেলে সেইপিনে গাড়ীতে হেলান দি পৰি হুমুনিয়াহ কাঢ়িবলৈ ধৰিলে। গাড়ী আহি হেয়াৰৰ পদূলিমুখ পাওঁতে তেওঁ নিজ চকুৰে দেখিলে—সুন্দৰ ফৰিংফুটা জোনাকত, ফুলৰ গোন্ধেৰে আমোদিত ফুলনিৰ মাজত তেওঁৰ গিৰীয়েক কাৰ্লাইল আৰু

বাৰবাৰাই হাত ধৰাধৰিকৈ বতাহ খাইছে। ইছাবেলৰ চকু অন্ধ হ'ল, অন্তৰেদি বিজুলী প্ৰবাহ বৈ গ'ল। তেওঁ গাড়ীতে সেইপিনে বাগৰি পৰিল।

লেভীছন? দুঃসাহসী লেভীছনে সুযোগ পালে। হাতখন আগ বঢ়াই দি তেওঁক সাবট মাৰি আঁকোৱালি ধৰি ওচৰলৈ টানি আনিলে আৰু কাণে কাণে ক'লে,—তুমি তেওঁক ভাল নোপোৱা, তেওঁ তোমাক ভাল পাব কেনেকৈ?

ইছাবেলৰ হিতাহিত জ্ঞান লোপ পালে—অন্ততঃ সেই নিশা নহ'লে তেওঁ এনে কথাত কেতিয়াও কাণ নিদিলেহেঁতেন। ইছাবেল বাউলী হৈ উঠিল। তেওঁৰ সম্পূৰ্ণ বিশ্বাস হ'ল—মুনিহ আৰু তিৰোতাৰ মাজত যি পবিত্ৰ ভাব থকা আৱশ্যক সেই পবিত্ৰ ভাব কাৰ্লাইলে উপেক্ষা কৰিলে।

কুকুৰনেছীয়া বাঘ লেভীছনে গুমৰি উঠিল,—সেই মিথ্যাবাদী কুকুৰৰ প্ৰতিহিংসা লোৱা, ইছাবেল; সি কোনোমতে তোমাৰ উপযুক্ত নাছিল। দুখৰ জীৱন এৰি সুখৰ ৰাজ্যলৈ আহা।

—লেভীছনৰ কৰ্মক্ষেত্ৰত নামিল।

ৰাতি ১০।। বাজিল। ৰিচাৰ্ডে মাকৰপৰা বিদায় লৈ ফুলনিৰ মাজত কাৰ্লাইল আৰু বাৰবাৰাক লগ ধৰি বিদায় লৈ নিজ বাটেদি খোজ ল'লে। কাৰ্লাইলেও বাৰবাৰাৰপৰা বিদায় লৈ ঘৰলৈ বেগ দিলে। বাৰবাৰাই চকুলো টুকি টুকি ফটকতে হেলান দি থাকিল। তাই তাত সেইভাৱে বহুত সময় থাকিল। তেতিয়াও জাষ্টিছ হেয়াৰ ঘৰ পোৱাহি নাই। নিজৰ ভাবনা-সাগৰত কক্‌বকাই থাকোঁতে পিছফালৰপৰা কাৰ্লাইলে মাত লগালেহি,—বাৰবাৰা, যিমানে লৰালৰি কৰা যায়, সিমানে পলমহে হয়। আধা বাট গৈয়ে ফিৰি আহিবলগীয়াত পৰিলোঁ। তোমালোকৰ ঘৰত মই বহা মেজৰ ওপৰত কাকতৰ সৰু টোপোলা এটা এৰি থৈ গৈছোঁ, যোৱা, টোপোলাটো লৈ আহাঁগৈ। বাৰবাৰা লৰি গৈ কাকতৰ টোপোলাটো আনি কাৰ্লাইলক দিলেহি। তেওঁ বাৰবাৰাক সংক্ষেপে ধন্যবাদ দি আকৌ ঘৰলৈ ঢাপলি ধৰিলে।

বাৰবাৰা আকৌ সেই চিন্তাত পৰিল। ৰিচাৰ্ডৰ বাবে তাই চকুলো টুকি টুকি কান্দিলে। কত ভাবিলে, কত পাঙিলে—সীমা সংখ্যা নাই; ভাবি ভাবি অস্থিৰ হ'ল। এনেতে ৰিচাৰ্ড হেয়াৰ হাতত সাৱে ভৰিত সাৱে ওচৰলৈ আহি মাত লগালে,— বাৰবাৰা! বাৰবাৰা! শুনা, শুনা—মই এইমাত্ৰ থৰ্ণক দেখিলোঁ।

—এৰা দেখা বুলি জানো, সেইটো আচল থৰ্ণ নহয়।

ৰিচাৰ্ডে উশাহ লৈ ক'লে, কি নহয়, বাৰবাৰা। মই আজি ৰাতি কাৰ্লাইলৰ অফিছত দেখা পোৱা সেইজন নহয়—ই আন এজন, মোৰ পৰম শত্ৰু স্বয়ং থৰ্ণ—

পাপীষ্ঠ। মই আচল বাটেদি নগৈ এটা আওপকীয়া বাটেদি যাওঁতে এজন মানুহক লগ পালোঁ। সি ৰেষ্ট লিনৰ ফালে আহিছিল, দেখোঁ যে থৰ্ণ—সেই মোৰ চিৰশত্ৰু থৰ্ণ; তাত অলপো ভুল নাই। বাৰবাৰাই ভেবা লাগি তাৰ ফালে চাই থকা দেখি সি উত্তেজিত হৈ ক'লে,—বাৰবাৰা, তাক দেখিয়েই মোৰ গা কঁপি উঠিল। মনক দমালোঁ, ভয়ো হ'ল—জানোচা বলে নোৱাৰোঁ। নহ'লে তেতিয়াই তাক ধৰিলোঁহেঁতেন। যিজনে এজনক হত্যা কৰি হাঁহি হাঁহি জগতক মুখ দেখাই ফুৰিছে, সেইজনে দ্বিতীয়জনক হত্যা কৰিবলৈও কুণ্ঠিত নহয়।

—ৰিচাৰ্ড, জানোচা তোমাৰ ভুল হৈছে? কাৰণ তোমাৰ অন্তৰ থৰ্ণৰ ভাৱনাৰে ভৰপূৰ হৈ আছে, তুমি সকলোকে থৰ্ণ যেন দেখা।

—হ'বই নোৱাৰে, বাৰবাৰা। কেতিয়াও ভুল হোৱা নাই। সি বুকুত হাত দি ক'লে,—যাৰ মূৰ্তি ইয়াত তেজেৰে অঙ্কিত হৈ ৰৈছে সেইজনক পাহৰিম! মোক ল'ৰা মানুহ যেন ভাবা নেকি যে মই যাকে তাকে থৰ্ণ বুলি আঙুলিয়াই ফুৰিম? তাৰ সাজ-পাৰ, চলন-ফুৰণ ঠিক একেৰকমে আছে—মাত্ৰ অলপ খীণাইছে। তাৰ মূৰৰ চুলি এতিয়াও পিছফালে ওলোটাই আঁচোৰা। আজিও হাতেৰে পিছফালৰ চুলি আঁচোৰোঁতে জকমকীয়া হীৰা খটোৱা আঙঠি শোভা পাইছিল। আৰু কি লাগে, বাৰবাৰা?

ৰিচাৰ্ডৰ কথাবোৰ এনে মৰ্মস্পৰ্শী, এনে হৃদয়-বিদাৰক আছিল যে কথা শুনি ভনীয়েক বাৰবাৰাৰ অন্তৰ গলি গ'ল। ৰিচাৰ্ডে আকৌ ক'লে,—মই তাৰ মুখখন ভালকৈ দেখিছোঁ, বাৰবাৰা। সন্দেহ কৰিবৰ কোনো কাৰণ নাই। মই শপথ খাই ক'ব পাৰোঁ—সি নিশ্চয় থৰ্ণ হয়।

বাৰবাৰা উত্তেজিত হৈ উঠিল, ৰিচাৰ্ডৰ কথা বিশ্বাস হ'ল।—ৰিচাৰ্ড, এই কথা কাৰ্লাইলক জনাব লাগে। তেওঁ আধা-আধি বাট পালে চাগৈ। ব'লা বেগেৰে যাওঁ, নিশ্চয় তেওঁক লগ ধৰিব পাৰিম।

দুয়ো ইষ্ট লিনৰ ফালে ঢাপলি ধৰিলে। কাৰ্লাইলক ভাগ্যে পদূলি মুখতে লগ পালেগৈ। ৰিচাৰ্ড পিছ হুঁহকিল। কাৰ্লাইলে সিহঁতক দেখি আচৰিত হৈ সুধিলে—বাৰবাৰা! কিয় আহিলা?

বাৰবাৰাই ফোপাই ফোপাই ক'লে,—আৰ্কিবল্ড! আৰ্কিবল্ড! মই এতিয়াও পগলা হোৱা নাই। আহা, ৰিচাৰ্ডে কি কয় শুনাহি। সি বোলে এইমাত্ৰ আচল থৰ্ণক লগ পালে বাটতে।

কাৰ্লাইলে স্তম্ভিত হৈ বাৰবাৰাৰ পিছে পিছে খোজ ল'লে। ৰিচাৰ্ডক দেখি

ক'লে,—ৰিচাৰ্ড, মোৰ বিশ্বাস তুমি আজি ৰাতি মোৰ অফিছত দেখা থৰ্ণৰ বাহিৰে, সেই নামৰ দ্বিতীয় মানুহ নাই। বৰ আচৰিত কথা!

—সি হয়তো অন্য নাম লৈ ছদ্মবেশেৰে ইয়াত আছেহি। মই এতিয়া দেখাজন যে মোৰ পৰম শত্ৰু থৰ্ণ হয়—ততে অকণো ভুল নাই। তাৰ চলন-ফুৰণ, সাজ-পাৰ, পিছফালে ওলোটাই আঁচোৰা চুলি, সকলোবোৰ তেনেই আছে। এতিয়াও তাৰ হাতত হীৰা খটোৱা আঙঠি জ্বলি আছে। ই নিশ্চয় সেই থৰ্ণ হয়।

কাৰ্লাইল আৰু বাৰবাৰা দুয়ো নীৰব। কি উপায় অৱলম্বন কৰা উচিত? ভাবি-গুণি কাৰ্লাইলে ক'লে,—ৰিচাৰ্ড, তুমি ইয়াত দুদিনমান থাকা আৰু সেই মানুহজনৰ আলেখলেখ চাই ফুৰা। তুমি তাক নিশ্চয় আকৌ দেখিবা; তেতিয়া পিছ ল'বা আৰু কেনেকৈ থাকে সকলো কথা উলিয়াবা। যদি পৰা যায় তেন্তে সিনো কোন বাস্তৱিক জানিব লাগে।

মই থাকিব নোৱাৰোঁ—বিপদৰ...।

কোনো ভয় নাই; তোমাক ইয়াত কোনেও চিনি নাপায়, বিশেষতঃ তুমি যি ছদ্মবেশেৰে আছা, তোমাক চিনিবৰ কোনো উপায় নাই।

ৰিচাৰ্ড বিদায় হ'ল। কাৰ্লাইলে বাৰবাৰাৰ অনিচ্ছা সত্ত্বেও তাইক ৰাতি ১১ বজাত আগ বঢ়াই থৈ ফিৰি আহিল।

কাৰ্লাইল ঘৰ সোমাল। ইছাবেলে কিবাকিবি লিখিছে। তেওঁ বন্ধুৰ নিমন্ত্ৰণৰ বিষয়ে কিবা সুধিলে; ইছাবেলে সংক্ষেপে তাৰ উত্তৰ দিলে। শেহত তেওঁ সুধিলে—নোশোৱানে?

—অলপ পলমে শুমগৈ, মোৰ টোপনি ধৰা নাই।

—মই তেনেহ'লে শোওঁগৈ, ইছাবেল। মোৰ বৰ ভাগৰ লাগিছে।

—অ, তুমি শোৱাগৈ।

কাৰ্লাইলে মুখখন নমাই ইছাবেলক চুমা খাব খুজিলে, কিন্তু তেওঁ খং মনেৰে মুখ ঘূৰালে। কাৰ্লাইলে ভাবিলে যে নিমন্ত্ৰণ খাবলৈ লগত নোযোৱা বাবে তেওঁ মনত বেজাৰ পাইছে। হাতখন কান্ধত দি হাঁহি হাঁহি ক'লে,—অবোধ তিৰোতাজাতি, এইখিনিতে খং অভিমান? মোৰ দোষ নহয়, ইছাবেল! বাৰু, ৰাতিপুৱা কথা হ'ম, মোৰ বৰ ভাগৰ লাগিছে, এতিয়া শোওঁগৈ।

ইছাবেল লিখাতে মগ্ন থাকিল, কাৰ্লাইলৰ কথাৰ কোনো উত্তৰ নিদিলে। পাছত নিজৰ ঢাৰিপাটীত শুলেগৈ। অলপ বেলিৰ মূৰতে তেওঁ উঠি হাতত সাৰে ভৰিত সাৰে জেছিৰ ঘৰত সোমাই তাইক জগালে। জেছি ঘোৰ টোপনিত। উচাপ খাই সাৰ পাই

উঠি দেখে সমুখত হাতত জ্বলোৱা মমবাতি এডাল লৈ ইছাবেল দণ্ডায়মান। আচৰিত!—মেডাম, আপোনাৰ অসুখ হৈছে?

—অসুখ? এৰা অসুখ,—ভয়ানক। বাস্তৱিকে ইছাবেলৰ ভয়ানক অসুখ। মানুহজনী একেবাৰে শেঁতা পৰি উঠিছিল।

—জেছি, মোৰ আগত এটা অঙ্গীকাৰ কৰ—যদি মোৰ কিবা হয়, তেন্তে এই ইষ্ট লিনত মোৰ ল'ৰাছোৱালীহঁতক ৰাখি থাকিবি।

জেছিয়ে কি উত্তৰ দিব? তাই স্তম্ভিত হৈ ৰ-লাগি ইছাবেলৰ মুখলৈ চাই থাকিল। —জেছি, তই আগেয়ে এবাৰ শপথ খাইছিলি, আজি এতিয়াও আকৌ এবাৰ শপথ খাই ক—যে মই যোৱাৰ পাছত তই মোৰ পোনাহঁতক ৰাখিবি।

—বাৰু, সিহঁতৰ লগত থাকিম, মেডাম। কিন্তু আপোনাৰ কি অসুখ হ'ল?

—বিদায়, জেছি—বুলি কৈয়ে ইছাবেল যেনেকৈ হাতত সাৰে ভৰিত সাৰে আহিছিল, তেনেকৈ ওলাই গ'ল। জেছিয়ে অকলে অকলে এঘণ্টামান আকাশ-পাতাল ভাবি ভাবি আকৌ টোপনিত পৰিল।

সেই নিশা জেছিৰহে যে অকল নিদ্ৰাভঙ্গ হৈছিল, এনে নহয়, পৰিয়ালৰ আটাইকেইজনৰে টোপনি ভাগিল। কাৰ্লাইল সাৰ পাই উঠিল; দেখে যে ইছাবেল শোৱা পাটীত নাই। তেওঁ আচৰিত হৈ ঘড়ী চাই দেখিলে, তেতিয়া ৩ বাজি ১৫ মিনিট। কাৰ্লাইল উঠিয়েই ঘৈণীয়েকৰ বুলনি ঘৰলৈ গৈ দেখে ঘৰ অন্ধকাৰ; তাত কোনো প্ৰাণীৰে সাৰ শব্দ নাই। মাতিলে,—ইছা, ইছা!

কোনো উত্তৰ নাই; তেওঁৰ প্ৰশ্নৰ প্ৰতিধ্বনিহে সেই গভীৰ ৰাতি শুনা গ'ল। ততালিকে তেওঁ লেম্প এটা জ্বলাই ঘৰৰ অন্যান্য কোঠালীবোৰত চালেগৈ, ক'তো ইছাবেলক পোৱা নগ'ল। তাৰ পাছত কৰ্ণেলিয়াৰ ঘৰলৈ গৈ তেওঁক জগালেগৈ। বায়েকে চমক খাই উঠি সুধিলে—কাৰ কি হৈছে?

কাৰ্লাইলে কঁপি কঁপি উত্তৰ দিলে,—ইছাবেল ঘৰত নাই; ক'তো দেখাও নাপাওঁ।

—তাই ঘৰৰ ক'তো নাই! কেলেই, সময় কিমান? তাই শুবলৈ যোৱা নাছিলনে?

—এতিয়া ৩ বাজি গৈছে। তাই শুবলৈ যোৱা নাছিল। মই যাওঁতে...

—তেনেহ'লে তাই জেছিৰ ঘৰলৈ গৈ তাইক আমনি কৰিছে চাগৈ।

কাৰ্লাইলে তৎক্ষণাৎ জেছিৰ শোৱা ঘৰলৈ বেগ দিলে। ভাবিছিল যে তাত পোহৰ আছে; হয়তো ইছাবেল তাইৰ বিছনাৰ ওচৰত বহি আছে। কিন্তু ক'তা? তাতো

ইছাবেল নাই। ক'লৈ গ'ল? তেওঁ জেছিক জগালে। জেছি চমক খাই উঠিল, কাৰ্লাইলক দেখি। তেওঁ সুধিলে,—ইছাবেল ইয়ালৈ আহিছিলনে?

জেছিয়ে ভালেখিনি সময় একো উত্তৰ দিব নোৱাৰিলে। তাই টোপনিত ইছাবেলৰ কথাৰে সপোন দেখিছিল; এতিয়া সাৰ পাই উঠি সপোন নে দিঠক একো বিশ্বাস কৰিব নোৱাৰি বিমোৰত পৰিল। সুধিলে,—কি ক'লে, দেউতা? মেডামৰ সাংঘাতিক অসুখ হৈছে?

—মই সুধিছোঁ—তাই ইয়ালৈ আহিছিলনে নাই? তাই ঘৰত নাই।

জেছিৰ চেতনা আহিল।—তেওঁ ইয়ালৈ আহি মোক জগাইছিলহি; তেতিয়া ৰাতি ১২ বাজিছিল; ঘড়ীৰ কোব শুনিছিলোঁ। তেওঁ এক মিনিটো ইয়াত নাথাকিল, দেউতা!

—তোক জগাইছিলহি? কেলেই? কি খুজিছিল? কিয় আহিছিল?

জেছিয়ে কল্পনা ৰাজ্যত ঘূৰি ফুৰিবলৈ ধৰিলে। ইছাবেলৰ বিদায় ক্ষণৰ শেঁতা পৰা মুখখন মনত পৰিল—গা শিয়ৰি উঠিল। ৰাতি ৩ বাজিছে, তেওঁ শুবলৈও যোৱা নাছিল, ঘৰতো ক'তো নাই! তাইৰ অন্তৰত এটা ভয় উপজিল। সকলোকে পাহৰি এখন হাতেৰে গাৰ কাপোৰ চেপা মাৰি ধৰি, আনখন কাৰ্লাইলৰ কান্ধৰ ওচৰত থৈ ক'লে,—আহা! দেউতা, তেওঁ নিজে নিজে ধ্বংস হ'ল ঐ, নিজে নিজে ধ্বংস হ'ল! দেউতা, মই এতিয়াহে তেওঁৰ সকলো কথা বুজিছোঁ।

—জেছি!

—তেওঁ নিজে নিজে ধ্বংস হ'ল, দেউতা। মই এতিয়াহে তেওঁৰ কথাবোৰ বুজিছোঁ; আগেয়ে নোৱাৰিলোঁ। তেওঁ ইয়ালৈ আহিছিল—একেবাৰে শেঁতা পৰি। মোক অঙ্গীকাৰ কৰাইছিল যে তেওঁ যোৱাৰ পাছত মই ল'ৰাছোৱালীহঁতক ৰাখি ইয়াত থাকিব লাগে। মই অসুখৰ কথা সোধাত ক'লে, অসুখেই নহয়—তাতোকৈ ভয়ানক। আহক, দেউতা। আজি এই বিপদৰ সময়ত ভগবান আপোনাৰ সহায় হওক।

কাৰ্লাইলৰ মূৰ ঘূৰি গ'ল—নিৰ্বাক, নিস্পন্দ। জেছিয়ে কোৱা কথা বিন্দু পৰিমাণো বিশ্বাস নহ'ল।

জেছিয়ে হাত মোহাৰি কৈ গ'ল,—ঠিক কথা, দেউতা, ঠিক কথা, আপুনি বিশ্বাস নকৰিব পাৰে। তেওঁৰ মনত অলপো সুখ-শান্তি নাছিল, সেয়েহে তেওঁৰ এনে হ'ল।

—জেছি, তোৰ এতিয়াও চেতনা অহা নাইনে? তোৰ মেডামৰ অলপো সুখ-শান্তি নাছিল। ইয়াৰ অৰ্থ কি?

এনেতে কৰ্ণেলিয়াও সেইখিনি পালেহি; সুধিলে,—কি হৈছে? ইছাবেলক পোৱা নাই? জেছিয়ে উত্তেজিত হৈ উত্তৰ দিলে,—তেওঁক বিচাৰি পোৱা নাই, নাপাবও।

আইদেউ আহিছে, ভালেই হ'ল—যি ক'ম আগতে কওঁ। আপুনিয়ে এই সর্বনাশৰ মূল কাৰণ। তেওঁ এই ঘৰলৈ আহিবৰ দিন ধৰি আপুনিয়ে তেওঁৰ জীৱন এনে অসহনীয় কৰি তুলিলে।

—কিয়, কি হৈছে? তাই ক'ত?

—তেওঁ পলাল আৰু তেওঁ যি কৰা উচিত আছিল তাকে কৰিবলৈ বাধ্য হ'ল। তেওঁ পৰাধীন—বন্দী-বেটী, কুকুৰ মেকুৰীৰ দৰে ইয়াত জীৱন কটাইছিল। সকলো কথাৰে মূল আপুনি; যত কৰিলে আপুনি। আপুনি তেওঁৰ জীৱন অশান্তিময় কৰি তুলিলে।

কথা শুনি কর্ণেলিয়াৰ জিভা তালুত লাগিল। নির্বাক নিস্পন্দ হৈ থাকিল।—জেছিয়ে কোৱা কথা হয়নে? মই একো নুবুজোঁ—বুলি কার্লাইলে বায়েকক সুধিলে। কোনো উত্তৰ নাই।

কার্লাইলে সকলো কথা বুজিলে। ক'লে,—ভগৱানে তোমাক ক্ষমা কৰক।

কার্লাইল সাজ ঘৰত সোমালগৈ। কিছু পৰ ভাবি-গুণি কাপোৰ-কানি পিন্ধিলে আৰু মূৰত টুপিটো, হাতত লাঠীডাল লৈ ওলাই গ'ল। নামি যাওঁতে জেছিয়ে তেওঁৰ হাতত চিঠি এখন দিলেহি, এইখন মেডামৰ আৰ্ছিৰ বাকছত আছিল। তেওঁ চিঠিখন ল'লে, তেওঁলৈ লিখা—"আর্কিবল্ড কার্লাইল।" তেওঁ যদিও ধৈর্য্যশীল, কিন্তু সংযমী নহয়, হাত কঁপিবলৈ ধৰিলে। "যেতিয়া দিন যায় আৰু মোৰ ল'ৰাছোৱালীহঁতে সোধে—সিহঁতৰ মাক ক'ত, সিহঁতক কিয় এৰি গ'ল, তেতিয়া ক'বা যে সিহঁতৰ বাপেকে তাইক খেদি পেলাইছে। যদি সিহঁতে সোধে—তাই কি, তেন্তে তাকো ক'বা, কিন্তু তাৰ লগতে ইয়াকো ক'বা যে তুমি তাইক ফাকি দিছিলা আৰু সিহঁতক এৰি যোৱাৰ আগৰেপৰা তাইক ধ্বংসৰ পথত আগ বঢ়াই দিছিলা।"

কার্লাইলৰ চকুৰ আগত ইছাবেলৰ শেষ বিদায়ৰ চিঠিৰ আখৰকেইটা ভাহি ফুৰিবলৈ ধৰিলে। তেওঁ ইছাবেলৰ কি কৰিলে?

বাহিৰত চাকৰ-নাকৰবোৰে চাৰিওফালে খলক লগাই বিচাৰি ক'লে,—লেডীছন তাৰ শোৱা ঘৰৰ বিছনাত নাই। সি ক'লৈ গ'ল? পলাল?

কার্লাইল তলমূৰকৈ ওলাই গ'ল। মূৰত চিন্তাৰ বোজা।

প্ৰায় এবছৰ পাৰ হৈ গ'ল। লেভীছন অসৎ চৰিত্ৰৰ ডেকা; সি নানা ঠাইত, বিশেষকৈ পেৰিচ নগৰত ঘূৰি ফুৰে। ইছাবেল বেছিভাগ অকলে অকলে থাকে। লৰ্ড বংশৰ নিচিনা উচ্চ বংশজাত হোৱালী এজনী সুপথ এৰি কুপথেৰে চলিলে যেনেকুৱা হ'ব লাগে বা হোৱা উচিত ইছাবেলৰ তাতোকৈ অধিক হ'ল। গিৰীয়েকৰ ঘৰ এৰি যোৱা সেই আপদীয়া নিশাৰপৰা তেওঁৰ মনত সুখ-শান্তি, মনৰ স্থিৰতা নোহোৱা হ'ল। খন্তেকীয়া কু-প্ৰবৃত্তিৰ উত্তেজনাত আৰু ঈৰ্ষাৰ বশৱৰ্তী হৈ মুহূৰ্তকতে তেওঁ অতল অন্ধকূপত জাঁপ দিলে। আগেয়ে আদৰুৱা গিৰীয়েকৰ বুকুৰ মাজত পদুম ফুল পাহি যেন হৈ শোভা পাইছিল; আজি সৰ্বজন-ঘৃণিতা হৈ দুৰ্গেন্ধেৰে পৰিপূৰ্ণ অতল অন্ধকূপত পৰিলগৈ। তাৰপৰা ওলাই অহা মুহূৰ্ততে তেওঁ বুজিলে—কি কৰিলে। লাহ্-বিলাহ, সুখ-সম্ভোগ, স্বাধীনতা, আশা মৰীচিকা এতিয়া বিভীষিকাপূৰ্ণ ভয়ঙ্কৰ মূৰ্তি ধৰি উঠিল। বাই-ভনী, পত্নী, মাতৃ—যেয়ে যি হোৱা, যদি কোনোবা কেতিয়াবা এনেকৈ পথভ্ৰষ্ট হোৱা, তেন্তে নিশ্চয় এনেকৈ এদিন চেতন লভিবা আৰু বুজিবা। বিবাহিত জীৱন দুঃখময়, কঠোৰ পৰীক্ষাপূৰ্ণ হ'ব পাৰে, স্ত্ৰী জীৱনৰ পক্ষে অসম্ভৱ হৈ উঠিব পাৰে, সেইবোৰ সকলোকে অকাতৰে সহ্য কৰিবলৈ দৃঢ় প্ৰতিজ্ঞা কৰিবা। যাতে সকলো নিৰ্য্যাতন সহ্য কৰিব পাৰা কৰপুটে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰা ধৈৰ্য্যৰ নিমিত্তে, দস্যু ডকাইতৰ আক্ৰমণ অতিক্ৰম কৰিব পৰা শক্তি পাবলৈ। তথাপি নিজৰ নাম-যশ, মান-গৌৰৱ, বিবেক বুদ্ধি নেহেৰুৱাবা, লাগে মৃত্যু পৰ্য্যন্ত সকলো সহ্য কৰিবা। তাৰ অন্যথা কৰিলেই মৃত্যুতকৈও ভয়াবহ ফলাফল।

বেচেৰী ইছাবেল। তেওঁ নিজৰ স্বামীদেৱতা, ল'ৰাছোৱালী, ঘৰ-বাৰী, মান-গৌৰৱ, স্ত্ৰীজাতিৰ অলঙ্কাৰ স্বৰূপ সতীত্ব আটাইকে অকাতৰে বিসৰ্জন দিলে। তেওঁ ভগৱানৰ প্ৰতি কৰ্তব্য-পৰাঙ্মুখ হ'ল। ইচ্ছাক্ৰমে তেওঁ ভগৱানৰ নিৰ্দেশ লংঘন কৰিলে। কাৰ নিমিত্তে? কাৰ্লাইলৰ নিচিনা পুৰুষৰ তুলনাত এজন বাটৰ ভিকহু কপটী লম্পট ফ্ৰান্সিছ লেভীছনৰ বাবে? কিন্তু যি মুহূৰ্ততে কুপথত ভৰি দিলে, যি মুহূৰ্ততে বাধা-বিঘিনি পাৰ হ'ল, তাৰ পাছ মুহূৰ্ততে তেওঁৰ অনুতাপ আৰম্ভ হ'ল। তেওঁ বিবেকৰ বৃশ্চিক দংশন অনুভৱ কৰিবলৈ ধৰিলে। বুজিলে যে তেওঁৰ জীৱনৰ সোঁত এটা অন্ত নোহোৱা দুৰ্গন্ধপূৰ্ণ অন্ধকাৰ দ গাঁতলৈ বৰলৈ আৰম্ভ কৰিলে।

এবছৰ প্ৰায় অতীত হ'ল। লেভীছনৰ লগত ইছাবেলৰ দিন নাযায়, ৰাতি নুপুৱায়। এতিয়া বুজিলে লাহ্-বিলাহৰ ৰজা আটকধুনীয়া চফল ডেকা কেপ্টেন ফ্ৰান্সিছ

লেভীছন কেনে মানুহ। পাপৰ পৰাচিত হ'বলৈ পুৰোহিত আগত ৰাখি ফুল তুলসীপাত দলিয়াবলৈ আৰম্ভ কৰিলে।

এদিন ৰাতিপুৱা ৮ মান বজাত ইছাবেল—আজি এবছৰৰ মূৰত—চাহ খাবলৈ চাহৰ মেজৰ ওচৰত বহিলহি। লেভীছনো মলিন সাজ-পাৰ পিন্ধি ঢলংপলংকৈ ওচৰত বহিলহি। ইছাবেলক সুধিলে,—মোৰ বোলে দুখন চিঠি আছে?

—ওঁ, দুখন চিঠি! এজন মানুহেই লিখা যেন দেখি; বোধহয় তোমাৰ আমমোক্তাৰে লিখিছে।

আমমোক্তাৰৰ চিঠিৰ নাম শুনিয়েই লেভীছনে চিঠি দুখন মেজৰপৰা থাপ মাৰি লৈ উঠি গ'ল। খিৰিকী এখনৰ ওচৰত থিয় হৈ চিঠি ফালি পঢ়িলে। তাৰ এখনত লিখা আছিল—

মহাশয়,

ইয়াৰদ্বাৰা আপোনাক জনোৱা যায় যে মিঃ কাৰ্লাইল আৰু লেডী ইছাবেল কাৰ্লাইলৰ মোকৰ্দমা শেষ হ'ল। কাৰ্লাইলৰ ইছাবেলক ত্যাগ কৰা পত্ৰ সাব্যস্ত হ'ল। আপোনাৰ অনুৰোধমতে সেই কথা আপোনাকে জনালোঁ।

ফ্ৰান্সিছ লেভীছনলৈ

বশম্বদ

মছ এগুগাৰ

সকলো তেনেহ'লে শেষ হ'ল। ইছাবেলে কাৰ্লাইলৰ ওপৰত সকলো স্বত্ব চিৰকালৰ বাবে হেৰুৱালে। ইছাবেল পলোৱা যেতিয়া সিদ্ধান্ত হ'ল, তেতিয়াই কাৰ্লাইলে দেশ-দস্তুৰমতে ইছাবেলক ত্যাগ কৰিবলৈ অনুমতি পাবৰ নিমিত্তে আদালতত প্ৰাৰ্থনা জনাইছিল। তাৰ উত্তৰ পালেই ইছাবেল মুক্ত হ'ব, স্বাধীন হ'ব, আৰু লেভীছনক বিয়া কৰাবলৈ ক্ষমতাপ্ৰাপ্ত হ'ব। ইছাবেলে দিনৰাতি তেনেকুৱা খবৰ এটাৰ আশা পালি আছিল, কিন্তু লেভীছনৰ দুৰভিসন্ধি আছিল। সেইদেখি সি চিঠিখন পঢ়িয়ে ভালকৈ ভাঁজ কৰি ভিতৰ জেপত সুমুৱাই থ'লে। ইছাবেলে সুধিলে,—কিবা খবৰ আছেনে?

লেভীছনে আভুৱাভাৱে উত্তৰ দিলে,—খবৰ, কি খবৰ?

—মোৰ ত্যাগ সম্বন্ধে?

—নাই, একো নাই—বুলি কৈয়ে দ্বিতীয়খন চিঠি ফালি পঢ়িলে। তাত আছিল—

মহাশয়,

আজি আপোনালৈ চিঠি লিখাৰ পাছতে খবৰ পালোঁ যে আপোনাৰ বুঢ়া বাপেক, ছাৰ পিটাৰ লেভীছন ঢুকাল। আপুনি তেওঁৰ উপাধি আৰু বিষয় সম্পত্তিৰ অধিকাৰী হ'ল—সেইবাবে অশেষ ধন্যবাদ। যদি আপুনি সম্প্ৰতি লণ্ডনলৈ নাহে, তেন্তে কি কি কৰিব লাগে আদেশ পালে আপোনাৰ হকে কাম কৰিবলৈ আমি সন্তোষ পাম।

ছাৰ ফ্ৰান্সিছ লেভীছনলৈ মছ এগুগাৰ

চিঠি পঢ়ি লেভীছনৰ বুকু ফুলি উঠিল। চিঠিখন মেজৰ ওপৰতে মেলি থ'লে। ইছাবেলে আগ্ৰহেৰে সুধিলে,—ত্যাগ মঞ্জুৰ হ'লনে? লেভীছনে উত্তৰ নিদি চাহ খাবলৈ ধৰিলে। ইছাবেলে আকৌ সুধিলে,—চিঠিখন পঢ়িব পাৰোঁনে? মোৰ কথাও কিবা আছেনে? লেভীছনে উত্তৰ দিলে,—তেনেহ'লে কিয় মেজত ৰাখিছোঁ?

—কিছুদিন আগেয়ে তুমি এখন চিঠি মেজত ৰাখিছিলা; কিন্তু তাকে মই পঢ়োঁতে তুমি মোক নানা গালি-শপনি পাৰিছিলা; মনত আছেনে, লেভীছন? লেভীছনে গহীনাই কৈ উঠিল,—সেই ঘৃণনীয় উপাধিটো বাদ দিবা, ইছাবেল। মই সদায় কৈ আহিছোঁ নহয়নে? মই এতিয়া ভাল উপাধি এটা পাইছোঁ।

—কি উপাধি?

—চিঠিখনত চোৱা। ছাৰ ফ্ৰান্সিছ লেভীছনে চাকৰ এজনক মাত দি ক'লে,— মই কাইলৈ লণ্ডনলৈ যাম, বস্তু-বেহানি ঠিককৈ বান্ধগৈ।

কৰ্তাৰ আদেশ পাই চাকৰজন ওলাই গ'ল। ইছাবেলে সুধিলে,—তুমি যি কৈছিলা তাক নকৰিলা? মোক একো নিদিলা?

—অন্য উপায় নাই। মোৰ এতিয়া কামৰ বৰ ভীৰ হ'ল।

—মছ এগুগাৰে লিখিছে যে তোমাৰ হকে সিহঁতে সকলো কাম কৰিব। তোমাক যাবলৈতো লিখা নাই?

—নহয়, মই লণ্ডনলৈ যাবই লাগিব। বিশেষকৈ মই ককা-দেউতাৰ অন্ত্যেষ্টিক্ৰিয়াত নিজে উপস্থিত থাকিব লাগে।

—তেনেহ'লে ময়ো তোমাৰ লগতে যাম।

—কি বলিয়ালি কৰা, ইছাবেল? এই অৱস্থাৰে তুমি তালৈ যাব পাৰিবানে? নহয়, তুমি কোনো মতে যাব নোৱাৰা।

—তুমি গ'লে, সময়ত আহি পাবানে?

—কি সময়ত আহিব লাগে?

ইছাবেলৰ খং উঠিল। কৈ গ'ল,—তুমি কেনেকৈ কথা ক'বলৈ ধৰিছা, লেভীছন? তুমি নাজানা যে মোৰ ত্যাগ মঞ্জুৰ হৈ প্ৰকাশ হ'লেই মোক তুমি আইন মতে বিয়া কৰিব লাগিব? তেহে সন্তানজনো আইনতঃ তোমাৰ উত্তৰাধিকাৰী হ'ব।

—এইবোৰ অনাৱশ্যকীয় কথা লৈ মিছাতে মূৰ ঘমোৱা কিয়? ইমান লৰালৰিকৈ যে যাব লগা হ'লোঁ সিও মোৰ দোষনে?

—সন্তানজনৰ প্ৰতি তোমাৰ পুতৌ নহয়নে! দয়া মৰম নাইনে? যদি তুমি সন্তানজনৰ ওপৰত এই জাৰজ কলঙ্ক আনা তেন্তে একোৱে তাক খণ্ডাব নোৱাৰিব! সংসাৰে তাক জাৰজ বুলি হাঁহিব; সি সেই কলঙ্কৰ বোজা আজীৱন কেনেকৈ বহন কৰিব?

—তেন্তে তুমি আইনজ্ঞসকললৈ লিখি সোনকালে ত্যাগ-পত্ৰ সাব্যস্ত কৰি আনা। মোৰ সময় নাই—বহুত কাম আছে। লেভীছন ওলাই গ'ল।

এঘণ্টামান পাছতে লেভীছনে সাজ-পাৰ পিন্ধি যাবলৈ সাজু হৈ ইছাবেলৰপৰা বিদায় ল'লেহি,—বিদায় ইছাবেল।

ইছাবেলৰ চূৰ্তি হেৰাল। লেভীছনৰ ভৰিত পৰি হাত দুখন ওপৰলৈ তুলি কান্দি কান্দি ক'লে,—ফ্ৰান্সিছ, কি কৰিলা? মোৰ বিষয়ে একো নকৰিলা? মোৰ নিমিত্তে সংসাৰত একো নেৰিলা?

লেভীছনে তাইৰ হাত দুখন দাঙি ক'লে,—এৰিছোঁ, কেলেই এৰা নাই?

—নাই, এতিয়াও এৰা নাই। তুমি আৰু এদিন বা দুদিন থাকা। ত্যাগ-পত্ৰ আহিলেই আমাৰ বিয়া হ'ব। তাকে কৰি যাবা আৰু মোক একো নালাগে।

—নোৱাৰোঁ, মই এদিনো অপেক্ষা কৰিব নোৱাৰোঁ। মিছাকৈ জোৰ নকৰিবা।

—তেনেহ'লে কোৱা—নকৰোঁ।

বাৰু তেনেহ'লে ক'লোঁ,—নকৰোঁ। ইছাবেল, তুমি সৰু ছোৱালী এজনীৰ দৰে কিয় কথা কোৱা? মই সময়ত আহি পাম।

—মই মোৰ নিজৰ নিমিত্তে একো নকওঁ; কিন্তু মোৰ গাত থকা তোমাৰ সন্তানৰ কলঙ্ক হ'ব। আহা ফ্ৰান্সিছ! তোমাৰ নিমিত্তে মই সকলো পৰিত্যাগ কৰিলোঁ। ফ্ৰান্সিছ! যদি মোৰ প্ৰতি তোমাৰ দয়া-মৰম নাই, তেন্তে তুমি তোমাৰ নিজৰ সন্তানজনক পুতৌ কৰা, কাবৌ কৰিছোঁ তোমাক।

—তুমি জ্ঞানশূন্যা হৈছা, ইছাবেল। বাট এৰি দিয়া।

ইছাবেলে বাট ভেটি ধৰি বহিছিল; লৰচৰ নকৰিলে। লেভীছনে ভৰিৰে বাট ঠেলি,—বিদায় ইছাবেল। বুলি ওলাই গুচি গ'লগৈ।

*

দিনৰ পাছত দিন গ'ল, মাহৰ পাছত মাহো গ'ল; লেভীছন লণ্ডনৰপৰা উভতি নাহিল। ইছাবেলৰ ভৱিষ্যৎ ভাগ্য-আকাশ ক্ৰমে অন্ধকাৰ হৈ আহিল। লেভীছন যোৱাৰ ২/৩ মাহৰ পাছতে ইছাবেলৰ এটা ল'ৰা উপজিল। আইনতঃ ধৰ্মতঃ তাৰ নাম জাৰজ থাকিল। ইছাবেলৰ অন্তৰ ভাগিল, লগে লগে স্বাস্থ্যও ভাগিল—শুকাই খীণাই জঁকাটো হ'লগৈ।

এদিন ডিচেম্বৰ মাহৰ ৰাতিপুৱা ইছাবেল জুইৰ ওচৰত বহি আছিল—ওচৰতে ল'ৰাটো শুৱাই থৈ। লেভীছন লণ্ডনৰপৰা ফিৰি আহিল। তেৰোঁ জুইৰ ওচৰলৈ গৈ ইছাবেলৰ বিপৰীত ফালে বহিল আৰু নিজে নিজে কি কাৰণে ইমান দিন পলম হ'ল, হেন-তেন ইত্যাদি নানা কপট কথা ক'বলৈ লাগিল। ইছাবেলে মতা নাছিল—খঙতে ক'লা পৰি আছিল। শেহত কথা শুনি সহ্য কৰিব নোৱাৰি কৈ উঠিল,—এতিয়া কিয় আহিলা?

—কিয় আহিলোঁ? এয়ে মোৰ প্ৰতি তোমাৰ আদৰ-সম্ভাষণ? ইমান দিনৰ মূৰত ঘৰলৈ আহি তোমাৰপৰা আদৰ-সম্ভাষণ পাম বুলি আশা কৰিছিলোঁ, ইছাবেল!

—ছাৰ ফ্ৰান্সিছ, তুমি অহাই ভাল হৈছে। আজি এই দেখা-দেখিতে আমাৰ মাজত এটা বন্দবস্ত কৰিব লাগে। আশা কৰোঁ তুমি কোনো কথা লুকাই নাৰাখি সেই মতে কাম কৰিবা।

বুট জোতাৰে কাঠ কেডোখৰ জুইৰ ফালে আগ বঢ়াই দি লেভীছনে সুধিলে,—তুমি কি বন্দবস্তৰ কথা কোৱা, ইছাবেল? মই একো বুজি পোৱা নাই।

—সেইবোৰ এৰা এতিয়া। কথা কোৱা আৰু সেইমতে কাম কৰা। আজি দুয়োৰে মাজত খোলা-খুলি কথা হওক; কোনো ফাকি প্ৰৱঞ্চনাৰ কথা নক'বা।

—বাৰু কোনো কথা নাই, কোৱা।

—তুমি জুলাই মাহতে মোক এই অচিনাকি হোটেল এটাত এই অৱস্থাত এৰি যাওঁতে অঙ্গীকাৰ কৰিছিলা যে তুমি সময়ত আহিবা আৰু মোক আইনতঃ, ধৰ্মতঃ বিয়া কৰাই স্ত্ৰীৰূপে গ্ৰহণ কৰিবা। কিন্তু—

লেভীছনে বাধা দি ক'লে,—অৱশ্যে আহিব পাৰিম বুলি ভাবিছিলোঁ। অঙ্গীকাৰো

কৰিছিলোঁ। কিন্তু তাৰ পিছত গৈ ইমান কাম কৰিব লগাত পৰিলোঁ যে কোনোমতে আহিব নোৱাৰিলোঁ। এতিয়াও মই কাইলৈ লণ্ডনলৈ যামগৈ।

ইছাবেলে ধীৰ-স্থিৰভাৱে কৈ গ'ল—তুমি আগেয়ে বিশ্বাস ভঙ্গ কৰিছা, তুমি ইচ্ছা কৰিয়ে বিয়ালৈ নাহিলা, নহ'লে তুমি যোৱাৰ আগেয়ে সেই কাম কৰি যাব পাৰিলাহেঁতেন। কাৰণ তুমি যোৱাৰ কেইদিনমানৰ পাছতে বান্দীজনীয়ে তোমাৰ কাপোৰ-কানিবোৰ ধোবাক দিওঁতে চোলাৰ মোনাত এখন চিঠি পাই মোৰ হাতত দিছিলহি। তাত মোৰ ত্যাগ-পত্ৰ সাব্যস্ত হোৱাৰ কথা লিখা আছিল। সেই চিঠি তুমি যোৱাৰ দিনা ৰাতিপুৱা পাইছিলা আৰু মই তাত কি লিখা আছিল জানিব খোজোঁতে তুমি মোক ফাকি দি চিঠিখন লুকাই থৈছিলা।

ইছাবেলে এনে ধীৰ-স্থিৰ উত্তেজনাবিহীন হৈ কথাবোৰ ক'বলৈ ধৰিলে যে কথা শুনি লেভীছন অবাক হ'ল। ইছাবেলে আকৌ ক'লে,—তুমি তেতিয়া মোক ফাকি নিদিয়াহ'লে ভাল আছিল। গাত থকা সন্তানটোৰ মঙ্গলৰ নিমিত্তে মই যি আশা পুহিছিলোঁ, তুমি তাকে ইচ্ছা কৰিয়েই নষ্ট কৰিলা।

—মই সিমানখিনি ভবা নাছিলোঁ।

মনৰ উত্তেজনা দমাই ইছাবেলে শান্তভাৱে কৈ গ'ল,—তুমি ভাবিছিলা যে মই ছাৰ ফ্রান্সিছ লেভীছনৰ বিৱাহিতা স্ত্রী হ'বলৈ অনুপযুক্তা?

লেভীছন থিয় হ'ল আৰু জোতাৰে কাঠ কেডোখৰ গুৰিয়াই গুৰিয়াই ক'বলৈ ধৰিলে,—ইছাবেল, তুমি জনা উচিত যে মোৰ নিচিনা ভদ্রলোক এজনে পৰৰ এৰা-বোটলা ত্যাগ কৰা তিৰোতা এজনী বিয়া কৰোৱা সাংঘাতিক অপমানৰ কথা।

ইমানতো ইছাবেলে ধৈৰ্য্য ধৰি ক'লে,—যেতিয়া মই তোমাক বিয়া কৰোৱা কথা কৈছিলোঁ, মোৰ মঙ্গলৰ অৰ্থে কোৱা নাছিলোঁ; এই নৱজাত দুৰ্ভগীয়া ল'ৰাটোৰ মঙ্গলৰ বাবেহে কৈছিলোঁ। সি কলঙ্কৰ মূৰ্তি ধৰি সেই তাত পৰি আছে চোৱাগৈ।

লেভীছনে ল'ৰাটোৰ ফালে কেৰাহিকৈয়ে নাচালে। তেওঁ আৰম্ভ কৰিলে,—মই এতিয়া পুৰণি বেৰোনেট বংশৰ এজন উত্তৰাধিকাৰী। তোমাক মই বিয়া কৰালে, মোক মোৰ বংশ পৰিয়ালৰ সকলোৱে অপমান...

—নালাগে, লেভীছন, নালাগে; ইমানে আঁটিছে, মিছা তৰ্ক কৰি লাভ নাই। তুমি এতিয়াই পুৰোহিত মাতি আনি বিয়া পাতিলে আৰু সাংঘাতিকহে হ'ব। ল'ৰাটোৰ যি অনিষ্ট কৰিলা, কোনো কালে তাৰ খণ্ডন নাই। মোৰ পক্ষে, মই তোমাৰ লগত থাকিলে ভৱিষ্যতে আৰু সাংঘাতিক অৱস্থা হ'ব কোনো ভুল নাই।

—যদি মোৰ প্ৰতি তোমাৰ ইমানেই বৈৰাগ্য জন্মিছে, তেন্তে কোনো উপায় নাই। তুমি আগেয়েও মোক ক্ষতিপূৰণ দাবী কৰিছিলা।

—এৰা; তুমি যিমানেই ক্ষতিপূৰণ দিয়া, সি মোৰ এই কলঙ্কৰ বোজা গুচাব নোৱাৰে, লেভীছন। মই এই অসহনীয় বোজা চিৰকাল মূৰত লৈ ফুৰিব লাগিব।

—আহা—কলঙ্ক। তোমালোক স্ত্ৰী জাতিয়ে সেই বিষয়ে আগেয়ে ভবা উচিত।

—অৱশ্যে মোৰ নিচিনা যদি কোনো অভাগিনীয়ে কেতিয়াবা এই পাপ পঙ্কত মজে, পৰি মৰে, তেন্তে তেওঁক যেন ভগৱানে আগেয়ে সাৱধান হ'বলৈ সক্ষম কৰে।

—যদি তোমাক ফুচুলাই অনা বুলি মোক গালি পাৰা তেন্তে তাৰ বাবে মই অলপো দায়ী নহওঁ। গিৰীয়েৰাৰ প্ৰতি মিছা ঈৰ্ষা ভাবেই সম্পূৰ্ণ দায়ী।

—ঠিক কথা।

—আৰু মোৰ বোধেৰে তুমি ভুল বুজিছিলা।

—কি ভুল বুজিছিলোঁ?

—তোমাৰ গিৰীয়েৰা আৰু সেই মিছ বাৰবাৰাৰ সম্বন্ধে। তুমি অসংযত আৰু অন্যায়ভাবে তেওঁক ঈৰ্ষা কৰিছিলা।

ইছাবেলৰ চকুৰেও পানী নোলোৱা হ'ল—তেওঁ নিশ্চল শিলৰ মূৰ্তি যেন হ'ল।

—কৈ যোৱা, লেভীছন, কৈ যোৱা।

—আৰু সেই বাবেই কওঁ যে তুমি ভুল বুজিছিলা। কাৰ্লাইলে বাৰবাৰাৰ কথা কেতিয়াও কুভাৱে ভবা নাছিল।

ইছাবেল জাঁপ মাৰি উঠিল; সুধিলে,—কিন্তু তুমি মোক কি কৈছিলা?

—এৰা তাকেই কৈছোঁ। সিহঁতৰ মাজত এটা গোপনীয় কথা আছিল। প্ৰণয়ৰ কথা নহয়, ইছাবেল—গোপনীয় ঘটনা। সিহঁতে যে ঘনাই ঘনাই দেখা-শুনা হয়, কথা-বতৰা পাতে—কেৱল সেই সম্বন্ধে, আন বিষয়ে নহয়।

ইছাবেলৰ মুখ আৰু শেঁতা পৰিল। লেভীছনে নিজ মূৰ্তি ধৰি আত্মপ্ৰকাশ কৰিলে—ধীৰ-স্থিৰভাৱে কৈ গ'ল। তেওঁ যিমানেই ধীৰভাৱে ক'বলৈ ধৰিলে ইছাবেলৰ পক্ষে সিমানেই অসহনীয় হৈ উঠিল। তেওঁ সুধিলে,—সিহঁতৰ ভিতৰত কি গোপনীয় কথা আছিল?

—মই নাজানো, কাৰণ সিহঁতে মোক একো শুনিবলৈ নিদিছিল। তোমাকো নিদিছিল—কথা সদায় গোপনে ৰাখিছিল। হেয়াৰ পৰিয়ালৰ কিবা এটা বৰ ডাঙৰ অপবাদ আছে। হেয়াৰ দম্পতীৰ বাবে কাৰ্লাইলে সেই ঘটনা লুকাবৰ বাবে চেষ্টা

কৰিছিল। হেয়াৰ দম্পতী অহা-যোৱা কৰিবলৈ অপাৰগ দেখি সেই গাভৰু জীয়েকজনীক কাৰ্লাইলৰ ওচৰলৈ পঠায়। মই এয়ে জানো, আৰু বেছি নাজানো।

—তুমি সেই কথা কেনেকৈ জানা?

—মই মাজে মাজে সিহঁতৰ কথাবাৰ্তা অলপ অলপ শুনিছিলোঁ।

—কিন্তু মোক তুমি আন ৰকমে কৈছিলা, লেভীছন।

লেভীছনে হাঁহি হাঁহি ক'লে,—সুৰগা নহ'লে কি সোণ গলে? প্ৰণয় বেপাৰত আৰু সমৰ ক্ষেত্ৰত ষড়যন্ত্ৰ লাগে, ইছাবেল, উচিত কথা নাখাটে।

ইছাবেলে দীঘলকৈ হুমুনিয়াহ পেলালে—ভাগৰ ছাৰিলে। দুয়ো কিছু সময় নীৰৱ থাকিল। লেভীছনে সুধিলে,—মোৰ শোৱা ঘৰ পৰিষ্কাৰ আছেনে?

—নাই। তোমাৰ চাকৰ-নাকৰ কেও নাই। লেগুলৰ্ড আৰু হোটেলৰ স্বামীয়ে তোমাক ইয়াত আৰু থাকিবলৈ নিদিয়ে; এই ঘৰ-দুৱাৰ সমস্ত মোৰ নামে ৰাখিছে; তুমি ইয়াত থাকিব নোৱাৰা। তাৰ পাছত—এশ পাউণ্ডীয়া নোট দুখন ইছাবেলে কেদিনমান আগতে লেভীছনৰপৰা ডাক যোগে পাইছিল—সেইকেইখন লেভীছনক ওভতাই দি ক'লে,—লোৱা তোমাৰ টকা-পইচা।

—কেলেই? তোমালৈ পঠাইছিলোঁ, তুমি ৰাখা।

—নালাগে। যি কৰিলা সেয়ে আঁটিছে—আৰু নেৰেপিবা! আজিৰপৰা তোমাৰ লগত মোৰ কোনো সম্বন্ধ নাই। নিয়া এইবোৰ।

লেভীছনে সকলোকে সামৰি থৈ মনে মনে হাঁহি ক'লে,—যদি সেয়ে হয়, তেন্তে হওক, বাৰু কোনো কথা নাই। তোমাৰ লগত কুকুৰ-মেকুৰীৰ দৰে জীৱন কটোৱাতকৈ ভালেই হ'ল। কিন্তু মনত ৰাখিবা, ইছাবেল—ই তোমাৰ স্বকৃত অপৰাধ, মোৰ নহয়।

—তোমাৰ কাপোৰ-কানিবোৰ লণ্ডনলৈ যাওঁতে যে এৰি গৈছিলা সেইবোৰ তোমাৰ চাকৰৰদ্বাৰাই আঁতৰাই নিবা। ছাৰ ফ্ৰান্সিছ, আজিৰপৰা মই তোমাৰ লগত এৰা-এৰি হ'লোঁ।

—আজিৰপৰা চিৰ শত্ৰু?

—শত্ৰু নহয়—একেবাৰে অপৰিচিত জন। বিদায় এতিয়া।

তেনেকৈ লেভীছন আৰু ইছাবেল এৰা-এৰি হ'ল। লেভীছনে চাকৰকেইজনক মাতি আনি সিহঁতক একোবছৰ আগধৰি বেতন দিলে আৰু সিহঁতৰ মেডামক যাতে সেই বিষয়ে আমনি নকৰে কৈ গ'ল। তাৰ পাছতে—লেগুলৰ্ড আৰু হোটেলৰ স্বামীকো তেনেকৈ এবছৰৰ নিমিত্তে টকা-পইচা দি এবছৰৰ নিমিত্তে ইছাবেলক আমনি নকৰিবলৈ কৈ গ'ল।

ইছাবেল? তেওঁ সেই নিশা জুইৰ ওচৰত বহি অন্ধকাৰত অকলে অকলে কটালে। সিদিনা ইছাবেল অনুতাপ অগনিত যেনেকৈ দগ্ধ হৈছিল—তেতিয়ালৈকে এদিনো তেনে হোৱা নাছিল। তেওঁৰ বৰ্তমান আৰু ভবিষ্যৎ অৱস্থাই কদাকাৰ মূৰ্তি ধৰি চকুৰ আগত নাচিবলৈ ধৰিলে। তেওঁ কি কৰিলে? তেওঁ নিজ ইচ্ছামতে আদৰৰ গিৰীয়েক, বুকুৰ জীৱ যেন ল'ৰাছোৱালীহঁত, ৰাজহাউলি যেন ঘৰ-বাৰী, ধন-সম্পত্তি, নাম-যশ, মান-গৌৰৱ সকলোকে ত্যাগ কৰিলে। ভগৱানৰ পৱিত্ৰ নামত অপমান কৰিলে। ফলাফল কি পালে? তেওঁ কি আছিল, কি হ'লগৈ? এজনী দীনা-হীনা পতিতা। পুৰুষ জাতিৰ পুতৌৰ, স্ত্ৰীজাতিৰ ঘৃণাৰ যোগ্যা! আশ্ৰয়হীনা, বন্ধুহীনা, সৰ্বজন-ঘৃণিতা—অনাদৃতা!

ইছাবেলৰ অন্তৰত চিন্তাৰ ঢৌৱে খলকনি লগালে। তেওঁ যিমানেই লেভীছনৰ আশা অভিপ্ৰায়ৰ কথা ভাবে, সিমানেই কাৰ্লাইলৰ কথা মনত পৰে। কাৰ্লাইলৰ ঘৰত তেওঁ স্বৰ্গসুখ অনুভৱ কৰিছিল! কিন্তু আজি লেভীছনৰ লগত ঘৰৰপৰা ওলাই আহি তেওঁ নৰকতো ঠাই পোৱাহি নাই! পাপীষ্ঠ লেভীছনৰ তুলনাত কাৰ্লাইল পৰমেশ্বৰ যেন লাগিল! কাৰ্লাইলক পুনৰাই পাবলৈ তেওঁ বাউলী হৈ উঠিল!

চিন্তা অগনিত দেইপুৰি মৰি তেওঁ সেই পিনে টোপনি গ'ল। টোপনিত সপোন দেখিলে—তেওঁ ইষ্ট লিনত আছে। কাৰ্লাইলৰ হাতত ধৰি আনন্দ মনেৰে ফুলনিত ফুৰি ফুৰিছে। ল'ৰাছোৱালীহঁতে ঘাঁহনিৰ ওপৰত খেল-খেলি উমলি-জামলি আছে। অফিছৰ কামৰ কথা কিবা কৈ যেন দুয়ো হাঁহিছে। এনেতে ল'ৰাছোৱালীহঁতৰ কোনোবাজনে কন্দা যেন পাই, সিহঁতৰ ফালে চালে। তেতিয়াই তেওঁ সাৰ পালে। বাস্তৱিকে তেতিয়াই জুইশালৰ ওচৰত শুৱাই থোৱা দুৰ্ভগীয়া কেঁচুৱাটোৱে কান্দি উঠিল। তথাপি তেওঁ মুহূৰ্তৰ বাবে সকলোকে পাহৰিলে। তেওঁৰ অনুমান হ'ল যেন তেওঁ সেই স্বৰ্গতুল্য ইষ্ট লিনত সুখৰ ঘৰতে কাৰ্লাইলৰ লগতে মহা সুখেৰে ল'ৰাছোৱালীৰ সৈতে আছে। এই অতীত স্মৃতি বিজুলী প্ৰবাহৰ দৰে বৈ যোৱাৰ লগে লগে তেওঁ বৃশ্চিক দংশন অনুভৱ কৰিলে। তেওঁ নিৰাশাৰ অতল সমুদ্ৰত ডুবি থাকিল।

অনুতাপ অগনিয়ে ইছাবেলক জৰ্জৰিত কৰি পেলালে। তেওঁৰ দিন-ৰাতি নাযায় নুপুৱায় যেন লাগিল। এদিন ৰাতিপুৱা উদাসভাৱে বহি আছিল, এনেতে মাউণ্ট চেভাৰ্ণৰ লৰ্ড ভেন তেওঁৰ আগত উপস্থিত হ'লহি। ইছাবেল অবাক। তেওঁ সুধিলে,—আপুনি মই ইয়াত থকা বুলি কেনেকৈ জানিলে?

—মই ছাৰ ফ্ৰান্সিছ লেভীছনৰ ওচৰলৈ গৈ তোমাৰ ঠিকনা লৈ আহিছোঁ। জানিব পাৰিলোঁ তোমালোক দুয়োজন এৰা-এৰি হৈছা।

—মোৰ অপৰাধ ক্ষমা কৰিব, দেউতা। মোৰ যি হ'বৰ আছিল হৈ গ'ল, আৰু বাকী নাই। কিছুদিন আগেয়ে সি এদিন ইয়ালৈ অহিছিল। সেইদিনাই তাক চিৰকালৰ নিমিত্তে ত্যাগ কৰি বিদায় দিছোঁ।

দুয়ো নিমাত। কেইমিনিটমানৰ পাছত ইছাবেলে সুধিলে,—মোক আপুনি কিয় বিচাৰি উলিয়ালে? মই আপোনালোকৰ আটাইৰে পৰিত্যক্তা—ঘৃণাৰ যোগ্যা। মই আপোনাৰ নামত কলঙ্ক আনিলোঁ!

—আৰু ল'ৰাছোৱালীহঁতৰ নামত—বুলি লৰ্ড ভেনে গহীনভাৱে ক'লে।— শুনিলোঁ যে তোমাৰ হাতত পাই-পইচা এটিও নাই? তুমি কেনেকৈ জীয়াই থাকিবা?

—মোৰ হাতত এতিয়াও অলপ ধন আছে। যেতিয়া—

—লেভীছনে দিয়া ধন?

ঘৃণাৰ ভাবেৰে ইছাবেলে উত্তৰ দিলে,—কেতিয়াও নহয়। সম্প্ৰতি মই মোৰ অলঙ্কাৰ-পাতিখিনি বিক্ৰী কৰিছোঁ। এইখিনি ধন শেষ হ'লে ক'ৰবাত পাৰিলে শিক্ষয়িত্ৰীৰ বা ধাইৰ কাম কৰি পেট পুহিম।

—অলঙ্কাৰ? কাৰ্লাইলে কৈছে যে তুমি ইষ্ট লিনৰপৰা আহোঁতে একো ধনবস্তু লগত অনা নাছিলা।

—অৱশ্যে, মই তেওঁ দিয়া একোৱেই অনা নাই, এইখিনি মোৰ নিজৰ বিয়াৰ আগতে পিতাই দিয়া। তেনেহ'লে আপুনি কাৰ্লাইলক লগ পাইছে?

—নিশ্চয় লগ ধৰিছোঁ। মোৰ পৰিয়ালৰ এজনৰদ্বাৰাই এনেকুৱা কলঙ্কপূৰ্ণ অঘটন ঘটিছে যেতিয়া মই তালৈ নগৈ থাকিব পাৰোঁনে? যেতিয়া এই কুসংবাদ মোৰ কাণত পৰিলহি, তেতিয়া মই তালৈ লৰি গৈছিলোঁ আৰু তোমাৰ কি হৈছিল—তাক জানিব খুজিছিলোঁ। মই তোমাক পগলা হোৱা বুলি ভাবিছিলোঁ। কাৰ্লাইলেতো একো নাজানে! তুমি কি কাৰণে এনেকুৱা এটা কলঙ্কপূৰ্ণ অপৰাধৰ কাম কৰিলা?

কথা শুনি ইছাবেলে সেই পিনে তবধ মানিলে; লাজ অপমানৰ বোজাই তেওঁক হেঁচা মাৰি ধৰিলে।

—ইছাবেল, তুমি এতিয়া নিজ কৰ্মফল ভুগিব ধৰিছা। এই ঘটনা কেনেকৈ ঘটিল মোক ক'বানে? কি পিশাচৰ তাড়নাত তুমি তোমাক লম্পটজনক বিক্ৰী কৰিলা?

—আহা! সি বৰ বেয়া মানুহ। সি নিৰ্দয়, নিষ্ঠুৰ, নিৰ্মম, লম্পট এটা।

—মই তোমাক বিবাহিত জীৱনৰ আৰম্ভণিতে সাৱধান কৰি দিয়া নাছিলোঁনে যে তাৰ লগত ঘনিষ্ঠতা নকৰিবা, তাৰ লগত চলাফুৰা—সকলোকে ত্যাগ কৰিবা। তোমাৰ ঘৰ-দুৱাৰলৈও যাবলৈ নিদিবা।

—তাৰ ইষ্ট লিনলৈ যোৱা মোৰ দোষ নহয়। কাৰ্লাইলে তাক মাতি আনিছিল।

—মই সমস্ত জানো, ইছাবেল। কাৰ্লাইলে তাক নিঃসন্দেহ ভাবি মাতি আনিছিল। তেওঁ তোমাক তেওঁৰ কৰ্তব্যপৰায়ণা, পতিব্ৰতা, সৰলচিতীয়া, গৌৰৱান্বিতা তিৰোতা বুলি ভাবিছিল।

ইছাবেলে উত্তৰ নিদিলে; কি আপত্তি কৰিব? লাজ অপমান সকলোকে সহি তলমূৰাকৈ বহি থাকিল। লৰ্ড ভেনে কৈ গ'ল—যদি কোনোবা তিৰোতাই মনোমত স্বামী পাইছিল, তেন্তে তুমিয়েই কাৰ্লাইলক পাইছিলা। যদি কোনোবা মানুহে নিজৰ তিৰোতাক ভাল পাইছিল, তেনেহ'লেও কাৰ্লাইলেই তোমাক ভাল পাইছিল, মৰম-চেনেহ কৰিছিল। তুমি তেওঁক কোন সতে ত্যাগ কৰিলা?

ইছাবেলে গাৰ কাপোৰখন টানি টানি চকুমুখ ঢাকিলে।

—তেওঁলৈ এৰি অহা চিঠিখন মই পঢ়িছোঁ। মোকহে তেওঁ চিঠিখন দেখুৱাইছিল, আৰু কাকো দেখুওৱা নাই। চিঠিখন পঢ়ি তেওঁ যেনেকুৱা মৰ্মান্তিক বেদনা পাইছিল, ময়ো তেনে পাইছোঁ। তেওঁ শুনিবলৈ পাইছিল যে তেওঁৰ ভনীয়েকৰ অন্যায় অত্যাচাৰৰ নিমিত্তে ইষ্ট লিনত তোমাৰ সুখ-শান্তি নোহোৱা হৈছিল। যদি সেয়ে হয়, তেন্তে তুমি সময়ত সেইবোৰ কথা কাৰ্লাইলক কিয় কোৱা নাছিলা? কোৱা হ'লে সেইবোৰ অসুখৰ কাৰণ তেওঁ অনায়াসে গুচাব পাৰিলেহেঁতেন। কিন্তু চিঠিৰ মৰ্মৰপৰাতো সেইটো বুজা নাযায় যে তুমি কৰ্ণেলিয়াৰ নিমিত্তেই আমালোক আটাইৰে ওপৰত এই যাউতিযুগীয়া কলঙ্ক আনিলা আৰু তোমাকো ধ্বংসৰ পথত পেলালা।

—এইবিলাক কথা কৈ-মেলি একো লাভ নাই এতিয়া, দেউতা। অতীতৰ কথা অন্ত হ'ল।

—নহয়, মই ক'ম বুলি আহিছোঁ যেতিয়া কওঁ। মই সেই নৰাধমজন ইয়াত থকাত এইবোৰ ক'বলৈ একো সুযোগ পোৱা নাছিলোঁ। এনেবোৰ অঘটন ঘটিলে তাৰ সুবিচাৰ কৰা পিতৃৰ কৰ্তব্য। তোমাৰ পিতাৰা নাই যদিও তেখেতৰ ঠাইত মই আছোঁ; মই সেইবোৰ বিচাৰি চোৱা একান্ত উচিত।

ইছাবেলৰ দুই চকুৰেদি চকুলোৰ নিজৰা বৈ গ'ল। তেওঁ উচুপি উচুপি কান্দিবলৈ ধৰিলে। লৰ্ড ভেনে আকৌ আৰম্ভ কৰিলে,—সেই চিঠিখন, পাপীষ্ঠ নৰাধম লেভীছনকেই ইয়াৰ মূল কাৰণ বুলি আমি ঠাৱৰ কৰিছিলোঁ; কিন্তু চিঠিখনৰপৰা বুজিলোঁ যে এই ধ্বংসৰ অন্যান্য কাৰণ আছে। তুমি চিঠি কাক লক্ষ্য কৰি লিখিছিলা?

কাৰ্লাইলে জানে।

—নহয়, নাজানে, তেওঁ অলপো নাজানে। কাৰ্লাইলৰ নিচিনা এজন সৰল

প্ৰকৃতিৰ বিশ্বাসী সম্ভ্ৰান্ত লোক পৃথিৱীত নাই। মোৰ আগত শপথ খাই কৈছিল যে তেওঁ তোমাৰ এই আকস্মিক পলায়নৰ কথা একো নাজানে।

ইছাবেলৰ শৰীৰ, মন উভয়ে অৱশ হৈ পৰিছিল। তথাপি নেৰানেপেৰাত পৰি কান্দো কান্দোঁকৈ ক'লে,—মোৰ বিশ্বাস—তেওঁ আন এজনীক ভাল পাইছিল।

লৰ্ড ভেনে চকু পকাই ধৰিলে,—কি কোৱা? তেওঁ তোমাৰ লগত নাছিলনে?

—তেওঁ মোক অন্তৰেৰে ভাল নাপাইছিল।

—থোৱা বুজিলোঁ। তুমি কাল্পনিক ঈৰ্ষাৰ বশৱৰ্তী হৈ সতিনী দাহৰ অগনিত দেই পুৰি মৰি এইবোৰ কাণ্ড কৰিছা। শুনা ইছাবেল, মই তেওঁকো সুধিছিলোঁ। তেওঁ শপথ খাই কৈছে তেওঁ কোনো তেনে কামত হাত দিয়া নাই। তেওঁ কায়মনোবাক্যে তোমাৰ ওপৰত অতল বিশ্বাস কৰিছিল—ভাল পাইছিল। তেওঁ তোমাক বিয়া কৰোৱা দিনধৰি কোনো ছোৱালীকে বেয়া চকুৰে চোৱা নাই। তোমাকেই তেওঁ জীৱন-যৌৱন সৰ্বস্ব সমৰ্পণ কৰিছিল। আৰু কিবা লাগেনে?

ইছাবেলে বুকুত হাত দি কান্দিবলৈ ধৰিলে।

—কাৰ্লাইলে কৈছে যে সেই নৰাধম কুকুৰ লেভীছন তোমাৰ ঘৰত থাকিবৰ দিন ধৰি তেওঁৰ অফিছত কামৰ বৰ ভীৰ হয়; সেইদেখি ঘৰৰ ফালে বেছি নজৰ ৰাখিব নোৱাৰিছিল। বিশেষকৈ যিদিনা তুমি নিমন্ত্ৰণ খাবলৈ গৈছিলা, সেইদিনা তেওঁৰ এটা বৰ জৰুৰী গোপনীয় কাম আছিল। সেই কাম তেওঁ কেৰাণী মহৰিৰ অগোচৰে অতি গোপনে ৰাতি ৮/৯ বজাত কৰিবলগীয়া হৈছিল। তেওঁৰ ওচৰ-চুবুৰীয়া পুৰণি মিতিৰ এঘৰৰ কাম আছিল।

—তেওঁ পৰিয়ালটোৰ নাম কৈছিলনে?

—এৰা, হেয়াৰ পৰিয়ালৰ কথা কৈছিল। তেওঁ কৈছিল যে তোমাৰ লগত গধূলি নিমন্ত্ৰণ খাবলৈ নোযোৱা বাবে তুমি তেওঁৰ ওপৰত খং কৰিছিলা। সেই কথা শুনি তেওঁ পলমকৈ যাবলৈ মন কৰিছিল। অফিছৰ কাম শেষ কৰি যাওঁতে বাটত তেওঁক হেয়াৰ দম্পতীয়ে বন্ধ কৰিলে। তাতো এৰাব নোৱাৰা সকাম আছিল।

—অ'—এৰাব নোৱাৰা সকাম, জোনাক নিশা বাৰবাৰাৰ হাতত ধৰি ফুলনিৰ মাজত গা ঘেলাই ফুৰা সকাম! উভতি আহোঁতে মই নিজ চকুৰে দেখি আহিছোঁ!

—আকৌ সেয়ে হ'ল তোমাৰ সতিনী দাহ! শুনা ইছাবেল, তোমাৰ কথাৰপৰা বুজিলোঁ যে তেওঁলোকে সেই সুন্দৰ জোনাক নিশা ফুলনিৰ মাজত ইজনে সিজনক প্ৰণয়-সম্ভাষণ কৰিছিল। ছিঃ ছিঃ। কাৰ্লাইলে যে আন এজনৰ বাট ৰখি আছিল জানানে? ঘৰৰ ভিতৰত বেচেৰা ৰিচাৰ্ড হেয়াৰ আজি সাত বছৰৰ মূৰত অতি গোপনে

ছদ্মবেশে আহি মাকৰ লগত আধা ঘণ্টা সময়ৰ বাবে কথাবাৰ্তা কৈছিলহি। সেই কথা জাষ্টিছ হেয়াৰৰ কাণলৈ গ'লেই সৰ্বনাশ। সেইদেখি কাৰ্লাইল আৰু বাৰবাৰা দুয়ো বাটতে মিঃ হেয়াৰক বাট ৰখি আছিল। এইহেন গোপনীয় কথা পৰ্য্যন্ত কাৰ্লাইলে মনৰ আবেগতে মোক কৈছিল।

কথা শুনি ইছাবেলৰ মুখ ৰঙা পৰি উঠিল—সেই তাহানিৰ পুৰণি কথা ভাবি, নিজৰ মূৰ্খালিৰ কথা ভাবি; কিন্তু সকলো অতীত, কোনো উপায় নাই। তথাপি তাই ক'লে—কিন্তু তেওঁক সদায় বাৰবাৰাৰ লগত দেখা গৈছিল।

—নিশ্চয় দেখিবা। কাৰণ হেয়াৰ দম্পতী ৰুগীয়া মানুহ—শয্যাগত, তেওঁ কাৰ্লাইলক ঘনাই ঘনাই দেখা কৰিব নোৱাৰে; ইপিনে পুতেকৰ চেনেহত পুতেকৰ উদ্ধাৰৰ কিবা উপায় উলিয়াব পাৰিম বুলি সেই সকামত সদায় গাভৰু ছোৱালীজনীকে পঠাইছিল। এয়ে তোমাৰ লৰ্ড পৰিয়ালৰ ওপৰত এই যাউতিযুগীয়া কলঙ্ক আনিলানে? নিশ্চয় নহয়। তুমি নিশ্চয় এই পাপীষ্ঠ লেভীছন কুকুৰৰ ফুচুলনিত ভোল গৈ তোমাৰ পিতৃ বংশৰ ওপৰৰ্তে, কাৰ্লাইল হেন ভদ্ৰলোকজনৰ ওপৰত, তোমাৰ ল'ৰা-ছোৱালীহঁতৰ ওপৰত, সমস্ত স্ত্ৰী জাতিৰ ওপৰত এই যাউতিযুগীয়া কলঙ্ক আনিলা।

—এতিয়া সকলো শেষ হৈছে, দেউতা।

—কাৰ্লাইল কেৱল তোমাৰ প্ৰতি সত্যবাদী আৰু বিশ্বাসী আছিল, তেওঁ আন কাকো বিশ্বাস নকৰিছিল। খুব কমসংখ্যক তিৰোতাইহে বিবাহিত জীৱনত তোমাৰ নিচিনা সুখৰ ভাগী হ'ব পাৰিছিল। তেওঁ এজন সাধু, দয়ালু, সৰল প্ৰকৃতিৰ সম্ভ্ৰান্ত লোক। তেওঁৰ বিষয়ে যিমানে জানিব খোজোঁ সিমানেই তেওঁক নবখানি নোৱাৰোঁ। তেওঁৰ দেৱোপম চৰিত্ৰ! এনে হেন পুৰুষজনক তুমি ত্যাগ কৰিলা, এনে আঘাত দিলা? নিজৰ ওপৰত অসহনীয় কলঙ্কৰ বোজা ল'লা; নিজৰ মান গৌৰব, বংশ গৌৰব সকলোকে নৰকত ডুবালা! ছিঃ! ছিঃ!!

—কাবৌ কৰিছোঁ, দেউতা, আৰু নেৰেপিব, ইমানে আঁটিছে! মই মহা পাপ কৰিছোঁ—তাৰ ফল চিৰকাল ভোগ কৰিম। তাৰ বেছি আৰু ক'ব নোৱাৰোঁ, ক্ষমা কৰিব।

দুয়ো কিছু পৰ নিমাত। লৰ্ড ভেনে সুধিলে,—বাৰু তুমি এতিয়া ক'ত থাকিবা?

—মই ঠিককৈ ক'ব নোৱাৰোঁ—গা ভাল পালেই ইয়াৰপৰা সোনকালে যাম।

—তোমাৰ চাকৰ-নাকৰ এতিয়া কেইজন আছে?

—সম্প্ৰতি দুজন ৰাখিছোঁ; কেঁচুৱাটো খোজ কাঢ়ি ফুৰিব পৰা হ'লেই এজনক বিদায় দিম।

লৰ্ড ভেনে কেঁচুৱাৰ কথা শুনি উচাপ খাই উঠি ক'লে,—ইয়াৰ ভিতৰতে কেঁচুৱাও এজন! পাপীষ্ঠ, নৰাধম, কুকুৰ লেভীছনে তাৰ জন্মৰ আগতে তোমাক বিয়া কৰোৱা উচিত আছিল! তোমাৰ ত্যাগ-পত্ৰ প্ৰকাশ হৈছেনে?

—বহুদিনৰ আগতে হৈছে।

—ছিঃ! ছিঃ! কাপুৰুষ কুলাঙ্গাৰ কি কৰিলি! তই এজন মানুহৰ গৃহস্থালী ধ্বংস কৰিলি, লগে লগে তিৰোতা এজনীৰ জীৱন নষ্ট কৰিলি! তোৰ ঠাই নৰকতো নহ'ব!

—হৈছে দেউতা, হৈছে! ইমানেই আঁটিছে, আৰু নেৰেপিব।

—এই লোৱা ১০০ পাউণ্ড—ভৱিষ্যতে এনেকৈ মাহে মাহে দি থাকিম, মাজে মাজে খবৰ আদি লিখিবা। এতিয়া বিদায়।

লৰ্ড মাউণ্ট চেভাৰ্ণ ভেনে কথা কেষাৰ কৈ ওলাই গ'ল। ইছাবেল বহি থাকিল—অকলে, চিৰকালৰ নিমিত্তে অকলে!

*

সুখে-দুখে কিছুদিন গ'ল—ল'ৰটো খোজ কাঢ়িব পৰা হ'ল, ইছাবেলৰো গা ভাল হৈ আহিল। এদিন ৰাতিপুৱা ল'ৰাটো, চাকৰজন আৰু বয়-বস্তুখিনি লগত লৈ ফ্ৰান্সৰ গ্ৰিনোবল হোটেলৰপৰা বিদায় লৈ ৰেলত উঠিল। ক'লৈ যাব ঠিকনা নাই। দুৰ্ভাগ্যক্ৰমে ফ্ৰান্স আৰু জাৰ্মানীৰ সীমাত এটা ষ্টেছনৰ ওচৰত দুখন ৰেলৰ ঠেকাঠেকি লাগিল—গাড়ী খণ্ড খণ্ড হ'ল! অলেখ যাত্ৰীৰ শতকৰা ২/৪ জনৰ বাহিৰে আটাইবোৰ মৰিল, চাৰিওফালে হাঁহাকাৰ লাগিল। যিকেইজন বাচিল—সিহঁতৰো সাংঘাতিক খুন—জখম—চিকিৎসালয়ত চিকিৎসাধীন।

ইছাবেলৰ চাকৰজন আৰু ল'ৰাটো মৰিল। তাইৰ অৱস্থাও শোচনীয়, নাবাচে। এজনী ধাত্ৰী ভগ্নীয়ে (ছিষ্টাৰ) ইছাবেলৰ মূৰ শিতানতে বহি থাকি সেৱা-শুশ্ৰূষা কৰাৰ লগে লগে তেওঁৰ ঘৰ ক'ত, কোন আছে, কি কৰে, কাৰোবালৈ খবৰ পঠাব লাগেনে নাই—ইত্যাদি কথা সুধিছিল, কিন্তু ইছাবেলে কোনো উত্তৰ নিদিলে। অৱস্থা সঙ্কটাপন্ন হোৱাত বৰকৈ পীড়াপীড়ি কৰাত লৰ্ড ভেনলৈ চিঠি লিখিম বুলি কাকত কলম আনিবলৈ ক'লে। সেইবোৰ আনিলত ভনীজনীকে ক'লে,—তুমি কাকতখন দাঙি ধৰা, মই লাহে লাহে লিখোঁ। মোৰ হাতত একো আঘাত পোৱা নাই, মগজো ঠিক আছে, লিখিব পাৰিম। লিখিলে—

লৰ্ড মাউণ্ট চেভাৰ্ণ, লণ্ডন।

ৰেলৰ দুৰ্ঘটনাত পৰি মই মৰোঁ মৰোঁ হৈ আছোঁ। মোৰ ল'ৰাজন আৰু চাকৰটো ঢুকাল। মৰাৰ আগতে আপোনাক শলাগ জনাওঁ যে মই আপোনাৰ ওচৰত কৃতজ্ঞতা পাশেৰে আবদ্ধ। মই মৰাৰ লগে লগে আপোনালোকৰ কলঙ্ক মোচন হ'ল—সেয়ে মোৰ আনন্দ। মিঃ কাৰ্লাইলক ক'ব—তেওঁ যেন মোক ক্ষমা কৰে।

ইমানখিনি লিখিয়েই তাই আৰু লিখিব নোৱাৰিলে; আঘাতবোৰৰ বিষে তেওঁক জঠৰ কৰি তুলিলে। কোনোমতে—ইছাবেলক ক্ষমা কৰিব বুলি লিখি চিঠি শেষ কৰি ভনীজনীৰ হাতত দি ক'লে—চিঠিখন অনুগ্ৰহকৈ লিখিত ঠিকনাত পঠাব—মোৰ মৃত্যুৰ পাছতহে, আগেয়ে নহয়।

যেতিয়া ডাক্তৰবোৰে ইছাবেলক ভালকৈ পৰীক্ষা কৰিবলৈ আহিল, তেতিয়া তেওঁ অচেতন; সেইদেখি তেওঁলোকে ভনীজনীক সেই কথা কৈ গুচি গ'ল। ভনীজনীয়ে ইছাবেলৰ বিছনাৰ ওঁচৰতে আঁঠু কাঢ়ি মৃতজনৰ আত্মাৰ সদ্গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে আৰু অন্যান্য ৰোগীবোৰৰ ফালে গুচি গ'ল। তেওঁ ইছাবেলক মৰা বুলি ভাবি, পুনৰাই উভতি নাহিল আৰু চিঠিখন ডাক-যোগে লৰ্ড ভেনলৈ পঠাই দিলে। মৃতবিলাকৰ মৰা শবোৰ পুৰি পেলোৱা হ'ল। যিকেইজন জীৱিত থাকিল, সিহঁতক চিকিৎসালয়তে ৰখা হ'ল।

*

ইছাবেলৰ চেতনা আহিল। দেখিলে যে তেওঁ চিকিৎসালয়ৰ বিছনা এখনত পৰি আছে। তেতিয়াহে তেওঁৰ কি হৈছিল বা নহৈছিল সকলো কথা মনত পৰিল। তেতিয়াহে তেওঁ জানিলে যে তেওঁ নমৰিল। কিন্তু তেতিয়াও তেওঁ জীৱন মৰণৰ দোমোজাত। তেওঁ সাংঘাতিকৰূপে আঘাত পাইছিল—এখন ভৰিত আৰু থুঁতৰিত। তিনি মাহমান চিকিৎসালয়ত নানা নিকাৰ ভুঞ্জি ইছাবেল ভাল হ'ল—কিন্তু তেওঁক জনমলৈ কোনোৱে চিনিব নোৱাৰা হ'ল। কাৰণ—থুঁতৰিটো ঘুণীয়া হ'ল, শৰীৰ শুকাই খীণাই জঁকাটো হৈ ৰ'লগৈ। পাপৰ পৰাচিত হ'ল।

চিঠিখন লৰ্ড মাউণ্ট চেভাৰ্ণৰ ঘৰত লেডী ভেনৰ হাতত পৰিলগৈ। লেডী ভেনে চিঠিখন পঢ়ি লৰ্ড ভেনলৈ পঠালে আৰু লগে লগে, ইছাবেলৰ মৃত্যুৰ খবৰ খবৰৰ

কাকতত তুলি দিলে।—ফ্রান্সৰ কেলে ষ্টেছনৰ ওচৰত ১৮ তাৰিখে ভূতপূৰ্ব লৰ্ড মাউণ্ট চেভাৰ্ণ উইলিয়ামৰ একমাত্ৰ জীয়েক লেডী ইছাবেল মেৰি ভেনৰ ৰেলৰে দুৰ্ঘটনাত মৃত্যু।

লৰ্ড ভেনে খবৰৰ কাকতত আৰু তাৰ পাছতে চিঠিত ইছাবেলৰ মৃত্যুৰ সবিশেষ জানি অবাক হ'ল। কাৰ্লাইলেও খবৰৰ কাকতৰ জৰিয়তে ইছাবেলৰ মৃত্যুৰ খবৰ জানি হুমুনিয়াহ কাঢ়ি কপালে মূৰে হাত দিলে; প্ৰবোধ নামানে দেখি তেওঁলোকে ৰেলৰে কৰ্মচাৰী আৰু চিকিৎসালয়ৰ প্ৰধান কৰ্মচাৰীসকললৈ লিখালিখি কৰিলে। তেওঁলোকে ইছাবেলৰ সম্পূৰ্ণ নাম 'লেডী ইছাবেল ভেন' বুলি দিলে, কিন্তু ৰেলৰে বা চিকিৎসালয়ৰ প্ৰধান কৰ্মচাৰীসকলে তেনে নামৰ কোনো ৰোগী বিচাৰি নাপালে। লেডী ইছাবেল ভেনেই যে 'মেডাম ভাইন' হৈছে তেওঁলোকে একো ভু নাপালে। জানিবই বা কেনেকৈ? কাৰণ ইছাবেলে গ্ৰিনোবল হোটেল এৰাৰ লগে লগে তাইৰ নাম-ধাম সকলোকে এৰি চিৰকলীয়া কলঙ্কৰ বোজা মূৰত লৈ ঘৰৰপৰা বাহিৰ হৈছিল। তেতিয়াৰপৰা তাই 'মেডাম ভাইন' নাম লৈয়ে সংসাৰত লাঞ্ছনা ভুগি থাকিল।

লেডী ইছাবেল ভেনৰ নাম-ধাম পাহৰণিৰ সোঁতত উটি গ'ল।

১৮

সময়ৰ লগে লগে সংসাৰৰ নানা পৰিবৰ্তন হয়—ই বিশ্বৰ চিৰন্তন প্ৰথা। তাৰ ভাগ ৰজা-প্ৰজা, সুখী-দুখী, ধনী-মানী, সৰু-বৰ সকলোৱে অলপ নহয় অলপ পায়। লেডী ইছাবেল ভেন সংসাৰৰ ঘটনা-চক্ৰত পৰি স্বকৃত মহাপাপৰ পৰাচিতৰ চিন স্বৰূপে মেডাম ভাইন হ'লগৈ। ছদ্মবেশিনী মেডাম ভাইনক চিনে কোনে? লেডী ইছাবেল কাৰ্লাইলৰ মৃত্যুখবৰ খবৰৰ কাকতৰ জৰিয়তে দেশজুৰি জনাজাত হ'ল। আপোনজনে কলঙ্কৰ শেষ হ'ল ভাবি আনন্দৰ হুমুনিয়াহ এৰিলে। মিঃ কাৰ্লাইল বৰলা হ'ল। জেছিয়ে কৰ্ণেলিয়াৰ সৈতে লগ লাগি ল'ৰাছোৱালীহঁতক ৰাখি কাৰ্লাইলৰ গৃহস্থি চলাবলৈ

লাগিল।

ধুন-পেঁচ, লাহ্-বিলাহৰ কুঁৱৰী এফিয়ে আগৰ দৰে পখিলা উৰাদি উৰি নুফুৰে। এতিয়া তাই আগৰ স্বভাব নেৰিলেও কিছু সংযত হৈছে—গম্ভীৰ হৈছে; নহ'লে লেডী ভেনৰ নিচিনা মহিলাগৰাকীৰ ধাত্ৰী বাব পালে কেনেকৈ? লেডী ভেনৰপৰা কেইদিনমানৰ ছুটী লৈ এফিয়ে তাইৰ ছোৱালী কালৰ লীলাভূমি বেষ্ট লিন, ইষ্ট লিন দুদিনতে চলাতকাৰ কৰিলেহি।

আজি বহুদিনৰ মূৰত ইষ্ট লিনত মিঃ কাৰ্লাইলৰ ঘৰত বায়েক জেছিৰ আশ্ৰয়ত এফি অতিথি সোমালহি। দুয়ো বায়েক-ভনীয়েকৰ দেখাদেখি হওঁতেই এজাউৰি মুখ চুপতি হৈ গ'ল। জেছি নালাগে আন সকলোৰে ধাৰণা আছিল যে বাপেকৰ হত্যাকাণ্ডৰ লগে লগে ৰিচাৰ্ড হেয়াৰৰ লগতে এফিও নিৰুদ্দেশ হ'ল। জেছিৰ হ'লে এই ধাৰণা অন্তৰ জুৰি পৰিছিল। কাৰ্লাইলে অত চেষ্টা কৰিও ৰিচাৰ্ড হেয়াৰে যে বাপেকক হত্যা কৰিছে আৰু এফিক লগত লৈ নিৰুদ্দেশ হৈছে এই ধাৰণা জেছিৰ মনৰপৰা আঁতৰাব নোৱাৰিলে। আজি এফি স্বয়ং উপস্থিত হোৱাত নানা ৰকম কথা-বাৰ্তাৰপৰাহে বিশ্বাস হ'ল যে এফি ৰিচাৰ্ডৰ লগত যোৱা নাছিল। নানা ঠাইত ভদ্ৰপৰিয়ালৰ ঘৰত ধাই কাম কৰি তাই পেটৰ ভাত মোকোলাই ফুৰিছিল। এফিৰ স্বভাব-চৰিত্ৰ আৰু চলন-ফুৰণৰ কথা জানি জেছিয়ে প্ৰথমে তাইক অতিথি ৰাখিবলৈ আপত্তি কৰিছিল; কিন্তু এফিৰ পৰিবৰ্তন আৰু মিনতি বচনত সন্তুষ্ট হৈ শেহত জেছিয়ে কাৰ্লাইলৰ ঘৰত এফিক দুই-তিনি দিনৰ বাবে অতিথি ৰাখিলে। গধূলি খাই-বৈ উঠি এফিয়ে কাৰ্লাইলক দেখা কৰিলে।

কাৰ্লাইলৰ মূৰত ৰিচাৰ্ড হেয়াৰে বাহ লৈছিল, ক'তনো কেনেকৈ কি চেলু, ভা-ভু, খা-খবৰ পোৱা যায় সেয়ে তেওঁৰ ধাউতি। কাৰ্লাইলে এফিক দেখিয়েই হাঁহি মাৰি সুধিলে,—কি এফি, ক'ৰপৰা আহিলি? মিঃ ৰিচাৰ্ডৰ ভালনে?

—কোনে ক'লে—দেউতা? সেইবোৰ দুষ্ট লম্পটবোৰৰ মিছা কথা। মই কেতিয়াও ৰিচাৰ্ডৰ লগত যোৱা নাই। পিতৃহন্তা ৰিচাৰ্ডৰ লগত মই পলাই যামনে?

—তেনেহ'লে তই ঘৰ এৰি গুচি গৈছিলি কিয়?

—মোৰ তাত থাকিবলৈ ভয় লাগিল। যি ঘৰত দিন দুপৰতে হত্যাকাণ্ড হৈ গ'ল তাত আৰু থাকিব পাৰিনে?

কাৰ্লাইলে ওকালতি আৰম্ভ কৰিলে। ক'লে—ওঁ, এই হত্যাকাণ্ড সম্বন্ধে এটা ৰহস্য আছে। মই জানিব খোজোঁ।

—কি ৰহস্য, দেউতা?

কাৰ্লাইলে ধীৰ-সুস্থিৰ গম্ভীৰভাৱে আৰম্ভ কৰিলে,—এই হত্যাকাণ্ড কোনে কৰিলে?

—কোনে কৰিলে? এতিয়াও নাজানে? ৰিচাৰ্ড হেয়াৰে কৰিছে, আৰু কোনে কৰিব? এই কথা সকলোৱে জানে।

—ৰিচাৰ্ডে যে কৰিলে, তই দেখা পাইছিলিনে?

—নাই দেখা। দেখা হ'লেও মই ভয়তে মৰিলোঁহেঁতেন, ৰিচাৰ্ডে পিতাৰ লগত কাজিয়া কৰিছিল। শেহত সি বন্দুকেৰে পিতাক মাৰিলে।

—সেইটো তইঁতৰ অনুমানহে। কিন্তু মোৰ অনুমান ৰিচাৰ্ডে সেই কাম কৰা নাই, আন এজনেহে কৰিছে।

—কি, ৰিচাৰ্ডে হত্যা কৰা নাই? কোনো কৰিলে—মই?

—তাৰ কোনো অৰ্থ নাই।

—মই জানো যে এই কাম সি কৰিছে। অৱশ্যে মই নিজে দেখা নাই। সি যি কি নহওক, এই হত্যাকাণ্ড নিশ্চয় ৰিচাৰ্ডে কৰিছে।

—কিন্তু তই ঠিক নাজান।

—ঠিক জানো, দেউতা। সি শপথ খাই ক'লেহে তাক বিশ্বাস কৰিম।

—কেনেকৈ?

—সেইটো ক'ব নোৱাৰোঁ। কিন্তু মোক বিশ্বাস কৰক, দেউতা, মই ঠিক সঁচা কৈছোঁ।

—সিদিনাখন সন্ধিয়া তোৰ আৰু এজন বন্ধু তাত উপস্থিত আছিল, এফি— থৰ্ণ চাহাব।

এফিৰ মুখ ৰঙা পৰিল। থৎমৎ খাই নক'লেও নহয় দেখি ক'লে,—অৱশ্যে সি উপস্থিত আছিল। কিন্তু এই হত্যাকাণ্ডৰ লগত তাৰ কোনো সম্বন্ধ নাই।

—সি ক'ৰপৰা ঘোঁৰাত উঠি আহিছিল?

সি চোৱেনচান—কোনো বন্ধুৰ ঘৰত আছিল। তাৰ লগত কোনো সম্বন্ধ নাই, দেউতা।

—বাৰু, তাৰ নাম কি?

—থৰ্ণ।

—তাৰ আচল নাম লাগে, এফি। এইটো তাৰ আচল নাম নহয়; তাৰ অন্য কিবা নাম আছে, ঠিককৈ ক।

—তাৰ নাম কেপ্টেন থৰ্ণ, দেউতা। তাৰ বাহিৰে মই অন্য একো নাজানো।

—এফি, এই থৰ্ণক মই উলিয়াব লাগে; তাৰ লগত মোৰ বহুত আৱশ্যকীয় কথা আছে। তই তাৰ বিষয়ে কিবা জাননে?

—একো নাজানো, দেউতা।

—মই তাক কিয় বিচাৰিছোঁ জাননে? মোৰ বিশ্বাস হৈছে, কাৰণ প্ৰমাণ পাইছোঁ যে সেই থৰ্ণেই তোৰ পিতৃহন্তা; বেচেৰা ৰিচাৰ্ড হেয়াৰ নহয়।

এফিৰ মুখ মেল খালে—এবাৰ ৰঙা পৰিল, এবাৰ ক'লা পৰিল। শেহত তাই কৈ উঠিল,—মিছা কথা, দেউতা, সম্পূৰ্ণ মিছা কথা। থৰ্ণ হ'বই নোৱাৰে।

—মোৰ বিশ্বাস থৰ্ণেই আচল হত্যাকাৰী। তই ঘটনাস্থলত উপস্থিত নাছিলি; কাজেই প্ৰকৃততে কোন হত্যাকাৰী কেনেকৈ ক'বি?

—নিশ্চয় জানো মই। যেতিয়া ঘটনা ঘটে, সেই মুহূৰ্তত থৰ্ণ মোৰ লগতে আছিল; কাজেই থৰ্ণ হ'ব নোৱাৰে। সেইটো লম্পট ৰিচাৰ্ডৰ কাম, দেউতা, লাগে মই শপথ খাই ক'ম।

—হত্যাকাণ্ড হোৱা মুহূৰ্তত থৰ্ণ তোৰ লগত আছিল?

—হয় দেউতা, মোৰ লগত আছিল। সেয়ে এই অপবাদ থৰ্ণৰ ওপৰত পেলাব খুজিছে, সি মিছলীয়া। ৰিচাৰ্ড হেয়াৰ আচল হত্যাকাৰী—তাৰ ফাঁচি হওক।

—সঁচা কথা কৈছ, এফি?

—সঁচা কৈছোঁ, দেউতা, সঁচা কৈছোঁ। নিজৰ পিতৃৰ মৃত্যু কথাতো মিছা ফাকি দিমনে?

কাৰ্লাইল বিমোৰত পৰিল। তেওঁ আকৌ ক'লে,—সেইদিনা গধূলি লক্‌চলি আৰু বিডেল চাহাবো তহঁতৰ ঘৰৰ ওচৰত আছিল। এফি ঘপ কৰে উঠিল; যাওঁতে কৈ গ'ল,—নহয় দেউতা, নহয়। আচল দোষী ৰিচাৰ্ড। মই এই কথা সদায় ক'ম, কাৰণ মই জানো, যদিও কেনেকৈ জানো ভাঙি কোৱা নাই। এতিয়াও সময় আছে, আগেয়ে সি ধৰা পৰকচোন।

কাৰ্লাইল তাতেই ভাবি ভাবি বহি থাকিল। কাৰ কথা বিশ্বাস কৰে, এফিৰ, নে ৰিচাৰ্ডৰ?

তাৰ পাছদিনাখন গধূলি দবাপিটা বতাহ বৰষুণ। বাহিৰত কোনো জীৱজন্তুৰ সমাগম নাছিল—বৰ চেঁচা। সেই চেঁচা বতাহ বৰষুণতে ৰিচাৰ্ড হেয়াৰ আহি কাৰ্লাইলৰ খিৰিকী মুখত কঁপি কঁপি উপস্থিত।—মিঃ কাৰ্লাইল! মোক ভিতৰলৈ যাবলৈ দিয়ক, দুৱাৰ মেলি দিয়ক—জাৰত ভৰি-হাত ঠেঁটুৱা লাগি মৰিলোঁ। মোৰ বধ লাগিব, ৰক্ষা কৰক।

কার্লাইলে দুৱাৰ মেলি দিলে—ৰিচাৰ্ড ভিতৰ সোমালহি। জাৰত থক্ থককৈ কঁপিবলৈ ধৰিলে। কাৰ্লাইলে আচৰিত হৈ সুধিলে,—ৰিচাৰ্ড, তুমি এই দুৰ্য্যোগত কিয় ইয়ালৈ আহিলা? ছিঃ ছিঃ, ভাল নকৰিলা।

ৰিচাৰ্ডে জাৰত কঁপি কঁপি ক'বলৈ ধৰিলে,—মই লণ্ডনত ধৰা পৰিছোঁ, মিঃ কাৰ্লাইল। সেই পাপীষ্ঠ থৰ্ণে মোৰ পিছত পুলিছ লগাইছে।

কাৰ্লাইলে ৰিচাৰ্ডৰ অৱস্থা দেখি এগিলাছ মদ দিলে। মদখিনি খাই ৰিচাৰ্ড অলপ সুস্থিৰ হ'ল আৰু আৰম্ভ কৰিলে কেনেকৈ সি থৰ্ণক লগ পালে—এদিন গাড়ীত তাক দেখা পাই পিছে পিছে খেদা দিলোঁ। দুয়োৰে চকুৰে চকুৰে পৰিলত সি সেইপিনে শৌতা পৰি গ'ল। দ্বিতীয় দিন সি থিয়েটাৰ চাই ঘূৰি আহোঁতে লগ পালোঁ; সেইদিনা কিছু ভয় ভয়কৈ কথা-বতৰা হ'ল। তাৰ পাছত আৰু কেবাদিনো তাৰ লগত দেখাদেখি হৈছোঁ; কিন্তু প্ৰত্যেক বাৰতে মই লক্ষ্য কৰিছোঁ সি মোক দেখিলেই সেই পিনে শৌতা পৰি যায়। এদিন দেখাদেখিকৈ এজন পুলিছ লগাই দিলে। কোনোমতে লৰি গৈ ঘোঁৰাশাল এটাত সোমাইহে ৰক্ষা পৰিছোঁ। মই তেতিয়াৰপৰা পগলা হৈ ফুৰিছোঁ, মিঃ কাৰ্লাইল।

—বাৰু যি কৰিলা, কৰিলা। তুমি ইয়ালৈ অহাটো নিৰাপদ হোৱা নাই; নানা বিপদৰ আশঙ্কা আছে। কাৰণ, তুমি যে ইয়ালৈ ছদ্মবেশে আহা, সেই কথা ইয়াত প্ৰকাশ পাইছে।

—কোনে প্ৰকাশ কৰিলে?

—মই একো ধৰিব পৰা নাই।

—অ, বুজিলোঁ, সেই নৰাধম থৰ্ণেই এইবোৰ কৰিছে। পাছে মই অহাৰ প্ৰধান উদ্দেশ্য—অলপ টকা-পইচা লাগে।

এনেতে জেছিৰ মাত শুনি ৰিচাৰ্ডৰ তৎ নোহোৱা হ'ল। তাকে দেখি কাৰ্লাইলে ক'লে,—জেছি ৰিচাৰ্ড, কোনো ভয় নাই।

—কেলেই? তাই ইয়াত কি কৰে? আজিকালি এফি ক'ত?

—এফি দুদিনমান ইয়ালৈ আহিছিল। ৰিচাৰ্ড, তাই শপত খাই কৈছে যে থৰ্ণ তাইৰ পিতৃহন্তা নহয়। তাই কয় যে হত্যাকাণ্ডৰ সময়ত থৰ্ণ তাইৰ লগত আছিল।

—মিছা কথা, থৰ্ণৰ বাহিৰে আন কেওঁ নহয়। সি সেই কাম নকৰা হ'লে এনেকৈ জীৱনৰ আশা এৰি ঘৰৰপৰা হাবিৰ মাজে মাজে লৰি নপলালহেঁতেন।

—কিন্তু এফিয়ে কয় যে সেই সময়ত থৰ্ণ তাইৰ লগত আছিল।

—ইয়াতেই বুজক, ডাঙৰীয়া। যদি সি হেলিজনক হত্যা কৰা নাই, তেন্তে সি

মোক দোষ দি ফুৰে কিয়? আৰু মই যেতিয়াই তাক লগ পাওঁ, তেতিয়াই মোক দেখিলেই তাৰ মুখ শেঁতা পৰি যায় কিয়? বাৰু সি হত্যাকাণ্ড কৰক বা নাই সি কিন্তু জানে যে মই সেই কাম কৰা নাই; কাৰণ সি লৰি আহোঁতে মোক লগ পাইছিল। আকৌ চাওক, ঘটনা তদন্তৰ সময়ত এফিয়ে শপথ খাই কৈছিল যে তাই সেই সময়ত অকলে আছিল, তাইৰ লগত কোনো মানুহ নাছিল; ঘটনা হোৱা তাই নাজানে; পাছতহে জানিছে। থৰ্ণ যদি তাইৰ লগত আছিল তেন্তে তাই অকলে থকা বুলি ক'বলৈ কেনেকৈ শপথ খাইছিল?

এনেতে কৰ্ণেলিয়াৰ মাত শুনা গ'ল—ৰিচাৰ্ড ভয়তে অস্থিৰ।

দুপৰ নিশা ভায়েকৰ ঘৰত দুজন মানুহৰ কথা-বতৰাৰ শব্দ শুনি কৰ্ণেলিয়াই জেছিক মাতি আনি কাৰ্লাইলৰ ঘৰলৈ পঠালে। কাৰ্লাইলে জেছিক সোমাবলৈ নিদি ওভতাই পঠোৱাত, নিজে খেদি আহি দুৱাৰ মেলি দিবলৈ কাৰ্লাইলক ডাবি-হুকি দিলে। কাৰ্লাইলে ৰিচাৰ্ডক ভিতৰত ৰাখি দুৱাৰ মেলি বাহিৰলৈ আহি, বায়েকৰ হাতত ধৰি কাবৌ-মিনতিকৈ সকলো কথা ভাঙি পাতি ক'লে। কৰ্ণেলিয়া নিমাত হ'ল। ৰিচাৰ্ডৰ ওপৰত খং উঠিল—কিন্তু পাছ মুহূৰ্ততে বেচেৰাৰ প্ৰতি পুতৌ জন্মিল।

দুয়ো ভাই-ভনী লগ লাগি বহুত ভাবি-গুণি শেহত জেছিকো তেওঁলোকৰ হাতত ৰাখি ৰাতিটোৰ বাবে ৰিচাৰ্ডক নিৰাপদে ৰাখিলে। আজি সাত বছৰৰ মূৰত—কাৰ্লাইলৰ অভয় আশ্ৰয়ত বেচেৰাই পেট পূৰাই খালে। কাৰ্ণেলিয়াৰ শোৱা কোঠালীৰ ওচৰতে নিৰাপদীয়া বিছনা এখনত ৰিচাৰ্ড ৰাতি ৪ দাঁড় শুলে। জেছিক মাতি আনি কাৰ্লাইলৈ আৰম্ভ কৰিলে,—জেছি তোৰ সম্পূৰ্ণ বিশ্বাস আছিল যে এফি ৰিচাৰ্ডৰ লগত পলাই আছিল গৈ। মই তোক বাৰে বাৰে কৈছিলোঁ যে সেইটো সম্পূৰ্ণ মিছা ধাৰণা, কাৰণ মই তাৰ প্ৰমাণ পাইছিলোঁ। এতিয়া তোৰ সেই বিশ্বাস দূৰ হৈছে; নহয়নে?

—হৈছে দেউতা, হৈছে। সেই বিষয়ে এতিয়া মোৰ কোনো সন্দেহ নাই।

—বাৰু, এতিয়া আকৌ তোৰ এটা ভুল বিশ্বাসৰ কথা কওঁ। এই বিষয়েও মই প্ৰমাণ পাইছোঁ, তোৰ আগত ক'লে বিশ্বাস কৰিবিনে?

—দেউতা, আপুনি সঁচাৰ বাহিৰে যে মিছা নকয়, মই বঢ়িয়াকৈ জানো। আপুনি এজন সুবিচাৰক।

—তেনেহ'লে মই কওঁ যে তহঁতৰ পিতৃহন্তা ৰিচাৰ্ড নহয়।

দেউতা—বুলি কৈ জেছি আচৰিত হৈ মুখ মেলি থাকিল।

—মোৰ বিশ্বাস, হত্যাকাণ্ড সম্বন্ধে তই বা মই যেনে নির্দোষ, ৰিচার্ড হেয়াৰো তেনে নির্দোষ। মই আদিৰপৰা সেই সম্বন্ধে খবৰ ৰাখিছোঁ।

—তেনেহ'লে কোনে হত্যা কৰিছে, দেউতা?

—এফিৰ অন্যতম প্রিয়ভাজন সেই পাপীষ্ঠ লম্পট—আটকধুনীয়া ডেকা থর্ণে। মোৰ সম্পূর্ণ বিশ্বাস হৈছে।

—আৰু আপুনি ক'লে যে আপোনাৰ হাতত প্রমাণ আছে।

—নিশ্চয় আছে। আজি এই কেইবছৰে তাৰ সম্পূর্ণ খবৰ ৰাখি সকলো প্রমাণ যোগৰ কৰি ৰাখিছোঁ। তোৰো এই ভুল বিশ্বাস দূৰ হ'লে বৰ সুখী হ'ম।

—কিন্তু দেউতা, ৰিচার্ড যদি দোষী নহয়, তেন্তে সি নিৰুদ্দেশ হ'ল কিয়? উভতি নাহিল কিয়?

—এৰা, সেইখিনিয়েই সকলো লেঠাৰ মূল। তাৰ নিজৰ মূর্খালিৰ আৰু কাপুৰুষতাৰ দোষে এনেখন হৈ উঠিছে। সি উভতি আহিবলৈ ভয় কৰিছিল আৰু সি জানিছিল মানুহৰ মনৰপৰা এই বিশ্বাস দূৰ কৰা বৰ টান। জেছি, তই এবাৰ তাক দেখা দি তাৰ দুখৰ কাহিনীটো শুনিবিনে?

—দেউতা, সি আৰু ইয়ালৈ আহিবলৈ সাহ নকৰে।

—সি ইয়াতেই আছে।

জেছি উচাপ খাই উঠি কার্লাইলৰ মুখৰ ফালে চাই থাকিল। তেওঁ আকৌ আৰম্ভ কৰিলে,—ইয়াতে, এই ঘৰতে আছে। সি ৰাতিটোৰ বাবে ইয়াত আশ্রয় লৈছেহি। বেচেৰাক যি পাৰ সহায় কৰিব লাগে—যাতে সি ধৰা নপৰে। জানাইতো জাষ্টিছ হেয়াৰৰ ক্রোধাগ্নি। আহ, মোৰ লগতে আহ, তাৰ লগত কথা-বতৰা পাতহি।

জেছি আৰু ৰিচার্ডৰ দেখা-দেখি হ'ল; দুয়োৰে এজাউৰি তর্ক বিতর্কও হ'ল। কার্লাইলে ওচৰতে বহি মনে মনে সকলো কথা শুনি থাকিল। ৰিচার্ডক বিছনা-পাটী সাজু কৰি দিলে। ৰিচার্ড শুলেগৈ। পাঁচ মিনিটমানৰ পাছতে সি জাঁপ মাৰি উঠিল,—মই নহয়, মই নহয়, মোক নিনিবি—অন্য এজনহে, তাৰ নাম....। ৰিচার্ড সপোনতে উচাপ খাই উঠি কথা কেইআষাৰ একে উশাহতে কৈ আকৌ সেইপিনে টোপনি গ'ল। শোৱা ৰিচার্ড, বিশ্রাম লোৱা।

বেচেৰা ৰিচার্ডে ওৰে নিশা নিশ্চিন্তমনে ভালকৈ শুলে। ৰাতি পুৱাল। সকলো উঠিল। জেছিয়ে ৰিচার্ডক চাহ জলপান দিলেগৈ। কার্লাইলে সুধিলেগৈ,—ৰিচার্ড, ৰাতি টোপনি আহিছিলনে?

—খুব আহিছিল, ডাঙৰীয়া, বৰ ভাগৰ লাগিছিল। পাছে মই যোৱাৰ কথা?

—সেই বিষয়ে গধূলি নহয়মানে একো কৰিব নোৱাৰোঁ। তুমি একো চিন্তা নকৰিবা, মই আছোঁ। কিন্তু তুমি ইয়াত বেছি সময় থাকিব নোৱাৰা, কাৰণ চাকৰহঁতে ইকাণ-সিকাণকৈ সকলো শুনিব। বাৰু, তুমি কৈছা যে থৰ্ণে তোমাক খুব জুলুম কৰিছে। মোৰ অনুমান হয় সি তোমাক ভয়হে খুৱাইছে। সি যদি আচলতে দোষী হ'লহেঁতেন, তেন্তে সি আঁতৰে আঁতৰে থকাহে যুগুত আছিল। তোমাক গ্ৰেপ্তাৰ কৰিলেই তাৰ সৰ্বনাশ!

—তেনেহ'লে সি মোক এনেকৈ জুলুম কৰে কেলেই? মোৰ পিছত পুলিছ লগায় কেলেই?

—তুমি যে তাক জুলুম কৰা, সেইটো সি ভাল নাপাইছিল; সেই নিমিত্তে সি তোমাক ভয় দেখুৱাইছিল। পুলিছ লগোৱাৰ উদ্দেশ্যও সেয়ে, সিদিনাখনৰপৰা তাক দেখিছানে? পুলিছজনৰ উদ্দেশ্য তোমাক ধৰিবলৈ যোৱা হ'লে, তোমাক তেতিয়াই ধৰিলেহেঁতেন, কেতিয়াও পিছে পিছে খেদি নুফুৰিলেহেঁতেন। বাৰু তাক কাৰ লগত ফুৰা দেখা?

—তাক ডাঙৰীয়া, আপোনাৰ আগত ক'বলৈ বেয়া লাগে—তাক সেই কেপ্টেন লেভীছনৰ লগত দুই-তিনি দিন দেখা পাইছোঁ। সিহঁত দুয়ো বৰ বন্ধু।

এনেতে বাহিৰত জাষ্টিছ হেয়াৰৰ মাত শুনা গ'ল। ৰিচাৰ্ডৰ চুলিৰ আগেদি জীৱ গ'ল। কাৰ্লাইলে তাক সাৱধানে থাকিবলৈ কৈ অভয় দি নিজে বাহিৰলৈ ওলাই আহিল।

ৰাতিপুৱা আঁঠুবনি বৰফৰ মাজেদি জাৰত কঁপি কঁপি জাষ্টিছ হেয়াৰ ৰুদ্ৰমূৰ্তি ধৰি কাৰ্লাইলৰ ঘৰত উপস্থিত।

—মি° কাৰ্লাইল ঘৰত আছেনে? মোৰ অলপ কাম আছে।

কাৰ্লাইলে তেওঁৰ মাত শুনিয়েই থৎমৎ খাই ৰিচাৰ্ডৰ ওচৰৰপৰা ওলাই আহি তেওঁৰ হাত জোকাৰি ক'লেহি,—মি° জাষ্টিছ, আপুনি ইমান ৰাতিপুৱাই বৰফৰ মাজে মাজে কেলেই আহিল? আপোনাৰ ইমান খং উঠিছে কেলেই?

—খং উঠিছে। বুলি কৈয়ে জাষ্টিছ হেয়াৰে এখন চিঠি কাৰ্লাইলৰ গাত দলি মাৰি দি ক'লে,—মই এইমাত্ৰ চিঠিখন পালোঁ। চোৱাচোন তাত কি সুখৰ খবৰ আছে। কুল কলঙ্ক, মূৰ্খ, হতভাগা পুত্ৰ!

চিঠিখন বেনামা চিঠি। তাত এজন বন্ধুৱে জাষ্টিছ হেয়াৰক জনাইছিল যে দুই তিনি দিনৰ ভিতৰতে তেওঁৰ অপৰাধী পুত্ৰ ৰিচাৰ্ড হেয়াৰ ৱেষ্ট লিনত উপস্থিত হ'বহি!

কাৰ্লাইলে চিঠিখন পঢ়ি কিছু সময় ভাবি-চিন্তি ক'লে—এইখন বেনামা চিঠি; ইয়াৰ আচল ব্যৱস্থা, জুইত পেলাই দিয়াটোহে।

—কিন্তু এইখন কোনে লিখিলে? ৰিচাৰ্ড হ্ৰেষ্ট লিনলৈ আহিছেনে?

—সি হ্ৰেষ্ট লিনলৈ অহা সম্ভৱনে? আপুনি এইবোৰ জঞ্জাল নিজে নিজৰ ওপৰত চপাইছে! বহুত দুষ্ট মানুহে জানে যে ৰিচাৰ্ডৰ কথা শুনিলেই আপোনাৰ খুব খং উঠে। সেইদেখি আপোনাৰ খং তোলাবৰ উদ্দেশ্যে কোনোবা দুষ্ট মানুহে এইবোৰ কৰিছে। আপুনি সেইবোৰ মন নকৰিব।

কাৰ্লাইলৰ কথা শুনি জাষ্টিছ হেয়াৰ কিছু শাঁত হ'ল। তেওঁ কৈ গ'ল সেই হতভাগা কুলাঙ্গাৰক ধৰিব পাৰিলেই হয় ফাঁচি, নাইবা দ্বীপান্তৰ এটা মীমাংসা কৰা যাব। বাৰু, সি আহক বা নাই, পুলিছক কথাটো জনাই থ'মনে?

—সেইবোৰ কৰিলে কি লাভ হ'ব, মিঃ জাষ্টিছ? সকলোকে এৰি ধৈৰ্য্য ধৰি বহি থাককগৈ। দোষী হ'লে সি বিহিত দণ্ড নিজে ভুগিব। এনেকুৱা মিছা কথাত লৰি নুফুৰিব। এই চিঠিখন মিছেছ হেয়াৰক দেখুৱাইছেনে?

—নাই, চিঠি পায়েই ইয়ালৈ আহিছোঁ।

—ভালেই হৈছে। চিঠিখনৰ কথা তেওঁৰ আগত নক'ব। কাৰণ এইবোৰ অমঙ্গলীয়া কথা শুনিলে তেওঁৰ অসুখ বাঢ়িবহে। আপুনি নিশ্চয় জানিব, আপোনাৰ সহায়েৰেই হওক বা আন উপায়েই হওক যিদিনাই ৰিচাৰ্ডৰ বিচাৰ আৰম্ভ হয়, সেই দিনাৰপৰাই মিছেছ হেয়াৰৰ মৃত্যু ওচৰ চাপিব। তেওঁ পুত্ৰ শোকত একেবাৰেই অধীৰ হৈ আছে।

জাষ্টিছ হেয়াৰে ভাঁজ কৰি চিঠিখন জেপত সুমুৱাই থ'লে। কাৰ্লাইলক সুধিলে,—এইখন কোনে লিখিছে চিনি নোপোৱানে? ইয়াত লণ্ডনৰ পোষ্ট অফিছৰ মোহৰ আছে।

—মই নাজানো, আখৰবোৰো চিনি নাপাওঁ।

জাষ্টিছ হেয়াৰ ওলাই গ'ল। এখোজ দুখোজকৈ তেওঁ ৰংঘৰলৈ বাট ল'লে। কাৰ্লাইল ৰিচাৰ্ডৰ ওচৰ পালেগৈ। সি কৰ্ণেলিয়াৰ লগত কথা পাতি বহি আছিল। ৰিচাৰ্ডে হুমুনিয়াহ ছাৰি ক'লে,—ডাঙৰীয়া, মই ভয়তে উশাহ পাহৰিব লগা হৈছিলোঁ, পিতা গ'লনে? সকলো নিৰাপদনে?

—এৰা, তেওঁ গ'লগৈ।

—তেওঁ কেলেই আহিছিল?

কাৰ্লাইলে সকলো কথা সংক্ষেপতে তাক বুজাই ক'লে। শেহত কাৰ্লাইলৰ আশ্বাস বাক্য শুনি ৰিচাৰ্ডে সুধিলে,—এবাৰ আইক দেখা দি যাব পাৰিমনে?

—নোৱাৰা ৰিচাৰ্ড, নোৱাৰা। বহু বিপদ আছে। দেখা কৰা দূৰৈৰ কথা তুমি

ইয়াত থকা বুলি জানিলেও মহা বিপদ। তোমাৰ এই বিপদৰ কথা শুনিলে তেওঁ একেবাৰে বাউল হৈ উঠিব। তেওঁৰ মনত সুখ-শান্তি লেশমাত্রও নোহোৱা হ'ব। কাজেই এইবাৰলৈ মাৰাক দেখা কৰাৰ আশা এৰা।

—বাৰবাৰাক?

—বাৰবাৰা আহি ইয়াত তোমাৰ লগত দিনটো থাকিব পাৰে। বাৰু তাৰ এটা দিহা কৰা যাওক।

কৰ্ণেলিয়াৰ ফালে চাই তেওঁ ক'লে,—কৰ্ণি বাইদেউ, বাৰবাৰাক ইয়ালৈ অনাৰ একমাত্র বুদ্ধি, মই নিজে গৈ মিছেছ হেয়াৰক ক'ম যে তোমাৰ অসুখ হৈছে; বাৰবাৰাই দিনটোৰ বাবে তোমাৰ যতন ল'বলৈ লাগে। তেতিয়া কোনোৱে এইবোৰ কথাৰ ভু-ভা নাপাব। তুমি কি ভাবা?

কৰ্ণেলিয়াই হাঁহি মাৰি উত্তৰ দিলে,—কোনো কথা নাই। অসুখ নহয় মই মৰিবলৈ ওলোৱা বুলি ক'লেও মোৰ আপত্তি নাই।

কাৰ্লাইল ঘোঁৰা গাড়ীত উঠি বেষ্ট লিননৈ যাত্রা কৰিলে।

১৯

হেয়াৰ দম্পতী আৰু বাৰবাৰা চাহ-জলপান খাই-বৈ উঠি কিবা কথা পাতি বহি আছিল; এনেতে কাৰ্লাইল উপস্থিত। ইমান ৰাতিপুৱাই কাৰ্লাইলক যোৱা দেখি মাক-জীয়েক দুয়ো আচৰিত হ'ল। মাকে সুধিলে,—হেয়াৰক লাগে নেকি, কাৰ্লাইল? তেওঁ ৰাতিপুৱাই কোনোবা ফালে ওলাই গৈছে।

—এৰা, মিঃ হেয়াৰক লাগে, বাৰবাৰাক নিবলৈ আহিছোঁ।

—বাৰবাৰাক নিবলৈ? কেলেই?

—কৰ্ণি বাইদেউৰ অসুখ, পানী লাগি জ্বৰ উঠিছে। সেই নিমিত্তে দিনটোলৈ বাৰবাৰাক নিবলৈ পঠাইছে।

ঘৰত নানা ৰকম কাম আৰু নিজৰো শৰীল ভাল নথকাতো বাৰবাৰাক পঠাব লগা হ'ল। বাৰবাৰা যাবলৈ সাজু হৈ ওলাল।

অলপ বেলি টলকা মাৰি থাকি মিছেছ হেয়াৰে ক'লে,—বাৰু যোৱা তেনেহ'লে, কিন্তু সাৱধানে যাবা আৰু গধূলি যেনে-তেনে ঘূৰি আহিবা।

কাৰ্লাইল—বাৰু সেই বিষয়ে মই দায়ী। আপুনি চিন্তা নকৰিব—মই তাইক আগ বঢ়াই থৈ যামহি।

কাৰ্লাইল আৰু বাৰবাৰা হাঁহি মাৰি গাড়ীত উঠি ইষ্ট লিন পালেগৈ। গাড়ীৰপৰা নামি কাৰ্লাইলে তাইক হাতত ধৰি ঘৰ সোমাল।

কাৰ্লাইলে হাঁহি মাৰি ক'লে,—বাৰবাৰা, এতিয়া সাজু হোৱা।

আশা আৰু ভয়ে বাৰবাৰাক শেঁতা কৰিলে। আচৰিত হৈ তাই সুধিলে,—কেলেই? ৰিচাৰ্ডৰ কিবা হৈছে নেকি?

—একো হোৱা নাই। চক নাখাবা, সি ইয়াতেই আছে।

—ইয়াতেই? ক'ত?

—ইয়াতেই, এই ঘৰতেই। সি যোৱা ৰাতি ইয়ালৈ আহিছে।

—আহা, আৰ্কিবল্ড! বুলি তাই কৃতজ্ঞতাপূৰ্ণ চাৱনিৰে কাৰ্লাইলৰ ফালে চাই থাকিল। কাৰ্লাইলে কৈ গ'ল,—কৰ্ণি বাইদেউৰ শোৱা ঘৰৰ ওচৰতে জেছিৰ শোৱা ঘৰত শুইছিল। তাতেই আছে সি এতিয়াও।

—তেনেহ'লে তেওঁলোকে সকলো কথা জানে?

—নিশ্চয়। নাজানিলে কেনেকৈ তাক নিৰাপদে ৰখা যায়?

তাৰ পাছত কাৰ্লাইলে বাৰবাৰাক ৰিচাৰ্ডৰ কোঠালীলৈ লৈ গ'ল। তাত কৰ্ণি, জেছি আৰু ৰিচাৰ্ড তিনিও কথা পাতি বহি আছিল। বাৰবাৰাক তাতে থৈ কাৰ্লাইল অফিছলৈ গ'লগৈ।

গধূলি কাৰ্লাইল অফিছৰপৰা আহিল। ৰিচাৰ্ডক খুৱাই-ধুৱাই, টকা-পইচা দিলে আৰু তাৰ উদ্ধাৰৰ আশ্বাস দি বিদায় দিলে। সিও আটাইবোৰৰপৰা বিদায় লৈ ভেশছন কৰিলে আৰু জীৱটো টোপোলা বান্ধি লৈ শীতকালৰ আঁঠুৱনি বৰফৰ মাজে মাজে ভৰি দুখন যিপিনে পৰিল সেইপিনে বেগ দিলে।

ৰিচাৰ্ড যোৱাৰ পাছতে বাৰবাৰা ককায়েক ৰিচাৰ্ড শোৱা বিছনাখনত বহিলগৈ আৰু ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে। তাকে দেখি জেছিয়ে ক'লে,—মিছ বাৰবাৰা,

যদি সঁচাকৈয়ে ককায়েৰা নিৰ্দোষী হয়, তেন্তে তেওঁ বৰ কষ্টত দিন কটাইছে। দেখিলেই বৰ দুখ লাগে।

লোতকেৰে পূৰ হৈ থকা চকুযুৰি ওপৰলৈ তুলি জেছিৰ ফালে চাই বাৰবাৰাই ক'লে,—জেছি, এতিয়াও ৰিচাৰ্ড দোষী বুলি সন্দেহ হয়নে?

—মই নিৰ্দোষ বুলিয়েই বিশ্বাস কৰিছোঁ, মিছ। কোনো মানুহে মিছা কথা হ'লে এনেকৈ শপথ খাই ক'বলৈ সাহ নকৰে। সম্প্ৰতি এই কেপ্টেন থৰ্ণ কোন তাক বিচাৰি উলিয়াব লাগে।

বাৰবাৰাই জেছিৰ হাত দুখন খামোচ মাৰি ধৰি কৈ গ'ল,—জেছি, লেডী ইছাবেলৰ নিৰুদ্দেশৰ ৰাতিৰপৰা আজিলৈকে ফ্ৰান্সিছ লেভীছনকে মই কেপ্টেন থৰ্ণ বুলি ভাবিছিলোঁ। কাৰণ, সেই অমঙ্গলীয়া সন্ধিয়া ৰিচাৰ্ড ছদ্মবেশে ইয়ালৈ আহিছিল আৰু বেষ্ট লিনৰ বাটত থৰ্ণক লগ পাইছিল। ৰিচাৰ্ডে কৈছিল যে সি গধূলি ফুৰা-মেলা সাজপাৰ পিন্ধিছিল, চুলিবোৰ কপালৰপৰা ওভতাই আঁচুৰিছিল, তাৰ বগা হাত আৰু হীৰাৰ আঙঠি জোনৰ পোহৰত জিলিকি উঠিছিল। এই বগা হাত, আঙঠি, পিন্ধা-উঠা, চলা-ফুৰা আটাইবোৰে লেভীছনৰ কথা মোৰ মনত পেলাই দিছিল। সেই নিমিত্তে লেভীছনকে ৰিচাৰ্ডে দেখা থৰ্ণ বুলি আজিলৈকে ভাবিছিলোঁ। পাছে ৰিচাৰ্ডে আজি সেই ভুল ভাঙিলে! সি কয় যে সি লেভীছনক চিনি পায়। থৰ্ণ আৰু লেভীছন নলে-গলে লগা বন্ধু। মোৰ এতিয়া অনুমান হৈছে যে থৰ্ণ সেইদিনা গধূলি লেভীছনক দুষ্কাৰ্য্যত সহায় কৰিবলৈ ইয়ালৈ আহিছিল।

—এইবোৰ কথা শুনিবলৈ কেনে বেয়া লাগে, আইদেউ।

এনেতে কাৰ্লাইল বাৰবাৰাক আগ বঢ়াই থ'বলৈ সাজু হৈ আহিল। তাই কৰ্ণেলিয়াক অশেষ শলাগি বিদায় লৈ কাৰ্লাইলৰ লগত গাড়ীত বহি বহি চকুলো টুকিলে। গাড়ী বেষ্ট লিনত হেয়াৰৰ ঘৰ পালেগৈ। কাৰ্লাইলে গাড়ীৰপৰা নামি গাড়োৱানক বিদায় দি বাৰবাৰাক হাতত ধৰি ভিতৰলৈ গ'ল।

ঘৰ সোমাই দেখে যে বাৰবাৰাৰ মাক হেয়াৰ দম্পতী টোপনিত অচেতন; বাপেক জাষ্টিছ হেয়াৰ তেতিয়াও আমোদ গৃহৰপৰা ঘূৰি অহা নাই। কাজেই কাৰ্লাইলক সোধপোছ কৰাৰ ভাৰ বাৰবাৰাৰ ওপৰতেই পৰিল।

দুয়ো বুলনি ঘৰৰ জুইৰ ওচৰত থিয়কৈ থোৱা আৰ্ছিখনৰ আগত থিয় হ'লগৈ। বাৰবাৰাৰ হাত এখন কাৰ্লাইলৰ হাতৰ মুঠিত। তাই দিনত হৈ যোৱা ৰিচাৰ্ড সম্বন্ধীয় কথাবোৰ ওলট-পালটকৈ ভাবিবলৈ ধৰিলে। কাৰ্লাইলে কি ভাবিছিল? তেৱেঁইহে ভালকৈ জানে। তেওঁৰ যৌৱনভৰা চকুযুৰি বাৰবাৰাৰ ৰঙচুৱা মুখৰ ওপৰত। তাই সেই

কথাৰ বুজ পাই তেওঁৰ ফালে চালে। লগে লগে কাৰ্লাইলে কৈ উঠিল,—মোৰ লগত বিয়া সোমাবানে?

কথাষাৰ শুনি বাৰবাৰাৰ মুখৰ চেহাৰা পৰিবৰ্তন হ'ল; আনন্দৰ জেউতিয়ে দেখা দিলে, মুখ ৰঙা পৰিল। আকৌ পাছ মুহূৰ্ততে শেঁতা পৰিল, বিষাদৰ কালিমাই দেখা দিলে। তাই "ওঁহোঁ" বুলি মূৰ জোকাৰি উত্তৰ দিলে।

—কি বাধা আছে, বাৰবাৰা?

আকৌ সেই পৰিবৰ্তন। কাৰ্লাইলে তাইক আঁকোৱালি ধৰিলে আৰু মুখৰ ওচৰত মুখখন দি ক'লে,—মোৰ আগত মনে মনে কোৱা।

বাৰবাৰাই চকুলো টুকিবলৈ ধৰিলে।

—মই এবাৰ বিয়া কৰাইছিলোঁ—এয়ে বাধা।

চকুলো মচি তাই উত্তৰ দিলে,—নহয়, সেয়ে নহয়। সেই তাহানি সেই নিশাৰ কথা, সেইদিনা তুমি মোক অৱজ্ঞা কৰিছিলা,—মোক ভৰিৰে ঠেলি দূৰৈত পেলাইছিলা, মোৰ কাতৰ মিনতিত কাণ নিদিছিলা।

—বাৰ-বা-ৰা! কাৰ্লাইলে ব্যথাভৰা অন্তৰেৰে কৈ উঠিল।

কাৰ্লাইলৰ ব্যথাপূৰ্ণ কথাত বাৰবাৰাই তেওঁৰ ফালে চালে।

—তুমি জানা যে মই তোমাক বৰ ভাল পাওঁ। মই তোমাৰ বাহিৰে আন কোনো ছোৱালীকে বিয়া নকৰাওঁ। সুখৰ সপোন নাভাঙিবা, বাৰবাৰা।

কাৰ্লাইলৰ হাতৰ মাজত মূৰটো থৈ তাই কান্দিবলৈ ধৰিলে,—সুখ? তোমাৰ সুখ হ'বনে?

—একেবাৰে গাঢ় প্ৰগাঢ় সুখ হ'ব, প্ৰিয়তমা। তুমি মোক আগৰ দৰে ভাল পোৱানে?

—তাতকৈ বেছি।

কাৰ্লাইলে বাৰবাৰাক বুকুৰ মাজলৈ টানিলে আৰু তাইৰ মুখতে মুখখন থৈ তেনেভাৱে থাকিল। বাৰবাৰাৰ অন্তৰৰ অগনি নুমাল, হিয়া শাঁত পৰিল।

*

কাৰ্লাইলৰ লগত বাৰবাৰা বিয়া ঠিক হ'ল—দিন পৰ্য্যন্ত ধাৰ্য্য হৈ গ'ল। বিয়াৰ প্ৰস্তাব শুনি কৰ্ণেলিয়া জাঁপ মাৰি উঠিল। কাৰণ কাৰ্লাইলৰ বিয়াৰ লগে লগে কৰ্ণি তেওঁৰ আগৰ পুৰণি ঘৰ বেষ্ট লিনলৈ যাবলৈ লাগিব, কাৰ্লাইল আৰু বাৰবাৰা ইষ্ট লিনত



কাৰ্লাইলে বাৰবাৰাক বুকুৰ মাজলৈ টানিলে আৰু
তাইৰ মুখতে মুখখন থৈ তেনেভাৱে থাকিল।

থাকিব, তেতিয়া কর্ণিৰ ৰণচণ্ডী মূৰ্তি কোনে চায়? কৰ্ণেলিয়া জ্বলি উঠিল। কাৰ্লাইলক বৰ্ণনাতীত গালি-শপনি পাৰিলে। কিন্তু কাৰ্লাইলৰ প্ৰস্তাৱৰ কোনো পৰিৱৰ্তন নহ'ল। কৰ্ণিয়ে জেছিকো লগত নিবলৈ নোৱাৰিলে, কাৰণ জেছিয়ে মৃত লেডী ইছাবেলক দিয়া প্ৰতিশ্ৰুতি সুঁৱৰি, ইছাবেলৰ ল'ৰাছোৱালীকেইটি ইষ্ট লিনত এৰি থৈ যাবলৈ মান্তি নহ'ল। কৰ্ণি সকলো কথাতে বিফল মনোৰথ হৈ ঘৰখনত তোলপাৰ লগাই দিলে।

*

এদিন মেই মাহৰ ৰাতিপুৱা। বতৰ মুকলি। ইষ্ট লিনত আনন্দ উৎসৱৰ দল্‌দোপ্-হেন্দোলদোপ লাগি উঠিল। ওচৰতে থকা জুড়া গীৰ্জালৈ ল'ৰাছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী জাকে জাকে ঢাপলি মেলিলে। চাওঁতে চাওঁতে গীৰ্জাঘৰ মানুহেৰে ভৰপূৰ হৈ পৰিল। আনন্দৰ জেউতি সকলোপিনে বিয়পি পৰিল।

—মিঃ কাৰ্লাইল আৰু বাৰবাৰাৰ বিয়া—

আনপিনে ইমান আনন্দ উৎসৱৰ দিনত মিছ কৰ্ণেলিয়া বিষাদভৰা মুখ, ব্যথাভৰা অন্তৰেৰে টালি টোপোলা বান্ধি লৈ ইষ্ট লিনৰ পুৰণি পঁজালৈ যাত্ৰা কৰিলে; তাতেই তেওঁ জীৱনৰ বাকী দিনকেইটা কটাব।

যথা সময়ত শুভ লগ্ন শুভ ক্ষণত কাৰ্লাইল আৰু বাৰবাৰাৰ বিয়া সমাৰোহেৰে হৈ গ'ল। সকলোৱে দৰা-কইনাক আশীৰ্বাদ কৰিলে—নৱ দম্পতীৰ বিবাহিত জীৱন সুখ সম্ভোগপূৰ্ণ হ'ক, কাৰ্লাইলৰ গৃহস্থি পুনৰ সুখ শান্তিৰ নিকেতন হ'ক।

২০

এবছৰৰ উপৰ কাল পাৰ হৈ গ'ল। জাৰ্মানীৰ স্বাস্থ্যকৰ ঠাইবোৰ শৰৎকালৰ আগমনিৰ লগে লগে লোকে লোকাৰণ্য হৈ পৰিল। ষ্টকেনবাৰ্গ নামে ঠাই এখনত ক্ৰুছবি পৰিয়ালে ইংলণ্ডৰপৰা ঘৰবাৰী সকলোকে এৰি আহি বসতি কৰিছেহি—প্ৰায় দুবছৰ কাল।

ক্রছবি পৰিয়ালৰ ভিতৰত—মিঃ ক্রছবি, ক্রছবি-দম্পতী, হেলেনা নামৰ ১৬/১৭ বছৰীয়া গাভৰু জীয়েক এজনী আৰু হেলেনাৰ বাবে বৰ্তমান শিক্ষয়িত্রী এজনী, নাম—মেডাম ভাইন।

—মেডাম ভাইন?

এৱেঁই ভূতপূৰ্ব কাৰ্লাইল দম্পতী লেডী ইছাবেল ভেন নহয়নে! কিন্তু কি কাৰণে তেওঁৰ এনেকুৱা চিনিব নোৱাৰা আচৰিত পৰিবৰ্তন! হ'বৰে কথা। ৰেলৰে দুৰ্ঘটনাই তেওঁৰ সেই দুৰ্দশা কৰিলে। যি বাকী থাকিল অতীত জীৱনৰ শোক আৰু অনুতাপে তাকো পূৰ কৰিলে। তেওঁ খোজ কাঢ়োতে অলপ লেকেচিয়ায় আৰু কুঁজা পৰে। ওঁঠৰ তলৰপৰা কাণৰ ওচৰলৈ দীঘলীয়াকৈ ক'লা দাগ এটাই তেওঁৰ মুখৰ আকৃতিকে নষ্ট কৰি পেলালে। তাতে আৰু দুই-চাৰিটা দাঁতো সৰি পৰিল, কথা কওঁতে মুখখন টিপা মাৰি ধৰে। গাভৰু কালৰ শুৱনি ক'লা চুলিটাৰ একেবাৰে ৰূপ যেন বগা হ'ল। লেডী ইছাবেল বুলি মানুঁহজনীক চিনিবলৈ কোনো চিন-চাব নাথাকিল। ইমানতো সন্তুষ্ট নহৈ যাতে কোনো মিতিৰ-কুটুম, আত্মীয়-স্বজনে কোনো কালে, এনেকি মিঃ কাৰ্লাইলেও তেওঁক চিনিব নোৱাৰে তাৰ বাবে তেওঁ নিজে আকৌ কৃত্রিম ছদ্মবেশ ল'লে—কপাললৈকে ঢাক খোৱাকৈ এটা ক'লা টুপি পিন্ধিলে; চকুত সেউজীয়া বৰণৰ এযোৰ বিতচকু লগালে; সমস্ত শৰীৰ ঢাকি এটা হলৌ চোলা পিন্ধিলে। বৰ্তমান মেডাম ভাইন আৰু লাহ-বিলাহৰ ৰাণী লেডী ইছাবেলৰ মাজত আকাশ-পাতাল প্রভেদ হৈ উঠিল। ছদ্মবেশিনী মেডাম ভাইনক লেডী ইছাবেল বুলি জানে কোনে? চিনে কোনে?

ক্রছবি পৰিয়ালৰ লগত থাকিবৰ মেডাম ভাইনৰ দুবছৰ হ'ল। ৰেলৰে দুৰ্ঘটনাৰ পাছত যেতিয়া তেওঁ ভাল হ'ল, তেতিয়া ষ্টফেনবাৰ্গত কিছুদিন ইফাল-সিফালকৈ ঘূৰি ফুৰি ক্রছবি পৰিয়ালৰ ঘৰত মিছ হেলেনাৰ শিক্ষয়িত্রীৰূপে সোমালগৈ। তেওঁলোকৰ আগত পৰিচয় দিলে তেওঁ ইংৰাজ জীয়াৰী—কিন্তু এজন ফৰাছী ভদ্রলোকৰ বিধৱা। সি যি কি নহ'ক তেওঁ অতি সোনকালে ক্রছবি পৰিয়ালৰ আদৰ সম্মানৰ পাত্রী হৈ উঠিল। তেওঁক যে কোনো বন্ধু-বান্ধৱে চিনি নাপায় সিও প্রমাণ হ'ল; সেই নিমিত্তে এতিয়া তেওঁ নিৰ্ভয়ে চলা-ফুৰা কৰিব পৰা হ'ল।

কিন্তু এতিয়া তেওঁৰ মানসিক অৱস্থা? তেওঁৰ অলীক কল্পনা, আন্তৰিক হা-হুতাশ, নিৰৱচ্ছিন্ন দুৰাকাঙ্ক্ষা বৰ্ণনাৰ অতীত! কিহৰ বাবে? নিজৰ ল'ৰাছোৱালী পোনাকিটিৰ বাবে। ৰজাৰ ৰাণীয়েই হওক বা ফল-ফুল বেচোঁতা পোহাৰীয়েই হওক, তিৰোতা মাত্রেই ল'ৰাছোৱালীৰপৰা আঁতৰত থাকিলে কেনেকুৱা কষ্টবোধ কৰে তেওঁ নিজেহে জানে, আন কোনে বুজিব? পোৱাঁতীয়েহে বুজে পোৱাঁতীৰ বেদনা। তেওঁ সুখ

সাগৰত ভাহি ফুৰিব পাৰে দুদিনৰ বাবে, কিন্তু নিজৰ পোনাকিটিৰ মুখকেইখন দেখিবলৈ, সিহঁতৰ আধা ভগা ঠানাক্ ঠুনুক্ মাত এবাৰ শুনিবলৈ, সিহঁতৰ আকলুৱা চুমাৰ পৰশ পাবলৈ নিভৃত অন্তৰত আশা মৰীচিকা জ্বলি থাকে। যিমান দিন পলম হয় সিমানে অন্তৰত আকুল হেন্দোলনি জাগি উঠে। মেডাম ভাইন ওৰফে লেডী ইছাবেলৰো সেয়ে হ'ল। তেওঁ ল'ৰাছোৱালীহঁতৰ বাবে সঁচাকৈয়ে পগলা আছিল। সিহঁতৰ সুখ-শান্তি তেওঁৰ জীৱনৰ বন্তিগছ হৈ উঠিছিল। এনে স্থলত সিহঁতক কোন সতেৰে পৰৰ হাতত সপি দিছে? অপৰিচিতজনৰদ্বাৰা সিহঁতক শিক্ষা-দীক্ষা দিয়ে কেনেকৈ? কোনে সিহঁতক সজ শিক্ষা দিব? মেডাম ভাইন বাউলী হৈ উঠিল।

তাতে আকৌ জুইতে ঘিউৰ ছিটনি। ৰেষ্ট লিনৰ লাটিমাৰ নামৰ মহিলা এগৰাকীয়েও সেই সময়ত ষ্টকেনবাৰ্গত ক্ৰছবি পৰিয়ালৰ বাহৰৰ ওচৰতে বাহৰ লৈছিলহি। তেওঁৰ লগত এফি হেলিজন ফুৰিবলৈ আহিছিল। ক্ৰছবি দম্পতী আৰু লাটিমাৰ দম্পতী দুয়ো পৰম বন্ধু—দুয়োৰো মাজত আহ-যাহ আৰু বৰ সম্ভাৱ আছিল।

যিদিনা মিছ হেলেনাৰ বিয়াৰ দিন ধাৰ্য্য হ'ল আৰু হেলেনাৰ বিয়াৰ লগে লগে আৱশ্যক নোহোৱাত মেডাম ভাইনকো বিদায় দিবৰ ঠিক হ'ল, সিদিনাখন গধূলি মেডাম ভাইন অকলে অকলে ওলাই গ'ল আৰু নঙলামুখতে ফুলনি এখনৰ মাজত আওহতীয়াকৈ পাতি থোৱা বেঞ্চি এখনত বহি আকাশ-পাতাল ভাবি থাকিলগৈ। অলপ পৰৰ পাছতে এফিও ফুৰিবলৈ আহি সেইখিনি পালেহি। নিলাজী এফিয়ে বহু দিনৰ চিনা-জনা ঘনিষ্ঠতা থকা মানুহজনীৰ দৰে মেডাম ভাইনক নমস্কাৰ জনালেগৈ আৰু নিজে নিজে অযাচিতভাৱে কৈ গ'ল—মোক আপুনি চিনি নাপায় হ'বলা? মই মিছেছ লাটিমাৰৰ লগত আহিছোঁ। মই এনেকৈ তেওঁৰ লগতে ফুৰি ফুৰিছোঁ—অলপতে আমি ৰেষ্ট লিনতো মাহচেৰেক প্ৰবাস খাটি আহিছোঁ। ৰেষ্ট লিনৰ নাম শুনি মেডাম ভাইনৰ বুকুখন ধপছ ধপছকৈ কঁপি উঠিল। কঁপি কঁপি সুধিলে,—ইষ্ট লিন জানানে?

—নিশ্চয় জানো। তাত মোৰ বাইদেউ জেছি, মিঃ কাৰ্লাইলৰ ঘৰত গৈ হাত লিগিৰী হৈ আছে। কেলেই আপুনি ইষ্ট লিন জানে নেকি?

মেডাম ভাইনে ক'লে,—তাৰ ওচৰ-চুবুৰীত কিছু দিন আছিলোঁ।—কাৰ্লাইল পৰিয়ালৰ কথা জানো। বৰ সুখৰ ঘৰ। তেওঁলোকৰ বিষয়ে শুনিবলৈ ইচ্ছা হয়।

—হয় মেডাম, বৰ সুখৰ ঘৰ আছিল। কিন্তু পোৰাকপালী লেডী ইছাবেলে মিঃ কাৰ্লাইলৰ সোণৰ সংসাৰ ছাৰখাৰ কৰি গ'ল। তেওঁ নিজেও মৰিল, আনকো মাৰিলে। মেডাম, জানেনে ইছাবেলে কাৰ্লাইলৰ নিচিনা মহানুভৱ পুৰুষ স্বামী, নিজৰ ল'ৰা-ছোৱালী, ঘৰ-বাৰী সকলোকে এৰি কোনোবা দুষ্ট লম্পটৰ লগত পলাই গৈছে?

ভাইনে হমুনিয়াহ এৰি সুধিলে—ল'ৰাছোৱালীকেইটি জীয়াই আছেনে?

—এৰা আছে, এজন মৰিবলৈ ওলাইছে।

ভাইনৰ অন্তৰেদি বিজুলী প্ৰবাহ বৈ গ'ল, বুকুখন কঁপিবলৈ ধৰিলে, চকু চলচলীয়া হ'ল।—সুধিলে,—কোনজনৰ?

—ডাঙৰজন ল'ৰা—উইলিয়ামৰ।

—বাকী দুজনৰ অৱস্থা কেনে?

—লুছি ভালে আছে। মিং কাৰ্লাইলে ছোৱালীজনীৰ নাম মাক পলোৱা দেখি 'ইছাবেল' গুচাই 'লুছি' দিছে। মাষ্টাৰ আৰ্কি—আজিকালি লৰি-ঢাপৰি ফুৰে, বৰ সুন্দৰ নোদোকা ল'ৰাটো।

—তোমাৰ নামটো শুনা শুনা যেন লাগে।

—পিতাৰ হত্যাকাণ্ডৰ কথা শুনিছেনে?

—অলপ শুনা যেন মনত পৰে।

—পিতাক হত্যা কৰিলে—বেষ্ট লিনৰ সেই জাষ্টিছ হেয়াৰৰ পুতেক ৰিচাৰ্ডে। সেইদিনাৰপৰা মই অনাই বনাই ফুৰি ফুৰিছোঁ।

—কেলেই, তুমি ৰিচাৰ্ডৰ লগত পলাই যোৱা নাছিলানে?

—নাই যোৱা মেডাম্, নাই। কিন্তু মিং কাৰ্লাইলৰ বাহিৰে আটায়ে মোক ৰিচাৰ্ডৰ লগত পলাই যোৱা বুলি ভাবিছে।

—মিছ কৰ্ণিক জানানে, তেওঁ আজিকালিও তাতেই আছেনে?

—জানো। তেওঁ তাত কেনেকৈ থাকিব? আনিলেই মিছেছ কাৰ্লাইলৰ লগত দন্দ-হাই কৰোঁতেই যাব।

মেডাম ভাইনৰ এটাই কেউডাল নাড়ীৰ তেজ বন্ধ হ'ল। নিজে নিজে ক'লে,— মিছেছ কাৰ্লাইল? কোন মিছেছ কাৰ্লাইল?

—কাৰ্লাইলৰ ঘৈণীয়েক—আৰু কোন হ'ব পাৰে?

—তেওঁ কাক বিয়া কৰালে? মিছ বাৰবাৰা হেয়াৰক?

—নহ'লে কাক হ'ব পাৰে। সেইবোৰ কথা শুনিবলৈ ভাল নালাগে, মেডাম। তেওঁলোকৰ ভিতৰত কত কি প্ৰণয় খেলা আগতে হৈছিল। তেওঁ জানো লেডী ইছাবেলৰ কথা ভাবিছিল? কিন্তু সেইবোৰ যি হওক লেডী ইছাবেল নমৰা হ'লে তেওঁ কেতিয়াও বিয়া নকৰিলেহেঁতেন। কতজনীৰ খবৰ আহিছিল—কিন্তু লেডী ইছাবেলৰ নিশ্চিত মৃত্যুৰ খবৰ পাইহে মিছ হেয়াৰক বিয়া কৰালে। এতিয়া এজন কেঁচুৱা ল'ৰাও।

—ল'ৰাও পাইছে?

—হয়। কিন্তু মিছেছ কার্লাইলৰ ল'ৰাৰ ফালে বেছি চকু নাই।

—তেওঁ আগৰ ল'ৰাছোৱালীহঁতক ভাল পায়নে?

—ভাল কৈছে, মেডাম! এইটোও সম্ভৱনে? সতিনীৰ ল'ৰাছোৱালীতো!

মেডাম ভাইনৰ অন্তৰ বিদীৰ্ণ হ'ল, শোকে খুন্দা মাৰি ধৰিলে। এফিয়ে কৈ গ'ল,—কিন্তু ল'ৰাছোৱালীহঁতৰ বাবে এজনী শিক্ষয়িত্ৰী ধাত্ৰী ৰাখি দিছে। ধাত্ৰীজনীও অলপতে বিয়া সোমাবগৈ—সকলো ঠিক হৈছে। মিঃ কাৰ্লাইলে এজনী ভাল শিক্ষিতা নতুন ধাই বিচাৰিছে।

মেডাম ভাইনে অস্থিৰ হৈ উঠি যাবলৈ ওলাল। এফিয়েও নমস্কাৰ জনাই নিজৰ ঠাইলৈ গুচি গ'লগৈ। মেডাম ভাইন ভিতৰলৈ গৈ শোৱাপাটীত পৰিলগৈ—ৰাতি টোপনি নাহিল, শোৱাপাটীত ছটফটাই বাগৰি থাকিল। ল'ৰাছোৱালীহঁতৰ কথা নিজৰ কৰ্মফল অদৃষ্টফল বুলি ভাবি থাকোঁতে ৰাতি পুৱাল। গালৈ জ্বৰ আহিল, প্ৰলাপ আৰম্ভ হ'ল।

ৰাতিপুৱা ৮/৯ বজাত ক্ৰছবি দম্পতী আহি মেডাম ভাইনক পাওনাপাতি হিচাপ কৰি দি বিদায়ৰ কথা-বতৰা হ'ল। লাটিমাৰ দম্পতী ভিতৰলৈ আহি তেওঁলোকৰ কথাবাৰ্তা শুনি এই প্ৰস্তাৱ কৰিলে যে মেডাম ভাইন ইংলণ্ডলৈ যাব লাগে। তাত কাৰ্লাইল নামৰ উকীল এজনৰ ঘৰত শিক্ষয়িত্ৰী আৰু ধাই কাম কৰিব লাগিব। বেতন মাহে ১০০ এশ পাউণ্ড। তেওঁলোক ইষ্ট লিন নামে বৰ সুন্দৰ ঠাই এখনত থাকে। তেওঁ তাত বৰ সুখেৰে থাকিব পাৰিব। ছোৱালী এজনীক পঢ়াব লাগে আৰু ল'ৰা এজনক চাব লাগে।

সেই কাৰ্লাইল পৰিয়াল! সেই হাবিলাসৰ নন্দন কাননতুল্য ইষ্ট লিন। সেই ঘৰতে নিজৰ ল'ৰাছোৱালীহঁতৰ শিক্ষয়িত্ৰী-ধাত্ৰী! ইছাবেলৰ উশাহ বন্ধ হ'ল। লাটিমাৰ দম্পতীয়ে কৈ গ'ল,—তেওঁলোকৰ আগৰ ধাইজনী গ'লগৈ। তেওঁলোকক যেনেকুৱা মানুহ লাগে, তুমি সৰ্বতোভাৱে উপযুক্তা হ'বা। এতেকে মোৰ বোধেৰে তুমি যেনে-তেনে তালৈ গৈ কামটো কৰাই ভাল। তোমাৰ মতামত কি?

তেওঁ আৰু কি ক'ব? তেওঁৰ মূৰ ঘূৰিবলৈ ধৰিলে।

—যোৱা হ'ব বুলি লিখিমনে?

—মোক অলপ সময় দিয়ক—ভাবিচিন্তি কাইলৈ ৰাতিপুৱা উত্তৰ জনাম।

শোৱাপাটীত পৰি মেডাম ভাইনৰ টোপনি নাহিল, ভাৱনা সাগৰত ভাহি ফুৰিবলৈ লাগিল। এবাৰ ভাবিলে,—যাওঁগৈ, কপালত যি আছে সেয়ে হ'ব। তাৰ পাছ মুহূৰ্ততে ভাবিলে,—নাই, আশা এৰি দিওঁ, ইয়াৰপৰা পলোৱা ভাল। তাৰ পাছতে

আকৌ ভাবিলে,—ঈশ্বৰে এই সোণালী সুযোগ দিছে—নিজৰ ল'ৰাছোৱালীহঁতক এনে অৱস্থাত চাবলৈ—জীৱনৰ চিৰ আকাঙ্ক্ষা। তেতিয়া কোনোবাই যেন কাণৰ ওচৰত ফুচফুচাই কৈ গ'ল,—উস্ নাযাবা—বৰ টান কাম, সৰ্বনাশ হ'ব পাৰে। আকৌ এবাৰ চিন্তাৰ সোঁত বৈ গ'ল—মিঃ কাৰ্লাইলক আন এজনীৰ চেনেহৰ গিৰীয়েক হোৱা কেনেকৈ সহি থাকিম? তেওঁলোকৰ চকুৰ আগতে একে ঘৰতে? কাৰ্লাইলৰ আকলুৱা চকুৰ চাৱনি, অন্তৰভৰা প্ৰেমমন্দাকিনী আন এজনীৰ ওপৰত পৰা মই নিজ চকুৰে কোন সতে চাই থাকিম? বাস্তৱিক বৰ টান কাম! কিন্তু মেডাম ভাইনে প্ৰতিজ্ঞা কৰিলে,—সকলো নিৰ্য্যাতন অকাতৰে সহিম, মৃত্যু পৰ্য্যন্ত নিজৰ ল'ৰাছোৱালীহঁতৰ বাবে। মেডাম ভাইনে সংযম শিক্ষা কৰিছিল; তেওঁ শেষত মনক দমালে।

দুষ্ট মনৰ কথামতে নাথাকি নিজৰ জীৱন পণ ৰাখি সেই হাবিলাসৰ ইষ্ট লিনলৈ—মিঃ কাৰ্লাইলৰ ঘৰলৈ যোৱাটোকে ঠিক কৰিলে। সেই ঘৰ, সেই সোণৰ সংসাৰ তেওঁ এদিন ভৰিৰে নেওচি, হৃদয়দেৱতা কাৰ্লাইল হেন পুৰুষৰ স্বামীত্ব অস্বীকাৰ কৰি, গিৰীয়েকৰ নামত স্বভাৱ-চৰিত্ৰত নেওচি-কেওচি, এতিয়া মৰমতে দহি পুৰি মৰা ল'ৰাছোৱালীহঁতকো দলিয়াই পেলাই দুষ্টৰ প্ৰতিমূৰ্তি লেভীছন লাঠুৰাৰ লগত পলাই যোৱা নাছিলনে?

লাটিমাৰ দম্পতীয়ে কাৰ্লাইলক বাতৰি জনালে। মেডাম ভাইনৰ আকৃতি-প্ৰকৃতি হুবহু জনালে। চিঠি পঢ়ি কাৰ্লাইল আৰু বাৰবাৰা গিৰীয়েক ঘৈণীয়েক দুয়ো হাঁহিলে। কাৰ্লাইলে ক'লে,—শিক্ষয়িত্ৰী ধাত্ৰীৰ ৰূপলৈ নাচাই গুণলৈ চোৱাই মঙ্গল। দুয়ো কোৱা মেলা কৰি মেডাম ভাইনক, লেডী ইছাবেলৰ ল'ৰাছোৱালীহঁতৰ শিক্ষয়িত্ৰী আৰু ধাই-মাকৰূপে নিযুক্ত কৰিলে। চিঠি গ'ল।

*

মেডাম ভাইনে চাকৰী পালে। পাপৰ পৰাচিত—লগে লগে মৰণৰ আগেয়ে চিতাখন নিজ হাতে সাজিলে। ৰাতি শোৱাপাটীত পৰি টোপনি নাহিল। ওৰে নিশা বহি বহি ইষ্ট লিনলৈ নিবলৈ বস্ত্ৰ-বেহানি ঠিক কৰিলে। আগৰ কোনো বস্তুৰে এনেকি কাকত এটুকুৰাৰো চিন মোকাম নাৰাখিলে। সাজ-পাৰ আদি এনেভাৱে ঠিক কৰি ল'লে যেন কোনোৱে, এনেকি মিঃ কাৰ্লাইলেও মেডাম ভাইনক এদিনৰ লেডী ইছাবেল বুলি কোনোৰূপে চিনিব বা সন্দেহ কৰিব নোৱাৰে। তেওঁ সম্পূৰ্ণ ভেশছন কৰিলে। চিঠি লিখিলে কাৰ্লাইল দম্পতী—বাৰবাৰালে। এদিন আছিল তেওঁ কাৰ্লাইলৰ অঙ্কশোভিনী,

আজি এজনী দীনা-হীনা সমাজৰ কলুষিতা—বান্দীৰূপে। য'ত এদিন বহি তেওঁ নিজে ৰাজ্য কৰিছিল, তাতেই আজি তেওঁ বান্দীৰূপে, তাতে আকৌ সকলো অনৰ্থৰ মূল বাৰবাৰা সতিনীৰ বান্দীৰূপে। মেডাম ভাইনৰ অন্তৰ দেই-পুৰি ছাই হ'ল। কিন্তু উপায়? উপায়—তেওঁ সকলো সহ্য কৰিব লাগিব। যি গুটি পচোৱা যায়, সি গছগছনি হ'বই, এদিন আৰু তাৰ ফল ভুগিবই লাগিব। চিঠিৰ ভিতৰত লিখা—'বাৰবাৰা কাৰ্লাইল' দস্তখতটোৰ ওপৰত চকুৰ পানী পৰি ভাহি গ'ল।

পাছদিনাখন ৰাতিপুৱা মেডাম ভাইন ইষ্ট লিনলৈ যাত্ৰা কৰিলে। যাত্ৰাৰ সময়ত লাটিমাৰ দম্পতীয়ে ক'লে,—কেনেকুৱা ল'ৰাছোৱালীৰ তত্ত্বাৱধান ল'বলৈ যাব ওলাইছা জানাতো? তুমি সিহঁতৰ আগত কেতিয়াও সিহঁতৰ মাক নাই বা পলাই গৈছে ইত্যাদি কোনো কথা নুলিয়াবা। মেডাম ভাইনে হুমুনিয়াহ্ ছাৰি উত্তৰ কৰিলে,—ভাল, সেয়ে হ'ব।

—যিজনী মাকে সিহঁতক অনাথা কৰি মুখত কলঙ্কৰ ছাই সানি এৰি গ'ল, তেনেজনী মাকৰ কথা ল'ৰাছোৱালীহঁতৰ আগত নুলিওৱা ভাল। মিঃ কাৰ্লাইলে সেইবোৰ ভাল নাপায়। তেওঁৰ একান্ত ইচ্ছা—সিহঁতে বাৰবাৰাকে যেন নিজৰ মাক যেন ভাবে আৰু দেখেও।

মেডাম ভাইনে সকলো কথাতে ব্যথিত অন্তৰেৰে সন্মতি জনাই যাত্ৰা কৰিলে।

২১

সন্ধিয়া বেলিকা। আকাশ মেঘেৰে ঢাক খাই আছে। আন্ধাৰ ক্ৰমে গাঢ়তৰ হৈ আহিবলৈ ধৰিছে। ইষ্ট লিনত মিঃ কাৰ্লাইলৰ নঙলাত দুয়োফালে দুজন প্ৰহৰী পদূলিত পৰ দি আছে। ওপৰত বিজুলী চাকি জ্বলি আছে। ওপৰতলাৰ খটখটীৰ ওপৰৰপৰা বিজুলী চাকি এটাই পদূলিমুখলৈ আঙুলিয়াই ফুলনিৰ মাজে মাজে বাটটো ফটফটীয়া পোহৰ কৰি থৈছে। সুন্দৰ অট্টালিকাৰ প্ৰত্যেক খোটালিতে একোটা বিজুলী চাকি—কি সুন্দৰ

মনোৰম দৃশ্য—চাই থাক চাই থাক কৰে। দুই প্ৰহৰীৰ মাজত পদূলিৰ তলত থিয় দি এজনী ভদ্ৰমহিলাই সুধিলেহি,—কাৰ্লাইল দম্পতী ঘৰত আছেনে?—সিহঁতে মূৰ দোঁৱাই ক'লে,—হয় মেডাম, আছে।

হাতলিগিৰী জেছি ওলাই আহি,—মেডাম ভাইন, আহক—বুলি আথে-বেথে আগে আগে বাট দেখুৱাই দি ঘৰৰ ফালে খোজ ল'লে। মেডাম ভাইনে ঘৰৰ ফালে মুখকৈ থিয় দি চাই দীঘলকৈ হুমুনিয়াহ এটা কাঢ়িলে। তাৰ পাছত তললৈ মূৰ কৰি—লেডী ইছাবেলে, দহ বছৰ আগেয়ে যি ঘৰ নেওচি কেওচি যি বাটেৰে ওলাই গৈছিল, সেই একে বাটেৰে ভগ্ন শৰীৰ, ভগ্ন হৃদয়, ব্যথিত অন্তৰেৰে মেডাম ভাইন বেশ ধৰি শেষ শয়নৰ ঠাই বিচাৰি আহিল—জেছিৰ পিছে পিছে খোজ ল'লে।

মেডাম ভাইনে কঁপা ভৰিৰে পূৰ্বৰ নিজৰ মনোমোহা শোৱনি ঘৰ, সাজ-ঘৰ আদি প্ৰত্যেক ঘৰৰ ভিতৰলৈ চাই ব্যথিত অন্তৰেৰে হা-হুতাশৰ হুমুনিয়াহ পেলাই ধৈৰ্য্য ধৰি চকুলো টুকি টুকি জেছিৰ পিছে পিছে তেওঁৰ নিমিত্তে সজাই থোৱা শোৱনি ঘৰত উপস্থিত হ'লগৈ। জেছিয়ে তেওঁক বহিব-মেলিবলৈ দি বস্ত্ৰ-বেহানিবোৰ গত লগাই থ'লে আৰু সুধিলে,—এতিয়া মেডাম, আপোনাৰ খোৱা-লোৱা বিষয়ে—আপুনি কি খাব?

মেডাম ভাইনৰ ভাৱনাৰে পেট পূৰ হৈ আছে—কি খাব? তথাপি ভদ্ৰতাৰ খাতিৰত ক'লে,—অলপ চাহ-জলপান হ'লেই হ'ব।

জেছি ওলাই গ'ল। মেডাম ভাইনে চকীৰপৰা গা নৌ তোলোঁতেই দুৱাৰ মেলি জেছি আকৌ সোমালহি আৰু সুধিলে,—আপুনি তললৈ নামি যাবলৈ বাট চিনি পাবনে, মেডাম?

—বাৰু পাম।

মেডাম ভাইনে বাট চিনি নাপাব! যি ঘৰত মাতৃগৰ্ভৰপৰা ভূমিষ্ঠ হৈছিল, যি ঘৰত কেঁচুৱাটিৰপৰা পাটগাভৰু কাললৈ ডাঙৰ-দীঘল হৈছিল, যি ঘৰত কাৰ্লাইলৰ নিচিনা পুৰুষৰ সঙ্গত সংসাৰ কৰিছিল, যি ঘৰৰপৰা সিদিনা মাথোন হিংসাদ্বেষৰ তাড়নাত ওলাই গৈছিল, সেই ঘৰত তেওঁ বাট চিনি নাপাব! জেছি ওলাই গ'ল। তেওঁ কাপোৰ-কানি সলালে। প্ৰকৃতি দেৱীয়ে পাপৰ প্ৰায়শ্চিত্তৰ চিন স্বৰূপে তেওঁৰ আকৃতি সলাই দিছে; যি অলপ ভয় আছিল কৃত্ৰিম ছদ্মবেশ ধৰি তাৰো ভিকাচন মাৰিছে; তথাপি অৰণ্যত বাঘ নহ'লেও মনত ভয়। জানোচা কোনোবাই চিনি পায়। ভগ্নহৃদয় ব্যথিত অন্তৰ লৈ শেষ শয্যাৰ ওচৰত তেওঁ আঁঠু কাঢ়ি বহিল। পাপৰ পৰাচিত হ'বলৈ নিজৰ চিতা নিজে সাজি চিতাত প্ৰৱেশ কৰিব পৰা মনত বল পাবৰ আশাৰে তেওঁ

ভগৱানৰ ওচৰত কৰপুটে প্ৰাৰ্থনা জনালে। কঠোৰ পৰীক্ষা দিবৰ নিমিত্তে লেডী ইছাবেল সাজু হ'ল।

অলপ বেলিৰ মূৰতে চাহ-জলপান সাজু হোৱা বুলি খবৰ আহিল। চাহমেজৰ ওচৰলৈ গৈ দেখে যে তেওঁৰ পুৰণি কালৰ সকলো সাঁজ-সঁজুলি সেই একে অৱস্থাতে আছে। দুটামান হুমুনিয়াহ কাঢ়ি চকুলো টুকি টুকি জা-জলপান কিছু খালে। কেইমিনিটমানৰ অলপ পাছতে খবৰ আহিল মিছেছ কাৰ্লাইল আইদেৱে তেওঁক দেখা কৰিবলৈ ইচ্ছা কৰিছে। তেওঁ মেল চ'ৰালৈ যাবগৈ লাগে।

মেডাম ভাইনে চকুৰ আগত ধুঁৱলী-কুঁৱলী দেখিবলৈ ধৰিলে। কাৰ্লাইল দম্পতীৰ ওচৰলৈ যাবলৈ ইমান সোনকালে সময় হ'লনে? তেওঁ আত্মসংযমৰ বলেৰে শৰীৰত বল বান্ধি মেল চ'ৰালৈ খোজ ল'লে।

মনোৰম মেল চ'ৰা ঘৰ। চাৰিওবেৰ সুন্দৰ সুন্দৰ ছবিৰে সজোৱা। মাজতে সুন্দৰ চিক্‌চিকীয়া ঘূৰণীয়া মেজ, চাৰিওফালে পাঁচ-ছখন চকী, ওপৰত বিজুলী চাকি। তাৰ তলত কাৰ্লাইল দম্পতী—বাৰবাৰা সতিনী সগৰ্বে বহি আছে। যি ঠাইত এদিন তেওঁ পদুম পাহিটি যেন হৈ শোভা পাইছিল, যাৰ চকুৰ পচাৰতে আ‍ আঙুলিৰ সঙ্কেততে লগুৱা-লিগিৰী আটায়ে কলৰ পুতুলাৰ দৰে চলিছিল, সেই ঘৰত, সেই আসনত আজি বাৰবাৰা সতিনীয়ে মিং কাৰ্লাইলৰ হৃদয় শোভা কৰিছেহি। ইছাবেলে কোন সতেৰে প্ৰাণ ধৰে!

পিটাৰে জান দি ক'লে,—মেডাম ভাইন আইদেউ। বাৰবাৰাই চকীৰপৰা উঠি হাতখন আগ বঢ়াই দি ক'লে,—বোধকৰোঁ ইমান দূৰ বাট আহি বৰ ভাগৰ লাগিছে। ভাইনে মুখৰ ভিতৰতে কিবা-কিবি ক'লে আৰু চকীখন যিমান পৰা যায়, আন্ধাৰৰ ফালে সিমান টানি দি বহি পৰিল। বাৰবাৰাই আকৌ ক'লে,—আপোনাক বৰ খীণোৱা যেন দেখি; কিবা অসুখ-পাতি হৈছিল চাগৈ।

—নাই, একো হোৱা নাই; মোৰ স্বাস্থ্য আগৰপৰাই এনেকুৱা। আজি অৱশ্যে অলপ ভাগৰ লাগিছে।

—তেনেহ'লে কাইলৈ ৰাতিপুৱাই কথা-বতৰা হ'ম; আপুনি এতিয়া শোৱকগৈ।

ভাইনে ভাবিলে—প্ৰথম দেখা-সাক্ষাৎ, কথা-বতৰা ৰাতিৰ পোহৰত হ'লেই মঙ্গলজনক; দিনৰ পোহৰত নানা ৰকম বাধা-বিঘিনি হ'ব পাৰে। তেওঁৰ সদায় ভয় জানোচা তেওঁৰ ভেশছন ধৰা পৰে। কাজেই তেওঁ বাৰবাৰাৰ প্ৰস্তাৱত মান্তি মহ'ল। ইছাবেলৰ মনৰ ভাব বুজি বাৰবাৰাই ক'লে,—আপোনাৰ মুখ একেবাৰে শেঁতা পৰি গৈছে। জানোচা কিবা অসুখ-বিসুখ হয়?

—নাই, নহয়, মোৰ চেহেৰা সাধাৰণতে এনেকুৱাই—মোৰ স্বাস্থ্য ভালেই; প্ৰায়ে অসুখ-বিসুখ নহয়। ইছাবেল আৰু বাৰবাৰা—দুয়ো সতিনীৰ কথা আৰম্ভ হ'ল। বাৰবাৰাই মেডাম ভাইনৰ গিৰীয়েকৰ কথা, ল'ৰাছোৱালীৰ কথা, তেওঁৰ দুৰ্ভাগ্যৰ কথা আদি কৰি সকলো পিটিকি পিটিকি সুধিলে। তাৰ পাছতে তেওঁৰ হাতত যে শোধাই দিব খুজিছে সেই ল'ৰাছোৱালীহঁতৰ কথা পাতিলে। বাৰবাৰাই ক'লে,— বোধহয় মিছেছ লাটিমাৰে আপোনাক কৈছে যে এই ল'ৰাছোৱালীহঁত মোৰ নহয়। মিঃ কাৰ্লাইলৰ প্ৰথমজনী ঘৈণীয়েকৰ।

—কাজেই মিঃ কাৰ্লাইলৰ।

—নিশ্চয়। সিহঁতৰ, বিশেষকৈ ছোৱালীজনীৰ ভৱিষ্যৎ বৰ দুখ লগা। কাৰণ সিহঁতৰ মাকজনীয়ে সিহঁতক এৰি থৈ গৈছে, সেইটো বৰ আচৰিত ঘটনা।

মেডাম ভাইনে কথাৰ সুৰ আনপিনে ঢাল খুৱাবলৈ ভাবি ক'লে—তেওঁ মৰিছে নহয়নে?

কিন্তু বাৰবাৰাই নুশুনা ভাও জুৰি কৈ গ'ল, কাৰ্লাইলে ভূতপূৰ্ব লৰ্ড মাউণ্ট চেভাৰ্ণৰ জীয়েক-লেডী ইছাবেলক বিয়া কৰাইছিল। তেওঁ বৰ দীপ্‌-লিপ সুন্দৰী আছিল। কিন্তু মোৰ মনেৰে তেওঁ তেওঁৰ গিৰীয়েকক ভাল নাপাইছিল। নহ'লে তেওঁ এজন লম্পট ডেকাৰ লগত পলাই নগ'লহেঁতেন।

—এৰা, বৰ দুখ লগা কথা—বুলি কৈ মেডাম ভাইনে বাৰবাৰাৰ কথাতে হয়ভৰ দিলে।

—কেৱল দুখ লগাই নহয়; ই তেনেই লাজ লগা আৰু কুযশ কলঙ্কৰ কথা। কাৰ্লাইলৰ দৰে মহানুভৱ পুৰুষ এজনে এনেকুৱা অপমান পাব নালাগিছিল। যেতিয়া আপুনি তেওঁৰ বিষয় জানিব, শুনিব, তেতিয়া আপুনিও বুজিব কাৰ্লাইল কেনে সৰল প্ৰকৃতিৰ আৰ্হি পুৰুষ। লেডী ইছাবেলে যে তেনেকৈ এজন পৰপুৰুষত মন-প্ৰাণ সপিছিল সেই কথা আন নালাগে নিজৰ গিৰীয়েক কাৰ্লাইলেও ঘুণাক্ষৰে নাজানিছিল বা সন্দেহ নকৰিছিল। তেওঁ কাৰ্লাইলৰ নিচিনা পুৰুষ এজনক ত্যাগ কৰি সেই লম্পট ডেকা লেভীছনৰ লগত কেনেকৈ পলাই গ'ল। ছিঃ। ছিঃ।

মেডাম ভাইনে কথা শুনি বিতচকুযোৰ ভালকৈ ঠিককৈ ল'লে। বাৰবাৰাই আকৌ কৈ গ'ল—সেই কলঙ্ক বিশেষকৈ ল'ৰাছোৱালীহঁতৰ ওপৰত চিৰকাল থাকিব।

মেডাম ভাইনে মাজতে সুধিলে,—তেওঁৰ মৃত্যু হৈছে চাগে?

—এৰা, তেওঁৰ মৃত্যু হৈছে; কিন্তু এই কথা আপুনি কেতিয়াও

ল'ৰাছোৱালীহঁতৰ আগত নুলিয়াব। কাৰ্লাইলৰো সেয়ে ইচ্ছা। সিহঁতে যিমান সোনকালে সেই কলঙ্কিণী মাকক পাহৰে, সিমানেই মঙ্গল।

—ল'ৰাছোৱালীহঁত কাৰ লগত থাকে?

—সম্প্ৰতি মোৰ লগতে আছে, কিন্তু মই বৰ আমনি পাইছোঁ আৰু নিজৰ পুতুলা এটি পাইছোঁ যেতিয়া আগৰকেইজনক চম্ভালিব নোৱাৰোঁ একেলগে। মই অহাৰ আগতে সিহঁতৰ বাবে এজনী ধাই ৰখা হৈছিল; তাইৰ হাততে সিহঁতৰ খোৱা-লোৱা, থকা-মেলা, ফুৰা-চকা, লিখা-পঢ়া শিকা সকলো ভাৰ আছিল আৰু তাই সেই কাম খুব সুচাৰুৰূপে কৰিছিল। কিন্তু তাই অলপতে ওলাই গৈ এজনৰ লগত বিয়া সোমালগৈ। এতিয়া আপুনি সিহঁতৰ সকলো বিষয়ৰে ভাৰ ল'ব লাগিব আৰু সকলো কাম চাব লাগিব।

—বাৰু সিহঁতৰ স্বাস্থ্য কেনে, ভালনে?

—খুব ভাল। কিন্তু সম্প্ৰতি ডাঙৰজন ল'ৰা উইলিয়ামৰ অলপ অসুখ, ৰাতি আৰু ৰাতিপুৱা অলপ অলপ কাহ আহে। সিও সোনকালে আৰোগ্য হ'ব, পানী লাগি অলপ জ্বৰ কাহ হৈছে।

—কোনো ক্ষয়ৰোগ বা বেয়া বেমাৰ বুলি সন্দেহ কৰা নাইতো?

—নাই, নহয়। কাৰণ সিহঁতৰ মাক-বাপেকৰপৰা তেনে কোনো আপচু বেমাৰ আহিবৰ শঙ্কা নাই। সিহঁতৰ মাকজনী গাভৰু বয়সতে ঢুকাইছে আৰু সিও কোনো বেমাৰ আদিত নহয়—আকস্মিক দুৰ্ঘটনাত পৰি মৰিছে। সেই বিষয়ে একো ভাবিব নালাগে।

অলপ বেলিৰ মূৰত বাৰবাৰাই আকৌ সুধিলে—মেডাম, এটা কথা সোধোঁ, কাৰণ ইমানবোৰ কথা চিঠিৰে জনাজনি হোৱা টান। মিছেছ লাটিমাৰে লিখিছিল যে আপুনি সদবংশজাত আৰু প্ৰতিপালিতা। এইবোৰ কথা সোধা বাবে বেজাৰ নাপাব, কাৰণ এয়ে আমালোকৰ প্ৰথম দেখা সাক্ষাৎ।

—মই উচ্চ সদবংশত উপজিছিলোঁ আৰু তেনেকৈ ডাঙৰ-দীঘলো হৈছিলোঁ। কিন্তু অৱস্থাই আজি এনে কৰিলে।—বুলি কৈ ভাইনে হুমুনিয়াহ এটা পেলালে।

—নিশ্চয়, নিশ্চয়। আপোনাৰ কথা-বতৰা, ব্যৱহাৰ প্ৰণালী আৰু শৰীৰৰ অৱয়ব আদিৰপৰাই জানিব পাৰি যে আপুনি সদবংশজাত এজনী ভদ্ৰমহিলা। কি কৰিব, মেডাম! অৱস্থাই সকলোকে কৰে। আজি পৃথিৱীৰ গৰাকী চক্ৰৱৰ্তী ৰজা, অৱস্থাৰ গুণে দুদিন পাছত বাটৰ ভিকহু হ'ব পাৰে। আকৌ বাটৰ ভিকহুও অৱস্থাৰ গুণত পৃথিৱীৰ গৰাকী একচ্ছত্ৰী ৰজা হ'ব পাৰে। ই একো আচৰিত কথা নহয়। মানুহৰ

দুখ-সুখ সদাই লাগি আছে। আপুনি কোনোবাদিনা এনেকৈ ধাত্রী কাম কৰিব লাগিব বুলি ভাবিছিলনে?

মেডাম ভাইনৰ ওঁঠত হাঁহিৰ বিৰিঙনি জিলিকি উঠিল। লৰ্ড মাউণ্ট চেভাৰ্ণৰ একমাত্ৰ আদৰুৱা জীয়েক, লাহ্-বিলাহৰ ৰাণী লেডী ইছাবেল তেনে ধাত্ৰী কাম কৰিব!

—অ' নহয়, কেতিয়াও নহয়—বুলি মেডাম ভাইনে উত্তৰ দিলে।

এনেতে এজনী লিগিৰীয়ে বাৰবাৰাৰ কেঁচুৱা ল'ৰাটি আকৌ মাকৰ কোলাতে সুমুৱাই দি গ'লহি। মাকে কেঁচুৱাটিক জা-জলপান খুৱালে আৰু তাক নচুৱাই নচুৱাই মেডাম ভাইনৰ লগত নানা কথা আৰম্ভ কৰিলে। এদিনাখন সেই চকীখনত বহি আঁঠুৰ ওপৰত কেঁচুৱা আৰ্কিক নচুৱাই নচুৱাই কাৰ্লাইল দম্পতী লেডী ইছাবেলেও হাঁহি-ধেমালি কৰিছিল; কিন্তু আজি? সেই স্থান আন এজনীয়ে—বাৰবাৰা সতিনীয়ে পূৰ কৰিছে! মেডাম ভাইনৰ অন্তৰ ফাটি গ'ল। তেওঁৰ চকু চলচলীয়া হ'ল, নিৰাশাৰ হা-হুমুনিয়াহ অন্তৰ ছুটি আহিল—তললৈ মূৰকৈ বহি থাকিল। বাৰবাৰাই কেঁচুৱাটিক নচুৱাই নচুৱাই মেডাম ভাইনৰ ওচৰ চাপি ক'লে,—এনেকুৱা মৰম লগা ল'ৰা কেতিয়াবা দেখিছেনে?

—বাস্তৱিকে বৰ সুন্দৰ বেথা-লগা ল'ৰাটি। কিন্তু ই আপোনাৰ নিচিনাতো হোৱা নাই।

—ই ঠিক বাপেকৰ নিচিনা হৈছে। আপুনি যেতিয়া মিঃ কাৰ্লাইলক দেখে...। কথা শেষ নকৰি বাৰবাৰাই বাহিৰৰ ফালে কাণ দিলে।

হতভাগিনী মেডাম ভাইনে সুধিলে,—বোধহয় মিঃ কাৰ্লাইল বৰ শুৱনি পুৰুষ?

বাৰবাৰাই হাঁহিভৰা মুখেৰে কৈ গ'ল—তেওঁ দেখিবলৈহে ধুনীয়া এনে নহয়, তেওঁ এজন সৰলচিতীয়া মহানুভব পুৰুষ। তেওঁক সকলোৱে ভাল পায়। কেবল এজনীয়ে তেওঁৰ গুণৰ আদৰ নকৰিলে—তেওঁক নুবুজিলে। সেইজন তেওঁৰ কলঙ্কিনী তিৰোতা—লেডী ইছাবেল। তেওঁ কেনেকৈ এনেহেন পুৰুষজনক অনাদৰ কৰি আন এজন পৰপুৰুষত মন দিছিল, তেওঁক পৰিত্যাগ কৰি পলাই গৈছিল, এই কথা যেয়ে শুনে সেয়ে কাণত হাত দিয়ে!—বাস্তৱিকে বৰ পৰিতাপৰ কথা।

কথা শুনি মেডাম ভাইনৰ অন্তৰ দুফাল হ'ল।

মিঃ কাৰ্লাইলৰ ঘোঁৰাগাড়ী পদূলিমুখত থামিলহি। কাৰ্লাইলৰ মাত শুনি মেডাম ভাইনৰ বুকুখন ধপছ ধপছকৈ কঁপি উঠিল। তাত তেওঁ কেনেকৈ বহি আছিল তেওঁ নিজে নাজানিছিল। বাৰবাৰাই কেঁচুৱাটি হাতৰ মাজত লৈ নচুৱাই নচুৱাই গিৰীয়েকৰ ওচৰ চাপিলগৈ। কাৰ্লাইল সোমাই আহিল। মেডাম ভাইন কাৰ্লাইলৰ চকুৰ আগত

পৰিল। কাৰ্লাইলে সেই ঘৰত কোনো নাছিল বুলি ভাবিছিল; সেইদেখি তেওঁ একে চাবেই বাৰবাৰাৰ ওচৰলৈ আহি মুখ নমাই যৈণীয়েকৰ গালত চপ্ চপ্‌কৈ চুমা খালে। মেডাম ভাইনৰ হিংসাকুৰীয়া চকু তেওঁলোকৰ ওচৰত পৰিল। বাৰবাৰায়ো উভতি কাৰ্লাইলক চুমা শোধালে। তাৰ পাছতে কাৰ্লাইলে কেঁচুৱাটিৰ গালত চুমা দিলে। মেডাম ভাইনে চকুৰে মুখে হাত দিলে। তেওঁৰ ভাগ্যত এয়ে আছিল? তেওঁ ইয়াৰেই ভাগ ল'ম বুলি প্ৰতিজ্ঞা কৰি আহিছে যেতিয়া, অকাতৰে সকলো সহিব লাগিব।

কাৰ্লাইল আগ বাঢ়ি আহিল। সমুখত মেডাম ভাইনক দেখি আচৰিত হ'ল। বাৰবাৰাই পৰিচয় দিলে,—মেডাম ভাইন—আৰ্কিবল্ড। তাকে শুনি কাৰ্লাইলে হাতখন আগ বঢ়াই দিলে; মেডাম ভাইনেও উপায়ান্তৰ নেদেখি কঁপা হাতখন কাৰ্লাইলৰ হাতৰ মাজত সুমুৱাই দিলে। কাৰ্লাইলে অলপো নাভাবিলে যে সেই হাতখনত তেওঁ হাজাৰ হাজাৰবাৰ চুমা খাইছিল, পৰশ কৰিছিল! এদিন কেছল মাৰ্লিঙৰ গীৰ্জাঘৰত সেই হাতখনত ধৰি জীৱন মৰণ শপথ খাইছিল! তেওঁ অলপো অনুভৱ নকৰিলে—কৰিব নোৱাৰিলে!

মেডাম ভাইনৰ গা কঁপি উঠিল, শৰীৰ অৱশ যেন লাগিল, থিৰেৰে থাকিব নোৱাৰি বহি পৰিল। মুখখন তেনেই শেঁতা পৰিল। তললৈ মুখ কৰিলে। চকুলোৰে বিতচকুযোৰ তিতি বুৰি গ'ল। কাৰ্লাইলে ভদ্ৰতা ৰক্ষা কৰি দুটা এটা কথা সুধিলে। মেডাম ভাইনে মূৰ নোতোলাকৈ দুটা এটা কথাৰ উত্তৰ দিলে; কিন্তু তেওঁৰ ফালে চকু মেলি নাচালে।

কাৰ্লাইল আৰু বাৰবাৰা দুয়োজনৰ মাজত নানা ৰকমৰ কথা-বতৰা হ'ল। বাৰবাৰাৰ বাপেক জাষ্টিছ হেয়াৰ লণ্ডনলৈ যাবগৈ। সেই সুযোগতে মাকক ইষ্ট লিনলৈ আনিব লাগে—তাৰো আলোচনা হ'ল।

মেডাম ভাইনৰ অসহ্য হ'ল। তেওঁ শুবলৈ যাবৰ নিমিত্তে উঠিল আৰু তেওঁলোকৰ অনুমতি ল'লে। সকলো ঘৰাঘৰি গ'ল।

শুবৰ সময়ত বাৰবাৰাই কাৰ্লাইলক সুধিলে,—তেওঁ সেই নীলবৰণীয়া বিতচকুযোৰ কিয় পিন্ধিছে? তেওঁৰ জানো চকু-জ্যোতি বেয়া হৈছে? বৰ আপচু দেখায়। কাৰ্লাইল তন্দ্ৰাভিভূত; লেডী ইছাবেলক তেওঁ সপোনত নে দিঠকত দেখিলে ঠিৰাং কৰিব পৰা নাছিল। তেওঁ সপোন দেখাৰ দৰে ক'লে, ...তেওঁক দেখি মোৰ মনত আন এজনীৰ কথা...।

—কাৰ কথা? বুলি বাৰবাৰাই টপৰাই প্ৰশ্ন কৰিলে।

—তেওঁৰ মুখখনি দেখি...।

—কাৰ কথানো মনত পৰে?

—থিৰাংকৈ ক'ব নোৱাৰোঁ।

পাছদিনাখন ৰাতিপুৱা—মেডাম ভাইন শোৱনি ঘৰৰ দুৱাৰডলিত থিয় হৈ ভাবিছে আৰু চাইছে। বহাঘৰলৈ যাবলৈ পথ মুকলি আছেনে নাই অৰ্থাৎ কাৰ্লাইল বাহিৰলৈ গ'ল নে নাই। কাৰণ তেওঁৰ মনত প্ৰতি মুহূৰ্ততে ভয়—কিজানি কাৰ্লাইলৰ হাতত ধৰা পৰে। ভেশছনকাৰিণী লেডী ইছাবেল বুলি চিনি পায়। আগদিনা গধূলি কাৰ্লাইলৰ চকু কটাক্ষতে তেওঁৰ গা কঁপি উঠিছিল; সেই চকুৰে যে মেডাম ভাইন—ইছাবেলক চিনি নাপাব আশা বৰ কম। আকৌ সেয়ে নহয়। এতিয়া তেওঁ আন এজনীৰ গিৰীয়েক—স্বামী দেৱতা, তেওঁৰ নহয়; তাত তেওঁৰ কোনো মত নাই। কাজেই তেনেজন মানুহক পৰাপক্ষত দেখা নিদিয়াকৈ আঁতৰে আঁতৰে থকাই চিৰমঙ্গল। ভাবি ভাবি তেওঁ তাতে থিয় হৈয়ে থাকিল।

এনেতে সমুখৰ ঘৰৰপৰা পাঁচ বছৰীয়া ল'ৰা এটি—হৃষ্টপুষ্ট, লোদোৰ-পোদোৰ গোলাপী গাল আৰু মুখখনিৰে সৈতে এটাৰ বাঢ়নি হাতত লৈ ওলাই আহিল। মেডাম ভাইনৰ অন্তৰত মাতৃ স্নেহৰ বিজুলী সোঁত বৈ গ'ল। বুকুৰ ভিতৰত মাতৃত্বৰ ধল উঠিল। মাষ্টাৰ আৰ্কিক—বাঢ়নি, মানুহ সোপাকে কোলাত সুমুৱাই ল'লে আৰু ভিতৰত বহিলগৈ। আঁঠুৰ ওপৰত চিতকৈ পেলাই লৈ ক'লে,—তোমাৰ লগত মই চিনা পৰিচয় হ'ব লাগে; মই সৰু সৰু ল'ৰাছোৱালীক খুব ভাল পাওঁ। অপত্য স্নেহ! মাতৃ স্নেহ! গাল দুখনত চপ্ চপ্‌কৈ পাৰে মানে চুমা খালে; দুচকুৰে চকুলোৰ দুটা নিজৰা বাগৰি গ'ল; কোনোমতে তাৰ গতি ৰোধ কৰিব নোৱাৰিলে। এবাৰ ওপৰলৈ চাই দেখে সমুখতে হাত লিগিৰী উইলছন ভদ্ৰতাৰ মূৰত কামোৰ মাৰি সোধ-পোছ নোহোৱাকৈ ভিতৰলৈ সোমাই আহি থিয় হৈ আছিলহি। মেডাম ভাইনে থৎমৎ খাই ক'লে—মোৰ নিজৰ ল'ৰাইতৰ কথা মনত পৰিছে।

উইলছনে ভাবিলে,—নতুন ধাত্ৰীজনী পগলা। সেইদেখি তাই আৰ্কিক চকু থিয়কৈ ধৰি গৰজিলে,—দুষ্ট ল'ৰা, বান্দৰ, বাঢ়নি লৈ পলাইছ? আজি নিশ্চয় মাৰক কৈ দিম বুলি কৈয়ে তাই আৰ্কিক থাপ মাৰি ধৰি গাৰ জোৰেৰে জোকাৰ মাৰি দিলে। মেডাম ভাইনে নিজক পাহৰিলে; হাত দুখন মেলি খেদি গ'ল,—আহা! নামাৰিবি, নামাৰিবি, মিনতি কৰিছোঁ মোৰ সহ্য নহয়। উইলছনে গৌৰগোৱাই আৰ্কিক টানি লৈ

গ'ল। মেডাম ভাইন বুকুত হাত দি বহি পৰিল। তেওঁৰ নিজৰ পেটৰ ল'ৰাছোৱালী। কিন্তু তেওঁ উইলছন বান্দীজনীক মুখ ফুটাই ক'ব নোৱাৰিলে,—কিয় তাক মাৰ?

ভগা অন্তৰেৰে মেডাম ভাইন খোৱা ঘৰত সোমালগৈ। দেখে ন বছৰীয়া তেওঁৰ নিজ প্ৰতিকৃতি ধুনীয়া ছোৱালী এজনী আৰু কাৰ্লাইলৰ প্ৰতিকৃতি সাত বছৰীয়া ল'ৰা এজন দুয়ো এখন মেজত চাহ-ৰুটি গাখীৰ খাবলৈ ধৰিছে। তেওঁৰ অন্তৰত কেনে থৌকি-বাথৌ লাগিল! দুয়োকে একো একোজনকৈ সাবট মাৰি ধৰি হেঁপাহ পলুৱাই চুমা খালে! কিন্তু সাৱধানেৰে—অতি সাৱধানেৰে—দহ মিনিট আগেয়ে কৰি যোৱা ঘটনাৰ নিচিনা নহয়। মিছ লুছি সাধাৰণতে লাজকুৰীয়া, কিন্তু মাষ্টাৰ আৰ্কি উইলিয়াম হ'লে কথা চহকী। সি সুধিলে,—তুমি আমাৰ নতুন ধাই মা?

মেডাম ভাইন ওৰফে মাকে ক'লে,—এৰা, আমি এতিয়া মিতিৰ হ'ব লাগিব।

—হ'মতো, নিশ্চয়। কেলেই, মিছ মিনিঙকো আমি ভাল পাইছিলোঁ নহয়নে?

—বাৰু, ৰাতিপুৱা সদায় তোমালোকে চাহ-ৰুটি খোৱা চাঁগৈ?

—কেতিয়াবা কেতিয়াবা আমনি লাগিলে পানী আৰু গাখীৰ, ৰুটি, মাখন বা যি দিয়ে, তাৰ পাছতে আকৌ ৰুটি আৰু গাখীৰ। কথা শুনি লুছিৰ মাত ফুটিল—নহয় ধাই মা, পিতাৰ লগত খাওঁতে মোক কণীও এটা দিছিল; সেইদেখি মই সদায় পিতাৰ লগত খাইছিলোঁ। কৰ্ণি পেহীয়ে হাক দিয়াতো পিতাই হ'লে কণীৰ ভাগ দিছিল।

—এতিয়া কিয় নিদিয়ে?

—নতুন মাই আহিবৰপৰা নিদিয়ে। লুছিয়ে হুমুনিয়াহ পেলালে। ল'ৰা-ছোৱালীহঁতৰ কথাত মেডাম ভাইনৰ অন্তৰ ফাটি গ'ল। সতিনী মাকৰ আচাৰ-ব্যৱহাৰৰ কথা মনত জাগি উঠিল। দুচকুৰে চকুলোৰ নিজৰা বাগৰি গ'ল। বাৰবাৰা সতিনীয়ে ইছাবেলৰ ল'ৰাছোৱালীহঁতক বাপেকৰপৰাও আঁতৰালে!

জা-জলপান খাই-বৈ উঠি মেডাম ভাইনে সিহঁতৰ লগত পঢ়া-শুনাৰ কথা পাতিলে। কিছু বেলিৰ মূৰত বাহিৰত বাপেকৰ মাত শুনি লুছি যাবলৈ ওলাল। ধাই মাকে ইছাবেল বুলি থাপ মাৰি ধৰিলত আৰ্কিয়ে ক'লে,—তাইৰ নাম ইছাবেল নহয়, লুছিহে। তুমি তাইক কেলেই ইছাবেল বুলি মাতিছা?

—মই তাইক ইছাবেল বুলি মতা যেন শুনিছিলোঁ, বাপ।

হাঁহি মাৰি লুছিয়ে ক'লে, —মোৰ নাম ইছাবেল লুছি। কিন্তু কোনোৱে-ইছাবেল বুলি নামাতে। কেতিয়াৰপৰা নামাতে জানা? ক'মনে? সেই—সেই যিদিনাৰপৰা মাই গুচি গৈছিল।

মেডাম ভাইনে নিজকে পাহৰি সুধিলে—তেওঁ গুচি গৈছিলনে? লুছিয়ে ফুচফুচাই উত্তৰ দিলে,—চুৰি কৰি নিছিল।

—কি। চুৰি কৰি নিছিল?

—এৰা। নহ'লে তেওঁ নগ'লহেঁতেন। পিতাক দেখা কৰিবৰ নিমিত্তে আমাৰ ঘৰলৈ এজন বৰ দুষ্ট লম্পট ডেকা আহিছিল, সিয়ে মাইক লৈ গৈছে। তেতিয়াৰপৰা পিতাই মোক ইছাবেল বুলি নামাতে, লুছি বুলিহে মাতে। মাইৰ নাম হেনো ইছাবেল আছিল। তাইৰ কথাৰ ওৰ নপৰিল, তাই কৈ গ'ল,—লেডী ইছাবেল হেনো আমাৰ নিজৰ মাই আছিল; এইজনী আমাৰ মাই নহয়!

—বাৰু আগৰজনীক যিমান ভাল পাইছিলা, এইজনীকো সিমান ভাল পোৱানে? লুছিয়ে হাততে চাপৰি বজাই ক'লে,—আহা, মাইক মই খুব ভাল পাইছিলোঁ, খুব ভাল পাইছিলোঁ। কিন্তু এতিয়া সকলো শেষ। সকলোৱে কোৱামেলা কৰে যে তেওঁ আমাক ভাল পোৱা হ'লে আমাক এনেকৈ লোকৰ হাতত সপি দি এৰি থৈ নগ'লহেঁতেন।

জেছি ভিতৰ-সোমালহি। তাই মেডাম ভাইন আৰু ল'ৰাছোৱালীহঁতক পঢ়া ঘৰলৈ বাট দেখুৱাই লৈ গ'ল। খটখটীত উঠোঁতে বাহিৰৰ ফালে মেডাম ভাইনৰ চকুত পৰিল—কাৰ্লাইল অফিছলৈ ওলাই গৈছে; বাৰবাৰা তেওঁৰ বাউসিৰ তলত ওলমি চুঁচুৰি গৈছে যেন বাদুলীজনীহে। এদিন তেৰোঁ এইদৰে চেনেহৰ স্বামী কাৰ্লাইলৰ গাতে গা হেলন দি পদুলি মুখত আগ বঢ়াই থৈ চকুৰ আঁতৰ নহয় মানে চাই ৰৈছিল! মেডাম ভাইন সেইপিনে মৰি যোৱা যেন হ'ল।

বাৰবাৰা পঢ়া ঘৰলৈ আহি মেডাম ভাইনক ল'ৰাছোৱালীহঁতৰ কামবোৰ বুজাই দিলেহি আৰু যাতে সকলো কাম সুচাৰুৰূপে কৰা হয় তাৰ বাবে দঢ়াই দঢ়াই আদেশ দি গ'ল। ভাইন সেইপিনে মৰি গ'ল। সেইদিনাই ভাইনে ল'ৰাছোৱালীহঁতক কতবাৰ সাবটি ধৰি লৈ কান্দিলে! কতবাৰ নিজৰ অৱস্থা চাই পগলা মন দমাই ৰাখিলে!

গধূলি সময় বেলি বুৰোঁ বুৰোঁ হওঁতে মেডাম ভাইন ল'ৰাছোৱালী দুজনৰ (উইলিয়াম আৰু লুছি) সৈতে বেষ্ট লিনৰ ফালে ফুৰিবলৈ ওলাই গ'ল। সেই বাটেদিয়েই—তাহানি কেপ্টেন লেভীছনে কাৰ্লাইল আৰু বাৰবাৰাৰ মাজত হোৱা অবৈধ কথা-বতৰা, চলন-ফুৰণ নজৰ কৰি ফুৰিছিল। য'তেই বাঘৰ ভয়, তাতেই ৰাতিও হয়। সিফালৰ—বেষ্ট লিনৰ ফালৰপৰা কাৰ্লাইল আৰু বাৰবাৰা হাত ধৰাধৰিকৈ সেই বাটেৰেই ঘৰলৈ উভতিছিল। তেওঁৰ গা শিয়ৰি উঠিল। ওচৰাওচৰি হোৱাত ভদ্ৰতা ৰাখি দুয়ো পক্ষই নমস্কাৰ দিয়া দি কৰিলে। সকলো ঘৰমুৱা হ'ল—কাৰ্লাইল আৰু বাৰবাৰা আগত, ল'ৰাছোৱালীহালে সৈতে মেডাম ভাইন পিছত—ইচ্ছা

কৰিয়েই তেওঁ পিছ হঁহকি হঁহকি খোজ কাঢ়িছিল। বাটত বেৰা এখন পাৰ হওঁতে হাত ধৰাধৰি কৰিব লগা হ'ল। কোনোমতে এৰাব নোৱাৰি বেৰা পাৰ হৈ আকৌ খোজ ল'লে; আগত কাৰ্লাইল আৰু বাৰবাৰা সতিনী হাত ধৰাধৰিকৈ আৰু পিছত তেওঁ—মেডাম ভাইনৰূপী ইছাবেল—ল'ৰাছোৱালীহঁতৰ হাতত ধৰি—দাণ্ডিব নোৱাৰা বোজাটো বুকুত লৈ।

সন্ধিয়া চাহ খাই থাকোঁতে, বিছনাত উইলিয়ামৰ কাহ উঠিল। তাকে শুনি মেডাম ভাইনে সকলোকে এৰি চোঁচা মাৰি উইলিয়ামৰ বিছনা পালেগৈ আৰু তাক বুকুৰ মাজত সুমুৱাই লৈ গাত হাত বুলাবলৈ ধৰিলে। কাৰ্লাইলে বুকুৰ ওপৰত কেঁচুৱাটো লৈ সেই পিনেদি চ'ৰাঘৰলৈ যাওঁতে উইলিয়ামৰ কাহ শুনি ভিতৰ সোমাল। মেডাম ভাইনৰ কাণ্ড কাৰখানা দেখি হাঁহি মাৰি ক'লে,—দেখিছোঁ ল'ৰাছোৱালীহঁতৰ প্ৰতি তোমাৰ অসীম চেনেহ, মৰম চকু! তেওঁ মুখৰ ভিতৰতে কিবা উত্তৰ দি ঘৰৰ এন্ধাৰ চুকত সোমালগৈ। বাৰবাৰায়ো সেই পিনেদি চ'ৰাঘৰলৈ যাওঁতে কাৰ্লাইলক দেখি ভিতৰ সোমাই সুধিলে,—কি হৈছে?

—উইলিয়ামৰ কাহ উঠিছে; বৰ বেয়া কাহ; মই ভাল পোৱা নাই, বাৰবাৰা। ডাক্তৰ ৱেনক মাতি পঠোৱা যাওক।

—এৰি পেলোৱা এতিয়া ৰাতি; একো নহয়। চাহৰুটি খাওঁতে চাগৈ ৰুটিৰ টুকুৰা ডিঙিত লাগিছে। খাবৰ হৈছে, পলম হ'ব ব'লা এতিয়া।

কাৰ্লাইলে কেঁচুৱাটোক নমাই থৈ উইলিয়ামৰ বিছনাৰ ওচৰতে থিয় হ'ল। উইলিয়ামে কাহি কাহি ঘামি-জামি শেঁতা পৰি উঠিল। তেওঁ সকলো দেখিলে—পাছ মুহূৰ্ততে বাৰবাৰাৰ হাতৰ মাজেদি হাত সুমুৱাই দি ঘৰলৈ গুচি গ'ল। যাওঁতে বাৰবাৰাই মেডাম ভাইনক আদেশ দি গ'ল—মিছ লুছিৰে সৈতে তেতিয়াই চ'ৰাঘৰলৈ যাবলৈ—তাত গীত-বাদ্য হ'ব। মেডাম ভাইনৰ অন্তৰ সেইপিনে ক'লা পৰি গ'ল। তেওঁ ভাবিলে—বাৰবাৰা হ'ল কাৰ্লাইলৰ গৃহিণী, তেওঁ হ'ল কি? আৰু এবাৰ উইলিয়ামক বুকুৰ মাজলৈ টানি আনি চুমা এটি দি সুধিলে—তোমালোকৰ লগত কোন শোৱে, বাপ? সি ক'লে,—মই অকলে থাকোঁ; মোৰ সুকীয়া ঘৰত সুকীয়া বিছনা-পাতি আছে। মেডাম ভাইন ঘোৰ চিন্তাত পৰিল। কিছু বেলিৰ মূৰত ক'লে,—বাপ, তুমি মোৰ ঘৰত শুবানে?

—মই ক'ব নোৱাৰোঁ। কেলেই, তোমাৰ ঘৰত কিয় শুব লাগে?

—মই তোমাক যেতিয়াই যি লাগে, তাকে দিব পাৰিলোঁহেঁতেন। তোমাক

তোমাৰ নিজৰ মাৰাই যেনেকৈ ভাল পাইছিল, মৰম-চেনেহ কৰিছিল, ঠিক তেনেকৈ ময়ো তোমাক ভাল পাম আৰু চেনেহ কৰিম।

সি কান্দি কান্দি ক'লে,—মাই আমাক ভাল নাপাইছিল—সেয়েহে তেওঁ আমাক এইদৰে পৰৰ হাতত এৰি থৈ গ'ল। তাকে শুনি লুছিয়ে কৈ উঠিল,—নহয় ৰ'বা, তেওঁ আমাক ভাল পাইছিল, মৰমো কৰিছিল। তেওঁৰ গাত দোষ নাই, তেওঁক চুৰি কৰি নিছে। উইলিয়ামে ক'লে,—উহুঁ নহয়; ছোৱালীহঁতে এইবোৰ কথা একো নাজানে। মাই...

মেডাম ভাইনৰ চকুৰে জৰ্জৰকৈ চকু পানী বব'লৈ ধৰিলে। কান্দি কান্দি ক'লে,—নহয় বাছাহঁত, তেওঁ তোমালোকক বৰ মৰম কৰিছিল। মই তোমালোকক বৰ ভাল পাওঁ।

পগলা মনক হেঁচা মাৰি দমাই লুছিক লগত লৈ মেডাম ভাইন চ'ৰাঘৰত বহিলগৈ। গীত বাদ্য আদি আৰম্ভ হ'ল। ভেশছনকাৰিণী মেডাম ভাইনে কাৰ্লাইলৰ ঘৰত গীত বাদ্যও শিকাবলৈ বাধ্য হ'ল, কাৰণ তেওঁ আজি কাৰ্লাইলৰ গৃহিণী নহয়—বেতন খোৱা শিক্ষয়িত্ৰী, ধাত্ৰী, বান্দী!

কাৰ্লাইলৰ লগত কথা হ'ল। উইলিয়ামৰ স্বাস্থ্যৰ বিষয়ে কথা কওঁতে ভাইনে সুধিলে,—তাৰ বিছনাখন মই থকা ঘৰত পাতি দিব নোৱাৰিনে? কাৰ্লাইলে উত্তৰ দিলে,—কোনো আৱশ্যক দেখা নাই; এতিয়াও তাক পৰ দি ৰাখিব লগা হোৱা নাই। বাপেকৰ বাপেকি মন, মাকৰ মাক-মন। তথাপি প্ৰতিবাদ কৰি ক'লে,—নহয়, সি মোৰ চকুৰ আগত থকা হ'লে, মই তাৰ যতন ল'ব পাৰিলোঁহেঁতেন। মই তাক বৰ ভাল পাওঁ।

—বাৰু, এতিয়া নালাগে। ডাক্তৰে অৱস্থা ভাল বুলিয়ে কৈছে। বাৰবাৰাই থিয় হৈ গিৰীয়েকৰ হাতত ধৰি কৈ উঠিল,—কেলেই লাগিছে, ব'লা ৰাতি হৈছে, শুবৰ সময় হ'ল।

কাৰ্লাইল আৰু বাৰবাৰা সতিনী হাতত ধৰাধৰিকৈ খোজ কাঢ়ি শোৱনি ঘৰ পালেগৈ। লেডী ইছাবেল কাৰ্লাইল অৰ্থাৎ নাকে-মুখে বিতচকু লগোৱা ছদ্মবেশিনী মেডাম ভাইনে বিছনাত পৰি অন্তৰৰ জুইকুৰা ফুৰাবলৈ ধৰিলেগৈ।

জাষ্টিছ হেয়াৰ কিছুদিন লণ্ডনত থাকিবলৈ গ'ল। বাৰবাৰাই সেই চলতে কাৰ্লাইলৰ সৈতে এদিন গৈ মাকক ইষ্ট লিনলৈ লৈ আহিলগৈ। হেয়াৰ-দম্পতী জীয়েকৰ সুখৰ ঘৰত আনন্দেৰে প্ৰবাস খাটিবলৈ ল'লে। হেয়াৰ দম্পতী আৰু মেডাম ভাইনৰ চিনা-পৰিচয় হ'ল, দুয়োৰে মাজত নানাৰকম সুখ-দুখৰ কথা-বতৰা হ'ল। তেওঁ মেডাম ভাইনক অতি কষ্ট মনেৰে কপালে মূৰে হাত দি বহি থকা দেখি বৰ দুঃখকৈ ক'লে,—আপোনাৰ গা ভাল নহয় বোধহয়। মেডাম ভাইনে লাহেকৈ ধন্যবাদ দি উত্তৰ দিলে,—হয়, বৰ ভাল নহয়; মূৰটো বৰ বিষাইছে।

—এৰা, আপোনাৰ দুখৰ কথা শুনি মনটো কেনেবা লাগিছে। বাৰবাৰাই ক'লে যে আপুনি ল'ৰাছোৱালী, ধন-জন, মন-প্ৰাণ সকলোকে হেৰুৱাইছে, ভগৱানে আপোনাক বৰ শোকত পেলাইছে। বাস্তৱিকে আপোনাৰ দুখত বৰ দুখ অনুভৱ কৰিছোঁ। কি কৰিব—ইচ্ছাময়ীৰ ইচ্ছা!

কথা শুনি মেডাম ভাইনে নিজকে পাহৰিলে, উতলা বলিয়া মনক দমাব নোৱাৰিলে। চকুভৰি চকুলো বাগৰি গ'ল। বলিয়াৰ দৰে কৈ উঠিল,—নহয়, মোৰ উপযুক্ত শাস্তি হৈছে। মোৰ কপালত দুখ লিখা আছে। তাক কোনে খণ্ডাব!

—সকলোৰে দুখময় জীৱন, মেডাম ভাইন, সংসাৰত কোনো প্ৰকৃত সুখী নহয়। ভালকৈ গমি পিটিকি চালে প্ৰত্যেকৰে অলপ নহয় অলপ দুখৰ কাৰণ আছেই। অইন নালাগে মোৰ কথাকে কওঁ—মই কি কম দুখত জীৱন পাত কৰিব ধৰিছোঁ! মোৰ মনত ধনিষ্ঠমানো সুখ নাই। কথা শুনি মেডাম ভাইনে জেদ কৰি ক'লে,—কিন্তু অতি অলপ সংখ্যকেহে এনেকুৱা জীৱন্ত দুখৰ বোজা বহন কৰে—আটায়ে নহয়।

—আপুনি যিকি নকওক কিন্তু এইটো জানিব যে প্ৰত্যেকে এদিন নহয় এদিন দুখ ভুগিব লাগিব; কাৰো ভাগ্যে আজি, কাৰো ভাগ্যে দুদিন পাছত—এইখিনিয়েই বিশেষত্ব। নহ'লে সকলোৰে একে অৱস্থা। সুখৰ মাজতে দুখ লাগি আছে। সংসাৰ নিৰ্য্যাতনতেই কাকো স্বৰ্গলৈ, কাকো নৰকলৈ নিয়ে। ইয়াৰ একমাত্ৰ গৰাকী প্ৰভু ভগৱান। সকলো দুখৰে শান্তিময় ছায়া ভগৱানৰ শ্ৰীচৰণ। যিদিনা এই নশ্বৰ শৰীৰ মাটিত লয় পাব সেইদিনাৰপৰা সকলো দুখ কষ্ট, নিৰ্য্যাতন, লোভ, মোহ, পাপ আদি ৰিপুৰ তাড়না সমুদায় মাটিত পোত যাব! লীন হ'ব!! শেষ হ'ব!!! —মেডাম ভাইনে হেয়াৰ দম্পতীৰ সাৰগৰ্ভ আশ্বাসৰ কথা শুনি চকুলো মুচি ক'লে,—আহা, সেয়ে মোৰ শেষ গতি!

—তুমি ইমান কম বয়সতে ইমান নির্য্যাতন ভুগিলানে?

—ই বয়স কম-বেছিলৈ কথা নহয়। আমি জীৱনৰ সমস্ত নির্য্যাতন কষ্ট এদিনৰ এক মুহূৰ্তৰ তাড়নাতে ভুগিব পাৰোঁ। এইবোৰ আমি কিন্তু নিজে নিজে মাতি চপাই আনো। আমাৰ যেনেকুৱা স্বভাৱ সেই অনুসাৰে সুখ-দুখ ভুগিব লগা হওঁ।

কথা বেয়াৰ ফালে ঢাল খালে। মেডাম ভাইনে ক'লে,—কিন্তু সকলোৰে ভাগ্য সমান নহয়। মিঃ আৰু মিছেছ কাৰ্লাইলৰ কি দুখ আছে? তেওঁলোকৰ দৰে জগতত কেইজন সুখী?

হেয়াৰ দম্পতীয়ে হাঁহি মাৰি ক'লে,—অৱশ্যে, বাৰবাৰাৰ কোনো দুখ নাই। তাই গিৰীয়েকক বৰ ভাল পায় আৰু তেওঁ তেনে প্ৰতিদানৰ যোগ্যও, কিন্তু তেওঁৰো কপালত দুখ আছে। আপুনি বোধহয় তেওঁৰ আদি জীৱনৰ কথা শুনিছে। তেওঁৰ প্ৰথমজনী তিৰোতাই ল'ৰাছোৱালী, ঘৰ-দুৱাৰ, মৰমৰ গিৰীয়েক আটাইকে এৰি থৈ গৈছিল। তেওঁ অন্তৰৰ এই মৰ্মান্তিক বেদনা জগতৰ চকুত নিৰ্ভীকভাৱে বহন কৰিছিল হয়, কিন্তু তেওঁ অন্তৰত কেনে গভীৰ বেদনা অনুভৱ কৰিছিল তাক মই জানো। লেডী ইছাবেলৰ ব্যৱহাৰত তেওঁৰ অন্তৰ ভাগি গৈছিল। লেডী ইছাবেল তেওঁৰ অন্তৰৰ পুতুলা আছিল।

—লেডী ইছাবেল! বাৰবাৰা নহয়! বুলি কৈ তেওঁ জাঁপ মাৰি উঠিল। বাৰবাৰাৰ নাম উচ্চাৰণ কৰিয়েই তেওঁ জিভাত কামোৰ মাৰিলে; তেওঁ চঁক খাই উঠিল, সাৰ পালে, নিজৰ চেতনা লভিলে,—মই শিক্ষয়িত্ৰী ধাত্ৰী মেডাম ভাইনহে, কাৰ্লাইল দম্পতী লেডী ইছাবেল নহওঁ—বুলি নিজে নিজে মনতে ক'লে।

হেয়াৰ দম্পতীৰ সিফালে বেছি কাণ নাছিল। তেওঁৰ নিজৰ ভাৱনাতে তল গৈ থাকি ক'লে—বাৰবাৰা? নিশ্চয় নহয়। তেওঁৰ প্ৰথম প্ৰণয় বাৰবাৰাৰ প্ৰতি হোৱা হ'লে তেওঁ তেতিয়াই তাইক বিয়া কৰালেহেঁতেন। কিন্তু তেওঁ প্ৰথম প্ৰণয় লেডী ইছাবেলত সপিছিল।

—কিন্তু এতিয়া সেই প্ৰণয় নতুন ঘৈণীয়েকক সমৰ্পিছে।

হেয়াৰ দম্পতীয়ে হাঁহি মাৰি ক'লে,—অৱশ্যে। কেলেই আপুনি মৃতজনৰ লগত মৰিবলৈ পৰামৰ্শ দিয়েনে? আৰু বিশেষকৈ যিজনী তেওঁৰ প্ৰতি বিশ্বাসঘাতকিনী আছিল সেইজনীৰ লগত? কিন্তু, মেডাম ভাইন, তাই হ'লে বৰ মৰম লগা তিৰোতাজনী আছিল—লেডী ইছাবেল হতভাগিনী। মই তাইক বৰ ভাল পাইছিলোঁ, এতিয়াও পাহৰিব পৰা নাই। আনে তাইক দোষ দিলেও মই হ'লে তাইক পুতৌহে

কৰিছিলোঁ। সিহঁতৰ বেছ যোৰ মিলিছিল। কাৰ্লাইল যেনে মহানুভৱ, লেডী ইছাবেলো তেনে দেখনিয়াৰ গাভৰুজনী।

—আৰু তায়েই এনেহেন পুৰুষজনক দলিয়াই এৰি থৈ গ'ল! বুলি কৈ মেডাম ভাইনে হুমুনিয়াহ কাঢ়িলে।

*

আৰু কত কি দুখৰ কথা ওলাল। হেয়াৰ দম্পতীয়ে ইমানতো লেডী ইছাবেলৰ অন্তৰত জ্বলি থকা জুইত ঘিউৰ ছিটনি দিলে। মেডাম ভাইনৰ দুখময় জীৱনৰ কাহিনী শুনি প্ৰবোধ বাক্যেৰে সান্ত্বনা দিলে। মেডাম ভাইনৰ হিয়া দেই পুৰি জ্বলি থাকিল।

কিছু সময় বহি থাকি হেয়াৰ দম্পতী লাহে লাহে চ'ৰাঘৰলৈ উঠি গ'ল। তাত গীত বাজনা হৈছিল। বাৰবাৰাই বহি গীত গাইছিল। কাৰ্লাইলে পিছফালে থিয় হৈ বাৰবাৰাৰ কান্ধৰ ওপৰত হাত দুখন দি মাজে মাজে গীতৰ প্ৰশংসা কৰিছিল আৰু লগে লগে গালত চুমা শোধাই পুৰস্কাৰ দিছিল।

অভাগিনী লেডী ইছাবেলক কিহে তালৈ টানি নিছিল! কোনোবে নেদেখাকৈ এখন খিৰিকীৰ মুখত পৰ্দাৰ আঁৰত থিয় হৈ কি কাৰণে চ'ৰাঘৰৰ ভিতৰলৈ চকু দিছিল! কোন সতেৰে কাৰ্লাইল আৰু বাৰবাৰাৰ পৰস্পৰ প্ৰণয়-সম্ভাষণ চকু মেলি চাই আছিল! এদিনাখন—যিদিনা তেওঁ লেডী ইছাবেল কাৰ্লাইলৰূপে সেই ঘৰত আছিল, তেৱোঁ ঠিক তেনেকৈ কাৰ্লাইলৰ দুই বাহুৰ মাজত, আজি বাৰবাৰাই সুৰ লগাই গোৱা সেই একে প্ৰণয় গীতিটোকে গাইছিল! আজি কোনে গাইছে? তাৰ ওলোটা! বাৰবাৰা সতিনীয়ে! মেডাম ভাইন ওৰফে লেডী ইছবেল সেইপিনেই শৈতা পৰি মৰহি গ'ল, গা জমজমাই গ'ল। কঁপা ভৰিৰে কোনোমতে নিজৰ শোৱনি ঘৰলৈ খোজ ল'লে। কোনোমতে শোৱনি ঘৰলৈ গৈ পাটীত পৰি অন্তৰৰ জুইকুৰা ফুৰাবলৈ ধৰিলে!

তাৰ পাছদিনাখন দেওবাৰ। আটায়ে আবেলি গীৰ্জালৈ গ'ল। মেডাম ভাইনে ল'ৰাছোৱালীহালক লগত লৈ গীৰ্জাত উপস্থিত হ'লগৈ। তাত গৈ দেখে যে কাৰ্লাইল তাহানি য'ত বহিছিল, সিদিনাও তাতেই বহিছেগৈ। তেওঁৰ সোঁহাতে য'ত এদিন লেডী ইছাবেলে শোভা পাইছিল তাত আজি বাৰবাৰা কাৰ্লাইল। আজি লেডী ইছাবেল তাৰপৰা লাঞ্ছিত চিৰ-বঞ্চিত! ইছাবেলৰ অন্তৰ সেইপিনেই দেই পুৰি গ'ল। দুচকুৰে দুধাৰি জ্বলন্ত অগনি যেন চকুলো বাগৰি গ'ল।

সকলো ঘৰাঘৰি গ'ল। কাৰ্লাইল আৰু বাৰবাৰা আগত, মেডাম ভাইন লিগিৰী

ৰূপে ল'ৰাছোৱালীহালৰ হাতত ধৰি তেওঁলোকৰ পিছে পিছে ঘৰমুৱা হ'ল। তেওঁ গীর্জাঘৰৰ চোতালখন পাৰ হওঁতেই পিতাকৰ মৈদামটোৰ ফালে কেৰাহিকৈ চাই এটোপা চকুলো টুকিলে। তেওঁৰ অন্তৰ ভৰি শোকৰ আৱেগ উঠিল,—আহা! ময়ো তাতে একেলগে পোত যোৱা হ'লে। মই ইষ্ট লিনলৈ আকৌ কিয় মৰিবলৈ আহিলোঁ।

কেলেই? ঠিকেই হৈছে। একো অন্যায় বা অধর্ম হোৱা নাই। যেয়ে যি কৰে, সেয়ে তাৰ ফল পাব, ভুগিব; আন কোনে পাব? ভাল কৰিলে ভাল, বেয়া কৰিলে বেয়া। লেডী ইছাবেল নিজ কর্মফল ভুগিবলৈ আহিছে। বিষম কর্মফলৰ আৰম্ভণিতে তেওঁ অধৈৰ্য্য হ'লে কেনেকৈ হ'ব?

মেডাম ভাইনে ৰাতিপুৱা দৈনিক কামখিনি শেষ কৰি লুছি আৰু আৰ্কিক লগত লৈ ওপৰতালাৰ বাৰান্দাত থাকেগৈ। ল'ৰাছোৱালীহঁতে ধেমালি কৰি থাকে; তেওঁ বাৰান্দাত বেৰত হাত দি থিয় হৈ বাহিৰৰ পদূলিৰ মুখলৈ চাই থাকে। কার্লাইল যথাসময়ত বাৰবাৰাৰ হাতত ধৰাধৰি কৰি পদূলিমুখলৈকে গৈ তাৰ পাছত অফিছলৈ যায়। তেওঁৰ গোটেই শৰীৰ শিয়ৰি উঠে। বছৰচেৰেকৰ আগেয়ে তেওঁ লেডী ইছাবেলৰূপে গৈছিল তেনেকৈ, আজি-কালি বাৰবাৰা সতিনীও যায় তেনেকৈ। লেডী ইছাবেলৰ প্ৰাণে সয়নে? আৰু নসয়েইবা কৰিব কি? নিজে খৰি-খেৰ যোগাৰ কৰি চিতা জ্বলাইছে, তাতে আকৌ ঘিউৰ ছিটনিত জুই দপ্‌দপাই জ্বলিছে। সেই জুইত আন কোনে জাঁপ দিব? নিজৰ অগনিত নিজে পুৰি মৰিছে।

ৰাতিপুৱা কার্লাইল অফিছলৈ গৈ দেখে অফিছঘৰৰ ভিতৰে-বাহিৰে মানুহেৰে ভৰপূৰ। ইষ্ট লিনৰ সম্ভ্ৰান্ত মুখিয়ালসকল ঘৰৰ ভিতৰত বহি কার্লাইলৰ কাৰণে বাট চাই আছে। বাহিৰতো মানুহৰ লেখ নাই। কার্লাইল গৈ পোৱাত সকলোৱে আনন্দধ্বনি কৰিলে; তাৰ পাছত সকলোৱে যুক্তি পৰামৰ্শ কৰি বিলাতৰ পাৰ্লামেণ্টলৈ তেওঁক ইষ্ট লিনৰ প্ৰতিনিধি নির্বাচন কৰিলে। প্ৰথমতে কার্লাইলে ওজৰ-আপত্তি কৰিলেও, ৰাইজৰ তেওঁৰ প্ৰতি আগ্ৰহ, মান-সম্মান, ভাব-ভক্তি দেখি শেষত তেওঁ মান্তি নহৈ নোৱাৰিলে। তেৱোঁ নিজকে নিজে গৌৰবান্বিত বোধ কৰিলে।

আনন্দ মনেৰে গধূলি ঘৰলৈ আহিল; দেখে মনৰ উলাহতে বাৰবাৰাক দুবাহুৰ মাজলৈ টানি আনি চুমা খাই দুয়োখন গাল ৰঙা কৰি দি সভ্য নির্বাচনৰ বাতৰি জনালে।

হতভাগিনী মেডাম ভাইনক (লেডী ইছাবেলক) তালৈ কিহে টানিলে। কি কাৰণে সোধ-পোছ নোহোৱাকৈ মুহূৰ্ততে ঘৰ সোমাইছিলহি। কার্লাইলে আগেয়ে ঘৈণীয়েক লেডী ইছাবেলক মৰম চেনেহ কৰিছিল। এতিয়াও তেওঁ তেওঁৰ ঘৈণীয়েক বাৰবাৰাক

মৰম-চেনেহ কৰিছে। ই একো নতুন নহয়। মেডাম ভাইনে চকু মুদি যেনেকৈ আহিছিল তেনেকৈ ঘূৰি ওলাই গ'ল।

কাৰ্লাইলে বাৰবাৰাক দুবাহুৰ মাজতে ৰাখি ক'লে,—শুনিছানে, ৱেষ্ট লিনৰ ৰাইজে মোক পাৰ্লামেণ্ট মহাসভাৰ প্ৰতিনিধি নিৰ্বাচন কৰিছে। ময়ো মান্তি নহৈ নোৱাৰিলোঁ। ই বৰ গৌৰৱৰ কথা। মই বছৰৰ ভিতৰত ২/৪ মাহ লণ্ডনত থাকিব পাৰিম। কথা শুনি বাৰবাৰাৰ হিয়া আনন্দেৰে উপচি পৰিল। দুয়ো নানাৰকম কথাত মগ্ন হ'ল।

হতভাগিনী মেডাম ভাইন আকৌ সেই প্ৰেমদৃশ্যৰ আগত উপস্থিত হ'লহি। বাৰবাৰাৰ চকুত পৰিল। তৎক্ষণাৎ কাৰ্লাইলৰ হাতৰ মাজৰপৰা বাৰবাৰা আঁতৰি গ'ল। কাৰ্লাইলে ঘূৰি চাই দেখে সমুখত মেডাম ভাইন। মেডাম ভাইন শেঁতা পৰি কিবা কওঁ কওঁকৈ আগ বাঢ়ি গ'ল। ইষ্ট লিনলৈ আহিবৰ আজি ৬/৭ মাহ হ'ল। এতিয়া তেওঁৰ হঠাৎ ধৰা পৰিবৰ ভয় নোহোৱা হৈছে। তেওঁ কাৰ্লাইলৰ ওচৰ চাপি ক'লে,—দেউতা, উইলিয়ামক এবাৰ চাই আহিব লাগে।

উইলিয়ামৰ কাহ অসুখ বেছি হৈছে। ৰাতি অৱস্থা আৰু বেয়া হৈ উঠে। দিনক দিনে উইলিয়ামে মৃত্যুৰ ফালে খোজ ল'লে। উইলিয়ামৰ অৱস্থা দেখি মেডাম ভাইনৰ দিন ৰাতি টোপনি নহা হ'ল। কত কি পৰিচৰ্য্যা কৰে, কত আলফুলকৈ তাক কোলাত সুমুৱাই লৈ ওৰে নিশা বহি কটায়! হাজাৰ হওক নিজৰ পেটৰ পোনাতো! লেডী ইছবেলে নিজ ৰূপ মেডাম ভাইনৰ কথা পাহৰিলে। উইলিয়ামৰ অৱস্থা বেয়া দেখি কাৰ্লাইল ঘৰলৈ অহাৰ গম পাই বুকুত হাত দি লাহে লাহে কাৰ্লাইলৰ ঘৰ পালেগৈ। সম্মুখতে কাৰ্লাইল আৰু বাৰবাৰা গিৰীয়েক ঘৈণীয়েকৰ প্ৰেম-সম্ভাষণ দেখা পাই উভতি গ'ল আৰু উইলিয়ামৰ বিছনাৰ ওচৰতে মূৰে-কপালে হাত দি বহি থাকিলগৈ। মাকৰ হিয়াত পুতেকৰ মুমূৰ্ষু অৱস্থাৰ শোকৰ আবেগ উথলি উঠিল। কেইমিনিটমানৰ পাছতে আকৌ পাগলিনী হৈ কাৰ্লাইলৰ ঘৰত উপস্থিত। সকলো চিন্তাকে দমাই ৰাখি কৈ উঠিল,—দেউতা, অনুগ্ৰহকৈ এবাৰ উইলিয়ামক চাই আহকচোন। কাৰ্লাইলে উত্তৰ দিলে,—নিশ্চয়, এই যাওঁ।

বাৰবাৰাই সুধিলে,—কেনেই, কি কাৰণে?

মেডাম ভাইনে কঁপা সুৰেৰে ক'লে,—তাৰ অৱস্থা ভাল নহয়, আগতকৈ বহুত বেয়া হৈছে। মই হ'লে ভাল দেখা নাই।

তিনিও উইলিয়ামৰ নৰিয়া পাটীৰ ওচৰ পালেগৈ। কাৰ্লাইলে খন্তেক উইলিয়ামৰ শেঁতা পৰি থকা মুখখনিৰ ফালে তধা লাগি চাই থাকি মাতিলে,—উইলিয়াম,—বাপ।

উইলিয়ামে চকু মেলিলে, সুধিলে,—সেইজনী কোন, পিতা?

—গা ভাল পোৱা নাইনে?

—ভাল পাইছোঁ, কিন্তু মোৰ বৰ ভাগৰ লাগিছে, পিতা। কাৰ্লাইলে হমুনিয়াহ ছাৰি সুধিলে,—মাটিত কেলেই শুইছা?

—মই ইয়াতে শুবলৈ ভাল পাওঁ। মেডাম ভাইনেও সেই কথাকে সমৰ্থন কৰি ক'লে,—তাক মই ইমান চেষ্টা কৰিও তাৰপৰা তুলিব নোৱাৰিলোঁ। সি সদায় ৰাতি হ'লে তেনেকৈ মাটিতে শুই থাকেগৈ। মই হাজাৰ মাতিলেও তাৰপৰা নুঠে। তাত শুলে তাৰ হেনো গাটো ভাল লাগে, জ্বৰ পৰে।

— বাপ, কিবা খাবলৈ মন গৈছেনে?

উইলিয়ামে চকুলো মচি ক'লে,—মোক আৰু ঔষধ নুখুৱাবা, পিতা। সেই কেঁচা মাছ কেঁচা মাছ যেন গোন্ধোৱা কডলিভাৰ তেল আৰু মই নাখাওঁ।

কাৰ্লাইল নীৰৱ হ'ল। দীঘলকৈ হমুনিয়াহ পেলাই ক'লে—ডাক্তৰকে মতা হ'ক তেনেহ'লে, মেডাম ভাইন—এইবুলি কৈ ইছাবেলৰ ফালে চাই থাকিল। লেডী ইছাবেলে কপালে-মূৰে হাত দি নিজৰ ছদ্মবেশ মেডাম ভাইন নাম পাহৰি বহি থাকিল।

*

দুদিন পাছত স্থানীয় বাতৰিকাকতত খবৰ ওলাল—মি০ কাৰ্লাইল পাৰ্লামেণ্টলৈ ৱেষ্ট লিনৰপৰা প্ৰতিনিধি নিৰ্বাচিত হৈছে। ইপিনে আলিবাটৰ দুয়ো কাষে গছ-গছনি, চাল-বেৰত, চিত্ৰ-বিচিত্ৰ বিজ্ঞাপন উঠিল—মি০ কাৰ্লাইল, মি০ কাৰ্লাইল, মি০ কাৰ্লাইলক আটায়ে ভোট দিবা।

কেপ্টেন লেভীছন অলপ দিনৰ ভিতৰতে যে এনে এজন ৰাজনীতিজ্ঞ পুৰুষৰ শাৰীলৈ প্ৰমোছন পাব পাৰে, তাক কোনেও সপোনতো ভবা নাছিল। বৰ আৰ্থিক অনাটনত পৰিছিল; খৰচ হিচাপে তেওঁ আৰ্জিব লাগিছিলো বহুতো, কিন্তু কৰিবলৈ নাছিল একো।

যেতিয়া ছাৰ পিটাৰৰ সম্পত্তি আৰু উপাধি উত্তৰাধিকাৰী সূত্ৰে পালে, তেতিয়া বহুত ঋণ পৰিশোধ আৰু অন্যান্য খৰচ কৰিব লগাত পৰিল। ককাদেউতাক ছাৰ পিটাৰে বৰ বেছি সম্পত্তি এৰি থৈ যোৱা নাছিল; একেবাৰে ধাৰৰ মুৰামুৰিকৈয়ে সম্পত্তি এৰি গৈছিল। ধোঁৱাখুলীয়া লেভীছনে সিমান ভাবিব নোৱাৰিলে। তেওঁ সেই অহঙ্কাৰতে অহঙ্কাৰী হৈ উঠিল। দুয়োহাতে অযথা খৰচ কৰিবলৈ আৰম্ভ কৰিলে। তেওঁ নিজৰ সমাজৰ কথা পাহৰি ওপৰ খাপৰ সমাজৰ ধৰণ-কৰণ চলাচল কৰিবলৈ ধৰিলে। নাচনিয়াৰ ঘৈণীয়েকক লগত লৈ ঘৰভেৰোণীয়াকৈ থাকি বৰ ধুন-পেঁচ আৰু লাহ-বিলাহত চলিবলৈ আৰম্ভ কৰিলে। লগে লগে ঘোঁৰা খেল, জুৱা-পাশা খেল আদিতো ধৰিলে।

সময় যাবলৈ ধৰিলে—লেভীছনৰ সংসাৰো চলিবলৈ ধৰিলে। কিন্তু এনে সময় আহিল যে তেওঁ আৰু চলিব নোৱাৰিলে—শেহত নিজৰ সংজ্ঞালৈ আহিল। হাত শূন্য হ'ল। অৱশেষত লৰ্ড মাউণ্ট চেভাৰ্ণৰ যি অৱস্থা হৈছিলগৈ তেওঁৰো সেই দশা হ'ল। তেওঁ উপাৰ্জনৰ অৰ্থে সকলো ব্যৱসায়তে হাত দিলে, কিন্তু ক'তো দুপইচা নিমিলিল।

খাবলৈ নাপাই ঘৈণীয়েকৰ সৈতে প্ৰথমে খকা-খুন্দা লাগিল। সেই খকা-খুন্দা দিনক দিনে বাঢ়ি গৈ কাজিয়াত পৰিণত হ'লগৈ। এদিন ভাটীবেলা গিৰীয়েক-ঘৈণীয়েক দুয়ো কাজিয়া কৰি থাকোঁতে বন্ধুসকলে লেভীছনক মাতি লৈ গ'ল। বন্ধুসকল আড্ডাত বহিল। সিহঁতে উছাহ দি লেভীছনক উপদেশ দিলে যে বেষ্ট লিনৰপৰা পাৰ্লামেণ্টৰ মেম্বাৰৰ পদ নিৰ্বাচনত তেৱোঁ এজন প্ৰাৰ্থী হ'ব লাগে। কথা শুনি লেভীছন প্ৰথমে অমান্তি হ'ল, কিন্তু মিং কাৰ্লাইল সেই পদৰ প্ৰাৰ্থী শুনি গা-মূৰ জোকাৰি উঠিল। নিৰ্বাচনৰ মেম্বৰ পদৰ প্ৰাৰ্থী হ'বলৈ স্থিৰ প্ৰতিজ্ঞ হ'ল।

লেডী লেভীছনে সকলো কথা শুনিছিল। ভিতৰলৈ গৈ ভদ্ৰতাৰ খাতিৰত লেভীছনে ঘৈণীয়েকৰ আগত কথা উলিয়াওঁতেই ঘৈণীয়েক জাঁপ মাৰি উঠিল আৰু গালি-শপনি পাৰিবলৈ আৰম্ভ কৰিলে। শেহত ক'লে,—সেই কামলৈ কেতিয়াও নাযাবা। কাৰ্লাইলক অপমান নিদিবা, নিজৰ বিপদ নিজে চপাই নল'বা।

লেভীছনে খঙকৈ ক'লে,—কাৰ্লাইল তোৰ কি হয়? তই তাক নাজান।

—মই তেওঁৰ সুখ্যাতি জানো। তেওঁ এজন মহানুভৱ ভদ্ৰলোক; বন্ধু-বান্ধৱ সকলোৰে প্ৰিয়; আটায়ে তেওঁক ভাল পায়। উদাৰ প্ৰকৃতিৰ কাৰ্লাইল আৰু নীচমনা তোমাৰ মাজত আকাশ পাতাল প্ৰভেদ।

—আন মানুহ হ'লে, মই তাত মুৰ নুসুমালোঁহেঁতেন। কাৰ্লাইল মোৰ শত্ৰু; সেই বাবেই মই তাৰ বিৰুদ্ধে থিয় হ'ম আৰু তাৰ সকলো চেষ্টা ভ্ৰষ্ট কৰিম।

—কিন্তু মনত ৰাখিবা আৰু সাৱধান হ'বা যেন তেওঁক মাৰিবলৈ যাওঁতে নিজে নমৰা।

—বাৰু দেখা যাব বুলি কৈ তেওঁ তেতিয়াই বেষ্ট লিনলৈ যাত্ৰা কৰিলে।

বেষ্ট লিনত সন্ধিয়া সময়ত লেভীছনৰ সঙ্গীবোৰৰ খেল বহিল। তৰ্কাতৰ্কি পৰামৰ্শ হ'ল। সকলো কঁকালত কাপোৰ বান্ধি সাজু হ'ল—লেভীছন পাৰ্লামেণ্টৰ সভ্যপদৰ প্ৰাৰ্থী হৈ কাৰ্লাইলৰ বিৰুদ্ধে উঠিল। পাছদিনাখন ৰাতিপুৱা বেষ্ট লিনৰ বাটে বাটে গছ-গছনিয়ে চিত্ৰ-বিচিত্ৰ আখৰেৰে লিখা জাননী কাকত ওলাবলৈ ধৰিলে।— মিং কাৰ্লাইল, মিং কাৰ্লাইলক ভোট দিবা, বুলি য'তেই কাৰ্লাইলৰ সভ্য নিৰ্বাচনৰ কাকত আছিল, তাৰ কাষতে সোঁহাতে আৰু একোখন জাননী কাকত—ছাৰ ফ্ৰান্সিছ লেভীছন, ফ্ৰান্সিছ লেভীছনক ভোট দিবা বুলি জাননী কাকত দেখা পোৱা গ'ল। সকলো অবাক! লেভীছনৰ বন্ধু এমুঠিৰ বাহিৰে আন সকলো ধনী-মানী, ডাঙৰ-সৰু, মতা-তিৰোতা আটায়ে দ্বিতীয় জাননী কাকতৰ ফালে চাই নাক কোঁচাই গুচি গ'ল। কাৰ্লাইলৰ দৰে আদৰ্শ পুৰুষ এজনৰ লগত ঘৃণিত চৰিত্ৰৰ কাপুৰুষ লেভীছনৰ তুলনা হয়? দুয়োৰে মাজত আকাশ পাতাল প্ৰভেদ নহয়নে?

কাৰ্লাইলেও কথা দেখি-শুনি অবাক। লেভীছনৰ ওপৰত অত্যন্ত ঘৃণাৰ ভাব উপজিল। মুহূৰ্তৰ পাছতে অন্তৰ গৰজি উঠিল। অন্তৰ আনন্দেৰে উপচি পৰিল; প্ৰতিযোগিতা মদত মত্ত হৈ উঠিল। তেওঁৰ বন্ধু-বান্ধৱবোৰ, বিশেষকৈ মাননীয় জাষ্টিছ হেয়াৰ, বিচাৰক স্কুৱাৰ পাইন, কেপ্টেন বিডেলকে আদি কৰি সকলোৱে তেওঁক অভয় দি উৎসাহ দিলে। কৃপণ স্বভাৱৰ কৰ্ণিয়ে এদিন কাৰ্লাইলক সেই পদৰ প্ৰাৰ্থী হোৱাত খৰচৰ ভয়তে গালি-শপনি পাৰিছিল; কিন্তু আজি তেৱোঁ কাৰ্লাইলৰ মন্ত্ৰদাত্ৰীৰূপে থিয় হ'লহি। কাৰ্লাইলৰ ভয় কি? মনতে তেওঁ গৰজি উঠিল—এই পাপীষ্ঠ লেভীছনেই মোৰ সৰ্বনাশ ঘটাই মোৰ জীৱন-প্ৰবাহৰ গতি পৰিৱৰ্তন কৰি দিছে। জালত বাঘ পৰিলে কোনে নীতিৰ বিচাৰ কৰি এৰি দিয়ে?

ধামধুম্ ফুচুলনি চলিল। নগৰ খলক লাগি উঠিল। বাটে-ঘাটে মানুহৰ জুম। শতকৰা ৯৯ জনৰ মুখতে কাৰ্লাইলৰ নাম শুনা গ'ল। কৰ্ণেলিয়া আৰু আন আন

বন্ধুসকলে কাৰ্লাইলক ফুচুলনিত লাগিবলৈ উপদেশ দিলে, কিন্তু কাৰ্লাইলে তাৰ প্ৰতি ঘৃণা ভাবহে দেখুৱালে আৰু ক'লে,—মই বিনা প্ৰতিদ্বন্দ্বিতাৰে সভ্য নিৰ্বাচিত হ'ম, কোনো সন্দেহ বা ভয় নাই। কাৰ্লাইল ভদ্ৰলোক হৈ বহি থাকিল। ইফালে লেভীছনৰ ফুচুলনিৰ শব্দত নগৰত দলদোপ হেন্দল্‌দোপ লাগিল।

এদিনাখন ভাটীবেলা বাৰবাৰা, মেডাম ভাইন আৰু লুছিক লগত লৈ ৱেষ্ট লিনৰ বজাৰৰ ফালে ফুৰিবলৈ গ'ল। মেডাম ভাইন চিন্তিত মনেৰে ওলাই গ'ল। তেওঁৰ অন্তৰত ভয়। সেই মানুহজন (লেভীছন) নগৰতে আছে; তাৰ সেই লীলাৰ ঠাইলৈ আগ বাঢ়ি যোৱা নিৰাপদ নহয়। কিন্তু উপায় নাই; তেওঁ আজি কাৰ্লাইলৰ দাসীহে, স্ত্ৰী নহয়, কাজেই নগৈ নোৱাৰিলে। বাটতে জাষ্টিছ হেয়াৰৰ পদূলিমুখত কৰ্ণিক লগ পালে। কৰ্ণিয়ে বাৰবাৰাক মাকৰ অসুখৰ কথা জনালে। হেয়াৰ দম্পতীয়ে হেনো আগৰ পুৰণিকলীয়া বেয়া সপোনত নিৰুদ্দেশ পুত্ৰনিধি ৰিচাৰ্ডক দেখা পাইছিল সেয়ে তেওঁৰ অসুখৰ কাৰণ। বাৰবাৰাই আতৌ-পুতৌকৈ মাকৰ ওচৰলৈ খোজ ল'লে। তাকে দেখি লুছিয়ে ক'লে—মই, ময়ো যাওঁ। বাৰবাৰাই খং মুখেৰে লুছিক টান মাৰি লৈ ধাই মাকৰ ওচৰত বহুৱাই দিলে। মেডাম ভাইনে এটোপা চকুলো টুকিলে।

কৰ্ণিয়ে মেডাম ভাইনক লগত লৈ বজাৰৰ ফালে খোজ ল'লে। অলপ দূৰ গৈ বাটৰ মূৰ এটা ঘূৰোঁতে এছাটি বতাহে মেডাম ভাইনৰ ওৰণিখন উৰাই নিলে। ভাইনৰ চুৰ্তি হেৰাল। লৰালৰিকৈ ওৰণিখন ভালকৈ ল'ব খোজোঁতে বিতচকুযোৰ সৰি মাটিত পৰি দুটুকুৰা হ'ল। মেডাম ভাইনৰ হাঁহাকাৰ লাগিল! তলৰ পিনে মুখ কৰিলে। তেওঁ এতিয়া কৰে কি? কলঙ্কৰ দাগ লাগি থকা উদং মুখখন সংসাৰত দেখুৱায় কেনেকৈ?

কৰ্ণিয়ে মূৰ্তি দেখিয়েই আচৰিত হ'ল। মনতে কৈ উঠিল,— হে প্ৰভু যীশু! মুখৰ আকৃতিৰ ইমানেই সাদৃশ্যনে? এওঁ লেডী ইছাবেল নহয়তো? মেডাম ভাইনৰ অন্তৰ কঁপি উঠিল। কোনো প্ৰকাৰে দুখোজমান আগলৈ দিওঁতেই দেখিলে চকুৰ আগতে ছাৰ ফ্ৰান্সিছ লেভীছন। সৰ্বনাশ! মেডাম ভাইনৰ মূৰৰ ওপৰত স্বৰগ ভাগি পৰিল। সি তেওঁক চিনি নাপাবনে?

কৰ্ণি আৰু মেডাম ভাইন দুয়ো বাটৰ মূৰতে থিয় হৈ থাকিল। লেভীছন দুজন লগৰীয়াৰ সৈতে তেওঁলোকৰ কাষেদি গ'ল। মেডাম ভাইনৰ অন্তৰ কঁপি উঠিল। লেভীছনে কৰ্ণিৰ ফালে চাই মূৰৰ টুপিটো দাঙিলে। ভদ্ৰতা দেখুৱাবলৈ নে ঠাট্টা-বিদ্ৰূপ কৰিবলৈ টুপিটো দাঙিছিল ক'ব পৰা নগ'ল। কিন্তু কৰ্ণিৰ হ'লে বৰ খং উঠিল। তেওঁ ক'লে,—মোক দেখি টুপি দাঙ? ইমান সাহ? মোক মিছ কাৰ্লাইল কৰ্ণেলিয়া বুলি পাহৰিলি? লেভীছনেও অৱজ্ঞাৰ সুৰেৰে উত্তৰ দিলে,—পাহৰা নাই, এদিন মাথোঁ

দেখিছিলোঁ। এই অপমানসূচক কথা শুনি কৰ্ণি জ্বলি-পকি উঠিল আৰু ক'লে—হেৰ ঘৃণিত জুৱাচোৰ, ৰেষ্ট লিনক অপমান দিলি বুলি মোকো সাহস কৰ? দুয়োৰে তৰ্ক-বিতৰ্ক লাগিল। লগৰ বন্ধু দুজনে ভেবা লাগি চাই থাকিল। মেডাম ভাইনে আধামৰা মেকুৰীজনীৰ দৰে এচুকত মৃত্যু নাম জপি থাকিল। চাৰিওফালৰপৰা নানা ৰকমৰ মানুহে, বিশেষকৈ স্কুবাৰ পাইনৰ কুলিবোৰে বেৰি ধৰিলে। কৰ্ণিৰ কথাত আটায়ে হয়-ভৰ দিলে। তৰ্ক-বিতৰ্কৰপৰা হতা-হতি হ'বৰ উপক্ৰম হ'ল; শেষত মাৰ মাৰ, ধৰ ধৰ শব্দ উঠিল। বাটৰ ল'ৰাছোৱালী আৰু কুলিবোৰে লেডীছনক ওচৰৰ গেলা পুখুৰী এটালৈ টানি নিলে। চাৰিওফালৰ ঠেলা-হেঁচাত ছাৰ ফ্ৰান্সিছ লেডীছনে পুখুৰীৰ বোকা পানীত পৰি লেটি ল'লে। দেহৰ অৱস্থা, মুখৰ আকৃতি কি চাবা? ৰেলৰ ইঞ্জিনত কয়লা দি ওলাই অহা কুলিটোহে যেনিবা।

মিছ কৰ্ণি খন্তেকো তাত নাথাকিল। দোকানৰ ফালে তেওঁ বেগ দিলে; পিছে পিছে মেডাম ভাইনেও খোজ ল'লে। এখন দোকানত সোমাই মেডাম ভাইনে বিতচকুযোৰ ভাল কৰিবলৈ দিলে আৰু আন এযোৰ বিতচকু বিচাৰিলে। সকলোবোৰ বগা দেখি নীলবৰণীয়া ঘোঁৰাৰ চকুত লগোৱা বিতচকুৰ দৰে এযোৰ ল'লে। কৰ্ণিয়ে মেডাম ভাইনৰ মুখৰ ফালে চাই থাকি সুধিলে,—মেডাম, তুমি কিয় বিতচকু পিন্ধা?

—চকুৰ জ্যোতি ভাল নহয়, বুলি ভাইনে উত্তৰ দিলে।

—কেলেই, চকু দেখোন বৰ সুন্দৰ দেখা যায়; কোনো দোষ নাই। বাৰু বুজিলোঁ; কিন্তু নীল ৰহণ লগোৱা বিতচকু কিয়?

—মই এই ৰৰণকে ভাল পাওঁ।

মিছ কৰ্ণিয়ে খন্তেক ভাবি আকৌ সুধিলে,—বাৰু, তোমাৰ খ্ৰীষ্টিয়ান নাম কি?

—জেন, বুলি ভাইনেও লগে লগে উত্তৰ দিলে।

এনেতে সমুখত "হুৰে, হিপ হিপ হুৰে" ধ্বনি শুনা গ'ল। দেখে যে বৰ ডাঙৰ লানি লগা শোভাযাত্ৰা। নগৰৰ ধনী-মানী, ভদ্ৰলোক, বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, ল'ৰাছোৱালী, আগত কাৰ্লাইল আৰু লৰ্ড মাউণ্ট চেভাৰ্ণ। তাৰ অলপ পাছতে আন এটা শোভাযাত্ৰা। কয়লাখনিত কাম কৰা কুলি সদৃশ এমুঠিমান মানুহ, আগত ছাৰ ফ্ৰান্সিছ লেডীছন, যেন কুলি চৰ্দাৰটোহে।

মিছ কৰ্ণিয়ে মেডাম ভাইনৰ কান্ধতে হাতখন থৈ ক'লে,—সৌজন কোন দেখিছানে? তেৱেঁই মোৰ ভাই আৰ্কিবল্ড কাৰ্লাইল। মেডাম ভাইনেও কাঠৰ পুতুলাৰ দৰে বৈ থাকি উত্তৰ দিলে,—হয়, দেখিছোঁ।

—আকৌ সৌজন কোন? সেইজন সমাজৰ কলঙ্ক, লম্পট কেপ্টেন লেভীছন। দুয়োজনকে ভালকৈ চোৱা, সিহঁতক বিজাই মিলাই চোৱা, ভালকৈ চাবা।

মেডাম ভাইনে হুমুনিয়াহ ছাৰি উত্তৰ দিলে,—এৰা।

কৰ্ণিয়ে ঘৃণাৰ সুৰেৰে কৈ উঠিল,—সেই তিৰোতাজনীয়ে এদিন এনেহেন মহানুভৱ পুৰুষজনক স্বামী এৰি সেই কুকুৰটোক স্বামী ভজিছিল। তাইৰ এতিয়া পাপৰ পৰাচিত অনুতাপ আহিছেনে? তুমি ভাবানে?

*

গধূলি বাহিৰে বাহিৰে মিছ কৰ্ণি ইষ্ট লিনত ৰাতি থকাকৈ উইলিয়ামৰ খবৰ ল'বলৈ আহিল। তেওঁৰ নিমিত্তে সুকীয়াকৈ ৰখা ঘৰত সোমাই কানি-কাপোৰ থৈ বহিছে মাথোন, এনেতে জেছি লিগিৰীয়ে তেওঁক দেখা দিলেহি। কৰ্ণিয়ে তাইক দেখিয়েই সুধিলে,—কথা শুনিছনে, জেছি?

—শুনিছোঁ মেডাম, বেছ হৈছে; যেনে কুকুৰ, তেনে টাঙোন, বেছ হৈছে। দুয়োৰে মাজত কথা ওলাল। মাজতে হঠাৎ কৰ্ণিয়ে কথাৰ সুৰ সলনি কৰি জেছিক সুধিলে,—জেছি, তই কৈছিলি যে মেডাম ভাইনক দেখিলেই এটা কথা মনত পৰে। কি কথা? কাৰ কথা মনত পৰে?

তাই নম্রভাৱে ক'লে,—মেডাম্, কেতিয়াবা কেতিয়াবা এনেকুৱা হয় যে মেডাম ভাইনক দেখিলেই লেডী ইছাবেল মেডামৰ কথা মনত পৰে; মুখৰ আকৃতি-প্ৰকৃতি, ব্যৱহাৰ-প্ৰণালী সমুদায় লেডী ইছাবেলৰ, আন কাৰো নহয় যেন পাওঁ। কিন্তু এই ঘৰৰ কথাতো জানে। ইয়াৰ চাৰিবেৰৰ ভিতৰত লেডী ইছাবেলৰ নাম কাৰো মুখত ওলাব নোৱাৰে, নিষেধ আদেশ আছে।

কৰ্ণিয়ে সুধিলে,—তই তেওঁক বিতচকু নলগোৱা অৱস্থাত দেখিছনে?

—নাই, কেতিয়াও দেখা নাই।

—মই আজি দেখিছিলোঁ, আৰু জেছি, মই কওঁ যে এনেকুৱা সাদৃশ্য দেখি একেবাৰে অবাক হৈছোঁ। মেডাম ভাইনক দেখিলে কোনে নক'ব যে মেডাম ভাইন, লেডী ইছাবেলৰ প্ৰেতাত্মা।

—আহা মেডাম, ধেমালি নকৰিব।

—মই কোনোবাদিনা ধেমালি কৰা পাইছনে? বাৰু সেইবোৰ কথা এৰ। উইলিয়ামৰ নৰিয়া যে বেয়া হোৱা বুলি শুনো?

—হয়, আগতকৈ মাষ্টাৰ উইলিয়ামৰ নৰিয়া বেয়াৰ ফালেহে আহিছে। আপোনাক কোনে ক'লে?

—আজি ভাটীবেলা মেডাম ভাইনে; তেওঁ বৰ বেয়া বুলিয়ে ক'লে আৰু তাৰ বাবে তেওঁ বৰ দুখ কৰিলে।

—হয়, তেওঁ হ'লে ল'ৰাটোৰ কথা মোক সদায় কৈ থাকে। তেওঁ ল'ৰাটোক বৰ ভাল পায়। তাৰ ওচৰতে সদায় পৰ দি বহি থাকে—চকু চলচলীয়া কৰি।

পাছদিনা ৰাতিপুৱা ফুলনিৰ মাজৰ ঘাঁহনিত লৰ্ড ভেন (মাউন্ট চেভাৰ্ণ লৰ্ডৰ পুতেক), লুছি, উইলিয়াম, আৰ্কি আটায়ে খেলা কৰি আছিল। মেডাম ভাইনে ওচৰতে আৰ্কিক পাই সাবট মাৰি ধৰি কোলাত সুমুৱাই লৈ নিজৰ শোৱা ঘৰত সোমালগৈ। ল'ৰাটোক পাৰেমানে চপ-চপ চপহকৈ চুমা খাই কত কি সুধিলে। মাতৃ-হৃদয়! সন্তানৰ স্নেহত পমি গ'ল। নিজক পাহৰিলে। আৰ্কিক বুকুত সুমুৱাই চুমা খাই থাকোঁতেই কাৰ্লাইল অফিছলৈ যাবলৈ ওলাই মেডাম ভাইনৰ ঘৰত সোমালহি—কিবা এটা কথা সুধিবলৈ বুলি। মেডাম ভাইনৰ কোলাত আৰ্কিক দেখি তেওঁ হাঁহি মাৰি ক'লে,—ইয়াত অনধিকাৰ প্ৰৱেশকাৰীবোৰৰো ঠাই আছেনে?

মেডাম ভাইনক কঁপি কঁপি থিয় হৈ থকা দেখি কাৰ্লাইলে তেওঁক বহিবলৈ কৈ নিজে এখন চকীত বহিল আৰু সুধিলে,—উইলিয়ামৰ খবৰ কেনে?

মেডাম ভাইনে বুকুত হাতখন দি মনক প্ৰবোধ দিলে। কাৰ্লাইলৰ লগত অকলে! মনতে ক'লে,—কোনো পাৰ্থক্য নাই। সাহসত ভৰ দি কৈ উঠিল,—দেউতা, সিদিনাখন কৈছিল যে তাক আকৌ এবাৰ ডাক্তৰক দেখুৱাব লাগে।

—এৰা, অতি সোনকালে তাক ল্লেলিন নগৰৰ ডাক্তৰ মাৰ্টিনৰ ওচৰলৈ নিব লাগে। পাছে মই সম্প্ৰতি বৰ ব্যস্ত আছোঁ, দেখিছাই নহয়? কামৰ বৰ ভীৰ। একোপধ্যে সময় কৰিব পৰা নাই।

মেডাম ভাইনে নিজকে পাহৰি কৈ উঠিল,—মোৰ লগত তাক পঠোৱাত কিবা আপত্তি আছেনে?

কাৰ্লাইলে হাঁহি মাৰি ক'লে,—নাই, কোনো ওজৰ-আপত্তি নাই। কিন্তু তুমি বা কিয় অনাহকত ইমান কষ্ট স্বীকাৰ কৰিবা?

কষ্ট স্বীকাৰ? নিজৰ পেটৰ পোৱালি এজন জীৱন-মৰণৰ দুৱাৰডলিত, তাৰ জীৱন ৰক্ষা কৰিবৰ বাবে কষ্ট স্বীকাৰ গৰ্ভধাৰিণী জননীয়ে নকৰিনো কোনে কৰিব?

সেইদিনা দুপৰীয়াই মেডাম ভাইনে বাৰবাৰা সতিনীৰ অনুমতি ক্ৰমে উইলিয়ামক ডাক্তৰ মাৰ্টিনৰ ওচৰলৈ নিবলৈ স্থিৰ হ'ল। গাড়ী আদিও সজোৱা হ'ল।

কাৰ্লাইলে কুৰিটা টকা মেডাম ভাইনৰ ফালে আগ বঢ়াই দি ক'লে, এইয়া ডাক্তৰৰ ফিজ কুৰি টকা।

মেডাম ভাইনে টপৰকৈ ক'লে,—নালাগে, বাৰু মযে ডাক্তৰৰ ফিজ দিম। কাৰ্লাইলে কথা শুনি আচৰিত হৈ মেডাম ভাইনৰ মুখৰ ফালে চাই হাঁহি মাৰি ওলাই গ'ল। মেডাম ভাইন ওৰফে লেডী ইছাবেল চিন্তা সাগৰত পৰিল।

মেডাম ভাইন, ইকি! ইমানতে অস্থিৰ! প্ৰতিজ্ঞা পাহৰিলানে? ধৈৰ্য্য ধৰা, ধৈৰ্য্য ধৰা। আৰু বহু বাকী আছে! সাৱধান!! সাৱধান!!!

২৪

আজি বেষ্ট লিনৰ ৰাইজৰ প্ৰতি পাৰ্লামেণ্টৰ সভ্যপদৰ প্ৰাৰ্থীসকলৰ অভিভাষণ দিয়াৰ দিন। কাৰ্লাইল, জাষ্টিছ হেয়াৰ, কৰ্ণেল বিডেল, স্কুৱাৰ পাইন প্ৰমুখ্যে ৰাইজসমূহ নিৰ্দিষ্ট ঠাইলৈ উলটি আহিল। সিফালৰপৰা ছাৰ ফ্ৰান্সিছ লেভীছনো কেইজনমান বন্ধু-বান্ধৱ লগত লৈ উভতি আহিল। অভিভাষণৰ কাম আৰম্ভ হ'ল—সভামণ্ডপ দৰ্শকেৰে ভৰি পৰিল। কাৰ্লাইলৰ অমায়িক ব্যৱহাৰ প্ৰণালী আৰু বক্তৃতাৰ মোহিনী শক্তিয়ে আটাইকে মোহিত কৰিলে। সকলোৱে একমুখে ধইন ধইন কৰিবলৈ ধৰিলে। আকাশ ভেদি ধ্বনি উঠিল—মিঃ কাৰ্লাইল জয়যুক্ত হুওক। সিপিনে লেভীছনৰ অভিভাষণত কোনো কোনো সঙ্গীয়ে শলাগিলে, কোনোৱে হাঁহিলে, কোনোৱেবা ঠাট্টা-বিদ্ৰূপকে বৰষিলে।

মিছেছ বাৰবাৰা কাৰ্লাইল গাড়ীত উঠি অভিভাষণ চাবলৈ গ'ল। যাওঁতে বাটতে ছাৰ ফ্ৰান্সিছ লেভীছনৰ বক্তৃতামণ্ডপত উপস্থিত হ'ল। বাট-পথ মানুহেৰে ভৰা আছিল। ঠেলি-হেঁচি গাড়ী গ'ল। লেভীছনে বাৰবাৰাক দেখিও নেদেখাৰ ভাও জুৰি নমস্কাৰ জনাবলৈ হাত নাদাঙিলে যদিও আগৰ দৰে হাত মোজা নিপিন্ধা ঢেক-ঢেকীয়া বগা হাতখনেৰে চুলিবোৰ পিছৰ ফালে আঁচুৰিলে। আঙুলিত থকা হীৰা খটোৱা আঙঠি

জিলিকি উঠিল। বাৰবাৰাৰ মনত পৰিল—ককায়েক ৰিচাৰ্ডে বৰ্ণনা দিয়া থৰ্ণৰ কথা। থৰ্ণৰ আকৃতি-প্ৰকৃতি যেন লেভীছনবো ঠিক তেনেই। বাৰবাৰা অবাক হৈ ভাবি-চিন্তি ঘৰলৈ উভতিল।

কাৰ্লাইলৰ মহৰি ডিল চাহাবে নিজৰ কাম সমাধা কৰি সেই অভিভাষণৰ ঠাই পালেগৈ। পুৰণি চিনাকি বন্ধু জেমছ চাহাবক লগ পাই পৰস্পৰে পৰস্পৰৰ কুশল বাতৰি সুধা-সুধি কৰিলে। কথাই কথাই দুয়ো অলপ আঁতৰি গ'ল। এনেতে পিফালৰপৰা মলিন কানি-কাপোৰ পিন্ধি ধলং-পলংকৈ কেপ্টেন অটৰে বিডেল আগত ওলালহি। জেমছে সুধিলে,—কিহে, এই মূৰ্তি ধৰি ক'ৰপৰা কেতিয়া আহিলা?

বিডেলে ডিঙি মেলি বক্তৃতামণ্ডপৰ ফালে চাই উত্তৰ দিলে,—এই চাৰি বজাৰ গাড়ীত আহিলোঁ। ইয়াত কি হৈছে?

—পাৰ্লামেণ্টৰ সভ্য পদৰ প্ৰাৰ্থী নিৰ্বাচন হৈছে।

—নহয়, নহয়, সেইজনে কি কৰিছে?

—সভ্যঁ পদৰ এজন প্ৰাৰ্থী—লেভীছনে চিঞৰি চিঞৰি ৰাইজক অভিভাষণ দিছে।

বিডেলে ডিলৰ ফালে চাই ক'লে,—মিং কাৰ্লাইলৰ বিৰুদ্ধে উঠিছে। বাঃ বেটাৰ কি সাহস!

—একেবাৰে অসম্ভৱ। যোৱা কালি অপমানৰ শেষ হৈছে!

—কেলেই, কি হৈছিল?

—কালি জাষ্টিছ হেয়াৰৰ নীল পুখুৰীৰ বোকা-পানী সানি নীলবৰণীয়া শিয়াল বজা পতা হৈছিল। তথাপি লাজ নহ'ল। ছিঃ! ছিঃ!

বিডেলৰ কৌতূহল উপজিল; ক'লে—ব'লাচোন এবাৰ, কোন লেভীছন নে ফেভীছন চাই লওঁ। মই দেখোন তেওঁক চিনি পাওঁ, চিনি পাওঁ যেন লাগে।

জেমছ, বিডেল, ডিল তিনিও মানুহৰ ভীৰ ঠেলি-হেঁচি লেভীছনৰ ওচৰ চাপিলগৈ। বিডেলে লেভীছনৰ ফালে খন্তেক আচৰিতভাৱে চাই থাকি কৈ উঠিল,—কেলেই, এওঁক কিহে ইয়াত মৰিবলৈ টানি আনিলে? এওঁ কি কৰিছে ইয়াত?

—কোনে? বুলি জেমছ আৰু ডিলে প্ৰশ্ন কৰিলে।

—সেই হাতত বগা ৰুমাল লৈ থকা মানুহজনে, বুলি বিডেলে আঙুলিয়াই দেখুৱালে।

—সেইজনেইতো ছাৰ ফ্ৰান্সিছ লেভীছন।

—কেতিয়াও নহয়, বুলি বিডেল উচাপ খাই উঠিল।—হে প্ৰভু! এইজন লেভীছন হ'লহি কোন দিনা?

এনেতে বিডেল আৰু লেভীছনৰ চকুৱে চকুৱে পৰিল। লেভীছন সেইপিনে শেঁতা পৰি গ'ল। দুয়োৰে অঙ্গী-ভঙ্গী দেখি ডিলে সুধিলে,—মিঃ বিডেল, তুমি লেভীছনক চিনি পোৱানে?

—অলপ অলপ পাওঁ!

জেমছে হাঁহি মাৰি কথাষাৰ সম্পূৰ্ণ কৰিলে—সি তেতিয়া লেভীছন নাছিল অন্য এজনহে যেতিয়া,—নহয়নে বিডেল?

খন্তেক থাকি জেমছ আৰু ডিল বাহিৰলৈ ওলাই আহিল। ডিলে সুধিলে,—মিঃ জেমছ, সি লেভীছন নহয় আন এজনহে বুলি বিডেলৰ সৈতে ইঙ্গিততে কি কোৱা-মেলা কৰিলা?

—সেই সভ্য হ'বলৈ অহা বৰ মানুহজন অৰ্থাৎ লেভীছন আগেয়ে এনে নাছিল।

—কেনেকৈ, কি আছিল তেন্তে?

জেমছে আৰম্ভ কৰিলে,—মই ইমান দিনে মুখ মেলা নাছিলোঁ; মোৰ তেনে অভ্যাস নাই; অৱশ্যে তোমাৰ আগত কথা ভাঙি কোৱাত কোনো আপত্তি নাই। যদি তুমি বিশ্বাস কৰা শুনা তেন্তে।

—এই বৰ মানুহ হ'বলৈ অহা ছাৰ ফ্ৰান্সিছ লেভীছন আগৰডোখৰ কালত মিছ এফি হেলিজনৰ প্ৰিয়পাত্ৰ গ্ৰাহক আছিল। সি তেতিয়া আন নামেৰে পৰিচিত আছিল। ছিঃ, ছিঃ, সিয়েই আহি মিঃ কাৰ্লাইলৰ বিৰুদ্ধে সভ্য পদৰ প্ৰাৰ্থী হৈ ওলাইছেহি!

কথা শুনি ডিলে জেমছৰ কান্ধৰ ওপৰত হাতখন থৈ সুধিলে,—তাৰ কি নাম আছিল তেতিয়া?

—থৰ্ণ, কেপ্টেন থৰ্ণ। তেতিয়া যেনে এতিয়াও তেনে। সি এজন আটকধুনীয়া লম্পট। সি সদায় সন্ধিয়া চোৱেনচানৰ আলিয়েদি ঘোঁৰাত উঠি এফিৰ ঘৰলৈ আহি তাইৰ লগত ৪/৫ ঘণ্টা ৰং-ধেমালি কৰি কটাই আকৌ ঘোঁৰা মেলি নিজৰ বহালৈ গুচি যায়গৈ।

—এই কথা তুমি কেনেকৈ জনা?

জেমছে হাঁহি মাৰি ক'লে,—এদিন ময়ো এফিৰ বাবে বলিয়া হৈছিলোঁ। মই বহুদিন গধূলি গধূলি তালৈ গৈছিলোঁ। সেই থৰ্ণ আৰু ৰিচাৰ্ড হেয়াৰ নোহোৱা হ'লে তাই মোৰেই হ'লহেঁতেন। সিহঁত দুজনৰ ভিতৰত তাই ৰিচাৰ্ডক বেছি ভাল নাপাইছিল। ক'বলৈ গ'লে থৰ্ণেই তাইৰ একচ্ছত্ৰী ৰজা আছিল।

বুধিয়ক ডিলে কঁপি কঁপি সুধিলে,—তেতিয়া তাক ফ্ৰান্সিছ লেভীছন বুলি জানিছিলানে?

—নাই। মই জানো, সি তেতিয়া থৰ্ণ নাম লৈছিল। যেতিয়া জানিলোঁ যে সিও সভ্য পদৰ প্ৰাৰ্থী হৈছেহি তেতিয়া মইতো বিডেলৰ দৰে অবাক। থৰ্ণ মৰি লেভীছন উপজিল। হাঃ, হাঃ হাঃ, জেমছে হাঁহিবলৈ ধৰিলে।

—বাৰু হৈছে, অটৰে বিডেলৰ বিষয়ে তুমি কি জানা?

—নাই, একো নাজানো। এইখিনি মাথোঁ জানো যে সি প্ৰায়েই এফিহঁতৰ ঘৰৰ ওচৰ-পাঁজৰৰ হাবিয়নিলৈ আহ-যাহ কৰিছিল। নেদেখিলা নে বিডেলে তাক চিনি পোৱাত সি কেনেকৈ সেমেনাসেমেনি কৰিবলৈ ধৰিলে?

—বাৰু, সি কি কাৰণে থৰ্ণ নাম লৈছিল? নিজৰ নাম সলালে কিয়?

—নাজানো কি কাৰণে। তাৰ নাম থৰ্ণ নে লেভীছন?

—গোবৰ-জাবৰ, বুলি কৈ ডিলে জেমছৰপৰা বিদায় লৈ কাৰ্লাইলক বিচাৰি গ'ল। মানুহৰ ভীৰৰ মাজে মাজে ঠেলা-হেঁচা খাই কাৰ্লাইলৰ অফিছত উপস্থিত হ'লগৈ। আৰু ফোঁপাই ফোঁপাই তেওঁৰ আগত সকলো ঘটনা বিৱৰি ক'লে,—দেউতা মই থৰ্ণক দেখা পাইছোঁ। সি কোন জানে?

কাৰ্লাইলে হাতৰ কাপ দাঙি ডিলৰ ফালে নিৰ্বাক হৈ চালে। ডিলে ক'লে,—দেউতা, সেই লেভীছনেই থৰ্ণ।

কাৰ্লাইলে ক'লে,—মই তোমাৰ কথা পতিয়াব নোৱাৰিলোঁ।

ডিলে জোৰেৰে ক'লে,—আজি আপোনাৰ প্ৰতিদ্বন্দ্বী লেভীছন, তাহানিৰ এফি হেলিজনৰ প্ৰিয়ভাজন থৰ্ণ। কথা ঠিক দেউতা।

কাৰ্লাইল চিন্তাত পৰিল। লাহে লাহে ক'লে,—নহয়, তুমি এই কথা ক'ত শুনিলা?

ডিলে সকলো ভাঙি-পাতি ক'লে; বিডেলে তাক চিনি পোৱা কথা, দেখা হোৱা সময়ত মুখৰ বৰণৰ সলনি, তাতে আকৌ জেমছৰ গুপ্তকথা স্বীকাৰ কৰা কথা।

কাৰ্লাইলে ডিলক কেইটামান প্ৰশ্ন জেৰা কৰি সুধিলে, তেওঁ শান্ত হ'ল—কথা বিশ্বাস হ'ল। ডিলে ক'লে,—দেউতা, এয়ে সোণালী সুযোগ, নহ'লে ৰিচাৰ্ড হেয়াৰৰ আৰু কোনো কালে মুক্তি নহ'ব।

—কিন্তু আৰম্ভ কৰা যায় কেনেকৈ?

ইফালে বাৰবাৰা বেগা-বেগিকৈ ঘৰ সোমালহি। বাটতে মেডাম ভাইন আৰু উইলিয়ামক লগ পালে। সি বাৰবাৰাক দেখি ক'লে,—মাই, আমি ডাক্তৰ মাৰ্টিনৰ তালৈ গৈছিলোঁ।

—মই এতিয়া সেইবোৰ শুনিব নোৱাৰোঁ বুলি বাৰবাৰা গুচি গ'ল। লেডী

ইছাবেলে কেইটোপমান চকুলো মচিলে। মাকেহে বুজে সন্তানৰ মৰম। উইলিয়ামতো বাৰবাৰাৰ সন্তান নহয়।

বাৰবাৰা ঘৰ সোমায়েই বাহিৰা কানি-কাপোৰবোৰ দলি মাৰি থৈ চিঠি লিখাৰ সঁজুলি আগত লৈ বহি মনৰ আবেগত কৈ গ'ল,—মই ৰিচাৰ্ডলৈ লিখোঁ। যেনেকৈ হওক ততালিকে ইয়ালৈ আহিব লাগে, একঘণ্টাৰ বাবে হ'লেও হয়। সি নাহিলে কথা উদ্ধাৰ নহয়। মই নিশ্চয়কৈ বুজিছোঁ এইজনেই সেইজন। ৰিচাৰ্ডে যি বৰ্ণনা দিছিল, ঠিক তেনেই মিলিছে।

তেওঁ এক উশাহতে চিঠি এখন লিখিলে আৰু গাড়ীত উঠি নিজে ডাকঘৰত দি আহিলগৈ। চিঠিত লিখিছিল—মিঃ স্মিথ, অতি আৱশ্যক—তুমি ততালিকে ইয়ালৈ আহিব লাগে। কিবা এটা কথাৰ বাবে—তুমি নিজে দেখাৰ প্ৰয়োজন। শনিবাৰে এইখিনি পোৱাকৈ আহিবা। আগৰ দৰে সন্ধিয়া এইখিনিতে উপস্থিত হ'বাহি।

লিভাৰপুলত থকা মিঃ স্মিথৰ ঠিকনাতে চিঠি গ'ল।

সন্ধিয়া কাৰ্লাইল ঘৰ সোমোৱা মাত্ৰকে বাৰবাৰা লৰি গৈ তেওঁক ক'লে,—আৰ্কিবল্ড, মই আজি এটা বৰ বেয়া কাম কৰিলোঁ।

কাৰ্লাইলে আচৰিতভাৱে সুধিলে,—কি কাম, মইনা?

—যিদিনাখন ৰাতি ৰিচাৰ্ড আমাৰ ফুলনিবাৰীলৈ আহিছিল সেইদিনা ৰাতিৰ কথা মনত আছেনে?

—কোন দিনাৰ কথা? সিতো কেবা দিনো আহিছিল?

—সেই দিনা নিশা, যিদিনা লেডী ইছাবেল ঘৰৰপৰা নিৰুদ্দেশ হৈছিল। বাৰবাৰাই কাৰ্লাইলৰ হাতৰ মাজতে হাত সুমুৱাই থৈ কৈ গ'ল,—তুমি ঘৰলৈ যোৱাৰ পাছতে ৰিচাৰ্ড উভতি আহি কৈছিলহি যে সি থৰ্ণক আওহতীয়া বাট এটাত লগ পাইছিল। সি কৈছিল যে থৰ্ণৰ হাতত হীৰা খটোৱা আঙঠি আৰু সি সদায় হাতেৰে আগফালৰ চুলিবোৰ পিছলৈ আঁচুৰি টানি নিয়ে। তোমাৰ মনত নাইনে?

কাৰ্লাইলে মূৰ দুপিয়াই উত্তৰ দিলে, এৰা,—আছে।

—তাৰ হাতৰ অঙ্গী-ভঙ্গীবোৰ ৰিচাৰ্ডে কোৱাৰ দৰে তেনেই মিলিছে। মই সেই চিনবোৰ বহুদিন ইষ্ট লিনত দেখিছোঁ। মইতো অবাক—তুমি তাক এতিয়াও চিনি পোৱা নাই! সেইদিনা নিশাৰপৰা মোৰ ঠিৰাং বিশ্বাস হৈছে—থৰ্ণক ঠিকৰূপে চিনা হৈছে, মোৰ বিশ্বাস থৰ্ণ আৰু কেপ্টেন লেভীছন একেজন মানুহ, দুজন নহয়।

দুয়ো খন্তেক নিমাত।

—বাৰবাৰা. এইবোৰ কথা মোক তেতিয়া নক'লা কেলেই?

—মই কেনেকৈ কওঁ। বিচার্ড জাৰকালিতে এদিন শেষবাৰ আহিছিল। সিদিনা সি কৈছিল যে সি ফ্ৰান্সিছ লেভীছন আৰু থৰ্ণক একেলগে দেখিছে। সেই কথাই মোৰ মনত সন্দেহ জন্মালে, কিন্তু আজি সেই ভুল বিশ্বাস দূৰ হ'ল। আজি মই ভাটীবেলা লেভীছনে বক্তৃতা দিয়া মণ্ডপৰ ওচৰেদি যোৱা আলিয়েদি ফুৰিবলৈ যাওঁতে গাড়ী লাহে লাহে যাবলগীয়া হৈছিল, কাৰণ মানুহৰ বৰ ভীৰ। সেই সুযোগতে লেভীছনৰ আকৃতি-প্ৰকৃতি মোৰ চকুত পৰিল। মই দেখিলোঁ যে বিচার্ডে থৰ্ণৰ যেনেকুৱা পৰিচয় আৰু বিৱৰণ দিছিল, সেইবোৰ তেনেই মিলিছে। মোৰ বিশ্বাস হৈছে, লেভীছনৰ চলন-ফুৰণবোৰ ঠিক থৰ্ণৰ দৰে। সেই অমঙ্গলীয়া সন্ধিয়া সিয়েই ভেৰোণীয়া ঘোঁৰাৰ গাড়ী বন্দবস্ত কৰিবলৈ গৈ আওহতীয়া বাটেৰে খোজ লৈছিল আৰু সেই গাড়ীতে সি লেডী ইছাবেলক লৈ গৈছিল। ৰিচার্ডে আমাৰপৰা বিদায় লৈ যাওঁতে লেভীছনক লগ পাই উভতি আহি আমাক কৈছিলহি যে থৰ্ণক দেখা পাইছিল। গতিকে থৰ্ণেই লেভীছন বা লেভীছনেই থৰ্ণ—এজন মানুহ। মোৰ সম্পূৰ্ণ বিশ্বাস হৈছে থৰ্ণ আৰু লেভীছন একেজন মানুহ।

কথা শুনি কাৰ্লাইলে হমুনিয়াহ ছাৰি শান্তভাৱে উত্তৰ দিলে,—এৰা, দুয়ো একেজন মানুহ।

কাৰ্লাইলৰো বিশ্বাস হোৱা জানি বাৰবাৰাই আনন্দ মনেৰে সুধিলে,—আহা! আৰ্কিবল্ড, তুমি এই কথা তেতিয়া জানিছিলানে?

—নাই, আজি গধূলি পৰ্য্যন্ত জনা নাছিলোঁ। আজি গধূলি ডিল, জেমছ আৰু অটবে বিডেল তিনিও হেনো লেভীছনৰ বক্তৃতা শুনি আছিল। বিডেলে বক্তাজনক চিনি পাইছিল, লেভীছন বুলি নহয়। কাৰণ সেই বক্তাজন লেভীছন বুলি কোৱাত সি উচাপ খাই উঠিছিল। লেভীছনেও বিডেলক দেখি সেইপিনেই শোঁতা পৰি গৈ সেমেনাসেমেনি কৰিবলৈ ধৰিলে। কাৰণ সোধাত বিডেলে একো নকৈ আঁতৰি গৈছিল। কিন্তু জেমছে ডিলৰ আগত সকলো কথা ভাঙি-পাতি কৈছিল যে লেভীছনেই থৰ্ণ আৰু সেই থৰ্ণেই এফি হেলিজনৰ ঘৰলৈ সদায় আহ-যাহ কৰিছিল।

বাৰবাৰাই উশাহ নোলোৱাকৈ সুধিলে,—জেমছে সেই কথা কেনেকৈ জানিছিল?

—কাৰণ জেমছে এফিৰ বাবে পাগল হৈছিল আৰু তাত সদায় থৰ্ণক দেখা পাইছিল আৰু সেইবাবে সি প্ৰায়েই উভতি আহিবলগীয়াত পৰিছিল। ব্যৰবাৰা, মোৰ এতিয়া বিশ্বাস হৈছে যে লেভীছনেই হেলিজন চাহাবক হত্যা কৰিছিল, আৰু কেও নহয়।

মনৰ আবেগতে বাৰবাৰাই আৰু বহুত কথা ক'লে। শেহত ক'লে,—প্ৰাণৰ

আর্কিবল্ড, ক'বলৈ পাহৰিছোঁ, মই ৰিচাৰ্ডক আহিবলৈ মাতি চিঠি লিখিছোঁ। চিঠি গ'ল। তাক শনিবাৰে গধূলি ইয়ালৈ আহিবলৈ মাতিছোঁ। মোৰ বিশ্বাস হৈছে লেডীছনেই ধৰ্ণ।

কাৰ্লাইলে বাৰবাৰ প্ৰত্যুৎপন্নমতি দেখি শলাগিলে আৰু ক'লে,—ভালেই কৰিছা, মইনা, আহিলে তাক ভালকৈ ৰাখিব লাগিব।

—তেনেহ'লে এতিয়া ৰিচাৰ্ডৰ উদ্ধাৰৰ বাবে কি কৰা উচিত?

—ৰিচাৰ্ড আহিলে কি কথা কেনেকুৱা হৈ উঠেগৈ অৱস্থা দেখিহে ব্যৱস্থা কৰা যাব। এতিয়া ৰিচাৰ্ডলৈ বাট চোৱাই শ্ৰেয়ঃ।

২৫

উইলিয়াম, মেডাম ভাইনৰ লগত লেলিন নগৰৰ ডাঃ মাৰ্টিনৰ ঘৰৰপৰা উভতি আহি দুখে-ভাগৰে অৱশ হৈ পৰিল। ডাক্তৰে তাৰ জীৱনৰ আশা দিব নোৱাৰিলে। মেডাম ভাইনে পুতেকৰ অন্তিম অৱস্থা দেখি প্ৰথমে নিৰলে কান্দি কান্দি চকু উখহালে; পাছত বিতচকুযোৰ নমাই থৈ উইলিয়ামৰ ফালে একেথৰে চাই থাকিল। সি কিছু সময় চকু মুদি থকাৰ পাছত উচাপ খাই উঠি সুধিলে,—মাই, মই মৰিবলৈ আৰু কিমান দিন আছে? মেডাম ভাইনৰ তাৰ প্ৰতি মৰম-চেনেহ দেখিয়েই হওক বা অন্তৰৰ টানতেই হওক, উইলিয়ামে মেডাম ভাইনক 'মাই' বুলি মাতিলে, বুকুখন যেন পাতল বোধ হ'ল, পোৱাকপলীয়া মেডাম ভাইন—ইছাবেলৰো অন্তৰখন শীতল পৰিল খন্তেকৰ বাবে। উইলিয়ামৰ কাতৰতাপূৰ্ণ কথাই ভাইনৰ অন্তৰ কঁপাই তুলিলে। তেওঁ আচৰিতভাৱে কৈ উঠিল,—কোনে ক'লে বাছা, তুমি মৰিবা বুলি?

—মই জানো, মই শুনিছোঁ—হানা আদি লিগিৰীহঁতে কোৱাকুই কৰিছে।

—নহয়, বাপ, নহয়। তুমি দুৰ্বলহে হৈছা, সোনকালে আৰোগ্য হ'বা।

—মা-ই—মেডাম ভাইন!

—বাপ!

—মোক ফাকি দিলে কি হ'ব? মইতো আৰ্কিৰ দৰে পানীকেঁচুৱা নহওঁ, যে মোৰপৰা কথা লুকাই ৰাখিব পাৰিবা। যদি মোৰ অৱস্থা বেয়া হোৱা নাই, তেন্তে কি কাৰণে ডাং মাৰ্টিনে তোমাক মোৰ ওচৰৰপৰা আঁতৰাই নি কিবা-কিবি কথা ফুচফুচাই তোমাৰ কাণত কৈছিল? অ, মই হ'বলা বুজা নাই? মই সকলো বুজিছোঁ। মোৰ মৃত্যু ওচৰ চাপিছে।

—নাই বাপ, নাই।

—তেনেহ'লে, ডাং মাৰ্টিনৰ ঘৰৰপৰা আহি তুমি কিয় ইমান দুখ মনেৰে আছা? মেডাম ভাইন, তুমি মোৰ নিমিত্তে কেলেই ইমান শোক কৰা? মইতো তোমাৰ ল'ৰা নহওঁ।

মেডাম ভাইন অস্থিৰ হৈ উঠিল। তেওঁ উইলিয়ামৰ মুখৰ ওপৰতে উবুৰি খাই পৰিল; চকু-পানী ধাৰাসাৰে বৰলৈ ধৰিলে। তাকে দেখি উইলিয়ামে ক'লে,—তুমি কান্দিছা কেলেই?

—বাছা! ঠিক তোমাৰ দৰে মোৰো এটা ল'ৰা আছিল। তোমাক দেখা পালেই তাৰ কথা মনত পৰে; সেই বাবেই কান্দো, বাপ।

—'অ', তাৰ নামো উইলিয়াম বুলি কৈছিলা নহয়? হু, মোৰ মনত পৰিছে।

লেডী ইছাবেলে তাৰ মুখৰ ওপৰতে মুখখন থৈ হুমুনিয়াহ কাঢ়িবলৈ ধৰিলে। সৰু সৰু হাত দুখন তেওঁৰ হাতৰ মুঠিত ৰাখি ক'বলৈ ধৰিলে,—উইলিয়াম, বাপ মোৰ! তুমি জানানে যে ভগবানে যাক বৰ ভাল পায়, তাকহে আটাইতকৈ আগেয়ে তেওঁ আঁতৰাই নিয়ে। তোমাৰ যদি মৃত্যু হয়, তেন্তে সংসাৰৰ সকলো আলৈ-আহুকাল, সুখ-দুখ, জ্বালা-যন্ত্ৰণা, শোক তাপ সোপাকে-ইয়াত এৰি থৈ স্বৰগলৈ যাবাগৈ। সৰুতে মৰা হ'লে ময়ো শতগুণে সুখী হ'লোহেঁতেন?

—তুমি মৰা হ'লে ভাল পালাহেঁতেননে?

—এৰা, ময়ো যথেষ্ট দুখ-কষ্ট পাইছোঁ, বাছা! যিমান পোৱা উচিত তাতোকৈ অধিক। কেতিয়াবা এনেকুৱা হওঁ যেন সংসাৰৰ নিকাৰ আৰু সহিব নোৱাৰোঁ।

—তেনেহ'লে এতিয়াও সেইবোৰ শেষ হোৱা নাই? এতিয়াও সেইবোৰ আছে?

—আছে, বাছা, আছে; সদায় থাকিবও; মোৰ মৃত্যু পৰ্য্যন্ত জ্বালা-যন্ত্ৰণা আছে। কেঁচুৱাতে মৰা হ'লে এইবোৰ নুভুগিলোঁহেঁতেন; জীৱন দুখেৰে ভৰি উপচি পৰিছে! আহা সংসাৰ! হে প্ৰভু দয়াময়!

—তোমাৰ কি দুখ, মেডাম?

—জ্বালা-যন্ত্ৰণা, নিৰ্য্যাতন, শাৰীৰিক, মানসিক চিন্তা, কষ্ট, শোক-তাপ আৰু কত কি? মই যি কষ্টেৰে জীৱন অতিবাহিত কৰিছোঁ তাৰ আধা-আধিও তোমাৰ

আগত ক'ব নোৱাৰোঁ, বাছা! তোমাৰ বৰ ভাগৰ লাগিছে, চকু মুদি টোপনি যাবলৈ ইচ্ছা নকৰানে?

—কৰোঁ।

—ঠিক তেনেকৈ ময়ো সংসাৰ জ্বালা-যন্ত্ৰণাত উটি-বুৰি ফুৰি তৎ নাপাই ভাগৰ লাগিলে শেষ শয্যাত শান্তি পাবলৈ কামনা কৰোঁ। কথা শুনি উইলিয়ামে মৰণৰ কথা উলিয়ালে। আৰু নানা ৰকমৰ বহু কথা পাতিলে। এনেতে বাৰবাৰা ঘৰৰ ভিতৰলৈ সোমাই আহিল।

বাৰবাৰাই প্ৰথমতে মেডাম ভাইনক ডা০ মাৰ্টিনে উইলিয়ামৰ অসুখৰ কথা কি কি কৈছিল সুধি ক'লে,—মেডাম ভাইন, তুমি ইমান মূল্যবান পুতুলাবোৰ ল'ৰাছোৱালীহঁতক কেলেই কিনি দিয়া? আমি সেইটো ভাল নাপাওঁ; ভৱিষ্যতে তুমি তেনে কাম নকৰিবা। লেডী ইছাবেলে বাৰবাৰাৰ কঠোৰ আদেশপূৰ্ণ কথা শুনি ওৰণিৰ তলতে চকুপানী টুকিলে। বাৰবাৰাই আকৌ সুধিলে,—তুমি লেভীছনক চিনি পোৱানে? প্ৰশ্ন শুনি ইছাবেলৰ অন্তৰত এটা কঁপনি উঠিল, ঘৃণা আৰু বেদনাপূৰ্ণ! তেওঁ লাহেকৈ উত্তৰ দিলে,—নাপাওঁ।

বাৰবাৰা ইছাবেলৰ ওচৰ চাপি আহি ক'লে,—মেডাম ভাইন, তুমি বোধহয় নাজানা যে পাপীষ্ঠ ফ্ৰান্সিছ লেভীছনেই এই গৃহস্থালিখন সৰ্বনাশ কৰিছিল।

লেডী ইছাবেলে আচৰিতভাবে ক'লে,—সৰ্বনাশ! কি সৰ্বনাশ!

মেডাম ভাইনে জনা নজনালৈ ভ্ৰূক্ষেপ নকৰি বাৰবাৰা উত্তেজিত হৈ ক'লে,—সেই লেভীছনেই লেডী ইছাবেলক তেওঁৰ ঘৰৰপৰা পলুৱাই নিছিল; বোধহয় তেৰোঁ যাবলৈ ইচ্ছুক আছিল। মই নাজানো কি কাৰণ—

ছদ্মবেশিনী মেডাম ভাইনে নিজক পাহৰিলে আৰু ক'লে—নহয়, নহয়, অন্ততঃ মই হ'লে তেনে নাভাবোঁ।

—বাৰু, সি যি কি নহওক, তেওঁ যে গৈছিল এইটো ঠিক। দ্বিতীয়তে, তেওঁ ইচ্ছাৰ বিৰুদ্ধে যোৱা নাছিল। তুমি ঘটনাটোৰ আঁতিগুৰি শুনিছানে?

লেডী ইছাবেলে লাহেকৈ ক'লে,—নাই। তেওঁ কোৱা উচিত আছিল—শুনিছোঁ, কিন্তু সেয়ে হ'লে যদি প্ৰশ্ন কৰে ক'ৰপৰা শুনিছা? তেতিয়া তেওঁ বিপদত পৰিব, কি উত্তৰ দিব? বাৰবাৰাই ভালকৈ বহি কৈ গ'ল,—সি ইষ্ট লিনত আছিলহি। সি ইংলণ্ডত ক'তো ঠাই নাপাইছিল। য'লৈকে যায়, তাতেই আটায়ে তাক লেই লেই ছেই ছেই কৰিছিল! মি০ কাৰ্লাইলে দয়া কৰি তাক ইষ্ট লিনলৈ মাতি আনিছিল; বিষধৰ সৰ্পক

মাতি আনি গাখীৰ খুৱাইছিল, তাৰ প্ৰতিশোধ স্বৰূপে চেনেহৰ ঘৈণীয়েকক হৰণ কৰিলে।

ইছাবেলে ঘৃণাপূৰ্ণ কথাৰে সুধিলে,—মিঃ কাৰ্লাইলে তাক কি কাৰণে মাতি আনিছিল?

—কেলেই মাতি আনিছিল! মেডাম ভাইন, তুমি উচিত কথা কৈছানে? সি যে এজন লম্পট জুৱাচোৰ মিঃ কাৰ্লাইলে তাক জানিছিলনে? আৰু যদি জানিছিলো লেডী ইছাবেল তেওঁৰ বিবাহিতা তিৰোতা নাছিলনে? তেওঁ ইছাবেলক কিবা অবিশ্বাস কৰিছিলনে? ইছাবেলৰ কিবা বিপদৰ কথা ভাবিছিলনে? যদি মিঃ কাৰ্লাইলে কাইলে গোটেই ইষ্ট লিন চহৰখনকে কুচৰিত্ৰৰ মানুহেৰে পূৰ কৰে, তেন্তে তাত মোৰ লোকচান কি হ'ব? মোৰ কি হ'ব? সেই বুলি মোৰ সুখ-সম্পদ, স্বামী-ভক্তি, তেওঁৰ প্ৰতি প্ৰগাঢ় স্নেহ টুটিবনে? তুমি কি ভাবা?

ইছাবেলে মূৰটো হাতৰ ওপৰত থৈ ভাবি থাকিল। কটা ঘাত লোণ আৰু খাৰৰ ছিটনি দি বাৰবাৰাই আকৌ আৰম্ভ কৰিলে,—অকলে অকলে বহি ভাবি-চিন্তি ইয়াকে পালোঁ যে সেই কুলাঙ্গাৰজনেই মিঃ কাৰ্লাইলৰ সৰ্বনাশ কৰিছে। তেওঁৰ অপমান, কলঙ্কৰ বাকী নোহোৱা কৰিছে। আৰু সেই নৰাধমেই মোৰো সৰ্বনাশ কৰিছে। হাত নমাই কোমল সুৰেৰে ক'লে,—শুনিছানে মেডাম! মোৰ এজন ভায়ে লাজ অপমানত বনবাস খাটিছে?

ইছাবেলে একো উত্তৰ নিদি মনে মনে থাকিল।

—সংসাৰে ক'ব যে ই ঘোৰ লাজ আৰু অপমানৰ কথা। কথা সঁচা, কিন্তু সি দোষী নহয়; তাৰ গাত মিছাকৈয়ে দোষ দিছে। আচল দোষী লেভীছন। বাৰু, মই তোমাক কথাটো কওঁ, শুনিবলগীয়া কথা।

বাৰবাৰাৰ কথা নুশুনিবলৈ ইছাবেলৰ কি স্বত্ব আছিল? শুনিব লাগে শুনিব; কিন্তু তেওঁ ভাবি আচৰিত হৈছিল যে লেভীছনৰ লগত ৰিচাৰ্ডৰ কি সম্বন্ধ আছিল।

বাৰবাৰাই ক'বলৈ ধৰিলে,—বহুত দিনৰ আগৰ কথা। তেতিয়া মই নিচেই সৰু ছোৱালীজনী আছিলোঁ। ৰিচাৰ্ড এফিহঁতৰ ঘৰলৈ অহা-যোৱা কৰিছিল; কাৰণ তাইৰ লগত ৰিচাৰ্ডৰ প্ৰীতিভাব আছিল। সিহঁতৰ ঘৰ সেই হাবিয়নিখনৰ মাজত চাগে দেখিছা। তাই বাপেক হেলিজন আৰু জেছিৰ লগত আছিল। ৰিচাৰ্ডৰ স্বভাৱ ভাল নাছিল; ডেকা মানুহৰ তেনে বয়সত তেনে হ'বই—আচৰিত হ'বৰ একো কথা নাই। এফিৰ তালৈ আন আন বহুত ডেকাৰ আহ-যাহ চলিছিল। কিন্তু তাই ৰিচাৰ্ডতকৈও বেছি ভাল পাইছিল আন এজনক—নাম থৰ্ণ। থৰ্ণ এজন অচিনাকি ডেকা।—সামাজিক

হিচাপে এজন গণ্য-মান্য ভদ্রলোক। তেওঁ সদায় সন্ধিয়া বেলিকা ঘোঁৰাত উঠি কোনোবা ফালৰপৰা আহিছিল আৰু ৰাতি হ'লে মনে মনে ঘোঁৰাত উঠি গুচি গৈছিল। এদিনাখন সন্ধিয়া এটা সাংঘাতিক হত্যাকাণ্ড হ'ল, বুঢ়া হেলিজন বন্দুকৰ গুলী খাই মৰি পৰি থাকিল। ৰিচাৰ্ড পলাল। তেওঁৰ বিৰুদ্ধে তেওঁক দেখা সাক্ষী ওলাল। বিচাৰত ৰিচাৰ্ডেই দোষী সাব্যস্ত হ'ল। মাই পুত্ৰ শোকত আতুৰ হৈ উঠিল। মই নিচেই সৰুজনী। পিতাও ৰিচাৰ্ডৰ বিৰুদ্ধে লাগিল। মাইৰ দুখৰ সীমা নোহোৱা হ'ল; কান্দি কান্দি অস্থিৰ হ'ল। ৪/৫ বছৰৰ মূৰত এদিন ৰিচাৰ্ড ক'ৰবাৰপৰা ছদ্মবেশে আমাৰ ঘৰত ওলালহি আৰু সি শপথ খাই ক'লে যে আচলতে সি হত্যাকাৰী নহয়, থৰ্ণ নামে এজন ডেকাহে। সি আকৌ গুচি গ'ল। তেতিয়া আমাৰ কাম হ'ল—কেনেকৈ সেই থৰ্ণক উলিওৱা যায়। সি কোন, ক'ত থাকে, ক'ৰপৰা আহে বা ক'লৈ যায়গৈ কোনেও একো ক'ব নোৱাৰিলে। কিছুদিন যোৱাৰ পাছত এজন থৰ্ণ ৱেষ্ট লিনলৈ আহিল। তেওঁ মহাৰাণীৰ ফৌজৰ এজন সৈন্যাধ্যক্ষ। তাৰ আকৃতি প্ৰকৃতি ৰিচাৰ্ডে কোৱা মতে কিছু কিছু মিলিল; মোৰ আৰু মিঃ কাৰ্লাইলৰ বিশ্বাস হ'ল; কিন্তু হয়নে নহয় ঠিৰাং কৰাৰ আগতে তেওঁ গুচি গ'লগৈ।

বাৰবাৰা কিছু সময় থামিল; মেডাম ভাইনো মনে মনে বহি থাকিল। এই গল্পৰ লগত তেওঁৰ কি সম্বন্ধ আছে?

বাৰবাৰাই আকৌ আৰম্ভ কৰিলে,—বছৰৰ পাছত বছৰ পাৰ হৈ গ'ল। এনেতে ফ্ৰান্সিছ লেভীছনে ইষ্ট লিনত থাকিবলৈ ল'লেহি। ঠিক এই সময়তে আমাৰ কেপ্টেন থৰ্ণ আকৌ এবাৰ ইষ্ট লিনত দেখা দিলেহি। আমি তেতিয়া তাক বিচাৰি উলিয়াবলৈ বৰ চেষ্টা কৰিলোঁ। এই কথা লৈয়ে মই সদায় মিঃ কাৰ্লাইলৰ ওচৰলৈ আহিব লগাত পৰিছিলোঁ আৰু সময় অসময় বাট নাচাই মই তেওঁক দেখা কৰিছিলোঁ। কাৰণ মাই পিতালৈ ভয় কৰি সেই কামত হাত দিবলৈ সাহ নকৰিছিল। সেই দেখি মই ফ্ৰান্সিছ লেভীছনক প্ৰায়েই দেখা পাইছিলোঁ, কিন্তু তেওঁ ইষ্ট লিনৰ আন কাকো দেখা নিদিছিল। সুধিলে কৈছিল যে তেওঁ বহুতৰ ওচৰত ধৰুৱা; পাওনাদাৰসকলক কোনোমতে দেখা নিদি লুকাই ফুৰিছিল। মোৰ কিন্তু সেই বিষয়ে সন্দেহ হৈছিল আৰু সেই কথা মিঃ কাৰ্লাইলক সোধাত তেৰোঁ কৈছিল যে সি ধাৰত পোত খোৱা হ'লেও ৱেষ্ট লিন বা ইষ্ট লিনত তাৰ কোনো পাওনাদাৰ নাছিল।

লেডী ইছাবেলৰ মনত এইবোৰ নতুন কথা নহয়; তেওঁ সকলো জানে, সকলো কথা জল-জল পট-পটকৈ মনত আছে। তেওঁ টপৰাই মাত লগালে,—তেন্তে সি কি অভিপ্ৰায়ে সমাজ এৰিছিল বা বাহিৰলৈ নগৈছিল? লেভীছনেও তেওঁক কোৱা মনত

আছে যে তেওঁ পাওনাদাৰসকললৈ ভয় কৰিহে তেনেটো কৰিছিল। বাৰবাৰাই উত্তৰ দিলে,—পাওনাদাৰসকলে দেখা ভয়তকৈ তাৰ মনত আন এটা ভয় আছিল। শুনা তেনে কওঁ,—কেপ্টেন থৰ্ণ ইষ্ট লিনলৈ অহাৰ সময়ত ৰিচাৰ্ডে মোলৈ লিখিছিল যে অলপতে তেওঁ এবাৰ ৱেষ্ট লিনলৈ আহিব। মই সেই খবৰ মিঃ কাৰ্লাইলক জনালোঁহি। মই ঘনাই ঘনাই তেওঁৰ ওচৰলৈ আহি এই কথাবোৰৰ পৰামৰ্শ কৰিব লগাত পৰিছিলোঁ। মাই একেবাৰে অস্থিৰ হৈ উঠিছিল আৰু মিঃ কাৰ্লাইলেও এই বিষয় বৰ তত্ত্বাবধান লৈছিল। কাৰণ মাই আৰু মিছ কৰ্ণি একে ঘৰৰ, একে বংশৰ জীয়াৰী। হেয়াৰ পৰিয়ালৰ কলঙ্কৰ চেকা কাৰ্লাইল পৰিয়ালৰ ওপৰতো পৰিব বুলি কাৰ্লাইলেও ৰিচাৰ্ডৰ উদ্ধাৰৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

ইছাবেলৰ সকলো কথা মনত পৰিলহি; অনুতাপৰ সীমা নোহোৱা হ'ল। তেওঁৰ মনত পৰিল—কাৰ্লাইল আৰু বাৰবাৰাৰ সেই দেখা-সাক্ষাৎ আৰু পৰস্পৰৰ মাজত হোৱা কথা-বাৰ্তাবোৰ তেওঁ কি অন্যায়ভাৱে ভাবিছিল! আহা! কি কাৰণে তেওঁ অযথা কু-ভাববোৰ মনত ঠাই দিছিল!

—ৰিচাৰ্ড আহিল। ততালিকে তাক কাৰ্লাইলৰ অফিছ ঘৰত লুকুৱাই ৰখাৰ বন্দবস্ত কৰা হ'ল আৰু কেপ্টেন থৰ্ণক বুধিৰে তালৈ নি ৰিচাৰ্ডক দেখুৱাবৰ দিহা কৰা হ'ল। সকলো ঠিকঠাক হ'ল; কাৰণ কেপ্টেন থৰ্ণে কিবা কাৰণত কাৰ্লাইলৰ পৰামৰ্শ ল'বলৈ আহিছিল। সেই নিমিত্তে ৰাতি ৮ বজাত অফিছ ঘৰত কেপ্টেন থৰ্ণ উপস্থিত হ'লহি। সেই ৰাতিটো কাৰ্লাইলৰ পক্ষে অমঙ্গলীয়া, আপদীয়া আৰু চিৰস্মৰণীয়। কাৰণ সেই নিশাই তেওঁৰ ঘৈণীয়েক লেডী ইছাবেল কাৰ্লাইল নিৰুদ্দেশ হয়।

লেডী ইছাবেল উচাপ খাই উঠিল।

—ইছাবেল আৰু কাৰ্লাইলৰ গধূলি এঠাইত নিমন্ত্ৰণ আছিল। কিন্তু কাৰ্লাইলে নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ যোৱা হ'লে ৰিচাৰ্ডৰ কামফেৰা নহ'লহেঁতেন। তেওঁ পৰোপকাৰী। সিদিনাৰ কথা বৰ গুৰুতৰ। পিতা ঘৰত নাছিল। মই মাইৰ ওচৰত বহি থাকি তেওঁক নানা প্ৰবোধ বাক্যেৰে ভোল নিয়াই ৰাখিছিলোঁ। কাৰণ ৰিচাৰ্ড প্ৰত্যেক মুহূৰ্ততে বিপদত পৰিব বুলি ভয় কৰিছিলোঁ। কাৰ্লাইলৰ অফিছত কাম শেষ হ'লে ৰিচাৰ্ডে আমাৰ ঘৰলৈ আহি মাইক দেখা দি যাবহি; কাৰণ মাই তাক বহুত দিন দেখা নাপাই বাউল হৈ উঠিছিল।

বাৰবাৰাৰ মাত বন্ধ হৈ চিন্তাত মগ্ন হ'ল। মেডাম ভাইনে মাত এবাৰো মতা নাছিল। তেওঁ তথাপি আচৰিত হৈ ভাবিছিল যে ৰিচাৰ্ড হেয়াৰ আৰু থৰ্ণৰ মাজত কি গুপ্ত কথা? ফ্ৰান্সিছ লেভীছনৰ লগতেই বা কি সম্বন্ধ। বাৰবাৰাই আকৌ আৰম্ভ

কৰিলে,—মই খিৰিকীৰ মুখৰপৰা বাহিৰফালে বহি আছিলোঁ, এনেতে দেখিলোঁ কাৰ্লাইল আৰু ৰিচাৰ্ড আহিছে। সময় প্ৰায় ৯/১০ টা মান হৈছিল। তেওঁলোক দুয়ো যেতিয়া মোক ক'লেহি যে ৰিচাৰ্ডে কোৰামতে সেইজন কেপ্টেন থৰ্ণ নহয়, তেতিয়া মোৰ মুখ শুকাই গ'ল। তথাপি মনত খু-দুৱনি থাকিল যে সেইজনেই থৰ্ণ আন কেও নহয়। তাৰ পাছত ৰিচাৰ্ড মাইৰ ওচৰলৈ গ'লগৈ। কাৰ্লাইল আৰু মই ফুলনিৰ মাজত ফুৰি ফুৰি বাটৰখীয়া হ'লোঁ—যদি পিতা আহি পায়হি তেন্তে কাৰ্লাইলে কথা পাতি তেওঁক বন্ধ কৰে মানে মই লৰি গৈ ৰিচাৰ্ডক ঘৰৰপৰা পিছফালৰ বাটেদি উলিয়াই পঠাম। ৰিচাৰ্ডে বহুত বেলি কৰিলে, আমিও সুন্দৰ জোনাক নিশা ফুলনিৰ মাজত ঘুৰি ফুৰিলোঁ।

হতভাগিনী ইছাবেলে আৰু কি শুনিব? নিজৰ সকলো কাহিনী মনত পৰি সেইপিনে দেই-পুৰি মৰিবলৈ ধৰিলে। তেওঁ কেলেই সেই নাৰকী পাপীষ্ঠ লেভীছনৰ মিছা মন ভুলোৱা কথাত কাণ দিছিল! আহা! কেৱল তেওঁলোকৰ জোনাক নিশা একে লগে ঘুৰি ফুৰা দেখিও তেওঁ এনেকুৱা নিষ্ঠুৰ প্ৰতিশোধ নোলোৱাকৈ থাকিব পাৰিলেহেঁতেন।

—শেষত ৰিচাৰ্ড ওলাই আহিল আৰু যেনেকৈ আহিছিল তেনেকৈ ছদ্মবেশেৰে গুচি গ'লগৈ—বনবাসী হ'বলৈ। কাৰ্লাইলো ঘৰলৈ গ'লগৈ। মইহে পিতাক বাট চাই বহি থাকিলোঁ। কেইমিনিটমানৰ পাছতে ঘৰৰ ওচৰৰপৰা কাৰ্লাইল আকৌ ঘুৰি আহিল। তেওঁ কিবা বৰ আৱশ্যকীয় কাকতৰ টোপোলা এটা আমাৰ ঘৰৰ মেজৰ ওপৰত এৰি থৈ গৈছিল। তেওঁ আকৌ গ'ল। এনেতে ৰিচাৰ্ড সেহাই ফোঁপাই লৰি আহি মোক ক'লেহি যে সি থৰ্ণক, সেই হত্যাকাৰী থৰ্ণক আওহতীয়া বাট এটাত লগ পালে। অলপ পৰ ভাবি থাকি কাৰ্লাইলৰ ঘৰলৈ ঢাপলি মেলিলোঁ। পদুলিমুখতে কাৰ্লাইলক লগ ধৰিলোঁগৈ।

—ৰিচাৰ্ডে থৰ্ণৰ বিৱৰণ দিলে, সেই গধূলি ফুৰা, সাজ-পাৰ, বগা হাত, হীৰা খটোৱা আঙঠি আৰু বিশেষকৈ কপালৰ আগৰ চুলিবোৰ পিছলৈ টানি নিওঁতে তাৰ হাতৰ অঙ্গী-ভঙ্গী বুলনি। সেই সময়ত মোৰ মনত ভাব হ'ল যে লেভীছনেই থৰ্ণ; থৰ্ণৰ বিৱৰণ লেভীছনত তেনেই খাপ খাই মিলিছে। কিন্তু কাৰ্লাইলৰ মনত যে কোনো সন্দেহ নুপজিছিল, ভাবি আচৰিত।

কথা শুনি লেডী ইছাবেল অৰ্থাৎ মেডাম ভাইনে মুখ মেলি চাই থাকিল—যেন কোনো কথাকে বুজি নাপালে। কিন্তু যেতিয়া সকলো কথা ফটফটীয়া হৈ উঠিল, ফ্ৰান্সিছ

লেভীছন হত্যাকাৰী। নহয়। কেতিয়াও নহয়। সি কুচৰিত্ৰৰ মানুহ হ'ব পাৰে, কিন্তু সি কেতিয়াও নৰহত্যাকাৰী নহয়।

—ক্ষন্তেক ৰ'বা। মই যে সন্দেহপূৰ্ণ কথা কাৰ্লাইলৰ আগত উনুকিয়াম তেনে নাভাবিবা। কথা বিশ্বাস কৰিবলগীয়া। আজি মই ফুৰিবলৈ যাওঁতে ৰেডেম হোটেলৰ আগত লেভীছনক দেখা পাইছোঁ। সি বক্তৃতা দিছে আৰু মাজে মাজে ধক্ ধক্ বগা হাত আৰু হীৰা খটোৱা আঙঠি পিন্ধা আঙুলিকেইটাৰে কপালৰ আগৰ চুলিবোৰ পিছলৈ টানি টানি নিছে। ৰিচাৰ্ডৰ থৰ্ণ আৰু এই লেভীছনৰ মাজত কোনো অমিল নাই। মোৰ হ'লে সম্পূৰ্ণ বিশ্বাস হৈছে এই লেভীছনেই সেই থৰ্ণ।

—একেবাৰেই অসম্ভৱ—বুলি ইছাবেলে গোঙোৰাভাৱে ক'লে।

—বাৰু আকৌ শুনা তেনেহ'লে, কাৰ্লাইল আজি গধূলি ঘৰলৈ আহিলত মই তেওঁক এই খবৰ ক'লোঁ। তেওঁ মোৰ কথাত বেছি কাণ নিদিলে; কাৰণ এই কথা ভাটীবেলা প্ৰকাশ হৈছে। লেভীছনৰ দুজন বন্ধুৱে তাক চিনি পাইছে, কাৰণ সিহঁতো এফিৰ ঘৰৰ অতিথি। ছিঃছিঃ, বৰ ঘৃণাৰ কথা!

ইছাবেলে বাৰবাৰাৰ মু'ৰ ফালে চাই থাকিল; তেওঁৰ তেতিয়াও কথা বিশ্বাস হোৱা নাছিল।

—নিশ্চয় ঘৃণাৰ কথা। সিয়েই হেলিজনক হত্যা কৰিছিল। মোৰ ভাই ৰিচাৰ্ডে মিছাতেহে সেই অপযশৰ ভাৰ বৈ নিৰ্য্যাতন ভুগিছে। সিদিনা ৰিচাৰ্ডে লেভীছনক ইছাবেলক লৈ যাবলৈ গাড়ী বিচাৰি যাওঁতে লগ পাইছিল, তাৰ বাহিৰে পিতায়ো সিহঁতক লগ পাইছিল। পিতা ঘৰ নৌপাওঁতেই সেই গাড়ীখনকে আমাৰ পদূলিৰ ওচৰত লগ পাইছিল। তেতিয়া সেই গাড়ীতেই ইছাবেল আৰু লেভীছন পলাইছিল। আহা! ইছাবেলে নাজানিলে যে তেওঁ কাৰ হাতত ধৰি পলাল! এজন নৰহত্যাকাৰীৰ লগত! সি অকল হত্যাকাৰীয়েই নহয়, তিৰোতা চোৰ! ভগৱানৰ অশেষ কৃপা যে ইছাবেল আজি এই সংসাৰত নাই! নহ'লে আজি তেওঁৰ মনৰ ভাব কেনে হ'লহেঁতেন।

কথা শুনি মেডাম ভাইন শেঁতা পৰি গ'ল। তেওঁৰ অৱস্থা দেখি বাৰবাৰা আচৰিত হ'ল আৰু ভাবিলে,—এওঁ নিশ্চয় লেভীছনৰ বিষয়ে কিবা জানে। শেহত সুধিলে,—লেভীছন তোমাৰ কি হয়?

ইছাবেলে অন্তৰত তয়াময়া যুদ্ধ কৰি কোনোমতে মনক দমাই ক'লে,—কথাবোৰ শুনি অন্তৰত বৰ ভয় লাগিছে। আহা! কি সাংঘাতিক কাণ্ড।

—সি তোমাৰ একো নহয়নে? তাৰ বিষয় একো নাজানানে?

—সি মোৰ কেও নহয়, মোৰ লগত তাৰ কোনো সম্পৰ্ক নাই। দেখা হিচাপে

তাক কালি দেখিছিলোঁ, যেতিয়া তাক মানুহবোৰে টানি নি পুখুৰীত পেলাই নীল বোল দিয়ে। আহা! কি মানুহ! দেখিলেই ভয় লাগে। গা শিয়ৰি উঠে।

—বাস্তৱিকে, মেডাম ভাইন। কিন্তু, মেডাম, বিশ্বাসতহে তোমাক এই কাহিনী ক'লোঁ। কাৰো আগত প্ৰকাশ নকৰিবা। তোমাকো আমাৰ ঘৰৰ এজন বুলিহে ধৰিছোঁ।

দুয়ো নিমাত। ইছাবেলে ভাবিলে,—ছাৰ ফ্ৰান্সিছ লেভীছন হত্যাকাৰী। তাৰ ফাঁচি হ'ব।

এনেতে কাৰ্লাইলে বাৰবাৰক মাত দিলে। বাৰবাৰাই লৰ মাৰি গৈ কাৰ্লাইলৰ বাহুৰ মাজত সোমাল আৰু নাচি-বাগি নিজ ঘৰত প্ৰৱেশ কৰিলেগৈ।

লেডী ইছাবেল—মেডাম ভাইন বিছনাত ভৰি হাত মেলি উবুৰি হৈ পৰিলগৈ। কাৰ্লাইলৰ নিচিনা মহানুভৱ স্বামী দেৱতাক এৰি নৰহত্যাকাৰী নৰাধম লেভীছনৰ দৰে কুকুৰ এজনৰ লগত নিৰুদ্দেশ হোৱা লেডী ইছাবেল সাৱধান! তুমি নিজৰ চিতা নিজে সাজিছা, নিজে খৰি-খেৰ যোগাই তাত ঘিউৰ ছিটনি দিছা, এই জুই সহজে নুমাবনে? পুওৱা, হেঁপাহ পলুৱাই এই জুই পুওৱা!

২৬

জনপ্ৰাণী শুন্য আওহতীয়া বাটেদি ঘূৰি ঘূৰি নাবিকৰ বেশেৰে সজ্জিয়া বেলিকা ৰিচাৰ্ড হেয়াৰ বাৰবাৰাৰ আগত থিয় হ'লহি। দুয়োৰে কি আনন্দ! পৰস্পৰে পৰস্পৰক আলিঙ্গন কৰি কুশল বাতৰি সোধা-সুধি কৰিলে। তাৰ পাছতে ৰিচাৰ্ডে সুধিলে,—বাৰবাৰা, মোক কেলেই মাতিছিলা? কি ঘটনা হৈছে?

বাৰবাৰাই হাঁহি মাৰি উত্তৰ দিলে,—মোৰ বিশ্বাস, থৰ্ণ আহিছে। তুমি তাক দেখা পালে চিনি পাবানে?

—আও, ভাল কৈছা। থৰ্ণক চিনি নাপামনে? থৰ্ণৰ জঁকাটো থাকিলেও চিনি পাম।

—পাৰ্লামেণ্টৰ সভ্য পদ নিৰ্বাচনৰ বাবে ব্ৰেষ্ট লিনত যুঁজ এখন লাগিছে, শুনা নাই জানো?

—খবৰৰ কাকতত পঢ়িছোঁ—কাৰ্লাইল আৰু ছাৰ ফ্ৰান্সিছ লেভীছন। বাৰবাৰা, সি কি সাহসে কাৰ্লাইলৰ লগত যুঁজিবলৈ আহিছে?

—ক'ব নোৱাৰোঁ, আমিও দেখি আচৰিত। এতিয়া সেইবোৰ এৰি পেলোৱা, ৰিচাৰ্ড। কোৱাচোন বাৰু, তুমি লেভীছনক কেনেকৈ জানিছিলা? তুমি কৈছিলা যে তুমি তাক জানিছিলা আৰু থৰ্ণৰ লগত তাক দেখিছিলা?

—তাক মই তেনেকৈয়ে জানো। মই তাক থৰ্ণৰ লগত দুবাৰ দেখিছিলোঁ।

—মোৰ বোধহয়, তুমি তাৰ ছাঁটোহে দেখিছিলা। বাৰু, তাক কেনেকৈ চিনিছিলা বা জানিছিলা বিৱৰি কোৱাচোন।

—মোক আন এজনে তাক আঙুলিয়াই দেখুৱাই দিছিল। মই থৰ্ণক আন এজনৰ হাতত ধৰাধৰিকৈ ফুৰা দেখিছিলোঁ। মই কোনজন থৰ্ণ বুলি সোধাত পানীবালাজনে ক'লে যে সি থৰ্ণক নাজানে, কিন্তু সেইজনৰ লগত ফুৰাজন হ'লে ছাৰ ফ্ৰান্সিছ লেভীছন। দুয়ো বৰ লগ, নলে গলে লগা বন্ধু—একে পথৰ পথিক, একে সমাজৰ ভকত।

—অ', এইদৰেই তুমি লেভীছনক চিনি পাইছা?

—এৰা, এইদৰেই, বাৰবাৰা।

—তেনেহ'লে ৰিচাৰ্ড, তুমি আৰু পানীবালা দুয়ো ভুল কৰিছা। হয়তো সি নোহোৱাজনক দেখুৱালে, নহয়তো তুমিয়েই আচলজনক নেদেখিলা। থৰ্ণেই ছাৰ ফ্ৰান্সিছ লেভীছন।

ৰিচাৰ্ড জাঁপ মাৰি উঠি চকু দুটা ঘোপা কৰি বাৰবাৰাক ক'লে,—তোমাৰ মূৰ, বাৰবাৰা। বাৰবাৰাই শান্তভাৱে কৈ গ'ল,—ক্ষান্ত হোৱা, ৰিচাৰ্ড। মন দি শুনা, যিদিনা তুমি আওহতীয়া ঘোপ মৰা আলি এটাত থৰ্ণক লগ পোৱা বুলি কৈছিলা, সেই নিশাৰপৰা মোৰ মনত সন্দেহ উপজিছে। তুমি বিৱৰণ দিয়া মতে তাৰ সেই কাৰ্য্য-কলাপবোৰ, যেনে—তাৰ বগা হাত, পিছৰ ফালে টানি আঁচোৱা চুলি, হীৰা খটোৱা আঙঠি এইবোৰ একমাত্ৰ লেভীছনৰ বাহিৰে আন কাৰো গাত দেখা নাযায়। তাতে আকৌ সিদিনা মই ৰেডেম হোটেলৰ আগেদি ফুৰিবলৈ যাওঁতে দেখিবলৈ পালোঁ যে সি তেতিয়া তাৰ পক্ষৰ মানুহক অভিভাষণ দিছিল; তুমি কোৱা আটাইবোৰ লক্ষণ দেখা পালোঁ, আন কাৰো গাত সেইবিলাক লক্ষণ দেখা নাযায়। তাৰপৰা আহিয়েই তোমালৈ চিঠি লিখিলোঁ—তুমি আহিলে ভাল হয়। গধূলি মিঃ কাৰ্লাইল ঘৰলৈ অহাত সেই কথা

ক'লোঁ। তেওঁ ক'লে যে থৰ্ণ আৰু লেভীছন এজন মানুহ—দুজন নহয়। কাৰণ সেইদিনা গধূলিয়েই ৰেডেম হোটেলত অভিভাষণ দিওঁতে তাৰ পূৰ্ব্বৰ দুই বন্ধু, অটবে বিডেল আৰু জেমছে তাক চিন ধৰিছিল।

ৰিচাৰ্ডে হৰিষতে উত্তৰ দিলে,—পাবতো। জেমছ সদায় এফিহঁতৰ ঘৰলৈ গৈছিল; তেতিয়াই থৰ্ণৰ লগত দেখাদেখি, চিনাচিনি হৈছিল। অটবে বিডেলেও তাক দেখিছিল, যদিও সি স্বীকাৰ নকৰিলে, বাৰবাৰ।

এনেতে কাৰ্লাইলক দূৰতে দেখা পাই আন মানুহ বুলি ভাবি ৰিচাৰ্ড লুকাল, কিন্তু পাছ মুহূৰ্ত্ততে কাৰ্লাইলক চিনি পাই উলটি আহিল আৰু তেওঁৰ ওচৰ চাপিল। কাৰ্লাইলে তেওঁৰ হাত জোকাৰি ক'লে,—এতিয়াও ভয় আছে, ৰিচাৰ্ড। ৰিচাৰ্ডে অলপমান মিচিকিয়াই হাঁহি সুধিলে,—মিঃ কাৰ্লাইল, বাৰবাৰাই ক'লে যে থৰ্ণ আৰু লেভীছন এজন মানুহ বুলি প্ৰমাণ হ'ল, হয়নে?

—সম্প্ৰতি তেনেকুৱাইতো দেখা গৈছে, ৰিচাৰ্ড। কিন্তু তুমি আগেয়ে যেনেকৈ থৰ্ণৰ লগত দেখাদেখি হৈছিলা, এতিয়াও কি কৰা যায় তাক থিৰ কৰাৰ পূৰ্বে তুমি নিজে লেভীছনক গুপ্তভাৱে এবাৰ চাব লাগে। পাৰিবানে?

ৰিচাৰ্ডে আগ্ৰহেৰে সুধিলে,—কেনেকৈ?

—এটা বুধি কৰা যাওক। তুমি আজি এতিয়াই ৰেডেম হোটেললৈ যোৱাগৈ। এই বেশেৰেই যোৱাগৈ, কাৰণ তাত নাবিকৰ দলৰ মানুহেই বেছি; কোনেও তোমাক চিনি নাপাব; তোমাক সিহঁতে সিহঁতৰ মাজৰে এজন বুলি ভাবিব। আৰু সিহঁতৰ মূৰত এতিয়া কেৱল নিৰ্বাচন ভূতে বাহ লৈছে। তাত সি ওলাই-সোমাই বন্ধুবোৰৰ মাজতে আছে। তাক তুমি নিশ্চয় চিনি পাবা।

—বাৰু যদি সিয়েই (লেভীছনেই) থৰ্ণ হয় তেন্তে কি কৰিব লাগিব?

—তাতেইতো লেঠা।

—কোনে কাৰ্য্য আৰম্ভ কৰিব? কোনে মোকৰ্দ্দমা চলাব?

—তুমি নিজেই কৰিব লাগিব, ৰিচাৰ্ড।

—মই? মই চলাব লাগিব? বুলি ৰিচাৰ্ড জাঁপ মাৰি উঠিল।

—নিশ্চয় তুমিয়েই। নহ'লে কোন আছে? মই এই কথা ভালকৈ ভাবি-চিন্তি চাইছোঁ।

—এই কামৰ ভাৰ আপুনি নলয় কেলেই?

—নলওঁ, লেভীছন হোৱা বাবেই নলওঁ।

—সি ৰসাতললৈ যাওক। আপোনাৰ নিচিনা আন এজনৰ এনে সৰ্বনাশ কৰা হ'লে তাক কেতিয়াও পৰাপক্ষত প্ৰতিশোধ নোলোৱাকৈ এৰি নিদিলেহেঁতেন।

—অৱশ্যে কথা সঁচা। হেলিজনৰ হত্যাকাণ্ডৰ বিষয় হোৱা হ'লে তাক ফাঁচি কাঠত দিহে এৰিলোঁহেঁতেন। কিন্তু নিজৰ অন্যায়ৰ প্ৰতিশোধ—উঁহু, লেভীছনৰ ওপৰত হাত নোতোলোঁ। তাক ৱেষ্ট লিনত দেখিবৰপৰা মোৰ মন উতলি উঠিছে। বহুত কষ্ট কৰিহে মনক প্ৰবোধ দি ৰাখিছোঁ, তাৰ নিচিনা নাৰকী কুকুৰৰ ওপৰত প্ৰতিশোধ যিজনে ল'ব পাৰে, "মোৰ প্ৰতিশোধ", সেই সৰ্বশক্তিমান ভগৱানে ল'ব। সি কোন কুটা? তেওঁৰ চকুত, তেওঁৰ বিচাৰত কেও সাৰিব নোৱাৰে। মই জানো সি হেলিজনৰ হত্যাকাৰী; সি সৰ্বদোষী। আৰু মই আঙুলি তুলিলেই তাৰ মৃত্যু অনিবাৰ্য্য। সেইদেখি মই তাৰ বিৰুদ্ধে হাত তুলিব নোখোজোঁ। মোৰ যি অন্যায় কৰিছে মই নকওঁ—সংসাৰে জানিব, সংসাৰে দেখিব আৰু প্ৰশংসা কৰিব—কাৰ্লাইলে এনে অন্যায়ৰ প্ৰতিশোধ লোৱা নাই দেখি। সেই বাবে মই তাত হাত নিদিওঁ, ৰিচাৰ্ড।

—তেনেহ'লৈ বাৰবাৰায়ো নোৱাৰেনে?

বাৰবাৰাই কাৰ্লাইলৰ গাত ধৰি কথা শুনি আছিল। তেওঁ বাৰবাৰাৰ ফালে চাই ক'লে,—বাৰবাৰা মোৰ তিৰোতা—সেয়ে উত্তৰ।

—তেনেহ'লে সকলো চেষ্টা অথলে গ'ল। মোৰ উদ্ধাৰৰ আশা এৰিলোঁ, মিঃ কাৰ্লাইল, বুলি কৈ ৰিচাৰ্ডে হতাশাৰ হুমুনিয়াহ কাঢ়িলে। কাৰ্লাইলে অভয় দি কৈ উঠিল,—কেতিয়াও আশা নেৰিবা। পিতাৰায়ো হাতত ল'ব পাৰে, কিন্তু তেওঁ নলয়। মাৰায়ো নোৱাৰে, তেওঁৰ শক্তি নাই। মোৰ হাত বন্ধ; বাৰবাৰা মোৰ তিৰোতা বুলিয়েই বন্ধ। বাকী থাকিলা তুমি। গতিকে তোমাৰ কাম তুমিয়েই আৰম্ভ কৰিবা। তুমি অলপো ভয় নকৰিবা। মই সকলো কথা ঠিকঠাক কৰি দিম, কিন্তু তাৰ পাছতেই মই আঁতৰিম, মোক আৰু নাপাবা। বাকীখিনি তুমি কৰিবা। তুমি কৈছিলা ক'ৰবাত হেনো নিৰল নিৰ্জন ঠাই আছে। সম্প্ৰতি তুমি তাত ৪/৫ দিনমান থাকাগৈ। মই মিঃ বল আৰু ট্ৰেডৰ লগত সকলো ঠিক কৰি দিম। তুমি সোমবাৰে গধূলি ঠিক এই সময়তে ইয়ালৈ আহিবা। কিন্তু উকীলৰ ঘৰলৈ যোৱাৰ আগেয়ে তুমি এবাৰ ৰেডেম হোটেললৈ যোৱাগৈ আৰু থৰ্ণ আৰু লেভীছন একেজন মানুহ হয়নে নহয় মিলাই আহি মোক কোৱাহি।

ৰিচাৰ্ডে কঁকালত কানি-কাপোৰ বান্ধি হাঁহিমুখেৰে—মই এতিয়াই সেই খবৰ লৈ আহোঁগৈ বুলি ৰেডেমৰ ফালে ঢাপলি মেলিলে।

ৰিচাৰ্ড ৰেডেম হোটেল পাই আন আন মানুহৰ মাজত সোমালগৈ। অলপ সময়

থিৰেৰে বহি থাকোঁতে দুজন আটকধুনীয়া ভদ্ৰলোক বাহিৰৰ ফালে ওলাই আহোঁতে ৰিচাৰ্ডৰ বন্ধুবোৰে কৈ উঠিল,—লেডীছনৰ জয় হ'ক, লেডীছনৰ জয় হ'ক। কথা শুনি ৰিচাৰ্ডৰ গা শিয়ৰি উঠিল। ৰিচাৰ্ডে দেখিলে দুজনৰ এজন তাৰ শত্ৰু থৰ্ণ, আনজন লণ্ডনত আঙুলিয়াই দেখুওৱা থৰ্ণৰ লগত ফুৰা ছাৰ ফ্ৰান্সিছ লেডীছন। সি তৎক্ষণাৎ ওচৰতে বহি থকা এজনক সুধিলে,—হেৰা, কোনজন লেডীছনহে? মানুহজনে উত্তৰ দিলে,—সেই টুপিটো দাঙি আমাৰ ফালে ধন্যবাদ জনোৱাজনেই। আৰু বেছি কেলেই লাগিছে? সেইজনেই ৰিচাৰ্ডৰ স্মৃতি ৰাজ্যত ঘূৰি ফুৰা চিৰশত্ৰু থৰ্ণ, কেপ্টেন থৰ্ণ। আগৰ সেই বগা হাত, পিছৰ ফালে টানি আঁচোৰা চুলি, আঙুলিত হীৰা খটোৱা আঙঠি, সকলো বিদ্যমান—জুলি আছে। বেছি নালাগে, অকল হাতখন দেখিলেই ৰিচাৰ্ডে শপথ খাই ক'ব পাৰে সি থৰ্ণ হয় নে নহয়। আকৌ সুধিলে,—সিজন কোন?

—লণ্ডনৰ কোনোবা বন্ধু ড্ৰেক নে ফ্ৰেক।

ৰিচাৰ্ডক পায় কোনে? সি একেচাৰেই কাৰ্লাইলৰ ওচৰ পালেহি।

পাছদিনা ৰাতিপুৱা কাৰ্লাইলে মিঃ বলক (এটৰ্ণি) দেখা কৰি ৰিচাৰ্ডৰ হেলিজনক হত্যা কৰাৰপৰা তেতিয়ালৈকে যি যি ঘটনা হৈছিল সকলো বিৱৰি ক'লে। ৰিচাৰ্ড যে তেনেই নিৰ্দোষ তাৰ প্ৰমাণবোৰ দেখুৱাই আৰু বুজাই দিলে। কথা বিশ্বাসযোগ্য হোৱাত ৰিচাৰ্ডৰ হকে ওকালতি কৰিবলৈ মিঃ বল আনন্দেৰে মান্তি হ'ল। সেইদিনা গধূলি ৰিচাৰ্ডে হেয়াৰৰপৰা বিদায় লৈ আঁতৰ হ'ল।

মিঃ বল আৰু ৰিচাৰ্ডৰ দেখাদেখি হ'ল, সিদিনাখন সোমবাৰ। ৰিচাৰ্ডে অন্তৰ খুলি সকলো বিৱৰি ক'লে। কিন্তু মিঃ বলে তাৰ কথা সঁচা বুলি বিশ্বাস কৰিলেও লেডীছন সম্বন্ধীয় কথাত আচৰিত মানিলে। ৰিচাৰ্ডে কিন্তু নেৰিলে। সি কৈ গ'ল। যিদিনা ৰাতি লেডী ইছাবেল নিৰুদ্দেশ হয়, সিদিনা লেডীছনক আওহতীয়া বাট এটাত লগ পোৱাৰ কথা; লেডীছনৰ লগত তাৰ লণ্ডনত এদিন মুখামুখি হোৱাৰ কথা; লেডীছনে তাক দেখিলেই ভয় খোৱা আৰু শেঁতা পৰি যোৱাৰ কথা; তাক আঁতৰ কৰিবলৈ লেডীছনে পুলিছ নিযুক্ত কৰাৰ কথা; সি ভেশছন কৰি কাৰ্লাইলৰ ঘৰত লুকাই থাকোঁতে জাষ্টিছ হেয়াৰলৈ বেনামা চিঠি লিখাৰ কথা, আৰু যোৱা শনিবাৰে ৰেডেম হোটেলত তাৰ দুজন পুৰণি বন্ধুৱে তাক চিনি পোৱাৰ কথা।

কথা শুনি মিঃ বলে ক'লে,—ৰিচাৰ্ড, তুমি থৰ্ণৰ বিষয়ে যি যি কথা কৈছা মই সকলো বিশ্বাস কৰিলোঁ; কিন্তু থৰ্ণেই যে লেডীছন, তাক হ'লে সম্পূৰ্ণকৈ বিশ্বাস কৰিব পৰা নাই।

ৰিচাৰ্ডে নিৰ্ভয়ে ক'লে,—তেনেহ'লে আপুনি তাৰ সন্তোষজনক সাক্ষী ল'ব

পাৰে। মোৰ বাহিৰে আন আন মানুহেও ক'ব পাৰে। প্ৰথমতে অটৰে বিডেলে সকলো জানে—যদি সি আসে নামাতে; নহ'লে জেমছে আঁতিগুৰি সকলো জানে।

মিঃ বলে আচৰিতভাবে সুধিলে,—জেমছ? সি ক'ব পাৰেনে? সি মোৰ অফিছত ইয়াতেই আছে।

—জেমছে থৰ্ণক বহুত দিন দেখিছে, দেখিলেই চিনি পাব। সি থৰ্ণক লেভীছন বুলি মতা শুনিছিল আৰু দেখিছিল, থৰ্ণেই লেভীছন। আপুনি তাক এবাৰ সুধি চোৱাই ভাল।

জেমছক মাতি পঠোৱা হ'ল; ৰিচাৰ্ড আন এটা ঘৰত সোমাই লুকাই থাকিলগৈ। অলপ পাছতে জেমছ আহি বলক নমস্কাৰ জনাই ক'লে,—কি কাম আছে, দেউতা?

—জেমছ, মই তোমাক দুটামান প্ৰশ্ন সুধিব খোজোঁ। তুমি ঠিক উত্তৰ দিবা। তুমি কেতিয়াবা লেভীছনক অন্য নামেৰে জানিছিলানে?

—হয় দেউতা জানো; তাৰ নাম এসময়ত থৰ্ণ আছিল।

—কেতিয়া?

—হেলিজন চাহাবৰ হত্যাকাণ্ড হোৱা সময়ৰ ভিতৰত। থৰ্ণে সদায় সেই ঠাইডোখৰত অৰ্থাৎ এফিহঁতৰ পঁজাঘৰৰ চাৰিওফালে হাবিয়নিত ঘূৰা-ঘূৰি কৰি ফুৰিছিল।

—তাত সি কিহৰ কাৰণে ঘূৰা-ঘূৰি কৰি ফুৰিছিল?

—সি এফি হেলিজনক বৰ ভাল পাইছিল।

—সি তেতিয়া ক'ত আছিল? মইতো তাক ৰেষ্ট লিনত দেখা নাই।

—সি ৰেষ্ট লিনত নাছিল, দেউতা। সি সদায় গধূলি বৰ সুন্দৰ বেগী ঘোঁৰা এটাত উঠি এফিৰ তালৈ আহিছিল আৰু তাইৰ লগত ২/৩ ঘণ্টা ৰং-ধেমালি কৰি ৰাতি হ'লে আকৌ ঘোঁৰা মেলি গুচি গৈছিল।

—ক'লৈ?

—চোৱেনচানৰ ওচৰত থকা লেভীছনৰ ঘৰলৈ গৈছিল।

ঘটনাৰ সোঁত কোনফালে ঢাল ল'লে মিঃ বলে জানিলে, বুজিলে। অলপ সময় ভাবি সুধিলে,—বাৰু জেমছ, তোমাৰ কিবা সন্দেহ হয়নে যে লেভীছন আৰু থৰ্ণ একেজন মানুহ?

—দেউতা, মই যেনেকৈ আপোনাক আৰু আপুনি মোক চিনি পায়, ঠিক তেনেকৈ ময়ো লেভীছন বা থৰ্ণক চিনি পাওঁ। নাই, কোনো ভুল নাই।

—সেই কথা তুমি ন্যায়-বিচাৰালয়তে শপথ খাই ক'ব পাৰিবানে?

—নিশ্চয়, নিশ্চয় পাৰিম; ক'বলৈ সাজু আছোঁ।

—বাৰু, এতিয়া তুমি তোমাৰ ৰংঘৰলৈ যোৱাগৈ।

তাৰ পাছত মিঃ বল আৰু ৰিচাৰ্ড দুয়োৰে মাজত ৰাতি দুপৰলৈকে কথা-বতৰা আলোচনা হ'ল। মিঃ বলে ৰিচাৰ্ডৰ কথাবোৰ সুন্দৰকৈ সজাই-পৰাই ল'লে। ৰিচাৰ্ডক বিদায় দি সম্প্ৰতি লিভাৰপুললৈ পঠাই দিলে। তাৰ ঠিকনা কাৰ্লাইল আৰু বাৰবাৰাৰ বাহিৰে আনে নাজানিলে।

পাছদিনাখন লৰ্ড মাউণ্ট ভেন ইষ্ট লিনলৈ আহিল। কাৰ্লাইলে তেখেতক লগত লৈ সন্ধিয়া কাক্‌ছহেড আমোদঘৰলৈ ফুৰিবলৈ গ'ল। বেষ্ট লিনত নিৰ্বাচনৰ গণ্ডগোলৰ ঢৌ উঠিছিল। ডিলে কাৰ্লাইলক দেখা পাই ওচৰ চাপি একাষৰীয়াকৈ মাতি নি লেডীছন আৰু অটৱে বিডেলৰ মাজত কাজিয়া লগা বুলি খবৰ ক'লে। কথাৰ ছলেৰে কাৰ্লাইলে ৰিচাৰ্ডৰ বিচাৰৰ প্ৰাৰ্থনা মিঃ বলৰ তাত শোধাই দিয়াৰ কথা ক'লে। বুঢ়া ডিলে আনন্দ মনেৰে কৈ গ'ল,—তেন্তে ময়ো সাক্ষী ক'ব লাগিব। মই এতিয়াই বল চাহাবৰ ওচৰলৈ যাওঁগৈ।

মিঃ বলে লেখি-মেলি ৰিচাৰ্ডৰ মোকৰ্দমা বিচাৰৰ নিমিত্তে আৰ্জি দাখিল কৰিলে।

২৭

—আজি আবেলি চাৰি বজাত পিতাৰ অফিছত ডাঃ মাৰ্টিনক দেখা কৰিব লাগে, নহয়নে, মেডাম ভাইন? বুলি দুপৰীয়া মাষ্টাৰ উইলিয়ামে ক'লে। লেডী ইছাবেলে উত্তৰ দিলে,—মই একো নাজানো, বাপ। তোমাক বোধহয় মাহীমাৰাই লৈ যাবগৈ।

—নহয়, তেওঁৰ লগত নাযাওঁ; তুমি তালৈ যাব লাগিব। কথা শুনি ইছাবেল বিবৰ্ণ হ'ল। নিজে নিজে মনতে কৈ উঠিল,—কাৰ্লাইলৰ অফিছ ঘৰলৈ? নহয়, নোৱাৰিম।

আচলতে উইলিয়ামৰ লগত বাৰবাৰা যাবৰ কথা আছিল, কিন্তু সিদিনাখন

কেইজনমান বন্ধু-বান্ধৱ ইষ্ট মিলনলৈ আহিব, সেই কাৰণে তেওঁ যাব নোৱাৰি ক'লে,—নহয়, মেডাম, মই নোৱাৰিম, তুমিয়েই যোৱাগৈ। লেডী ইছাবেলে, ময়ো নাযাওঁ, বুলি ক'ব পাৰিবনে? মাতৃ হৃদয়, কেতিয়াও নোৱাৰে। এই পৰীক্ষাতো তেওঁ উত্তীৰ্ণ হ'ব লাগিব, সকলো কৰিব লাগিব, সহিব লাগিব, মৰিব লাগিব। তেওঁ ইমান দিনে সকলো নীৰৱে সহ্য কৰা নাইনে?

উইলিয়ামে ঘোঁৰাত উঠি পিতাকৰ অফিছলৈ যাত্ৰা কৰিলে; পিছে পিছে ধাত্ৰীৰূপী মাক ইছাবেলেও খোজ ল'লে। কাৰ্লাইলে মাক-পুতেক দুয়োকে ডাক্তৰৰ লগত মিছ কৰ্ণিৰ ঘৰলৈ পঠাই দিলে। অলপ বেলিৰ পাছতে কাৰ্লাইলো তাত উপস্থিত হ'লগৈ। ডাক্তৰে পৰীক্ষা আৰম্ভ কৰিলে। উইলিয়ামৰ ৰোগ নিৰ্ণয় হ'ল—ক্ষয় কাহ। কথা শুনি কাৰ্লাইলে হুমুনিয়াহ কাঢ়ি ডাক্তৰক সুধিলে,—তেনেহ'লে তাৰ কোনো আশা নাই?

ডাঃ মাৰ্টিনে কাৰ্লাইলৰ ফালে চালে; ক'লে,—আপুনি মোক ঠিক ক'বলৈ দিছে?

—নিশ্চয়; সঠিক ক'বলৈ কৈছোঁ।

—তেনেহ'লে কোনো আশা নাই, মিঃ কাৰ্লাইল। কোনো ৰকমৰে আশা নাই। কলিজাটো একেবাৰে পচি গৈছে।

—আৰু কিমান দিন—!

—সেইটো মই ক'ব নোৱাৰোঁ। মাহচেৰেক বা ততোধিক, নাইবা অতি কম সময়তেও তাৰ শেষ হ'ব পাৰে। এতিয়া কোনো ৰকমে তাক আমনি নকৰিব। সি নিজ ইচ্ছামতে খাই-বৈ যিকেইদিন থাকে, থাকক; হকা-বাধা কৰি একো লাভ নাই— সম্পূৰ্ণ জিৰণি অৱস্থাত থাকক।

ডাঃ মাৰ্টিনে মেডাম ভাইনৰ ফালে চাই দেখে যে তেওঁ অচেতন হৈ ঢলি গৈছে! তাকে দেখি তেওঁ লৰালৰিকৈ সুধিলে,—তোমাৰ কি হ'ল, মেডাম ভাইন? কি হ'ল? —আৰু আথে-বেথে মেডাম ভাইনক তুলি ধৰিলেগৈ। ডাক্তৰৰ হাত লাগি তেওঁৰ চকুৰপৰা বিতচকুযোৰ সৰি পৰিল। এখন হাতেৰে বিতচকুযোৰ চকুতে টিপা মাৰি ধৰি আনখন হাতেৰে মুখখন ঢাকি এখন চকীত বহি ল'লে।—তোমাৰ অসুখ হৈছে, মেডাম ভাইন? বুলি কাৰ্লাইলো আগ বাঢ়ি আহিল।

মেডাম ভাইনৰ পৰিচৰ্য্যা কৰাৰ লগে লগে কাৰ্লাইল আৰু ডাঃ মাৰ্টিনে উইলিয়ামৰ নৰিয়া সম্পৰ্কীয় নানা কথা পাতিলে। ইয়াৰ ভিতৰতে মেডাম ভাইন ওৰফে ইছাবেলে সংজ্ঞা লাভ কৰি নিজক চম্ভালি ল'লে। ডাক্তৰ মাৰ্টিন কাৰ্লাইলৰ লগত ওলাই গ'ল। ইছাবেলে মূৰ দোঁৱাই ডাক্তৰক নমস্কাৰ জনালে। ডাঃ মাৰ্টিনে

বাটত যাওঁতে কার্লাইলৰ আগত কৈ গ'ল,—আপোনাৰ ধাত্ৰীজনী বৰ মৰমিয়াল; উইলিয়ামৰ প্ৰতি তেওঁৰ অপৰিমিত চেনেহ। তাক লেলিন নগৰলৈ নিবৰ দিন ধৰি তাৰ প্ৰতি তেওঁৰ এনে মৰম-চেনেহ লক্ষ্য কৰিছোঁ। তেওঁ অচেতন হোবাৰ প্ৰধান কাৰণো উইলিয়ামৰ আগন্তুক মৃত্যু কথা জনাটোৰেই।

ডাক্তৰ মাৰ্টিনক আগ বঢ়াই থৈ আহি কাৰ্লাইল ইছাবেলৰ ওচৰ চাপিলহি আৰু কৈ উঠিল,—বৰ শোক আৰু পৰিতাপৰ কথা, মেডাম ভাইন। বোধহয় তুমি এই কথা আগধৰি জানা।

ইছাবেল চমক খাই উঠিল। তেওঁ খিৰিকীৰ মুখলৈ গৈ কোঁচ-মোচ খাই থিয় হৈ থাকিলগৈ। তেওঁৰ সমস্ত শৰীৰ জিকাৰ খাই উঠিল, কপালত ঘাম দেখা দিলে। কাৰ্লাইলৰ লগত নিজৰ ল'ৰাছোৱালী সম্বন্ধে এনে বিশ্বাসী ভিতৰুৱা কথা আলোচনা কৰিবলৈ তেওঁ পাৰিবনে? তেওঁ হাতৰপৰা হাত মোজা খহাই থৈ হাতেৰে কপালৰ ঘাম মচি ক'লে,—মই ল'ৰাজনক বৰ ভাল পাওঁ, দেউতা। ডাক্তৰৰ কথা শুনিয়ে মোৰ অন্তৰ কঁপি উঠিল, জ্ঞান নোহোৱা হ'ল।

কাৰ্লাইল আগ বাঢ়ি গৈ লাহে লাহে লেডী ইছাবেলৰ একেবাৰে কাষতে থিয় হ'লগৈ। ক'লে,—তুমি বৰ দয়ালু আৰু মৰমিয়াল। তুমি মোৰ নৰিয়া ল'ৰাজনৰ ওপৰত খুব নজৰ ৰাখিছা দেখি বৰ সুখ পাইছোঁ। কথা শুনিও ইছাবেলে একো উত্তৰ নিদিলে। তেওঁ আকৌ ক'লে,—এই কথা বাৰবাৰাক নক'বা, ময়ে নিজে ক'ম; হঠাৎ এইবোৰ শুনিলে তেওঁ মনত বৰ আঘাত পাব পাৰে।

—আঘাত! কেলেই, তেওঁৰ কি হ'ব? তেওঁতো তাৰ মাক নহয়? কথাকেষাৰ ইছাবেলে এনেকুৱা উত্ৰাবলভাৱে, খঙাল মূৰ্তিৰে ক'লে যে কথাবোৰত বাৰবাৰাৰ ওপৰত ঘৃণাৰ ছিটনি পৰিল। ইছাবেলে ততালিকে নিজৰ মূৰ্তি সুঁৱৰিলে আৰু নিজকে নিজে চম্ভালি ল'লে। আটায়ে ঘৰমুৱা হ'ল, লগে লগে কাৰ্লাইল আৰু ইছাবেল দুয়োৰে মাজত উইলিয়ামৰ স্বাস্থ্য সম্বন্ধে নানা কথা আলোচনা হ'ল।

ঘৰলৈ যাওঁতে বাটতে জাষ্টিছ হেয়াৰৰ পদূলিমুখত তেওঁক লগ পালে। জাষ্টিছ হেয়াৰে কাৰ্লাইলক দেখিয়েই সুধিলে,—মিঃ কাৰ্লাইল, এইবোৰ কিহে, কিবা পুনৰ বিচাৰৰ প্ৰাৰ্থনাৰ আৰ্জি দাখিল কৰাৰ কথা শুনো? কথাটো হয়নে? তুমি কি জানা?

—নাই, একো নাজানো। মইতো কোনো আৰ্জি দাখিল কৰা শুনা নাই।

—বোধহয় কোনোবা উকীলে ৰিচাৰ্ডক নিৰ্দোষ প্ৰমাণ কৰিবলৈ চাইছে যে ৰিচাৰ্ডে কেতিয়াও হেলিজনক হত্যা কৰা নাই।

—হয়নে? বুলি কাৰ্লাইল আচৰিত যেন হৈ উঠিল।

ৰৰ দয়ালু আৰু মৰমিয়াল। তুমি মোৰ নৰিয়া ল'ৰাজনৰ ওপৰত .
খুব নজৰ ৰাখিছা দেখি বৰ সুখ পাইছোঁ।

—লেভীছনে কৰিছে, লেভীছন। কাৰ্লাইলে একো উত্তৰ নিদিলে।—কিন্তু এইটো হ'ব নোৱাৰে; মইতো ভাবোঁ ই অসম্ভৱ।

কাৰ্লাইলে ক'লে,—যিমানদূৰ জানো, ৰিচাৰ্ড সেই বিষয়ে নিৰ্দোষ।

—আৰু সেই লেভীছন দোষী?

—সেই বিষয়ে মোৰ মাত বন্ধ; মই একো নকওঁ।

—এইটো অসম্ভৱ, কাৰ্লাইল। ৰিচাৰ্ডক নিৰ্দোষ প্ৰমাণ কৰা বৰ টান হ'ব; যদি হয়, পৃথিৱী তল-ওপৰ হ'ব।

—কেতিয়াবা কেতিয়াবা তেনে হয়। ৰিচাৰ্ড যে নিৰ্দোষ এই কথা দেখাদেখিকৈ প্ৰমাণ হৈছে।

—যদি আনজন দোষী প্ৰমাণিত হয় তেন্তে তুমি তাক হাত-কেৰেয়া লগাই ফাঁচিকাঠত ওলমাই দিবাগৈ?

—মই তাক হাতেৰে নালাগে, মাৰিবৰেও চুবলৈ নাযাওঁ।

—ৰিচাৰ্ড তেনেহ'লে নিৰ্দোষ প্ৰমাণিত হ'ব? যদি কথা সঁচাই হয় তেন্তে সি কেলেই লুকাই-পলাই ফুৰিছে? ওলাই আহি দেখা দি সেই কথা নকয় কেলেই?

—আপুনি তাক ধৰি ফাটেকত দিয়ে বুলি। আপুনি তেনে কৰিম বুলি শপথ খোৱা নাছিলনে?

—আহা, কাৰ্লাইল। ইছাবেল জীৱিত থকা হ'লে সেই পাপীষ্ঠৰ ওপৰত কেনে উপযুক্ত প্ৰতিশোধ ল'ব পাৰিলাহেঁতেন! আৰু তেবোঁ সেইবাবে কেনে অনুতাপ কৰিলেহেঁতেন! পাপৰ পৰাচিত হ'লহেঁতেন।

—তেনেকৈ বহুতৰে মনত পাপৰ পৰাচিতৰ অনুতাপ আহে।

সকলো ঘৰা-ঘৰি গ'ল। কাৰ্লাইলে উইলিয়ামৰ হাতত ধৰি খোজ কাঢ়ি ইষ্ট লিন পালেগৈ। ইছাবেলে পিছে পিছে নিৰ্য্যাতনৰ বোজাটো বুকুত বান্ধি ভগা অন্তৰেৰে নিজৰ শোৱনি ঘৰত সোমালগৈ।

জাষ্টিছ হেয়াৰৰ ঘোৰ ভাবনা। ৰিচাৰ্ড নিৰ্দোষ। যি ৰিচাৰ্ড-পুত্ৰক তেওঁ নিজে ফাঁচিকাঠত তুলি দিবলৈ সাজু হৈছিল, সেই ৰিচাৰ্ড আজি বিশ্ব-জগতৰ চকুত নিৰ্দোষ। আৰু ছাৰ ফ্ৰান্সিছ লেভীছন দোষী! পৃথিৱী তল-ওপৰ হ'ল।

পাছদিনাখন ৰাতিপুৱা ১০ মান বাজিছে। ৱেষ্ট লিনত নিৰ্বাচনৰ ভোটৰ হেন্দোলনিত দল্‌দোপ হেন্দোল্‌দোপ লাগি উঠিল। ৱেষ্ট লিনত ওচৰ-চুবুৰীয়া ঠাইবোৰৰ ডাঙৰ-সৰু, ধনী-মানী, সুখী-দুখী আটায়ে নিৰ্বাচন চাবলৈ ৱেষ্ট লিনৰ বাটে ঘাটে নধৰা

হ'লহি। সেই নৰাধম পাতকী নিলাজ লেভীছন কাৰ্লাইলৰ বিৰুদ্ধে উঠা দেখি মানুহৰ ভীৰ আৰু বেছি হৈ উঠিল।

মিছেছ বাৰবাৰা কাৰ্লাইল ল'ৰাছোৱালীৰে সৈতে মেডাম ভাইনক লগত লৈ গাড়ীৰে বেষ্ট লিননৈ নিৰ্বাচন চাবলৈ গ'ল। ইছাবেলে ইচ্ছাৰ বিৰুদ্ধে কোঁচ-মোচ খাই ভিজা মেকুৰীজনী যেন হৈ তালৈ গ'ল। তেওঁ মিছ কৰ্ণিৰ ঘৰত উঠিল। তাত দেখিলে যে মিছেছ হেয়াৰ, হাৰ্কীটৰ পৰিয়ালৰ আটায়ে আৰু আন আন বহু ভদ্ৰ পৰিয়ালে কৰ্ণিৰ ঘৰৰ ওপৰ তলাৰপৰা নিৰ্বাচনৰ ধেমালি চাইছে। কাৰ্লাইলে আলিৰপৰা তেওঁলোকক দেখি এবাৰ ভিতৰলৈ আহিল। সকলোৰে সজ ইচ্ছা আৰু শুভাশিস মূৰত লৈ হাঁহিমুখে নিৰ্বাচনৰ ঠাইলৈ ওলাই গ'ল।

নিৰ্বাচন আৰম্ভ হ'ল। ছাৰ জন ডুবিডে কাৰ্লাইলক সভ্য পদত নিৰ্বাচিত হ'বৰ বাবে প্ৰস্তাৱ কৰিলে। মিঃ হাৰ্কীটে প্ৰস্তাৱ সমৰ্থন কৰিলে। লগে লগে লৰ্ড মাউন্ট চেভাৰ্ণ আদি মুখিয়ালসকলে তাত হয়ভৰ দিলে—হাত চাপৰিৰ ৰোল উঠিল। হাত তুলিবৰ সময়ত দেখা গ'ল মিঃ কাৰ্লাইলৰ নামত প্ৰায় সকলোৱে হাত তুলিলে। আন ফালৰপৰা লেভীছনৰ পক্ষৰ দুজন ভদ্ৰলোকে লেভীছনক প্ৰস্তাৱ কৰিলে। লেভীছনৰ নামত অলপ কেইজনমানেহে হাত তুলিলে। লেভীছনৰ বন্ধুসকলে বৰ লাজ পালে। সভামণ্ডপত হুলস্থূল লাগি পৰিল। কাৰ্লাইলক আটায়ে বেৰি ধৰি শলাগিবলৈ ধৰিলে। কৰ্ণিৰ ঘৰৰ ওপৰ তলাৰ বাৰান্দাৰপৰা মহিলা-সমাজৰ জয়ধ্বনি, উৰুলি আৰু হাঁহি শুনা গ'ল।

লেভীছনে মিঃ ড্ৰেকৰ সৈতে এফলীয়াকৈ ওলাই গ'ল। ড্ৰেকে ক'লে,—সেইকেইজনী চোৱাচোন, কেনে সৌন্দৰ্য্য ৰাণী। আহা! মই আগতে কৈছিলোঁ নহয়, লেভীছন, যে তুমি কাৰ্লাইলৰ বিৰুদ্ধে উঠাত ভুল কৰিছা। তোমাক আগতে নামটো তুলি ল'বলৈ কোৱা নাছিলোঁনে?

লেভীছনে খং মুখে কৈ উঠিল—কাপুৰুষ নেকি? নহয়, কেতিয়াও মই এৰি নিদিওঁ। তাক শেষ পৰ্য্যন্ত চাম।

মিঃ ড্ৰেকৰ কিন্তু আনফালে চকু। তেওঁ ক'লে—

—কাৰ্লাইলৰ ঘৈণীয়েকজনী কেনে সুন্দৰী, দেখনিয়াৰ। লেভীছন, তেওঁৰ আগৰজনী ঘৈণীয়েকো এনেকুৱা দেখনিয়াৰ আছিলনে?

লেভীছন একেবাৰে পগলা হৈ উঠিল। কথা শুনি তেওঁৰ ভাল নালাগিল। কথা কোৱাৰ পূৰ্বেই এজন পুলিছে তেওঁৰ কান্ধতে হাতখন থৈ ক'লেহি,—ছাৰ ফ্ৰান্সিছ লেভীছন, তুমি বন্দী।

ইয়াতকৈ আৰু কি বেছি লাজ অপমানৰ কথা হ'ব পাৰে। লেভীছনৰ খং চুলিৰ আগ পালেগৈ। পুলিছজনক ক'লে,—হাত গুচোৱা, ইমান সাহনে?

পুলিছজনে ততাতৈয়াকৈ হাতত হাত-কেৰেয়া দি লেভীছন আৰু ৰাইক্সৰ ফালে চাই ক'লে,—মই এনেকুৱা কাম এনে সমাজত মুকলিভাৱে কৰিবলগীয়া হোৱাত বৰ দুখ আৰু লাজ পাইছোঁ—ক্ষমা কৰিব। বিচাৰালয়ৰ আদেশ। ছাৰ ফ্ৰান্সিছ লেভীছন, মই তোমাক জৰ্জ হেলিজনক ইচ্ছাপূৰ্বক হত্যা কৰা বুলি গ্ৰেপ্তাৰ কৰিলোঁ—এয়া চোৱা জাননী।

*

মানুহৰ ভীৰ ভাগিল। নিৰ্বাচন মণ্ডপত তোল-পাৰ লাগি উঠিল। পুলিছ কেইজনমানে লেভীছনক দুখোজমান নিওঁতেই সি অটবে বিডেলক দেখা পাই দাঁত কামুৰি গৰজি উঠিল,—হেই কুকুৰ, তয়েই ইয়াৰ মূল কাৰণ।

—নহয়, মই শপথ—বুলি অটবে বিডেলে ক'বলৈ পালেহে, এনেতে আন এজন পুলিছে বিডেলৰ হাতত ধৰি ক'লে,—মিঃ অটবে বিডেল, তুমিও জৰ্জ হেলিজনৰ হত্যাকাণ্ডত সহায় কৰিছিলা, এইবাবে তোমাকো গ্ৰেপ্তাৰ কৰিলোঁ—আৰু লগে লগে হাত-কেৰেয়া লগাই, পুলিছহঁতে দুয়োকে টানি লৈ গ'ল। চাৰিওফালে হৈ-চৈ লাগি উঠিল।

*

কাৰ্লাইলৰ পক্ষৰ আটায়ে হৰিষ মনেৰে কাৰ্লাইলক প্ৰশংসা কৰি হাত চাপৰি বজাই ঘৰা-ঘৰি গ'ল। মহিলাসকলৰো আনন্দৰ সীমা নোহোৱা হ'ল। বাৰবাৰা কাৰ্লাইলৰ আনন্দতে হিয়া নাচি উঠিল। মিছেছ হেয়াৰ ৰিচাৰ্ডক পাবলৈ ব্যগ্ৰ হৈ উঠিল।

ভায়েক জয়যুক্ত হোৱা দেখি মিছ কৰ্ণিৰ হাঁহি-ভৰা মুখ। নিৰ্বাচন মণ্ডপত পুলিছৰ উপস্থিত আৰু গণ্ডগোলৰ কাৰণ তলৰ মানুহক ভালকৈ সোধাত এজনে ক'লে,—এজন সভ্য হ'বলৈ আহোঁতে আৰু আন এজন হাত ধৰি ফুৰিবলৈ আহোঁতে গ্ৰেপ্তাৰ হৈছে। কথাটো এই যে সিহঁতে হেলিজনক হত্যা কৰি সেই দোষ বেচেৰা ৰিচাৰ্ডৰ ওপৰত পেলাই দিছিল। ৰিচাৰ্ডে সেই কামত কেতিয়াও হাত দিয়া নাছিল।

এনেতে এফিও ক'ৰবাৰপৰা আহি তাত ওলাল। তায়ো সেই কাণ্ডবোৰ দেখি সুধিলে,—কি হৈছে? কি হৈছে?

এজন চাকৰে উত্তৰ দিলে,—সিহঁতে ক'লে যে তোমাৰ বাপেৰা হেলিজন চাহাবক লেভীছন আৰু বিডেল দুয়ো হত্যা কৰিছে, মিছ এফি।

—কি? বুলি এফি চিঞৰ মাৰি উঠিল।

—বাপেৰাৰ আচল হত্যাকাৰী লেভীছনহে, ৰিচাৰ্ড হেয়াৰ নহয়, সি তেনেই নিৰ্দোষ। এফিৰ সমস্ত শৰীৰ কঁপি উঠিল। তাই সেইপিনে অচেতন হৈ বাগৰি পৰি থাকিল।

*

বাটত যাওঁতে জেমছৰ লগত এফিৰ দেখা-দেখি হ'ল। তাইক দেখি হাঁহি মাৰি জেমছে সুধিলে,—কিহে, ক'ৰপৰা? আজি বহুদিনৰ মূৰত দেখা পালোঁ, ভালতো? তায়ো হাঁহি মাৰি তাৰ প্ৰতিদান দিলে,—ভালেইতো। পাছে তোমাৰ এইটো কি স্বভাব?

—কেলেই? কি কৰিলোঁ?

দুয়োৰে মুখ চুপতি আৰম্ভ হ'ল। জেমছে ক'লে,—মই আৰু বেছি কথা নকওঁ। এতিয়া মোৰ উদ্দেশ্য ভাঙি কওঁ—তোমাক ভাটীবেলা ও বজাত আদালতত হাজিৰ হ'বলৈ জাষ্টিছসকলে আদেশ দিছে। তুমি যেনে-তেনে যাবা।

কথা শুনি এফি জাঁপ মাৰি উঠি ক'লে,—আদালতত হাজিৰ হ'বলৈ আদেশ? কেলেই, কি কাৰণে?

—বেছি গণ্ডগোল নকৰিবা, এফি। তুমি জানা মই তোমাক ক'ত দেখিছিলোঁ আৰু তাক ক'ত দেখিছিলোঁ? মানুহে কৈছিল যে তুমি ৰিচাৰ্ডৰ লগত পলাই গৈছিলা। কিন্তু মই জানো তুমি ক'লৈ গৈছিলা, আচলতে ইমান দিন ক'ত বা কাৰ লগত আছিলা। এতিয়া থৰ্ণ ওৰফে ছাৰ ফ্ৰান্সিছ লেভীছনক তোমাৰ বাপেৰা হেলিজনক হত্যা কৰা অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছে। তাত সেই বিষয়ে তুমি সাক্ষী ক'ব লাগে।

কথা শুনি এফিৰ মুখৰ আকৃতিৰ পৰিবৰ্তন হ'ল, সেইভাৱে তাই গদ্‌গদকৈ ক'লে,—মই হত্যাকাণ্ডৰ বিষয় কি জানো? মই আদালতলৈ যাব নোৱাৰোঁ।

—যাবই লাগিব, মিঃ বলে অতি সোনকালে তোমাক ধৰি লৈ যাবলৈ আদেশ দিছে। তাৰ অন্যথা হ'ব নোৱাৰে। এই তোমাৰ জাননী লোৱা। এফিয়ে কাকতখন আঁজোৰ মাৰি লৈ ফালি পেলাই খণ্ডতে কৈ উঠিল,—মই লেভীছনৰ বিৰুদ্ধে সাক্ষী নকওঁ। নিৰ্দোষজনৰ ফাঁচি, ইপিনে দোষীজনৰ মুক্তি! ই হ'বই নোৱাৰে। মই ইয়াৰপৰা লাগে পলাই যাম, তথাপি মই সাক্ষী দিবলৈ নাযাওঁ।

—বাৰু, এতিয়া যাওঁগে। কিন্তু অন্যথা নকৰিবা। এফি আৰু জেমছ এৰা-এৰি হ'ল।

কিছুদূৰ যাওঁতেই এজন পুলিছে এফিক চিনি পাই সুধিলে,—নমস্কাৰ, মিছ হেলিজন। ইমান লৰালৰিকৈ কোনফালে যোৱা? কোনো গাড়ী ধৰিবা নেকি?

—এৰা, এই অহা গাড়ীখন ধৰিব লাগে। এফিয়ে পলাবৰ মন কৰি ৰেলৰ ষ্টেছনৰ ফালে ঢাপলি মেলিলে। পুলিছজনে কথা বে-গতিক দেখি তৎক্ষণাৎ তাইৰ গাত হাত থৈ ক'লে,—তোমাক দুখ দিয়াত ময়ো দুখ পাইছোঁ। মোক আদেশ দিছে এই মুহূৰ্ত্ততে তোমাক ধৰি আদালতলৈ নিব লাগে, তাত তুমি সাক্ষী ক'ব লাগিব।

কথা শুনি এফিৰ চুলিৰ আগেদি জীউ গ'ল, তাই বিবৰ্ণ হ'ল—দেখিবলৈ ভূতুনীজনী যেন হ'ল। মূৰ্চ্ছা নগ'লেও মুহূৰ্ত্তৰ ভিতৰতে এফিৰ শৰীৰ আৰু মনৰ অৱস্থাত আচৰিত ৰকমৰ পৰিৱৰ্ত্তন ঘটিল। তাই শেহত লাহে লাহে ক'লে,—মোৰ সাক্ষ্য দিবৰ একো নাই। মই হত্যাকাণ্ডৰ বিষয়ে একো নাজানো।

—ময়ো ক'ব নোৱাৰোঁ, মই কেৱল জাষ্টিছসকলৰ আদেশহে পাইছোঁ, মোক কাৰণ কোৱা নাই। মই তেওঁলোকৰ আদেশ পালনকাৰী মাত্ৰ। বেজাৰ নাপাবা।

—তেনেহ'লে মোক হাত-কেৰেয়া নিদিবা; নহ'লে মই ৰেষ্ট লিনৰ মাজেদি নাযাওঁ।

—বাৰু, যদি ঠিকমতে যোৱা তেন্তে হাত-কেৰেয়া নলগাওঁ; কিন্তু অলপ ইফাল-সিফাল কৰিলেই সৰ্বনাশ জানিবা।

দুয়ো আদালতৰ ফালে খোজ ল'লে।

২৮

জাষ্টিছসকল আদালতত বহিলহি। সিদিনাখন আদালতত মানুহৰ থৈ নথৈ। তাতে আকৌ লণ্ডনৰপৰাও শান্তিৰক্ষকসকল আহি এজলাছত বহিলহি। আগেয়ে তেওঁলোক

ৱেষ্ট লিনৰ আদালততলৈ নাহিছিল। লণ্ডনৰ পাৰ্লামেন্টৰ সভ্য-পদৰ প্ৰাৰ্থী ছাৰ ফ্ৰান্সিছ লেভীছন আজি হত্যা-অপৰাধত অপৰাধী, বন্দী। মানুহৰ কৌতূহল জন্মিল। ৱেষ্ট লিন আৰু তাৰ চাৰিওফালৰ ওচৰ-চুবুৰীয়া গাঁওবোৰৰপৰা বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, ল'ৰা-ছোৱালী আটায়ে আদালত ভৰি পৰিলহি। তাত নাছিল কেৱল মিঃ কাৰ্লাইল আৰু তেওঁৰ পৰিয়ালৰ কোনোজন। লেভীছনৰ বন্ধুসকল দলে-বলে উপস্থিত হ'লহি। সিহঁতৰ কেৱে লেভীছনৰ অপৰাধৰ কথা বিশ্বাস কৰা নাছিল, নকৰিবৰে কথাও। কাৰণ কোনোবা দিনতে হৈ গ'ল হত্যাকাণ্ড; তাৰ দোষী ৰিচাৰ্ড নিৰুদ্দেশ হৈ ইমান দিন অনাই বনাই ফুৰিছে। লেভীছন যে দোষী হ'ব পাৰে সেই কথা আন মানুহ নালাগে, তাৰ বন্ধুসকলেই ভবা নাছিল। কাজেই সকলোৱে লেভীছনৰ বিচাৰ শুনিবলৈ ইচ্ছুক হৈ আদালত ভৰি পৰিছিলহি। সিদিনাখন এজলাছত লৰ্ড মাউন্ট চেভাৰ্ণো স্বয়ং উপস্থিত হ'লহি।

জাষ্টিছ হাৰ্বাৰ্ট, স্কুৱাৰ পাইন, কৰ্ণেল বিডেল, জাষ্টিছ হেয়াৰ আদি জাষ্টিছসকল নিজ নিজ আসনত বহিলহি। জাষ্টিছ হেয়াৰৰ সেই সৰ্বজনবিদিত ধীৰ, স্থিৰ, গহীন-গম্ভীৰ মূৰ্তি—কাৰো প্ৰতি অনুগ্ৰহ নাই। তেখেত ন্যায়বিচাৰৰ প্ৰতিমূৰ্তি। ৰিচাৰ্ডৰ এটৰ্ণি মিঃ বলে মোকৰ্দমাৰ বৰ্ণনাৰ কাকতপাতি জাষ্টিছসকলৰ আগত বুজাই দি থিয় হ'লহি। সিফালৰপৰা লেভীছনৰ উকীল মিঃ ৰুবিনিও আহি থিয় হ'ল।

বিচাৰ আৰম্ভ হ'ল। শেষত মীমাংসা হ'ল থৰ্ণ আৰু লেভীছন একেজন মানুহ বুলি প্ৰমাণ কৰা। তাকে কৰিবলৈ জেমছ সাক্ষীৰ কাঠৰাত থিয় হ'লহি। জাষ্টিছ হাৰ্বাৰ্টে সুধিলে,—বন্দী কৰি থোৱা ছাৰ ফ্ৰান্সিছ লেভীছনৰ বিষয়ে তুমি কি জানা?

—বিশেষ একো নাজানো; কিন্তু তেওঁক কেপ্টেন থৰ্ণ বুলি মাতিছিল।

—আৰু কৈছিলা যে তুমি তাক সদায় লগ পাইছিলা? ক'ত লগ পাইছিলা?

—হয়, এফিহঁতৰ ঘৰৰ ওচৰৰ হাবিয়নিত আৰু প্ৰায়ে এফিৰ ঘৰত।

—তাৰ লগত কথা পাতিছিলানে? তাক কেপ্টেন থৰ্ণ বুলি মাতিছিলানে?

—কাচিৎহে কথা পাতিছিলোঁ আৰু তেতিয়া তেওঁক থৰ্ণ বুলি মাতোঁতে তেওঁ উত্তৰ দিছিল। মই তেওঁক থৰ্ণ বুলিয়েই জানিছিলোঁ, আন কোনো সন্দেহ কৰা নাছিলোঁ।

অটৱে বিডলৰ ফালে চাই ক'লে, অটৱে বিডেলেও জানে নহয়নে?

—তেৱোঁ তেওঁক থৰ্ণ বুলি মাতিছিল। এনেকি লক্চলি চাহাবেও থৰ্ণ বুলি মাতিছিল।

—আৰু কোনে কোনে জানে?

—সেই বেচেৰা বুঢ়া হেলিজন চাহাবেও জানিছিল; কাৰণ এদিন মোৰ আগতে

তেওঁ এফিক গালি পাৰি বাধা দিছিল,—সেই ফটুৱা লম্পট থৰ্ণক তালৈ আহিব নিদিব।

—কথাবোৰ ঠিক মনত আছেনে?

—হয়, ঠিক আছে। তাৰ উত্তৰত এফিয়ে বাপেকক গালি-শপনি পাৰিছিল। সিও মনত আছে।

—থৰ্ণৰ লগত আৰু কাৰ কাৰ চিনা-পৰিচয় আছিল?

—এফিৰ বায়েক জেছিৰ লগত। আটাইতকৈ খুব ভালকৈ চিনা-জনা আছিল বেচেৰা ৰিচার্ডৰ লগত।

কথা শুনি জাষ্টিছ হেয়াৰে মুখ বিকৃতি কৰি এজন কাল্পনিক ৰিচার্ডক অন্তৰেৰে গৰজি উঠিল।

—কি কাৰণে থৰ্ণ সদায় তালৈ গৈছিল?

—তাইৰ লগত হাঁহি-খিকিন্দালি ৰং-ধেমালি কৰিবলৈ বুলি।

—তাক তেতিয়া কেনেকুৱা মানুহ বুলি ভাবিছিলা?

—তেওঁক এজন ডেকা ভদ্ৰলোক বুলি ভাবিছিলোঁ; ভদ্ৰলোকৰ দৰে তেওঁৰ সাজ-পাৰ, ব্যৱহাৰ-প্ৰণালী। কিন্তু তেওঁ সমাজত থাকিবলৈ ভাল নাপাইছিল; সদায় লুকাই-পলাই ফুৰিছিল; তেওঁক সন্ধিয়াৰ আগতে কদা-কাচিতো দেখা নগৈছিল।

—হেলিজনৰ হত্যাকাণ্ড ঘটিবৰ দিনা তাক তাত দেখিছিলানে?

—নাই। মই সিদিনা তাত নিজে নাছিলোঁ; সেইবোৰ দেখা নাছিলোঁ।

—সি যে হত্যা-অপৰাধত অপৰাধী এনে কথা কেতিয়াবা তোমাৰ মনত খেলাইছিলনে?

—নাই, কেতিয়াও নাই। কিন্তু ৰিচার্ডক সেই অপৰাধত অপৰাধী সাব্যস্ত কৰিছিল দেখি কথা সঁচা বুলি ভাবিছিলোঁ।

বিপক্ষৰ উকীলে জেমছক জেৰা কৰিলে; কিন্তু কোনো কথা লৰ-চৰ কৰিব নোৱাৰিলে। জেৰা শেষ হোৱাত জেমছক আদালতে সুধিলে,—তুমি তেতিয়াৰপৰা আজিলৈ থৰ্ণক মাজতে কেতিয়াবা দেখিছিলানে?

—এবাৰ লণ্ডনত দেখিছিলোঁ।

—কিমান দিনৰ কথা?

—হত্যাকাণ্ড হৈ যোৱাৰ প্ৰায় ডেৰ বছৰমানৰ পাছত।

—তাৰ লগত তোমাৰ কি সকাম আছিল?

—একো নাছিল, হঠাৎ দেখা-দেখি হৈছিল।

—তেতিয়া তুমি তাক থৰ্ণ বুলি চিনিছিলা, নে লেভীছন বুলি?

—নিশ্চয় থৰ্ণ বুলি। থৰ্ণেই যে লেভীছন এই কথা সিদিনাখন মিঃ কাৰ্লাইলৰ নিৰ্বাচনৰ সময় পৰ্য্যন্ত জনা নাছিলোঁ। তেতিয়াহে জানিলোঁ যে থৰ্ণেই লেভীছন।

—তোমাৰ একো ভুল হোৱা নাইতো?

—নাই, মই শপথ খাই কৈছোঁ, ভুল হোৱা নাই।

জেমছ বিদায় হ'ল। এফি হেলিজন কাঠৰাত সোমালহি। বিচাৰকে সুধিলে,—তোমাৰ নাম কি?

—এফি।

—আচল নাম? এইটো সম্পূৰ্ণ নাম নহয়।

—ড্ৰোডাইট হেলিজন। মোক সকলোৱে এফি বুলিলেই বুজি পায়। এইবোৰ নোহোৱা কথা কিয় বা সুধিছে? এফিৰ কথাৰ সুৰ দেখি জাষ্টিছ হেয়াৰে কৈ উঠিল,—সাক্ষীক আগেয়ে শপথ খুওৱাই লোৱা।

এফিয়ে উত্তৰ দিলে,—মই কেতিয়াও শপথ নাখাওঁ।

—শপথ খাবই লাগিব—বুলি জাষ্টিছ হেয়াৰে বজ্ৰ-গম্ভীৰ স্বৰে আদেশ দিলে।

তথাপি এফিয়ে ক'লে,—ময়ো কওঁ—শপথ নাখাওঁ।

—তেনেহ'লে তোমাক আদালতক অৱমাননা কৰা দোষত অপৰাধী সাব্যস্ত কৰি ফাটকত দিয়া হ'ব।

ছাৰ ডেভিডে তাইৰ ফালে চাই ভালকৈ বুজাই সুধিলে,—তুমি তোমাৰ নিজৰ বাপেৰাক হত্যা কৰাত তেনেহ'লে সহায় আছিলা?

—মই পিতাক হত্যা কৰিম। আহা! এনেহেন মৰমিয়াল পিতা মোৰ। মোৰ পিতৃ-হন্তাৰ এতিয়াই ফাঁচি হওক, মই চাবলৈ যাম।

—তেনেহ'লে সেই হত্যাকাৰীজনক উলিয়াবলৈ সাক্ষী নোকোৱা কেলেই?

কথা শুনি এফিৰ মন কিছু কুমলিল। তাই ক'লে,—মোৰ সেই বিষয়ে কোনো আপত্তি নাই। কিন্তু ক'ৰ কি অনাৱশ্যকীয় কথাবোৰ সোধে? সেইবোৰ সুধিলে মই হ'লে উত্তৰ নিদিওঁ।

পাপীৰ মনত সন্দেহ—মিছা নহয়। এফিয়ে সদায় ভাবিছিল জানোচা কোনোবাই তাইৰ স্বভাৱ-চৰিত্ৰৰ বিষয় কথা সোধে, তাইৰ সেয়ে ভয়। এফি শেহত মান্তি হ'ল, তাই শপথ খালে। আদালতে এফিক সুধিলে,—তুমি তাৰ লগত অৰ্থাৎ সেই থৰ্ণৰ লগত কেনেকৈ জনা-শুনা হ'লা?

এফিয়ে আকৌ আৰম্ভ কৰিলে,—হত্যাকাণ্ডৰ লগত তাৰ কোনো সম্বন্ধ নাই নহয়নে? সি সেই কাম কৰা নাই।

—শপথ খাইছা, প্ৰশ্নৰহে উত্তৰ দিবা। কেপ্টেন থৰ্ণৰ লগত তোমাৰ কেনেকৈ পৰিচয় হ'ল?

—চোৱেনচানত। এদিন মই তালৈ যাওঁতে তাক দেখা পাইছিলোঁ।

মিঃ বলে সুৰ মিলাই সুধিলে,—সিদিনাই তোমাৰ হাঁহি-ভৰা মুখখন দেখি সি ভোল গ'ল?

এফি গৰ্বিত হৈ নিজকে পাহৰি ক'লে,—হয়, সিদিনাই। তাত আপোনালোকৰ হানি কি?

—একো হানি নাই; ভালহে হৈছে। মোৰো তেনে ভাগ্য হোৱা হ'লে! বাৰু, তাক লেভীছন নামেৰে জানিছিলানে?

—নাই। সি তাৰ নাম কেপ্টেন থৰ্ণ বুলি কৈছিল, ময়ো তাকেই বিশ্বাস কৰিছিলোঁ।

—সি ক'ত থাকে জানিছিলানে?

—নাই। সি সেইটো কেতিয়াও নকৈছিল। সি সম্প্ৰতি অস্থায়ীভাৱে চোৱেনচানৰ ওচৰত লেভীছন কুটীৰত আছিলহি।

—বাৰু, তাৰ আচল নাম কেতিয়া জানিলা?

—বেছিদিন পাছত নহয়।

—বোধহয়, বাপেৰাৰ হত্যাকাণ্ডৰ পাছত?

—নিশ্চয়। মাহচেৰেকৰ পাছত।

—বাৰু; কেপ্টেন থৰ্ণৰ বাহিৰে আৰু কোন কোন সিদিনা সেই হাবিয়নিত আছিল?

—ৰিচাৰ্ড হেয়াৰ, অটৱে বিডেল আৰু লক্‌চলি। মানুহৰ ভীৰ নোহোৱালৈকে মই এই তিনিজনকহে দেখিছিলোঁ।

—ৰিচাৰ্ড আৰু থৰ্ণ ইহঁত দুজনৰ কোনজন ভিতৰত আছিল?

প্ৰশ্ন শুনি এফিয়ে অন্য মূৰ্তি ধৰিলে। কিন্তু সমুখত জাষ্টিছ হেয়াৰৰ গহীন-গম্ভীৰ ভয়ঙ্কৰ মূৰ্তি দেখি ক'লে—কেপ্টেন থৰ্ণ ভিতৰত আছিল।

মিঃ বলে কথাটো টুকি লৈ আকৌ সুধিলে,—তেনেহ'লে ৰিচাৰ্ড ক'ত আছিল?

—মই নাজানো। সি মোৰ তালৈ আহিছিল, কিন্তু মই তাক ঘৰৰ ভিতৰলৈ যাব

নিদি ফিৰাই খেদাইছিলোঁ। বোধহয় সি হাবিয়নিৰ মাজত লুকাই আছিল। মি৹ বলে টুকি ল'লে।

—সি এটা বন্দুক এৰি থৈ গৈছিলনে?

—হয় গৈছিল। সি তাৰ বন্দুকটো সিদিনাৰ বাবে পিতাক ধাৰলৈ দিছিল। পিতাৰটো বেয়া হৈছিল দেখি, মিস্ত্রীক মেৰামত কৰিবলৈ দিয়া হৈছিল। মই বন্দুকটো ভিতৰৰ বেৰৰ চুকত থৈছিলোঁ। সি কৈছিল যে বন্দুকটোত গুলী খাঁজি থোৱা আছিল।

—তোমালোক দুয়ো গোটেই সন্ধিয়াবেলা ঘৰৰ ভিতৰতে নাছিলানে?

—নাই। আমি দুয়ো বাহিৰত ফুৰি ফুৰিছিলোঁ। তাতেই থৰ্ণে মোৰপৰা বিদায় লৈ গুচি গৈছিল। মই বাহিৰতে ইফাল-সিফাল কৰি আছিলোঁ।

—বন্দুকৰ শব্দ শুনিছিলানে?

—শুনিছিলোঁ—কিন্তু সিফালে সিমান মন কৰা নাছিলোঁ। শব্দটো আমাৰ ঘৰৰ ভিতৰত বুলি ভবাও নাছিলোঁ।

—থৰ্ণে কি নিবলৈ ঘৰৰ ভিতৰলৈ আহিছিল? কি এৰি থৈ গৈছিল?

—টুপিটো।

—তাৰ পাছত বোধহয় ক'লেহি—ৰিচাৰ্ডে বাপেৰাক হত্যা কৰিছে, তাকেই তুমি বিশ্বাস কৰিলা?

—নিশ্চয়, বিশ্বাস কৰাব নালাগে, মই এনেয়ে জানো।

—কেপ্টেন থৰ্ণে কিবা কৈছিলনে? সি নিজে দেখিছিলনে?

—সি টুপিটো লৈ গৈ কিছুদূৰ পাওঁতেই কিবা গোলমাল শুনি হেনো ভিতৰলৈ আহিছিল আৰু পিতাৰ মৰা শটো দেখা পাইছিল।

—থৰ্ণে এই কথা তোমাক কেতিয়া কৈছিল?

—সিদিনাখন ৰাতিয়েই—বহু পলমে।

—বাৰু, কেপ্টেন থৰ্ণেই তোমাক এই বৰ্ণনা দিলে?

এফিয়ে ঘপৰকৈ কৈ উঠিল,—সেয়ে ঠিক কথা।

—তুমি সেইটো কেনেকৈ জানা?

—আহা! মই এই বিষয়ে নিশ্চিন্ত। সকলোৱে জনা কথা—ৰিচাৰ্ডে নামাৰিলে পিতাক কোনে মাৰিলে? মিছা-মিছিকৈ থৰ্ণক অপযশ দিছে।

—এতিয়া ছাৰ ফ্ৰান্সিছ লেভীছনৰ ফালে চোৱা—এওঁকেই তুমি থৰ্ণ বুলি জানিছিলানে?

—হয়। কিন্তু সেইবুলি সি অপৰাধী নহয়।

মি° বলে সুৰ মিলাই ক'লে,—নিশ্চয় নহয়,ময়ো কওঁ। বাৰু তুমি লণ্ডনলৈ যাওঁতে কেপ্টেন থৰ্ণৰ লগত কিমান দিন আছিলা? তুমি লেভীছনৰ লগত, নে ৰিচাৰ্ডৰ লগত আছিলা?

এফি জাঁপ মাৰি উঠি ক'লে,—মই সেই পিতৃ-হন্তা ৰিচাৰ্ডৰ লগত থাকিমনে? ছিঃ ছিঃ—মই তাক সিদিনাৰপৰা দেখাই নাই—মই শপথ খাই কওঁ; তাৰ লগত থকাৰ কথাকে নকওঁ—দেখা-দেখিয়ে নাই।

এফিৰ কথা বৰ্ণে বৰ্ণে ঠিক। মি° বলে নানা কথাৰে ঘূৰাই-পকাই আকৌ সুধিলে—থৰ্ণৰ লগত আছিলানে?

—হয়, আছিলোঁ।

কথা শুনি মি° বলে কাহ মাৰি সুধিলে,—বাৰু, তাৰ লগত তুমি কিমান দিন আছিলা? দুই বছৰ? তিনি বছৰ?

—নহয়, তিনি বছৰ নহয়।

—তেনেহ'লে দুই বছৰৰ ওপৰ?

—হ'লেই বা, তাত হানি কি?

মি° বলে হাঁহি মাৰি ক'লে,—নাই, একো হানি নাই। জনা হ'লে ময়ো তালৈ এপাক মাৰিলোঁহেঁতেন। বাৰু, তুমি তেতিয়া তাক লেভীছন বুলি জানিছিলানে?

—এৰা, তেতিয়াহে মই তাক লেভীছন নামে জানিছোঁ।

—সি সেইটো নাম (থৰ্ণ) কিয় লৈছিল, কেতিয়াবা তোমাক ভাঙি কৈছিলনে?

—এনেয়ে লৈছিল বুলি কৈছিল, কোনো বিশেষ কাৰণ হেনো নাছিল।

মি° বলে এফিৰ কথাৰ টোকা কৰি লৈ তাইক বিদায় দিলে আৰু জেমছক সাক্ষী-কাঠৰালৈ আনি সুধিলে,—তুমি কৈছা যে তুমি থৰ্ণক লণ্ডনত লগ পাইছিলা হেলিজনৰ হত্যাকাণ্ডৰ প্ৰায় ডেৰ বছৰমান পাছত। তেনেহ'লে এফি হেলিজন থৰ্ণৰ লগত থকা সময়তে তাক লগ পাইছিলা। তুমি এফিকো দেখিছিলানে?

জেমছৰ অন্তৰত ভয় উপজিল—এফিয়ে বা কি কৈ গ'ল! মই বা এতিয়া আকৌ কি কওঁ। ক'ৰ কথা ক'ত পৰেগৈ প্ৰভুইহে জানে! জেমছে আচৰিতভাৱে ক'লে—এফি?

—এৰা এফি। ধৰ্মৰাজসকলে জানিব পাৰিছে যে তাই বেষ্ট লিন এৰি থৰ্ণৰ লগত আছিলগৈ, বিচাৰ্ডৰ লগত নহয়—যদিও সকলো মানুহে এফি ৰিচাৰ্ডৰ লগত পলাই যোৱা বুলি অপবাদ দিছিল। তাইক তুমি তাত দেখিছিলানে?

জেমছে মূৰ খজুৱাই সৈ কাঢ়িলে—হয়, দেখিছিলোঁ। তাই মোক গধূলি চাহ খাবলৈ মাতিছিল, ময়ো গৈছিলোঁ।

—বাৰু, তাতে লেভীছনক দেখিছিলানে?

—নাই, মই থৰ্ণকহে দেখিছিলোঁ। কাৰণ তাক মই তেতিয়াও থৰ্ণ বুলিয়ে জানিছিলোঁ। এফিয়ে ক'লে তাইৰ হেনো এজন বিশেষ বন্ধু আহিব; বন্ধুজনৰ আহিবৰ সময় হোৱা দেখি তাই মোক সোনকালে বিদায় দিলে। ময়ো ঘৰৰপৰা ওলাইছোঁ, এনেতে থৰ্ণক গাড়ী এখনৰপৰা নামি এফিৰ ঘৰত সোমোৱা দেখিলোঁ। এয়ে সকলো, আৰু বেছি নাজানো।

—বাৰু, তুমি জানা যে এফি পলোৱা অপবাদ ৰিচাৰ্ডৰ গাত পৰিছে—কিন্তু প্ৰকৃততে কথা বিপৰীতহে। এনে স্থলত তুমি জানি-শুনিও ৰেষ্ট লিনলৈ আহোঁতে সেই কথা প্ৰকাশ কৰি ৰিচাৰ্ডক সেই অপবাদৰ হাতৰপৰা উদ্ধাৰ নকৰিলা কেলেই?

—সেইটো প্ৰকাশ কৰা মোৰ কাম নাছিল। আৰু বিশেষতঃ এফিয়ে মোক তাইক দেখা কথা প্ৰকাশ কৰিবলৈ বাধা দিছিল, ময়ো নকওঁ বুলি অঙ্গীকাৰ কৰিছিলোঁ। হেলিজনৰ হত্যাকাণ্ডৰ নিচিনা গুৰুতৰ অপৰাধ ৰিচাৰ্ডৰ ওপৰত—তেনেস্থলত এই সামান্য অপবাদ কি হ'ব? সেইবাবে মই সেই কথা প্ৰকাশ নকৰিলোঁ।

মি০ বলে জেমছক বিদায় দি আৰু জনচেৰেক সাক্ষীক সুধিলে। শেহত কাৰ্লাইলৰ বুঢ়া মহৰি ডিল সাক্ষী কাঠৰাত থিয় হ'লহি। ডিলে কৈ গ'ল—সিদিনাখন গধূলি মই ফুৰি ফুৰি ঘৰলৈ আহোঁতে জাষ্টিছ হেয়াৰৰ পদূলিমুখৰ পথাৰত কিবা হাই-কাজিয়াৰ গোলমাল শুনিছিলোঁ। ছাৰ ফ্ৰান্সিছ লেভীছনে গা ঘেলাই বতাহ খাই ফুৰোঁতে অটৰে বিডেলক লগ পালে। দুয়োৰে প্ৰথমতে সাধাৰণ কথাৰপৰা হতা-হতি কাজিয়া হ'লগৈ। এজনে আনজনক দোষাৰোপ কৰিবলৈ ধৰিলে। তাতে বিডেলৰ খং উঠি ক'লে,—হেলিজনক হত্যা কৰিবৰ দিনা মোক আৱশ্যক হৈছিল, মোক বন্ধু বুলি আঁকোৱালি ধৰিছিলা, মোৰ ভৰিত পৰিছিলা—আজি সকলো পাহৰি মোক দলিয়াই পেলালা? তুমি জানা যে মই ইচ্ছা কৰিলেই তোমাক ফাঁচিকাঠত ওলমাই দিব পাৰোঁ? মোৰ মুখৰপৰা এষাৰ কথাৰ মাথোঁ প্ৰয়োজন। কথা শুনি লেভীছন গেঙেৰি মাৰি কৈ উঠিল,—মূৰ্খ, তই মোক ফাঁচি দিব পাৰ। তই তাৰ বাবে টকা লোৱা নাছিলিনে? টকা বোধহয় হজম হ'ল? নৰাধম, আৰু নালাগেনে?

—সামান্য ৫০০ টকা। ছিঃ ছিঃ, সেই টকা মই হাতেৰে চুই মোৰ হাত কলঙ্কিত কৰিছোঁ। সেই মুহূৰ্তত হিতাহিত জ্ঞানশূন্য হৈহে তোমাৰ টকা হাতেৰে চুইছিলোঁ। তেতিয়াৰপৰা মই মিছেছ হেয়াৰৰ চকুৰ ফালে লাজতে চাব পৰা নাই। মই জানো—

মোৰ হাতত তেওঁৰ পুতেক ৰিচাৰ্ডৰ জীৱন-মৰণ। ছিঃ ছিঃ! মই এতিয়াহে সকলো বুজিছোঁ!

—তেনেহ'লে, ৰিচাৰ্ডৰ ঠাইত তয়ে থিয় হ'গে।

—কেতিয়াও নহওঁ; তইহে যাগৈ!

—বাৰু, মই গ'লে তই যে তাৰ বাট মাৰিব পাৰিবি—মনত নাভাবিবি। তোৰো নিস্তাৰ নাই মূৰ্খ, নিশ্চয় জানিবি।

কথাবোৰ শুনি আদালতে ডিলক সুধিলে,—তুমি শপথ খাই এই কথা সত্য বুলি ক'ব পাৰিবানে?

—নিশ্চয় পাৰিম। মই মিছাৰ লেশমাত্রও কোৱা নাই।

ছাৰ ফ্রান্সিছ লেভীছনে ইমান বেলি সাক্ষীবোৰৰ কথা চকু ৰঙাকৈ মুখ ভেঙুচা কৰি গম্ভীৰভাৱে শুনি আছিল আৰু মাজে মাজে কৈছিল,—এফিৰ ঘৰলৈ অহা-যোৱা কৰা বাবে মোক ফাঁচি দিব পাৰিবা, কিন্তু হত্যাকাণ্ড সম্বন্ধে মোক একো কৰিব নোৱাৰিবা। কিন্তু যেতিয়া ডিলৰ কথা শুনিলে, তেতিয়া তাৰ মুখৰ আকৃতিৰ পৰিৱৰ্তন হ'ল, মানুহজন তেনেই শেঁতা পৰি গ'ল।

মোকৰ্দমাৰ শুনানি শেষ হ'ল—জাষ্টিছসকলে কাকত-পত্র সামৰিলে। এনেতে লেভীছনৰ উকীল মিং ৰুবিনে প্রার্থনা জনালে যে লেভীছনক জামিনত খালাছ দিব লাগে। আদালতে এনেকুৱা গুৰুতৰ অপৰাধীৰ জামিনৰ কথা শুনি আচৰিত মানিলে আৰু সেইটো কেতিয়াও হ'ব নোৱাৰে বুলি ৰুবিনৰ প্রার্থনা নামঞ্জুৰ কৰিলে।

লেভীছন আৰু অটৱে বিডেলক হেলিজন চাহাবৰ ইচ্ছাকৃত হত্যাকাৰী সাব্যস্ত কৰি লেলিন নগৰত ছেছন আদালতত বিচাৰ হ'বলৈ বুলি তেতিয়াই দুয়োকে পুলিছৰ ফৌজ লগত দি পঠাই দিলে।

মিং কার্লাইল পার্লামেণ্টৰ মেম্বৰ নির্বাচিত হ'ল। ৱেষ্ট লিন কিয়, তাৰ চাৰিওফালৰ গাঁৱ-ভুঁই এনেকি লণ্ডন পর্য্যন্ত তেওঁৰ নাম জনাজাত হ'ল। দেশ জুৰি আনন্দৰ বা এছাটি বৈ গ'ল। ইপিনে ছাৰ ফ্রান্সিছ লেভীছন, অটৱে বিডেল বন্ধুৱে সৈতে শেষ বিচাৰৰ সিদ্ধান্ত আশা কৰি কাৰাগাৰত পৰি থাকিল। লগে লগে তেওঁৰ বন্ধু-বান্ধৱ সকলো লাজতে লোক-সমাজত মুখ উলিয়াব নোৱাৰি দিহা-দিহি আঁতৰিল।

ইষ্ট লিনত, কার্লাইলৰ ঘৰত আনন্দ-সবাহ, আনন্দ-ভোজৰ ধুমধাম। প্রীতি-ভোজনলৈ বন্ধু-বান্ধৱক নিমন্ত্রণ কৰা হ'ল—তেওঁৰ ঘৰলৈ বন্ধু-বান্ধৱৰ সমাগম হ'ল। সকলোৱে তেওঁক ধইন ধইন কৰি শুভ-ইচ্ছা আৰু আশিস বচন বৃষ্টি কৰিলে।

বাৰবাৰা কার্লাইলৰ আনন্দে হিয়া নধৰা হ'ল। গা সাতখন যেন লাগিল। অভ্যাগতসকলৰ আগমনত তেওঁৰ উলহ-মালহ লাগিল। বাছকবনীয়া সাজ-পাৰ আৰু অলঙ্কাৰ পিন্ধি, অপ্সৰাজনী যেন হৈ উঠিল। তাকে দেখি মেডাম ভাইনৰূপী লেডী ইছাবেলে ভগা অন্তৰেৰে হা-হুমুনিয়াহ কাঢ়ি ওৰণিৰ তলত চকুলো টুকি থাকিল।

কার্লাইলে বাৰবাৰাক অতিথিসকলৰ আগলৈ লৈ গ'লহি। ইছাবেলে অকলে অকলে চকুলো টুকি এখন মেজৰ ওচৰত বহি হাতেৰে কিবাকিবি পিটিকি থাকিল। অলপ বেলিৰ পাছতে বাৰবাৰা ইছাবেলৰ ওচৰ চাপিলহি আৰু ক'লে,—মেডাম ভাইন, কার্লাইলে এতিয়াই ক'লে যে ৰিচার্ড, হেলিজনৰ হত্যাকাণ্ড অপৰাধত একেবাৰে নির্দোষ প্রমাণিত হ'ল। লর্ড মাউণ্ট চেভার্ণ আদালতত নিজে উপস্থিত আছিল। পিতাও চেয়াৰমেন হৈ বহিছিল।

কথা শুনি ইছাবেলে কোমল সুৰেৰে সুধিলে,—সিহঁতৰ বিপক্ষে কিবা প্রমাণ হ'লনে?

—নিশ্চয়। লেভীছন যে সম্পূর্ণ দোষী তাত কোনো সন্দেহ নাই। এতিয়া কথা হৈছে—অটৱে বিডেলৰ সেই ঘটনাৰ লগত কি সম্বন্ধ আছিল? সকলোৱে আচৰিত যেন ভাবিছে। দুয়োকে বিচাৰৰ অর্থে ছেছন আদালতত দিয়া হৈছে। ছিঃ, ছিঃ, সেই নৰাধম নৰঘাতকী পাপী লেভীছন!

ইছাবেলে বিতচকুৰ ভিতৰেদি কেৰাহিকৈ বাৰবাৰৰ ফালে এবাৰ চালে। বাৰবাৰাই আকৌ আৰম্ভ কৰিলে,—এয়ে নহয়, মেডাম ভাইন, আৰু শুনা। সকলোৱে ভাবিছিল যে হত্যাকাণ্ডৰ পাছত ৰিচার্ড নিৰুদ্দেশ হোৱাৰ লগে লগে এফিও তাৰ লগতে গুচি গৈছিল আৰু ইমান দিনে তাই তাৰ লগতে আছিল। কিন্তু সেইটো নহয়,

তেনেই মিছা কথা! এফি তেতিয়াৰপৰা ইমান দিনে লেভীছনৰ লগতহে আছিল। এফিয়ে নিজ মুখে এই কথা মি° বলৰ আগত স্বীকাৰ কৰিছে। অৱশ্যে মই সমস্ত বিৱৰণ নাজানো। মি° কাৰ্লাইলক সোধাত মোটামুটি এয়ে ঘটনা বুলি উত্তৰ দিলে।

কাৰ্লাইলে ঠিকেই কৈছিল। বাৰবাৰাই কিন্তু লেডী ইছাবেলৰ উদ্দেশ্যে এহাল নমৰাকৈ কথা শেষ নকৰিলে। তেওঁ ক'লে,—সেই নৰঘাতকী মহাপুৰুষৰ সকলো গুণ ওলাই পৰিল। কিন্তু মেডাম ভাইন, মি° কাৰ্লাইলে তাৰ নিমিত্তে বিষম পাইছে। হাজাৰ হওক লেডী ইছাবেল তেওঁৰ তিৰোতা আছিলতো! এই ল'ৰাছোৱালীকেইটিও তেনেহেন তিৰোতাজনীৰ। মি° কাৰ্লাইলৰ নিচিনা মহাপুৰুষ স্বামী এজন ত্যাগ কৰি এই কলঙ্কৰ প্ৰতিমূৰ্তি মানুহজনক স্বামী ভজিছিল! ছিঃ, ছিঃ—কেনে ঘৃণনীয় কলঙ্কপূৰ্ণ কাম ইছাবেলে কৰিছিল!... তেওঁৰ মৃত্যু হোৱাই ৰক্ষা পৰিল। নহ'লে আজি এই কলঙ্ক-কাহিনী শুনি কেনেকৈ তেওঁ জীৱন ধৰিলেহেঁতেন!

বাহিৰত অভ্যাগতৰ গাড়ী থামিলহি দেখি বাৰবাৰা পখিলা উৰাদি উৰি গৈ অভ্যাগতসকলৰ অভ্যৰ্থনা কৰাত লাগিলগৈ। বেচেৰী লেডী ইছাবেল ওৰফে মেডাম ভাইনে নিজৰ কপালত ভুকুৱাই চকুলো টুকি টুকি বহি থাকিল।

সকলো নিমন্ত্ৰিত ভদ্ৰলোক আহিল, কিন্তু জাষ্টিছ হেয়াৰ আৰু হেয়াৰ দম্পতী সেই আনন্দ-ভোজত যোগ দিব নোৱাৰিলে। তেওঁলোকৰ মনত পুতেক ৰিচাৰ্ড সম্বন্ধে সকলো ধুঁৱলী-কুঁৱলী আঁতৰি যোৱাত স্বৰ্গ-সুখৰ জেউতি চৰিছিল। সেই হৰিষতে জাষ্টিছৰ গা অসুখ হ'ল। মিছেছ হেয়াৰে বহু ৰাতি হোৱাত এজন চাকৰৰ হাতত মি° কাৰ্লাইললৈ এখন চিঠি পঠাই দিলে।

ৰাতি সকলোৱে আনন্দ-সবাহ ভাঙি মনৰ সুখেৰে ঢাৰি-পাটীত পৰিলগৈ। সকলো টোপনিত নিটাল মাৰিলে। এনেতে উইলছন নামে লিগিৰীজনীয়ে বাহিৰত কোনোবা চাকৰৰ হাতত খিৰিকীৰে পোহৰ দেখি, "জুই, জুই—সৰ্বনাশ" বুলি ঘৰখনত হুৱা-দুৱা লগাই দিলে। সকলোৰে টোপনি ভাগিল—যেনে আছিল তেনেকৈ বিছনাৰপৰা উঠি ওলাই আহিল। উইলছনৰ চিএঞৰ-বাখৰত মেডাম ভাইন, বাৰবাৰা, জেছি আদি লিগিৰী কেইগৰাকী আটায়ে বাহিৰলৈ ওলাই আহিল। মেডাম ভাইনৰ অৱস্থা বেয়া, কাৰণ তেওঁ ৰাতি ছদ্মবেশ অৰ্থাৎ বিতচকু, ওৰণি সকলোকে খহাই থৈছিল। এখন কাপোৰেৰে বাহিৰলৈ, বিশেষকৈ জেছি লিগিৰীৰ আগলৈ তেওঁ কোন সাহসেৰে গৈছিল? সকলোৱে "ক'ত জুই" বুলি সোধাত ব্যস্ত আছিল। কোলাহল শুনি কাৰ্লাইলো ৰাতিৰ সামান্য সাজ-পাৰ গাত দিয়েই ওলাই আহিল। জুইৰ কাৰণ সোধাত—শেষত পালেগৈ মিছা হুৱা-দুৱা, উইলছন লিগিৰীৰ মতিভ্ৰম। তাইক ডাবি

ধমকিৰে ভৱিষ্যতলৈ সাৱধান কৰি দি তেওঁ সকলোকে ভিতৰলৈ পঠাই দিলে। এনেতে জাষ্টিছ হেয়াৰে পঠোৱা চিঠি তেওঁৰ হাতত পৰিলহি। তেওঁ চিঠি পঢ়ি ৱেষ্ট লিনলৈ যাবৰ বাবে গাড়োৱানক গাড়ী সজাই আনিবলৈ আদেশ দি ভিতৰ সোমালগৈ। বাৰবাৰাই,—পিতাৰ একো হোৱা নাইতো? বুলি কান্দি কান্দি কাৰ্লাইলৰ সৈতে ৱেষ্ট লিনলৈ যাবলৈ কাপোৰ-কানি পিন্ধাত লাগিলগৈ। কাৰ্লাইলে ঘৰ সোমাওঁতে দেখিলে যে উইলিয়ামক কোলাত লৈ মেডাম ভাইন কঁপিবলৈ ধৰিছে। তাকে দেখি—জেছি, মেডাম ভাইনৰ কোলাৰপৰা উইলিয়ামক নিব নোৱাৰনে? বুলি কৈ কাৰ্লাইলো কাপোৰ-কানি পিন্ধাত লাগিলগৈ। উইলছনে লুছি আৰু আৰ্কিক ভিতৰলৈ লৈ গ'ল। জেছিয়ে কোলাৰপৰা উইলিয়ামক নিয়াত মেডাম ভাইনো ঘৰ সোমালগৈ—কিন্তু জেছিৰ হাতৰপৰা উইলিয়াম বাৰান্দাৰ গালিচাৰ ওপৰতে ধপছকৈ পৰি গ'ল—সি চিঞৰ মাৰি উঠিল। কাৰ্লাইলে কাপোৰ আধা-পিন্ধাকৈ ওলাই আহিল। দেখিলে যে জেছি ভয়তে শেঁতা পৰি গৈছে—চকু দুটা ডাঙৰ হৈ উঠিছে। তাই যেন লেডী ইছাবেলৰ ভূত দেখিলে। কাৰ্লাইলে সুধিলে—কি হৈছে, জেছি, ভূত দেখিলি নেকি?

—হয় দেউতা, ভূতেই দেখিলোঁ।

ঘৰখনত কি হ'ল বুলি ভাবি কাৰ্লাইলে সুধিলে,—তহঁতৰ সকলোৰে মগজুত বিকাৰ ঘটিল নেকি? ভূত দেখিছিলি, জেছি?

জেছিয়ে তাইৰ আঁঠুৰ ওপৰত উবুৰি হৈ পৰিল। মাটিত মূৰটো থৈ বুকুত হাত দুখন দিলে, যেন ভগা বুকুখন হেঁচা মাৰি ধৰিলে। তাই ঘৰখনৰ বৰ বিশ্বাসী লিগিৰী আছিল; তাই তাইৰ ভনীয়েক এফিৰ দৰে লাহ-বিলাহত ভাহি ফুৰা লিগিৰী নাছিল। কাৰ্লাইলে তাইৰ ফালে একেৰাহে চাই থাকি সুধিলে,—জেছি, কি হৈছে কচোন?

জেছিয়ে হাতযোৰকৈ ক'লে—মহাপ্ৰভুই আমাক ৰক্ষা কৰক।

— কৈ হৈছে ভাঙি ক?

তাই কোনো উত্তৰ নিদিলে। লাহে লাহে উইলিয়ামক হাতত ধৰি লৈ ভিতৰত সোমালগৈ। কাৰ্লাইল আৰু বাৰবাৰা গাড়ীত উঠি সেই ৰাতিতে ৱেষ্ট লিনত জাষ্টিছ হেয়াৰৰ খবৰ ল'বলৈ গ'লগৈ।

লেলিন নগৰৰ জৰ্জ আদালতত আজি জৰ্জ হেলিজনৰ হত্যা অপৰাধৰ বিচাৰ। প্ৰধান অপৰাধী ছাৰ ফ্ৰান্সিছ লেভীছন।

ছাৰ ফ্ৰান্সিছ লেভীছনৰ নিচিনা গণ্য-মান্য ভদ্ৰলোক এজন এই গুৰুতৰ অপৰাধৰ অপৰাধী; বিশেষতঃ ৰিচাৰ্ড হেয়াৰৰ নিৰুদ্দেশ। ৰিচাৰ্ড হেয়াৰ যে এই অপৰাধৰ অপৰাধী সেই কথাত এতিয়াও জনসমাজৰ বিশ্বাস। ইমান দিনৰ পুৰণি কথা, তাত এফি হেলিজনৰ যোগদান, অটৱে বিডেলৰ স্বাৰ্থ, মোকৰ্দমা সংলগ্ন এই কথাবোৰে জনসাধাৰণৰ মনত বৰ কৌতূহল জন্মাইছিল। সেইদিনা দূৰ-দূৰণিৰপৰা গণ্য-মান্য ভদ্ৰলোক, কাৰ্লাইলৰ বন্ধু-বান্ধৱ, জাষ্টিছ হেয়াৰৰ বন্ধুসকল, লেভীছনৰ সঙ্গীসকল, আটায়ে আদালত ভৰি পৰিলহি। কৰ্ণেল বিডেল আৰু জাষ্টিছ হেয়াৰ জজ চাহাবৰ ওচৰত বহিলগৈ।

ৰাতিপুৱা ১০ বজাত জজ চাহাব বিচাৰ আসনত বহিলহি। সকলো নিজম পৰিল। অটৱে বিডেল গৱৰ্ণমেণ্ট পক্ষৰ সাক্ষী হৈ থিয় হ'লহি। অপৰাধী লেভীছনক এজলাছলৈ অনা হ'ল। দুয়ো পক্ষৰ উকীল, বাৰিষ্টাৰ নিজ নিজ আসনত বহিল।

ৱেষ্ট লিন আদালতত আগেয়ে হৈ যোৱা সাক্ষীবিলাকৰ শুনানি উল্লেখ কৰাৰ কোনো আৱশ্যক নহ'ল। বন্দী লেভীছন আৰু থৰ্ণ যে এজন, দুজন নহয়—সেই কথা সম্পূৰ্ণৰূপে প্ৰমাণিত হ'ল— জেমছে প্ৰমাণ দিলে। এফিয়েও সেই কথাৰে প্ৰমাণ দিলে আৰু বাপেকৰ হত্যাৰ দিনাখন ৰাতি থৰ্ণ এফিৰপৰা বিদায় লোৱাৰ পাছত তাৰ এৰি থৈ যোৱা টুপিটো আনিবলৈ যে আকৌ সিহঁতৰ ঘৰলৈ উভতি গৈছিল, তাকো ক'লে; কিন্তু তথাপি কিবা বস্তুৰ যেন অভাৱবোধ হৈছিল। ডিল মহৰিয়ে শুনা বিডেল আৰু লেভীছনৰ কাজিয়াৰ কথাও আগ বঢ়োৱা হ'ল। তথাপি জনসাধাৰণে ভাবি ল'লে যে মোকৰ্দমা টিকিব নোৱাৰিলে। শেষত ৰিচাৰ্ড হেয়াৰক বিচাৰৰ ঠাইলৈ আনিবলৈ আদেশ হ'ল।

ৰিচাৰ্ড হেয়াৰ সাক্ষী-কাঠৰাত থিয় হ'লহি। ৰিচাৰ্ড আজি ছদ্মৱেশ এৰি ভদ্ৰলোকৰ সাজ-পাৰ পিন্ধিছে, কি সুন্দৰ দেখনিয়াৰ ডেকাজন! ৰিচাৰ্ড আদালতত সোমোৱা মাত্ৰকে আদালতত জনসমাজৰ মাজত গুণগুণকৈ এটা শব্দ উঠিল। সকলোৱে চকু থিৰকৈ মুখ মেলি থিয় হ'ল আৰু ৰিচাৰ্ডৰ ফালে ৰ লাগি চাই থাকিল— নিৰ্বাসিত, নিৰ্য্যাতিত ৰিচাৰ্ড! মৃত, ঘৃণিত, লজ্জিত, কলঙ্কিত ৰিচাৰ্ড! জজ চাহাবৰ ইঙ্গিত মতে সকলো নিজম পৰিল। সাক্ষী ৰিচাৰ্ডৰ পিছৰফালে দুজন পুলিছ থিয়

হ'লহি। সাক্ষীক শপথ খুওৱা হ'ল। বিচাৰ আৰম্ভ হ'ল। জজে সুধিলে,—তোমাৰ নাম কি?

—মোৰ নাম ৰিচাৰ্ড হেয়াৰ।

—ৱেষ্ট লিনৰ কুঞ্জবনৰ জাষ্টিচ্ হেয়াৰৰ পুতেক বোধহয়?

—হয়, তেখেতৰ একমাত্ৰ পুতেক।

—যাক হেলিজনৰ ইচ্ছাকৃত হত্যাকাণ্ডৰ অপৰাধী সাব্যস্ত কৰা হৈছিল, সেই ৰিচাৰ্ড?

—হয়, সেই একে ৰিচাৰ্ড, ধৰ্মৰাজ।

—তেনেহ'লে মই যি প্ৰশ্ন তোমাক সোধোঁ তাৰ যথাযথ উত্তৰ দিবা।

ৰিচাৰ্ডে মনৰ আৱেগতে কৈ উঠিল,—ধৰ্মৰাজ, মোক যি সোধে তাৰ উত্তৰ দিবলৈ সাজু আছোঁ। কিন্তু মোৰ একমাত্ৰ ভৰসা যেন সেই হত্যাকাণ্ড সম্বন্ধীয় আচল কথাটো উদ্ধাৰ হয়।

—বাৰু, এতিয়া বন্দীজনৰ ফালে চোৱা, তাক চিনি পোৱানে?

—জানো ধৰ্মৰাজ, মই এতিয়া তাক ছাৰ ফ্ৰান্সিছ লেভীছন বুলি জানিছোঁ, কিন্তু যোৱা এপ্ৰিল মাহলৈ তাক থৰ্ণ বুলিহে জানিছিলোঁ।

—বাৰু, সেই হত্যাকাণ্ডৰ দিনা গধূলি কি কি ঘটনা হৈছিল? তুমি যি জানা সমস্ত বিৱৰি কোৱা—সাৱধান, মিছা যেন নোকোৱা।

—সেইদিনা গধূলি এফিয়ে মোক যাবলৈ মাতিছিল; ময়ো তাইৰ কথা মতে তাইৰ ঘৰলৈ গৈছিলোঁ।

—খন্তেক ৰ'বা, তুমি সেইদিনা কাকো নজনাকৈ গৈছিলানে?

—হয়। পিতা আৰু আই উভয়ে মই তাইৰ ঘৰলৈ অহা-যোৱা কৰা আৰু তাইৰ লগত ঘনিষ্ঠতা ৰখা ভাল নাপাইছিল। সেইদিনাও সেইবাবে মোক বকিছিল। সেইদেখি মই ভাটীবেলা বন্দুকটো হাতত লৈ চিকাৰ কৰিবলৈ যাওঁ বুলি তেওঁলোকক ফাকি দি প্ৰকৃততে এফিৰ ঘৰলৈ গৈছিলোঁ।

—তেনেহ'লে বন্দুকটো কেলেই নিছিলা?

—হেলিজনে মোৰ বন্দুকটো ধাৰলৈ খুজিছিল; কাৰণ তেওঁৰটো বেয়া হোৱা গতিকে ভাল কৰিবলৈ দিছিল। ময়ো তেওঁক দিম বুলি কথা দিছিলোঁ আৰু সেইমতে মই আবেলি বন্দুকটো লৈ গৈছিলোঁ। যেতিয়া সিহঁতৰ ঘৰ পালোঁগৈ, তেতিয়া এফিয়ে মোক ঘৰত সোমাবলৈ নিদিলে। ক'লে যে তাই কামত বৰ ব্যস্ত কিন্তু মই নিশ্চয়কৈ ভাবিছিলোঁ যে তাইৰ লগত থৰ্ণ আছিল। কাৰণ তাৰ আগেয়ে কেবাদিনো এফিয়ে

মোক ওভতাই খেদাইছিল। থৰ্ণ থাকিলে তাই কেতিয়াও মোক ঘৰ সোমাবলৈ নিদিছিল।

—তেনেহ'লে থৰ্ণ আৰু তুমি প্ৰতিদ্বন্দ্বী আছিলা?

—হয়, মই তাক দেখিব নোৱাৰিছিলোঁ; সি মোক কেনে পাইছিল নাজানো।

এফিক কি কাৰণে ভাল পাইছিল, বা ৰিচাৰ্ডৰ তালৈ যোৱাৰ কি উদ্দেশ্য আছিল সকলো কথা জজে সুধিলে; ৰিচাৰ্ডেও যথাযথ উত্তৰ দিলে। তাৰ পাছত জজে সুধিলে,—এতিয়া সেইদিনা গধূলিৰ ঘটনাটো বিৱৰি কোৱা।

—এফিয়ে মোক ভিতৰলৈ যাব নিদিলে; দুৱোৰে অলপ বাদানুবাদ হ'ল, শেহত মই উভতি গ'লোঁ। যাওঁতে তাইক বন্দুকটো হাতত দি ক'লোঁ—বন্দুকটো বাপেৰাক দিবা। তাত গুলী ভৰোৱা আছে ভালকৈ থৈ দিয়া। তাই মোৰ আগতে দুৱাৰৰ চুকত বেৰত আওজাই বন্দুকটো থ'লে আৰু দুৱাৰ বন্ধ কৰিলে। মই গুচি গ'লোঁ; কিন্তু ওচৰৰ জোপোহা বনৰ মাজত খাপ ল'লোঁ—ভিতৰত কোন আছে, থৰ্ণ হয় নে নহয়, তাক নিশ্চয়কৈ জানিবৰ মনেৰে। কাৰণ মই তাইক সোধাত তাই থৰ্ণ নাই বুলি আঁসে মাতিছিল। লক্‌চলিয়ে মোক দেখা পাইছিল আৰু কিয় লুকাই আছিলোঁ কাৰণ সোধাত মই একো উত্তৰ নিদি বনৰ ভিতৰলৈ সোমাইহে গ'লোঁ। প্ৰায় আধা ঘণ্টামান পাছতে এফিহঁতৰ ঘৰৰ ফালে বন্দুকৰ শব্দ শুনিলোঁ; কোনোবা চিকাৰীয়ে গুলী মৰা বুলি ভাবিছিলোঁ। ঠিক তেতিয়াই অটৱে বিডেলক গছৰ মাজৰপৰা ওলাই এফিহঁতৰ ঘৰৰ ফালে লৰি যোৱা দেখিলোঁ। ধৰ্মৰাজ, সেই গুলীটোৱেই হেলিজনৰ প্ৰাণ নাশ কৰিছে।

—সেই গুলীটো অটৱে বিডেলে মৰা সম্ভৱনে?

—নহয়, কেতিয়াও নহয়। তেওঁ ঘৰৰপৰা ভালেখিনি আঁতৰত আছিল। বিডেল নেদেখা হ'ল; এনেতে পাছ মুহূৰ্ততে আন এজন এফিহঁতৰ ঘৰৰ ফালৰপৰা হেফাই হেফাই লৰি আহিল। সেইজনেই থৰ্ণ—ভয়তে বিবৰ্ণ হৈ লৰি পলাইছে। তাৰ মুখখন ৰঙা, চকু দুটা ডাঙৰ হৈ উঠিছিল, তাৰ সমস্ত শৰীৰ ভয়তে কঁপিছিল। সি মোৰ কাষেদি লৰি গ'ল, তাৰ পাছতে ঘোঁৰাৰ শব্দ শুনিলোঁ; ঘোঁৰাটো বনৰ মাজত গছত বান্ধি থোৱা আছিল। সেই ঘোঁৰাত উঠি সি পলাল।

—তুমি তাক পিছে পিছে খেদি গৈছিলানে?

—নাই। কি কাৰণে তাৰ তেনে অৱস্থা হৈছিল, দেখি আচৰিত মানিলোঁ আৰু সকলোকে পাহৰি এফিৰ ওপৰত খঙৰ এপালি গাবলৈ মই সিহঁতৰ ঘৰৰ ফালে ঢাপলি মেলিলোঁ। ঘৰ সোমায়েই হেলিজনৰ মৃতদেহৰ ওপৰত ভৰি দিলোঁগৈ, তালুত জিভা

লাগিল। গা কঁপিবলৈ ধৰিলে। মোৰ বন্দুকটো হেলিজনৰ ওচৰতে মজিয়াত পৰি আছিল; গুলীবোৰ বোধহয় হেলিজনৰ মৃতদেহৰ ভিতৰত।

আদালতত কোনো সাৰ-শব্দ নাই—একেবাৰেই নিটাল।

—ঘৰৰ ভিতৰত কোনো প্ৰাণী নাই যেন লাগিল; মই এফিক মাতিলোঁ—কিন্তু তাইৰ মাত নাপালোঁ। মই মোৰ বন্দুকটো থাপ মাৰি লৈ ঘৰৰপৰা ওলাই লৰ মাৰিলোঁ; কিন্তু বাটতে লক্‌চলিক দেখা পালোঁ। মোৰ ভয় লাগিল, মূৰ ঘূৰি গ'ল; শেহত বন্দুকটো দলি মাৰি পেলাই দি পলালোঁ।

—তুমি তেনে কৰাৰ উদ্দেশ্য কি আছিল?

—মোৰ অন্তৰত বৰ ভয় লাগিল, হিতাহিত জ্ঞানো লোপ হ'ল; নহ'লে মই কেতিয়াও তেনে নকৰিলোঁহেঁতেন। হেলিজনৰ হত্যা অপৰাধ মোৰ ওপৰত পৰিব, কাৰণ বন্দুকটো মোৰ নিজৰ। সেইবাবে ভয়তে বন্দুকটো লৈ পলালোঁ। আকৌ লক্‌চলিক দেখা পাই ভয় হ'ল! সৰ্বনাশ হ'ব! তাকে ভাবি বন্দুকটো দলিয়াই পেলালোঁ। সেয়ে মোৰ যম হ'ল—মোৰ নিজ স্বভাৱৰ দোষত। নহ'লে এই গুৰুতৰ অপৰাধ কোনো ৰকমে মোৰ ওপৰত নপৰিলহেঁতেন।

—তাৰ পাছত?

—বন্দুক পেলাই অলপ দূৰ যাওঁতেই অটৰে বিডেলক লগ পালোঁ। মই জানিছিলোঁ যে যদি তেওঁ এফিহঁতৰ ঘৰৰ ফালে গৈছিল তেন্তে নিশ্চয় তেওঁ থৰ্ণক লগ পাইছিল। মই তেওঁক থৰ্ণক লগ পোৱাৰ কথা সুধিলোঁ; কিন্তু তেওঁ আসৈ মাতিলে। ময়ো তেওঁৰ কথা বিশ্বাস কৰি গুচি গ'লোঁ।

—ৰেষ্ট লিনৰপৰাও গুচি গ'লা?

—হয়, সেই নিশাই ৰেষ্ট লিন ত্যাগ কৰিলোঁ। সেই মূৰ্খালি, কাপুৰুষতাৰ ফল আজিও ভোগ কৰিব ধৰিছোঁ, ধৰ্মৰাজ! দেখিলোঁ—হত্যা-অপৰাধ মোৰ ওপৰত পৰিল। বিচাৰ হ'ল, মোৰ বিৰুদ্ধে প্ৰমাণো হ'ল। সেইদেখি নিৰুদ্দেশ হ'লোঁ।

—তোমাৰ বৰ্ণনা সঁচানে?

—একেবাৰেই সঁচা। মই শপথ খাই কওঁ—এনেকি মহাপ্ৰভু যীশুৰ আগতো শেষ বিচাৰৰ দিনা একে কথাকে শপথ খাই ক'ম।

তাৰ পাছত দুয়ো পক্ষৰ বাৰিষ্টাৰে ৰিচাৰ্ডক জেৰা কৰিলে; কিন্তু কোনো কথাৰে লৰচৰ নাপালে।

এফি হেলিজনক অনা হ'ল। তাইৰ কথা ৰিচাৰ্ডৰ লগত মিলিল। আদালতে তাইক সুধিলে,—ৰিচাৰ্ডক আহিবলৈ মাতি, কি কাৰণে তাক ফিৰাই খেদাইছিলা?

—সেইটো মোৰ ইচ্ছা।

—কিয় তোমাৰ ইচ্ছা, আদালতৰ জুৰিসকলক কোৱা।

—তেনেহ'লে শুনক, মোৰ এজন বন্ধু আহিছিল—কেপ্টেন থৰ্ণ। মই ৰিচাৰ্ডক ঘৰত সোমাবলৈ নিদিলোঁ; কাৰণ মই জানো, থৰ্ণ আৰু ৰিচাৰ্ড দুয়ো লগ লাগিলেই দুয়োৰে মাজত হাই-কাজিয়া লাগে।

—ৰিচাৰ্ডে কি কাৰণে বন্দুক আনিছিল জানানে?

—পিতাক ধাৰলৈ দিবৰ বাবে। পিতাৰ বন্দুকটো বেয়া হোৱা বাবে মিস্ত্রীক ভাল কৰিবলৈ দিছিল। আগদিনাখন গধূলি পিতাই ৰিচাৰ্ডৰ বন্দুকটো ধাৰলৈ খুজিছিল; মই নিজে শুনিছিলোঁ। ৰিচাৰ্ডে দিম বুলি কৈছিল আৰু আগৰ কথামতে পাছদিনাখন গধূলি বন্দুকটো লৈ আহিছিল।

—তুমি বন্দুকটো বেৰত আওজাই থৈছিলা। ভালকৈ থৈছিলানে?

—হয়, খুব ভালকৈ থৈছিলোঁ।

—তুমি বা আচামীয়ে বন্দুকটো হাতেৰে চুইছিলানে?

—নাই, মই চোৱা নাই। আচামীয়েও চোৱা দেখা নাছিলোঁ, কিন্তু পাছত দেখিলোঁ সেই বন্দুকেই পিতাৰ প্রাণ-হত্যা কৰিছে।

অটৰে বিডেলক অনা হ'ল। তেওঁ মোটামুটিকৈ আচল কথাটো কৈ গ'ল। সকলোৰে উৎকণ্ঠিত হৈ শুনিলে।

—সেইদিনা গধূলি মই এফিহঁতৰ ঘৰৰ ওচৰৰ হাবিয়নিত ফুৰি ফুৰিছিলোঁ। তেতিয়া মই ৰিচাৰ্ডক বন্দুক এটা হাতত লৈ এফিহঁতৰ ঘৰৰ ফালে যোৱা দেখিছিলোঁ।

—ৰিচাৰ্ডে তোমাক দেখিছিলনে?

—নাই, তেওঁ মোক দেখা নাছিল, মই হাবিৰ ভিতৰত আছিলোঁ। তেওঁ বন্দুক লৈ এফিহঁতৰ ঘৰৰ মুখ পালেগৈ। ঘৰ সোমাব খোজোঁতেই এফি লৰালৰিকৈ ঘৰৰপৰা ওলাই আহি দুৱাৰখন বন্ধ কৰি ৰিচাৰ্ডক কিবা-কিবি ক'লে; মই একো নুশুনিলোঁ, কাৰণ মই ভালেখিনি আঁতৰত আছিলোঁ। তাৰ পাছতে ৰিচাৰ্ডে এফিক বন্দুকটো দি ফিৰি অহা দেখিলোঁ। অলপ পাছতে ৰিচাৰ্ডক বাটৰ কাষৰ জোপোহা এটাৰ আঁৰত খাপ লৈ থকাও দেখিলোঁ। মইতো ভাবি আচৰিত! তাৰ পাছতে ঘৰৰ ওচৰত বন্দুকৰ শব্দ শুনিলোঁ আৰু...

—খন্তেক ৰ'বা, সাক্ষী। সেই গুলী ৰিচাৰ্ডৰপৰা যাব পাৰেনে?

—নাই, নোৱাৰে। ৰিচাৰ্ড ঘৰৰপৰা প্রায় পোৱামাইলমান আঁতৰত আছিল, বৰং ময়ে কিছু ওচৰত আছিলোঁ।

—বাৰু, কৈ যোৱা।

—মই একো বুজিব নোৱাৰিলোঁ। সেই গুলীৰপৰা যে কোনোবা হতভগীয়াৰ অন্যায় হৈছে তাকো ভবা নাছিলোঁ। কিছু সময় ইফাল-সিফালকৈ বাটৰ ওচৰলৈ আহোঁতে দেখোঁ কেপ্টেন থৰ্ণ ঘৰৰ ফালৰপৰা উশাহ নোলোৱাকৈ লৰি আহিছে। তাৰ মুখ বিবৰ্ণ, উশাহ প্ৰায় বন্ধ। মুঠতে মই তেনে অৱস্থাৰ মানুহ কেতিয়াও দেখা নাছিলোঁ। মোৰ ওচৰেদি লৰি যাওঁতে মই তাক থাপ মাৰি ধৰি সুধিলোঁ,—তোমাৰ কি হৈছে? তুমিয়েই বন্দুক মাৰিছিলানে? সি...

—ৰ'বা, কি কাৰণে তাক সন্দেহ কৰিছিলা?

—তাৰ মনৰ উত্তেজনা আৰু অৱস্থা দেখি। সি যে কিবা অন্যায় কাম কৰিছিল, তাৰ গাৰ কঁপনি, চকু-মুখৰ অৱস্থা দেখিয়েই বুজিব পাৰিছিলোঁ। তাতে আকৌ মই হাতত ধৰাত সি বেঙে-মৃতা গৰুৰ দৰে কঁপিবলৈ ধৰিলে। সি মোক আঁজুৰি পেলাই দিব খুজিছিল, কিন্তু বলে নোৱাৰি ক'লে,—মনে মনে থাকিবা, বিডেল। মোৰ শপথ লাগিব, তোমাক তাৰ উপযুক্ত পুৰস্কাৰ দিম। মই এনেকুৱা হ'ব বুলি ভবা নাছিলোঁ; খণ্ডৰ কোবতে এনে হ'ল। সি মোক কিয় গালি পাৰিব? মইতো একো অন্যায় কৰা নাই। সি কথা কোৱাৰ লগে লগে এখন এশ পাউণ্ডীয়া নোট মোৰ হাতত গুঁজি দিলে। মোৰো তেতিয়া হাত খালী আছিল, লোভ সামৰিব নোৱাৰি নোটখন ল'লোঁ আৰু সকলো কথা গোপনে ৰাখিম বুলি প্ৰতিজ্ঞা কৰিলোঁ। কিন্তু, মই খন্তেকৰ বাবেও নাভাবিলোঁ যে সি কাৰোবাৰ প্ৰাণ-হত্যা কৰিছে।

—তুমি কি হোৱা বুলি ভাবিছিলা তেনেহ'লে?

—মই একো ভবা নাছিলোঁ, ভাবিবও নোৱাৰিছিলোঁ। মুহূৰ্তৰ ভিতৰতে সকলো হৈ গ'ল, ভাবিবৰ সময় ক'ত? থৰ্ণ বনৰ মাজেদি কোনোবা ফালে গুচি গ'ল। তাৰ পাছতে মই ৰিচাৰ্ডক এফিহঁতৰ ঘৰৰ ফালে যোৱা দেখিলোঁ। তাৰ পাছ মুহূৰ্ততে থৰ্ণৰ দৰে কঁপি কঁপি ৰিচাৰ্ড লৰি আহিল আৰু মোক সুধিলে,—সেই কুকুৰ থৰ্ণক দেখিলানে? মই নজনা ভাও জুৰি সুধিলোঁ,—কোন থৰ্ণ? ৰিচাৰ্ডে উশাহ লৈ ক'লে,—সেই আটকধুনীয়া ডেকা, লম্পট স্বভাৱী, এফিৰ প্ৰেমত পৰি মৰা থৰ্ণক?

মই একেবাৰেই আসে মাতিলোঁ, ক'লোঁ—মই কাকো দেখা পোৱা নাই। ৰিচাৰ্ড গুচি গ'ল। পাছত দেখিলোঁ যে হেলিজনৰ হত্যাকাণ্ড। মই অবাক!

—তেনেহ'লে, অটৰে বিডেল, তুমি ভেটি খাই এনেকুৱা এটা গুৰুতৰ হত্যাকাণ্ড অপৰাধ লুকাই ৰাখিছা?

—ধৰ্মাৱতাৰ, অৱশ্যে ভেটি খাইছোঁ সঁচা আৰু তাৰ বাবে মই বৰ দুখ আৰু

লাজো পাইছোঁ, মই স্বীকাৰ কৰোঁ। নাজানি-নুশুনি, নাভাবি-নিচিন্তি সেইটো কৰা হৈছে। মই শপথ খাই কওঁ, এনে বুলি জনা হ'লে মই কেতিয়াও তেনে এশ পাউণ্ড হাতেৰে নুচুলোঁহেঁতেন। যেতিয়া মই আচল ঘটনা কি জানিলোঁ আৰু ৰিচাৰ্ড অপৰাধী প্ৰমাণিত হ'ল, তেতিয়া মই সেই পিনে মৰি যোৱা যেন হ'লোঁ। শত শতবাৰ মই নিজকে নিজে ধিক্কাৰ দিলোঁ—ৰিচাৰ্ডৰ ভাগ্য-বিপৰ্য্যয় মোৰ হাতত।

—তুমি কথা প্ৰকাশ কৰি তেওঁক উদ্ধাৰ কৰিব পাৰিলাহেঁতেন।

—আৱশ্যক কি? সময়ত ঘটনাৰ সোঁত বহু দূৰ পালেগৈ। থৰ্ণ নিৰুদ্দেশ হ'ল, তাৰ লগত দেখা-শুনা হোৱা অসম্ভৱ হৈ উঠিল, কেৱল সিদিনা এপ্ৰিল মাহত নিৰ্বাচন উপলক্ষে মিঃ কাৰ্লাইলৰ বিৰুদ্ধে উঠাতহে ৱেষ্ট লিনত ছাৰ ফ্ৰান্সিছ লেভীছন নামেৰে তাক দেখা পালোঁ। সিপিনে ৰিচাৰ্ডো নিৰুদ্দেশ, কোনো খা-খবৰ নাই। মানুহে ৰিচাৰ্ড মৰা বুলিয়েই ভাবিছিল। তেনেস্থলত মই কথা প্ৰকাশ কৰিলে কি হ'ব? মোকহে অনেক সন্দেহ কৰিব। মোৰ গাত দোষৰ চেকা পৰিব, তদুপৰি মই অঙ্গীকাৰ কৰি টকা খাইছিলোঁ—একো কৰিব নোৱাৰি কথাকে ৰাখিলোঁ।

—তেনেহ'লে সাক্ষী, তুমি ইমান দিনে ৰিচাৰ্ড হেয়াৰ যে নিৰ্দোষ, এই কথা গুপুত ৰাখিছিলা?

—হয় ধৰ্মাৱতাৰ, সেইবাবে মই বৰ দুঃখিত আৰু লজ্জিত।

বাৰিষ্টাৰে সুধিলে,—সেই সময়ত তুমি থৰ্ণৰ বিষয় কি জানিছিলা?

—একো নাজানিছিলোঁ; কেৱল তাক এফিহঁতৰ ঘৰৰ ওচৰৰ হাবিয়নিত মাজে মাজে দেখিছিলোঁ। তাৰ লগত মোৰ বিশেষ কথা-বতৰাও নাছিল, কেৱল তাৰ নাম থৰ্ণ বুলি জানিছিলোঁ; মোকো সি বিডেল বুলি মাতিছিল।

বিচাৰ শেষ হ'ল। জজ চাহাবে বিচাৰৰ কাকত-পত্ৰ সামৰিলে। জুৰি আৰু জজ এবাৰ বাহিৰলৈ ওলাই গ'ল। পোন্ধৰ মিনিটমান পাছতে জজ আকৌ বিচাৰ আসনত বহিলহি। জুৰিসকলেও নিজ নিজ আসন ল'লে। লেভীছনক সমুখত ৰখা হ'ল। জজে জুৰিসকলক সুধিলে,—তেনেহ'লে জুৰি ডাঙৰীয়াসকল, আচামী দোষী নে নিৰ্দোষ?

আদালত একেবাৰে নীৰৱ-নিস্তব্ধ; সাৰ শব্দ নাই। জুৰিসকলে একে মুখে এক বাক্যে কৈ উঠিল—দোষী।

লেভীছন শেঁতা পৰি বগা শিলৰ মূৰ্ত্তিটো যেন হ'ল।

তথাপি জুৰিসকলৰ আগুৱালজনে ক'লে,—আচামীক খালাছ দিব লাগে, ধৰ্মাৱতাৰ।

জজে চকু পকাই সুধিলে—কি কাৰণে?

—সি ইচ্ছাপূৰ্বক হত্যা কৰা নাই; সেই বিষয়ে সি আগেয়ে একো ভবাও নাছিল। খঙৰ বেগতে হত্যাকাণ্ড হ'ল। ধৰ্মাৱতাৰৰ অনুগ্ৰহ হ'লে দোষীক খালাছ দিব পাৰে।

জজে গম্ভীৰ মূৰ্তি ধাৰণ কৰিলে; সকলো নিমাত হ'ল। তেওঁ লেভীছনক সম্বোধন কৰি আৰম্ভ কৰিলে—

বন্দী, তোমাক নিখুঁত প্ৰমাণৰদ্বাৰা ইচ্ছাকৃত হত্যা অপৰাধত অপৰাধী সাব্যস্ত কৰা হ'ল। জুৰিসকলে তোমাক দোষী প্ৰমাণিত কৰিলে, মোৰো একেমত, ৰিচাৰ্ডক মুক্তি দিয়া হ'ল। বিডেলকো মুক্তি দিয়া হ'ল। তুমিয়েই সেই নিচলা দুৰ্ভগীয়া হেলিজনক ইচ্ছাপূৰ্বক হত্যা কৰিছা, তাত কোনো সন্দেহ নাই। সেই কথা তুমি নিজেও স্বীকাৰ কৰিছা। এনেকুৱা নিৰ্মম, নিষ্ঠুৰ কাম সংসাৰত বিৰল। হেলিজনে তোমাক তোমাৰ স্বভাৱৰ বাবে গালি পাৰিব পাৰে; কিন্তু সেই বুলি তুমি তাৰ ওপৰত বন্দুক তোলাটো খুব অন্যায় হৈছে। আকৌ তোমাৰ পক্ষৰ বাৰিষ্টাৰে কৈছে যে তুমি এজন উচ্চ বংশজাত ভদ্ৰলোকৰ ল'ৰা, সেইবাবেই তোমাৰ শাস্তি কম হ'ব লাগে। কিন্তু মই কওঁ—সেই বাবে তোমাৰ শাস্তি দুখীয়া, নিৰ্বলী, হোজা অশিক্ষিত লোকতকৈ দহগুণে বেছি হোৱাহে সমুচিত। তোমাৰ সাক্ষীৰপৰা জনা গৈছে যে তোমাৰ নিচিনা কু-চৰিত্ৰৰ ডেকা কেও নাই। তুমি অসৎ অভিপ্ৰায় লৈহে এফিৰ ঘৰলৈ আহ-যাহ কৰিছিলা আৰু তাইৰ বাবেই তুমি তাইৰ বুঢ়া বাপেকক নিষ্ঠুৰভাৱে হত্যা কৰিছিলা। তাতো ক্ষান্ত নহৈ তুমি তাৰ পাছতো তাইক লগত ৰাখি তাইক ধ্বংসৰ পথত পেলালা। আৰু কিমানৰ যে কত কি কৰিছা, তাৰ সীমা-সংখ্যা নাই। এনেকুৱা গুৰুতৰ অপৰাধত অপৰাধী হৈও নিজৰ অপৰাধ আন এজনৰ ওপৰত পেলাই দি তুমি এই সৰ্বজন-ঘৃণিত জীৱন ৰং মনেৰে কটাইছা? ছিঃ ছিঃ, ইয়াতকৈ আৰু পৰিতাপৰ কথা হ'ব পাৰেনে? এনেকুৱাজনৰ প্ৰতি দয়া-মৰম নাই, ক্ষমা নাই। তুমি এতিয়া নিজৰ গত জীৱনৰ কথা সুঁৱৰি অনুতাপ কৰি সকলো দোষৰ প্ৰায়শ্চিত্ত হোৱাগৈ, আৰু বেছি সময় নাই। তোমাৰ ওপৰত ন্যায় বিচাৰকৰ ন্যায় বিচাৰৰ আদেশ, তুমি অবিলম্বে তাক প্ৰতিপালন কৰাগৈ। তাৰ অন্যথা হ'ব নোৱাৰে। আদেশ এই—ফ্ৰান্সিছ লেভীছনক কাৰাগাৰত বন্দী কৰি থোৱা হওক। তাৰ পাছত বধ্যভূমিলৈ নি ফাঁচিকাঠত জৰীৰে ওলমাই দিয়া হওক—প্ৰাণপক্ষী ওলাই নাযায় মানে সেই অৱস্থাতে ৰখা হওক। মহাপ্ৰভুৱে তেওঁৰ আত্মাৰ সদ্গতি কৰক।

উইলিয়াম কাৰ্লাইল (লেডী ইছাবেল আৰু মিঃ কাৰ্লাইলৰ প্ৰথম পুত্ৰ) শেষ শয্যা, মৃত্যু-শয্যাত; তাৰ বিছনাৰ ওচৰতে। (লেডী ইছাবেলে) মেডাম ভাইনে আঁঠু কাঢ়ি ওঁঠ দুটা লাৰি কিবাকিবি প্ৰাৰ্থনা কৰিলে। উইলিয়ামৰ মৃত্যুৰ সময় ওচৰ চাপিলহি। তাৰ মুখৰ কান্তি আঁতৰিল, চকু দুটা গাঁতত সোমাল; নাক, কাণ হালি পৰিল—সকলো আগন্তুক মৃত্যুৰ চিন! উইলিয়ামে বাগৰ সলাই মেডাম ভাইনক (মাকক) সুধিলে,—তেওঁলোক কেতিয়া আহিব, মেডাম ভাইন?

—কোন, বাপ?

—পিতা, লুছি, আৰ্কি, মাহীমাই আৰু আন আনবোৰ।

ইছাবেলৰ অন্তৰেদি এসোঁত বিজুলী-প্ৰবাহ বৈ গ'ল। তেওঁ তাৰ কেও কিছু নহয়নে? ইছাবেলে সুধিলে,—কেলেই, মই তোমাৰ ওচৰত থাকিলে নহয়নে, বাপ?

—মই আশা কৰোঁ, তুমি থাকিবা। কিন্তু তুমি ভাবানে যে আমাৰ আটাইকে স্বৰগত জানিম? তাত আই-বোপাই, ভাই-ভনী সকলোকে পামনে?

—বাপ! তাত বোধহয় এইবোৰ আত্মীয়-কুটুম কেও নাই, সকলো সমান। সি যি কি নহওক, আমি মহাপ্ৰভুক বিশ্বাস কৰিব লাগিব।

উইলিয়ামে কিবা ভাবি ওপৰলৈ চাই থাকিল। এবাৰ নিজে নিজে কৈ উঠিল,—সৌ নীল বৰণীয়া আকাশখন কেনে সুন্দৰ! তাত কি সুন্দৰ সুন্দৰ ফুলেৰে ভৰি থকা ফুলনি, সেউজীয়া ঘাঁহ, ঘাঁহনি পথাৰবোৰ! তাত চৰাইবোৰে কেনে সুললিত ঈশ-গীত গায়, তটিনীবোৰে কুলু কুলু সুৰে মহাপ্ৰভুৰ মহিমা-গীত গায়। তাত আৰু কি কি আছে, মেডাম?

—সকলো সুন্দৰ আৰু মনোমোহা বস্তুবোৰ আছে, বাছা!

খন্তেক নীৰৱে থাকি আকৌ সুধিলে,—মেডাম ভাইন, মহাপ্ৰভু যীশু মোক নিবলৈ নিজে আহিবনে? নাইবা তেওঁৰ দূত আহিব?

—মহাপ্ৰভু নিজে আহিব। তেওঁক যেয়ে ভাল পায়, তাক নিবলৈ তেওঁ নিজে আহে। আন কাকো নপঠায়।

—আহা! তেনেহ'লে মই বৰ সুখী হ'ম। তাত মই সুখেৰে থাকিম। তাত শোক-তাপ, জৰা-ব্যাধি, একো নাই। তাত বৰ সুখ, নহয়নে, মেডাম?

—আহা বাছা!—বুলি ইছাবেলে উইলিয়ামৰ গাতে মুখখন হেঁচা মাৰি ধৰি

যোঁপাই কান্দিবলৈ ধৰিলে। তেওঁ কৈ গ'ল,—তাত কোনো দুখ-শোক নাই, জৰা-ব্যাধি নাই, তাত কোনো কষ্ট নাই, বাপ।

—বাৰু, মেডাম ভাইন, তাত আইক লগ পামনে? আইক, সেই আমাৰ নিজৰ আইক—এইজনী আইক নহয়।

—নিশ্চয় পাবা, বাছা।

—কেনেকৈ মই তেওঁক চিনি পাম? তেওঁ কেনে আছিল, মই পাহৰিছোঁ—নহয়নে?

ইছাবেলে তেওঁৰ মুখখন উইলিয়ামৰ জঁয় পৰি যোৱা মুখৰ ওপৰতে থ'লে। চকুলোৱে ল'ৰাজনৰ গোটেই মুখখন ভিজাই পেলাই ক'লে,—পাবা, বাছা, পাবা; একো ভয় নকৰিবা। তেওঁ তোমাক পাহৰা নাই।

—কেনেকৈ জানিম যে আই তাত আছে? কাৰণ তেওঁ ভাল নাছিল। পিতা আৰু আমাক ত্যাগ কৰি এৰি থৈ গৈছে। ঈশ্বৰে তেওঁক সেই বাবে ক্ষমা নকৰিবনে?

ভগা অন্তৰেৰে লেডী ইছাবেলে উত্তৰ দিলে,—বাপ উইলিয়াম, তেওঁ তাৰ বাবে যথেষ্ট অনুতাপ কৰিছে, যথেষ্ট ভুগিছে। তেওঁৰ অন্তৰ তোমালোকৰ আৰু পিতাৰাৰ নিমিত্তে ব্যাকুল হৈ উঠিছে, তেওঁ তোমালোকৰ নিমিত্তে কান্দি কান্দি পগলা হৈছে।

—তুমি কেনেকৈ জানা?

—মই জানো, বাপ। মই তেওঁক লগ পাইছিলোঁ।

—তেনেহ'লে সেই কথা আমাক কিয় কোৱা নাছিলা? তেওঁ আমাৰ কথা সুধিছিলনে?

—বাপ, তেওঁ কৈছিল যে তেওঁ তেওঁৰ ল'ৰাছোৱালী, স্বামী সকলোৰেপৰা বঞ্চিত হৈছে। তেওঁ তোমালোকক সৰগত লগ ধৰিব, তেওঁ সদায় বাট চাই আছে। তাত কোনো দুখ-শোক নাই। তাত চিৰ আনন্দ।

—তেওঁৰ মুখখন কেনেকুৱা, কাৰ দৰে আছিল?

—প্ৰায় তোমাৰ দৰে—ঠিক লুছিৰ দৰে।

—তেওঁ দেখিবলৈ ধুনীয়া আছিলনে?

—নিশ্চয় বৰ ধুনীয়া আছিল।

—আই, আই—বুলি উইলিয়ামে সেই পিনে নিটাল মাৰিলে। ইছাবেলে বিচুৰ্তি খাই নিজক পাহৰিলে।—'বাছা মোৰ বুকুৰ কলিজা ক'লৈ গ'লি ঐ' বুলি তাক সাবট মাৰি ধৰি বুকুৰ মাজত ল'লে আৰু "জেছি, জেছি" বুলি চিঞৰ মাৰি দিলে। টিলিঙা বজাই দিলে। টিলিঙা শুনি উইলছন লিগিৰী উপস্থিত হ'লহি।

সাধাৰণতঃ বিশ্বাসী লিগিৰী জেছি, নৰিয়া উইলিয়াম আৰু ধাইমাক মেডাম ভাইনৰ লগত থাকে। সিদিনা বাৰবাৰা কেঁচুৱাটিৰে সৈতে ৰেষ্ট লিনলৈ গৈছিল। তেওঁলোকে লগত জেছিকো লৈ গৈছিল। তাৰ আগদিনা ৰিচাৰ্ডৰ হেলিজন হত্যাকাণ্ড অপৰাধৰ বিচাৰ শেষ হৈ গৈছে। জাষ্টিছ হেয়াৰ লেলিন নগৰৰপৰা বিচাৰৰ শেষ মীমাংসা শুনি ঘৰলৈ আহিছে। নিষ্কলঙ্ক ৰিচাৰ্ডকো সাদৰে আহ্বান কৰি ঘৰলৈ আনিছে। সিদিনাখন ৰেষ্ট লিনত আনন্দ-সবাহ। মেডাম ভাইনৰ আকুল টিলিঙাৰ মাত শুনি উইলিয়ামৰ মৃত্যু-শয্যাৰ ওচৰত মুখৰা লিগিৰী উইলছনে ভুমুকি মাৰিলেহি। উইলিয়ামৰ অবস্থা দেখি তাই উধাতু খাই আথে-বেথে তাৰ মুৰটো দাঙি ধৰিলে, গলত কফে খুন্দা মাৰি ধৰি তাক অচেতন কৰি পেলাইছিল।

মেডাম ভাইন আৰু উইলছন দুয়ো উইলিয়ামৰ পৰিচৰ্য্যা কৰিলে। তাৰ নৰিয়া অবস্থা আৰু কেতিয়াবা কেতিয়াবা তেনে হৈছিল আদি নানা কথা উইলছনে ভাইনৰ আগত ক'বলৈ ধৰিলে। ইছাবেলৰ অন্তৰ উইলিয়ামৰ বাবে কান্দিবলৈ ধৰিলে। কথাই কথাই কথা-চহকী উইলছনে কৈ উঠিল,—শুনিছেনে, মেডাম ভাইন, সেই কাৰাগাৰত পৰি থকা কুলৰত্ন লেভীছনৰ ফাঁচিৰ কথা? আকৌ ৰেষ্ট লিন, ইষ্ট লিনৰ কত মানুহে তাক ফাঁচি দিয়া চাবলৈ ঢাপলি ধৰিছিল।

কথা শুনি ইছাবেল শেঁতা পৰিল। ইমানদিনে তেওঁ লেভীছনৰ একো খবৰ শুনা নাছিল। তেওঁ লাহেকৈ সুধিলে,—তাৰ ফাঁচি হ'লনে?

—হয়, তাৰ ফাঁচি হ'ল—ভালেই হ'ল সি ৰক্ষা পৰিল আৰু অটৰে বিডেলেও মুক্তি পালে; তাৰো ভাগ্য ভাল। বেছ বন্ধুহাল মিলিছিল। আমাৰ ঘৰৰ কোনো তাৰ বিচাৰ শুনিবলৈ বা ফাঁচি দিয়া চাবলৈ যোৱা নাই। জানেই নহয় মেডাম—লেডী ইছাবেলৰ কথা। সেইদেখি মিঃ কাৰ্লাইলে সেইবোৰত যোগ দিয়া নাই, তালৈকে কাকো যাবলৈও দিয়া নাই। ৰিচাৰ্ড হেয়াৰেই তাক ফাঁচি দিয়ালে। ৰিচাৰ্ড ঘৰলৈ আহিছে, দেখাই শুনাই বেছ ভদ্ৰলোকটি। কেলেই, ৰিচাৰ্ড হেয়াৰ নিষ্কলঙ্ক নিৰপৰাধী বুলি প্ৰমাণিত হৈছে আৰু মুক্ত হৈ ওলাই আহোঁতে আনন্দধ্বনি শুনা নাছিলনে? আনন্দধ্বনিৰ ৰোল আদালত ভৰি ৰিঙিয়াই উঠিছিল। কথা শুনি ইছাবেলে সেইপিনে তবধ মানিলে।

এনেতে মিঃ কাৰ্লাইল অফিছৰপৰা আহি উইলিয়ামৰ মৃত্যু-শয্যাৰ ওচৰত থিয় হ'লগৈ আৰু মেডাম ভাইনক লক্ষ্য কৰি সুধিলে,—এতিয়া কেনে?

মেডাম ভাইনে তললৈ মূৰ কৰি উত্তৰ দিলে,—আজি অসুখ বেছি। বৰ দুৰ্বল।

উইলিয়ামে টপৰকৈ মাত লগাই সুধিলে,—পিতা, বিচাৰ শেষ হ'লনে?

—কি বিচাৰ, সোণ?

—লেভীছনৰ বিচাৰ।

—এতিয়া সেইবোৰ নাভাবিবা।

—কিন্তু মই জানিব খোজোঁ, তাৰ ফাঁচি হ'বনে?

—এৰা, তাৰ ফাঁচিৰ আদেশ হৈছে।

—সি হেলিজনক হত্যা কৰিছিলনে?

—এৰা কৰিছিল। মেডাম ভাইনৰ ফালে চাই সুধিলে,—এইবোৰ কোনে তাৰ আগত কৈছে? ইছাবেলে লাহেকৈ উত্তৰ দিলে,—উইলছনে কৈছে, দেউতা।

উইলিয়ামে আকৌ সুধিলে,—পিতা, তাক ভগৱানে ক্ষমা কৰিবনে?

—কৰিব, বাপ। তোমাকো কৰিব, মই মাৰাক আনিব যাওঁদেই—বুলি কৈ কাৰ্লাইল যাবলৈ ওলাল।

তাকে দেখি সি কৈ উঠিল,—আইক আনিবলৈ যোৱা? তেওঁ সৰগতহে আছে। বাৰু পিতা, সৰগত আইক কেনেকৈ চিনি পাম? এই আইক নহয়—সেই আমাৰ আইক?

কাৰ্লাইলে ততালিকে উত্তৰ দিব নোৱাৰিলে।

ল'ৰাজনে আকৌ ক'লে,—তেওঁ সৰগলৈ যাবনে?

—যাব, নিশ্চয় যাব, বুলি কাৰ্লাইলে একে উশাহতে উত্তৰ দিলে।

—মেডাম ভাইনে জানে যে আই সৰগলৈ যাব। তেওঁ আইক হেনো লগ পাইছিল আৰু আয়ে তেওঁৰ আগত কৈছিল যে—কি কথা, মেডাম ভাইন? বুলি উইলিয়ামে মেডামৰ ফালে চাই সুধিলে। মেডাম ভাইনৰ অন্তৰ কঁপি উঠিল। কাৰ্লাইলে চকু যোপাকৈ তেওঁৰ ফালে চালে। মেডাম ভাইন যেন মুহূৰ্তকতে তাৰপৰা লৰি পলাব! কিন্তু উইলিয়ামে কথা শেষ নকৰি কৈ গ'ল,—মেডাম ভাইনৰ আগত আয়ে কৈছে, তেওঁ বোলে একেবাৰে অসহনীয় নিৰ্য্যাতন ভুগিছে। পিতা, আয়ে তোমাক বিচাৰিছিল। আমাকো বিচাৰিছিল বোলে। তেওঁৰ অন্তৰ ভাগি পৰিছিল—তাৰ পাছতহে মৃত্যুৰ মুখত পৰিছিল।

কাৰ্লাইলৰ মুখখন ৰঙা পৰি উঠিল। ইছাবেলৰ ফালে চাই কিবা ক'ব খুজিছিল। এনেতে তেওঁ মিনতিপূৰ্ণ সুৰেৰে ক'লে,—ক্ষমা কৰিব, দেউতা। মই নাজানি কৈছিলোঁ। ল'ৰাটোৱে তাৰ মাকৰ খুব বিচাৰ লৈছিল, সেইদেখি সেইবোৰ কৈ মই তাক সান্ত্বনা দিছিলোঁ।

কাৰ্লাইলে কিবা ভাবি সুধিলে,—তুমি তেওঁক দেখিছিলানে?

—নাই, মিছাকৈয়ে কৈছিলোঁ, বুলি ইছাবেলে হাত দুখনেৰে মুখখন ঢাকিলে।

কাৰ্লাইলে উইলিয়ামৰ শেঁতা পৰি যোৱা মুখখনৰ ফালে চাই সুধিলে,—তাৰ মুখৰ কিবা পৰিৱৰ্তন দেখানে?

—হয় দেউতা, বেয়া যেন দেখোঁ। কাৰ্লাইলে দুটামান হুমুনিয়াহ কাঢ়ি খিৰিকীৰ কাঠত হেলন দি থিয় হ'লগৈ। এজন চাকৰে আহি খোৱা বস্তু চেঁচা হৈ যোৱা বুলি কোৱাত যাওঁ নাযাওঁকৈ খাবলৈ গ'ল।

অলপ পাছতে ফিৰি আহি দেখে যে উইলিয়ামৰ বিছনাৰ কাষত এগছি মমবাতি জ্বলিছে। তাৰ ছাঁয়াত মৃতপ্ৰায় উইলিয়ামৰ মুখখন শেঁতা পৰি আছে। মমবাতিডালেৰে তেওঁ তাৰ মুখখন চালে। পোহৰত সাৰ পাই উইলিয়ামে ক'লে,—পোহৰ নানিব, পিতা, মই আন্ধাৰহে ভাল পাওঁ। পিতা, লুছি আৰু আৰ্কিহঁত আহিলনে?

এনেতে লুছি আৰু আৰ্কিহঁতে উইলিয়ামৰ মৃত্যু-শয্যাৰ ওচৰ চাপিলহি। সকলোৰে ওচৰত মুমূৰ্ষু উইলিয়ামে বিদায় ল'লে। লেডী ইছাবেলে বিছনাৰ ওচৰত একাষে মজিয়াত আঁঠু কাঢ়ি পৰি ফোঁপাব ধৰিলে। হাজাৰ হওক নিজৰ পেটৰ সন্তান! মাক-বাপেক দুয়োজন মাত্ৰ পুতেকৰ মৃত্যু-শয্যাৰ দাঁতিত! মাক হৈ পুত্ৰশোকত অধীৰ হৈ স্বামীৰপৰা এষাৰ সান্ত্বনা-বাক্য নাপালে!

কাৰ্লাইলে ইছাবেলৰ ফালে চাই তেওঁৰ ল'ৰাৰ ধাই এজনীৰ ইমান অপত্য স্নেহ দেখি তবধ মানিলে। তেওঁ লাহে লাহে হালি গৈ মৃতপ্ৰায় পুতেকৰ মুখৰ ওপৰতে মুখখন থ'লে। সি ঘানাক-ঘুনুককৈ ইছাবেলৰ আগত কোৱা মৃত্যু-সম্বন্ধীয় কথাবোৰ ক'লে। শেহত চুমা খাই খাই কাৰ্লাইল যাবলৈ ওলাল,—মই মাৰাহঁতক লৈ আহোঁগৈ, বাপ।

—তেনেহ'লে মোক ভালকৈ থৈ যোৱা, বুলি উইলিয়ামে বাপেকৰ ফালে চালে। তেওঁ তাক আলফুলকৈ দাঙি বিছনাত শুৱাই থ'লে আৰু দুটামান চুমা খাই ওলাই গ'ল। উইলিয়ামৰ অন্তৰে যেন ৰিঙিয়াই ৰিঙিয়াই ক'লে,—বিদায় পিতা,—বিদায়।

কাৰ্লাইল গ'ল—ইছাবেল পাগলিনীবেশে থিয় হ'ল। হাত দুখন মেলি অৰ্ধমৃত পুতেকক সাবট মাৰি ধৰিলে,—ক'লৈ যাব বাছা, মোৰ বুকুৰ জীউ। এই শেষ সময়ত মোক এবাৰ তোৰ মাৰ হ'বলৈ দে। উইলিয়ামে চকু মেলি কৈ উঠিল,—পিতাই আইক আনিবলৈ—।

—তেওঁক নহয় বাছা,—মো-মো—মোক।

ইছাবেলে নিজক চম্ভালি ল'লে। এই শেষ মুহূৰ্ততো মাকে নিজৰ পেটৰ সন্তানৰ আগত "মাক" বুলি পৰিচয় দিব নোৱাৰিলে! উইলছন অহাত ক'লে,—তই এতিয়া যাগৈ। আৱশ্যক হ'লে মই টিলিঙা বজাই মাতিম।

লেডী ইছাবেল অকলে থাকিল। উইলিয়ামৰ মৃত শৰীৰ কোলাত লৈ পাৰেমানে চুমা খাই লাহেকৈ শুৱাই থ'লে। নিজে মজিয়াত আঁঠু কাঢ়ি ঈশ-প্ৰাৰ্থনা কৰিলে। অতীত জীৱনৰ এটি ছবি ছায়াচিত্ৰৰ দৰে চকুৰ আগত নাচিব ধৰিলেহি। ইষ্ট লিনৰ এই ঘৰতে তেওঁৰ ছোৱালী-কাল, কাৰ্লাইলৰ গৃহিণী-কাল। ছদ্মবেশিনীৰূপে নিৰ্য্যাতিত আৰু প্ৰবাসৰ কাল—বৰ্তমান মুহূৰ্তলৈ। উইলিয়াম শান্তিৰে শুই থাকিল। ইছাবেল অতীতৰ ভাবনাত পৰিল। ভাবি ভাবি পাৰ নাপালে—অপাৰ ভাবনা সমুদ্ৰ। নিজৰ জীৱনৰ ওপৰত কতবাৰ ধিক্কাৰ আহিল। সকলো নিজৰ কৰ্মদোষ। কতবাৰ লেডী ইছাবেলে কাৰ্লাইলক কাকুতি কৰিছিল,—বাৰবাৰাক বিয়া নকৰাবা। কাৰ্লাইলেও কতবাৰ কৈছিল,—বাৰবাৰাক কিয় বিয়া কৰাম? লেডী ইছা মোৰ মৰমৰ ঘৈণী। বাৰবাৰা কোন? তাই কেও কিছু নহয়। কিন্তু কালৰ কুটিলা গতিত সেয়ে হ'ল। কাৰ্লাইলৰ দোষ নাই, বাৰবাৰাৰো দোষ নাই। তেন্তে কাৰ দোষ? লেডী ইছাবেলৰ সম্পূৰ্ণ নিজৰ দোষ, নিজৰ ইচ্ছাকৃত কৰ্মফল।

অতীতৰ নানা কথা ভাবি ভাবি ইছাবেলে নিজক পাহৰি মৃত পুতেকক সাবট মাৰি ধৰি সেই ফালে পৰি থাকিল। কাৰ্লাইল ওলাই যোৱাৰ আধা ঘণ্টামান পাছত জেছি পালেহি। ঘৰ পায়েই তাই একেবাৰেই উইলিয়ামৰ মৃত্যু-শয্যাৰ ওচৰ চাপি সোধ-পোছ নোহোৱাকৈ মুখৰ কাপোৰখন গুচাই ক'লে,—মাষ্টাৰ উইলিয়ামে বোলে মোক বিচাৰিছিল?

—জেছি! বুলি ইছাবেল উচাপ খাই উঠি, নিজক চম্ভালি, এফলীয়াকৈ থিয় হ'ল। জেছিয়ে মুখখন চাই—আহা, বাপ! বুলি চিঞৰ মাৰি উঠিল। ইছাবেলে উইলিয়ামৰ মৃত মুখখন দেখি জাঁপ মাৰি তাৰ ওপৰতে পৰি মূৰটো বুকুৰ মাজত সুমুৱাই ল'লে। উইলিয়ামৰ প্ৰাণ-বায়ু অথনিতে উৰি গ'ল।

ইছাবেলে নিজক পাহৰিলে। হিয়া-মূৰ ভুকুৱাই কান্দিবলৈ ধৰিলে। চকুৰ বিত-চকু, মূৰৰ ওৰণি কেনিবা গ'ল। নিজৰ সন্তানক এবাৰ চুমা দি ক'ব নোৱাৰিলে, —যোৱা—বাছা, যোৱা—বিদায়!!

লেডী ইছাবেলৰ মূৰ্তি দেখি জেছিৰ চুৰ্তি হেৰাল। তাই তাৰ ফলাফল বিষম ভাবি ইছাবেলক কোনোমতে আঁজুৰি আঁজুৰি উইলিয়ামৰপৰা এৰাই ক'লে,—মেডাম, মেডাম, এতিয়াও সময় আছে; নিজক নাপাহৰিব। ক্ষান্ত হওক, ক্ষান্ত হওক, মিঃ কাৰ্লাইল পায়হি এতিয়া।

ইছাবেলে জেছিৰ পুৰণি সম্বোধন "মেডাম" মাত শুনি চমক খাই উঠি তাইৰ ফালে চালে, দুখোজ পিছলৈ গ'ল।

—মেডাম, ব'লক আপোনাৰ ঘৰলৈ যাওঁ। মিঃ কার্লাইল আহি পালে। তেওঁ তেওঁৰ ঘৈণীয়েকক লৈ আহিছে। এবাৰ ভাবক তেওঁৰ আগত কেনেকৈ...আহক, ততালিকে আহক।

লেডী ইছাবেলে নিজক চম্ভালি তাইক সুধিলে,—মোক কেনেকৈ জানিলি, জেছি? বুলি কৈ তাইৰ মুখৰ ফালে চাই থাকিল।

—মেডাম, যিদিনা "ক'ত জুই? ক'ত জুই?" বুলি ঘৰখনত হুৰাদুৰা লাগিছিল, সিদিনাই আপোনাক দেখি চিনিছোঁ। সিদিনা আপোনাৰ ছদ্মবেশ, নীলবৰণীয়া বিতচকু, আৰু ওৰণি গা মূৰত নাছিল। আৰ্কিক কোলাৰপৰা নিওঁতে আপোনাক দেখি মই মূৰ্চ্ছা গৈছিলোঁ। মেডাম, আহক আহক, এয়া মিঃ কার্লাইল পালেহি।

আহা বেচেৰী লেডী ইছাবেল! তেওঁ আঁঠুৰ ওপৰত উবুৰি হৈ পৰি কান্দি কান্দি জেছিক ক'লে,—জেছি, মোক ক্ষমা কৰ, দয়া কৰ, পুতৌ কৰ; মোক এইফেৰাৰপৰা বঞ্চিত নকৰিবি। মোৰ কথা প্ৰকাশ নকৰিবি। মই সোনকালে ইয়াৰপৰা আঁতৰি যাম, নিশ্চয় যাম। যিকেইদিন আছোঁ—সেইকেইদিন মোক থাকিবলৈ দে, কাবৌ কৰিছোঁ।

জেছিয়ে চকু চলচলীয়াকৈ ক'লে,—মেডাম, মোৰপৰা একো ভয় নাই, মই সৰ্বতোভাৱে আপোনাক নিৰাপদে ৰাখিম। মই আপোনাক সদায় চকুৰ নজৰত ৰাখিছোঁ। দিনে-ৰাতি আপোনাৰ বাবে মোৰ চিন্তা, ধাউতি। যদি মিঃ কার্লাইল আৰু বাৰবাৰাই এই কথা জানে, তেন্তে তাৰ পৰিণাম কি বিষম হ'ব, এবাৰ ভাবি চাওকচোন। মেডাম, আপুনি ইয়ালৈ আহি ভাল কৰা নাই, বৰ ভুল কাম কৰিছে...।

ইছাবেলে হুমুনিয়াহ কাঢ়ি ক'লে,—কি কৰিম, জেছি? মই ল'ৰাছোৱালীহঁতক নেদেখি আঁতৰি থাকিব নোৱাৰিলোঁ। মই সকলো জানো—ইয়ালৈ অহাটো মোৰ শাস্তি নহয়নে? মোৰ স্বামী-দেৱতাক আন এজনীৰ স্বামী হোৱা দেখিবলৈ অহাটো শাস্তি নহয়নে? ইয়াতকৈ তিৰোতা জাতিৰ আৰু কিবা ডাঙৰ শাস্তি লাগেনে? মোৰ সমুচিত শাস্তি হোৱা নাইনে? এয়ে মোক মাৰিলে, জেছি!...

—অ' মেডাম আহক, আহক, মিঃ কার্লাইল আহিল।

কার্লাইল উইলিয়ামৰ মৃত্যু-শয্যাৰ ওচৰ চাপিলহি। জেছি আগ বাঢ়ি গ'ল; ক'লে,—দেউতা, সাজু হওক, সাজু হওক—মাষ্টাৰ উইলিয়ামৰ...।

—কি কোৱা জেছি—বুলি কার্লাইল মৃত পুতেকৰ ওপৰতে পৰিলহি,—বাছা, বাছা, ক'লৈ যোৱা মোক এৰি!

—হে প্ৰভু যীশু, চিৰদুঃখিনী মাকক যেনেকৈ কোলাত লৈছা, আজি এই পোনাটিকো তাৰ মাকৰ লগতে লোৱা প্ৰভু!

—শান্তি! শান্তি!! শান্তি!!!—

উইলিয়ামৰ অন্ত্যেষ্টিক্রিয়া সমাপন হৈ গ'ল। লৰ্ড মাউণ্ট চেভার্ণ আৰু তেওঁৰ পুতেক লৰ্ড ভেন নিজে কবৰ দিওঁতে উপস্থিত আছিল; ৰেষ্ট লিনৰ বহুতো ভদ্ৰলোকে তাত যোগ দিছিল; তাৰ ভিতৰত জাষ্টিছ হেয়াৰো এজন।

উইলিয়ামৰ মৃত্যুৰ লগে লগে মেডাম ভাইনৰূপী লেডী ইছাবেলৰ অসুখ আৰম্ভ হ'ল—শাৰীৰিক, তাতোকৈ অধিক মানসিক। তেওঁ ঘৰৰ ভিতৰতে পৰি থাকিল; আলপৈচান ধৰাকৈ লগত থাকিল জেছি লিগিৰী। ঘৰৰ আটায়ে মেডাম ভাইনৰ অসুখ উইলিয়ামৰ মৃত্যুশয্যাৰ ওচৰত বহি দিন-ৰাতি পৰ দিয়াৰপৰা হোৱা বুলি অনুমান কৰিলে। তেওঁৰ অসুখ কোনোৱে সিমান সাংঘাতিক বুলি নাভাবিছিল; কাৰণ ডাক্তৰ লগাবলৈ সোধাত তেওঁ তাত মান্তি নহ'ল। তেওঁৰ একমাত্ৰ চিন্তা, কেনেকৈ ইষ্ট লিনৰপৰা আঁতৰি যাব পাৰে। তেওঁ তাত থাকি মৰিবলৈ ইচ্ছা নকৰিছিল। তেওঁ জানিছিল যে তেওঁৰ মৃত্যু ওচৰতে; সংসাৰৰ কোনো ডাক্তৰ-কবিৰাজ বা চিকিৎসাই তেওঁক ভাল কৰিব নোৱাৰে; মৃত্যুৰাজক ফিৰাই খেদাবৰ কাৰো শক্তি নাই। তেওঁ ইষ্ট লিনত ধৰা পৰিবৰ নিমিত্তে বেছি চিন্তা নকৰিছিল যদিও, মৃত্যু ওচৰ চপাৰ লগে লগে তেওঁৰ সাংসাৰিক সকলো ভাব-চিন্তাৰ ঠাই পৰকালৰ চিন্তাই অধিকাৰ কৰিলে।

লেডী ইছাবেলে ইষ্ট লিনলৈ ফিৰি আহি অত্যন্ত দুঃসাহসিক কামত হাত দিছিল। বিধি-পথালিপূৰ্ণ কৰ্মক্ষেত্ৰত সোমাই দেখিলে যে তেওঁৰ শাৰীৰিক বল আৰু মানসিক সাহস দুয়োটাই সেই কৰ্মক্ষেত্ৰত ফেৰ মাৰি চলিবলৈ অলায়ক বুলি প্ৰমাণিত হ'ল। তেওঁৰ শাৰীৰিক অৱস্থাত এনেকুৱা কিছুমান পৰিবৰ্তন আহিল যে ইষ্ট লিনত কোনোৱাই সপোনতো তেওঁক লেডী ইছাবেল বুলি ভবা অসম্ভৱ হৈ উঠিল। এইটো তেওঁ নিজে বুজিলে, সেয়ে তেওঁৰ বিচাৰ-শক্তি বা হিতাহিত বিবেচনা অন্তৰ্হিত হ'ল—অন্ধ হ'ল। সেই অন্ধতাই শেষ ফল বেয়াৰ ফালে ঢাল খুৱাই দিলে।

সংসাৰে যি বোলে বোলক, কিন্তু এইটো ধ্ৰুৱ-সত্য যে মনুষ্যৰ অন্তৰৰ কাম, ক্ৰোধ, লোভ, মোহ আদি ৰিপুবিলাক অন্তৰৰপৰা নিৰ্মূল কৰিব নোৱাৰি। অনেক চেষ্টা কৰি সিহঁতক দমাই তল পেলাই ৰাখিব পাৰি; ভয় দেখুৱাই অন্তৰত উদয় হ'বলৈ নিদি সংযমৰূপ হাতুৰীৰে পিটি চেপেটা কৰি থ'ব পাৰি, মুঠতে সিহঁতক ইচ্ছামতে শাসন কৰিব পাৰি; কাৰণ সংসাৰ-ক্ষেত্ৰত তাৰ উদাহৰণ পোৱা যায়। কিন্তু সিহঁতক একেবাৰে শিপা নোহোৱা কৰিব নোৱাৰি। কোনো সংযম-শক্তিয়ে নোৱাৰে—সংসাৰ ক্ষেত্ৰত ইয়াৰ উদাহৰণ পাবলৈ টান। ই জীৱৰ আত্মাৰ উৎপত্তিৰ লগতে লাগি আছিছে,

মাত্ৰ অদৃশ্যভাৱে থাকে সময়-সোঁতৰ লগে লগে.প্ৰস্ফুটিত হয়হি। ই লগতে আহিছে, লগতে যাব—তাৰ আগে নহয়। মৃত্যু পৰ্য্যন্ত লেডী ইছাবেলে অন্তৰৰ এই ৰিপুবোৰ নিৰ্মূল কৰিবলৈ যোৱা দূৰৈৰ কথা সংযমকে কৰিব পৰা নাছিল। কেৱল দৃশ্যমান জগতত দৰ্শন নিদিয়াকৈ তেওঁ ৰিপুবোৰ অলপ বশতহে ৰাখিছিল, শেষত তাকো নোৱাৰিলে।

লেডী ইছাবেল যেতিয়া কাৰ্লাইলৰ পত্নী আছিল, তেতিয়া তেওঁ কাৰ্লাইলক অন্তৰৰ অন্তৰেৰে ভাল নাপাইছিল। তেওঁ কাৰ্লাইলক ভক্তি কৰিছিল, প্ৰশংসা কৰিছিল, মৰম-চেনেহো কৰিছিল; কিন্তু অন্তৰৰ নিভৃতকোণৰ সেই আচৰিত যি ভালপোৱা শক্তি, প্ৰাণৰ টান, প্ৰেম—সেই শক্তিৰে লেডী ইছাবেলে কাৰ্লাইলক ভাল নাপাইছিল, কিন্তু এতিয়া তাৰ পাল পৰিল। ছদ্মবেশে তেওঁ কাৰ্লাইলক সেই কোনো কালে তাৰ সোৱাদ নুবুজা নিভৃতকোণৰ আচৰিত ভালপোৱা শক্তিৰে ভাল পাবলৈ আৰম্ভ কৰিলে। সংসাৰৰ সোঁত আওপাকে ঘূৰে, আমি তাৰ লগে লগে যাওঁ। কাজেই আমিও সেই আওপাকে ঘূৰোঁ, আমিও তাৰ লগে লগে যাওঁ। আমি আজি যি বস্তুৰ অধিকাৰী, তাক বেয়া পাওঁ, ঘৃণা কৰোঁ, তাত সন্তুষ্ট নহওঁ। যি আমাৰ হাতত নাই, পাবলৈও কোনো আশা নাই, তেনেকুৱা বস্তুহে পাবলৈ সদায় কামনা কৰোঁ, চেষ্টা কৰোঁ। যিদিনা গধূলি তেওঁ ছদ্মবেশ ধৰি কাৰ্লাইলৰ ঘৰ সোমালহি, সেই মুহূৰ্তৰপৰা তেওঁৰ অন্তৰ কাৰ্লাইলৰ প্ৰতি ইমান আকৃষ্ট হ'ল যে তেনেকুৱা অন্তৰৰ স্পন্দন তেওঁ কেতিয়াও অনুভৱ কৰা নাছিল। এই অন্তৰ স্পন্দনৰ ঢৌৱে—যিদিনা তেওঁ কাৰ্লাইলক ত্যাগ কৰি নিৰুদ্দেশ হৈছিল, সেই তাহানি সিদিনা—থৌকি-বাথৌ লগাইছিল। এতিয়া সেই স্পন্দনৰ পূৰ্ণ মূৰ্তি দেখা দিলে, তেওঁৰ সৰ্বনাশ কৰিলে।

বেচেৰী ছদ্মবেশিনী লেডী ইছাবেলে কাৰ্লাইলক আপোন স্বামী যেন দেখিবলৈ ধৰিলে। তেওঁৰ অন্তৰৰ সকলো চিন্তা এতিয়া কাৰ্লাইলৰ ফালে ঢাল খালে—শয়নে, সপোনে, জাগৰণে, দিন-ৰাতি কাৰ্লাইলৰ মধুৰ প্ৰশান্ত মূৰ্তি ইছাবেলৰ চকুৰ আগত নাচিবলৈ ধৰিলে। আকৌ মানব অন্তৰৰ সৰ্বনাশী ৰিপুৰ তাড়না! বহুবাৰ তেওঁ সেই চিন্তাৰপৰা সাৰ পাই উঠিছিল আৰু অমূলক ভুল চিন্তাবোৰ আঁতৰাবলৈও যথেষ্ট চেষ্টা কৰিছিল, কিন্তু সকলো চেষ্টা বিফলে গ'ল! যিমানেই চেষ্টা কৰে সিমানেই তাৰ মূৰ্তি আৰু ভয়ঙ্কৰ হৈ উঠে। কাৰ্লাইলৰ মৰম-চেনেহ এতিয়া লেডী ইছাবেলৰ নহয়, বাৰবাৰাৰহে! এতিয়া কাৰ্লাইল তেওঁৰ নহয়—তেওঁৰ ঘৈণীয়েক বাৰবাৰাৰ! বাৰবাৰা হেয়াৰৰ!! বাৰবাৰা সতিনীৰ!!! তেওঁৰ অন্তৰৰ অৱস্থা কেনে, তাক নুবুজা নোভোগাজনে কেনেকৈ বুজিব। সেই ঘৰত বাৰবাৰা নোহোৱা হ'লে তেওঁ সকলো সহি

থাকিব পাৰিলেহেঁতেন; কিন্তু সেইটো নহৈ তাৰ বিপৰীতটোহে হ'ল। সেয়ে তেওঁক মৃত্যুৰ আগেয়ে মাৰিলে। লগে লগে তেওঁৰ অন্তৰৰ কামনাৰাশিও অন্তৰ্হিত হ'ল।

অকল এয়ে নহয়। লেভীছনে ইষ্ট লিনত আকৌ দেখা দিলেহি, সিও দিনে-ৰাতি তেওঁৰ চকুৰ আগত, কাণৰ ওচৰত। তেওঁৰ অন্তৰত ভয় উপজিল। তাতে আকৌ সেই লেভীছনৰ ওপৰত হেলিজন হত্যাকাণ্ডৰ দৰে সাংঘাতিক গুৰুতৰ অপৰাধ সাব্যস্ত হ'ল। তেওঁৰ তাৰ প্ৰতি—তেওঁৰ নিজৰ জীৱনৰ প্ৰতি ঘৃণাৰ পূৰ্ণমূৰ্তি উপস্থিত হ'লহি। তেওঁ চাৰিওফালৰপৰা অশেষ নিৰ্য্যাতন পালে; জীৱন-সোঁতৰ লেথাৰি ছিগিল। ছিগিবৰে কথা, নিছিগিলেহে আচৰিত।

এই দুৰ্বহনীয় ভাৰ তেওঁৰ ওপৰত কোনে চপাই দিলে? তেওঁ নিজেই—নিজ ইচ্ছাত চপাই ল'লে। তেওঁ ইষ্ট লিনলৈ অহাটোৱেই উচিত নাছিল। অৱশ্যে উচিত নাছিল সঁচা। আহিলেও তেওঁ সেইদৰে কাৰ্লাইলক যিভাৱে ভাবিলে, চালে, সেই ভাবেৰে ভাবিব বা চাব নালাগিছিল। কিন্তু তেওঁ চাই পেলালে, এতিয়া কি উপায় আছে? যদি সকলোৱে উচিত মতে চলিলেহেঁতেন, তেন্তে আজি এই সংসাৰ বিনন্দীয়া হ'লহেঁতেন। লেডী ইছাবেল সকলোৰে গালি-গৰিহণাৰ পাত্ৰ, ঘৃণাৰ যোগ্য; কিন্তু তেওঁৰ নিচিনা অৱস্থাত পৰিলে কেইজনে উচিত মতে চলিব, ঘোৰ সন্দেহপূৰ্ণ কথা। তেওঁ যি কৰিলে তাৰ কোনো উপায় নাই। তাৰ ফলাফল তেওঁ ভুগিলে, ভুগিব।

তেওঁ তেওঁৰ মৃত্যু যিমান দূৰৈত বুলি ভাবিছিল, সিমান দূৰৈত নহয়—নিচেই ওচৰ চাপিছিলহি। তেওঁ নিজে তেওঁৰ শাৰীৰিক অৱস্থা আৰু মনৰ গতিৰ সোঁত দেখি অনুমান কৰিছিল যে তেওঁৰ মৃত্যুৰ দিন আঙুলিৰ মূৰত লেখিব পৰা হৈ আহিছিল যদিও ইমান হাতৰ ওচৰতে বুলি ভবা নাছিল। বহুতে হয়তো ভাবিব পাৰে যে তেওঁ ধৰা দিব বা চিনাকি দিবৰ মন কৰিছিল। কিন্তু নহয়, তেওঁ ইচ্ছা কৰি কেতিয়াও চিনাকি নিদিব। তেওঁ ঠিক কৰিলে—ইষ্ট লিনত আৰু নাথাকে। যিমান সোনকালে আঁতৰিব পাৰে, সিমানেই তেওঁৰ মঙ্গল। কিন্তু ইষ্ট লিন এৰি ক'লৈ যাওঁ বুলি কোন মুখে খোজ দিব তাক ভবা নাছিল। কেৱল ইষ্ট লিনৰপৰা ওলাবলৈহে খুজিছিল। জেছিয়ে সদায় ভয় কৰিছিল জানোচা লেডী ইছাবেল ধৰা পৰে। সেইদেখি তাই এই বিষয়ে তেওঁক প্ৰতি মুহূৰ্ততে সতৰ্ক কৰি দিছিল আৰু পিছে পিছে ফুৰিছিল।

উইলিয়ামৰ মৃত্যুৰ তৃতীয় দিনৰ দিনা ভাটীবেলা লেডী ইছাবেলে বাৰবাৰাক দেখা কৰিলে। তেওঁ ভিতৰলৈ সোমোৱা দেখি কাৰ্লাইল ওলাই গ'ল। বাৰবাৰা ফুৰি আহি ভাগৰ লগাত হেলনীয়া চকী এখনত আউজি শুই আছিল। ইছাবেলে তেওঁৰ ইষ্ট লিন ত্যাগৰ নিবেদন বাৰবাৰাক জনালে। কথা শুনি বাৰবাৰাই ইষ্ট লিন এৰি যাবলৈ

তেওঁক হাক দিলে, নানা ৰকমে বুজাই-বঢ়াই ক'লে; ইছাবেলে কিন্তু নামানিলে। স্বাস্থ্য ভগ্ন হোৱা বাবে চিকিৎসাৰ বন্দবস্ত কৰি দিবলৈ ওলাল, তথাপি তেওঁ ইষ্ট লিনত থাকিবলৈ একোপধ্যে মান্তি নহ'ল। বাৰবাৰা অলপতে বায়ু পৰিবৰ্তনৰ বাবে কিছুদিন সাগৰৰ পাৰৰ কোনো ঠাইত থাকিবগৈ; ইছাবেলক তালৈ নিবলৈ ওলাল। তাতো তেওঁ মান্তি নহ'ল; ক'লে—মই কোনোমতে ইয়াত থাকিব নোবাৰোঁ, সাগৰৰ পাৰলৈ গ'লেও মোৰ অসুখ বেছিহে হ'ব; মোক এতিয়া সম্পূৰ্ণ জিৰণি লাগে। আপোনালোকক জনাই থ'লোঁ—আপোনালোকে বিদায় দিলে মই যিদিনাই পাৰোঁ সেই দিনাই ইয়াৰপৰা যাম।

একো উপায়ান্তৰ নেদেখি বাৰবাৰাই ক'লে,—তেনেহ'লে শুনা, মেডাম ভাইন,—মই সাগৰৰ পাৰৰপৰা ফিৰি নহা পৰ্য্যন্ত ১৪/১৫ দিন তুমি ইয়াত থাকা; ইয়াত তুমি একো কাম কৰিব নালাগে, ল'ৰাছোৱালীহঁতকো পঢ়াব নালাগে, বহি থাকিবা। তোমাক ইয়াত এৰি যাব পাৰিলে, লুছিৰ প্ৰতি মোৰ ভাৱনা কমে। তাইৰ আজি-কালি বয়স হ'ল। তাইক চাব-চিন্তিব লাগে। মই নহ'লে কোনে চাব? তুমি থাকিলে সেই বিষয়ে মোৰ কোনো চিন্তা নাথাকে। মই ফিৰি আহি পালে তুমি থাকিলে থাকিবা, নহ'লে যাবা। তেতিয়া আনন্দেৰে তোমাক বিদায় দিম। কি কোৱা?

মেডাম ভাইন আনন্দ মনেৰে সেই প্ৰস্তাৱত মান্তি হ'ল। তেওঁ নিজৰ ল'ৰা-ছোৱালী লুছি আৰু আৰ্কিৰ লগত আৰু এপষ থাকিব পাৰিব—শেষবাৰলৈ, কি সুখৰ, কি আনন্দৰ কথা! সেই দেখি তেওঁ সেই প্ৰস্তাৱত ৰং মনেৰে মান্তি হ'ল। তেওঁৰ মনত পুৰণি স্মৃতি জাগি উঠিল—বায়ু পৰিবৰ্তন কৰি আৰোগ্য লভিবলৈ সাগৰৰ পাৰত প্ৰবাস খাটিবলৈ যোৱাৰ কথা, কাৰ্লাইলৰ আদৰ-যত্ন, মৰম-চেনেহৰ কথা। মনত পৰিল, বাৰবাৰাৰ লগত মুখ চুপটি মাৰিবলৈ নাযাবা বুলি সাগৰৰ পাৰৰপৰা ফিৰি আহোঁতে কাৰ্লাইলক কোৱা হুঙ্কাৰপূৰ্ণ সাৱধান সূচক কথা। এতিয়া কাৰ্লাইলৰ সকলো আদৰ-যত্ন, মৰম-চেনেহ সেই বাৰবাৰা সতিনীৰহে—তেওঁৰ নহয়। লেডী ইছাবেলৰ পুৰণি স্মৃতিবোৰ বৃশ্চিক-দংশন যেন লাগিল।

লুছিৰ কথা বাদ দিলে, বাৰবাৰাই মেডাম ভাইনক বাস্তৱিকে অন্তৰেদি সমূলি ভাল নাপাইছিল। মেডাম ভাইনৰ লগত লেডী ইছাবেলৰ সামঞ্জস্য দেখিয়েই নেকি স্বাভাৱিক ঈৰ্ষাভাৱে তেওঁৰ অন্তৰত ঠাই লৈছিল। মেডাম ভাইন ইষ্ট লিনৰপৰা গ'লে বাৰবাৰাই ভালহে পাইছিল, কেৱল লুছিৰ যত্নৰ বাবে অলপ চিন্তিত হৈছিল। মেডাম ভাইন আৰু ১৪/১৫ দিন অৰ্থাৎ বাৰবাৰা ফিৰি নাহেমানে ইষ্ট লিনত থকা ঠিক হ'ল। বাৰবাৰা—ইছাবেল—দুয়ো সতিনী অন্তৰত চিন্তাৰ বোজা লৈ নিজ নিজ শোৱনি ঘৰলৈ গ'লগৈ।

নিজৰ শোৱনি-ঘৰত কিবাকিবি ভাবি ইছাবেল বহি থাকিল। অলপ পাছতে দুৱাৰত খুন্দা মাৰি শব্দ কৰি কাৰ্লাইল ভিতৰলৈ সোমাই গ'ল। ইছাবেল থিয় হ'ল, বুকুখন ধপছ ধপছকৈ উঠিল—তেওঁ কঁপিবলৈ ধৰিলে। কঁপা হাতেৰে চকীখন আগ বঢ়াই দিলে। কাৰ্লাইলে চকীখনত হাত দি ইছাবেলকো আন এখনত বহিবলৈ আঙুলিয়ালে। কাৰ্লাইলে তেওঁৰ যোৱা সম্বন্ধে বাৰবাৰাই কোৱা কথাবোৰ সুধিলে। ইছাবেলে স্বীকাৰ কৰিলে। কাৰ্লাইলে শুনি বৰ দুখ কৰিলে আৰু থাকিবলৈ অনুৰোধ কৰিলে। ইছাবেল মান্তি নহ'ল। ডাক্তৰ লগোৱাৰ কথা উলিয়ালত, তেওঁ মান্তি নহ'ল। শেহত কাৰ্লাইলে ক'লে,—তেনেহ'লে বাৰবাৰাই কোৱামতে তেওঁ ফিৰি আহিলেহে তোমাৰ থকা-মিলাৰ ঠিক হ'ব। মেডাম ভাইনে টপৰকৈ মাত লগালে,—ক্ষমা কৰিব দেউতা, তেওঁ আহি পালেই মই যাব পাৰিম বুলি তেওঁ কথা দিছে।

—বাৰু মোৰো সেয়ে মত তেনেহ'লে; তাৰ যেন অন্যথা নহয় আৰু আশাকৰোঁ মেডাম ভাইন, ইয়াৰ ভিতৰতে তুমিও আৰোগ্য লাভ কৰিবা, ইয়াত পুনৰাই থকাটোকে ঠিক কৰিবা—অন্য কাৰণে নহ'লেও যেন লুছিৰ যত্নৰ বাবে থাকা। কাৰ্লাইল থিয় হ'ল আৰু ইছাবেলৰ ফালে হাতখন আগ বঢ়াই দিলে। লেডী ইছাবেলে এতিয়া কৰে কি? তেৰোঁ থিয় হ'ল আৰু দিওঁ নিদিওঁকৈ কঁপা হাতখন কাৰ্লাইলৰ হাতৰ মাজত থ'লে। কাৰ্লাইলে হাতখন মুঠা মাৰি ধৰি ক'লে,—মই তোমাৰ ঋণ কেনেকৈ শুজিম, কি বুলি তোমাক ধন্যবাদ দিম, মেডাম ভাইন? তুমি উইলিয়ামৰ বাবে জীৱন দিও দিন-ৰাতি খাটিছিলা।

কাৰ্লাইলৰ আকুল দৃষ্টি-পূৰ্ণ চলচলীয়া চকুযুৰি ইছাবেলৰ ডবল বিতচকুৰ ওপৰত পৰিল। তেওঁ দুখ-ভৰা হাঁহি এটা মাৰি ইছাবেলৰ ফালে অলপ হালি গ'ল। লেডী ইছাবেল সেইপিনে ৰঙা পৰি গ'ল। কাপোৰৰ আঁচলেৰে চকুলো টুকিলে। কাৰ্লাইলে ক'লে,—তাৰ বাবে দুখ নকৰিবা। সি শান্তি পালে। তাৰ প্ৰতি যি কৰিলা, তাৰ বাবে তোমাক অশেষ ধন্যবাদ। চিৰকাল তোমাৰ প্ৰতি কৃতজ্ঞ থাকিম।

কাৰ্লাইল ওলাই গ'ল। লেডী ইছাবেলে কপালে-মুখে হাত দি মেজৰ ওপৰত মূৰটো থ'লে আৰু ভাবি থাকিল,—প্ৰভু, আৰু কিমান দিন আছে? নোৱাৰোঁ সহিব প্ৰভু আৰু!

বাৰবাৰা কাৰ্লাইল সাগৰৰ পাৰলৈ বায়ু পৰিবৰ্তন কৰিবলৈ গ'ল। ইপিনে লেডী ইছাবেলে মৃত্যু-শয্যাত পৰি ছট্‌ফট্ কৰি থাকিল। মানুহে পাঙে, ঈশ্বৰে ভাঙে। তাৰ প্ৰত্যক্ষ প্ৰমাণ লেডী ইছাবেল। তেওঁ বাৰবাৰাৰ অনুপস্থিতিৰকেইদিন নিজৰ ল'ৰাছোৱালীৰ লগত নিজ ঘৰ ইষ্ট লিনত থাকিব পাৰিম বুলি ভাবিছিল, কিন্তু মাজতে বাধা পৰিল। বাৰবাৰা যোৱাৰ লগে লগে লুছি আৰু আৰ্কিক পেইীয়েক কৰ্ণিৰ লগত থোৱা হ'ল। এইটো কাৰ্লাইলে কৰিলে, কাৰণ তেওঁ কোনো ৰকমে বেচেৰী ধাত্ৰীজনীক কষ্ট দিব নুখুজিছিল। তথাপি ইছাবেলৰ ক'বলৈ সাহ নহ'ল,—মোৰ ল'ৰাছোৱালীহঁতক মোৰ লগত থাকিবলৈ দিয়া। ইছাবেলৰ ইচ্ছা আছিল,—এই সুযোগতে, মৃত্যুৰ আগতে ইষ্ট লিনৰপৰা আঁতৰি যোৱা—কিন্তু সিও হৈ নুঠিল। মৃত্যু ইমান ওচৰ পালেহি যে তেওঁ ইষ্ট লিন এৰি যোৱা অসম্ভৱ হৈ উঠিল। এইবেলি উইলছন বাৰবাৰাৰ লগত গ'ল, জেছি লেডী ইছাবেলৰ লগত থাকিল।

বাৰবাৰা ইষ্ট লিনৰপৰা ৩০ মাইলমান দূৰৈত সাগৰৰ পাৰৰ ঠাই এডোখৰত বাহ ল'লেগৈ। সেইদেখি মিঃ কাৰ্লাইলে গধূলি সময়ত তালৈ যায় আৰু ৰাতিপুৱা বাহিৰে বাহিৰে অফিছলৈ আহে। কাজেই সেইকেইদিন তেওঁ ইষ্ট লিনলৈ কেতিয়াবাহে আহিছিল। বাৰবাৰাৰ প্ৰবাসৰ দ্বিতীয় সপ্তাহ, শনিবাৰৰপৰা বুধবাৰলৈ, এই কেইদিনৰ ভিতৰত কাৰ্লাইলে ইষ্ট লিনলৈ খন্তেকৰ বাবেও অহা নাছিল। সেইকেইদিনৰ ভিতৰতে লেডী ইছাবেলৰ (মেডাম ভাইনৰ) অৱস্থা শেষ সীমা পালেগৈ। বুধবাৰে গধূলি কাৰ্লাইল ঘৰলৈ আহিবৰ কথা আছিল।

জেছি লেডী ইছাবেলৰ অৱস্থা দেখি বাউলী হৈ উঠিল; ইছাবেলৰ মৃত্যুৰ সময় প্ৰায় উপস্থিত। সেই আপদীয়া (ভেশছন) গুপ্ত কথাটো কি কৰে এতিয়া? জেছি বিমোৰত পৰিল। মৃত্যুৰ পাছত এই কথা প্ৰকাশ পালে কাৰ্লাইল আৰু বাৰবাৰাই তাইক কি নুবুলিব? আদিৰপৰা অন্তলৈ এই গুপ্ত কাহিনীত যোগ থকা বুলি তাইক অপবাদ নিদিবনে? জেছিয়ে ভাবি-চিন্তি একো থিৰাং কৰিব নোৱাৰি মিছ কৰ্ণিক মাতি আনি সকলো কথা ভাঙি ক'বলৈ কেবাবাৰো মন কৰিছিল।

বেলি পৰাৰ লগে লগে লেডী ইছাবেলৰ জীৱাত্মায়ো সুদূৰ সাগৰৰ ফালে গতি ল'লে। জেছি তেওঁৰ শোৱাপাটীৰ ওচৰত পৰ দি বহি থাকিল। সমস্ত দিন তেওঁ মূছৰ্কছগৈ পৰি থাকি গধূলি সময় অলপ গা ভাল পালে। গাৰুত আউজি কোনো ৰকমে আধা শোৱা অৱস্থাত থাকিব পৰা হ'ল। গাত এখন ছাল কাপোৰ আছিল, মূৰত টুপি

নাছিল। ঘৰৰ খিৰিকীবোৰ মেলি থোৱা আছিল; ঘৰৰ ভিতৰলৈ ভালকৈ বতাহ চলাচল কৰিছিল। বতাহৰ লগত কোনোবা এজন অহাৰ শব্দ শুনিবলৈ পালে—তেওঁৰ অতি মৰমৰ, অতি হাবিয়াসৰ, অতি আপোনজনৰ। তেওঁৰ মুখখন অলপ পোহৰ হৈ উঠিল। জেছি খিৰিকীমুখত থিয় হৈ আছিল। বাহিৰৰ ফালে চাই দেখিলে—মিং কাৰ্লাইল আহিবলৈ ধৰিছে। তাইৰ গা শিয়ৰি উঠিল। এনেতে ইছাবেলে "জেছি" বুলি চিঞৰ মাৰি দিলে—সেই পুৰণি মাত। জেছিয়ে "মেডাম" বুলি তেওঁৰ ফালে ফিৰি চালে। ইছাবেলে ক'লে—তেওঁক এবাৰ দেখা পোৱা হ'লে সুখেৰে মৰিবঁ পাৰিলোঁহেঁতেন।

জেছি জাঁপ মাৰি উঠি ক'লে,—তেওঁক দেখা কৰে, মেডাম? তেওঁক, মিং কাৰ্লাইলক?

—হানি কি, জেছি? মোৰতো মৃত্যু উপস্থিত। মোক মৰা বুলি ধৰি ল। মই জীয়াই থাকিলে কি তেওঁক দেখা কৰিবলৈ ইচ্ছা কৰোঁ, জেছি? তেওঁক দেখিবলৈ আজি কেইদিনমানৰপৰা মোৰ বৰ হাবিলাস হৈছে, সেয়ে মোৰ মৃত্যু হোৱা নাই। জেছিয়ে খাটাং উত্তৰ দিলে—কোনোমতে হ'ব নোৱাৰে, মেডাম—সি অসম্ভৱ। ইছাবেলে উচুপি উচুপি কান্দিবলৈ ধৰিলে,—এই যাতনাৰ বাবেই মই মৰিব পৰা নাই, জেছি! তই বুধি কৰি মোৰ পেটৰ ল'ৰাছোৱালীহঁতকো আঁতৰালি। সিহঁতক মোৰ ওচৰলৈ আহিবলৈ নিদিয়—কিজানি সিহঁতক মই চিনাকি দিওঁ। এতিয়া আকৌ মোক, মোৰ দেৱতাকো চাবলৈ নিদিয়? ছিঃ ছিঃ জেছি! এবাৰ মাথোঁ তেওঁক চাবলৈ দে।

তেওঁৰ স্বামী। বেচেৰী লেডী ইছাবেল। জেছিয়ে কি কৰিব? তাই খণ্ডতে কান্দি পেলালে, চকু চলচলীয়া হ'ল—মহা বিমোৰত পৰিল। অলপ বেলি ভাবি-চিন্তি থাকোঁতে এজনী লিগিৰীয়ে খবৰ ক'লেহি,—জেছি, তোমাক দেউতাই মাতিছে।

জেছি ওলাই গ'ল। কাৰ্লাইল খোৱা ঘৰত আছিল। জেছিক দেখি সুধিলে,—মেডাম ভাইন কেনে আছে, জেছি?

জেছিয়ে কি উত্তৰ দিব? আচল কথাটো ভাঙি ক'বলৈ তাইৰ সাহ নজন্মিল। আকৌ যি জীউ-বস্তি ঘণ্টাচেৰেকৰ পাছতে চিৰকাললৈ নুমাই যাব, তাৰ কথা গুপুতকৈ ৰখাৰেই বা আৱশ্যকতা কি? তাই উত্তৰ দিলে,—তেওঁৰ বৰ অসুখ, দেউতা।

—কি, বৰ অসুখ, অৱস্থা বেয়া নেকি?

জেছিয়ে কঁপি কঁপি উত্তৰ দিলে—তেওঁ মৃত্যুৰ দুৱাৰডলিত উপস্থিত, দেউতা।

কাৰ্লাইলে আৰ্থাৰ নামে ল'ৰাজনক কোলাত লৈ আছিল; তাক নমাই থৈ তেওঁ কৈ উঠিল,—মৃত্যুৰ দুৱাৰডলিত?

—হয়। তেওঁ যে ৰাতিপুৱা পৰ্য্যন্ত জীয়াই থাকিব মই সন্দেহ কৰোঁ।

তেওঁ আচৰিত হৈ সুধিলে,—কেনেকৈ, কিহে তেওঁৰ মৰণ আনিলে?

জেছিয়ে উত্তৰ দিব নোৱাৰিলে। তাই থৰমৎ খাই শেঁতা পৰি গ'ল। কাৰ্লাইলে সুধিলে,—ডাক্তৰ আনিছিলিনে?

—নাই দেউতা নাই। আৱশ্যকো নাই।

কথা শুনি কাৰ্লাইলৰ খং উঠিল। তেওঁ ক'লে,—মানুহ মৰে, ইপিনে ডাক্তৰ নাই, ই কি কথা? ছিঃ ছিঃ। মেডাম ভাইনৰ তেনে অৱস্থা হৈছে যদি ডাক্তৰৰ বাবে টেলিগ্ৰাম নপঠালি কেলেই? ছিঃ ছিঃ, ভাল কৰা নাই। চাওঁ, মই নিজে গৈ এবাৰ চাওঁগৈ। বুলি কৈ কাৰ্লাইলে দুৱাৰৰ ফালে খোজ ল'লে।

জেছিৰ চুলিৰ আগেদি জীউ গ'ল। তাই জাঁপ মাৰি দুৱাৰৰ মুখত থিয় হৈ তেওঁক যাবলৈ নিদি ক'লে,—দেউতা, মোৰে শপথ কিন্তু, আপুনি যোৱা ঠিক নহ'ব। আপুনি তেওঁৰ ঘৰলৈ নাযাব।

কাৰ্লাইলে ভাবিলে,—জেছিৰ মূৰত বায়ু সঞ্চাৰ হ'ল। সুধিলে,—মই কেলেই যাব নালাগে? বাধা কি?

—বাৰবাৰা মেডামে আপোনাক বেয়া পাব।

কথা শুনি কাৰ্লাইলে তাইৰ ফালে চাই ৰ'ল। ক'লে,—বাৰবাৰাৰ অনুপস্থিতিত তেওঁৰ সলনি আন এজনে মেডাম ভাইনক চাব লাগিব। মোৰ ঘৰত মানুহ এজনী মৰে, মই নাচালে কোনে চাব? বাৰু, মই খাই-বৈ উঠি তালৈ যাম, তই এতিয়া মেডাম ভাইনৰ ঘৰলৈ যাগৈ।

জেছিয়ে কি ক'ব? তাই ওলাই গ'ল। কাৰ্লাইল খাবলৈ বহিছে, এনেতে মিছ কৰ্ণি তেওঁৰ ওচৰত উপস্থিত হ'লহি। ঘৰত কেইজনমান প্ৰজাৰ লগত অলপ কিবা গণ্ডগোল লাগিছে; তাকে কাৰ্লাইলক ক'বলৈ মিছ কৰ্ণি গধূলি বেলিকা ইষ্ট লিনত উপস্থিত হ'লহি। তেওঁৰ কথা শুনাৰ আগতে মিছ কৰ্ণিক মেডাম ভাইনৰ ওচৰলৈ এবাৰ যাবলৈ ক'লে; জেছিয়ে যি কৈছিল তাকো ক'লে। কৰ্ণিয়ে কথা শুনি আচৰিত হ'ল আৰু কাপোৰ-কানি থৈ মেডাম ভাইনৰ ঘৰলৈ খোজ ল'লে। নিজে নিজে বকি গ'ল,—শেষ অৱস্থা! এই জেছি বান্দীজনীকো কিহবাই পালে দেখিছোঁ।

কৰ্ণিয়ে দুৱাৰত খুন্দা মাৰিলে। জেছিয়ে দুৱাৰ মেলি দি দেখে—মিছ কৰ্ণি! জেছিৰ মূৰৰ ওপৰত সৰগ ভাগি পৰিল। তাই ক'লে,—অ' মেডাম, ভিতৰলৈ নাহিব। লগে লগে তাই দুৱাৰমুখত পথালি হৈ পৰিল। কৰ্ণিৰ গৰজনি শুনি জেছিয়ে উপায়ান্তৰ নাপাই একাষীয়াকৈ থিয় হ'ল আৰু কঁপিবলৈ ধৰিলে। কৰ্ণি ভিতৰ সোমোৱা মাত্ৰকে তাই ওলাই গ'ল।

আহা! এতিয়া আৰু সেই ছদ্মবেশ নাই। মূৰত ডাঠ টুপি বা ওৰণিও নাই! চকুৰ বিতচকু, মুখৰ ঢাকোন, ছদ্মবেশৰ সকলো সঁজুলি আঁতৰত পৰি আছে। ধক্‌ধকীয়া বগা বিছনাৰ ওপৰত পৰি আছে—তাহানিৰ লেডী ইছাবেলৰ সেই প্ৰতিকৃতি! বহুত চিনিব নোৱাৰা পৰিৱৰ্তন ঘটিছে যদিও তথাপি সেই লেডী ইছাবেলৰ মুখখনি। সেই সময়ৰ সোণ-বৰণীয়া বাবৰী চুলিৰ ঠাইত এতিয়া ৰূপ যেন বগা চুলি মুখৰ দুয়োকাষে জিলিকিছে। কৰুণা-ভৰা ক'লা চকুযুৰিত পুৰণি স্মৃতি জিলিকি আছে। মিছ কৰ্ণিয়ে চিঞৰ মাৰি উঠিল,—ভগৱান, দয়া কৰা এই হতভাগিনী অবলাক।

মিছ কৰ্ণি আৰু অৰ্ধমৃত ইছাবেল দুয়ো ইজনীয়ে সিজনীক পৰস্পৰে চকুৰ নিমিষ নমৰাকৈ চাই থাকিল। মাতবোল নাই। কৰ্ণিয়ে মেডাম ভাইনক লেডী ইছাবেল বুলি বহুদিন আগৰেপৰা সন্দেহ কৰিছিল; সেই কথা জেছিৰ আগত উনুকিয়াইছিলো। কিন্তু লৰ্ড মাউণ্ট চেভাৰ্ণৰ কথা শুনি সকলো সন্দেহ দূৰ কৰিছিল যদিও মনৰ খু-দুৱনি মৰা নাছিল। কৰ্ণিয়ে ব্যথাভৰা, কাতৰ অথচ তিৰস্কাৰপূৰ্ণও নহয়, এনে কোমল সুৰেৰে লেডী ইছাবেলকৈ সুধিলে,—তুমি কি সাহসে ইয়ালৈ ফিৰি আহিলা? লেডী ইছাবেলে চকু চলচলীয়াকৈ হাত দুখন বুকুৰ ওপৰত পথালিভাৱে থৈ ক'লে,—মোৰ পোনাটিহঁতৰ বাবে,—সিহঁতৰপৰা আঁতৰি কোন সতেৰে থাকোঁ? মিছ কৰ্ণি, মোক ক্ষমা কৰা, পুতৌ কৰা। মোক তিৰস্কাৰ নকৰিবা, আইদেউ। মই ভগৱানৰ ওচৰলৈ যাবলৈ ওলাইছোঁ; তাত গৈ মই ইয়াত যি যি পাপ-তাপ কৰিলোঁ, তাৰ হিচাপ দিমগৈ।

—মই তোমাক তিৰস্কাৰ কৰিবলৈ অহা নাই।

—মই আনন্দেৰে যাবলৈ ওলাইছোঁ। ভগৱানে তোমালোকৰ দৰে ভাল ধাৰ্মিকজনক নিনিয়ে; কিন্তু তেওঁ দয়াল প্ৰভু—আমাৰ দৰে পাপী-তাপীক নিবলৈ তেওঁ নিজে আহে। মহাপ্ৰভুৰ নিৰ্দেশ অনুযায়ী ময়ো ব্ৰত ধৰিছিলোঁ,—কিন্তু আৰু নোৱাৰিলোঁ, সেই ব্ৰতৰ হেঁচাই মোক মাৰিলে!

কিছুপৰ ৰ লাগি চাই থাকি কৰ্ণিয়ে সুধিলে,—ইছা, তেনেহ'লে তোমাক মই ইষ্ট লিনৰপৰা উলিয়াই খেদাইছিলোঁনে?

—নাই, মিছ কৰ্ণি, নাই। তুমি খেদা নাই আৰু তাত সহায়ো কৰা নাই। অৱশ্যে তোমাৰ লগত মোৰ ভাল নাছিল—মোৰ দুৰ্ভাগ্য। মই ইষ্ট লিন ত্যাগ কৰাৰ কাৰণ তুমি নহয়। মোক ক্ষমা কৰিবা, কৰ্ণি, ক্ষমা কৰিবা।

কৰ্ণিয়ে মনে মনে ঈশ্বৰক ধন্যবাদ দিলে।—মোকো ক্ষমা কৰিবা, ইছা—বুলি তেৰোঁ লেডী ইছাবেলৰ হাতত ধৰিলে। ইছাবেলে কৰ্ণিৰ হাত দুখন টানি নিলে আৰু ফুচফুচাই ক'লে,—মই আৰ্কিক এবাৰ চাব খোজোঁ, বাইদেউ, মই জেছিক কাকুতি-

মিনতি কৰিলোঁ—তেওঁক এবাৰ ইয়ালৈ মাতি আনিবৰ বাবে, কিন্তু তাই মোৰ মৃত্যু-শয্যাৰ অনুৰোধ নাৰাখিলে। বাইদেউ, এবাৰ ভায়েৰাক মাতি আনা—এবাৰ মাথোঁ চাই লওঁ—বেছি নহয়, এবাৰ মাথোঁ শেষ বাৰ। মই নিজে তেওঁক ক্ষমা খোজোঁ—প্ৰাৰ্থনা কৰোঁ। এতিয়ানো এই শেষ মুহূৰ্তত কি হ'ব? একো ভয় নাই। মোৰ মৃত্যু হোৱা বুলি ধৰা। ইছাবেলৰ চকুৰে চকুলোৰ নিজৰা বৈ গ'ল।

কৰ্ণি বিমোৰত পৰিল। ভাবিলে, এই শেষ অৱস্থাত কি কৰোঁ এতিয়া?

লেডী ইছাবেলৰ মৃত্যু-শয্যাৰ শেষ অনুৰোধ—তেওঁ ৰাখিবলৈ মন কৰিলে। জেছি বাৰান্দাত থিয় হৈ আছিল। তাইক মাতি আনি সুধিলে,—তই এই কথা কেতিয়াৰপৰা জান?

—যিদিনা ঘৰত জুই লগা বুলি হুৰা-দুৰা লাগিছিল, সেইদিনাৰপৰা। সিদিনা তেওঁৰ গাত ছদ্মবেশ নাছিল। মই প্ৰথমতে তেওঁক দেখি ভূত-প্ৰেত বুলিহে ভাবিছিলোঁ। সেইদিনাই মই তেওঁক চিনি পাইছোঁ।

—বাৰু জেছি, কথা ক'ব নালাগে; দেউতাৰক এতিয়াই ইয়ালৈ মাতি আনগৈ।

—মেডাম, তেওঁৰ অহা উচিত হ'বনে? তেওঁ নালাগে আহিব।

কৰ্ণিয়ে খঙেৰে ক'লে,—যা, মই মতা বুলি কৈ এতিয়াই মাতি আনগৈ; তই মোৰ ওপৰত গৃহস্থিনী নোলাবিহি।

জেছিয়ে কাৰ্লাইলক মাতি আনিলেগৈ। কাৰ্লাইলে কৰ্ণিক সুধিলে,—কৰ্ণি বাইদেউ, মেডাম ভাইনৰ অৱস্থা আশাশূন্য হেনো! মোৰ লগত তেওঁ দেখা কৰিবনে?

—এৰা, তোমাক তেওঁ এবাৰ চাবলৈ ইচ্ছা কৰিছে। যোৱা, তেওঁৰ মৃত্যু-কালৰ ইচ্ছা পূৰ্ণ কৰাগৈ। লগে লগে কৰ্ণিয়ে দুৱাৰখন মেলি দিলে। কাৰ্লাইলে তেওঁক আগে আগে যাবলৈ হাতেৰে সংকেত দিলে, কিন্তু কৰ্ণিয়ে কৈ উঠিল,—নালাগে, তুমি অকলে যোৱাগৈ। তুমি তেওঁক অকলে দেখা কৰাই ভাল।

কাৰ্লাইলে বায়েকৰ কথামতে আগলৈ এখোজ দিছে, এনেতে জেছিয়ে তেওঁৰ হাতখনত খামোচ মাৰি ধৰি ক'লে,—দেউতা, দেউতা, আপুনি সাজু হৈ যাওক। কৰ্ণিৰ ফালে চাই ক'লে,—মেডাম, আচল কথাটো ভাঙি নকয় কেলেই?

কাৰ্লাইলে একো নুবুজিলে, তথা লাগি তেওঁলোকৰ ফালে চাই থাকিল। সিহঁতেও আমতা-আমতি লগালে। কপালৰ সিৰকেউডাল থুপ খুৱাই কাৰ্লাইল মেডাম ভাইনৰ—লিগিৰী, ধাত্ৰী, শিক্ষয়িত্ৰী—লেডী ইছাবেলৰ শেষ শয়ন-মন্দিৰত সোমালগৈ। কৰ্ণি আৰু জেছিও দুৱাৰ বন্ধ কৰি দি দুয়ো বাহিৰৰ বাৰান্দাত ইফাল-সিফাল কৰি থাকিল।

কাৰ্লাইল একেবাৰেই শেষ অৱস্থাত পৰি থকা লেডী ইছাবেলৰ মৃত্যু-শয্যাৰ ওচৰ পালেগৈ,—শুনি বৰ দুখ পালোঁ, মেডাম ভাই—

তেওঁৰ মুখৰ কথা মুখতে থাকিল! বিছনাৰ ওপৰত চকু পৰা মাত্রকে তেওঁ জঁাপ মাৰি উঠিল—তালুত জিভা লাগিল—ভৰি এখোজ পিছলৈ দিলে।—ই—কি?

লেডী ইছাবেলৰ সেই আউল-বাউল চুলি, দয়াপূৰ্ণ, শোকাকুল চকুযুৰি; ব্যথাভৰা অন্তৰৰ সঁচাৰ-কাঠীৰূপ ক'লা পৰা মুখখনিয়ে সকলো কথা কৈ দিলে।

—আৰ্কিবল্ড! বুলি লেডী ইছাবেলে লোতকপূৰ্ণ চকুৰে তেওঁৰ হাত দুখন আগ বঢ়াই দি কাৰ্লাইলক থাপ মাৰি ধৰিলে। কাৰ্লাইলে তেওঁৰ ফালে নিৰ্বাক-নিস্পন্দ হৈ একেথৰে চাই থাকিল। ঘৰটোৰ চাৰিওফালে চকু ঘূৰালে—যেন তেওঁ সপোনৰপৰা সাৰ পালে।

লেডী ইছাবেলে কাতৰভাৱে কৈ গ'ল—তুমি মোক ক্ষমা নকৰাৰ বাবে মই মৰিব নোৱাৰিলোঁ, আৰ্কিবল্ড! মোৰপৰা আঁতৰি নাযাবা; খন্তেক মোৰ লগত থাকা আৰু কোৱা যে মোক তুমি ক্ষমা কৰিছা, তেতিয়াহ'লে মই শান্তিৰে মৰিব পাৰিম। আৰ্কিবল্ড! মোক ক্ষমা কৰা, মৃত্যুৰ দুৱাৰডলিত বহি মই তোমাক কাবৌ-কাকুতি কৰিছোঁ, প্ৰাৰ্থনা কৰিছোঁ—মোক ক্ষমা কৰা।

কাৰ্লাইলে সপোন নে দিঠক একো ঠিক কৰিব নোৱাৰি কৈ উঠিল,—ইছাবেল, তুমিয়েই নে, তুমিয়েই মেডাম ভাইন আছিলা?

—আহা! মোক ক্ষমা কৰা, মোক ক্ষমা কৰা, আৰ্কিবল্ড! মোৰ মৃত্যু হোৱা নাছিল। সেই ৰেলৰ দুৰ্ঘটনাৰপৰা মই আৰোগ্য লভিছিলোঁ—কিন্তু মোৰ ভীষণ পৰিবৰ্তন হ'ল—ঘাইকৈ শাৰীৰিক। মোক কোনোৱে চিনিব নোৱৰা হ'ল। তেতিয়া মই মেডাম ভাইনৰূপে তোমাৰ ঘৰলৈ আহিলোঁ। ক্ষমা কৰিবা, আৰ্কিবল্ড, ক্ষমা কৰিবা। মই ক'তো থাকিবলৈ নোৱাৰিলোঁ!

কথা শুনি কাৰ্লাইলৰ মূৰ ঘূৰিল; হিতাহিত বিবেচনা লোপ পালে। মনত নানা ভাবৰ উদয় হ'লহি। তেওঁ দুজনী তিৰোতাৰ গিৰীয়েক—এই ভাবে তেওঁৰ মনত তোলপাৰ লগালে। লেডী ইছাবেলে কাৰ্লাইলৰ মনৰ ভাব বুজি আৰু মুখৰ পৰিবৰ্তন দেখি কৈ গ'ল—মই তোমাক আৰু পোনাটিহঁতক এৰি ক'তো থাকিব নোৱাৰা হ'লোঁ। তোমাৰ প্ৰতি মোৰ যি অসীম অনুৰাগ আসক্তি জন্মিল, সেয়ে মোৰ সৰ্বনাশ কৰিলে, মোক মাৰিলে। এই হিংসা, দ্বেষ আদিৰ তাড়নাত পৰি তোমাক এৰি থৈ গৈ যি বলিয়ালি কৰিলোঁ—সেই মুহূৰ্তৰপৰা মই ধনিষ্টমানো মনত সুখ-শান্তি পোৱা নাই; তোমাক এৰি যোৱাৰ লগে লগে মোৰ সকলো সুখ-শান্তি লোপ পালে। যেতিয়া মোৰ

অনুতাপ আৰম্ভ হ'ল, মই এখোজকে লৰ-চৰ কৰিব নোৱাৰা হ'লোঁ। মোক ক্ষমা কৰিবা, আৰ্কিবল্ড। মই তেতিয়াও উভতি আহিলোঁহেঁতেন; কিন্তু কেনেকৈ আহিব লাগে নাজানিলোঁ। চোৱা, মোৰ চুলিৰ অৱস্থা কি হৈছে, মোৰ দাঁতৰ অৱস্থা কি হৈছে, মোৰ হাত-ভৰি, শৰীৰৰ অৱস্থা কি হৈছে। মই কাকুতি কৰিছোঁ, আৰ্কিবল্ড, মোক ক্ষমা কৰা। তুমি ক্ষমা কৰিলেই মই আনন্দ মনেৰে এতিয়াই মহাপ্ৰভুৰ ওচৰলৈ প্ৰয়াণ কৰোঁ। মই গুৰু অপৰাধে অপৰাধী—মই স্বীকাৰ কৰিছোঁ আৰু তাৰ বাবে মই গুৰুতৰ শাস্তি ভুগিছোঁ; মোৰ জীউ নাযায় নাযায় যেন লাগিছে। আৰু নোৱাৰোঁ সহিব অত নিৰ্য্যাতন, নোৱাৰোঁ ভুগিব অত নিকাৰ। আৰ্কিবল্ড, ক্ষমা কৰা মোক...

লেডী ইছাবেলে কাৰ্লাইলৰ ফালে হাতযোৰকৈ চাই থাকিল। কাৰ্লাইলে সুধিলে,—তুমি কি কাৰণে গৈছিলা?

—তুমি জনা নাছিলানে?

—নাই, নাজানো। সেই বিষয়ে মই এতিয়াও আচৰিত আৰু কৌতূহলপূৰ্ণ।

—মই তোমাক অত্যন্ত ভাল পাইছিলোঁ, সেইবাবে।

কথা শুনি কাৰ্লাইলৰ মুখৰ আকৃতিৰ পৰিবৰ্তন হ'ল।

তেওঁ ভাবিলে—মৃত্যু-শয্যাত পৰি ইছাবেলে ঠাট্টা-বিদ্ৰূপ বা মিছা কথা কৈছে।

—তেনেকৈ নাভাবিবা, আৰ্কিবল্ড। মোৰ বাক-শক্তি প্ৰায় লোপ পাই আহিছে, তুমি এতিয়াও ধৰিব পৰা নাইনে? মই বেছি ক'ব নোৱাৰোঁ। মই তোমাক অত্যন্ত ভাল পাইছিলোঁ আৰু তোমাক মই সন্দেহ কৰিছিলোঁ। মই ভাবিছিলোঁ যে তুমি মোক বিশ্বাস নকৰিছিলা আৰু মোক ঠগিবৰ ইচ্ছা কৰিছিলা; তোমাৰ সকলো আদৰ-যতন, মৰম-চেনেহ আন এজনীক সমৰ্পণ কৰিছিলা। মোৰ হিয়া ঈৰ্ষা অগনিয়ে ছানি পেলালে। তাতে আকৌ সেই নৰাধম লম্পটজনে নানা ছলচাতুৰী খেলি নানা প্ৰলোভন দেখুৱালে আৰু তোমাৰ ওপৰত প্ৰতিশোধ ল'বলৈ বাৰে বাৰে উদ্‌গাই দিলে। কিন্তু সেইটো হৈ নুঠিল,—হ'লনে বাৰু?

কাৰ্লাইলে প্ৰশান্ত মূৰ্তি ধাৰণ কৰিলে—বাহিৰত, অন্তৰত নহয়। তেওঁ হাত দুখন অথালি-পথালিকৈ বুকুৰ ওপৰত ৰাখি লেডী ইছাবেলৰ মৃত্যু-শয্যাৰ দাঁতিত থিয় হৈ তেওঁৰ মৃতপ্ৰায় শৰীৰৰ ফালে তধা লাগি চাই থাকিল। তাকে দেখি ইছাবেলে সুধিলে,—প্ৰতিশোধ হ'লনে বাৰু?

—তুমি জানি-শুনিও তেনে কথা কেলেই সুধিছা, ইছা? মোৰ কোনো কথাই তোমাৰ অবিদিত নাই—সমস্ত জানা। মই তোমাক কায়মনোবাক্যে কোনো ৰকমে অবিশ্বাস কৰা নাছিলোঁ বা বেয়া পোৱা নাছিলোঁ।

মই তোমাক অত্যন্ত ভাল পাইছিলোঁ, সেইবাবে।

—আহা আৰ্কিবল্ড! মই পগলা হৈছিলোঁ। মই পগলা হৈছিলোঁ। নহ'লে মই এনে কলঙ্কপূৰ্ণ কাম নকৰিলোঁহেঁতেন। আশাকৰোঁ, তুমি সকলো পাহৰিবা আৰু মোক ক্ষমা কৰিবা।

—মই সেই কথা মোৰ মৃত্যু পৰ্য্যন্ত পাহৰিব নোৱাৰোঁ, কিন্তু তোমাক মই তেতিয়াই ক্ষমা কৰিছোঁ।

লেডী ইছাবেলৰ চকুৰপৰা দুটি চকুলোৰ নিজৰা বৈ গ'ল। হাত দুখন দাঙি কাৰ্লাইলৰ ফালে মেলি দিলে; ক'লে,—তুমি তাহানিৰ কথা মনত কৰি চোৱা—যেতিয়া মই এই ঘৰতে পিতাৰ লগত লেডী ইছাবেল ভেন গাভৰুজনী হৈ আছিলোঁ—তেতিয়া তুমি মোক দেখিছিলা, চিনিছিলা, জানিছিলা! মই কেনে সুখত আছিলোঁ। তুমি মোক কেনে ভাল পাইছিলা। যদিও মোক একো ভাঙি নকৈছিলা, মনত পৰেনে? পিতাৰ মৃত্যুৰ সময়ত বিপদত মোক তুমি কিমান মৰম-চেনেহ কৰিছিলা, মনত পৰেনে? সেই এশ-পাউণ্ডীয়া নোটখন যে মোক গোপনে দি গৈছিলা, সেই কথা মনত আছেনে? তুমি কেছল মাৰ্লিঙলৈ যোৱা কথা, মই তোমাৰ পত্নী হ'ম বুলি প্ৰতিজ্ঞা কৰা কথা মনত পৰেনে? তোমাৰ সেই প্ৰথম আকুল চুমাৰ পৰশ মোৰ ওঁঠত এতিয়াও লাগি আছে। আহা আৰ্কিবল্ড! বৈবাহিক জীৱনৰ আৰম্ভণিৰ সুখৰ দিনৰ কথা পাহৰিলানে? আমি কেনে সুখ-সম্ভোগত আছিলোঁ। তোমাৰ এইবোৰ কথা মনত আছেনে?

কাৰ্লাইলৰ সকলো কথা মনত আছিল, কোনো কথাকে ইমান দিনে পাহৰিব পৰা নাছিল। তেওঁ লেডী ইছাবেলৰ শুকাই-খীণাই যোৱা হাত দুখন নিজৰ হাতৰ মুঠিৰ মাজত ৰাখিলে আৰু মূৰটো ইছাবেলৰ মুখৰ ওচৰলৈ নমাই লাহে লাহে সুধিলে—তেনেহ'লে, মোৰ কি অপৰাধ, কি দোষ, ইছা?

ইছাবেলে জাঁপ মাৰি উঠি ক'লে,—নাই, নাই, তোমাৰ কোনো অপৰাধ, কোনো দোষ নাই, আৰ্কি। সমস্ত অপৰাধ, সমস্ত দোষ মোৰ। এনে দয়ালু, এনে মহানুভৱ পুৰুষ তুমি! তুমি মোক কিমান মৰম-চেনেহ কৰিছিলা, কিমান ভাল পাইছিলা! তুমি মোৰ সুখৰ বাবে কত কি নকৰিছিলা, কিমান ভাল পাইছিলা। কিন্তু আজি মোৰ অৱস্থা চোৱা। যেতিয়া মই ভাবোঁ, তুমি কেনে আছিলা, এতিয়া কেনে হৈছাহি, কেনেকৈ মই সতিনী দাহত পগলা হৈ তোমাক ত্যাগ কৰিছিলোঁ, তেতিয়া মোৰ মন চঞ্চল হৈ উঠে; তেতিয়া বসুমতীক প্ৰাৰ্থনা কৰোঁ—'আই বসুমতী! তুমি এই কলঙ্কিনী পাপিনীক নিবৰ বাবে ফাট দিয়া, মই ৰসাতললৈ যাওঁ।' আহা! তেতিয়া মোৰ হৃদয় বিদীৰ্ণ হৈ যায়। ঘৃণা আৰু ধিক্কাৰৰ সীমা পাৰ হৈ গৈ জীৱন নধৰোঁ নধৰোঁ যেন লাগে। মোৰ নিজৰ

পাপৰ প্ৰায়শ্চিত্ত মই নিজে নিজে কৰিলোঁ। কিন্তু তোমাৰ আৰু আমাৰ ল'ৰাছোৱালীহঁতৰ ওপৰত এই পাপিনী-তাপিনীয়ে যি কলঙ্কৰ ক'লা-চিয়াহীৰে আঁচ দিলোঁ—তাক মই মচিব নোৱাৰিলোঁ। তাৰ বাবে মোৰ প্ৰায়শ্চিত্ত নাই, আৰ্কিবল্ড।

ঠিক কথা। আগেয়ে কাৰ্লাইলে এই কলঙ্ক যি পৰিমাণে অনুভৱ কৰিছিল, এতিয়া, তেওঁ ততোধিক অনুভৱ কৰিলে। ইছাবেলে আকৌ আৰম্ভ কৰিলে,—এবাৰ ভাবি চোৱা মোৰ কি অৱস্থা হৈছে। তেওঁৰ মাত বহি গ'ল। কাৰ্লাইলে বাধ্য হৈ তেওঁৰ কাণ ইছাবেলৰ মুখৰ ওচৰলৈ নিবলগীয়া হ'ল।—তোমাৰ ঘৈণীয়েৰাৰ লগত, মোৰ সতিনীৰ লগত একে ঘৰত থাকিবলৈ; তাইৰ প্ৰতি তোমাৰ অনুৰাগ, ভালপোৱা, সেই আকলুৱা দৃষ্টিপূৰ্ণ মৰমৰ চুমাৰ ৰেখা মোৰ গালৰপৰা গৈ তাইৰ গালত পৰিছে—সেইবোৰ দেখিবলৈ; মই তোমাক ত্যাগ কৰিবৰ দিনাৰপৰা তোমাক যি প্ৰগাঢ়ভাৱে ভাল পাবলৈ ধৰিলোঁ, এনেভাৱে তোমাক আগেয়ে ভাল পোৱা নাছিলোঁ। মোৰ বুকুৰ কলিজা উইলিয়ামৰ মৃত্যুৰ সময়ত তাৰ মূৰ-শিতানত বহি থকা কথা। তোমাৰ লগত তাৰ মৃত্যু-শয্যাত একে লগে বহি থকা কথা। তথাপি, এইটো মোৰ সন্তান, বুকুৰ কলিজা—বুলি তোমাক ক'বলৈ সাহ নকৰা ব্যথাৰ কথা এবাৰ ভাবি চোৱা। কোন সতেৰে মই তাৰ মৃত্যু দেখি প্ৰাণ ধৰিছিলোঁ। তেতিয়া সেই মুহূৰ্তৰ অধীৰ অৱস্থাত তুমি কাক প্ৰবোধ বাক্য দিছিলা? বাৰবাৰাক—মোৰ সতিনী বাৰবাৰাক—তাইক। মোক নহয়, তাৰ মাকক নহয়! ভগৱানে জানে, মই কোন সতে প্ৰাণ ধৰিছিলোঁ! মই মৃত্যুযন্ত্ৰণা অনুভৱ কৰিছিলোঁ।

কাৰ্লাইলে গদ্‌গদ্‌কৈ সুধিলে,—কি কাৰণে ফিৰি আহিলা?

—মই আগেয়ে কৈছোঁ। তোমাক আৰু পোনাটিহঁতক এৰি ক'তো থাকিব নোৱাৰিলোঁ, ৰক্ষা নাপালোঁ। সেয়ে আজি পাপ আৰু কলঙ্কৰ বোজা লৈ তোমাৰ চৰণ তলত পৰিছোঁহি।

—বৰ ভুল, সাংঘাতিক ভুল কৰিছা।

—একেবাৰে সাংঘাতিক ভুল—সন্দেহ নাই। মই যিমান বিষম ভুগিছোঁ, তুমি তাক অনুমানেই কৰিব নোৱাৰা। কিন্তু তাৰ ফলাফল আৰু প্ৰায়শ্চিত্ত কেৱল মোৰহে চিনাকি দিয়াৰ আগলৈকে। মই ইয়াত থাকি মৰিম বুলি কেতিয়াও ভবা নাছিলোঁ। উইলিয়ামৰ মৃত্যুৰ দিন ধৰি সদায় ইষ্ট লিনৰপৰা যাওঁ যাওঁকৈ আছোঁ কিন্তু মোৰ যম তাৰ আগতে আহিল—বৰ বেগেৰে আহিল।

ইছাবেলৰ উশাহ প্ৰায় বন্ধ হ'ল। কিছুপৰ টলকা মাৰি থাকি আকৌ ক'লে,—সমস্ত ভুল, সকলো অন্যায়। আজিৰ এই শেষ দেখাও তাৰে ভিতৰৰ এটা। আজি শেষ

মুহূর্ততো মহা ভুল, অন্যায় কৰিলোঁ কিন্তু মই নাজানিলোঁ। তুমি আজি যি নতুন বান্ধোনত বান্ধ খাইছা, ই তাৰ একো অন্যায় নকৰে। কাৰণ মই আজি মৃত, সিপুৰীলৈ যোৱা দুৱাৰডলিত। কোনো ভয় নকৰিবা। তোমাৰ লগত মোৰ আজি একো নাই—এতিয়াই সকলো বিচ্ছিন্ন হৈ যাব। কিন্তু তুমি মোৰ স্বামী দেৱতা আছিলা, আৰ্কিবল্ড। আজি কেইদিনমানৰপৰা তোমাৰ ক্ষমা পাবৰ নিমিত্তে মোৰ প্ৰাণ আকুল হৈ উঠিছে। আহা। অতীত মৰিল, গ'ল, কি সৌভাগ্য। সেই মৃত্যু-বিভীষিকা সপোনৰপৰা সাৰ পাই উঠিলোঁহেঁতেন। মই এই ঘৰৰ তলত আগৰ দৰে তোমাৰ আদৰিণী তিৰোতা হৈ সুখেৰে থাকিব পাৰিলোঁহেঁতেন। তুমি তাৰ বাবে শুভ ইচ্ছা কৰানে?

—নিশ্চয়, তোমাৰ হকে মই তেনে শুভ ইচ্ছা কৰোঁ।

দুয়ো নিমাত। দীঘল দীঘলকৈ হুমুনিয়াহ কাঢ়িলে। কাৰ্লাইলৰ ওপৰত চকু ৰাখি ইছাবেলে আকৌ আৰম্ভ কৰিলে,—মই উইলিয়ামৰ ওচৰলৈ যাওঁগে। লুছি আৰু আৰ্কি তোমাৰ লগত থাকিল। আহা! সিহঁতক মৰমৰ চকুৰে চাবা। মই হাতত ধৰি কাতৰ প্ৰাৰ্থনা কৰিছোঁ, সিহঁতৰ মাকৰ কথা সুঁৰৰি সিহঁতক কোনো কষ্ট নিদিবা। তোমাৰ নিজৰ ল'ৰাছোৱালীহঁতক মৰম-চেনেহ দিয়া বাবে সিহঁতো যেন তাৰপৰা বঞ্চিত নহয়।

গৰিহণাপূৰ্ণ ভ্ৰূকুটিৰে কিন্তু উত্তেজনাপূৰ্ণ সুৰেৰে কাৰ্লাইলে ক'লে, —বাস্তৱিকে তেনে হ'ব পাৰিলেহেঁতেন।

—আৰ্কিবল্ড, মই সিপুৰীৰ দুৱাৰডলিত। তুমি মোক সৰ্বতোভাৱে ক্ষমা কৰি আশীৰ্বাদ দিয়া। দুৱাৰডলি পাৰ হোৱাৰ আগতে তুমি মোক এষাৰ মাথোঁ মৰম চেনেহেৰে কথা কোৱা। মই বৰ্তমান কি, এই ধাৰণা তোমাৰ মনৰপৰা এবাৰ মচি পেলোৱা, এবাৰ মাথোঁ ভাবা—সেই আজলী, লাজুকী, তোমাৰ অতি আদৰৰ ৰাণী ইছাবেল। মোক মৰম কৰা—মৰম ভিখাৰিণী মই। মোৰ অন্তৰ দেইপুৰি মাৰিব ধৰিছে তোমাৰ বাবে...।

কাৰ্লাইল লেডী ইছাবেলৰ মুখৰ ওপৰত হালি পৰিল। লাহে লাহে আলফুলকৈ কপালৰ ওপৰত সিঁচৰতি হৈ পৰি থকা চুলিবোৰ গুচাই ঠিককৈ থ'লে। তেওঁৰ চকুৰপৰা তপত চকুলো দুটোপ ইছাবেলৰ গালৰ ওপৰত পৰিল। ভগা ভগা সুৰেৰে ক'লে,—তুমি মোৰ অন্তৰ ভাঙিছা, ইছা। তোমাক ঈশ্বৰে ক্ষমা কৰক। আশীৰ্বাদ কৰিছোঁ—তেওঁ তোমাৰ মঙ্গল কৰক, তোমাক তেওঁৰ ওচৰলৈ—সৰগলৈ নিয়ক; মোকো—ভগৱানে তেনেকৈ বিচাৰ কৰে যেন, ক্ষমা কৰে যেন—মই তোমাক যেনেকৈ অন্তৰেৰে ক্ষমা কৰিছোঁ—।

ক্ৰমে তেওঁৰ মুখ হালি গ'ল—ইছাবেলৰ মুখৰ ওপৰত পৰিল—ওঁঠ চুলে... উশাহ নিশাহ এক হ'লগৈ। কিন্তু পাছ মুহূৰ্ত্ততে হঠাৎ তেওঁ মুখখন তুলিলে।

ইকি? বাৰবাৰ সতিনীৰ কথা মনত পৰিল?

—এজন মানুহ মাতি আনো, তোমাৰ শৰীৰ অৱশ হৈ আহিছে।

—তেনেহ'লে বিদায়, বিদায় আৰ্কিবল্ড, বিদায়—চিৰকাললৈ, অনন্ত কাললৈ। তাত আমি একেলগে থাকিম আৰু এৰাএৰি নহওঁ, কেতিয়াও নহওঁ।

কাৰ্লাইলে তেওঁৰ এখন হাত ইছাবেলৰ হাতৰ মুঠিৰপৰা এৰুৱাই আনিলে। মুখ-মোচাখনেৰে ইছাবেলৰ কপালৰ মৃত্যু ঘামখিনি মচি দিলে।

—তাত এই সুখ-সম্ভোগৰ কথা, ষড়ৰিপুৰ তাড়না আদি একো নাই। তাত মোৰ এই অসহনীয় কলঙ্কৰ বোজা নাথাকিব; তাত আমি ল'ৰাছোৱালীহঁতৰ সৈতে অনন্ত কাল একেলগে থাকিবলৈ পাম। তোমাৰ সৰল, উদাৰ অন্তৰৰ এচুকত এই হতভাগিনী, কলঙ্কিনী ইছাবেলৰ বাবে এখুদমান ঠাই এৰিবা, আৰ্কি।

—নিশ্চয়—নিশ্চয়—। কাৰ্লাইল যাবলৈ ওলাল।

—কেলেই! তুমি মোক এৰি যোৱা? ইছাবেল বাউলী হৈ উঠিল।

—এজন মানুহ মাতি আনো, তোমাৰ শৰীৰ অৱশ হৈ আহিছে।

তেনেহ'লে বিদায়, বিদায় আৰ্কিবল্ড, বিদায়—চিৰকাললৈ, অনন্ত কাললৈ! বিদায়, মোৰ স্বামী গুৰুদেৱ বিদায়—। বি—দা—য়।

ইছাবেলে উত্তেজনাৰ কোবতে মূৰটো গাৰুৰপৰা তুলি হাত দুখনেৰে কাৰ্লাইলৰ বাউসিত খামোচ মাৰি ধৰিলে। কাৰ্লাইলে লাহেকৈ তেওঁক গাৰুৰ ওপৰত পেলাই থ'লে, নিজ ওঁঠা দুটা ইছাবেলৰ ওঁঠৰ ওপৰত থ'লে, ক'লে,—চিৰকাললৈ, অনন্ত কাললৈ বিদায়, ই—ছা—।

খন্তেক সময় চকুৰ নিমিষ নমৰাকৈ ইছাৰ চকু-মুখলৈ চাই থাকি কাৰ্লাইল ওলাই গ'ল। ইছাবেলৰ চকুযুৰিয়ে কাৰ্লাইল যিপিনে ওলাই গ'ল সেইপিনে চাই থাকিল, কাণযুৰিয়ে ভৰিৰ শব্দ শুনি থাকিল। কাৰ্লাইল ক্ৰমে আঁতৰি গ'ল—চকুৰে মনিব নোৱাৰা হ'ল—ইছাৰ চকু জাপ খালে—বন্তি নুমাল।

তযু ইচ্ছা পূৰ্ণ হ'ক হেৰা দয়াময়। ওঁ শান্তি, শান্তি, শান্তি।

কাৰ্লাইলে খন্তেক নিজে নিজে ভাবি মিছ কৰ্ণিক মাত লগালে, —কৰ্ণি বাইদেউ।

মিছ কৰ্ণিয়ে তেওঁৰ পিছে পিছে খোজ ল'লে। কাৰ্লাইলে ক'লে,—বাইদেউ, আজি তুমি ইয়াত—ইছাৰ লগত থাকিব লাগে—থাকিবানে?

—নিশ্চয়, নিশ্চয়, নাথাকিলে হ'বনে? তুমি এতিয়া ক'লৈ যোৱা?

—টেলিগ্ৰাফ অফিছলৈ, লৰ্ড মাউণ্ট চেভাৰ্ণক জনাওঁগে।

—তাৰ পৰা কি লাভ হ'ব? তেখেত আহিয়ে বা কি কৰিব?

—এনেয়ে খবৰ জনাওঁগে।

কাৰ্লাইল বেথাভৰা অন্তৰেৰে তলমূৰকৈ ওলাই গ'ল। দহ-পোন্ধৰ মিনিটমান পাছতে ফিৰি আহিল। কৰ্ণিয়ে চ'ৰাঘৰতে লগ ধৰি কাৰ্লাইলক তেওঁৰ শোৱনি ঘৰলৈ মাতি নিলে আৰু দুৱাৰ বন্ধ কৰি দিলে। লেডী ইছাবেল মেডাম ভাইনৰ প্ৰাণপক্ষী দহমিনিটমান আগতে মানুহ সঁজা এৰি গ'ল। কৰ্ণিয়ে ক'লে,—সিফালেও শেষ, আৰ্কি! তুমি যোৱাৰ পাছতে বস্তি নুমাল।

*

পাছদিনাখন ৰাতিপুৱা লৰ্ড মাউণ্ট চেভাৰ্ণ আহি পালে। মিতিৰ-কুটুম, ইষ্ট-বন্ধু আটায়ে লগ লাগি লেডী ইছাবেলৰ শেষ সমাধিৰ আয়োজন কৰিলে। লৰ্ড পৰিয়ালৰ পুৰণি মৈদামত—বাপেক লৰ্ড উইলিয়ামৰ কবৰৰ কাষতে হতভাগিনী কলঙ্কিনী ছদ্মবেশিনী—লেডী ইছাবেলৰ শেষ সমাধি-মন্দিৰ সজোৱা হ'ল। মৃত শৰীৰ কবৰত নমোৱা হ'ল, কবৰ মাটিৰে পুৰোৱা হ'ল। লাহ-বিলাহৰ ৰাণী লেডী ইছাবেল ভেন,—হতভাগিনী, কলঙ্কিনী, মেডাম ভাইনৰূপী ছদ্মবেশিনী—লেডী ইছাবেলৰ দগ্ধ অন্তৰ বসুমতীৰ শীতল পৰশত শীতল হ'ক, আত্মাই সদ্গতি লভক, শান্তি লভক, মুক্তি পাওক! ওঁ শান্তি, শান্তি, শান্তি।

মূৰ শিতানৰ মাৰ্বল শিল এছটাত লিখা থাকিল—'ইছাবেল—ভেনৰ" ঠাইত "ইছাবেল—মেডাম ভাইন"।

শৰাইঘাট প্ৰকাশনৰ

'কালজয়ী সাহিত্য'

পৃথিৱীৰ বিখ্যাত পুথিসমূহৰ অনুবাদ ঃ

শ্বাৰলক হ'মছৰ ৰহস্য কাহিনী	ঃ আৰ্থাৰ কনান ডয়ল অনুবাদ ঃ যোগেশ দাস
ডক্টৰ জেকিল আৰু মিষ্টাৰ হাইড	ঃ ৰবাৰ্ট লুই ষ্টিভেনছন, অনুবাদ ঃ সৌৰভ কুমাৰ চলিহা
অলিভাৰ টুইষ্ট	ঃ চাৰ্লছ ডিকেন্স অনুবাদ ঃ বন্দিতা গোস্বামী শইকীয়া
অঘৰী ল'ৰা	ঃ মাৰ্ক টোৱেইন, অনুবাদ ঃ তৰুণ চন্দ্ৰ বৰুৱা
মহাকাশচাৰী	ঃ ভেলেণ্টিনা ঝুৰাভলিঅ'ভা আৰু এনাতলি দনিয়েপ্ৰভ, অনুবাদ ঃ দীনেশ চন্দ্ৰ গোস্বামী
নগৰ দুখনৰ কথা	ঃ চাৰ্লছ ডিকেন্স অনুবাদ ঃ হৰেন্দ্ৰ নাথ কলিতা
সাগৰৰ তলিয়েদি কুৰি হাজাৰ লিগ	ঃ জুল ভাৰ্ন, অনুবাদ ঃ দীনেশ চন্দ্ৰ গোস্বামী
সৰু আইটিহঁত (প্ৰথম খণ্ড)	ঃ লুইজা মেই এলকট অনুবাদ ঃ ভুবনেশ্বৰ চহৰীয়া
ফ্লছ নৈৰ পাৰৰ মিল	ঃ জৰ্জ এলিয়ট, অনুবাদ ঃ ৰূপশ্ৰী গোস্বামী
ব্লেক বিউটি	ঃ আন্না ছিৱেল, অনুবাদ ঃ বীৰেন্দ্ৰনাথ দত্ত
অদৃশ্য মানুহজন	ঃ এইচ. জি. ৱেল্‌ছ অনুবাদ ঃ অভিজিত শৰ্মা বৰুৱা
মবি ডিক	ঃ হাৰমেন মেলভিল, অনুবাদ ঃ প্ৰফুল্ল ৰাজগুৰু
চন্দ্ৰৰ কাষেদি	ঃ জুল ভাৰ্ন, অনুবাদ ঃ অনিল কুমাৰ শৰ্মা
পৃথিৱীৰ কেন্দ্ৰলৈ অভিযান	ঃ জুল ভাৰ্ন, অনুবাদ ঃ দীনেশ চন্দ্ৰ গোস্বামী
মণ্টে ক্ৰিষ্টোৰ কাউণ্ট	ঃ আলেকজেণ্ডাৰ ডুমা অনুবাদ ঃ চন্দ্ৰ শেখৰ শৰ্মা
সৰু আইটিহঁত (দ্বিতীয় খণ্ড)	ঃ লুইজা মেই এলকট অনুবাদ ঃ ভুবনেশ্বৰ চহৰীয়া
ডেভিদ কপাৰফিল্ড	ঃ চাৰ্লছ ডিকেন্স, অনুবাদ ঃ মুনীন শৰ্মা
আশী দিনত পৃথিৱী পৰিভ্ৰমণ	ঃ জুল ভাৰ্ন, অনুবাদ ঃ সৌৰভ কুমাৰ চলিহা
অপহৃত	ঃ ৰবাৰ্ট লুই ষ্টিভেনছন, অনুবাদ ঃ উৎপল দত্ত
হাইডি	ঃ য়'হানা স্পাইৰি, অনুবাদ ঃ প্ৰণালী গোস্বামী
গালিভাৰৰ ভ্ৰমণ-কাহিনী	ঃ জনাথন ছুইফ্‌ট, অনুবাদ ঃ মৃদুস্মিতা ফুকন
টম ছয়াৰ	ঃ মাৰ্ক টোৱেইন, অনুবাদ ঃ আবুল লেইচ

ৰবিনছন ক্ৰুছো	ঃ	**ডেনিয়েল ডিফো** অনুবাদ ঃ চিন্তাহৰণ পাটগিৰি
ৰবিন হুড	ঃ	**হেনৰি গিলবাৰ্ট**, অনুবাদ ঃ মৃদুস্মিতা ফুকন
ৰহস্যময় বাগিচা	ঃ	**ফ্ৰান্সেজ হডজ্‌ছন বাৰ্নেট** অনুবাদ ঃ অনুশ্ৰী শৰ্মা বৰুৱা
পম্পিয়াইৰ প্ৰলয়-কাহিনী	ঃ	**লৰ্ড লিটন**, অনুবাদ ঃ লক্ষেশ্বৰ শৰ্মা
ড্ৰেকুলা	ঃ	**ব্ৰেম ষ্ট'কাৰ**, অনুবাদ ঃ পাৰিজাত শৰ্মা
পিনকিঅ'	ঃ	**কাৰ্লো কল'ডি**, অনুবাদ ঃ মহেন্দ্ৰ বৰা
ফ্ৰেংকেনষ্টাইন	ঃ	**মেৰি বলষ্ট'নক্ৰেফ্‌ট শ্বেলি** অনুবাদ ঃ অভিজিত শৰ্মা বৰুৱা
ছয় নম্বৰ বাৰ্ড আৰু আন গল্প	ঃ	**এণ্টন চেখভ**, অনুবাদ ঃ সত্যজিৎ ভূঞা
যাদুকৰ অ'জ	ঃ	**এল ফ্ৰেংক বম**, অনুবাদ ঃ পাৰিজাত শৰ্মা
অৰণ্যৰ আহ্বান	ঃ	**জেক লণ্ডন**, অনুবাদ ঃ সমীক ভৰদ্বাজ
কোনো নোহোৱা ল'ৰাটো	ঃ	**হেক্টৰ মেল'**, অনুবাদ ঃ ইলা শৰ্মা
পশুপাম	ঃ	**জৰ্জ অৰৱেল** অনুবাদ ঃ প্ৰসূন কুমাৰ গোস্বামী
শ্বাৰলক হ'ম্‌ছৰ ৰহস্য কাহিনী (২)	ঃ	**আৰ্থাৰ কনান ডয়ল**, অনুবাদ ঃ সোণেশ্বৰ শৰ্মা
শ্বাৰলক হ'ম্‌ছৰ ৰহস্য কাহিনী (৩)	ঃ	**আৰ্থাৰ কনান ডয়ল**, অনুবাদ ঃ যোগেশ দাস, সোণেশ্বৰ শৰ্মা আৰু দীনেশ চন্দ্ৰ গোস্বামী
অৰণ্যৰ সাধু (১)	ঃ	**ৰাডয়াৰ্ড কিপ্‌লিং**, অনুবাদ ঃ আবুল লেইচ
অৰণ্যৰ সাধু (২)	ঃ	**ৰাডয়াৰ্ড কিপ্‌লিং**, অনুবাদ ঃ আবুল লেইচ
ছুইজাৰলেণ্ডৰ ৰবিনছন পৰিয়াল	ঃ	**জে. ডি. বিছ**, অনুবাদ ঃ ৰূপশ্ৰী গোস্বামী
কেপ্টেইন গ্ৰেণ্টৰ সন্তান	ঃ	**জুল ভাৰ্ন**, অনুবাদ ঃ দীনেশ চন্দ্ৰ গোস্বামী
পৰম প্ৰত্যাশা	ঃ	**চাৰ্লছ ডিকেন্স** অনুবাদ ঃ নূপুৰ এইচ. শইকীয়া
ৰিপ ভেন উইংকল্‌ আৰু অন্য কেইটামান গল্প	ঃ	**ৱাশ্বিংটন আৰভিং**, অনুবাদ ঃ শীলভদ্ৰ
ৰাজকুমাৰ আৰু ভিকহু	ঃ	**মাৰ্ক টোৱেইন** অনুবাদ ঃ অৱনী চন্দ্ৰ গোস্বামী
সময় যন্ত্ৰ	ঃ	**এইচ. জি. ৱেল্‌ছ**, অনুবাদ ঃ ক্ষীৰধৰ বৰুৱা
মাতৃ	ঃ	**গ্ৰেজিয়া ডেলেড্ডা**, অনুবাদ ঃ লক্ষেশ্বৰ শৰ্মা
মিলন মন্দিৰ	ঃ	**চাৰ্লছ ৰিড**, অনুবাদ ঃ শান্তিৰাম দাস
নিউ ফৰেষ্টৰ অৰুণিহঁত	ঃ	**কেপ্টেইন ফ্ৰেডেৰিক মেৰিয়েট** অনুবাদ ঃ অনুপমা দেৱী
বতাহে কোবোৱা ঘৰখন	ঃ	**এমিলি ব্ৰণ্টি**, অনুবাদ ঃ মীৰা গোস্বামী

কিম	ঃ ৰাডয়াৰ্ড কিপ্‌লিং অনুবাদ ঃ বিনয় মোহন শইকীয়া
হ'হাইট ফেং	ঃ জেক লণ্ডন, অনুবাদ ঃ সমীক ভৰদ্বাজ
ৰবিদিনৰ প্ৰাৰ্থনা সংগীত	ঃ চাৰ্লছ ডিকেন্স, অনুবাদ ঃ ইলা শৰ্মা
পিকউইক নথি-পত্ৰ (১)	ঃ চাৰ্লছ ডিকেন্স, অনুবাদ ঃ মণ্টু ভূঞা
পিকউইক নথি-পত্ৰ (২)	ঃ চাৰ্লছ ডিকেন্স, অনুবাদ ঃ মণ্টু ভূঞা
টেছ	ঃ টমাছ হাৰ্ডি, অনুবাদ ঃ জয়কৃষ্ণ মহন্ত
লু ছুনৰ গল্প (১)	ঃ লু ছুন, অনুবাদ ঃ মীৰা গোস্বামী
ৰূপান্তৰ	ঃ ফ্ৰান্‌জ কাফকা, অনুবাদ ঃ শীলভদ্ৰ
গ্ৰিন গেবল্‌ছৰ এন	ঃ এল. এম. মণ্টগ'মেৰি অনুবাদ ঃ প্ৰণালী গোস্বামী
কেষ্টাৰব্ৰিজৰ মেয়ৰ	ঃ টমাছ হাৰ্ডি অনুবাদ ঃ বন্দিতা গোস্বামী শইকীয়া
ৰহস্যময় দ্বীপ	ঃ জুল ভাৰ্ন, অনুবাদ ঃ অভিজিত শৰ্মা বৰুৱা
চেখভৰ পৃথিবীত (১)	ঃ এণ্টন চেখভ, অনুবাদ ঃ দীপ্তি গোস্বামী
নাবেৰে তিনিজন মানুহ	ঃ জেৰ'ম কে. জেৰ'ম অনুবাদ ঃ বিনয় মোহন শইকীয়া
প্ৰবাল দ্বীপ	ঃ ৰবাৰ্ট মাইকেল বেলেন্টাইন, অনুবাদ ঃ বিনয় মোহন শইকীয়া
পৰম ক্ষুধা	ঃ জোহান বয়াৰ, অনুবাদ ঃ ৰোহিণী কান্ত বৰুৱা
লু ছুনৰ গল্প (২)	ঃ লু ছুন, অনুবাদ ঃ মীৰা গোস্বামী
প্ৰত্যাৱৰ্তন	ঃ গি দ্য মপাছাঁ, অনুবাদ ঃ অনুপমা দেৱী
অহমিকা আৰু ভ্ৰান্তি	ঃ জেন অষ্টেন, অনুবাদ ঃ মীৰা গোস্বামী
চেখভৰ পৃথিবীত (২)	ঃ এণ্টন চেখভ, অনুবাদ ঃ দীপ্তি গোস্বামী
তিনি মাস্কেটিয়াৰ	ঃ আলেকজেণ্ডাৰ ডুমা অনুবাদ ঃ মৃদুস্মিতা ফুকন
জেৰ'মৰ মনোৰম গল্প	ঃ জেৰ'ম কে. জেৰ'ম অনুবাদ ঃ বিনয় মোহন শইকীয়া
ক'লা টিউলিপ	ঃ আলেকজেণ্ডাৰ ডুমা অনুবাদ ঃ সমীক ভৰদ্বাজ
ৰজা ছল'মনৰ খনি	ঃ এইচ. ৰাইডাৰ হেগাৰ্ড অনুবাদ ঃ অনুশ্ৰী শৰ্মা বৰুৱা
চাৰিৰ চহী	ঃ আৰ্থাৰ কনান ডয়ল অনুবাদ ঃ ভুবন চন্দ্ৰ ৰৰা
নীলা লেগুন ঃ এক ৰোমাঞ্চ	ঃ হেনৰি দ্য ভেৰ ষ্টেকপুল অনুবাদ ঃ ছেৰিফউদ্দিন আহমেদ

শ্বাৰলক হ'ম্ছৰ ৰহস্য কাহিনী (৪)	ঃ **আৰ্থাৰ কনান ডয়ল**, অনুবাদ ঃ বন্দিতা ফুকন
সাহসী কেপ্টেইনসকল	ঃ **ৰাডয়াৰ্ড কিপ্‌লিং** অনুবাদ ঃ বিনয় মোহন শইকীয়া
পমিলিৰ পৰিয়াল	ঃ **নিন্‌কে ফান হিখ্‌টুম** অনুবাদ ঃ ৰোহিণী কান্ত বৰুৱা
বসন্ত কালৰ অভিযান	ঃ **জন পাড্‌নি**, অনুবাদ ঃ সান্ত্বনা শৰ্মা
এমা	ঃ **জেন অষ্টেন**, অনুবাদ ঃ মীৰা গোস্বামী
ৰজা আৰ্থাৰৰ কাহিনী	ঃ **ফেলিছিটি ব্ৰুক্‌ছ** অনুবাদ ঃ বিনয় মোহন শইকীয়া
বাস্কাৰভিল পৰিয়ালৰ চিকাৰী কুকুৰটো	ঃ **আৰ্থাৰ কনান ডয়ল** অনুবাদ ঃ ভুবন চন্দ্ৰ বৰা
ৰজা আৰ্থাৰৰ ৰাজসভাত এজন আমেৰিকান	ঃ **মাৰ্ক টোৱেইন** অনুবাদ ঃ বিনয় মোহন শইকীয়া
ছাইলাছ মাৰ্নাৰ	ঃ **জৰ্জ এলিয়ট**, অনুবাদ ঃ ৰূপশ্ৰী গোস্বামী
বননিত বসন্তৰ বা	ঃ **কেনেথ গ্ৰেহেম**, অনুবাদ ঃ হিৰণ্ময়ী দেৱী
ছদ্মবেশিনী	ঃ **হেনৰি উদ**, অনুবাদ ঃ শান্তিৰাম দাস
বেলআলিৰ কণমানিহঁত	ঃ **ই. নেছবিট**, অনুবাদ ঃ বৰ্ণালী শইকীয়া
এজন অজ্ঞাত লোকে কোৱা কাহিনী	ঃ **এণ্টন চেখভ**, অনুবাদ ঃ দীপ্তি গোস্বামী
শ্বেইক্সপিয়েৰৰ নাটকৰ মনোৰম কাহিনী	ঃ **চাৰ্লছ আৰু মেৰি লেম্ব** অনুবাদ ঃ তোষপ্ৰভা কলিতা
দুখন জগতৰ যুদ্ধ	ঃ **এইচ. জি. ৱেল্‌ছ** অনুবাদ ঃ অভিজিত শৰ্মা বৰুৱা
পিগ্‌মেলিয়ন	ঃ **জৰ্জ বাৰ্নাৰ্ড শ্ব**, অনুবাদ ঃ ইমৰান শ্বাহ

এইলানি পুথিৰ সম্পাদনা ঃ দীনেশ চন্দ্ৰ গোস্বামীৰ

শৰাইঘাট প্ৰকাশনৰ অন্য অনূদিত পুথি ঃ

ৰঙা গোলাপৰ পাহি	ঃ **মেৰি কৰেলি**, অনুবাদ ঃ দীপ্তি গোস্বামী
গাঁৱৰ সমাজ	ঃ **শৰৎ চন্দ্ৰ চট্টোপাধ্যায়**, অনুবাদ ঃ মঞ্জুলা বৰা

সম্পাদনা ঃ দীনেশ চন্দ্ৰ গোস্বামীৰ